UG EC S1 01
(DSC/DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এচ; এন.ই.পি ২০২০ অনুসৰি)

প্ৰথম ষাণ্মাসিক

অৰ্থবিজ্ঞানৰ তত্ত্বৰ পৰিচয়-১

অৰ্থবিজ্ঞান

সূৰ্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক মাধুর্য প্রসাদ বেজবৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক ৰাতুল মহন্ত, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক ৰাজশ্রী বেদামাত্তা, অর্থনীতি বিভাগ, আই.আই. টি, গুৱাহাটী

সমন্বয়ৰক্ষী ঃ ড° **ভাস্কৰ শর্মা**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	**ড° স্বাবেৰা ইছলাম** কে. চি. দাস কমার্চ কলেজ, গুৱাহাটী	**পঙ্কজ কলিতা**, (অধ্যায় ১ আৰু ১৪) কমলপুৰ জুনিয়ৰ কলেজ
২	**শুভাশীষ গগৈ**, প্রাক্তন সহকাৰী অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**শুভাশীষ গগৈ**, (অধ্যায় ২, ৫ আৰু ১৫) প্রাক্তন সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৩ - ৫	**ড° নিচাৰ আহমেদ বৰুৱা** গুৱাহাটী বিশ্ববিদ্যালয় **ড°ভাস্কৰ শর্মা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**ৰমেন শর্মা**, (অধ্যায় ৩ আৰু ৪) ডিমাকুছি জুনিয়ৰ কলেজ **ভাস্কৰ শর্মা** (অধ্যায় ৬,১০ আৰু ১৩) কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৬,১০-১৩	**ড°ভাস্কৰ শর্মা** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**ৰূপজ্যোতি বৰদলৈ** (অধ্যায় ৭ আৰু ৮) ডেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়
৭ আৰু ৮	**ড° ৰাতুল মহন্ত** অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়	**ব্রজকিশোৰ শইকীয়া** (অধ্যায় ৯)
৯	**ড° গৌতম মজুমদাৰ** অর্থনীতি বিভাগ, কটন কলেজ, গুৱাহাটী	
১৪ আৰু ১৫	**ড° গৌতম মজুমদাৰ** অর্থনীতি বিজ্ঞান, কটন কলেজ, গুৱাহাটী	

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা		ঃ **ড° গৌতম মজুমদাৰ**, অর্থনীতি বিজ্ঞান, কটন কলেজ, গুৱাহাটী
ভাষা সম্পাদনা	**(মূল ইংৰাজী)**	ঃ **অধ্যাপক ৰবীন গোস্বামী**, প্রাক্তন মুৰব্বী অধ্যাপক, কটন কলেজ
	(অসমীয়া)	ঃ **ড° লোহিত ৰাভা**, ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়
গাঁথনিক সম্পাদনা		ঃ **ড° ভাস্কৰ শর্মা**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ মার্চ - ২০১৭, পুনঃ মুদ্রণ ঃ জুলাই - ২০২৩

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭
মহানগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-**৭৮১ ০২২; Web : www.kkhsou.in**

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **অর্থবিজ্ঞানৰ পৰিচয়** ৭ - ২৪

অর্থবিজ্ঞানৰ মৌলিক ধাৰণা ঃ অর্থবিজ্ঞানৰ বিষয়বস্তু— অর্থবিজ্ঞান মানে কি? অর্থবিজ্ঞানৰ প্রকৃতি আৰু পৰিসৰ, অর্থবিজ্ঞানৰ পছন্দ সমস্যা, মজুত আৰু প্রবাহ চলক; ব্যষ্টিবাদী অর্থনৈতিক চিন্তাধাৰা ঃ ব্যষ্টিবাদী অর্থনীতিৰ পৰিসৰ আৰু বিষয়বস্তু; সমষ্টিবাদী অর্থনৈতিক চিন্তাধাৰা ঃ সমষ্টিবাদী অর্থনীতিৰ পৰিসৰ আৰু বিষয়বস্তু।

অধ্যায় ২ ঃ **বজাৰ কার্য্যপ্রণালী** ২৫ - ৩৯

চাহিদা-যোগানৰ গঠনশৈলী ঃ চাহিদাৰ অর্থ, চাহিদাৰ নিয়ম, যোগানৰ অর্থ, যোগানৰ নিয়ম; ভাৰসমতাৰ ধাৰণা; বজাৰ ভাৰসমতা; স্থিতিশীল বিশ্লেষণ; আপেক্ষিক স্থিতিশীল বিশ্লেষণ; গতিশীল বিশ্লেষণ।

অধ্যায় ৩ ঃ **চাহিদা বিশ্লেষণ** ৪০ - ৫৮

চাহিদা বিধি আৰু চাহিদা ৰেখা; চাহিদা ৰেখাৰ চলন; চাহিদা ৰেখাৰ বিচ্যুতি; চাহিদা বিধিৰ ব্যতিক্রম; চাহিদাৰ স্থিতিস্থাপকতা ঃ চাহিদাৰ দৰ স্থিতিস্থাপকতা, চাহিদাৰ আয় স্থিতিস্থাপকতা, চাহিদা তীর্য্যক স্থিতিস্থাপকতা।

অধ্যায় ৪ ঃ **উপভোক্তাৰ আচৰণবিধি ঃ সাংখ্যিক চিন্তাধাৰা** ৫৯ - ৭২

উপযোগিতাৰ সাংখ্যিক আৰু ক্রমিক চিন্তাধাৰা ঃ মৌলিক ধাৰণা ঃ উপযোগিতাৰ পৰিমাণ, মুঠ উপযোগিতা আৰু প্রান্তিক উপযোগিতা, ক্রমহ্রাসমান উপযোগিতা বিধি; উপভোক্তাৰ ভাৰসমতা ঃ সম প্রান্তিক উপযোগিতা বিধি; ভোক্তাৰ উদ্বৃত্ত।

অধ্যায় ৫ ঃ **উপভোক্তাৰ আচৰণবিধি ঃ ক্রমিক চিন্তাধাৰা** ৭৩ - ৯৪

নিৰপেক্ষ ৰেখা কৌশল ঃ মৌলিক ধাৰণাসমূহ ঃ নিৰপেক্ষ ৰেখা কৌশলৰ অভিধাৰণা, নিৰপেক্ষ অনুসূচী আৰু নিৰপেক্ষ ৰেখা, নিৰপেক্ষ ৰেখা মানচিত্র, নিৰপেক্ষ ৰেখাৰ বৈশিষ্ট্য, নিৰপেক্ষ ৰেখা কৌশল বনাম সাংখ্যিক উপযোগিতা বিশ্লেষণ, নিৰপেক্ষ ৰেখা কৌশলৰ সীমাবদ্ধতাসমূহ; উপভোক্তাৰ ভাৰসমতা ঃ নিৰপেক্ষ ৰেখা কৌশল; দৰ বিপাক, প্রতিকল্পন বিপাক আৰু আয় বিপাক।

অধ্যায় ৬ ঃ **আয়ৰ ধাৰণা** ৯৫ - ১০৭

মুঠ আয়, গড় আয় আৰু প্রান্তিক আয়ৰ ধাৰণা; মুঠ আয়, গড় আয় আৰু প্রান্তিক আয় ৰেখাৰ মাজৰ সম্পর্ক; মুঠ আয়, গড় আয়, প্রান্তিক আয় আৰু চাহিদাৰ দৰ স্থিতিস্থাপকতাৰ মাজৰ সম্পর্ক।

অধ্যায় ৭ ঃ **উৎপাদনৰ তত্ত্ব** ১০৮ - ১৩২

উৎপাদনৰ সিদ্ধান্ত; উৎপাদনৰ ধাৰণা ঃ উৎপাদনৰ সম্পর্ক বা উৎপাদন ফলন, সম-উৎপাদন ৰেখা, উপাদানৰ প্রতিকল্পন; উৎপাদনৰ পৰিৱর্তনশীল অনুপাত বিধি; মাত্রাৰ প্রতিদান বিধি; উৎপাদন প্রতিষ্ঠানৰ ভাৰসমতা; বৃদ্ধিৰ পথ।

অধ্যায় ৮ ঃ **উৎপাদন ব্যয় আৰু ব্যয় ৰেখা** **১৩৩ - ১৪৮**

ব্যয় সম্পৰ্কীয় বিভিন্ন ধাৰণাসমূহ; হ্ৰস্বকালীন ব্যয় ৰেখাসমূহৰ প্ৰকৃতি ঃ মুঠ স্থিৰ ব্যয় আৰু মুঠ পৰিৱৰ্তনশীল ব্যয়, গড় ব্যয় ৰেখাসমূহ, প্ৰান্তিক ব্যয় ৰেখা।

অধ্যায় ৯ ঃ **ব্যৱসায়িক প্ৰতিষ্ঠান আৰু উদ্যোগৰ ভাৰসমতা ঃ সাধাৰণ আলোচনা** **১৪৯ - ১৬৩**

ব্যৱসায়িক প্ৰতিষ্ঠানৰ ভাৰসমতা লাভৰ চৰ্ত; আয়-ব্যয় সমতাৰ বিন্দু; উদ্যোগৰ ভাৰসমতা; গড় ব্যয় মূল্যত স্বাভাৰিক লাভৰ সংযোজন; লাভৰ সৰ্বোচ্চ সীমা মতবাদৰ বৈধতা।

অধ্যায় ১০ ঃ **বজাৰ গাঁথনি ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ** **১৬৪ - ১৮৯**

বজাৰ আৰু আয় ৰেখাসমূহৰ ধাৰণা ঃ বিভিন্ন ধৰণৰ বজাৰৰ গঠন, গড় আয়, মুঠ আয় আৰু প্ৰান্তিক আয়ৰ ধাৰণা; পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ ঃ হ্ৰস্বকালত ব্যৱসায় প্ৰতিষ্ঠানৰ ভাৰসমতা লাভ, হ্ৰস্বকালত উদ্যোগৰ ভাৰসমতা লাভ; পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰঃ দীৰ্ঘকালীন বিশ্লেষণ ঃ দীৰ্ঘকালত ব্যৱসায় প্ৰতিষ্ঠানৰ ভাৰসমতা লাভ, দীৰ্ঘকালত উদ্যোগৰ ভাৰসমতা লাভ।

অধ্যায় ১১ ঃ **বজাৰ গাঁথনি ঃ একচেটিয়া বজাৰ** **১৯০ - ২০৩**

একচেটিয়া বজাৰ ঃ প্ৰাথমিক ধাৰণাঃ একচেটিয়া বজাৰৰ চাহিদা আৰু প্ৰান্তিক বিক্ৰী ৰেখা, একচেটিয়া প্ৰতিষ্ঠানৰ ভাৰসমতা লাভ ঃ হ্ৰস্ব কাল আৰু দীৰ্ঘ কাল, দৰ বিভেদীকৰণ ঃ মাত্ৰা আৰু সম্ভাৱনীয়তা; একচেটিয়া ক্ষমতা ঃ ধাৰণা আৰু পৰিমাপ।

অধ্যায় ১২ ঃ **বজাৰ গাঁথনি ঃ অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ** **২০৪ - ২১৬**

একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ ঃ সংজ্ঞা আৰু অভিধাৰণা; সামগ্ৰী পৃথকীকৰণ আৰু বিক্ৰী ব্যয়; অল্পাধিকাৰ আৰু দ্বয়াধিকাৰ বজাৰৰ ধাৰণা।

অধ্যায় ১৩ ঃ **একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ ভাৰসমতা** **২১৭ - ২৩৩**

একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ ভাৰসমতা ঃ এটা প্ৰতিষ্ঠানৰ ভাৰসমতা ঃ হ্ৰস্ব কাল, এটা প্ৰতিষ্ঠানৰ ভাৰসমতা ঃ দীৰ্ঘ কাল, থূপৰ ভাৰসমতা ঃ হ্ৰস্ব কাল আৰু দীৰ্ঘ কাল; অতিৰিক্ত ক্ষমতা।

অধ্যায় ১৪ ঃ **ৰাষ্ট্ৰীয় আয়ৰ মৌলিক ধাৰণা** **২৩৪ - ২৪৭**

ৰাষ্ট্ৰীয় আয়ৰ মৌলিক ধাৰণা; সৰ্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন (GNP), শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন (NNP), জনমুৰি আয় (PCI), হস্তান্তৰসাধ্য আয় (Disposable Income); ৰাষ্ট্ৰীয় আয়ৰ গুৰুত্ব।

অধ্যায় ১৫ ঃ **ৰাষ্ট্ৰীয় আয়ৰ হিচাপ-নিকাচ আৰু আয়ৰ চক্ৰীয় প্ৰবাহ** **২৪৮ - ২৬০**

ৰাষ্ট্ৰীয় আয়ৰ পৰিমাপ বা নিৰূপণৰ পদ্ধতি; ৰাষ্ট্ৰীয় আয় পৰিমাপৰ অসুবিধা; ৰাষ্ট্ৰীয় আয়ৰ চক্ৰীয় প্ৰবাহ।

প্ৰসঙ্গ পুথি **২৬১**

পৰিশিষ্ট 'ক' আৰু 'খ' **২৬২ - ২৭৩**

প্ৰসঙ্গ পুথি **২৭৪**

পাঠ্যবিষয়ৰ পৰিচয়

এই পাঠ্যবিষয়টিয়ে আপোনালোকক অর্থবিজ্ঞানৰ ক্ষেত্রখনৰ লগত পৰিচয় কৰাই দিব। অক্সফর্দ ইংৰাজী অভিধানে আগবঢ়োৱা অর্থবিজ্ঞানৰ সংজ্ঞা অনুসৰি, জ্ঞানৰ যিটো বিভাগে উৎপাদন, উপভোগ আৰু সম্পদৰ হস্তান্তৰ লগত জড়িত, তাকে অর্থবিজ্ঞান বুলি কোৱা হয়। বহল অর্থত অর্থ বিজ্ঞানক দুটা ভাগত ভাগ কৰা হৈছে— ব্যষ্টিবাদী আৰু সমষ্টিবাদী অর্থবিজ্ঞান। ব্যষ্টিবাদী অর্থবিজ্ঞানে মানুহৰ ব্যক্তিগত কার্য্যকলাপৰ বিষয়ে অধ্যয়ন কৰে। আনহাতে, সমষ্টিবাদী অর্থবিজ্ঞানে সামূহিক আচাৰ ব্যৱহাৰ সম্বন্ধে আলোচনা আগবঢ়ায়। সমষ্টিবাদী অর্থবিজ্ঞানত ৰাষ্ট্রীয় আয়, মুঠ ঘৰুৱা উৎপাদন, নিয়োগৰ পৰিবর্তন আদি বিভিন্ন আহিলা সম্বন্ধে আলোচনা কৰা হয়। এই পাঠ্যবিষয়টিৰ নামকৰণ কৰা হৈছে— ‘অর্থবিজ্ঞানৰ তত্ত্বৰ পৰিচয়-১ ’।

এই পাঠ্যবিষয়টিত মুঠতে ১৫টা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। প্রথম অধ্যায়ত অর্থবিজ্ঞানৰ বিষয়বস্তু আৰু ইয়াৰ দুটা ভাগ ক্রমে ব্যষ্টিবাদী আৰু সমষ্টিবাদী অর্থবিজ্ঞানৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াৰ লগতে, মজুত আৰু প্রবাহ চলকৰ ওপৰতো ৰেখাপাত কৰা হৈছে। দ্বিতীয় অধ্যায়টিয়ে ভাৰসমতাৰ ধাৰণাৰ লগতে ভাৰসমতাৰ স্থিতিশীল, আপেক্ষিক স্থিতিশীল আৰু গতিশীল বিশ্লেষণৰ ওপৰত ধাৰণা আগবঢ়াইছে। তৃতীয় অধ্যায়ত অর্থ বিজ্ঞানত চাহিদাৰ ধাৰণাটো কি, তাৰ ওপৰত আলোচনা কৰা হৈছে। চাহিদা ৰেখাৰ ব্যুৎপত্তি, চাহিদা ৰেখা এডালৰ বিভিন্ন বিন্দুত ৰেখাডালে কেনেদৰে গতি কৰে, চাহিদা ৰেখাৰ পৰিৱর্তন আদিৰ বিষয়েও ইয়াত আলোচনা আগবঢ়োৱা হৈছে। লগতে, এই অধ্যায়টিত আপোনালোকক স্থিতিস্থাপকতাৰ ধাৰণাৰ লগতো চিনাকি কৰি দিয়া হৈছে। চতুর্থ অধ্যায়ত ভোক্তাৰ আচৰণ বিধিৰ সাংখ্যিক ধাৰণাৰ বিষয়ে বর্ণনা কৰা হৈছে। অধ্যায়টিত ক্রমহ্রাসমান প্রান্তিক উপযোগিতাৰ লগতে সম প্রান্তিক উপযোগিতা বিধিৰ বিষয়েও আলোচনা আগবঢ়োৱা হৈছে। এই অধ্যায়টিৰ জৰিয়তে আপোনালোকে ভোক্তাৰ উদ্বৃত্তৰ ধাৰণাৰ লগতো চিনাকি হ’ব পাৰিব। পঞ্চম অধ্যায়ত ভোক্তাৰ আচৰণ বিধিৰ ক্রমিক ধাৰণাৰ বিষয়ে বর্ণনা দিয়া হৈছে। ইয়াত ভোক্তাৰ নিৰপেক্ষ ৰেখা আৰু ইয়াৰ চৰিত্রৰ লগতে বাজেট ৰেখা সম্বন্ধেও আলোচনা আগবঢ়োৱা হৈছে। তদুপৰি, দৰ বিপাক, আয় বিপাক আৰু প্রতিকল্পন বিপাকৰ বিষয়ে বর্ণনা আগবঢ়োৱা হৈছে। অধ্যায় ৬ ত ৰাজহৰ লগত জড়িত বিভিন্ন ধাৰণা,যেনে— সর্বমুঠ ৰাজহ, গড় ৰাজহ আৰু প্রান্তিক ৰাজহ আদিৰ বর্ণনা থকাৰ উপৰিও গড় ৰাজহ; প্রান্তিক ৰাজহ আৰু দৰ স্থিতিস্থাপকতাৰ মাজৰ সম্বন্ধক দেখুওৱা হৈছে। অধ্যায়-৭ত উৎপাদনৰ তত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত আপোনালোকে উৎপাদনৰ লগত জড়িত বিভিন্ন ধাৰণা, যেনে— উৎপাদনৰ সিদ্ধান্ত, উৎপাদন ফলন, সম-উৎপাদন ৰেখা, উপাদানৰ প্রতিকল্পন আদিৰ বিষয়ে বিষদভাবে জ্ঞান আহৰণ কৰিব। অধ্যায়-৮ত ব্যয় আৰু ব্যয় ৰেখাৰ ওপৰত আলোকপাত কৰা হৈছে। ইয়াত ব্যয় ৰেখাৰ হ্রস্বকালীন আৰু দীর্ঘকালীন আলোচনাই ঠাই পাইছে। অধ্যায়-৯ত ব্যৱসায়িক প্রতিস্থান আৰু উদ্যোগৰ ভাৰসমতা আহৰণৰ বিষয়ে আলোচনা কৰা হৈছে। অধ্যায়টিত লগতে আয় ব্যয় সমতাৰ ধাৰণাটো আলোচনা কৰা হৈছে। অধ্যায়-১০ত পূর্ণ প্রতিযোগিতামূলক বজাৰৰ বিষয়ে বর্ণনা কৰা হৈছে। পূর্ণ প্রতিযোগিতামূলক বজাৰত ব্যবসায় প্রতিষ্ঠান আৰু উদ্যোগে হ্রস্বকাল আৰু দীর্ঘকালত কেনেকৈ ভাৰসমতা লাভ কৰে, তাৰ বিশ্লষণ আগবঢ়োৱা হৈছে। অধ্যায় ১১ত একচেটিয়া বজাৰ ব্যৱস্থা বর্ণনা কৰাৰ লগতে ইয়াক পূর্ণ প্রতিযোগিতামূলক বজাৰৰ লগত তুলনা কৰি দেখুওৱা হৈছে। অধ্যায় ১২ত অপূর্ণ প্রতিযোগিতা মূলক বজাৰ ব্যৱস্থাৰ ওপৰত আলোচনা আগবঢ়োৱাৰ উপৰিও অল্পাধিকাৰ আৰু দ্বয়াধিকাৰ বজাৰ ব্যৱস্থাৰ আভাস দাঙি ধৰা হৈছে। ১৩ত একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ ভাৰসমতা আলোচনা কৰা হৈছে। অধ্যায় ১৪ত ৰাষ্ট্রীয় আয়ৰ ধাৰণা সম্বন্ধে আলোচনা কৰা হৈছে। ইয়াত আপোনালোকক ৰাষ্ট্রীয় আয়ৰ লগত জড়িত বিভিন্ন ধাৰণা যেনে মুঠ ৰাষ্ট্রীয় আয়, মুঠ ৰাষ্ট্রীয় উৎপাদন, নিগুট ৰাষ্ট্রীয় উৎপাদন, গড় জনমুৰি আয়, ব্যয়যোগ্য আয়

আদিৰ লগত পৰিচয় কৰাই দিয়া হ'ব। ৰাষ্ট্ৰীয় আয় পৰিমাপৰ গুৰুত্ব সম্বন্ধেও ইয়াত আলোচনা কৰা হৈছে। অধ্যায় ১৫ত ৰাষ্ট্ৰীয় আয় পৰিমাপৰ বিভিন্ন পদ্ধতি সম্পৰ্কে বৰ্ণনা আগবঢ়োৱা হৈছে। ইয়াত ৰাষ্ট্ৰীয় আয় পৰিমাপৰ বিভিন্ন অসুবিধাসমূহৰ লগতে আয়ৰ চক্ৰীয় প্ৰবাহৰ বিষয়েও বৰ্ণনা আগবঢ়োৱা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'অনুশীলনী'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ অর্থবিজ্ঞানৰ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ অর্থবিজ্ঞানৰ মৌলিক ধাৰণা
১.৩.১ অর্থবিজ্ঞানৰ বিষয়বস্তু— অর্থবিজ্ঞান মানে কি?
১.৩.২ অর্থবিজ্ঞানৰ প্রকৃতি আৰু পৰিসৰ
১.৩.৩ অর্থবিজ্ঞানৰ পছন্দ সমস্যা
১.৩.৪ মজুত আৰু প্রবাহ চলক
১.৪ ব্যষ্টিবাদী অর্থনৈতিক চিন্তাধাৰা
১.৪.১ ব্যষ্টিবাদী অর্থনৈতিক চিন্তাধাৰাৰ পৰিসৰ আৰু বিষয়বস্তু
১.৫ সমষ্টিবাদী অর্থনৈতিক চিন্তাধাৰা
১.৫.১ সমষ্টিবাদী অর্থনৈতিক চিন্তাধাৰাৰ পৰিসৰ আৰু বিষয়বস্তু
১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৭ অধিক জানিবলৈ
১.৮ অগ্রগতিৰ খতিয়ান
১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অর্থবিজ্ঞান (Economics)ৰ ধাৰণাসমূহ আৰু অর্থবিজ্ঞানৰ অধ্যয়নৰ আৱশ্যকতাসমূহ চিনাক্ত কৰিব পাৰিব
- অর্থবিজ্ঞানৰ বিষয়বস্তু, প্রকৃতি আৰু পৰিসৰৰ বিষয়ে বিচাৰ কৰিব পাৰিব
- অর্থবিজ্ঞানৰ মূল সমস্যাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- পছন্দৰ ধাৰণাটো এটা অর্থনৈতিক সমস্যা হিচাপে বিবেচনা কৰিব পাৰিব
- মজুত আৰু প্রবাহ চলকৰ সূত্র দিব পাৰিব
- ব্যষ্টিবাদী অর্থনীতিৰ পৰিসৰ আৰু বিষয়বস্তু সম্পর্কে আলোচনা কৰিব পাৰিব
- সমষ্টিবাদী অর্থনীতিৰ পৰিসৰ আৰু বিষয়বস্তু সম্পর্কে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে কিছুমান গুৰুত্বপূৰ্ণ অৰ্থনৈতিক ধাৰণাৰ লগত পৰিচয় কৰি দিবলৈ বিচৰা হৈছে। সেইবোৰ হ'ল অৰ্থবিজ্ঞান (Economics)ৰ প্ৰকৃতি আৰু পৰিসৰ, এটা অৰ্থনীতি (Economy)ৰ মূল সমস্যাসমূহ, অৰ্থনীতিৰ পছন্দৰ সমস্যা, মজুত আৰু প্ৰবাহ চলক।

আমি অৰ্থবিজ্ঞানৰ কেতবোৰ প্ৰাথমিক ধাৰণাৰে আৰম্ভ কৰিম য'ত অৰ্থবিজ্ঞানৰ বিষয়বস্তু, প্ৰকৃতি আৰু পৰিসৰ, অৰ্থনৈতিক সমস্যা হিচাপে পছন্দৰ ধাৰণা, মজুত আৰু প্ৰবাহৰ ধাৰণা আৰু ক্ৰমান্বয়ে আমি অৰ্থবিজ্ঞানৰ দুটা প্ৰধান ভাগ ব্যষ্টিবাদী অৰ্থবিজ্ঞান আৰু সমষ্টিবাদী অৰ্থবিজ্ঞানৰ ফালে আগবাঢ়ি যাম।

১.৩ অৰ্থবিজ্ঞানৰ মৌলিক ধাৰণা

অধ্যায়টিৰ প্ৰাৰম্ভিক শাখাটিত অৰ্থবিজ্ঞানৰ কেইটামান মৌলিক ধাৰণা আলোচনা কৰা হৈছে। এই শাখাটিত চাৰিটা উপ-শাখা আছে। সেইকেইটা এনেধৰণৰ ঃ

১.৩.১ অৰ্থবিজ্ঞানৰ বিষয়বস্তু— অৰ্থবিজ্ঞান মানে কি ?

অৰ্থবিজ্ঞানৰ বিষয়বস্তু সম্পৰ্কে জানিবলৈ হ'লে বিষয়টি সন্দৰ্ভত আগবঢ়োৱা বিভিন্ন উল্লেখযোগ্য সংজ্ঞাবোৰ আলোচনা কৰিব লাগিব। বিভিন্ন সময়ত বিভিন্ন অৰ্থবিজ্ঞানীয়ে বিষয়টিক বিভিন্ন ধৰণে সংজ্ঞায়িত কৰিবলৈ প্ৰয়াস কৰিছে। এই সংজ্ঞাসমূহৰ ভিতৰত চাৰিটা সংজ্ঞা বিশেষভাৱে উল্লেখযোগ্য। এই সংজ্ঞাকেইটা হ'ল—

- আদাম স্মিথৰ সংজ্ঞা
- আলফ্ৰেদ মাৰ্শ্বালৰ সংজ্ঞা
- লায়নেল ৰবিন্সৰ সংজ্ঞা আৰু
- প'ল এ ছেমুৱেলছনৰ সংজ্ঞা।

আদাম স্মিথৰ সংজ্ঞা ঃ 'The Wealth of Nations' (১৭৭৬) নামৰ গ্ৰন্থখনৰ প্ৰণেতা আদাম স্মিথ (Adam Smith)ক আধুনিক অৰ্থবিজ্ঞানীৰ পিতৃ (Father of Economics) বুলি আখ্যা দিয়া হয়। যদিও উৎপাদন আৰু বিতৰণ সম্পৰ্কীয় আলোচনাবোৰৰ এক ইতিহাস আছে, আদাম স্মিথৰ 'The Wealth of Nations' নামৰ গ্ৰন্থখন ১৭৭৬ চনত প্ৰকাশিত হোৱাৰ পাছৰে পৰাই অৰ্থবিজ্ঞান ইয়াৰ আধুনিক অৰ্থত এক পৃথক বিষয় হিচাপে প্ৰচলিত হৈছে। আদাম স্মিথে তেখেতৰ গ্ৰন্থত অৰ্থবিজ্ঞানক তলৰ কথাখিনিৰ সহায়েৰে সংজ্ঞায়িত কৰিছে ঃ

> ["ৰাজনৈতিক অৰ্থনীতি (Political Economy)ক ৰাজনীতিবিদ বা আইনকৰ্তাৰ বিজ্ঞানৰ এক শাখা বুলি বিবেচনা কৰা হয়। ই দুই ধৰণৰ উদ্দেশ্য বিবেচনা কৰে। প্ৰথমতে, জনসাধৰণৰ বাবে প্ৰচুৰ পৰিমাণে আয় বা উৎপাদন যোগান ধৰিবলৈ, বা



*আদাম স্মিথ*ৰ বিষয়ে অধিক জানিবৰ বাবে দ্বিতীয় খণ্ডৰ শেহত সন্নিৱিষ্ট পৰিশিষ্ট 'খ' চাওক।

সঠিককৈ ক'বলৈ হ'লে, জনসাধাৰণক আয় বা জীৱিকা সংগ্ৰহ কৰাত সামৰ্থ কৰিবলৈ চেষ্টা কৰে। আৰু দ্বিতীয়তে, সৰ্বসাধৰণক বা ৰাষ্ট্ৰক ৰাজহুৱা সেৱাৰ বাবে পৰ্যাপ্ত পৰিমাণে আয়ৰ যোগান ধৰিবলৈ দিক্ দৰ্শন কৰে। ই সৰ্বসাধাৰণ আৰু ৰাষ্ট্ৰ দুয়োটাকে সম্পদশালী কৰি তুলিব বিচাৰে।"

"Political economy, considered as a branch of the science of a statesman or legislator, proposes two distinct objects: first, to supply a plentiful revenue or product for the people, or, more properly, to enable them to provide such a revenue or subsistence for themselves; and secondly, to supply the state or commonwealth with a revenue sufficient for the public services. It proposes to enrich both the people and the sovereign."]

স্মিথে বিষয়টোক 'ৰাজনৈতিক অৰ্থনীতি' বুলি অভিহিত কৰিছিল। কিন্তু ১৮৭০ চনৰ পাছৰ পৰা লাহে লাহে এই নামটোৰ ঠাইত "অৰ্থবিজ্ঞান" নামটো ব্যৱহাৰ হৈ আহিছে।

আদাম স্মিথৰ সংজ্ঞাটো বহুকেইটা কাৰণত সমালোচনা কৰা হৈছে। *প্ৰথমতে,* স্মিথে তেওঁৰ সংজ্ঞাটিত মূলতে জোৰ দিছে সম্পদৰ ওপৰত, কিন্তু সমালোচকসকলে আঙুলিয়াই দিছে যে, আধুনিক মানৰ জীৱনত সম্পদেই শেষ কথা হ'ব নোৱাৰে। এইটো কথা ঠিক যে মানৰ জীৱনত বহুতো অভাৱ পূৰণ কৰিবৰ বাবে সম্পদৰ প্ৰয়োজনীয়তা নথকা নহয়, কিন্তু কেৱল সম্পদ আহৰণ কৰাটোৱেই মানৰ জীৱনৰ অন্যতম লক্ষ্য হ'ব নোৱাৰে। *দ্বিতীয়তে,* সকলো ধৰণৰ সম্পদেই মানৰ কল্যাণ বৃদ্ধিত অৰিহণা নোযোগাবও পাৰে। *তৃতীয়তে,* অৰ্থবিজ্ঞানৰ মূল সমস্যা হৈছে সম্পদৰ দুষ্প্ৰাপ্যতা— কিন্তু ইয়াৰ বিষয়ে স্মিথে কোনো আলোচনা কৰা নাই।

আলফ্ৰেদ মাৰ্ছালৰ সংজ্ঞা ঃ ১৮৯০ চনত প্ৰকাশ পোৱা আলফ্ৰেদ মাৰ্ছাল (Alfred Marshall)ৰ 'Principles of Economics' গ্ৰন্থখনত অৰ্থবিজ্ঞানৰ বিভিন্ন সংজ্ঞা তেওঁ দাঙি ধৰিছে—

["অৰ্থবিজ্ঞানে ব্যক্তিগত সামাজিক কাৰ্যাৱলীৰ সেই অংশটো পৰীক্ষা কৰে, যিটো অংশ বস্তুগত কল্যাণ সাধন আৰু ইয়াৰ ব্যৱহাৰৰ সৈতে ঘনিষ্ঠভাৱে জড়িত। সেয়ে, এহাতেদি অৰ্থবিজ্ঞান সম্পদৰ অধ্যয়ন আৰু আনহাতেদি বিশেষকৈ, ই মানুহৰ কাৰ্য্যাৱলীৰ অংশ বিশেষৰ অধ্যয়ন।"

"Economics examines that part of social and individual action which is most closly connected with the attainment and with the use of Material requsities of well being. Thus, it is on the one side, a study of wealth and on the other and more importent side, a part of the study of man."]



*আলফ্ৰেদ মাৰ্ছাল*ৰ বিষয়ে অধিক জানিবৰ বাবে দ্বিতীয় খণ্ডৰ শেহত সন্নিৱিষ্ট পৰিশিষ্ট 'খ' চাওক।

মার্ছালৰ সংজ্ঞাটোৱে মানৱ কল্যাণৰ লগত জড়িত বস্তুগত সামগ্ৰীৰ আৱশ্যকতাৰ বিষয়ে স্পষ্টকৈ উল্লেখ কৰিছে। মার্ছালৰ সংজ্ঞাটোৰ আন এটা উল্লেখযোগ্য কথা হ'ল সংজ্ঞাটোৱে অর্থবিজ্ঞানক এক সমাজ বিজ্ঞান হিচাপে অভিহিত কৰিছে। গতিকে, সংজ্ঞাটোৰ মতে, অর্থবিজ্ঞান হৈছে এক সমাজ বিজ্ঞান, ই ৰবিন্সন ক্ৰুছ'ৰ দৰে অকলশৰীয়া জীৱন কটোৱা ব্যক্তিৰ অধ্যয়ন নহয়।

আদাম স্মিথে আগবঢ়োৱা সংজ্ঞাটোতকৈ উন্নত হ'লেও মার্ছালৰ সংজ্ঞাটোকো বিভিন্ন কাৰণত সমালোচনা কৰা হৈছে। *প্ৰথমতে,* মার্ছালৰ মতে, বস্তুগত কল্যাণ অর্জনেই অর্থবিজ্ঞানৰ মূল লক্ষ্য। মার্ছালে বস্তুগত (Material) আৰু অবস্তুগত (Immaterial) দুয়োধৰণৰ কল্যাণৰ কথা উল্লেখ কৰিলেও মানৱ জীৱনত অবস্তুগত কল্যাণৰ ভূমিকা সম্পূৰ্ণৰূপে আওকাণ কৰিছে। অর্থাৎ, বিভিন্ন দৰকাৰী সেৱাৰ (Services) পৰা লাভ কৰিব পৰা কল্যাণৰ কথাষাৰ মার্ছালে সম্পূৰ্ণ আওকাণ কৰিছে। *দ্বিতীয়তে,* সম্পদৰ সলনি কল্যাণৰ ওপৰত গুৰুত্ব দিয়াটো যথেষ্ট আদৰণীয়, কিন্তু মনোবৈজ্ঞানিক এক বিষয় হোৱা হেতুকে কল্যাণৰ জোখ লোৱাটো সম্ভৱপৰ নহয়। তদুপৰি, অর্থবিজ্ঞানৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যা— 'দুষ্প্ৰাপ্যতাৰ সমস্যা' (Problem of Scarcity)ৰ ওপৰত মার্ছালে কোনো ধৰণৰ আলোকপাত কৰা নাই।

লায়'নেল ৰবিন্সৰ সংজ্ঞা ঃ লায়'নেল ৰবিন্স (Lionel Robbins)এ আগবঢ়োৱা অর্থবিজ্ঞানৰ সংজ্ঞাটো হ'ল— "Economics is the Science which studies human behaviour as a relationship between ends and scarce means which have alternative uses." অর্থাৎ, "অর্থবিজ্ঞান হৈছে এনে এক বিজ্ঞান য'ত বিকল্প ব্যৱহাৰযোগ্য সীমিত আহিলা আৰু সেইবোৰৰ ব্যৱহাৰৰ জৰিয়তে লক্ষ্যত উপনীত হোৱাৰ এক সম্পৰ্ক হিচাপে মানৱ আচৰণ অধ্যয়ন কৰা হয়।"



লায়'নেল ৰবিন্সৰ বিষয়ে অধিক জানিবৰ বাবে দ্বিতীয় খণ্ডৰ শেহত সন্নিৱিষ্ট পৰিশিষ্ট 'খ' চাওক।

এই সংজ্ঞাটোৰ তিনিটা দিশ বিশেষ গুৰুত্বপূৰ্ণ ঃ

- 'লক্ষ্য' (Ends) শব্দটোৱে অভাৱৰ কথা সূচাইছে। মানুহৰ অভাৱ অসীম। এটা অভাৱ পূ�ৰণৰ লগে লগেই আন এটা অভাৱে দেখা দিয়ে।
- অসীম অভাৱৰ বিপৰীতে অভাৱ পূ�ৰণৰ আহিলাসমূহ যথেষ্ট সীমিত (Scarce Means)। আপোনাৰ হাতত থকা সীমিত টকাখিনিৰে আপোনাৰ প্ৰয়োজনীয় আটাইবোৰ সামগ্ৰী কিনিব পাৰিবনে? নিশ্চয় নোৱাৰে। সেয়ে আমি সম্পদৰ অভাৱৰ সন্মুখীন হওঁ। আৰু এই কাৰণতে আমি অগ্ৰাধিকাৰ ভিত্তিত অভাৱ পূৰণৰ প্ৰয়াস কৰোঁ।
- এই কথা দুটাই আন এটা কথাৰ অৱতাৰণা কৰে। ৰবিন্সৰ সংজ্ঞাৰ তৃতীয়টো উল্লেখযোগ্য দিশ হ'ল অভাৱ পূৰণৰ বাবে আমাৰ হাতত থকা আহিলাসমূহ বিকল্প ব্যৱহাৰযোগ্য (Alternative Uses)। এই উদাহৰণটোলৈ মন কৰক। শ্ৰীমান সমীৰৰ হাতত ১০ টকা আছে। এই দহ টকাৰে তেওঁ এটা কলম কিনিব পাৰে,

বাছেৰে কেইমাইলমান দূৰ যাব পাৰে, মিঠাই কিনিব পাৰে। ওচৰৰ চিনেমা হলৰ টিকট এটা কিনিব পাৰে শ্ৰীমান সমীৰে সেই দহ টকাটো কেনেদৰে খৰছ কৰিব সেয়া নিৰ্ভৰ কৰিব সেই সময়খিনিত তেওঁৰ আটাইতকৈ বেছি প্ৰয়োজনটোৰ ওপৰত। লক্ষ্যণীয় কথাটো হ'ল তেওঁ দহ টকাৰে কলম এটা কিনিলে, একে সময়তে আন সেৱা/সামগ্ৰীত সেই একেই টকাখিনি খৰছ কৰিব নোৱাৰে।

এই তিনিওটা কথাৰ পৰাই অৰ্থনৈতিক পছন্দৰ সমস্যা (Economic Problem of Choice)ৰ কথাটো আহি পৰে। এই অৰ্থতপছন্দৰ সমস্যাটো অৰ্থবিজ্ঞানৰ অধ্যয়নৰ মূল বিষয়বস্তু।



জানি থোৱা ভাল

অৰ্থবিজ্ঞানত দুষ্প্ৰাপ্যতা (Scarcity) শব্দটো আপেক্ষিক অৰ্থত ব্যৱহাৰ কৰা হয়। ইয়াৰ অৰ্থ হ'ল, সামগ্ৰী এবিধৰ উপলব্ধতাৰ পৰিমাণ বা যোগানৰ সৈতে ইয়াৰ পোনপটীয়া সম্পৰ্ক নাই। এটা সামগ্ৰীৰ যোগান সীমিত হ'লেও দুষ্প্ৰাপ্য বুলি বিবেচিত নহ'বও পাৰে। এই উদাহৰণটোলৈ মন কৰক। এখন দোকানত মাত্ৰ এযোৰ কণী আছে, কিন্তু দুয়োটা কণীয়েই ঘোলা। ঘোলা কণী কোনোবাই কিনিব জানো? এই ক্ষেত্ৰত, দোকানীজনৰ লগত মাত্ৰ এযোৰ কণী থাকিলেও সেয়া সীমিত যোগান নে দুষ্প্ৰাপ্য বুলি বিবেচিত নহয়। ইয়াৰ বিপৰীতে, দোকানীজনৰ ওচৰত বুজন পৰিমাণৰ চাউল জমা আছে। এই ক্ষেত্ৰত কিন্তু চাউলৰ মজুত সৰহ হ'লেও দুষ্প্ৰাপ্য বুলি কোৱা হ'ব। ইয়াৰ কাৰণ হ'ল, চাউলৰ বৰ্তমান মজুতৰ তুলনাত (ঘোলা কণীৰ চাহিদাৰ লগত তুলনা কৰি চাওক) ইয়াৰ চাহিদা বহু বেছি। গতিকে দুষ্প্ৰাপ্যতা সামগ্ৰী এবিধৰ চাহিদাৰ সৈতেহে জড়িত, কেৱল যোগানৰ লগত নহয়।

ৰবিন্সৰ সংজ্ঞাৰ সমালোচনা ঃ আগৰকেইটা সংজ্ঞাৰ দৰে ৰবিন্সৰ সংজ্ঞাটোও সমালোচিত হৈছে। ইয়াৰ মূল সমালোচনাসমূহ এনেধৰণৰ ঃ

- এই সংজ্ঞাটো খুব ব্যাপক। এই সংজ্ঞাটোৱে অৰ্থবিজ্ঞানৰ বিষয়বস্তু অধিক অবাস্তৱ আৰু কঠিন কৰি তুলিছে।
- ৰবিন্সৰ সংজ্ঞাটোৱে অৰ্থনীতি এটাৰ বিকাশৰ ধাৰণাটো আওকাণ কৰিছে। ব্যৱহাৰিক অৰ্থত চাবলৈ গ'লে, অৰ্থনৈতিক বিকাশৰ ধাৰণাটোৱে মানুহৰ আৰ্থ-সামাজিক জীৱনৰ সৈতে জড়িত বহু গুৰুত্বপূৰ্ণ বিষয়বস্তু, যথা— ৰাষ্ট্ৰীয় আয়, জনমূৰি আয় আদিৰ অধ্যয়ন সামৰি লয়। আজি বিশ্বৰ প্ৰায় সকলোবোৰ দেশৰেই এক মূল লক্ষ্য হৈছে উচ্চ স্তৰৰ অৰ্থনৈতিক বিকাশ অৰ্জন।
- এই সংজ্ঞাটোৱে উন্নত আৰু উন্নয়নশীল দেশসমূহৰ বহুবোৰ গুৰুত্বপূৰ্ণ সমস্যা আওকাণ কৰিছে। নিবনুৱাৰ দৰে অত্যন্ত গুৰুত্বপূৰ্ণ সমস্যাৰ ক্ষেত্ৰত ই নিমাত। গতিকে দেখা যায় যে, বহু ক্ষেত্ৰত ৰবিন্সৰ সংজ্ঞাটোৱে অৰ্থবিজ্ঞানৰ বিষয়বস্তু নহয়।

- অধ্যাপক কেয়ার্নক্রচ্ (Cairncross)ৰ মতে, সামাজিক প্রেক্ষাপটতহে পছন্দৰ সমস্যাটো অধ্যয়নৰ এক বিষয়বস্তু। ব্যক্তিগত পছন্দৰ সমস্যাটো অর্থবিজ্ঞানৰ অধ্যয়নৰ বিষয়বস্তু নহয়।
- ছেমুৱেলছন (Samuelson) আৰু নর্দহাচ (Nordhaus)ৰ মতে, দক্ষতা (efficiency) দৰে গুৰুত্বপূর্ণ বিষয়ৰ সৈতেও অর্থবিজ্ঞানৰ সম্পর্ক আছে। ৰবিন্সৰ সংজ্ঞাটোৱে সেয়া এৰাই চলিছে।



*প'ল এ ছেমুৱেলছন*ৰ বিষয়ে অধিক জানিবৰ বাবে দ্বিতীয় খণ্ডৰ শেহত সন্নিৱিষ্ট পৰিশিষ্ট 'খ' চাওক।

প'ল এ ছেমুৱেলছন (Paul A. Samuelson)**ৰ সংজ্ঞা ঃ** ছেমুৱেলছনে অর্থবিজ্ঞানৰ সংজ্ঞা এনেদৰে দিছে ঃ

> ''Economics is the study of how men and society chocse, with or without the use of money, to employ scarce productive resource which could have alternative uses, to produce various commodites over time and distribute them for consumption, now and in the future among various people and groups of society.''
>
> অর্থবিজ্ঞান এনে এক বিষয় য'ত পইচাৰ সহায়ত বা পইচাৰ সহায় নোলোৱাকৈও মানুহ আৰু সমাজে বিকল্প ব্যৱহাৰযুক্ত দুষ্প্রাপ্য উৎপাদনশীল সম্পদসমূহ বিভিন্ন মানুহ বা সামাজিক গোটৰ বর্তমান বা ভৱিষ্যতৰ উপভোগৰ প্রয়োজনৰ খাটিৰত বিভিন্ন সেৱা আৰু সামগ্রীৰ উৎপাদনৰ মাজত কেনেদৰে বিতৰণ কৰাৰ বাবে 'বাছনি' কৰে, সেয়া অধ্যয়ন কৰা হয়।

ছেমুৱেলছনৰ সংজ্ঞাটোৱে মানুহ (Man), টকা-পইচা (Money), দুষ্প্রাপ্য উৎপাদনশীল সম্পদ (Scarce Productive Resources) —এই বিষয়সমূহ অন্তর্ভুক্ত কৰিছে। অৱশ্যে সমালোচকসকলে আঙুলিয়াই দিছে যে, মানুহৰ কল্যাণ (Human Well-being)ৰ দৰে গুৰুত্বপূর্ণ বিষয়ৰ ক্ষেত্রত সংজ্ঞাটোৱে যথোচিত গুৰুত্ব প্রদান কৰা নাই। সেইদৰে, বর্তমানৰ সমস্যা এখনত সেৱা খণ্ডই পালন কৰা গুৰুত্বপূর্ণ ভূমিকাৰ ক্ষেত্রতো যথোচিত আলোকপাত কৰা নাই।

১.৩.২ অর্থবিজ্ঞানৰ প্রকৃতি আৰু পৰিসৰ

অর্থবিজ্ঞানৰপ্রকৃতি আৰু পৰিসৰ (Nature and Scope of Economics)এ অর্থবিজ্ঞানে কি সূচায় তাৰ লগত জড়িত। আমি অর্থবিজ্ঞানৰ প্রকৃতি সম্বন্ধে জ্ঞান লাভ কৰিবলৈ হ'লে ওপৰৰ শাখাটোত উল্লেখ কৰা সংজ্ঞাসমূহৰ অধ্যয়ন কৰিব লাগিব আৰু তেতিয়াহে অর্থবিজ্ঞানে সম্পদৰ বিষয়ে অধ্যয়ন কৰে, নে আর্থিক সম্পদৰ দুষ্প্রাপ্যতাৰ বিষয়ে আলোচনা কৰে, নে মানুহৰআচৰণ অধ্যয়ন কৰে, তাৰ উত্তৰ দিবলৈ সক্ষম হ'ম।

ইতিমধ্যে আলোচনা কৰা সংজ্ঞাকেইটাৰ বিশ্লেষণৰ পৰা আমি ক'ব পাৰো যে, অর্থবিজ্ঞানে মানুহ আৰু সমাজ এখনে সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহ সমাধানৰ বাবে বিকল্প ব্যৱহাৰযোগ্য সীমিত সম্পদৰাজি কেনেদৰে ব্যৱহাৰ কৰে সেয়া অধ্যয়ন কৰে। তদুপৰি, বর্তমান আৰু ভৱিষ্যত প্রজন্মৰ স্বার্থত অর্থনীতি এটাই বা অর্থনীতিসমূহে কেনেধৰণৰ বিকাশৰ নীতি আৰু কৌশলসমূহ অৱলম্বন কৰা উচিত সেই সম্পর্কেও ই আলোচনা কৰে।

অর্থবিজ্ঞানৰ পৰিসৰ বৰ বহল। ই অর্থবিজ্ঞানৰ বিষয়বস্তু, অর্থবিজ্ঞান বিজ্ঞান (Science) নে ক'লা (Arts) আৰু অর্থবিজ্ঞান যথার্থ (Positive) বিজ্ঞানে নীতি নির্ধাৰক (Normative) বিজ্ঞান ইত্যাদি কথা সামৰি লয়। অর্থবিজ্ঞান সমাজবিজ্ঞানৰ এটা অংশ, যিটোৱে সম্পদৰ উৎপাদন (Production), বিতৰণ (Distribution) আৰু উপভোগ (Consumption)ৰ বিষয়ে অধ্যয়ন কৰে। বহল অর্থত ক'বলৈ হ'লে অর্থবিজ্ঞানে মিতব্যয়িতা, সম্পদ সৃষ্টি আৰু বিতৰণ, সম্পদৰ ব্যাপকতা আৰু দুষ্প্রাপ্যতা আৰু মানৰ কল্যাণৰ বিষয়েও অধ্যয়ন কৰে। অর্থবিজ্ঞান (Economics) শব্দটো গ্রিক ভাষাৰ Oikos (House) অর্থাৎ, ঘৰ আৰু Nomos (Custom or law) অর্থাৎ নীতি শব্দ দুটাৰ পৰা উৎপত্তি হৈছে আৰু ইয়াৰ অর্থ হৈছে ঘৰুৱা কাম কাজৰ উপযুক্ত পৰিচালনাৰ নীতি।

উৎপাদিত সামগ্রীসমূহ তৎক্ষণাত উপভোগ কৰা নহয়। উৎপাদিত সামগ্রীসমূহ ব্যক্তিগত, ৰাষ্ট্রীয় বা আন্তঃৰাষ্ট্রীয় পর্যায়ত বিনিময় কৰা হয়। গতিকে, অর্থবিজ্ঞানৰ পৰিসৰে অন্তঃদেশীয় বা আভ্যন্তৰীণ বাণিজ্য (National Trade) আৰু আন্তঃৰাষ্ট্রীয় বাণিজ্য, বা আন্তর্জাতিক (International Trade)কো সামৰি লয়। মুদ্রা, ব্যক্তিগত আয়, ৰাষ্ট্রীয় আয়, মুদ্রানীতি, চৰকাৰী বিত্ত, ৰাজকোষীয় নীতি (Fiscal Policy), ৰাষ্ট্রৰ আর্থিক উন্নয়নত ৰাষ্ট্রৰ ভুমিকা, পৰিবেশীয় অর্থনীতি (Environmental Economics) আৰু কল্যাণকামী অর্থবিজ্ঞান (Welfare Economics) আদিৰ অধ্যয়ন অর্থবিজ্ঞানৰ প্রকৃতি আৰু পৰিসৰৰ অবিচ্ছেদ্য অঙ্গ।

অর্থবিজ্ঞান তত্ত্ব অধ্যয়নৰ মার্গ দুটাও অর্থবিজ্ঞানৰ পৰিসৰৰ অন্তর্ভুক্ত। এই মার্গ (Approach) দুটা হ'ল ব্যষ্টিবাদী (Micro) আৰু সমষ্টিবাদী (Macro) মার্গ।

- **ব্যষ্টিবাদী অর্থবিজ্ঞান** (Micro Economics) হ'ল অর্থবিজ্ঞানৰ এক শাখা যিয়ে ব্যক্তিগত সিদ্ধান্ত গ্রহণকাৰী গোট যেনে একোজন ব্যক্তি বা একোটা প্রতিষ্ঠানৰ আচৰণ অধ্যয়ন কৰে।
- **সমষ্টিবাদী অর্থবিজ্ঞান** (Macro Economics) হ'ল অর্থবিজ্ঞানৰ সেইটো শাখা যিটোৱে সমগ্র আর্থিক ব্যৱস্থাৰ সামগ্রিক (Aggregate) বিষয়সমূহ যেনে— আয়, উৎপাদন, নিয়োগ আদিৰ আচৰণ অধ্যয়ন কৰে। অর্থবিজ্ঞানত Micro আৰু Macro শব্দ দুটা পোনপ্রথমে ***ৰাগ্‌নাৰ ফ্রিস্ক*** (Ragnar Frisch) এ ব্যৱহাৰ কৰিছিল।



ৰাগ্‌নাৰ ফ্রিস্কৰ বিষয়ে অধিক জানিবৰ বাবে দ্বিতীয় খণ্ডৰ শেহত সন্নিৱিষ্ট পৰিশিষ্ট 'খ' চাওক।

অর্থবিজ্ঞান যথার্থ (Positive) বিজ্ঞান বা নীতি নির্ধাৰক (Normative) বিজ্ঞান দুয়োটাই হ'ব পাৰে।

- **যথার্থ অর্থবিজ্ঞান** (Positive Economics)ত আর্থিক বিষয়সমূহ ভাল বা বেয়াৰ বিচাৰ নকৰাকৈ বিষয়সমূহ কেনেদৰে থাকে আৰু এইবোৰে কেনেদৰে কার্য্যসাধন কৰে তাৰেই অধ্যয়ন কৰা হয়।
- **নীতি নির্ধাৰক অর্থবিজ্ঞান** (Normative Economics)এ আর্থিক আচৰণসমূহ কেনে ধৰণৰ হোৱা উচিত সেই বিষয়ে আলোচনা কৰে যাতে প্রয়োজনীয় যথার্থ ব্যৱস্থা গ্রহণৰ নির্দেশনা প্রদান কৰিব পাৰে।

অর্থবিজ্ঞানৰ ব্যৱহাৰসমূহৰ ভিতৰৰ এটা হ'ল— অর্থনীতিয়ে কেনেকৈ এটা আর্থিক ব্যৱস্থা হিচাপে কার্য্য কৰে আৰু এক বৃহৎ সমাজৰ অর্থনৈতিক প্রতিনিধি সকলৰ মাজত কি সম্পর্ক থাকে সেই বিষয়ে বিশ্লেষণ কৰা। মানুহৰ সামাজিক প্রসঙ্গ, যেনে— শিক্ষা, পৰিয়াল, স্বাস্থ্য, আইন, ৰাজনীতি, ধর্ম, সামাজিক অনুষ্ঠান, হিংসা আৰু যুদ্ধ আদি ক্ষেত্রত পছন্দ-অপছন্দৰ লগত জড়িত বিষয়সমূহত অর্থনৈতিক বিশ্লেষণৰ পদ্ধতিসমূহৰ ব্যৱহাৰ বৃদ্ধি হৈ আহিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

ক) অর্থবিজ্ঞান এনে এক সমাজ বিজ্ঞান, য'ত সম্পদৰ উৎপাদন, ভোগ আৰু বিতৰণৰ বিষয়ে আলোচনা কৰা হয়। (শুদ্ধ/অশুদ্ধ)

খ) ৰবিন্সে আগবঢ়োৱা সংজ্ঞাটো দুষ্প্রাপ্যতা ভিত্তিক। (শুদ্ধ/অশুদ্ধ)

গ) উৎপাদনে উপভোগৰ সৃষ্টি কৰে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ মাইক্র' (Micro) আৰু মেক্র' (Macro) শব্দ দুটা কোনে প্রচলন কৰিছিল ?

.....

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰ কৰক।

ক) অর্থবিজ্ঞান হৈছে এনে এক বিজ্ঞান য'ত বিকল্প ব্যৱহাৰযোগ্য সীমিত আহিলা আৰু সেইবোৰৰ ব্যৱহাৰৰ জৰিয়তে ..... উপনীত হোৱাৰ এক সম্পর্ক হিচাপে .....অধ্যয়ন হয়।

খ) Oikos মানে হ'ল ..... আৰু Nomos মানে হ'ল .....।

গ) Wealth of Nations নামৰ কিতাপখন ..... চনত ৰচিত।

প্ৰশ্ন নং ৪ ঃ 'ক' অংশৰ সৈতে 'খ' অংশ মিলাওক।

'ক' অংশ	'খ' অংশ
১) আদাম স্মিথ	ক) Principles of Nations
২) আলফ্ৰেড মার্ছাল	খ) Wealth of Nations
৩) লায়নেল ৰবিন্স	গ) Nature and Significance of Economic Science

প্ৰশ্ন নং ৫ ঃ লায়'নেল ৰবিন্সে অর্থবিজ্ঞানৰ সংজ্ঞা কেনেদৰে দিছে? সংজ্ঞাটোৰ গুৰুত্বপূৰ্ণ দিশকেইটা কি কি? (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

১.৩.৩ অর্থবিজ্ঞানৰ পছন্দ সমস্যা (Concept of Choice as an Economic Problem)

প্ৰত্যেক দেশৰে প্ৰাকৃতিক সম্পদসমূহ সেই দেশৰ নাগৰিকসকলৰ সকলো অভাৱ পূৰণৰ প্ৰয়োজনীয় দ্ৰব্য আৰু সেৱাসমূহৰ উৎপাদনৰ বাবে যথেষ্ট নহয়। ইয়াৰ পৰাই দুষ্প্ৰাপ্যতাৰ সমস্যাৰ সৃষ্টি হয় আৰু পছন্দ-অপছন্দৰ অভ্যাসৰ জৰিয়তে ইয়াক সমাধান কৰিব পাৰি। প্ৰত্যেকখন অর্থনৈতিক সমাজ (Economic Society)ৰ উৎপাদন সম্পৰ্কীয় প্ৰশ্নসমূহৰ সমাধানৰ দ্বাৰা এই মূল সমস্যাটো সমাধান কৰিব পাৰি।

দুষ্প্ৰাপ্যতা আৰু পছন্দ-অপছন্দ (Scarcity and Choice) ঃ সম্পদৰ দুষ্প্ৰাপ্যতাৰ বাবে ব্যক্তি এজনে বিভিন্ন পছন্দ-অপছন্দ বা সিদ্ধান্ত গ্ৰহণ কৰিব লগীয়া হয়, যথা—

- হাইস্কুলৰ পাছত কলেজলৈ যাব নে নাযাব?
- এখন সৰু গাড়ী কিনিব নে মটৰ চাইকেল কিনিব?
- বিয়া কৰাব নে নকৰাব?

প্ৰকৃততে, আমাৰ গোটেই জীৱনটোৱেই এটা বহুমুখী পছন্দ-অপছন্দৰ সমস্যা। ঠিক সেইদৰে উদ্যোগ প্ৰতিষ্ঠানসমূহেও বিভিন্ন পছন্দ-অপছন্দ কৰিবলগীয়া হয়, যেনে—

- উৎপাদন কৰিব নে নকৰিব?
- উৎপাদন গোট সমূহ চলাই যাব নে বন্ধ কৰিব?
- একেখন ৰাজ্যতে উৎপাদন কৰিব নে চুবুৰীয়া ৰাজ্যত উৎপাদন কৰিব?

সকলো পছন্দ-অপছন্দৰ সমস্যা দুষ্প্রাপ্য সম্পদসমূহৰ উপযোজন (Allocation)ৰ লগত জড়িত হৈ থাকে। আমাৰ অধীনত থকা সম্পদসমূহৰ দুষ্প্রাপ্যতাই আমাৰ পছন্দ-অপছন্দক নিয়ন্ত্রণ কৰে। উৎপাদনত ব্যৱহাৰ হোৱা সম্পদসমূহক সাধাৰণতে ***প্রাকৃতিক সম্পদ*** (Natural Resources), ***মানৱ সম্পদ*** (Human Resources), ***মূলধনী সম্পদ*** (Capital Resources) আৰু ***সংগঠকীয় সম্পদ*** (Enterpreneurial Resources) ইত্যাদি ভাগত ভগোৱা হয়।

দুষ্প্রাপ্যতাৰ সমস্যাই সকলো সমাজতে কিছুমান মৌলিক আর্থিক সমস্যাৰ সৃষ্টি কৰে। এই মৌলিক আর্থিক সমস্যাসমূহ সমাধান কৰাটো অতি দৰকাৰী। এইবোৰক অর্থনীতি এটাৰ কেন্দ্রীয় সমস্যা বুলিও কোৱা হয়। এই সমস্যাসমূহ হ'ল—

- **কি উৎপাদন কৰা হ'ব** (What to Produce)? ইয়াৰ দ্বাৰা সমাজ এখনে কি সামগ্রী আৰু সেৱা উৎপাদন কৰিব আৰু কিমান পৰিমাণে উৎপাদন কৰিব তাক বুজোৱা হয়।
- **কেনেকৈ উৎপাদন কৰা হ'ব** (How to Produce)? ইয়াৰ দ্বাৰা সামগ্রী আৰু সেৱাসমূহ উৎপাদন কৰিবলৈ সম্পদ বা কেঁচা সামগ্রীসমূহ কিদৰে সংগঠিত কৰা হ'ব তাক বুজোৱা হয়।
- **কিমান উৎপাদন কৰা হ'ব** (How much to Produce)? কিমান উৎপাদন কৰা হ'ব— অর্থনীতি এটাৰ বাবে এক গুৰুত্বপূর্ণ বিচার্য বিষয়। বর্তমানৰ অভাৱ পূৰণৰ বাবে তথা ভৱিষ্যত প্রজন্মৰ স্বার্থৰ প্রতি লক্ষ্য ৰাখি বর্তমানে উপলব্ধ সম্পদসমূহ আমি অতি যুক্তি-যুক্ততাৰে ব্যৱহাৰ কৰিব লাগিব।
- **কাৰ কাৰণে উৎপাদন কৰা হ'ব** (For whom to Produce)? এই প্রশ্নটোৰে উৎপাদিত সামগ্রীসমূহ সমাজৰ সদস্যসকলৰ মাজত কেনেদৰে বিতৰণ কৰা হ'ব, সেই প্রক্রিয়াটো বুজোৱা হয়।



প্রাকৃতিক সম্পদ (Natural Resources) ঃপানী, মাটি, কয়লা, হাবি-বন আদি।
মানৱ সম্পদ (Human Resources) ঃবনুৱা, কর্মচাৰী আদি
মূলধনী সম্পদ (Capital Resources) ঃবিনিয়োগ (নগদ ধন, আদি), যন্ত্র-পাতি।
সংগঠকীয় সম্পদ (Enterpreneurial Resources) ঃউদ্যোগ, ব্যৱসায় প্রতিষ্ঠান আদি স্থাপন কৰা লোক।

১.৩.৪ মজুত আৰু প্রবাহ চলক

অর্থবিজ্ঞানীসকলে মজুত আৰু প্রবাহৰ মাজত প্রভেদ স্পষ্ট কৰিছে। মজুত চলকে এটা নির্দিষ্ট সময়ৰ কোনো এটা কার্য সূচায়। আনহাতে, প্রবাহে কোনো এটা সময়সীমাৰ ভিতৰত কি হাৰে কিবা এটা হৈছে, সেয়া সূচায়। আপুনি মজুতক পুখুৰীৰ পানী আৰু প্রবাহক নদীৰ পানী বুলি ধৰি ললে দুয়োটা কথা সহজতে বুজি পাব। উদাহৰণস্বৰূপে মুদ্রাৰ যোগান, মূল্যসূচী, প্রতিষ্ঠান এখনৰ সম্পদ, নিয়োগৰ স্তৰ আদি হৈছে মজুতৰ অন্তর্গত। আনহাতে ৰাষ্ট্রীয় আয়, প্রতিষ্ঠান এখন লাভ, উদ্যোগিক উৎপাদনৰ স্তৰ আদি হৈছে প্রবাহৰ অন্তর্গত।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ শুদ্ধ নে অশুদ্ধ লিখক।

ক) অর্থনৈতিক সমস্যাসমূহৰ অধ্যয়ন অথবা পছন্দৰ সমস্যা অর্থনীতিৰ বিষয়বস্তুৰ অন্তর্গত।

খ) সম্পদৰ দুষ্প্রাপ্যতাৰ বাবে এজন মানুহে বহু সিদ্ধান্ত বা পছন্দৰ সন্মুখীন হ'বলগা হয়।

প্রশ্ন নং ৭ ঃ উপযুক্ত উদাহৰণৰ সহায়ত মজুত আৰু প্রবাহ চলকৰ সংজ্ঞা দিয়ক।

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ এখন অর্থনীতিৰ কেন্দ্রীয় সমস্যাসমূহ কি কি? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

.....



১.৪ ব্যষ্টিবাদী অর্থনৈতিক চিন্তাধাৰা

ব্যষ্টিবাদী অর্থবিজ্ঞান হৈছে অর্থনৈতিক চিন্তাধাৰাৰ এক বিশেষ শাখা। ইয়াত ব্যষ্টি (Micro) হৈছে এটা গ্রীক শব্দ যিয়ে সৰু বুজায়। ই সমগ্র অর্থনীতিতকৈ একো একোটা প্রতিষ্ঠান বা ব্যক্তি-বিশেষৰ অর্থনৈতিক কামকাজৰ অধ্যয়ন কৰে আৰু সেয়েহে ই ব্যষ্টিবাদী (Micro) প্রকৃতিৰ। স্পষ্টকে ক'বলৈ গ'লে, ই হৈছে অর্থবিজ্ঞানৰ এটা শাখা, যিয়ে ব্যক্তি আৰু প্রতিষ্ঠানৰ দুষ্প্রাপ্য সম্পদসমূহৰ বিতৰণৰ সিদ্ধান্তৰ বিষয়ে অধ্যয়ন কৰে। ই সেই বজাৰসমূহ সূচায়, য'ত বস্তু কিনা বেচা কৰা হয়। এই সিদ্ধান্তসমূহে কিদৰে বস্তু আৰু সেৱাৰ চাহিদা আৰু যোগান প্রভাৱান্বিত কৰে আৰু ই কেনেকৈ বস্তুৰ দাম নির্ধাৰণ কৰে, সেই বিষয়ে ব্যষ্টিবাদী অর্থনীতিত অধ্যয়ন কৰা হয়। পিছত বস্তুৰ দামে চাহিদা আৰু যোগানৰ পৰিমাণ নির্ধাৰণ কৰে। Prof. K. E. Bouldingৰ মতে "ব্যষ্টিবাদী অর্থবিজ্ঞান হৈছে একোখন নির্দিষ্ট প্রতিষ্ঠানৰ বিষয়ে, নির্দিষ্ট পৰিয়াল, গাইগুটীয়া দৰ, মজুৰি, আয়, গাইগুটীয়া উদ্যোগ আৰু নির্দিষ্ট সমগ্রীৰ অধ্যয়ন।"

১.৪.১ ব্যষ্টিবাদী অর্থনৈতিক চিন্তাধাৰাৰ পৰিসৰ আৰু বিষয়বস্তু

ব্যষ্টিবাদী অর্থনৈতিক চিন্তাধাৰা সাধাৰণতে তলত দিয়া বিষয় সমূহৰ লগত জড়িত। এইবোৰক আমি ব্যষ্টিবাদী অর্থনীতিৰ পৰিসৰ বুলি ক'ব পাৰোঁ।

সামগ্ৰীৰ দৰ নির্ধাৰণ ঃ বস্তু আৰু সেৱাৰ দৰ নির্ধাৰণ হৈছে ব্যষ্টিবাদী অর্থনৈতিক বিশ্লেষণৰ অন্যতম বিষয়বস্তু। গাইগুটীয়া সামগ্ৰীসমূহৰ দৰ চাহিদা আৰু যোগানৰ শক্তিয়ে নির্ধাৰণ কৰে। গতিকে ব্যষ্টিবাদী অর্থনৈতিক বিশ্লেষণে চাহিদা বিশ্লেষণ (ব্যক্তিগত উপভোক্তাৰ ব্যৱহাৰ) আৰু যোগান (ব্যক্তিগত উৎপাদকৰ ব্যৱহাৰ)বিশ্লেষণ কৰে।

উৎপাদকৰ দৰ নির্ধাৰণ ঃ আপুনি জানে যে উৎপাদনৰ উপাদান হৈছে চাৰিটা। সেইকেইটা হ'ল ভূমি, শ্ৰম, মূলধন আৰু সংগঠন। এই চাৰিটা উপাদানে উৎপাদন প্ৰক্ৰিয়াত অৱদান আগবঢ়ায়। গতিকে এই প্ৰক্ৰিয়াত তেওঁলোকে প্ৰতিদান হিচাপে খাজনা, মজুৰি, সুত আৰু লাভ পায়। ব্যষ্টিবাদী অর্থবিজ্ঞানে এই অৱদানসমূহ নির্ণয় কৰাৰ বিষয়ে আলোচনা কৰে। এয়াই হৈছে উৎপাদকৰ দৰ নির্ধাৰণ। ই ব্যষ্টিবাদী অর্থবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ পৰিসৰ। সেইবাবে ব্যষ্টিবাদী অর্থবিজ্ঞানক 'দৰ তত্ত্ব' অথবা 'মূল্য তত্ত্ব' বুলিও জনা যায়।

কল্যাণকামী তত্ত্ব ঃ কল্যাণকামী দিশসমূহো ব্যষ্টিবাদী অর্থবিজ্ঞানৰ পৰিসৰৰ অন্তর্গত। ই সর্বোচ্চ সামাজিক কল্যাণৰ বাবে উপলব্ধ সম্পদসমূহৰ সর্বোত্তম বিতৰণৰ বিষয়ে আলোচনা কৰে। ই অর্থবিজ্ঞানৰ কেতবোৰ অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন, যেনে— কি উৎপাদন কৰা হ'ব? কেনেকৈ উৎপাদন কৰা হ'ব? কাৰ বাবে উৎপাদন কৰা হ'ব? আদিৰ উত্তৰ দিবলৈ যত্ন কৰে। গতিকে আমি ক'ব পাৰোঁ যে ব্যষ্টিবাদী অর্থবিজ্ঞানে অর্থবিজ্ঞানৰ এক শাখা হিচাপে দুষ্প্ৰাপ্য সম্পদসমূহৰ ব্যৱহাৰ আৰু সর্বোচ্চ সামাজিক কল্যাণৰ পথ প্ৰদর্শক হিচাপে কাম কৰে।

১.৫ সমষ্টিবাদী অর্থনৈতিক চিন্তাধাৰা

সমষ্টিবাদী অর্থবিজ্ঞান নামটোৱেই সূচায় যে ই 'সমষ্টি' সংজ্ঞাটোৰ সৈতে জড়িত যিটোৱে বৃহৎ বুজায়। সেই অর্থত সমষ্টিবাদী অর্থবিজ্ঞান ব্যষ্টিবাদী অর্থবিজ্ঞানৰ বিপৰীত। সমষ্টি (Macro) শব্দটো গ্ৰীক শব্দ 'Makros'ৰ পৰা আহিছে যিটোৱে বৃহৎ অথবা মুঠ বুজায়। গতিকে ই হৈছে সর্বমুৰি অধ্যয়ন যি গোটেই অর্থনীতিক সামৰি লয়। উদাহৰণ স্বৰূপে মুঠ নিয়োগ, ৰাষ্ট্ৰীয় আয়, ৰাষ্ট্ৰীয় উৎপাদন, মুঠ চাহিদা, সাধাৰণ মূল্য সূচী আদিৰ কথা উল্লেখ কৰিব পাৰি। ইয়াক সেইবাবে সর্বমুৰি অর্থনৈতিক অধ্যয়ন বুলিব পাৰি, যিহেতু ই গোটেই অর্থনীতিটোৰ বিষয়ে অধ্যয়ন কৰে। প্ৰফেছৰ জে. এল. হানছেনৰ মতে, "সমষ্টিবাদী অর্থবিজ্ঞান হৈছে অর্থবিজ্ঞানৰ সেইটো শাখা, যিটোৱে বৃহৎ সর্বমুঠ উপাদান বিলাকৰ মাজৰ সম্পর্ক বিচাৰ কৰে। যেনে— নিয়োগৰ স্তৰ, মুঠ সঞ্চয়ৰ পৰিমাণ, বিনিয়োগ, ৰাষ্ট্ৰীয় আয় আদি। ("Macroeconomics is that branch of economics which considers the relationship between large aggregates, such

as, the volume of employment, total amount of savings, investment, national income etc.'')

১.৫.১ সমষ্টিবাদী অর্থনৈতিক চিন্তাধাৰাৰ পৰিসৰ আৰু বিষয়বস্তু

সৰ্বমুঠ (Aggregates)ৰ অধ্যয়ন হিচাপে সমষ্টিবাদী অর্থবিজ্ঞানে বিভিন্ন অর্থনৈতিক সৰ্বমুঠৰ মাজৰ সম্পৰ্ক পৰীক্ষা কৰিবলৈ চেষ্টা কৰে। ইয়াৰ লগতে এইসমূহৰ মাজৰ উত্থান-পতনৰ কাৰণসমূহো নির্ণয় কৰাৰ চেষ্টা কৰে। গতিকে ই হ'ল সৰ্বমুঠৰ অধ্যয়ন যি গোটেই অর্থনীতিৰ সৰ্বমুঠ নিয়োগ, ৰাষ্ট্ৰীয় আয়, ৰাষ্ট্ৰীয় উৎপাদন, সৰ্বমুঠ বিনিয়োগ, সৰ্বমুঠ সঞ্চয়, সৰ্বমুঠ উপভোগ, সৰ্বমুঠ যোগান, সৰ্বমুঠ চাহিদা, সাধাৰণ দৰ সূচী আদি বিষয় সাঙুৰি লয়। সমষ্টিবাদী অর্থবিজ্ঞানৰ বিষয়বস্তু আৰু পৰিসৰ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

- **আয় আৰু নিয়োগ তত্ত্ব ঃ** সমষ্টিবাদী অর্থবিজ্ঞানে ৰাষ্ট্ৰীয় আয় আৰু নিয়োগ কি কাৰকে প্ৰভাৱান্বিত কৰে, সেয়া বিশ্লেষণ কৰে। ইয়াৰ লগতে কি কি কাৰকে আয়, উৎপাদন আৰু নিয়োগৰ উত্থান-পতন কৰে, তাৰো বিশ্লেষণ আগবঢ়ায়। আয়ৰ স্তৰ আৰু নিয়োগ কিদৰে নির্ণয় কৰা হয় সেয়া বুজিবলৈ হ'লে আমি সৰ্বমুঠ চাহিদা আৰু সৰ্বমুঠ যোগানৰ নির্ধাৰকবোৰৰ বিষয়ে অধ্যয়ন কৰিব লাগিব; লগতে উপভোগৰ ফলন আৰু বিনিয়োগৰ ফলনৰ বিষয়েও অধ্যয়ন কৰিব লাগিব। উপভোগৰ ফলন আৰু বিনিয়োগৰ ফলনৰ বিশ্লেষণ সমষ্টিবাদী অর্থবিজ্ঞানৰ গুৰুত্বপূৰ্ণ বিষয়বস্তু।

  বাণিজ্য চক্ৰৰ তত্ত্বও হৈছে আয় তত্ত্বৰ গুৰুত্বপূৰ্ণ অংশ। এই তত্ত্বটোৱে আয় আৰু নিয়োগৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক পৰীক্ষা কৰে আৰু এই চলকসমূহৰ লগত জড়িত হৈ থকা সমস্যাসমূহ সমাধান কৰিবলৈ নীতি নির্দেশ কৰে।

- **সাধাৰণ দৰ আৰু মুদ্ৰাস্ফীতিৰ তত্ত্ব ঃ** সমষ্টিবাদী অথবিজ্ঞানে কিদৰে সাধাৰণ মূল্যস্তৰ নির্ণয় কৰা হয় আৰু কিহে ইয়াৰ উত্থান পতনত অৰিহণা যোগায় আদিৰ অর্থনৈতিক বিশ্লেষণ দেখুৱায়।

  সাধাৰণ দৰৰ স্তৰ (General Level of Price) অধ্যয়ন, মুদ্ৰাস্ফীতি আৰু মন্দাৱস্থাই সৃষ্টি কৰা সমস্যাসমূহৰ দৃষ্টিকোণৰপৰা অতি গুৰুত্বপূৰ্ণ। বর্তমান পৃথিৱীৰ প্ৰায়বোৰ দেশৰে গুৰুত্বপুৰ্ণ অর্থনৈতিক সমস্যা হৈছে মুদ্ৰাস্ফীতি আৰু মন্দাৱস্থা। সমষ্টিবাদী অর্থবিজ্ঞানে এই সমস্যাসমূহ সমাধান কৰিবলৈ অর্থনৈতিক নীতি আগবঢ়ায়।

- **বিকাশ আৰু উন্নয়নৰ তত্ত্ব ঃ** সমষ্টিবাদী অর্থবিজ্ঞানৰ আন এটা গুৰুত্বপূৰ্ণ বিষয়বস্তু হ'ল অর্থনৈতিক উন্নয়ন আৰু বিকাশ। ই দুখীয়া দেশসমূহ অনুন্নত আৰু দৰিদ্ৰ পীড়িত হৈ থকাৰ কাৰণসমূহ অধ্যয়ন কৰে আৰু উন্নয়ন আৰু বিকাশ ত্বৰান্বিত কৰাৰ বাবে কৌশলসমূহ আগবঢ়ায়। বিকাশ তত্ত্বসমূহে উন্নত দেশসমূহত বর্ধিত

উৎপাদন ক্ষমতাৰ কিদৰে পূৰ্ণ ব্যৱহাৰ কৰিব পাৰি, সেই সমস্যাৰ ওপৰতো গুৰুত্ব দিয়ে। ইয়াৰ লগতে এই দেশসমূহত কিদৰে সুস্থিৰতাৰ সৈতে উচ্চ হাৰৰ বিকাশৰ হাৰ লাভ কৰিব পাৰি, তাৰো ব্যাখ্যা আগবঢ়ায়।

- **বিতৰণৰ সমষ্টিবাদী তত্ত্ব ঃ** সমষ্টিবাদী অর্থবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ বিষয়বস্তু হৈছে ৰাষ্ট্ৰীয় আয়ৰ পৰা বিভিন্ন শ্ৰেণীয়ে পোৱা আপেক্ষিক অংশবোৰ কিহে নিৰ্ণয় কৰে (বিশেষকৈ শ্ৰমিক আৰু পুজিপতিৰ অংশসমূহ), সেয়া বিশ্লেষণ কৰা। বিভিন্ন সামাজিক শ্ৰেণীয়ে পোৱা মুঠ ৰাষ্ট্ৰীয় আয়ৰ আপেক্ষিক অংশসমূহ কিদৰে নিৰ্ণয় কৰা হয়, সেয়া বিশ্লেষণ কৰি ৰিকার্ড' আৰু কার্ল মার্ক্সে নিজস্ব তত্ত্ব আগবঢ়াইছে। ইয়াৰ পিছত কেলেকী আৰু কেলড'ৰেও ৰাষ্ট্ৰীয় আয়ত মজুৰি আৰু লাভৰ আপেক্ষিক অংশ নিৰ্ধাৰণৰ ব্যাখ্যা আগবঢ়াইছে।

এইদৰে, বিতৰণৰ সমষ্টিবাদী তত্ত্বই সৰ্বমুঠ ৰাষ্ট্ৰীয় আয়ত খাজনা, মজুৰি, সুত আৰু লাভৰ আপেক্ষিক অংশৰ বিষয়ে আলোচনা কৰে।

তদুপৰি, ৰাজস্ব বিজ্ঞান, আন্তঃৰাষ্ট্ৰীয় বাণিজ্য, মুদ্ৰানীতি আৰু वित्तीय নীতি আদিৰ অধ্যয়নো সমষ্টিবাদী অর্থবিজ্ঞানৰ বিষয়বস্তু।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ ব্যষ্টিবাদী অর্থবিজ্ঞানৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন নং ১০ ঃ ব্যষ্টিবাদী অর্থবিজ্ঞানৰ পৰিসৰ আৰু বিষয়বস্তু চমুকৈ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ১১ ঃ সমষ্টিবাদী অর্থবিজ্ঞান বুলিলে কি বুজা যায়?

.....

.....

.....

প্ৰশ্ন নং ১২ ঃ সমষ্টিবাদী অর্থবিজ্ঞানৰ তত্ত্বসমূহে সাধাৰণতে কিহৰ বিষয়ে আলোচনা কৰে?

.....

.....

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অর্থনীতি এটাৰ কেন্দ্রীয় সমস্যাসমূহ হ'ল— কি উৎপাদন কৰা হ'ব, কিহেৰে উৎপাদন কৰা হ'ব, কিমানখিনি উৎপাদন কৰা হ'ব আৰু কাৰ বাবে উৎপাদন কৰা হ'ব।
- প্রত্যেক দেশৰে প্রাকৃতিক সম্পদসমূহ সেই দেশৰ নাগৰিকসকলৰ সকলো অভাৱ পূৰণৰ জোখাৰে প্রয়োজনীয় দ্রব্য আৰু সেৱাসমূহৰ উৎপাদনৰ বাবে যথেষ্ট নহয়। ইয়াৰ পৰাই দুষ্প্রাপ্যতাৰ সমস্যাৰ সৃষ্টি হয় আৰু পছন্দ-অপছন্দৰ অভ্যাসৰ জৰিয়তে ইয়াক সমাধান কৰিব পাৰি।
- অর্থবিজ্ঞানে মজুত পৰিমাণ আৰু প্রবাহ পৰিমাণৰ মাজত প্রভেদ আনিছে। মজুত চলক-সমূহে এটা নির্দিষ্ট সময়ৰ পৰিঘটনা বুজায়। আনহাতে, প্রবাহে এক সময়সীমাৰ ভিতৰত হোৱা ঘটনাৱলী বুজায়।
- ব্যষ্টিবাদী অর্থবিজ্ঞান হৈছে অর্থবিজ্ঞানৰ এটা শাখা যিটোৱে একো একোখন প্রতিষ্ঠান বা ব্যক্তিবিশেষৰ দুষ্প্রাপ্য সম্পদসমূহৰ আবণ্টনৰ সিদ্ধান্তসমূহৰ বিষয়ে অধ্যয়ন কৰে।
- ব্যষ্টিবাদী অর্থবিজ্ঞানৰ পৰিসৰ আৰু বিষয়বস্তু সাধাৰণতে বস্তুৰ দৰ, উৎপাদকৰ দৰ আৰু কল্যাণকামী তত্ত্বৰ ওপৰত আধাৰিত ।
- সমষ্টিবাদী অর্থবিজ্ঞান হৈছে সর্বমুঠৰ অধ্যয়ন যি গোটেই অর্থনীতিখনৰ সর্বমুঠ নিয়োগ (Total Employment), ৰাষ্ট্রীয় আয়, ৰাষ্ট্রীয় উৎপাদন, সর্বমুঠ বিনিয়োগ, সর্বমুঠ সঞ্চয়, সর্বমুঠ উপভোগ, সর্বমুঠ যোগান, সর্বমুঠ চাহিদা, সাধাৰণ মূল্যস্তৰ আদি বিষয় সাঙুৰি লয়।
- সমষ্টিবাদী অর্থবিজ্ঞানৰ পৰিসৰ আৰু বিষয়বস্তুৱে আয় আৰু নিয়োগৰ তত্ত্ব, সাধাৰণ মূল্যস্তৰৰ তত্ত্ব আৰু মুদ্রাস্ফীতি, উন্নয়ন আৰু বিকাশৰ তত্ত্ব; বিতৰণৰ সমষ্টিবাদী তত্ত্ব আদি সাঙুৰি লয়।



১.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) আলম, খুৰছেদ আৰু অন্যান্য (২০০৪); *স্নাতক মহলাৰ অর্থতত্ত্ব (ব্যষ্টিবাদী অর্থবিজ্ঞান)*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'ৰ্ছ ।

২) গোস্বামী, অতুল (২০০৫); *স্নাতক মহলাৰ অর্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অর্থনৈতিক তত্ত্ব)*; ডিব্রুগড় ঃ ষ্টুডেণ্টছ এম্পো'ৰিয়াম।

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics*; New Delhi: S. Chand & Co. Ltd.
2) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.
3) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.
4) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S.Chand & Co. Ltd.

১.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) অশুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ ৰাগনাৰ ফ্ৰিস্ক (Ragnar Frisch)

৩নং প্ৰশ্নৰ উত্তৰ ঃ ক) অৰ্থবিজ্ঞান হৈছে এনে এক বিজ্ঞান য'ত বিকল্প ব্যৱহাৰযোগ্য সীমিত আহিলা আৰু সেইবোৰৰ ব্যৱহাৰৰ জৰিয়তে লক্ষ্যত উপনীত হোৱাৰ এক সম্পৰ্ক হিচাপে মানৱ আচৰণ অধ্যয়ন কৰা হয়।

খ) Oikos মানে হ'ল ঘৰ আৰু Nomos মানে হ'ল নীতি।

গ) Wealth of Nations নামৰ কিতাপখন ১৭৭৬ চনত ৰচিত।

৪নং প্ৰশ্নৰ উত্তৰ ঃ

১) আদাম স্মিথ	খ) Wealth of Nations
২) আলফ্ৰেড মাৰ্ছাল	ক) Principles of Economics
৩) লায়'নেল ৰবিন্স	গ) Nature and Significance of Econimic Science

৫নং প্ৰশ্নৰ উত্তৰ ঃ ৰবিন্সে আগবঢ়োৱা অৰ্থবিজ্ঞানৰ সংজ্ঞাটো হ'ল— অথবিজ্ঞান হ'ল সেই বিজ্ঞান যি বিকল্প ব্যৱহাৰযোগ্য সীমিত আহিলাৰ সম্পৰ্ক হিচাপে মানুহৰ আচৰণ অধ্যয়ন কৰে।

ৰবিন্সৰ সংজ্ঞাটোৱে তিনিটা বিষয়ৰ ওপৰত ঘাইকৈ গুৰুত্ব দিছে ঃ

- মানুহৰ অভাব অসীম,
- অভাৱ পূৰণৰ আহিলা হিচাপে সম্পদৰ পৰিমাণ সসীম আৰু
- সসীম সম্পদ বিকল্প ব্যৱহাৰযোগ্য।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ

৭নং প্ৰশ্নৰ উত্তৰ ঃ মজুত চলকসমূহে এটা নিৰ্দিষ্ট সময়ৰ পৰিঘটনা বুজায়। আনহাতে, প্ৰবাহে এক সময়সীমাৰ ভিতৰত হোৱা ঘটনাৱলী বুজায়। উদাহৰণ স্বৰূপে, মুদ্ৰাৰ যোগান, মূল্যস্তৰ, প্ৰতিষ্ঠান এখনৰ সম্পদ অথবা নিয়োগৰ স্তৰ আদিবোৰ মজুতৰ উদাহৰণ, আনহাতে ৰাষ্ট্ৰীয় আয়, প্ৰতিষ্ঠান এখনৰ লাভ, উদ্যোগিক উৎপাদন আদিবোৰ প্ৰবাহৰ উদাহৰণ।

৮নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থনীতিৰ কেন্দ্ৰীয় সমস্যাসমূহ উদ্ভৱ হয় সম্পদৰ দুষ্প্ৰাপ্যতাৰ বাবে। আনহাতে এই সীমিত সম্পদসমূহৰ বিকল্প ব্যৱহাৰ আছে। এই সীমিত সম্পদসমূহে পছন্দৰ সমস্যাটোৰ সৃষ্টি কৰে যিবোৰ হৈছে কি উৎপাদন কৰা হ'ব, কেনেদৰে উৎপাদন কৰা হ'ব, কিমান উৎপাদন কৰা হ'ব, কাৰবাৰে উৎপাদন কৰা হ'ব আদি। এই সমূহ হৈছে অৰ্থনীতি এখনৰ কেন্দ্ৰীয় সমস্যা।

৯নং প্ৰশ্নৰ উত্তৰ ঃ ব্যষ্টিবাদী অৰ্থবিজ্ঞান হৈছে অৰ্থবিজ্ঞানৰ সেইটো শাখা যি ব্যক্তি আৰু প্ৰতিষ্ঠানৰ সীমিত সম্পদসমূহৰ আবণ্টনৰ সিদ্ধান্তসমূহৰ অধ্যয়ন কৰে।

১০নং প্ৰশ্নৰ উত্তৰ ঃ ব্যষ্টিবাদী অৰ্থবিজ্ঞানৰ পৰিসৰ আৰু বিষয়বস্তু সাধাৰণতে সামগ্ৰীৰ দৰ, উৎপাদকৰ দৰ আৰু কল্যাণকামী তত্ত্বৰ লগত জড়িত।

১১নং প্ৰশ্নৰ উত্তৰ ঃ সমষ্টিবাদী অৰ্থবিজ্ঞান হৈছে সৰ্বমুঠৰ অধ্যয়ন যি সমগ্ৰ অৰ্থনীতি সামৰি লয়, যেনে— সৰ্বমুঠ নিয়োগ, ৰাষ্ট্ৰীয় আয়, ৰাষ্ট্ৰীয় উৎপাদন, সৰ্বমুঠ বিনিয়োগ, সৰ্বমুঠ সঞ্চয়, সৰ্বমুঠ উপভোগ, মুঠ যোগান, মুঠ চাহিদা, সাধাৰণ মূল্যস্তৰ আদি।

১২নং প্ৰশ্নৰ উত্তৰ ঃ সমষ্টিবাদী অৰ্থবিজ্ঞানে সাধাৰণতে আয় আৰু নিয়োগ সম্পৰ্কীয় তত্ত্ব, সাধাৰণ মূল্যস্তৰ আৰু মুদ্ৰাস্ফীতি সম্পৰ্কীয় তত্ত্ব, বিকাশ আৰু উন্নয়নৰ তত্ত্ব আৰু বিতৰণৰ সমষ্টিবাদী তত্ত্বসমূহ আলোচনা কৰে।



১.৯ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (৭৫টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক) ঃ

প্ৰশ্ন নং ১ ঃ 'Wealth of Nations' গ্ৰন্থখনৰ ৰচক কোন আৰু কোন বছৰত ই প্ৰকাশিত হৈছে? এই গ্ৰন্থখন কিয় উল্লেখযোগ্য?

প্ৰশ্ন নং ২ ঃ দুষ্প্ৰাপ্যতাৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং৩ ঃ অৰ্থনীতিত 'পছন্দৰ সমস্যা' বুলিলে কি বুজা যায়?

খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ অৰ্থবিজ্ঞানৰ বিষয়বস্তু আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ অৰ্থবিজ্ঞানৰ পৰিসৰ আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ পছন্দক এটা অৰ্থনৈতিক সমস্যা হিচাপে আলোচনা কৰক।

প্ৰশ্ন নং ৪ ঃ মার্ছালৰ অর্থবিজ্ঞানৰ সংজ্ঞা স্মিথৰ অর্থবিজ্ঞানৰ সংজ্ঞাতকৈ কিমান উন্নত?

প্ৰশ্ন নং ৫ ঃ ৰবিন্সে আগবঢ়োৱা অর্থবিজ্ঞানৰ সংজ্ঞাৰ মূল অভিধাৰণাসমূহ কি কি?

প্ৰশ্ন নং ৬ ঃ অর্থবিজ্ঞানৰ অধ্যয়নৰ দুটা বহল ধাৰা কি কি?

গ) ৰচনাধর্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ অর্থবিজ্ঞানৰ বিষয়বস্তু চমুকৈ আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ অর্থবিজ্ঞানৰ প্ৰকৃতি আৰু পৰিসৰ আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ ব্যষ্টিবাদী অর্থনৈতিক চিন্তাধাৰা আৰু সমষ্টিবাদী অর্থনৈতিক চিন্তাধাৰাৰ মাজত প্ৰভেদ দেখুৱাওক। এই দুই চিন্তা ধাৰাৰ পৰিসৰ আৰু বিষয়বস্তু চমুকৈ আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ বজাৰ কার্য্যপ্রণালী

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ চাহিদা-যোগানৰ গঠনশৈলী
২.৪ ভাৰসমতাৰ ধাৰণা
২.৫ বজাৰ ভাৰসমতা
২.৬ স্থিতিশীল বিশ্লেষণ
২.৭ আপেক্ষিক স্থিতিশীল বিশ্লেষণ
২.৮ গতিশীল বিশ্লেষণ
২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.১০ অধিক জানিবলৈ
২.১১ অগ্রগতিৰ খতিয়ান
২.১২ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- চাহিদা যোগানৰ গঠনশৈলীক ব্যাখ্যা কৰিব পাৰিব
- ভাৰসমতাৰ সংজ্ঞা আগবঢ়াব পাৰিব
- বজাৰ ভাৰসমতাৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- স্থিতিশীল বিশ্লেষণৰ সংজ্ঞা আগবঢ়াব পাৰিব
- আপেক্ষিক স্থিতিশীল বিশ্লেষণৰ সংজ্ঞা আগবঢ়াব পাৰিব
- গতিশীল বিশ্লেষণৰ সংজ্ঞা আগবঢ়াব পাৰিব।

২.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে আপোনালোকক অর্থনীতিৰ কিছুমান গুৰুত্বপূর্ণ তত্ত্ব, যেনে— চাহিদা-যোগানৰ গঠনশৈলী আৰু বজাৰৰ ভাৰসমতা, স্থিতিশীল বিশ্লেষণ, গতিশীল বিশ্লেষণ আদিৰ বিষয়ে সম্যক ধাৰণা দিয়াৰ প্রয়াস কৰা হৈছে।

'চাহিদা' শব্দটোৰ জৰিয়তে আমি কোনো এটা সেৱা বা সামগ্রীৰ বাবে উপভোক্তাৰ ক্রয় ক্ষমতা সামর্থিত ইচ্ছাক বুজোঁ । 'যোগান' শব্দটোৱে এটা দৰৰ বিনিময়ত সামগ্রী আৰু সেৱাসমূহ বিক্রী কৰাটো বুজায় বা সূচায়। দৰ সম্পর্কীয় গঠনশৈলীটোৰ জ্ঞান থাকিলে আমাৰ বাবে বজাৰ ভাৰসমতাৰ ধাৰণাটো আলোচনা কৰাত সুবিধা হয়।

২.৩ চাহিদা-যোগানৰ গঠনশৈলী

চাহিদাৰ অর্থ ঃ এটা সামগ্রীৰ প্রতি থকা চাহিদাই জৰুৰীভাৱে গ্রাহকৰ সেই নির্দিষ্ট সামগ্রীবিধৰ প্রতি সৃষ্টি হোৱা মনোভাৱ আৰু প্রতিক্রিয়াৰ কথাকেই বুজায়। ভালকৈ ক'বলৈ গ'লে এটা সামগ্রীৰ চাহিদাই সেই সামগ্রীৰ দাম বা মূল্যক বুজায় য'ত এজন গ্রাহকে এটা নির্দিষ্ট সময়ৰ ভিতৰত বজাৰৰ পৰা সামগ্রীৰ উল্লিখিত মূল্যত সামগ্রীবিধ ক্রয় কৰিব অথবা বজাৰৰ পৰা সামগ্রীবিধ দ্রুতভাৱে নোহোৱা হ'ব। সেয়েহে, অর্থবিজ্ঞানত চাহিদা বুলি ক'লে সামগ্রীবিধ ক্রয়ৰ ইচ্ছা আৰু সেই নির্দিষ্ট সামগ্রীবিধৰ মূল্য পৰিশোধ কৰাৰ সামর্থ্য দুয়োটাকে বুজায়। মন কৰিব, সামগ্রী এবিধৰ প্রতি মাত্র মোহ থাকিলেই সি সেই নির্দিষ্ট সামগ্রীবিধৰ প্রতি থকা চাহিদাক নুবুজায়, যদিহে সেই সামগ্রীবিধৰ নির্দ্ধাৰিত মূল্য পৰিশোধ কৰাৰ ক্ষমতাটো নাথাকে। এবিধ সামগ্রীৰ চাহিদা কেইবাটাও কাৰকৰ ওপৰত নির্ভৰশীল, যেনে— সামগ্রীবিধৰ দৰ।




জানি থোৱা ভাল

এবিধ সামগ্রীৰ জৰিয়তে গ্রাহকৰ মাজত সৃষ্টি হোৱা স্বাদ আৰু অভ্যাস, গ্রাহকৰ আয় সম্পর্কিত সামগ্রীৰ মূল্য, অন্যান্য লাগতিয়াল সামগ্রীৰ মূল্য আদি। এই কাৰকসমূহৰ যিকোনো এটাৰ যদি পৰিৱর্তন হয় তেতিয়া এজন গ্রাহকৰ সেই নির্দিষ্ট সামগ্রীৰ প্রতি থকা চাহিদাৰো পৰিৱর্তন হ'ব।

চাহিদা বিধি ঃ চাহিদা বিধিয়ে সামগ্রীৰ দৰ আৰু বিচৰা সামগ্রীবিধৰ পৰিমাণৰ মাজত থকা ফলন সম্বন্ধৰ বিষয়ে আলোচনা কৰে। চাহিদা বিধি বা দৰ আৰু দ্রব্যৰ মাজত থকা ফলন সম্পর্কৰ তত্ত্বটো অর্থনৈতিক তত্ত্বৰ নিয়মসমূহৰ ভিতৰত সর্বজনবিদিত আৰু আটাইতকৈ গুৰুত্বপূর্ণ তত্ত্ব। চাহিদা বিধি অনুসৰি, অন্যান্য সকলো কথাবোৰ অপৰিৱর্তিত থকা অৱস্থাত, যদি এবিধ বস্তুৰ দৰ নিম্নগামী হয়, তেতিয়া ইয়াৰ চাহিদাৰ পৰিমাণ বাঢ়িবলৈ ল'ব আৰু যদি দৰ বাঢ়িবলৈ লয়, তেন্তে ইয়াৰ চাহিদাৰ পৰিমাণ কমিবলৈ ধৰিব। সেয়েহে, চাহিদাৰ তত্ত্ব অনুসৰি,অন্যান্য সকলো কথা অপৰিবর্তিত থকা অৱস্থাত, বস্তুৰ দৰ আৰু ইয়াৰ চাহিদাৰ পৰিমাণৰ মাজত এক বিপৰীত সম্পর্ক আছে। এই অন্যান্য কথা, যিবোৰক সাধাৰণতে অপৰিবর্তিত বুলি ধৰা হয়, সেইবোৰ হৈছে— গ্রাহকৰ ৰুচি অথবা অগ্রাধিকাৰ, গ্রাহকৰ আয় আৰু সংশ্লিষ্ট বস্তুবোৰৰ দাম বা দৰ। এই চাহিদা বিধিটোৰ ফলস্বৰূপে চাহিদা ৰেখাডাল তললৈ এঢলীয়া হয়। ২.১নং চিত্রত এজন গ্রাহকৰ চাহিদা ৰৈখিক চিত্রত কেনেদৰে তলফালে এঢলীয়া হৈ অৱস্থান কৰিছে সেয়া দেখুওৱা হৈছে।

চিত্র ২.১ ঃ এজন গ্রাহকৰ চাহিদা ৰেখা



২.১নং চিত্রৰ X অক্ষত চাহিদাৰ পৰিমাণক জোখা হৈছে আৰু Y অক্ষত বস্তুৰ দৰ জোখা হৈছে। চিত্রটিৰ পৰা দেখা গৈছে যে যেতিয়া এটা বস্তুৰ দৰ ১২ টকা আছিল, তেতিয়া সেই বস্তুটোৰ চাহিদা মাত্র ৪ এককত সীমাবদ্ধ আছিল। কিন্তু যেতিয়া বস্তুটোৰ দৰ ১০ টকালৈ নামিল, তেতিয়া বস্তুৰ চাহিদা ৮ এককলৈ বৃদ্ধি পাইছে। আৰু শেষত, যেতিয়া বস্তুৰ দৰ ৪ টকালৈ হ্রাস পাইছে, তেতিয়া বস্তুৰ চাহিদা ২০ এককলৈ বৃদ্ধি পাইছে। সেয়েহে, দৰ আৰু পৰিমাণৰ বিভিন্ন ধৰণৰ জোঁট বহুৱাৰ পিছত, ঢালযুক্ত চাহিদা ৰেখা DD চিত্র ২.১ত দেখা গৈছে। চাহিদা ৰেখাডাল নিম্নগামী হোৱাৰ মূলতে হ'ল ক্রমহ্রাসমান প্রতিদান বিধি। এই বিধি অনুসৰি, যেতিয়া কোনো এক ব্যক্তিয়ে এবিধ সামগ্রী ক্রমে বেছিকৈ ভোগ কৰিবলৈ লয়, তেতিয়া সেই সামগ্রীৰ পিছৰ গোট কেইটাৰ পৰা লাভ কৰা উপযোগিতা ক্রমে কমি আহে।


যোগানৰ অর্থ ঃ যোগান হৈছে এক প্রকাৰৰ প্রাথমিক অর্থনৈতিক তত্ত্ব, যিয়ে কোনো নির্দিষ্ট বস্তু বা সেৱা গ্রাহকৰ মাজত কি পৰিমাণে উপলব্ধ, সেই বিষয়ে বর্ণনা কৰে। যোগানক এটা নির্দিষ্ট দৰত উপলব্ধ পৰিমাণৰ সৈতে ৰিজাব পাৰি। এখন গ্রাফচিত্রত পৰিমাণসমূহ এটা দামৰ স্তৰৰ বিপৰীতে প্রদর্শন কৰি যোগান ৰেখা দেখুৱাব পাৰি। যোগান হৈছে এটা বস্তুৰ দৰ আৰু সেই দৰত যোগানকাৰীসকলে (উৎপাদক সকলো হ'ব পাৰে) বিক্রীৰ কাৰণে বস্তুটো উপলব্ধ কৰা পৰিমাণৰ লগত থকা এটা সম্পর্ক। উৎপাদকসকলক অত্যধিক লাভ অর্জন কৰোঁতা হিচাপে অনুমান কৰা হয়। ইয়াৰ অর্থ হৈছে, তেওঁলোকে সেইবিধ বস্তুৰহে উৎপাদন কৰিব, যিটোৱে তেওঁলোকলৈ সর্বাধিক মুনাফা কঢ়িয়াই আনে।

যোগান বিধি ঃ যোগান বিধি অনুসৰি, অন্যান্য সকলো কথা অপৰিবর্তিত থকা অৱস্থাত, সামগ্রী এবিধৰ দৰ আৰু যোগানৰ পৰিমাণৰ মাজত এক পোনপটীয়া, সমানুপাতিক সম্পর্ক আছে। আন ভাষাত ক'বলৈ গ'লে, উৎপাদকসকলে যিমানে উচ্চ দামত বস্তুটো বিক্রী কৰিব পাৰিব, সিমানে সংশ্লিষ্ট বস্তুবিধৰ যোগান বেছিকৈ ধৰিব। অর্থাৎ অধিক মূল্যই সংশ্লিষ্ট বস্তুবিধৰ

ওপৰত অর্জন কৰা মুনাফাৰ পৰিমাণ বঢ়াই দিয়ে। ভাৰসমতাৰ তলৰ যিকোনো দৰত বস্তুৰ যোগানৰ পৰিমাণটো চাহিদাৰ পৰিমাণৰ তুলনাত কম হয়।

যোগানৰ তালিকা বা সূচীখনে উৎপাদকসকলে এটা বস্তুৰ যোগান ধৰা পৰিমাণ আৰু চলিত বজাৰ দৰৰ মাজৰ থকা সম্পর্ক দেখুৱায়। এই সম্পর্কটো গ্রাফচিত্রৰ জৰিয়তে যোগান ৰেখা হিচাপে উপস্থাপন কৰিব পাৰি। এয়া সাধাৰণতে, দৰৰ আনুপাতিক হিচাপে পোনপটীয়াকৈ উপস্থাপন কৰিব পাৰি। চিত্র ২.২ত সেয়া দেখুওৱা হৈছে—

চিত্র ২.২ ঃ যোগান ৰেখা



২.২নং চিত্রত এক সাধাৰণ যোগান ৰেখা দেখুওৱা হৈছে। এই চিত্রটিৰ পৰা আমি দেখা পাওঁ যে যেতিয়া এটা বস্তুৰ দাম ১০ টকা আছিল, তেতিয়া সংশ্লিষ্ট বস্তুটোৰ যোগান আছিল ৫০ একক। যেতিয়া বস্তুটোৰ দাম ২০ টকালৈ বৃদ্ধি কৰা হ'ল, সামগ্রীৰ যোগানৰ পৰিমাণো ১০০ এককলৈ বৃদ্ধি হ'ল। ইয়াৰ পিছত সামগ্রীৰ দাম ৩০ টকালৈ বৃদ্ধি কৰাৰ পাছত সামগ্রীৰ যোগানৰ পৰিমাণ ১৫০ এককলৈ বৃদ্ধি হ'ল। সেয়েহে, সাধাৰণ বস্তুৰ ক্ষেত্রত আমি দেখোঁ যে যোগান ৰেখা এডাল সোঁফালে ওপৰমুৱাকৈ আগবাঢ়ি গৈছে। এইটো এইকাৰণেই হৈছে কাৰণ বস্তুৰ দৰ বঢ়াৰ লগে লগে বিক্রেতাসকলে সামগ্রীবিধ অধিক পৰিমাণে বজাৰত যোগান ধৰিছে।



অনুশীলনী ২.১

দৰ হ্রাসে চাহিদাৰ পৰিমাণ বঢ়াই তোলে। এই উক্তিটো এটা উদাহৰণৰ সৈতে ব্যাখ্যা কৰক।

.....

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত দিয়া উক্তিবোৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

ক) সকলোবোৰ অভাৱেই চাহিদা। (শুদ্ধ/অশুদ্ধ)

খ) চাহিদা আৰু মূল্যৰ মাজৰ সম্পর্কটো ধনাত্মক। (শুদ্ধ/অশুদ্ধ)

গ) সাধাৰণ যোগান ৰেখা এডাল এঢলীয়া হৈ ওপৰফালে সোঁফালে গতি কৰে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ চাহিদাৰ ধাৰণাটোৰ বিষয়ে ব্যাখ্যা আগবঢ়াওক। (৪০টা শব্দৰ ভিতৰত লিখক।)

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ এটা বস্তুৰ যোগানৰ পৰিমাণ আৰু ইয়াৰ দৰৰ সৈতে সম্পর্ক কেনে ধৰণৰ? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

২.৪ ভাৰসমতাৰ ধাৰণা

অর্থনীতিত 'ভাৰসমতা'ৰ দ্বাৰা এনে এটা পৰিস্থিতি বুজোৱা হয়, য'ত অর্থনৈতিক প্রতিনিধি বা অর্থনৈতিক প্রতিনিধিৰ বিভিন্ন জোঁট, যেনে— বজাৰখনে নিজৰ অর্থনৈতিক আচৰণ সলনি কৰাৰ বাবে কোনো ধৰণৰ উৎসাহজনক পৰিস্থিতি বা প্রেৰণা বিচাৰি নাপায়।

এজন প্রতিনিধি, ধৰা হওঁক, এজন গ্রাহক অথবা এটা বাণিজ্যিক কেন্দ্রৰ পৰিপ্রেক্ষিতত, ই এনেকুৱা এটা পৰিস্থিতি বুজায়, য'ৰ পৰা স্থানান্তৰিত হ'বৰ বাবে অর্থনৈতিক প্রতিনিধি এজনে কোনো ধৰণৰ চাপৰ সন্মুখীন নহয়, বা কোনো ধৰণৰ উদগনি দেখা নাপায়। কাৰণ, সেই পৰিস্থিতিৰ পৰা আঁতৰি আহি তেওঁ আর্থিক ভাৱে কোনো প্রকাৰে উপকৃত নহয়। বজাৰ এখনৰ পৰিপ্রেক্ষিতত ক'বলৈ হ'লে, ভাৰসমতাই এনেকুৱা এটা পৰিস্থিতি বুজায় য'ত সকলো ক্রেতা আৰু বিক্রেতাই দৰৰ চলিত ৰূপটোক লৈ সন্তুষ্ট আৰু সেইবাবে চলিত কার্য্যকলাপবোৰ পৰিৱর্তন কৰিবলৈ তেওঁলোকে কোনো ধৰণৰ উদ্‌গনি বিচাৰি নাপায়।

২.৫ বজাৰ ভাৰসমতা

প্ৰত্যেক মুহূৰ্ততে কিছুমান মানুহে ক্ৰয় কৰি আছে আৰু আন কিছুমানে বিক্ৰী কৰি আছে। বিদেশী কোম্পানীবোৰে ভাৰতবৰ্ষত তেওঁলোকৰ উৎপাদনকাৰী গোটবোৰ মুকলি কৰি আছে আৰু আনফালে ভাৰতীয় কোম্পানীবোৰে বিদেশত নিজৰ উৎপাদিত পণ্য বিক্ৰী কৰি আছে। এই সকলোবোৰৰ মাজতে বজাৰসমূহে একেৰাহে কি উৎপাদন কৰিব, কিমান পৰিমাণে উৎপাদন কৰিব, কেনেকৈ উৎপাদন কৰিব আৰু কাৰ বাবে উৎপাদন কৰিব আদি সমস্যাবোৰৰ সমাধান কৰি আছে। অৰ্থনীতিটোৰ বজাৰবোৰ সকলো শক্তিকেই এক সুস্থিৰ অৱস্থাত উপনীত হওতে, বজাৰবোৰে চাহিদা আৰু যোগানৰ মাজত এটা বজাৰ ভাৰসমতা লাভ কৰিছে।


সেয়েহে, 'বজাৰ ভাৰসমতা' শব্দটোৱে ক্ৰেতা আৰু বিক্ৰেতাৰ মাজৰ ভাৰসাম্য অৱস্থাটোক বুজায়। ***জি. জে. ষ্টিগলাৰ***ৰ (G. J. Stigler) মতে, "ভাৰসমতা হৈছে এটা অৱস্থা য'ৰ পৰা লৰচৰ কৰাৰ বাবে কোনো প্ৰবণতা নাথাকে।" ভাৰসমতাই এনেকুৱা এটা পৰিস্থিতিৰ কথা বৰ্ণনা কৰে য'ত অৰ্থনৈতিক প্ৰতিনিধিসকল অথবা অৰ্থনৈতিক প্ৰতিনিধিসকলৰ সমষ্টি, যেনে— বজাৰসমূহে তেওঁলোকৰ অৰ্থনৈতিক আচৰণবোৰ সলনি কৰাবলৈ কোনো উদগনি বিচাৰি নাপায়। দৰৰ ওপৰত নিৰ্ভৰ কৰি ঘৰুৱা আৰু বাণিজ্যিক গোষ্ঠীবোৰে বিভিন্ন ধৰণৰ গুণাগুণ সম্পন্ন বস্তু বিক্ৰী অথবা কিনিব বিচাৰে। বজাৰে ভাৰসমতাসম্পন্ন দৰটো বিচাৰি পায় যিটো আকৌ একে সময়তে ক্ৰেতা আৰু বিক্ৰেতাৰ ইচ্ছাসমূহো পূৰণ কৰে। অত্যধিক দৰে অত্যধিক উৎপাদন আৰু লগতে সামগ্ৰীবিধ উদ্ভেনদী কৰাব পাৰে; আনহাতে, সামগ্ৰীৰ দৰ অতিশয় কম হ'লে বস্তুৰ নাটনি হোৱাৰ সম্ভাৱনা থাকে। গ্ৰাহকসকলে ভাৰসাম্য দৰত কিনিবলৈ ইচ্ছা কৰাখিনি আৰু বিক্ৰেতাসকলে বিক্ৰী কৰিবলৈ ইচ্ছা কৰাখিনিৰ মাজত, অৰ্থাৎ চাহিদা আৰু যোগানৰ মাজত ভাৰসমতা দেখা যায়।



*জি. জে. ষ্টিগলাৰ*ৰ বিষয়ে অধিক জানিবৰ বাবে তৃতীয় খণ্ডৰ শেহত সন্নিৱিষ্ট পৰিশিষ্ট 'খ' চাওক।

গতিকে, ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰো, ভাৰসমতাই এক 'বিৰাম' অৱস্থা সূচায়, য'ৰ পৰা গতিশীল হোৱাৰ কোনো প্ৰৱণতা নাথাকে। তলৰ ২.৩নং চিত্ৰত 'e' বিন্দুটোৱে ভাৰসমতাৰ স্থিতিক বুজাইছে, কাৰণ এই বিন্দুটোতেই সকলো ক্ৰেতা আৰু সকলো বিক্ৰেতা সন্তুষ্ট হয়।

চিত্ৰ ২.৩ ঃ এটা বাণিজ্যিক গোষ্ঠীৰ ভাৰসমতা



২.৩নং চিত্রৰ পৰা এইটো দেখা গৈছে যে P* মূল্যটো বজাৰৰ চাহিদা (DD) আৰু বজাৰৰ যোগান (SS) ৰেখাৰ কটাকটিৰ ফলত নির্দ্ধাৰিত হৈছে আৰু ইয়াকে ভাৰসমতা দৰ বুলি কোৱা হয়। এই ভাৰসমতা দৰ সাপেক্ষে ভাৰসাম্য লেনদেনৰ পৰিমাণক Q*ৰে দর্শোৱা হৈছে, যাক ভাৰসাম্য পৰিমাণ বুলি কোৱা হয়।

যদি প্রচলিত বজাৰ দৰ P*তকৈ বেছি হয়, যেনে P_1, তেতিয়া ক্রেতাসকলে সেই দৰত কি কিনিব খোজে, সেইটো কিনিব পাৰে; কিন্তু বিক্রেতাসকলে তেওঁলোকে ভবামতে নিজৰ সকলো বস্তু বিক্রী কৰিব নোৱাৰে। অর্থাৎ, এই পৰিস্থিতিত চাহিদা কম হ'ব। বজাৰত বস্তুৰ যোগান লগাতকৈ বেছি থাকিলে বা অত্যধিক হ'লে এই পৰিস্থিতিৰ উদ্ভৱ হয় আৰু যোগানকাৰীসকল অসন্তুষ্ট হয়। এই পৰিস্থিতিটো একেদৰে নাথাকে আৰু বজাৰদৰটো কমি আহে।

আকৌ, যদি প্রচলিত বজাৰ দৰ P*তকৈ কম হয়, যেনে— P_2, তেতিয়া বিক্রেতাসকলে তেওঁলোকে ভবামতে সেই মূল্যত বস্তুবোৰ বিক্রী কৰিব পাৰে, কিন্তু ক্রেতাসকলে বিচৰামতে সকলো বস্তু কিনিব নোৱাৰে, কাৰণ সামগ্রীৰ যোগানৰ পৰিমাণ কম হ'ব। বজাৰৰ অত্যধিক চাহিদা বা কম যোগান এনে পৰিস্থিতিত ক্রেতাসকল অসন্তুষ্ট হয়। এই পৰিস্থিতি একেদৰে নাথাকে, আৰু পিছলৈ বজাৰদৰ উত্থান হয়। গতিকে আমি দেখিলোঁ যে যেতিয়া প্রচলিত বজাৰ দৰ P* তকৈ বেছি অথবা কম আছিল বজাৰখন ভাৰসাম্য অৱস্থাত নাছিল। বজাৰখন তেতিয়াহে ভাৰসমতা সম্পন্ন হ'ব, যেতিয়া চাহিদা আৰু যোগান সমান হ'ব। ২.৩নং চিত্রৰ e হৈছে ভাৰসাম্য বিন্দু, OP* ভাৰসাম্য দৰ আৰু OQ* হৈছে ভাৰসাম্য পৰিমাণ।

চাহিদা আৰু যোগানৰ বিধি অনুসাৰে বজাৰ দৰ আৰু ভাৰসাম্য পৰিমাণ হৈছে উপভোক্তাৰ চাহিদা আৰু উৎপাদকৰ যোগানৰ মাজৰ এক ছেদবিন্দু। ইয়াত যোগান আৰু চাহিদাৰ পৰিমাণ সমান, অর্থাৎ সেই ছেদবিন্দুত ভাৰসমতা লাভ কৰা হয়। ভাৰসমতাই দৰ আৰু পৰিমাণ সুস্থিৰ হৈ থকাটো সূচায়।

যোগান আৰু চাহিদা বিধি অনুসাৰে, এখন বজাৰ ভাৰসমতাহীন বিন্দুৰ পৰা (য'ত চাহিদাৰ পৰিমাণৰ লগত যোগানৰ পৰিমাণৰ সমতা নাথাকে) ভাৰসমতা বিন্দুলৈ গতি কৰে। ইয়াক স্থিতিশীল ভাৰসমতা বুলি কোৱা হয়। সকলো অর্থনৈতিক ভাৰসমতাই স্থিতিশীল নহয়। এটা ভাৰসমতা স্থিতিশীল হ'ব যদিহে অর্থনৈতিক উপপ্রণালী এটা ভাৰসাম্য বিন্দুৰ পৰা আঁতৰি অহাৰ পাছত অর্থনৈতিক শক্তিয়ে পুনৰাই তাক ভাৰসাম্য অৱস্থালৈ ঘুৰাই লৈ যায়।

যেতিয়া প্রচলিত বজাৰ দৰ ভাৰসাম্য দৰতকৈ বেছি হয়, তেতিয়া যোগানৰ উদ্বৃত্ত দেখা যায়; আৰু যেতিয়া প্রচলিত বজাৰ দৰ ভাৰসাম্য দৰতকৈ কম হয়, তেতিয়া যোগানৰ ঘাটি দেখা যায়। বেলেগ বেলেগ যোগান ৰেখা আৰু বেলেগ বেলেগ চাহিদা ৰেখাৰ বেলেগ বেলেগ অর্থনৈতিক ভাৰসমতাৰ বিন্দু থাকে। বেছিভাগ সাধাৰণ ব্যষ্টিবাদী অর্থনৈতিক বিশ্লেষণ সমূহত বজাৰৰ চাহিদা আৰু যোগানৰ মাজত এটা স্থিতিশীল ভাৰসমতা লক্ষ্য কৰা যায়। স্থিতিশীল ভাৰসমতা (Stationary) এক স্থিতিশীল অর্থনীতত উদ্ভৱ হয়, য'ত জনসংখ্যা, প্রযুক্তিবিদ্যা, সম্পদ, ৰুচি আৰু অগ্রাধিকাৰসমূহ পৰিৱর্তন নহয়। যেতিয়া এনেকুৱা ব্যৱস্থাত পৰিৱর্তন সংঘটিত

হয়, পৰিৱর্তনৰ হাৰো একেই থাকে। যিয়েই নহওঁক, অর্থনৈতিক ভাৰসমতা গতিশীল হ'ব পাৰে, যেতিয়া ওপৰত উল্লিখিত কাৰকসমূহে যেনে, জনসংখ্যা, প্রযুক্তিবিদ্যা আৰু অন্যান্যবোৰ সময়ৰ লগে লগে পৰিৱর্তিত হয়। ভাৰসমতা বহু-বজাৰমুখী অথবা সাধাৰণ হ'ব পাৰে। ইয়াৰ বিপৰীতে, আংশিক ভাৰসমতা একক বজাৰমুখী।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অর্থনৈতিক প্রতিনিধি কোনবিলাক? (৩০টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

প্রশ্ন নং ৫ ঃ তলত দিয়া বাক্যবোৰ শুদ্ধ নে অশুদ্ধ চিনাক্ত কৰক—

ক) অর্থনীতিৰ তত্ত্বত, সকলো ভাৰসমতাই স্থিতিশীল নহয়। (শুদ্ধ/অশুদ্ধ)

খ) বেছিভাগ ক্ষেত্রতে সাধাৰণ ব্যষ্টিবাদী অর্থনৈতিক বিশ্লেষণত গতিশীল ভাৰসমতা ব্যৱহাৰ কৰা হয়। (শুদ্ধ/অশুদ্ধ)

গ) স্থিতিশীল ভাৰসমতা এনে এখন সমাজত উদ্ভৱ হয় য'ত জনসংখ্যা, প্রযুক্তিবিদ্যা, সম্পদ, ৰুচি আৰু অগ্রাধিকাৰসমূহৰ পৰিৱর্তন নহয়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৬ ঃ স্থিতিশীল ভাৰসমতা কি? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

.....

২.৬ স্থিতিশীল বিশ্লেষণ

স্থিতিশীল বিশ্লেষণে অর্থনৈতিক তত্ত্ব আৰু বিশ্লেষণৰ ক্ষেত্রত এটা গুৰুত্বপূর্ণ স্থান দখল কৰি আহিছে। অর্থনৈতিক তত্ত্বৰ এটা বৃহৎ অংশ অর্থনৈতিক স্থিতিশীলতাৰ কৌশলৰ সহায়ত ব্যাখ্যা কৰা হৈছে। অর্থনৈতিক তত্ত্বৰ কাম হৈছে অর্থনৈতিক চলকসমূহৰ প্রক্রিয়াৰ মাজত থকা কার্য্যমূলক সম্বন্ধৰ ব্যাখ্যা আগবঢ়োৱা। দুটা চলকৰ মাজত যদি এটা কার্য্যমূলক সম্পর্ক প্রতিষ্ঠা কৰা হয়, যাৰ মূল্য একে সময়ত অথবা একে সময়ৰ পৰিধিৰ ভিতৰতে সংঘটিত, সেই বিশ্লেষণক স্থিতিশীল বিশ্লেষণ বুলি কোৱা হয়।

আন শব্দত ক'বলৈ গ'লে, স্থিতিশীল বিশ্লেষণ বা স্থিতিশীল তত্ব হৈছে প্রাসঙ্গিক চলক-সমূহৰ মাজত থকা স্থিতিশীল সম্পর্কৰ ওপৰত কৰা অধ্যয়ন। চলকসমূহৰ মাজত থকা এটা কার্যমূলক সম্পর্কক স্থিতিশীল বুলি ক'ব পাৰি যদি আর্থিক চলকসমূহৰ মূল্য একে সময়ত বা একে সময়ৰ পৰিধিৰ লগত সম্পর্কিত হয়। আমি এইক্ষেত্রত অর্থনৈতিক চলক আৰু বিভিন্ন আর্থিক বিধিৰ মাজত থকা স্থিতিশীল সম্পকৰ বিভিন্ন উদাহৰণ দাঙি ধৰিব পাৰোঁ। উদাহৰণস্বৰূপে, আমি চাহিদা বিধিৰ কথা ক'ব পাৰোঁ। এই বিধিটোৱে এটা বস্তুৰ চাহিদাৰ পৰিমাণ আৰু সেই বস্তুটোৰ সেই বিশেষ সময়টোৰ প্রচলিত দৰৰ মাজত কার্য্যমূলক সম্পর্ক প্রতিষ্ঠা কৰিবলৈ যত্ন কৰে। এই বিধিটো মতে বাকী সকলো বস্তু একে থাকিলে কোনো এক সময়ত চাহিদাৰ পৰিমাণ দৰৰ লগত ক্রিয়াত্মকভাৱে জড়িত। ঠিক সেইদৰে, সামগ্রীৰ যোগান আৰু দৰৰ মাজৰ সম্পর্কটোও স্থিতিশীল, দুয়োটা চলকেই কোনো এক নির্দিষ্ট সময়ৰ ব্যাখ্যা আগবঢ়ায়। সেয়ে, যোগান-দৰৰ এই সম্পর্কটো দৰাচলতে এক স্থিতিশীল বিশ্লেষণ।

অলপ আগলৈকে, গোটেই মূল্য তত্ত্বটোৰ আলোচনাত, য'ত আমি বিভিন্ন বজাৰত উৎপাদিত পণ্যৰ ভাৰসাম্য দৰ আৰু কাৰক সম্পর্কে ব্যাখ্যা কৰি আহিছোঁ, সেয়া মুখ্যতঃ স্থিতিশীল বিশ্লেষণ। কাৰণ সেই বিশ্লেষণত বিভিন্ন চলক যেনে চাহিদা, যোগান আৰু দৰ আদিৰ মূল্য একে সময়তে লোৱা হৈছিল।

স্থিতিশীল বিশ্লেষণৰ গুৰুত্ব ঃ আর্থিক স্থিতিশীলতা পদ্ধতিটো বৰ গুৰুত্বপূর্ণ আৰু অর্থনৈতিক তত্ত্বৰ এক বৃহৎ অংশ অর্থনৈতিক স্থিতিশীলতাৰ কৌশলৰ জৰিয়তে আলোচনা কৰা হৈছে। এইটো বহুলভাৱে ব্যৱহাৰ হয় কাৰণ, ইয়ে বিশ্লেষণক সাধাৰণ আৰু ব্যৱহাৰিক কৰিবলৈ সহজ কৰি তুলিছে। অধ্যাপক ৰবার্ট ডর্ফমেন (Robert Dorfman)ৰ মতে, "স্থিতিশীল বিশ্লেষণ গতিশীলত বিশ্লেষণতকৈ যথেষ্ট বেছি পৰিমাণে গুৰুত্বপূর্ণ। ইয়াৰ এটা কাৰণ হ'ল, ই মানুহৰ বেছিভাগ কার্য্যকলাপতে দৃষ্টিগোচৰ হয়। আন এটা কাৰণ হ'ল, চূড়ান্ত ভাৰসমতাই সময়ৰ পথসমূহক গভীৰভাৱে প্রভাৱিত কৰে; আনহাতে ইয়াৰ বিপৰীতে গতিশীল বিশ্লেষণৰ প্রভাৱ যথেষ্ট দুর্বল।"

২.৭ আপেক্ষিক স্থিতিশীল বিশ্লেষণ

আপেক্ষিক স্থিতিশীল বিশ্লেষণ হৈছে অর্থনৈতিক তত্ত্ব আৰু সমস্যাসমূহৰ ওপৰত কৰা অধ্যয়ন আৰু বিশ্লেষণ কৰা এটা গুৰুত্বপূর্ণ আহিলা। বেছিভাগ অর্থনৈতিক তত্ত্ব আপেক্ষিক স্থিতিশীল বিশ্লেষণৰ দ্বাৰা গঠিত। আপেক্ষিক স্থিতিশীলতাৰ মূল কাম হৈছে এক অর্থনৈতিক আর্হিত কোনো এক বাহ্যিক চলকৰ পৰিৱর্তনৰ ফলত অভ্যন্তৰীণ চলকত কেনে ধৰণৰ পৰিৱর্তন হয়, সেয়া নির্দ্ধাৰণ কৰা। ই হৈছে অধ্যয়নৰ এটা প্রকাৰ যিয়ে আর্হিটোৰ ভিতৰত থকা ভাৰসমতা পৰিৱর্তনৰ বাবে বাহ্যিক শক্তিৰ বিষয়ে বিশেষভাৱে আলোচনা কৰে। ইয়াত বাহ্যিক শক্তি বুলি কওঁতে অর্থনীতিটোৰ চলকবোৰক ইঙ্গিত কৰা হৈছে। আপোনালোকে জানে যে অর্থনীতিত আমি দুই প্রকাৰৰ চলক পাওঁ, সেয়া হৈছে বাহ্যিক চলক আৰু অভ্যন্তৰীণ চলক। অভ্যন্তৰীণ চলক অর্থনৈতিক আর্হিৰ

ভিতৰত থকা যিকোনো চলক আনহাতে, বাহ্যিক চলক বুলি ক'লে সেই চলকৰ কথা বুজা যায়, য'ত মূল্যটো আৰ্হিটোৰ বাহিৰত নিৰূপণ কৰা হয়। আপেক্ষিক স্থিতিশীল বিশ্লেষণৰ ভালেমান উদাহৰণ আছে। উদাহৰণ স্বৰূপে, আমি কেইন্সীয় IS-LM আৰ্হিৰ কথা ক'ব পাৰোঁ, যিয়ে সামগ্ৰীৰ বজাৰ আৰু মুদ্ৰা বজাৰ উভয়ৰে ভাৰসমতা প্ৰতিনিধিত্ব কৰে।

আপেক্ষিক বিশ্লেষণ সাধাৰণতে চাহিদা আৰু যোগানৰ মাজত ঘটা পৰিৱৰ্তনৰ বিষয়ে অধ্যয়ন কৰিবলৈ ব্যৱহাৰ কৰা হয়, সাধাৰণতে যেতিয়া একক বজাৰৰ বিষয়ে বিশ্লেষণ কৰা হয়। ঠিক তেনেদৰে, গোটেই অৰ্থনীতিৰ মৌদ্ৰিক বা ৰাজহ নীতিৰ পৰিৱৰ্তনৰ বিষয়ে অধ্যয়ন কৰোতেও ইয়াক প্ৰয়োগ কৰা হয়। 'আপেক্ষিক স্থিতিশীলতা' সমষ্টিবাদী অৰ্থবিজ্ঞানৰ তুলনাত ব্যষ্টিবাদী অৰ্থবিজ্ঞানত সাধাৰণতে বেছিকৈ (সাধাৰণ ভাৰসমতাৰ বিশ্লেষণ),অন্তৰ্ভুক্ত ব্যৱহাৰ কৰা হয়। আপেক্ষিক স্থিতিশীলতা 'জন আৰ হিকচ' (১৯৩৯) আৰু 'পল এ চেমুৱেলচন' (১৯৪৭) চনতে উলিয়াইছিল।

২.৮ গতিশীল বিশ্লেষণ

সমসাময়িক অৰ্থনীতিত গতিশীল বিশ্লেষণ অতি জনপ্ৰিয়। অৰ্থনৈতিক গতিশীলতা অৰ্থনীতিৰ আচৰণ অথবা বিশেষ কিছুমান অৰ্থনৈতিক চলকৰ এক দীঘলীয়া সময়ছোৱা বিশ্লেষণ কৰিবলৈ তুলনামূলকভাৱে বেছি বাস্তৱমুখী পদ্ধতি। ই প্ৰাসঙ্গিক চলকসমূহৰ মাজৰ সম্পৰ্কক অধ্যয়ন কৰে, যাৰ মূল্য সময়ে সময়ে বেলেগ হৈ থাকে। অৰ্থনীতিত গতিশীল বিশ্লেষণ ধাৰণাৰ এগৰাকী আগশাৰীৰ প্ৰচলক অধ্যাপক ৰাগনাৰ ফ্ৰিস্কে অৰ্থনৈতিক গতিশীলতাৰ সংজ্ঞা এনেদৰে দিছে "এটা প্ৰক্ৰিয়া গতিশীল হয়, যদি ইয়াৰ সময়ৰ লগত আচৰণ কাৰ্য্যমূলক সমীকৰণৰ দ্বাৰা নিৰূপিত হয় য'ত বিভিন্ন সময়ৰ চলকসমূহ এটা জৰুৰী কাৰ্য্যৰ জৰিয়তে অন্তৰ্ভুক্ত কৰা হয়।" তেখেতে আকৌ কৈছে— "আমি যে কোনো এক সময়ৰ কিছুমান পৰিমাণ সম্বন্ধে বিবেচনা কৰোঁ, বা সিহঁতৰ মাজৰ আন্তঃসম্পৰ্কৰ বিষয়ে আলোচনা কৰোঁ, তেনে নহয়, আমি দৰাচলতে কিছুমান নিৰ্দিষ্ট চলকৰ বিভিন্ন পৰিমাণসমূহ বিভিন্ন সময়ৰ পৰিপ্ৰেক্ষিতত অধ্যয়ন কৰোঁ। আৰু লগতে, আমি কিছুমান সমীকৰণ আগবঢ়াও, যাতে সেইবোৰে একে সময়তে বিভিন্ন সময়ৰ সেই বিভিন্ন পৰিমাণবোৰৰ বেছিভাগকে প্ৰতিনিধিত্ব কৰিব পাৰে। প্ৰকৃতাৰ্থত, এক গতিশীল তত্ত্বৰ এয়াই হৈছে মূল বৈশিষ্ট্য। কেৱল এনে ধৰণৰ তত্ত্বৰ জৰিয়তেহে এটা পৰিস্থিতি কেনেদৰে পৰিচালিত হয়, ব্যাখ্যা কৰিব পাৰোঁ।" সমষ্টিবাদী আৰু ব্যষ্টিবাদী অৰ্থবিজ্ঞানৰ পৰা গতিশীল বিশ্লেষণৰ ভালেমান উদাহৰণ দিব পাৰোঁ। উদাহৰণ স্বৰূপে, ব্যষ্টিবাদী অৰ্থ বিজ্ঞানত যদি কোনোবাই ধৰি লয় যে বজাৰত এটা নিৰ্দিষ্ট সময় (t)ৰ এটা বস্তুৰ যোগান সেই নিৰ্দিষ্টৰ আগৰ সময়ছোৱা (t–1) প্ৰযোজ্য মূল্যৰদ্বাৰা প্ৰভাৱিত হয়, তেতিয়া যোগান আৰু মূল্যৰ মাজৰ স্থাপিত সেই সম্পৰ্কক গতিশীল বুলি কোৱা হয়। একেদৰে, সমষ্টিবাদী অৰ্থবিজ্ঞানত যেতিয়া এইটো ধৰি লোৱা হয় যে কোনো এটা নিৰ্দিষ্ট সময় (t)ত অৰ্থনীতি কাৰ্য্যটো তাৰ ভোগ আগৰ সময় (t–1)ৰ আয়ৰ ওপৰত নিৰ্ভৰ কৰে, তেতিয়া আমি গতিশীল সম্পৰ্ক স্থাপিত হোৱা বুলি ক'ম।

অর্থনৈতিক গতিশীলতাৰ গুৰুত্ব ঃ অর্থনৈতিক গতিশীলতা বা গতিশীল বিশ্লেষণৰ গুৰুত্ব সম্পর্কে তলত ব্যাখ্যা কৰা হ'ল—

অর্থনৈতিক বিশ্লেষণক বাস্তৱমুখী কৰাৰ বাবে আমি চলকসমূহ পৰিৱর্তিত সময়ৰ লগে লগে সংঘটিত হোৱা প্রভাৱৰ ফলত হোৱা প্রতিক্রিয়া বোৰ অন্তর্ভুক্ত কৰিব লাগিব। সেইবাবে অর্থনৈতিক গতিশীলতা বাস্তৱমুখী অর্থনৈতিক বিশ্লেষণৰ বাবে সাংঘাতিক গুৰুত্বপূর্ণ। বাস্তৱ পৃথিৱীত বিভিন্নধৰণৰ গুৰুত্বপূর্ণ চলক, যেনে— সামগ্রীৰ দাম, সামগ্রীৰ উৎপাদন, মানুহৰ আয়, বিনিয়োগ আৰু ভোগ আদি চলকবোৰ সময়ৰ লগে লগে পৰিৱর্তন হৈ থাকে।

কিছুমান চলক আন চলকৰ পৰিৱর্তন সাপেক্ষে সঁহাৰি দিওঁতে সময় লয়। আন কথাত ক'বলৈ গ'লে, সিহঁতৰ মাজত এটা সময়ৰ ব্যৱধান থাকে। উদাহৰণ স্বৰূপে, এটা সময়ৰ আয়ৰ পৰিৱর্তনে আন সময়ত কৰা ভোগৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে, এয়া গতিশীল বিশ্লেষণৰ দ্বাৰা বিশ্লেষণ কৰা হয়।

কিছুমান বিশেষ চলকৰ মূল্য আন কিছুমান চলকৰ উন্নতিৰ হাৰৰ ওপৰত নির্ভৰশীল। উদাহৰণস্বৰূপে, উঠি অহা অর্থনীতিৰ কাৰণে প্রযোজ্য হেৱডৰ গতিশীল আহিত আমি দেখা পাওঁ যে, বিনিয়োগ উৎপাদনৰ প্রত্যাশিত বৃদ্ধিৰ হাৰৰ ওপৰত নির্ভৰ কৰে।

কিছুমান ক্ষেত্রত, য'ত কিছুমান বিশেষ চলক আন চলকৰ পৰিৱর্তনৰ হাৰৰ পৰিমাণৰ ওপৰত নির্ভৰ কৰে, তেনে ক্ষেত্রত সময়ৰ বিশ্লেষণৰ কার্য্যপ্রণালী আৰু গতিশীল অর্থনীতিৰ পৰিৱর্তনৰ হাৰ বিশ্লেষণ দুয়োটাই জৰুৰী হৈ পৰে।

উন্নয়নমুখী অধ্যয়নৰ বাবে গতিশীল বিশ্লেষণ বৰ প্রয়োজনীয়। ই বিশ্বৰ উন্নত আৰু উন্নযনমুখী উভয় দেশৰ বাবে অধিক উন্নত বিকাশৰ স্বার্থত গতিশীল আর্হি অৱলম্বনত সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ স্থিতিশীল বিশ্লেষণৰ সংজ্ঞা দিয়ক। ইয়াৰ গুৰুত্ব কেনেকুৱা?

.....

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ আপেক্ষিক স্থিতিশীল বিশ্লেষণ বুলি ক'লে কি বুজা যায়?

.....

.....

প্রশ্ন নং ৯ ঃ অর্থনৈতিক গতিশীলতাৰ সংজ্ঞা দিয়ক।

.....

.....

.....

প্রশ্ন নং ১০ ঃ স্থিতিশীল আৰু গতিশীল বিশ্লেষণৰ পার্থক্য দাঙি ধৰক।

.....

.....

.....

.....

.....

.....



২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অর্থনৈতিক তত্ত্বত চাহিদাৰ বিধিটো এটা অন্যতম গুৰুত্বপূর্ণ বিধি। ই মূল্য আৰু এটা বস্তুৰ চাহিদাৰ পৰিমাণৰ মাজত বিপৰীতমুখী সম্পর্কৰ প্রতিষ্ঠা কৰে।
- মাত্র বস্তুৰ প্রতি ইচ্ছা থাকিলেই ইয়াৰ প্রতি চাহিদা থকাটো নুবুজায় যদি ইয়াৰ লগত ক্রয় ক্ষমতা নাথাকে।
- বস্তু এটা যিমান বেছি দামত বিক্রী কৰিব পৰা যাব, উৎপাদকসকলে সিমান বেছিকৈ ইয়াৰ যোগান ধৰিব। সেই কাৰণে, এডাল সাধাৰণ যোগান ৰেখা ওপৰৰফালে এঢলীয়া হৈ সোঁফালে যোৱা দেখা যায়।
- এটা বজাৰ ভাৰসামতাই বিভিন্ন ক্রেতা আৰু বিক্রেতাৰ মাজৰ নিয়ন্ত্রণক প্রতিনিধিত্ব কৰে।
- 'ভাৰসমতা' শব্দটোৱে এক প্রকাৰৰ বিৰাম অৱস্থা বুজায় য'ত পৰিৱর্তনৰ কোনো স্পৃহা নাথাকে, কাৰণ এই বিন্দুটোত সকলো ক্রেতা আৰু বিক্রেতা সন্তুষ্ট ।
- সকলো আর্থিক ভাৰসমতা স্থিতিশীল নহয়।
- যদি এটা কার্য্যমূলক সম্পর্ক দুটা চলকৰ মাজত প্রতিষ্ঠিত হয় যাৰ মূল্য একেহোৱা সময়তে সংঘটিত, সেই বিশ্লেষণক স্থিতিশীল বিশ্লেষণ বুলি কোৱা হয়।
- অর্থনৈতিক স্থিতিশীলতাৰ পদ্ধতিটো বৰ গুৰুত্বপূর্ণ আৰু অর্থনৈতিক তত্বৰ এটা বৃহৎ অংশ আর্থিক স্থিতিশীলতাৰ কৌশল প্রয়োগ কৰি আলোচনা কৰা হৈছে।
- আপেক্ষিক স্থিতিশীলতা হৈছে এটা আর্হিৰ —— চলকৰ পৰিৱর্তনৰ লক্ষ্য যিটো —— চলকৰ পৰিৱর্তনৰ ফলাফল।

- আপেক্ষিক স্থিতিশীলতাই সাধাৰণতে কোনো এক বজাৰৰ বিশ্লেষণৰ সময়ত যোগান আৰু চাহিদাৰ মাজত ঘটা পৰিৱর্তনৰ বিষয়ে অধ্যয়ন কৰে আৰু গোটেই বিত্তীয় নীতিৰ পৰিৱর্তনৰ বিষয়ে ই অধ্যয়ন কৰে।
- গতিশীল বিশ্লেষণে প্রাসঙ্গিক চলকসমূহৰ মাজৰ সম্পর্কক বিশ্লেষণ কৰে যাৰ মূলসমূহ বিভিন্ন সময়ৰ অন্তর্ভুক্ত হৈ থাকে।
- আর্থিক গতিশীলতা হৈছে বাস্তৱমুখী আর্থিক বিশ্লেষণৰ বাবে অতিশয় জৰুৰী। বাস্তৱ পৃথিৱীত বিভিন্ন ধৰণৰ মুখ্য চলক, যেনে— বস্তুৰ দাম, বস্তুৰ উৎপাদন, মানুহৰ আয়, বিনিয়োগ আৰু ভোগ আদি সময়ে সময়ে পৰিৱর্তন হৈ থাকে।



২.১০ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) আলম, খুৰছেদ আৰু অন্যান্য (২০০৪); *স্নাতক মহলাৰ অর্থতত্ত্ব (ব্যষ্টিবাদী অর্থবিজ্ঞান)*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ্ছ ।

২) গোস্বামী, অতুল (২০০৫); *স্নাতক মহলাৰ অর্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অর্থনৈতিক তত্ত্ব)*; ডিব্রুগড় ঃ ষ্টুডেণ্টছ এম্প'ৰিয়াম।

ইংৰাজী গ্রন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics*; New Delhi: S. Chand & Co. Ltd.

2) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.

3) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.

4) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S.Chand & Co. Ltd.

২.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ

২নং প্রশ্নৰ উত্তৰ ঃ চাহিদা বুলি ক'লে এটা বস্তু বা সেৱা লাভ কৰাৰ ইচ্ছাক বুজায় যিটো পৰিশোধ কৰা ক্ষমতাৰ ওপৰত নির্ভৰশীল। এটা বস্তুৰ প্রতি থকা প্রয়োজনে ইয়াৰ চাহিদা নুবুজায়। ইয়াক চাহিদা বুলি তেতিয়াহে কোৱা হ'ব যেতিয়া উপভোক্তাজন ইয়াৰ বাবে উপযুক্ত পৰিশোধ কৰিব পৰা ক্ষমতা থাকিব।

৩নং প্রশ্নৰ উত্তৰ ঃ এটা বস্তুৰ যোগানৰ পৰিমাণ ইয়াৰ দামৰ সৈতে ধনাত্মক ভাৱে নির্ভৰ কৰে। ইয়ে বুজায় যে যদি দাম বাঢ়ে বস্তুৰ যোগানৰ পৰিমাণো বাঢ়ে।

৪নং প্রশ্নৰ উত্তৰ ঃ অর্থনৈতিক প্রতিনিধি বুলিলে যিকোনো ব্যক্তি, ব্যৱসায়িক গোষ্ঠী, এজন বিক্রেতা অথবা এটা কাৰখানাক বুজায় যিয়ে বিভিন্ন আর্থিক কার্য্যাৱলী, যেনে— উৎপাদন, বিনিয়োগ, সঞ্চয়, ভোগ আদিৰ সৈতে জড়িত।

৫নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ

৬নং প্রশ্নৰ উত্তৰ ঃ চাহিদাৰ বিধি আৰু যোগান বিধি অনুসাৰে, বজাৰখন ভাৰসমতা নোহোৱা বিন্দুৰ পৰা আঁতৰি আহি য'ত চাহিদাৰ পৰিমাণৰ লগত যোগানৰ পৰিমাণ একে সমান নহয়, তাৰ পৰা ভাৰসমতা বিন্দুত উপনীত হয়। এয়াই স্থিতিশীলতা ভাৰসমতা।

৭নং প্রশ্নৰ উত্তৰ ঃ যদি দুটা চলকৰ মাজত কার্য্যমূলক সম্বন্ধ প্রতিষ্ঠা হয়, যাৰ মূল্য একেছোৱো সময়ৰ পৰিধিৰ লগত সম্পর্কিত, তেতিয়া তেনে বিশ্লেষণক স্থিতিশীল বিশ্লেষণ বুলি কোৱা হয়।

আর্থিক স্থিতিশীলতাৰ পদ্ধতিটো বৰ গুৰুত্বপূর্ণ আৰু আর্থিক তত্ত্বৰ এটা বৃহৎ ভাগ আর্থিক স্থিতিশীলতাৰ কৌশল ব্যৱহাৰ কৰি আলোচনা কৰা হৈছে। ইয়াক বহুলভাৱে ব্যৱহাৰ কৰা হয় কাৰণ, ই বিশ্লেষণক সাধাৰণ আৰু প্রয়োগ কৰাত সহজ কৰি তোলে।

৮নং প্রশ্নৰ উত্তৰ ঃ আপেক্ষিক স্থিতিশীলতা হৈছে এটা আর্হিৰ— চলকসমূহৰ পৰিৱর্তন কৰাৰ প্রতি থকা ইচ্ছা যিটোৱে— চলকসমূহৰ পৰিৱর্তন কৰাৰ প্রতি থকা ফলাফলক বুজায়।

৯নং প্রশ্নৰ উত্তৰ ঃ অর্থনৈতিক গতিশীলতা হৈছে অর্থনীতিৰ আচৰণ বিশ্লেষণ কৰাৰ বাবে ব্যৱহাৰ কৰা তুলনামূলকভাৱে বেছি বাস্তৱবাদী পদ্ধতি। ই প্রাসঙ্গিক চলকসমূহৰ মাজত সম্পর্কক প্রতিষ্ঠা কৰে যাৰ মূল্য বিভিন্ন সময়ৰ বিন্দুত অন্তর্ভুক্ত।

১০নং প্রশ্নৰ উত্তৰ ঃ স্থিতিশীল বিশ্লেষণ আৰু গতিশীল বিশ্লেষণৰ মাজত কিছুমান প্রাথমিক পার্থক্য আছে। নামবোৰ অনুযায়ী, তেওঁলোক ইটোৱে সিটোৰ বিপৰীত। স্থিতিশীল আৰু গতিশীল বিশ্লেষণৰ মাজত থকা মূল পার্থক্যটো হ'ল স্থিতিশীল বিশ্লেষণে এটা বিশেষ সময়ৰ পৰিধিত দুটা চলকৰ মাজৰ সম্পর্কক বিশ্লেষণ কৰে। আনহাতে, গতিশীল বিশ্লেষণে দুটা চলকৰ মাজত থকা সম্পর্কক বিভিন্ন সময়ৰ বিন্দুৰ জড়িয়তে বিশ্লেষণ কৰে।

ব্যৱহাৰৰ ফালেৰে চাবলৈ গ'লে গতিশীল বিশ্লেষণ স্থিতিশীল বিশ্লেষণৰ তুলনাত বেছি বাস্তৱিক আৰু ব্যৱহাৰিক। কিন্তু, স্থিতিশীল বিশ্লেষণক ইয়াৰ সৰলতাৰ বাবে ব্যৱহাৰ কৰাত সহজ।



২.১২ আর্হি প্রশ্ন

ক) অতি চমু প্রশ্ন (৭৫টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক) ঃ

প্রশ্ননং ১ ঃ এটা বস্তুৰ দাম আৰু চাহিদাৰ পৰিমাণৰ মাজত থকা বিধিটোৰ নাম কি?

প্রশ্ন নং ২ ঃ যোগান বিধি সম্পর্কে কেইটামান বাক্যৰ সহায়ত আলোচনা কৰক।

প্রশ্ন নং ৩ ঃস্থিতিশীল, আপেক্ষিক স্থিতিশীল আৰু গতিশীল বিশ্লেষণৰ সংজ্ঞা দিয়ক।

খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখক) ঃ

প্রশ্ন নং ১ ঃ অর্থনীতিত বজাৰ পৰিচালনাৰ ভূমিকা সম্বন্ধে আলোচনা কৰক।

প্রশ্ন নং ২ ঃভাৰসমতাৰ ধাৰণা দাঙি ধৰক আৰু বজাৰ ভাৰসমতাৰ ওপৰত এটা চমু টোকা লিখক।

প্রশ্ন ৩ নং ঃ আর্থিক স্থিতিশীলতা আৰু আর্থিক গতিশীলতাৰ মাজৰ মুখ্য পার্থক্যসমূহ কি কি?

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্রশ্ন নং ১ ঃ চাহিদা আৰু যোগানৰ বিধিটোৰ বিষয়ে উল্লেখ কৰক আৰু উপযুক্ত চিত্রৰ সহায়ত ইয়াৰ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন নং ২ ঃ ভাৰসমতাৰ অর্থ কি? বজাৰ ভাৰসমতাৰ প্রাথমিক অৱস্থাসমূহ কি কি? কেনেকৈ ভাৰসমতা পাব পাৰি? উপযুক্ত চিত্রৰ সহায়ত ব্যাখ্যা আগবঢ়াওক।

*** ***** ***

অধ্যায় ৩ ঃ চাহিদা বিশ্লেষণ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ চাহিদা বিধি আৰু চাহিদা ৰেখা
৩.৪ চাহিদা ৰেখাৰ চলন
৩.৫ চাহিদা ৰেখাৰ বিচ্যুতি
৩.৬ চাহিদা বিধিৰ ব্যতিক্রম
৩.৭ চাহিদাৰ স্থিতিস্থাপকতা
৩.৭.১ চাহিদাৰ দৰ স্থিতিস্থাপকতা
৩.৭.২ চাহিদাৰ আয় স্থিতিস্থাপকতা
৩.৭.৩ চাহিদাৰ তীর্য্যক স্থিতিস্থাপকতা
৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৯ অধিক জানিবলৈ
৩.১০ অগ্রগতিৰ খতিয়ান
৩.১১ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- চাহিদা বিধি ব্যক্ত কৰিব পাৰিব
- চাহিদা ৰেখা অঙ্কন কৰিব পাৰিব
- চাহিদা ৰেখাৰ চলনৰ ব্যাখ্যা জানিব পাৰিব
- চাহিদা ৰেখাৰ বিচ্যুতি ব্যাখ্যা জানিব পাৰিব
- চাহিদাৰ পৰিৱর্তন আৰু চাহিদাৰ পৰিমাণৰ পৰিৱর্তনৰ পার্থক্য নিৰূপণ কৰিব পাৰিব
- চাহিদাৰ স্থিতিস্থাপকতাৰ তিনিটা ভাগ, যেনে— দৰ স্থিতিস্থাপকতা আয় স্থিতিস্থাপকতা আৰু তীর্য্যক স্থিতিস্থাপকতা ব্যক্ত কৰিব পাৰিব।

৩.২ পৰিচয়

চাহিদা বিধিয়ে চাহিদা নির্ণয় কৰা বিভিন্ন উপাদানসমূহৰ বিষয়ে অধ্যয়ন কৰে। কোনো এটা দ্রব্যৰ চাহিদা বিভিন্ন কাৰকৰ দ্বাৰা প্রভাৱিত হয়। যেনে—

- দ্রব্যটোৰ নিজৰ দৰ
- উপভোক্তাৰ আয়
- অন্যান্য সামগ্রীৰ দৰ আৰু
- উপভোক্তাৰ ৰুচি, ভৌগোলিক পৰিৱেশ আদি

চাহিদা বিশ্লেষণৰ ভিত্তি হ'ল 'চাহিদা বিধি'। অন্যান্য কাৰকসমূহ অপৰিৱর্তনীয় বুলি ধৰি লৈ চাহিদা বিধিয়ে কোনো এটা দ্রব্যৰ চাহিদাৰ পৰিমাণ আৰু ইয়াৰ দৰৰ মাজৰ সম্পর্ক প্রকাশ কৰে। আকৌ, কোনো এটা দ্রব্যৰ দৰৰ/উপভোক্তাৰ আয়ৰ/বা ইয়াৰ লগত জড়িত সামগ্রীৰ দৰৰ পৰিৱর্তনৰ বাবে হোৱা চাহিদাৰ পৰিমাণৰ পৰিৱর্তনক চাহিদাৰ দৰ/আয়/তীর্য্যক স্থিতিস্থাপকতাৰ দ্বাৰা নির্দেশ কৰা হয়।

৩.৩ চাহিদা বিধি আৰু চাহিদা ৰেখা

চাহিদা হ'ল কোনো এটা দ্রব্য বা সেৱা কার্য্যৰ সেই পৰিমাণ, যিটো নির্দিষ্ট দৰত উপভোক্তাই ক্রয় কৰিবলৈ ইচ্ছা কৰে। ইতিমধ্যে, কোৱা হৈছে যে যিকোনো দ্রব্য লাভ কৰাৰ ইচ্ছাই চাহিদা নহয়। এই ইচ্ছা ক্রয় ক্ষমতাৰ দ্বাৰা সমর্থিত হব লাগিব। সাধাৰণতে, অর্থনীতিত চাহিদা মানে হ'ল 'সক্রিয় চাহিদা'। যেনে— আপোনাৰ হয়তো এখন উৰাজাহাজ লোৱাৰ সপোন থাকিব পাৰে, কিন্তু যিহেতু ইয়াক ক্রয় কৰিবলৈ আপোনাৰ ক্রয় ক্ষমতা নাই, গতিকে এই ইচ্ছাক চাহিদা বুলি কোৱা নহয়। আনহাতে, যদি আপোনাৰ হাতত ১০০ টকা আছে, তেন্তে আপুনি ১০০ টকা দৰৰ যিকোনো সামগ্রী বা সেৱাকার্য্য ক্রয় কৰিব পাৰিব বা তাৰ বাবে আপোনাৰ চাহিদা আছে।

চাহিদা দৰৰ লগত জড়িত। সাধাৰণতে, চাহিদা আৰু দৰৰ মাজত থকা ঋণাত্মক সম্পর্কক চাহিদা বিধি বুলি কোৱা হয়। চাহিদা বিধিয়ে কোনো এটা সামগ্রীৰ দৰ আৰু চাহিদাৰ ফলনীয় সম্পর্কক প্রকাশ কৰে। চাহিদা বিধি অনুসৰি, অন্য সকলো বিষয় স্থিৰ অৱস্থাত, সামগ্রীৰ দৰ হ্রাস পালে চাহিদা বৃদ্ধি হয়। এই বিধিয়ে অন্য সকলো স্থিৰ অৱস্থাত সামগ্রীৰ দৰ আৰু চাহিদাৰ মাজৰ ঋণাত্মক সম্পর্কক বুজায়। অন্য সকলোৰ ভিতৰত উপভোক্তাৰ আয়, সম্পর্কিত সামগ্রীৰ দৰ আৰু উপভোক্তাৰ ৰুচি, স্থিৰ হৈ থাকে।চাহিদা বিধিয়ে কোনো এটা দ্রব্যৰ চাহিদাৰ পৰিমাণ আৰু ইয়াৰ দৰৰ মাজত থকা ফলন সম্পর্ক প্রকাশ কৰে। চাহিদা বিধি অনুসৰি, বাকী সকলো কথা একে থাকিলে কোনো এটা দ্রব্যৰ দৰ কমিলে ইয়াৰ চাহিদাৰ পৰিমাণ বাঢ়ে আৰু দৰ বাঢ়িলে চাহিদাৰ পৰিমাণ কমে। অর্থাৎ চাহিদাৰ পৰিমাণ আৰু দৰৰ মাজত এক বিপৰীতমুখী সম্পর্ক আছে। চাহিদা বিধিৰ আলোচনা কৰোঁতে উপভোক্তাৰ আয়, অন্যান্য সামগ্রীৰ দৰ আৰু উপভোক্তাৰ ৰুচি আদি উপাদানবোৰ অপৰিৱর্তনীয় বুলি ধৰি লোৱা হয়।

চাহিদা বিধিটো চাহিদা অনুসূচীৰ সহায়ত ব্যাখ্যা কৰিব পাৰি আৰু চাহিদা অনুসূচীৰ ভিত্তিত চাহিদা ৰেখা অঙ্কন কৰিব পাৰি।


তালিকা ৩.১ ঃ কাল্পনিক চাহিদা অনুসূচী

দৰ (টকাত) (১)	চাহিদাৰ পৰিমাণ (২)	দৰ/চাহিদা জোঁট (৩)
৬	১০	a
৫	২০	b
৪	৩০	c
৩	৪০	d
২	৫০	e
১	৬০	f

৩.১নং তালিকাত উপভোক্তা এজনৰ এখন কাল্পনিক চাহিদা অনুসূচী দেখুওৱা হৈছে। তালিকাখনত বিভিন্ন দৰত উপভোক্তাজনৰ বিভিন্ন চাহিদাৰ পৰিমাণ দেখুওৱা হৈছে। এইদৰে ৬ টকা দৰত চাহিদাৰ পৰিমাণ ১০ একক। ক্রমান্বয়ে দৰ কমি গৈ ১ টকা হওঁতে ইয়াৰ লগত সংলগ্ন চাহিদাৰ পৰিমাণ প্রতিবাৰতে ১০ এককৈ বাঢ়ি গৈ শেষত ৬০ একক হৈছে।

এতিয়া, আমি বিভিন্ন দৰ আৰু চাহিদাৰ পৰিমাণ সমূহ তালিকা ৩ (ক) ৰ পৰা উপস্থাপন কৰি তলৰ ৩.১নং চিত্রটো পাওঁ।

চিত্র নং ৩.১ ঃ উপভোক্তা এজনৰ চাহিদা ৰেখা



এইদৰে, তালিকা ৩.১ৰ দৰ-চাহিদাৰ পৰিমাণৰ জোঁট সমূহ উপস্থাপন কৰি আমি চিত্র ৩.১ত DD চাহিদা ৰেখা পালোঁ। চাহিদা ৰেখা হ'ল চাহিদা অনুসূচীৰ এক ৰেখা চৈত্রিক উপস্থাপন আৰু ই বিভিন্ন দৰত কোনো এটা দ্রব্যৰ বিভিন্ন চাহিদাৰ পৰিমাণ নির্দেশ কৰে।

চাহিদা ৰেখা বাঁওফালৰ পৰা সোঁফাললৈ ঢাল খোৱা। ইয়াৰ কাৰণ হ'ল দৰ কমি যোৱাৰ লগে লগে চাহিদাৰ পৰিমাণ বাঢ়ি গৈ থাকে। সেই কাৰণে চাহিদা ৰেখাই চাহিদা বিধিটো প্রতিফলন

কৰে, যিয়ে কোনো এটা দ্রব্যৰ দৰ আৰু চাহিদাৰ পৰিমাণৰ মাজত থকা বিপৰীত মুখী সম্পৰ্কৰ কথা নির্দেশ কৰে।

ব্যক্তিগত আৰু বজাৰ চাহিদা (Individual and Market Demand) ঃ এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে চাহিদাক ব্যক্তিগত চাহিদা আৰু বজাৰ চাহিদা হিচাপেও ভাগ কৰিব পাৰি। কোনো এটা দ্রব্যৰ বজাৰ চহিদা হ'ল দ্রব্যটোৰ ব্যক্তিগত চাহিদা সমূহৰ যোগ ফল। আমি যেতিয়া দ্রব্য এটাৰ (ধৰা হ'ল কমলাৰ) চাহিদাৰ কথা কওঁ,তেতিয়া কাৰ চাহিদাৰ বিষয়ে কওঁ-সেই দ্রব্যটো ভোগ কৰা এজন ব্যক্তি, এটা পৰিয়াল, নে সমগ্র দেশখনৰ? ব্যক্তি মানে আমি এটা ব্যক্তিগত পৰিয়ালক বুজিম। একেদৰে যোগানৰ ক্ষেত্রতো ব্যক্তিমানে আমি একোজন একক যোগান ধৰোঁতাকেই বুজিম।

সংজ্ঞা অনুসৰি, অন্যান্য সকলো কথা একে থাকিলে এটা দ্রব্য বা সেৱা কার্য্যৰ যিমানখিনি এটা পৰিয়ালে কিনিবলৈ ইচ্ছুক আৰু বিভিন্ন দামত কিনিবলৈ সমর্থ হয়, তাকে ব্যক্তিগত চাহিদাই নির্দ্দেশ কৰে। যদিও বহু ক্ষেত্রত ব্যক্তিগত উপভোক্তাৰ চাহিদাৰ বিশ্লেষণ কৰাটো উপযোগী তথাপিও বহুতো ব্যক্তিগত উপভোক্তাৰ দ্বাৰা গঠিত সমগ্র বজাৰৰ চাহিদাকে বিশ্লেষণৰ বাবে সঘনে প্রয়োজন হয়। এতিয়া আমি ব্যক্তিগত চাহিদা ৰেখাৰ পৰা বজাৰ চাহিদা ৰেখা কেনেকৈ অঙ্কন কৰা হয় তাকে আলোচনা কৰিম। এই দৰে ব্যক্তিগত চাহিদা ৰেখাৰ পৰা বজাৰ চাহিদা ৰেখা নিৰুপণ কৰিবলৈ চিত্র ৩.১ৰ দৰে ব্যক্তিগত চাহিদা ৰেখাবোৰ ল'ব পাৰোঁ আৰু প্রত্যেক উপভোক্তাৰ চাহিদাৰ পৰিমাণসমূহ সংলগ্ন দৰত যোগ কৰি আমি এডাল সামগ্রিক বজাৰ চাহিদা ৰেখা পাব পাৰোঁ।

ধৰাহওঁক বজাৰখনত দুজন উপভোক্তা আছে— উপভোক্তা ১ আৰু উপভোক্তা ২। ৩.২নং তালিকাত তেওঁলোকৰ ব্যক্তিগত চাহিদা অনুসূচী দুখন দেখুওৱা হৈছে। আৰু যিহেতু বজাৰখনত দুজনেই উপভোক্তা আছে, সেয়ে বজাৰ চাহিদা অনুসূচীখনো দেখুওৱা হৈছে। ৩.২নং তালিকাৰ পৰা দেখা গৈছে যে, বজাৰ চাহিদা অনুসূচীখন হৈছে উপভোক্তা দুজনৰ ব্যক্তিগত চাহিদা অনুসূচী দুখনৰ যোগফল। এই চাহিদা অনুসূচীকেইখনক প্রতিনিধিত্ব কৰা চাহিদা ৰেখাকেইডাল চিত্র নং ৩.২ (ক), (খ) আৰু (গ)ৰ জৰিয়তে দেখুওৱা হৈছে।

চিত্র ৩.২ (ক)ত D_1D_1 হ'ল প্রথমজন উপভোক্তাৰ চাহিদা ৰেখা আৰু ৩.২ (খ)ত D_2D_2 হ'ল দ্বিতীয়জন উপভোক্তাৰ চাহিদা ৰেখা আৰু ৩.২ (গ)ত দেখুওৱা DD হ'ল বজাৰ চাহিদা ৰেখা।


তালিকা ৩.২ ঃ দুজন উপভোক্তাৰ ব্যক্তিগত চাহিদা অনুসূচী আৰু বজাৰ চাহিদা অনুসূচী

দৰ (টকা)	**চাহিদাৰ পৰিমাণ** (কিলোগ্রামত)		
	প্রথম উপভোক্তা	**দ্বিতীয় উপভোক্তা**	**বজাৰ চাহিদা**
১২	৪	৬	৪ + ৬ =১০
১০	৫	৮	৫ + ৮ = ১৩
৮	৬	১০	৬ + ১০ = ১৬


৬	৭	১২	৭ +১২ = ১৯
৪	৮	১৪	৮ + ১৪ = ২২
২	৯	১৬	৯ + ১৬ = ২৫

চিত্র ৩.২ (ক) ঃ উপভোক্তা ১ৰ চাহিদা ৰেখা

চিত্র ৩.২ (খ) ঃ উপভোক্তা ২য় চাহিদা ৰেখা



চিত্র ৩.২ (গ) ঃ বজাৰ চাহিদা ৰেখা



চাহিদা বিধিৰ অভিধাৰণা সমূহ (Assumptions of the Law of Demand) ঃ চাহিদা বিধিৰ মূল অভিধাৰণাসমূহ হ'ল—

- উপভোক্তাৰ ৰুচি আৰু সোৱাদৰ কোনো পৰিৱৰ্তন নহয়।
- উপভোক্তাৰ আয়ৰ কোনো পৰিৱৰ্তন নহয়।
- অন্যান্য সামগ্ৰীসমূহৰ দৰৰ কোনো পৰিৱৰ্তন নহয়।

মন কৰিব, চাহিদা বিধিটো সাধাৰণতে সকলো সামান্য পৰিস্থিতিত প্ৰযোজ্য হ'লেও কিছুমান বিশেষ পৰিস্থিতিত এই বিধিটো প্ৰযোজ্য নহ'বও পাৰে। এই বিষয়ে অধ্যায়টিৰ পৰৱৰ্তী খণ্ডত আলোচনা কৰিম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

ক) বাকী সকলো কথা একে থাকিলে, সামগ্ৰী এটাৰ দৰ আৰু চাহিদাৰ মাজৰ সম্পৰ্কটো বিপৰীতমুখী। (শুদ্ধ/অশুদ্ধ)

খ) সামগ্ৰী এটাৰ দৰৰ পৰিৱৰ্তনৰ ফলত চাহিদাৰ পৰিৱৰ্তন হয়। (শুদ্ধ/অশুদ্ধ)

গ) বজাৰ চাহিদা হ'ল বজাৰখনৰ সকলোবোৰ উপভোক্তা ব্যক্তিগত চাহিদা অনুসূচীৰ যোগফল। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ খালী ঠাই পূৰ কৰক—

ক) সংজ্ঞা অনুসৰি, অন্যান্য সকলো কথা একে থাকিলে এটা দ্ৰব্য বা সেৱা কাৰ্য্যৰ যিমানখিনি পৰিমাণ সামগ্ৰীটোৰ বিভিন্ন দামত পৰিয়াল এটাই কিনিবলৈ ইচ্ছুক আৰু সমৰ্থ সেয়া ..... পৰা লাভ কৰিব পাৰি।

খ) চাহিদা ৰেখা এডালে সোঁফালে ..... গতি কৰে।

গ) সামগ্ৰী এটাৰ ..... হ'ল বজাৰ খনৰ সামগ্ৰী বিধৰ বিভিন্ন উপভোক্তাৰ ব্যক্তিগত চাহিদাৰ যোগফল।

প্ৰশ্ন নং ৩ ঃ ব্যক্তিগত বজাৰ ৰেখাৰ পৰা বজাৰ চাহিদা ৰেখাডাল কেনেদৰে পাব পাৰি? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....


৩.৪ চাহিদা ৰেখাৰ চলন

চাহিদা ৰেখাৰ চলনে দৰৰ পৰিৱৰ্তনৰ সাপেক্ষে চাহিদাৰ পৰিৱৰ্তনক বুজায়। এই চলন একেডাল চাহিদা ৰেখাতে হয়। ইয়াক চিত্ৰ ৩.১ বা ৩.২(c)ৰ সহায়ত দেখুওাব পাৰি য'ত, সাধাৰণ চাহিদা ৰেখা আৰু বজাৰ চাহিদা দেখুওৱা হৈছে। চাহিদা ৰেখা এডালত সামগ্ৰীৰ দৰ আৰু পৰিমাণ সাপেক্ষে বিভিন্ন বিন্দুৰ মাজৰ গতিয়ে চাহিদা ৰেখাডালৰ গতি দেখুৱায়।

৩.৫ চাহিদা ৰেখাৰ বিচ্যুতি

চাহিদা ৰেখাৰ চলনে কোনো নির্দিষ্ট দ্রব্য বা সেৱাকার্য্যৰ বিভিন্ন দৰত পৰিমাণবোৰ দেখুৱায়। কিন্তু চাহিদাৰ পৰিৱর্তনৰ লগে লগে চাহিদা ৰেখাৰ বিচ্যুতি আমি দেখুৱাব লাগিব। চাহিদা ৰেখাৰ বাঁওহাতৰ বিচ্যুতিয়ে চাহিদা হ্রাস হোৱা বুজায় আৰু চাহিদা ৰেখাৰ সোঁফালৰ বিচ্যুতিয়ে চাহিদা বৃদ্ধি হোৱা বুজায়। ইয়াক তলৰ চিত্রৰ সহায়ত দেখুৱাব পাৰি—

চিত্র ৩.৩ ঃ চাহিদা ৰেখাৰ বিচ্যুতি



চিত্র ৩.৩ত চাহিদা ৰেখাৰ বিচ্যুতি দেখুওৱা হৈছে। DD হ'ল প্রাৰম্ভিক চাহিদা ৰেখা। চাহিদা হ্রাস হোৱাটো চাহিদা ৰেখাৰ বাঁওফালৰ বিচ্যুতিৰ সহায়ত দেখুওৱা হৈছে, য'ত চাহিদা ৰেখা D^2D^2 লৈ পৰিৱর্তিত হৈছে। আকৌ চাহিদা বৃদ্ধি হোৱাটো সোঁফালে স্থানান্তৰিত হোৱা D^1D^1 ৰেখাৰ সহায়ত দেখুওৱা হৈছে। দৰৰ উপৰিও চাহিদাৰ বিচ্যুতি কেতবোৰ অন্য কাৰকৰ দ্বাৰাও প্রভাৱিত হ'ব পাৰে। এইটো উপভোক্তাৰ ৰুচি-অভিৰুচিৰ পৰিৱর্তন, নতুনত্ব আৰু নতুন উৎপাদন কৌশল ইত্যাদিৰ ফলতো হ'ব পাৰে।

৩.৬ চাহিদা বিধিৰ ব্যতিক্রম

ইতিমধ্যে উল্লেখ কৰি আহিছোঁ চাহিদা বিধি মতে, অন্যান্য সকলো কথা একে থাকিলে দ্রব্য এটাৰ দৰ আৰু ইয়াৰ চাহিদাৰ পৰিমাণৰ মাজত এক বিপৰীতমুখী সম্পর্ক বিৰাজ কৰে। ফলস্বৰূপে চাহিদা বিধিৰ ওপৰত প্রতিষ্ঠিত চাহিদা ৰেখা সোঁফালে তললৈ নামি যোৱা হয়।

কিন্তু কেতবোৰ নির্দিষ্ট দ্রব্যৰ ক্ষেত্রত চাহিদা বিধি প্রযোজ্য নহয়; আৰু সেইবোৰে চাহিদাৰ পৰিমাণ আৰু দৰৰ মাজত এটা প্রত্যক্ষ সম্পর্ক দেখুৱায়। এইদৰে এনেবোৰ দ্রব্যৰ ক্ষেত্রত দৰ কমিলে ইয়াৰ চাহিদাৰ পৰিমাণো কমে আৰু দৰ বাঢ়িলে ইয়াৰ চাহিদাৰ পৰিমাণো বাঢ়ে। ফলস্বৰূপে এনে দ্রব্যৰ চাহিদা ৰেখা সোঁফালে ওপৰলৈ উঠি যোৱা হয়।

যিবোৰ সামগ্ৰীয়ে চাহিদা বিধি ভঙ্গ কৰে সেইবোৰ তলত উল্লেখ কৰা হ'ল ঃ

- **গিফেন দ্ৰব্য** (Giffen Goods) ঃ গিফেন দ্ৰব্য হ'ল বিশেষ ধৰণৰ নিকৃষ্ট দ্ৰব্য যিয়ে চাহিদা বিধি নামানে। এইদৰে, দৰ কমিলে এনেবোৰ দ্ৰব্যৰ চাহিদা কমে আৰু দৰ বাঢ়িলে এনেবোৰ দ্ৰব্যৰ চাহিদাৰ পৰিমাণো বাঢ়ে। এই পৰিঘটনাটো ***ৰবার্ট গিফেনে*** অধ্যয়ন কৰিছিল। ইয়াৰ কাৰণ হ'ল যে গিফেন দ্ৰব্যৰ আয় বিপাক (Income Effect) ধনাত্মক আৰু ই ঋণাত্মক প্ৰতিকল্পন বিপাক (Negative Substitution Effect) তকৈ অধিক প্ৰভাৱশালী। ইয়াৰ ফলস্বৰূপে দৰ বিপাক ধনাত্মক হয় আৰু দৰ আৰু চাহিদাৰ পৰিমাণ একে দিশতে পৰিৱৰ্তন হয়। এইদৰে চাহিদা বিধি ভঙ্গ হয় আৰু আমি এডাল উৰ্ধগামী চাহিদা ৰেখা পাওঁ।

  গিফেন দ্ৰব্যৰ বাহিৰেও তলৰ দ্ৰব্যবোৰৰ ক্ষেত্ৰতো চাহিদা বিধি প্ৰযোজ্য নহ'ব পাৰে।

- **সম্ভ্ৰান্ততাৰ প্ৰতীক দ্ৰব্যসমূহ** ('Status Symbol' Goods) ঃ এই দ্ৰব্যসমূহ মানুহে সমাজত নিজৰ প্ৰতিপত্তি প্ৰদৰ্শনৰ বাবে ক্ৰয় কৰে। ***থাৰ্ষ্টেইন বি ভেবলেন*** (Thorstein B. Veblen)ৰ মতে, দৰ কমিলে এই দ্ৰব্যসমূহৰ চাহিদাৰ পৰিমাণ কমে। সাধাৰণতে, বিলাসী সামগ্ৰীসমূহৰ ক্ষেত্ৰত এয়া প্ৰযোজ্য হয়। গতিকে, এনেবোৰ সামগ্ৰীৰ ক্ষেত্ৰত চাহিদা বিধিটো প্ৰযোজ্য নহয়।

- **শঙ্কাজনক উপভোগ** (Speculative Consumption) ঃ অত্যাৱশ্যকীয় সামগ্ৰীৰ ক্ষেত্ৰত ভৱিষ্যতে অধিক দৰ বৃদ্ধি হোৱাৰ শঙ্কাই উপভোক্তাক সামগ্ৰীটো আৰু অধিক পৰিমাণে ক্ৰয় কৰিবলৈ উৎসাহী কৰিব পাৰে, যাৰ বাবে সাময়িকভাৱে চাহিদা বিধি ভঙ্গ হয়। ধৰাহ'ল, এবিধ গুৰুত্বপূৰ্ণ ঔষধৰ দাম বৰ বেছি মাত্ৰাত বাঢ়িবলৈ ল'লে। এনে ক্ষেত্ৰত সেই দৰববিধ ব্যৱহাৰ কৰা ৰোগীসকলে সাধাৰণতে ক্ৰয় কৰি অহা পৰিমাণতকৈ অধিক পৰিমাণে দৰববিধ কিনিবলৈ বিচাৰিব। এনে ক্ষেত্ৰত, ভৱিষ্যতে অধিক দাম বঢ়াৰ আশঙ্কাত উপভোক্তাসকলে প্ৰয়োজনতকৈ অধিক পৰিমাণে সামগ্ৰীবিধ কিনাটো লাভজনক বুলিহে বিবেচনা কৰিব পাৰে। এনেবোৰ কাৰণত চাহিদা বিধিটো ভঙ্গ হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

ক) চাহিদা বিধি অনুসৰি, সামগ্ৰীৰ দৰ আৰু চাহিদাৰ মাজত এক বিপৰীতমুখী সম্পৰ্ক আছে। (শুদ্ধ/অশুদ্ধ)

খ) গিফেন দ্ৰব্যৰ ক্ষেত্ৰত চাহিদা নীতি প্ৰযোজ্য নহয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৫ ঃ খালী ঠাই পূৰ কৰক—

ক) দৰ বিপাক হ'ল প্ৰতিকল্পন বিপাক আৰু .....ৰ যোগফল।

খ) গিফেন দ্ৰব্যৰ ক্ষেত্ৰত প্ৰতিকল্পন বিপাক ..... আৰু আয় বিপাক .....।



ৰবার্ট গিফেনৰ বিষয়ে অধিক জানিবৰ বাবে তৃতীয় খণ্ডৰ শেহত সন্নিৱিষ্ট পৰিশিষ্ট 'খ' চাওক।



থাৰ্ষ্টেইন বি ভেবলেনৰ বিষয়ে অধিক জানিবৰ বাবে তৃতীয় খণ্ডৰ শেহত সন্নিৱিষ্ট পৰিশিষ্ট 'খ' চাওক।

গ) দৰ বিপাকৰ দুই উপাদানৰ তুলনামূলক প্ৰভাৱে সামগ্ৰীৰ প্ৰকাৰ ভেদে সামগ্ৰী এবিধৰ দৰ আৰু ..... মাজৰ সম্পৰ্কটো দেখুৱায়।

প্ৰশ্ন নং ৬ ঃ গিফেন দ্ৰব্য (Giffen Goods) কি? (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ শঙ্কাজনিত উপভোগৰ ক্ষেত্ৰত চাহিদা বিধি কিয় ভঙ্গ হয়? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ চাহিদাৰ পৰিমাণৰ পৰিৱৰ্তন আৰু চাহিদাৰ পৰিৱৰ্তনৰ মাজৰ পাৰ্থক্য দেখুৱাওক। (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

৩.৭ চাহিদাৰ স্থিতিস্থাপকতা

দ্ৰব্য এটাৰ চাহিদাৰ স্থিতিস্থাপকতা (Elasticity of demand)

- ইয়াৰ দৰ, বা
- উপভোক্তাৰ আয় বা
- সংলগ্ন সামগ্ৰীৰ দৰৰ পৰিৱৰ্তনৰ প্ৰতি সঁহাৰিৰ লগত জড়িত।

এইদৰে ওপৰৰ তিনিটা চলকৰ পৰিৱৰ্তনৰ প্ৰতি সঁহাৰি জনোৱাৰ ফলস্বৰূপে চাহিদাৰ পৰিমাণৰ পৰিৱৰ্তনে আমাক তিনিটা বেলেগ বেলেগ চাহিদাৰ স্থিতিস্থাপকতাৰ ধাৰণা দিয়ে। সেইবোৰ হ'ল—

- চাহিদাৰ দৰ স্থিতিস্থাপকতা (Price Elasticity of Demand)
- চাহিদাৰ আয় স্থিতিস্থাপকতা (Income Elasticity of Demand)
- চাহিদাৰ তীর্য্যক স্থিতিস্থাপকতা (Cross Elasticity of Demand)

৩.৭.১ চাহিদাৰ দৰ স্থিতিস্থাপকতা (Price Elasticity of Demand)

চাহিদাৰ দৰ স্থিতিস্থাপকতাই কোনো এটা দ্ৰব্যৰ দৰ পৰিৱৰ্তনৰ সাপেক্ষে চাহিদাৰ পৰিমাণৰ পৰিৱৰ্তনৰ জোখ লয়। চাহিদাৰ দৰ স্থিতিস্থাপকতা দুই ধৰণে জোখা হয়—

- চাহিদাৰ বিন্দু স্থিতিস্থাপকতা আৰু
- চাহিদাৰ বৃত্তাংশ স্থিতিস্থাপকতা।

➢ **চাহিদাৰ বিন্দু স্থিতিস্থাপকতা** (Point Elasticity of Demand) ঃ চাহিদাৰ বিন্দু স্থিতিস্থাপকতা কৌশল চাহিদাৰ দৰ স্থিতিস্থাপকতা জুখিবলৈ ব্যৱহাৰ কৰা হয় যদি দৰ পৰিৱৰ্তনৰ পৰিমাণ অতি কম হয়।

সেয়ে দৰৰ অতি ক্ষুদ্ৰ সমানুপাতিক পৰিৱৰ্তনৰ কাৰণে হোৱা চাহিদাৰ পৰিমাণৰ সমানুপাতিক পৰিৱৰ্তনকেই চাহিদাৰ বিন্দু স্থিতিস্থাপকতাৰে সংজ্ঞায়িত কৰা হয়। এইদৰে—

$$\text{চাহিদাৰ বিন্দু স্থিতিস্থাপকতা} = \frac{\text{চাহিদাৰ পৰিমাণৰ সমানুপাতিক পৰিৱৰ্তন}}{\text{দৰৰ সমানুপাতিক পৰিৱৰ্তন}}$$

এইদৰে, $ep = \frac{\Delta Q/Q}{\Delta P/P} = \frac{P}{Q} \times \frac{\Delta Q}{\Delta P}$

য'ত, e_p = দৰ স্থিতিস্থাপকতা, P = দৰ, Q = পৰিমাণ, Ä = ক্ষুদ্ৰতম পৰিৱৰ্তন।


এইদৰে দৰ আৰু চাহিদাৰ পৰিমাণৰ বিপৰীতমুখী সম্পৰ্কৰ বাবে চাহিদাৰ দৰ স্থিতিস্থাপকতা ঋণাত্মক হয়। সাধাৰণতে ঋণাত্মক চিনটো সূত্ৰত ধৰা নহয়।

ৰেখা চিত্ৰৰ সহায়ত চাহিদাৰ বিন্দু স্থিতিস্থাপকতা যিকোনো এটা নিৰ্দ্দিষ্ট বিন্দুৰ পৰা বাওঁ ফালৰ আৰু সোঁফালৰ ৰেখাণ্ডৰ অনুপাতৰ দ্বাৰা দেখুওৱা হয়।

চিত্ৰ ৩.৪ত DD চাহিদা ৰেখাডালৰ F বিন্দুত স্থিতিস্থাপকতা হ'ল—


$$\frac{\text{তলৰ ৰেখা খণ্ড}}{\text{ওপৰৰ ৰেখা খণ্ড}} = \frac{FD'}{FD}$$

চিত্ৰ ৩.৪ ঃ এডাল সৰল চাহিদা ৰেখাত বিন্দু স্থিতিস্থাপকতা



৩.৪নং চিত্ৰত দেখুওৱা সৰল চাহিদা ৰেখাডালৰ ক্ষেত্ৰত এয়া স্পষ্ট যে ৰেখাডালৰ মধ্যবিন্দুটোৱে একক বিন্দুৰ স্থিতিস্থাপকতা প্ৰতিনিধিত্ব কৰিছে।

চিত্র ৩.৫ ঃ চাহিদা ৰেখাৰ বিভিন্ন বিন্দুত বিন্দু স্থিতিস্থাপকতা



চিত্র ৩.৫ পৰা দেখা যায় যে চাহিদা ৰেখা DD/ৰ C বিন্দুত DC = D'C অর্থাৎ চাহিদা ৰেখাডালৰ নিম্নাংশ আৰু ঊর্দ্ধাংশ সমান। এইদৰে, C বিন্দুৰ চাহিদাৰ স্থিতিস্থাপকতা ১। এই বিন্দুৰ ওপৰৰ বিন্দুৰ স্থিতিস্থাপকতা ১তকৈ বেছি। একেদৰে এই বিন্দুৰ তলৰ বিন্দুত স্থিতিস্থাপকতা ১তকৈ কম। চাহিদা ৰেখাৰ দুই চূড়ান্ত বিন্দুত অর্থাৎ (a আৰু e) বিন্দুত স্থিতিস্থাপকতা যথাক্রমে অসীম আৰু শূন্য।

এইদৰে আমি দেখিবলৈ পাওঁ যে চাহিদাৰ দৰ স্থিতিস্থাপকতাৰ পৰিসৰ শূন্যৰ পৰা অসীম। অর্থাৎ $0 < e_p < \infty$ ।

এতিয়া,

ক) যদি $e_p = 0$, চাহিদা সম্পূর্ণৰূপে অস্থিতিস্থাপক।

খ) যদি $e_p =$, চাহিদা সম্পূর্ণৰূপে স্থিতিস্থাপক।

গ) যদি $e_p = 1$, চাহিদা একক স্থিতিস্থাপক।


ঘ) যদি $(1 < e_p <$), চাহিদা আপেক্ষিকভাৱে স্থিতিস্থাপক

ঙ) যদি $(0 < e_p <$), চাহিদা আপেক্ষিকভাৱে অস্থিতিস্থাপক।

চিহ্নটি 'Infinity' বা অসীম বুলি কোৱা হয়।


ক) এতিয়া যদি $e_p = 0$, চাহিদা সম্পূর্ণৰূপে অস্থিতিস্থাপক। ই নির্দেশ কৰে যে দৰৰ যিকোনো সমানুপাতিক পৰিৱর্তনে চাহিদাৰ পৰিমাণৰ ওপৰত কোনো প্রভাব নেপেলায়। এডাল সম্পূর্ণ অস্থিতিস্থাপক চাহিদা ৰেখা চিত্র নং ৩.৬ দেখুওৱাৰ দৰে X অক্ষত লম্ব।

চিত্র ৩.৬ ঃ X-অক্ষত লম্ব চাহিদা ৰেখা ঃ সম্পূর্ণ অস্থিতিস্থাপক




খ) যদি $e_p =$, চাহিদা সম্পূর্ণ স্থিতিস্থাপক। ই নির্দ্দেশ কৰে যে দৰৰ সামান্য পৰিৱর্তনে চাহিদাৰ পৰিমাণৰ অসীম পৰিৱর্তন বুজাব। ৩.৭নং চিত্রত দেখুওৱা হৈছে এডাল অসীম স্থিতিস্থাপক চাহিদা ৰেখা। যি X অক্ষৰ সমান্তৰাল।

চিত্র ৩.৭ ঃ X-অক্ষৰ সমান্তৰাল চাহিদা ৰেখা ঃ সম্পূর্ণ স্থিতিস্থাপক



গ) যদি $e_p = 1$, চাহিদা একক স্থিতিস্থাপক। ইয়াত দৰৰ সমানুপাতিক পৰিৱর্তনৰ লগত চাহিদাৰ পৰিমাণৰ পৰিৱর্তন একে সমান হয়। একক স্থিতিস্থাপকতাৰ চহিদাৰ ৰেখাডাল এডাল অর্দ্ধবৃত্তাকাৰ ৰেখা। ৩.৮নং চিত্র চাওক।

চিত্র ৩.৮ ঃ অর্দ্ধবৃত্তাকাৰ চাহিদা ৰেখা ঃ একক স্থিতিস্থাপক



➢ **চাহিদাৰ বৃত্তাংশ স্থিতিস্থাপকতা** (Arc Elasticity of Demand) ঃ যেতিয়া দৰৰ পৰিৱর্তন কিছু পৰিমাণে বেছি হয় তেতিয়া চাহিদাৰ স্থিতিস্থাপকতা জুখিবলৈ চাহিদাৰ বৃত্তাংশ স্থিতিস্থাপকতা ব্যৱহাৰ কৰা হয়। চাহিদা ৰেখাত বৃত্তাংশ

স্থিতিস্থাপকতা জুখিবলৈ চাহিদা ৰেখাৰ দুটা বিন্দুৰ এটা বৃত্ত চাপত স্থিতিস্থাপকতাৰ জোখ লোৱা হয়। প্ৰকৃততে ই হ'ল এক গড় স্থিতিস্থাপকতা আৰু বৃত্তাংশৰ দুটা বিন্দু (A আৰু B) সংযোগী ৰেখাৰ মধ্য বিন্দুক প্ৰতিনিধিত্ব কৰে। এই দুই বিন্দুক প্ৰাথমিক আৰু শেষ দৰৰ দ্বাৰা সূচোৱা হয়।


এইদৰে, চাহিদাৰ বৃত্তাংশ স্থিতিস্থাপকতা হ'ল ঃ

$$e_p = \frac{\Delta Q}{\Delta P} \times \frac{P1 + P2}{Q_1 + Q_2}$$

য'ত, e_p = চাহিদাৰ বৃত্তাংশ স্থিতিস্থাপকতা, $\ddot{A}Q = Q_1 - Q_2$, $\ddot{A}P = P_1 - P_2$, Q_1 আৰু Q_2 হ'ল ক্ৰমে P_1 আৰু P_2 দৰত সামগ্ৰী দুবিধৰ পৰিমাণ।

চাহিদাৰ বৃত্তাংশ স্থিতিস্থাপকতা ৩.৯নং চিত্ৰ ৰ সহায়ত ব্যাখ্যা কৰা হ'ল। চিত্ৰ ৩.৯ত DD চাহিদা ৰেখাৰ AB অংশটোত বৃত্তাংশ স্থিতিস্থাপকতা দেখুওৱা হৈছে। গতিকে, চাহিদাৰ বৃত্তাংশ স্থিতিস্থাপকতা হ'ল AB অংশটোত গড় (Average) স্থিতিস্থাপকতা। ইয়াক A আৰু B বিন্দু সংযোগী AB ৰেখাৰ মধ্যবিন্দুৰ স্থিতিস্থাপকতাৰ হিচাপত জুখি উলিওৱা হয়।

চিত্ৰ ৩.৯ ঃ চাহিদাৰ বৃত্তাংশ স্থিতিস্থাপকতা



৩.৭.২ চাহিদাৰ আয় স্থিতিস্থাপকতা (Income Elasticity of Demand)

আয়ৰ সমানুপাতিক পৰিৱৰ্তনৰ বাবে হোৱা চাহিদাৰ সমানুপাতিক পৰিৱৰ্তনকেই চাহিদাৰ আয় স্থিতিস্থাপকতা বুলি কোৱা হয়। এইদৰে,

$$\text{চাহিদাৰ আয় স্থিতিস্থাপকতা} = \frac{\text{চাহিদাৰ পৰিমাণৰ সমানুপাতিক পৰিৱৰ্তন}}{\text{আয়ৰ সমানুপাতিক পৰিৱৰ্তন}}$$

এইদৰে, $e_y = \dfrac{\Delta Q/Q}{\Delta Y/Y} = \dfrac{Y}{Q} \times \dfrac{\Delta Q}{\Delta Y}$

য'ত e_y= আয় স্থিতিস্থাপকতা, Y = আয়, Q = পৰিমাণ, Ä = ক্ষুদ্রতম পৰিৱৰ্তন

ধৰা হওঁক জনৈক ব্যক্তি এজনৰ মাহিলী আয় ৫০০০ টকাৰ পৰা ৬০০০ টকালৈ বৃদ্ধি পালে, অথাৎ ২০% হাৰত বাঢ়িল। ইয়াৰ ফলস্বৰূপে, তেওঁ ভোগকৰা ফলমূলৰ পৰিমাণো ১০ কেজিৰ পৰা ২০ কেজিলৈ, অথাৎ ২০% হাৰত বৃদ্ধি পালে। গতিকে এই ক্ষেত্রত চাহিদাৰ আয় স্থিতিস্থাপকতা হ'ব ১ (২০/২০)।

কিছুমান অর্থবিজ্ঞানীয়ে দ্রব্যসমূহ, বিলাসী, প্রয়োজনীয় আৰু নিকৃষ্ট দ্রব্যত ভাগ কৰিবলৈ চাহিদাৰ আয় স্থিতিস্থাপকতা ব্যৱহাৰ কৰে। এইদৰে—

$0 < e_y < 1$ মানে— দ্রব্যটো প্রয়োজনীয়

$1 < e_y$ মানে— দ্রব্যটো বিলাসী আৰু

$e_y < 0$ মানে— দ্রব্যটো নিকৃষ্ট



অনুশীলনী ৩.১

চাহিদাৰ আয় স্থিতিস্থাপকতা উলিয়াওঁক আৰু দ্রব্যটো বিলাসী, প্রয়োজনীয় নে নিকৃষ্ট বাচনি কৰক ঃ

Sl No	আয় (টকাত) (Y)	পৰিমাণ (Qx)	$\triangle Q_x$ (in%)	$\triangle Y$ (in%)	e_y	দ্রব্যৰ প্রকৃতি
১	৮,০০০	৫				
২	১২,০০০	১০	১০০	৫০	২	বিলাসী
৩	১৬,০০০	—	—	—	—	—
৪	২০,০০০	১৮	—	—	—	—
৫	২৪,০০০	২০	—	—	—	—
৬	২৮,০০০	১৯	—	—	—	—
৭	৩২,০০০	১৮	—	—	—	—

৩.৭.৩ চাহিদাৰ তীর্যক স্থিতিস্থাপকতা (Cross Elasticity of Demand)

যেতিয়া দুটা দ্ৰব্য পৰস্পৰৰ মাজত সম্পর্ক থাকে, তেতিয়া দ্বিতীয়টো দ্ৰব্যৰ দৰৰ পৰিৱর্তনৰ বাবে প্রথমটোৰ চাহিদাৰ পৰিমাণৰ পৰিৱর্তনক চাহিদাৰ তীর্যক স্থিতিস্থাপকতাৰ দ্বাৰা নির্দেশ কৰা হয়। yৰ দৰৰ সমানুপাতিক পৰিৱর্তনৰ বাবে হোৱা Xৰ চাহিদাৰ পৰিমাণৰ সমানুপাতিক পৰিৱর্তনক তীর্যক স্থিতিস্থাপকতাৰ দ্বাৰা সংজ্ঞায়িত কৰা হয়।

এইদৰে, $e_{xy} = = \frac{\Delta Q_x / Q_x}{\Delta P_y / P_y} = \frac{P_y}{Q_x} x \frac{\Delta Q_x}{\Delta P_y}$

য'ত e_{xy} = চাহিদাৰ তীর্য্যক স্থিতিস্থাপকতা, Q_x = X সামগ্রীটোৰ পৰিমাণ, $\ddot{A}Q_x$ = X সামগ্রীটোৰ পৰিমাণৰ পৰিৱর্তন, Py = y সামগ্রীটোৰ দৰ, ÄPy = y সামগ্রীটোৰ দৰৰ পৰিৱর্তন।

এতিয়া,

$e_{xy} < 0$ মানে— x আৰু y হ'ল পৰিপূৰক (Complimentary) দ্ৰব্য আৰু

$e_{xy} > 0$ মানে— x আৰু y হ'ল প্রতিকল্প (Substitute) দ্ৰব্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ চাহিদাৰ স্থিতিস্থাপকতা বুলিলে কি বুজে? (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

প্রশ্ন নং ১০ ঃ ৰৈখিক চাহিদা ৰেখাত চাহিদাৰ বিন্দু স্থিতিস্থাপকতা কেনেকৈ জুখিব? (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

প্ৰশ্ন নং ১১ ঃ আয় স্থিতিস্থাপকতাৰ ধাৰণাটোৰ কেতবোৰ ব্যৱহাৰ উল্লেখ কৰক। (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চাহিদা বিধিয়ে চাহিদা নির্ণয় কৰা বিভিন্ন উপাদানসমূহৰ বিষয়ে আলোচনা কৰে।
- চাহিদা বিধি অনুসৰি বাকী সকলো কথা একে থাকিলে, চাহিদাৰ পৰিমাণ আৰু দৰৰ মাজত এক বিপৰীতমুখী সম্পর্ক বিৰাজ কৰে।
- 'চাহিদাৰ পৰিৱর্তন' আৰু 'চাহিদাৰ পৰিমাণৰ পৰিৱর্তন' একে নহয়।
- চাহিদাক ব্যক্তিগত চাহিদা আৰু বজাৰ চাহিদা হিচাপে ভাগ কৰিব পাৰি। কোনো এটা দ্রব্যৰ বজাৰ চাহিদা হ'ল দ্রব্যটোৰ ব্যক্তিগত চাহিদাসমূহৰ যোগফল।
- কিছুমান সামগ্রীৰ ক্ষেত্রত চাহিদা বিধিটো প্রযোজ্য নহয়।
- গিফেন দ্রব্যৰ ক্ষেত্রত চাহিদা বিধি প্রযোজ্য নহয়। ইয়াৰ আয়বিপাক (Income Effect) ধনাত্মক আৰু ঋণাত্মক প্রতিকল্পন বিপাক (Substitution Effect)তকৈ আধিক।
- গিফেন দ্রব্যৰ বাহিৰেও সম্ভ্রান্ততাৰ প্রতীক দ্রব্য আৰু শঙ্কাজনক উপভোগৰ ক্ষেত্রতো চাহিদা বিধিটো প্রযোজ্য নহয়।
- দ্রব্য এটাৰ চাহিদাৰ স্থিতিস্থাপকতা মানে চাহিদাৰ পৰিমাণৰ পৰিৱর্তন বুজোৱা হয় যদি তলত দিয়াবোৰৰ পৰিৱর্তন ঘটে—
  - ইয়াৰ দৰ (দৰ স্থিতিস্থাপকতা)
  - উপভোক্তাৰ আয় (আয় স্থিতিস্থাপকতা)
  - সংলগ্ন সামগ্রীৰ দৰৰ পৰিৱর্তনৰ সঁহাৰিৰ লগত জড়িত (তীর্য্যক স্থিতিস্থাপকতা)
- চাহিদাৰ দৰ স্থিতিস্থাপকতা দুভাগত ভাগ কৰিব পাৰি— চাহিদাৰ বিন্দু স্থিতিস্থাপকতা, আৰু চাহিদাৰ বৃত্তাংশ স্থিতিস্থাপকতা।



৩.৯ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) আলম, খুৰছেদ আৰু অন্যান্য (২০০৪); *স্নাতক মহলাৰ অর্থতত্ত্ব (ব্যষ্টিবাদী অর্থবিজ্ঞান)*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'ৰ্ছ ।

২) গোস্বামী, অতুল (২০০৫); *স্নাতক মহলাৰ অর্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অর্থনৈতিক তত্ত্ব)*; ডিব্রুগড় ঃ ষ্টুডেণ্টছ এম্পাৰিয়াম।

ইংৰাজী গ্রন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics*; New Delhi: S. Chand & Co. Ltd.
2) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.
3) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.
4) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S.Chand & Co. Ltd.

৩.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ

২নং প্রশ্নৰ উত্তৰ ঃ ক) সংজ্ঞা অনুসৰি, অন্যান্য সকলো একে একে থাকিলে, এটা দ্রব্য বা সেৱা কার্য্যৰ যিমানখিনি পৰিমাণ সামগ্রীটোৰ বিভিন্ন দামত পৰিয়াল এটাই কিনিবলৈ ইচ্ছুক আৰু সমর্থ, সেয়া ব্যক্তিগত চাহিদা অনুসূচীৰ পৰা লাভ কৰিব পাৰি।

খ) চাহিদা ৰেখা এডাল সোঁফালে তললৈ গতি কৰে।

গ) সামগ্রী এটাৰ বজাৰ চাহিদা হ'ল বজাৰখনৰ সামগ্রী বিধৰ বিভিন্ন উপভোক্তাৰ ব্যক্তিগত চাহিদাৰ যোগফল।

৩নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তিগত চাহিদা ৰেখাৰ পৰাই বজাৰ চাহিদা ৰেখাডাল পাব পাৰি। বিভিন্ন দামত বজাৰৰ উপভোক্তাবোৰে সামগ্রী এবিধ কিমান পৰিমাণে বিচাৰে, সেই আটাইবোৰ যোগ কৰি আমি বজাৰ চাহিদা অনুসূচীখন পাব পাৰোঁ। আৰু এই বজাৰ চাহিদা অনুসূচীখনৰ ভিত্তিত আমি বজাৰ চাহিদা ৰেখাডাল লাভ কৰিব পাৰোঁ।

৪নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ

৫নং প্রশ্নৰ উত্তৰ ঃ ক) দৰ বিপাক হ'ল প্রতিকল্পন বিপাক আৰু আয় বিপাকৰ যোগফল।

খ) গিফেন দ্রব্যৰ ক্ষেত্রত প্রতিকল্পন বিপাক ঋণাত্মক।

গ) দৰ বিপাকৰ দুয়োটা উপাদানৰ তুলনামূলক প্রভাৱৰ পৰা সামগ্রীসমূহৰ প্রকাৰ ভেদে সামগ্রী এবিধৰ দৰ আৰু চাহিদাৰ মাজৰ সম্পর্কটো জানিব পাৰোঁ।

৬নং প্রশ্নৰ উত্তৰ ঃ গিফেন দ্রব্য হ'ল বিশেষ ধৰণৰ নিকৃষ্ট দ্রব্য যিয়ে চাহিদা বিধি নামানে। অর্থাৎ, দৰ কমিলে এনেবোৰ দ্রব্যৰ চাহিদা কমে আৰু দৰ বাঢ়িলে এনেবোৰ দ্রব্যৰ চাহিদাৰ পৰিমাণো বাঢ়ে।

৭নং প্রশ্নৰ উত্তৰ ঃ ভৱিষ্যতে অধিক দৰ বৃদ্ধি হোৱাৰ শঙ্কাই উপভোক্তাক সামগ্ৰীটোৰ আৰু অধিক উপভোগ কৰিবলৈ উৎসাহী কৰিব পাৰে যাৰ বাবে সাময়িকভাৱে চাহিদা বিধি ভঙ্গ হয়।

৮নং প্রশ্নৰ উত্তৰ ঃ চাহিদাৰ পৰিমাণৰ পৰিৱৰ্তন দৰৰ পৰিৱৰ্তন সাপেক্ষে হয়, যেতিয়া অন্যান্য কাৰকবোৰ অপৰিৱৰ্তিত থাকে। আনহাতে, চাহিদাৰ পৰিৱৰ্তন অন্যান্য কাৰক যথা, উপভোক্তাৰ আয় বা অন্য পৰিপূৰক সামগ্ৰীৰ দৰৰ পৰিৱৰ্তন বা উপভোক্তাৰ ৰুচিৰ পৰিৱৰ্তন আদিৰ ফলস্বৰূপে হয়, যি ক্ষেত্ৰত দৰ অপৰিৱৰ্তিত থাকে।

৯নং প্রশ্নৰ উত্তৰ ঃ দ্ৰব্য এটাৰ চাহিদাৰ স্থিতিস্থাপকতা—

- ইয়াৰ দৰ, বা
- উপভোক্তাৰ আয় বা
- সংলগ্ন সামগ্ৰীৰ দৰৰ পৰিৱৰ্তনৰ প্ৰতি সঁহাৰিৰ লগত জড়িত।

১০নং প্রশ্নৰ উত্তৰ ঃ ৰেখা চিত্ৰৰ সহায়ত চাহিদাৰ বিন্দু স্থিতিস্থাপকতা যিকোনো এটা নিৰ্দ্দিষ্ট বিন্দুৰ পৰা বাঁওফালৰ আৰু সোঁফালৰ ৰেখাণ্ডৰ অনুপাতৰ দ্বাৰা দেখুওৱা হয়।

এইদৰে, বিন্দু স্থিতিস্থাপকতা হ'ল—

$$\frac{\text{তলৰ ৰেখা খণ্ড}}{\text{ওপৰৰ ৰেখা খণ্ড}} = \frac{FD'}{FD}$$

১১নং প্রশ্নৰ উত্তৰ ঃ কিছুমান অৰ্থনীতিবিদে দ্ৰব্যসমূহ, বিলাসী, প্ৰয়োজনীয় আৰু নিকৃষ্ট দ্ৰব্যত ভাগ কৰিবলৈ চাহিদাৰ আয় স্থিতিস্থাপকতা ব্যৱহাৰ কৰে। এইদৰে—

$0 < e_y < 1$ মানে— দ্ৰব্যটো প্ৰয়োজনীয়

$1 < e_y$ মানে— দ্ৰব্যটো বিলাসী আৰু

$e_y < 0$ মানে— দ্ৰব্যটো নিকৃষ্ট।



৩.১১ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্রশ্ন (৭৫টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক) ঃ

প্রশ্ন নং ১ ঃ চাহিদাৰ স্থিতিস্থাপকতাৰ সংজ্ঞা দিয়ক। চাহিদাৰ দৰ স্থিতিস্থাপকতা বিভিন্ন প্ৰকাৰসমূহ কি?

প্রশ্ন নং ২ ঃ দৰ স্থিতিস্থাপকতা শূন্য হ'লে চাহিদা ৰেখা ডালৰ আকৃতি কেনে হ'ব দেখুৱাওক।

প্রশ্ন নং ৩ ঃ চাহিদাৰ বিন্দু স্থিতিস্থাপকতা কি? চাহিদা ৰেখা এডালৰ বিভিন্ন অংশৰ বিন্দু স্থিতিস্থাপকতা কেনে ধৰণৰ হয়, অঙ্কন কৰি দেখুৱাওক।

খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখক) ঃ

প্রশ্ন নং ১ ঃ বজাৰ চাহিদা আৰু ব্যক্তিগত চাহিদাৰ মাজৰ পার্থক্য দেখুৱাওক। দুজন উপভোক্তাৰ ব্যক্তিগত চাহিদা অনুসূচীৰ পৰা বজাৰ চাহিদা ৰেখাডাল কেনেদৰে লাভ কৰিব। উপযুক্ত চিত্রৰ সহায়ত দেখুৱাওক।

প্রশ্ন নং ২ ঃ প্রতিকল্পন বিপাক আৰু আয় বিপাকৰ মাজৰ সম্পর্কটোৰ পৰা সামগ্রী এবিধৰ দৰ আৰু চাহিদাৰ মাজৰ সম্পর্কটো কেনেদৰে লাভ কৰিব পাৰোঁ চমুকৈ আলোচনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্রশ্ন নং ১ ঃ চাহিদাৰ দৰ স্থিতিস্থাপকতাৰ সংজ্ঞা দিয়ক। চাহিদাৰ দৰ স্থিতিস্থাপকতা আৰু বৃত্তাংশ স্থিতিস্থাপকতাৰ মাজৰ পার্থক্য দেখুৱাওক। উপযুক্ত চিত্রৰ সহায়ত দেখুৱাওক।

প্রশ্ন নং ২ ঃ চাহিদা বিধিটো উল্লেখ কৰক। ইয়াৰ ওপৰত ভিত্তি কৰি চাহিদা অনুসূচী এখনৰ লগতে চাহিদা ৰেখা এডাল অঙ্কন কৰক।

প্রশ্ন নং ৩ ঃ কেনেবোৰ পৰিস্থিতিত চাহিদা বিধিটো প্রযোজ্য নহয়? ইয়াৰ পৰিণাম কি? উপযুক্ত চিত্রৰ সহায়ত আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ উপভোক্তাৰ আচৰণবিধি ঃ সাংখ্যিক চিন্তাধাৰা

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ উপযোগিতাৰ সাংখ্যিক আৰু ক্ৰমিক চিন্তাধাৰা ঃ মৌলিক ধাৰণা
৪.৩.১ উপযোগিতাৰ পৰিমাণ
৪.৩.২ মুঠ উপযোগিতা আৰু প্ৰান্তিক উপযোগিতা
৪.৩.৩ ক্ৰমহ্ৰাসমান উপযোগিতা বিধি
৪.৪ উপভোক্তাৰ ভাৰসমতা ঃ সম প্ৰান্তিক উপযোগিতা বিধি
৪.৫ ভোক্তাৰ উদ্বৃত্ত
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্ৰগতিৰ খতিয়ান
৪.৯ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সাংখ্যিক উপযোগিতা আৰু ক্ৰমিক উপযোগিতাৰ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব
- মুঠ উপযোগিতা আৰু প্ৰান্তিক উপযোগিতাৰ সংজ্ঞাসমূহ ব্যাখ্যা কৰিব পাৰিব
- ক্ৰমহ্ৰাসমান উপযোগিতা বিধিটো ব্যাখ্যা কৰিব পাৰিব
- সমপ্ৰান্তিক উপযোগিতা বিধিটো ব্যাখ্যা কৰিব পাৰিব
- ভোক্তাৰ উদ্বৃত্তৰ সংজ্ঞা দিব পাৰিব।

৪.২ পৰিচয়

উপভোক্তাৰ আচৰণ বিধি তত্ত্বই উপভোক্তা এজনে সৰ্বোচ্চ সন্তুষ্টি বা উপযোগিতা আহৰণ কৰিবলৈ তেওঁৰ উপাৰ্জন (আয়) কেনেদৰে ব্যয় কৰে তাকে অধ্যয়ন কৰে। উপভোক্তাৰ এই উপযোগিতা সৰ্বোচ্চকৰণৰ আচৰণ তেওঁৰ সীমিত উপাৰ্জন আৰু তেওঁ উপভোগ কৰিব বিচৰা বিভিন্ন সামগ্ৰীৰ দৰৰ দ্বাৰা আৰোপিত সীমাবদ্ধতাৰ অধীন। প্ৰদত্ত উপাৰ্জন আৰু দ্ৰব্য সমূহৰ দৰ অনুসৰি উপভোক্তাই তেওঁ উপভোগ কৰিব পৰা বিভিন্ন 'দ্ৰব্য সংগ্ৰহ' (Bundles of Goods) তুলনা কৰে আৰু এই প্ৰক্ৰিয়াটোত তেওঁ সেইটো দ্ৰব্য সংগ্ৰহ কৰি উপভোগ কৰিবলৈ চেষ্টা কৰে, যিটোৱে তেওঁক সৰ্বোচ্চ সন্তুষ্টি প্ৰদান কৰিব।

এই অধ্যায়টিত উপভোক্তাৰ আচৰণ বিধি সম্পর্কে আলোচনা কৰা হৈছে। উপভোক্তা এজনৰ আচৰণ বিধিৰ ক্ষেত্রত উপযোগিতা (Utility) এ এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এই অধ্যায়টি উপযোগিতাৰ দুটা মার্গ— বিশেষকৈ, সাংখ্যিক উপযোগিতা (Cardinal Utility) আৰু ক্রমিক উপযোগিতা (Ordinal Utility)ৰ ধাৰণাকেইটিৰ আলোচনাৰে আৰম্ভ কৰা হৈছে। সাংখ্যিক মার্গৰ সহায়ত উপভোক্তা এজনে কেনেদৰে ভাৰসমতা লাভ কৰে সেয়াও আলোচনা কৰা হৈছে। ইয়াৰ উপৰি ক্রমহ্রাসমান প্রান্তিক উপযোগিতা বিধি আৰু সম প্রান্তিক উপযোগিতা বিধিৰ বিষয়েও আলোচনা কৰা হৈছে। শেষত ভোক্তাৰ উদ্বৃত্তৰ সংজ্ঞাটো আলোচনা কৰা হৈছে।

৪.৩ উপযোগিতাৰ সাংখ্যিক আৰু ক্রমিক চিন্তাধাৰা ঃ মৌলিক ধাৰণা

অকণমান ভাবি চাওঁচোন— আমি বাৰু সেৱা আৰু সামগ্রীসমূহ কিয় ক্রয় কৰোঁ? উত্তৰটো তেনেই সহজ। কাৰণ, এইবোৰে আমাৰ প্রয়োজনীয়তা বা অভাৱ পূৰণ কৰে। অর্থাৎ, এই অর্থত, সেৱা আৰু সামগ্রীসমূহৰ আমাৰ অভাৱ পূৰণৰ ক্ষমতা আছে। অর্থবিজ্ঞানত এই অভাৱ পূৰণৰ ক্ষমতাকে আমি উপযোগিতা (Utility) বুলি কওঁ। গতিকে, উপযোগিতা বুলিলে সেৱা বা সামগ্রী এবিধৰ সেই নির্দিষ্ট গুণটোৰ কথা বুজোৱা হয়, যিটোৱে উপভোক্তা এজনৰ অভাৱ পূৰণ কৰে। আন অর্থত ক'বলৈ গ'লে, উপযোগিতা বুলিলে কোনো এজন উপভোক্তাই কোনো সেৱা বা সামগ্রী এবিধৰ পৰা লাভ কৰা সন্তুষ্টিকো সূচায়। গতিকে, আমি ক'ব পাৰোঁ যে, উপযোগিতা হৈছে এক বিষয়নিষ্ঠ ধাৰণা আৰু এই ধাৰণাটো উপভোক্তা এজনৰ মনত উদ্ভৱ হয়। এটা কথা মন কৰিবলগীয়া যে, উপযোগিতাৰ লগত ভাল-বেয়া বা নৈতিকতাৰ ধাৰণাটি জড়িত নহয়। এই উদাহৰণটিলৈ মন কৰক— ড্রাগছৰ প্রতি আসক্ত ব্যক্তি এজনে ড্রাগছ সেৱন কৰে। অর্থবিজ্ঞানৰ পৰিভাষাত ড্রাগছৰ প্রতি আসক্ত সেই ব্যক্তিজন ড্রাগছৰ এজন উপভোক্তা, আৰু ব্যক্তিজনৰ বাবে ড্রাগছৰ উপযোগিতা আছে। গতিকে, অর্থবিজ্ঞানৰ পৰিভাষাত, বিশেষকৈ যেতিয়া আমি উপযোগিতাৰ বিষয়ে আলোচনা কৰোঁ, ড্রাগছৰ সেৱনে ব্যক্তিজনৰ স্বাস্থ্যত কেনে বিৰূপ প্রভাৱ পেলাব পাৰে, সেয়া বৰকৈ পৰীক্ষা কৰি চোৱা নহয়। উপযোগিতাৰ আলোচনা কৰোঁতে আন এটা মনত ৰাখিবলগীয়া গুৰুত্বপূর্ণ কথা হ'ল— উপযোগিতা এক বিষয়নিষ্ঠ ধাৰণা হোৱা হেতুকে সেৱা বা সামগ্রী এবিধৰ পৰা পোৱা সন্তুষ্টি ব্যক্তি বিশেষে ভিন ভিন হ'ব। ধৰা হ'ল, বন্ধু এজনৰ সৈতে আপুনি চাহ দোকান এখনত গ'ল। আপুনি গৰম চিঙৰা আৰু চাহ একাপ খাব খুব মন কৰিব পাৰে। কিন্তু আপোনাৰ বন্ধুজনে সেয়া ইমান ভাল নেপাবও পাৰে। গতিকে গৰম চিঙৰা আৰু চাহ খাই আপুনি যি তৃপ্তি পাব, সেয়া আপোনাৰ বন্ধুজনৰ পৰা পৃথক হ'ব। গতিকে, এই অর্থত, সেৱা আৰু সামগ্রী এবিধ ব্যক্তি এজনে কিমান বিচাৰে, সেয়া নির্ভৰ কৰে ব্যক্তিজনে তাৰ পৰা লাভ কৰা উপযোগিতাৰ ওপৰত।

৪.৩.১ উপযোগিতাৰ পৰিমাপ

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে, উপযোগিতা এক গুৰুত্বপূৰ্ণ ধাৰণা। উপযোগিতাৰ পৰিমাপ (Measurement) বাৰু কেনেদৰে কৰা হয়? এইখিনিতে উল্লেখযোগ্য যে, উপযোগিতাৰ অধ্যয়নৰ ক্ষেত্ৰত অৰ্থবিজ্ঞানীসকলক দুভাগত ভাগ কৰিব পাৰি— সাংখ্যিক সমুদায় (Cardinal School) আৰু ক্ৰমিক সমুদায় (Ordinal School) হিচাপে। উপযোগিতাৰ সাংখ্যিক তত্বটোৰ বিকাশত ***গ'ছেন*** (Gossen/ 1854) ***জেভনচ্*** (Jevons/1871) ***ৱালৰাচ্*** (Walrs/1874) আৰু শেষত ***মার্ছাল*** (Marshall/ 1890)এ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। উপযোগিতাৰ সাংখ্যিক বিশ্লেষকসকল (Cardinalist School of Thought)ৰ মতে, উপযোগিতাৰ জোখ ল'ব পাৰি আৰু হিচাপ কৰিব পাৰি; অৰ্থাৎ কোনো এটা দ্ৰব্য উপভোগৰ পৰা এজন উপভোক্তাই আহৰণ কৰা উপযোগিতা সাংখ্যিক পৰিভাষাত প্ৰকাশ কৰাটো সম্ভৱ। এইদৰে এজন ব্যক্তিয়ে এটা আপেল উপভোগ কৰি পোৱা উপযোগিতা ১০ ইউটিল বা ২০ ইউটিল হিচাপে প্ৰকাশ কৰিব পাৰে। ইয়াৰ উপৰি ই উপভোক্তাক দুটা বেলেগ বেলেগ দ্ৰব্যৰ পৰা আহৰণ কৰা উপযোগিতা তুলনা কৰিবলৈ আৰু পাৰ্থক্য নিৰ্ণয় কৰিবলৈ সহায় কৰে। এইদৰে, এজন ব্যক্তিয়ে ক'বলৈ সক্ষম হয় যে A দ্ৰব্যই (২০ ইউটিল উপযোগিতা পোৱা) B দ্ৰব্য (১০ ইউটিল উপযোগিতা পোৱা)তকৈ দুগুণ উপযোগিতা প্ৰদান কৰে। সাংখ্যিক বিশ্লেষকসকলে ধাৰণা কৰি লোৱা আন এটা অভিধাৰণা মতে, সেৱা বা সামগ্ৰী এবিধৰ পৰা লাভ কৰা মুঠ উপযোগিতা হ'ল সেৱা বা সামগ্ৰীবিধৰ প্ৰত্যেকটো এককৰ পৰা লাভ কৰা উপযোগিতাসমূহৰ এক পৰিণাম বা ফলন (Function)। মন কৰিবলগীয়া যে, উপযোগিতাৰ সাংখ্যিক বিশ্লেষণৰ প্ৰাৰম্ভিক আলোচনাত সামগ্ৰী বা সেৱা এবিধৰ বিভিন্ন গোটৰ পৰা লাভ কৰা উপযোগিতাসমূহ যোগ কৰিব পৰা যায় বুলি ধৰি লোৱা হৈছিল। ইয়াৰ অৰ্থ এয়ে যে, সামগ্ৰী বা সেৱা এবিধৰ বিভিন্ন গোটৰ পৰা লাভ কৰা উপযোগিতা-সমূহ যোগ কৰি উপভোক্তাজনে তাৰ পৰা পোৱা মুঠ উপযোগিতা হিচাপ কৰি উলিয়াব পাৰিছিল। অৱশ্যে, পৰৱৰ্তী সময়ছোৱাত উপযোগিতা যোগ কৰিব পাৰি— এই ধাৰণাটি বাদ দিয়া হ'ল।

উপযোগিতাৰ সাংখ্যিক বিশ্লেষকসকলে ধাৰণা কৰি লোৱা অভিধাৰণাসমূহ পাছৰ অৰ্থবিজ্ঞানীসকলে বৰকৈ সমালোচনা কৰিছে। তেওঁলোকে আঙুলিয়াই দিছে যে, উপযোগিতাৰ দৰে মনস্তাত্বিক ধাৰণা এটাৰ সাংখ্যিক জোখ লোৱাটো সম্ভৱপৰ নহয়। তাৰ সলনি সামগ্ৰীবিধৰ বিভিন্ন গোটৰ পৰা পোৱা উপযোগিতা উপভোক্তা এজনে পছন্দ অনুযায়ী এক ক্ৰমতহে সজাব পাৰে। গতিকে তেওঁলোকৰ মতে, উপযোগিতাৰ সাংখ্যিক বিশ্লেষণ সম্ভৱপৰ নহয়, ইয়াৰ ক্ৰমিক উপস্থাপনহে সম্ভৱপৰ। এই অধ্যায়টিত আমি পোনতে উপযোগিতাৰ সাংখ্যিক বিশ্লেষণৰ বিষয়ে আলোচনা কৰিম, তাৰ পাছত পৰৱৰ্তী অধ্যায়ত ক্ৰমিক বিশ্লেষণৰ কথা আলোচনা কৰিম।

৪.৩.২ মুঠ উপযোগিতা আৰু প্ৰান্তিক উপযোগিতা

মুঠ উপযোগিতা (Total Utility) হ'ল কোনো এটা দ্ৰব্যৰ সকলোবোৰ গোট উপভোগৰ পৰা আহৰণ কৰা সামগ্ৰিক (Aggregate) উপযোগিতা। এইদৰে মুঠ উপযোগিতা হ'ল কোনো এটা দ্ৰব্যৰ প্ৰতিটো ব্যক্তিগত গোটৰ উপভোগৰ পৰা আহৰণ কৰা উপযোগিতাসমূহৰ যোগফল।

আনহাতে, প্ৰান্তিক উপযোগিতা (Marginal Utility) হ'ল— কোনো এটা দ্ৰব্যৰ অতিৰিক্ত এক একক দ্ৰব্য উপভোগৰ পৰা আহৰণ কৰা উপযোগিতা। অৰ্থাৎ প্ৰান্তিক উপযোগিতা হ'ল— ইতিমধ্যে উপভোগ কৰা দ্ৰব্যসমূহৰ উপৰিও অতিৰিক্ত ভাবে এক একক দ্ৰব্য উপভোগৰ বাবে হোৱা মুঠ উপযোগিতাৰ বৃদ্ধিৰ পৰিমাণ। প্ৰান্তিক উপযোগিতা আৰু মুঠ উপযোগিতাৰ মাজৰ সম্পৰ্কটো ৪.১নং কাল্পনিক অনুসূচীখনৰ সহায়ত দেখুওৱা হৈছে।


তালিকা ৪.১ ঃ এখন কাল্পনিক উপযোগিতা অনুসূচী

আপেলৰ সংখ্যা	মুঠ উপযোগিতা	প্ৰান্তিক উপযোগিতা
১	১০	১০
২	২২	১২
৩	৩২	১০
৪	৪০	৮
৫	৪৫	৫
৬	৪৬	১
৭	৪৩	-৩
৮	৩৮	-৫

প্ৰান্তিক উপযোগিতা আৰু মুঠ উপযোগিতাৰ মাজৰ সম্পৰ্কটো তলৰ ৪.১নং চিত্ৰৰ সহায়ত দেখুওৱা হৈছে।

৪.১নং তালিকা আৰু ৪.১নং চিত্ৰৰ পৰা দেখা গৈছে যে, মুঠ উপযোগিতা এক পৰ্যায়লৈ (ষষ্ঠটো আপেল ভোগ কৰা পৰ্যন্ত) বৃদ্ধি পাইছে। আনহাতে, প্ৰান্তিক উপযোগিতা দ্বিতীয়টো আপেল ভোগ কৰা পৰ্যন্তহে বৃদ্ধি পাইছে, তাৰ পাছত কমিবলৈ লৈছে। আকৌ, ষষ্ঠটো আপেল ভোগ কৰাৰ পাছত প্ৰান্তিক উপযোগিতা ঋণাত্মক হোৱাহে দেখা গৈছে।

চিত্ৰ ৪.১ ঃ মুঠ উপযোগিতা আৰু প্ৰান্তিক উপযোগিতা ৰেখা



৪.৩.৩ ক্ৰমহ্ৰাসমান উপযোগিতা বিধি

উপযোগিতাৰ সাংখ্যিক বিশ্লেষণত আলোচনা কৰা প্ৰান্তিক উপযোগিতা বিধিৰ এক গুৰুত্বপূৰ্ণ কথা হ'ল ইয়াৰ প্ৰকৃতি। উপযোগিতাৰ সাংখ্যিক বিশ্লেষণ মতে, সামগ্ৰী এবিধৰ বিভিন্ন গোটৰ পৰা লাভ কৰা প্ৰান্তিক উপযোগিতা সামগ্ৰীবিধৰ বিভিন্ন গোটৰ ভোগৰ লগে লগে ক্ৰমান্বয়ে কমি আহে। এই কথাষাৰ মাৰ্ছালে এনেদৰে ব্যক্ত কৰিছে, "কোনো এবিধ সামগ্ৰীৰ এক নিৰ্দিষ্ট মজুত বৃদ্ধি কৰি উপভোক্তা এজনে লাভ কৰা ওপৰঞ্চি লাভ সামগ্ৰীবিধৰ মজুতৰ প্ৰত্যেকটো বৃদ্ধিৰ লগে লগে কমি আহে।" ইয়াকে ক্ৰমহ্ৰাসমান উপযোগিতা বিধি (Law of diminishing marginal utility) বুলি কোৱা হৈছে।

ক্ৰমহ্ৰাসমান উপযোগিতা বিধিটো ইতিমধ্যে আমি আলোচনা কৰি অহা ৪.১ নং তালিকাত দেখুওৱা কাল্পনিক উপযোগিতা সূচীখনৰ জৰিয়তে বিশ্লেষণ কৰিব পাৰোঁ। সূচীখনৰ পৰা দেখা গৈছে যে, সামগ্ৰীবিধৰ প্ৰথমটো একক ভোগ কৰি উপভোক্তাজনে ১২ ইউটিল (Util) উপযোগিতা লাভ কৰিলে। তাৰ পৰৱৰ্তী এককটোৰ পৰা ১০

ইউটিল উপযোগিতা লাভ কৰিলে। সেইদৰে, তৃতীয়টো এককৰ পৰা ৮ ইউটিল উপযোগিতা লাভ কৰিলে। গতিকে দেখা গ'ল যে, প্ৰত্যেকটো অতিৰিক্ত গোটৰ পৰা লাভ কৰা প্ৰান্তিক উপযোগিতা ক্ৰমান্বয়ে কমি আহিছে। ইয়াৰ বিপৰীতে, মুঠ উপযোগিতা কিন্তু বাঢ়ি গৈয়ে আছে। অৱশ্যে, সামগ্ৰীবিধৰ প্ৰতিটো এককৰ উপভোগৰ লগে লগে ইয়াৰ মুঠ উপযোগিতাৰ বৃদ্ধিৰ হাৰ ক্ৰমান্বয়ে কমি আহিছে।

উপযোগিতাৰ ক্ৰমহ্ৰাসমান বিধিটোৰ এক ব্যৱহাৰিক সত্যতা আছে। দৰাচলতে যদিও এজন উপভোক্তাৰ অভাৱ অসীম, কিন্তু এক নিৰ্দিষ্ট স্তৰৰ পাছত প্ৰত্যেকটো অভাৱৰ পৰিতৃপ্তিয়ে উপভোক্তাজনক আমুৰাবও পাৰে। সেই হেতুকে, যেতিয়া উপভোক্তা এজনে একেবিধ সামগ্ৰীৰ বিভিন্ন একক ভোগ কৰি গৈ থাকে, প্ৰত্যেকটো নতুন গোটৰ পৰা লাভ কৰা সন্তুষ্টিৰ পৰিমাণ ক্ৰমান্বয়ে কমি গৈ থাকে। আৰু শেষত উপভোক্তাজন এনে স্তৰত উপনীত হয়, যেতিয়া আৰু তেওঁ সামগ্ৰীবিধৰ অতিৰিক্ত একক ভোগ কৰিবলৈ মুঠেই আগ্ৰহী নহয়। এই উদাহৰণটোলৈ মন কৰক। এজন ব্যক্তিয়ে একেৰাহে কিমান মিঠাই খাব পাৰে? আমি সহজেই ক'ব পাৰোঁ যে, মিঠাইবিধৰ এটা বা দুটা মিঠাই খাই সম্ভৱতঃ ব্যক্তিজনে ভাল তৃপ্তিয়েই পাব। কিন্তু পৰৱৰ্তী সময়ছোৱাত সেই একেই মিঠাইবিধৰ পৰা লাভ কৰা সন্তুষ্টি নিশ্চয়কৈ কমি আহিব। আৰু কেইটামান মিঠাই খোৱাৰ পিছত মিঠাইবিধ খাবলৈ আৰু তেওঁ আগ্ৰহী নহ'বও পাৰে। অৰ্থাৎ এনে পৰিস্থিতিত, মিঠাই বিধৰ পৰা তেওঁ শূন্য উপযোগিতাহে লাভ কৰিব, আন অৰ্থত, তেওঁ সেই মিঠাইবিধৰ পৰা আৰু কোনো উপযোগিতা লাভ নকৰে।

ক্ৰমহ্ৰাসমান উপযোগিতা বিধিটোৰ কাৰ্যকাৰিতা কেইটামান কথাৰ ওপৰত নিৰ্ভৰশীল। *প্ৰথম* কথাটো হ'ল, ভোগ কাৰ্য্যটি অবিৰাম, অৰ্থাৎ সময়ৰ কোনো বিৰতি নোহোৱাকে চলি থাকিব লাগিব। ইয়াৰ অৰ্থ এয়ে যে, ভোগ সামগ্ৰীবিধ বিভিন্ন এককৰ ভোগৰ মাজত কোনো বিৰতি নাই। *দ্বিতীয়* কথাটো হ'ল, উপযোগিতা বিশ্লেষণৰ সময়ছোৱাত উপভোক্তাজনৰ ৰুচি (Taste) আৰু পছন্দ (Preference) আদিৰ কোনো পৰিৱৰ্তন নহয়। আৰু *তৃতীয়* কথাটো হ'ল, সামগ্ৰীবিধৰ প্ৰতিটো একক সমধৰ্মী (Homogeneous)। অৰ্থাৎ সামগ্ৰীবিধৰ বিভিন্ন এককৰ মাজত আকাৰ (Size), মানদণ্ড (Quality) বা আন কোনো ধৰণৰ পাৰ্থক্য নাই।

ক্ৰমহ্ৰাসমান উপযোগিতা বিধিটো কিছুমান ক্ষেত্ৰত কাৰ্যকৰী নহ'বও পাৰে। কিছুমান বিশেষ পৰিস্থিতিত বিধিটোৰ ব্যতিক্ৰম দেখা যায়। উদাহৰণ স্বৰূপে, নিচাজাতীয় সামগ্ৰী ভোগৰ ক্ষেত্ৰত বিধিটো কাৰ্যকৰী নহ'বও পাৰে। নিচাজাতীয় সামগ্ৰীৰ উপভোক্তা এজনে ক্ৰমান্বয়ে অধিক (মিঠাই বা আন তেনে ধৰণৰ কোনো সামগ্ৰীৰ তুলনাত) নিচা ভোগ কৰি ক্ৰমান্বয়ে অত্যধিক সন্তুষ্টি লাভ কৰিব পাৰে। অৰ্থাৎ, এই ক্ষেত্ৰত আমি সামগ্ৰীবিধৰ ক্ৰমবৰ্দ্ধিত পৰিমাণ আৰু তাৰ প্ৰান্তিক উপযোগিতাৰ মাজত এক যোগাত্মক সম্পৰ্কহে লক্ষ্য কৰিব পাৰোঁ। কিন্তু এটা কথা অনস্বীকাৰ্য্য যে, যদিও নিচাসক্ত ব্যক্তি

এজনৰ ক্ষেত্ৰত প্ৰান্তিক উপযোগিতা আৰু নিচা জাতীয় সামগ্ৰীবিধৰ ক্ৰমবৰ্দ্ধিত ভোগৰ মাজত এক যোগাত্মক সম্পৰ্ক আছে যদিও, দৰাচলতে প্ৰত্যেকটো কথাৰে এক নিৰ্দিষ্ট সীমা আছে, আৰু নিচাসক্ত ব্যক্তিজনো ইয়াৰ ব্যতিক্ৰম নহয়। মিঠাই খোৱা গ্ৰাহকজনৰ তুলনাত দেৰিকৈ হ'লেও নিচাসক্ত ব্যক্তিজনেও এটা সময়ত একেধাৰে নিচাখোৱাটো বন্ধ কৰিব লাগিব। ক্ৰমহ্ৰাসমান উপযোগিতা বিধিৰ ব্যতিক্ৰমধৰ্মী আন উল্লেখযোগ্য উদাহৰণ হৈছে ডাক টিকট সংৰক্ষণ (Philately) বা মুদ্ৰা অধ্যয়ন (Numismatics)ৰ সৈতে জড়িত লোক। এনেকুৱা অভ্যাসৰ বশীভূত লোকে অধিক পৰিমাণে ডাক টিকট সংগ্ৰহ বা মুদ্ৰা সম্পৰ্কীয় বিষয়বস্তু অধিক পৰিমাণে অধ্যয়ন কৰিহে ভাল পায়। গতিকে, দেখা যায় ডাক টিকট সংগ্ৰহ (Philately) বা মুদ্ৰা বিষয়ক অধ্যয়ন (Numismatics) আদিৰ দৰে অভ্যাসৰ বশৱৰ্তী লোকৰ ক্ষেত্ৰত ক্ৰমহ্ৰাসমান উপযোগিতা বিধিটো প্ৰযোজ্য নহয়। অৱশ্যে এটা কথা মন কৰিবলগীয়া যে, ডাক টিকট সংগ্ৰহ কৰা ব্যক্তিজনে বা মুদ্ৰা বিষয়ক অধ্যয়ন কৰা ব্যক্তি এজনে সদায় বিভিন্নতা বিচাৰে, অৰ্থাৎ তেওঁ একেটা ডাক টিকট সংগ্ৰহ কৰাৰ সলনি বা মুদ্ৰা বিষয়ক একেখিনি কথা বাৰে বাৰে অধ্যয়ন কৰাৰ পৰিৱৰ্তে দৰাচলতে আগতকৈ নতুন বস্তুহে অধিক পছন্দ কৰে। এই অৰ্থত, ক্ৰমহ্ৰাসমান উপযোগিতা বিধিটো এনেবোৰ ক্ষেত্ৰতো সমূলি প্ৰযোজ্য নহয় বুলি ক'ব নোৱাৰি। ক্ৰমহ্ৰাসমান উপযোগিতা বিধিটো বিলাসী (Luxury) বা মৰ্যাদা প্ৰদৰ্শনকাৰী (Esteemed) বয়-বস্তুৰ ক্ষেত্ৰতো প্ৰযোজ্য নহয়। উদাহৰণস্বৰূপে, ধনী বা সম্ভ্ৰান্ত পৰিয়ালৰ লোক এজনে হীৰাৰ অলংকাৰ কিনিব গ'লে অধিক দামৰ বস্তু এপদহে বেছি পছন্দ কৰা দেখা যায়, কম দামৰ বিধ নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

ক) উপযোগিতা গাণিত্যিক পৰিভাষাত পৰিমাপ কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

খ) উপযোগিতাৰ সাংখ্যিক তত্ত্বটোৰ উল্লেখযোগ্য অৰিহণা যোগোৱা ব্যক্তিসমূহৰ অন্যতম হৈছে গ'ছেন আৰু মাৰ্ছাল। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ খালী ঠাই পূৰ কৰক—

ক) ..... উপযোগিতা হৈছে সামগ্ৰী এবিধৰ অতিৰিক্ত এক এককৰ পৰা লাভ কৰা উপযোগিতা।

খ) উপযোগিতাৰ সাংখ্যিক তত্ত্ব মতে, কোনো এটা সামগ্ৰীৰ প্ৰান্তিক উপযোগিতা সামগ্ৰী বিধ অধিক ভোগ কৰাৰ লগে লগে .....।

গ) ..... উপযোগিতা হ'ল সামগ্ৰী এবিধৰ প্ৰত্যেকটো অতিৰিক্ত এককৰ পৰা লাভ কৰা উপযোগিতাৰ যোগফল।

প্ৰশ্ন নং ৩ ঃ মুঠ উপযোগিতাৰ সংজ্ঞা দিয়ক। (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ প্ৰান্তিক উপযোগিতাৰ সংজ্ঞা দিয়ক। (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

৪.৪ উপভোক্তাৰ ভাৰসমতা ঃ সম প্ৰান্তিক উপযোগিতা বিধি

সাংখ্যিক উপযোগিতা তত্ত্ব মতে, উপভোক্তা এজনে কেনেদৰে ভাৰসমতা লাভ কৰে, সেয়া আলোচনা কৰাৰ আগতে তত্ত্বটোৰ অভিধাৰণাসমূহ আলোচনা কৰোঁ আহক।

এই তত্ত্বটো তলৰ অভিধাৰণা সমূহৰ ওপৰত ভিত্তি কৰি গঠন কৰা হৈছে—

- উপভোক্তাজন বিবেচক। ইয়াৰ অর্থ এয়ে যে প্ৰদত্ত আয়েৰে তেওঁ সদায়েই সৰ্বোচ্চ উপযোগিতা আহৰণৰ চেষ্টা কৰে।
- উপযোগিতা এক সাংখ্যিক ধাৰণা, ইয়াৰ জোখ ল'ব পাৰি আৰু সাংখ্যিক পৰিভাষাত প্ৰকাশ কৰিব পাৰি। সুবিধাৰ বাবে ইয়াক দ্ৰব্যটোৰ প্ৰান্তিক গোটৰ বাবে উপভোক্তাই দিবলৈ ইচ্ছুক মুদ্ৰাৰ এককত প্ৰকাশ কৰা হয়। অর্থাৎ কোনো এটা সামগ্ৰীৰ বাবদ উপভোক্তা এজনে ১০ টকা দিব বিচাৰিলে সামগ্ৰী বিধৰ উপযোগিতা ১০ ইউটিল বুলি ধৰি লোৱা হয়।
- ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধি প্ৰযোজ্য হয়। অর্থাৎ যেতিয়া এজন উপভোক্তাই কোনো এটা দ্ৰব্যৰ উপভোগৰ পৰিমাণ বঢ়াই গৈ থাকে তেতিয়া অতিৰিক্ত গোট সমূহৰপৰা আহৰণ কৰা উপযোগিতাৰ পৰিমাণ কমি গৈ থাকে। অন্য কথাত উপভোক্তাৰ উপভোগৰ পৰিমাণ বাঢ়ি গৈ থাকিলে প্ৰান্তিক উপযোগিতা নিম্নগামী হৈ গৈ থাকে। এই কথাষাৰ ইতিমধ্যে আমি তালিকা নং ৪.১ আৰু চিত্ৰ নং ৪.১ৰ সহায়ত আলোচনা কৰি আহিছোঁ।
- মুদ্ৰাৰ প্ৰান্তিক উপযোগিতা অপৰিৱর্তনীয়। অর্থাৎ যেতিয়া কোনো এজন ব্যক্তিয়ে অধিক মুদ্ৰা সংগ্ৰহ কৰিব, মুদ্ৰাৰ প্ৰান্তিক উপযোগিতা অপৰিৱর্তনীয় হৈ থাকিব। এই অভিধাৰণাটো লক্ষ্যণীয় কাৰণ, তত্ত্বটোত মুদ্ৰাক উপযোগিতাৰ জোখৰ এক আদর্শ একক হিচাপে ব্যৱহাৰ কৰা হৈছে। আৰু সেয়ে ই স্থিতিস্থাপক হ'ব নোৱাৰে।
- কোনো এক 'দ্ৰব্য সংগ্ৰহ' (Bundle)ৰ মুঠ উপযোগিতা দ্ৰব্যটোৰ ব্যক্তিগত গোটৰ উপভোগৰ পৰিমাণৰ ওপৰত নির্ভৰ কৰে।

  এইদৰে ঃ $U = f (x_1, x_2 \ldots \ldots \ldots x_n)$

য'ত U = মুঠ উপযোগিতা, x_1, x_2 ... ... x_n হ'ল n সংখ্যক গোট পর্য্যন্ত বিভিন্ন দ্রব্যৰ ভোগৰ পৰিমাণ।

এটা কথা মন কৰিবলগীয়া যে, তত্ত্বটোৰ প্ৰাৰম্ভিক আলোচনাত উপযোগিতাসমূহ যোগ কৰিব পাৰি বুলি বিবেচনা কৰা হৈছিল। অৱশ্যে তত্ত্বটোৰ পৰৱৰ্তী স্তৰত এই ধাৰণাটো বাদ দিয়া হয়। ইয়াৰ ফলত অৱশ্যে তত্ত্বটোৰ মৌলিক ধ্যান-ধাৰণাটোৰ কোনো সলনি হোৱা নাই।

এতিয়া আমি উপভোক্তা এজনে কেনেদৰে ভাৰাসমতা অৰ্জন কৰে, সেয়া তত্ত্ব সম-প্ৰান্তিক উপযোগিতা (Equi-Marginal Utility) তত্ত্বৰ সহায়ত আলোচনা কৰোঁ আহক।

প্ৰথমতে আমি উপভোক্তাজনে যেতিয়া এক একক দ্রব্য xৰ বাবদ তেওঁৰ মুদ্রা আয় M ব্যয় কৰে, সেই অৱস্থাটোৰ ভাৰসমতা লক্ষ্য কৰোঁ আহক। এই ক্ষেত্ৰত যেতিয়া X দ্রব্যৰ প্ৰান্তিক উপযোগিতা ইয়াৰ বজাৰ দৰৰ সমান হ'ব তেতিয়া উপভোক্তা জনে ভাৰসমতা লাভ কৰিব।

সাঙ্কেতিকভাৱে ঃ $MU_x = P_x$, য'ত MU_x হৈছে X সামগ্ৰীবিধৰ প্ৰান্তিক উপযোগিতা আৰু P_x হৈছে X সামগ্ৰী বিধৰ দাম। যদি—

ক) $MU_x > P_x$ হয়, তেতিয়া উপভোক্তাজনে x দ্রব্য অধিক পৰিমাণে উপভোগ কৰি তেওঁৰ কল্যাণৰ পৰিমাণ বৃদ্ধি কৰিব পাৰে। যেতিয়ালৈকে x দ্রব্যৰ প্ৰান্তিক উপযোগিতা কমি গৈ ইয়াৰ বজাৰ দৰৰ সমান নহয়, সেই পর্য্যন্ত তেওঁ এইটো কৰিব।

খ) $MU_x < P_x$ হয়, তেতিয়া উপভোক্তাজনে x দ্রব্যৰ উপভোগৰ পৰিমাণ কমাই দি তেওঁৰ কল্যাণৰ পৰিমাণ বৃদ্ধি কৰিব পাৰে। যেতিয়ালৈকে x দ্রব্যৰ প্ৰান্তিক উপযোগিতা বাঢ়ি গৈ ইয়াৰ বজাৰ দৰৰ সমান নহয়, তেতিয়ালৈকে তেওঁ এইটো কৰিব।

যদি আৰ্হিটোত অধিক দ্রব্যৰ অন্তৰ্ভুক্ত কৰা হয়, তেনে ক্ষেত্ৰত যেতিয়া সকলোবোৰ দ্রব্যৰ প্ৰান্তিক উপযোগিতাৰ অনুপাতবোৰ সেইবিলাকৰ সংলগ্ন দৰৰ অনুপাতৰ সৈতে সমান হ'ব, তেতিয়াই উপভোক্তাজনে ভাৰসমতা লাভ কৰিব। অৰ্থাৎ ,

$$\frac{MU_x}{P_x} = \frac{MU_y}{P_y} = \text{.....} \frac{MU_z}{P_z} = MU_M$$

য'ত, x, y, ..., ..., ..., z হ'ল বিভিন্ন দ্রব্য, আৰু MU_M মুদ্রাৰ প্ৰান্তিক উপযোগিতা।

এই পৰিঘটনাটো 'সমপ্ৰান্তিক উপযোগিতা বিধি'(Law of Equimarginal Utility)ৰ দ্বাৰা সংজ্ঞায়িত কৰা হয়। এই বিধিটো মতে, উপভোক্তা এজনে তেওঁৰ মুদ্রা আয় এনেভাবে বিতৰণ কৰিব বিচাৰে যাতে প্ৰত্যেকটো দ্রব্যতে খৰচ কৰা শেষ মুদ্রাটোৰ পৰা পোৱা উপযোগিতা সমান হয়। এতিয়া যদি ঃ

ক) $\frac{MU_x}{P_x} > \frac{MU_y}{P_y}$ তেতিয়া উপভোক্তাজনে x দ্রব্যৰ বাবে y দ্রব্যক প্ৰতিকল্পন কৰিবলৈ আৰম্ভ কৰিব; যাৰ ফলস্বৰূপে MU_x কমিব আৰু MU_y বাঢ়িব। যেতিয়ালৈকে $\frac{MU_x}{P_x}$ আৰু

$\frac{MU_y}{P_y}$ সমান নহয়, তেতিয়ালৈকে প্ৰক্ৰিয়াটো চলি থাকিব।

খ) ওলোটাকৈ, যদি $\frac{MU_x}{P_x} < \frac{MU_y}{P_y}$ তেতিয়া উপভোক্তা জনে y দ্ৰব্যৰ বাবে x দ্ৰব্য প্ৰতিকল্পন কৰিব যেতিয়ালৈকে ভাৰসমতা পুনৰ সংস্থাপিত নহয়।


তত্ত্বটোৰ সীমাবদ্ধতা (Limitations of the Theory) ঃ উপযোগিতাৰ সাংখ্যিক তত্ত্বটোৰ তিনিটা মূল সীমাবদ্ধতা আছে।

- উপযোগিতা সাংখ্যিক ভাবে জুখিব নোৱাৰি। সেয়ে বিভিন্ন দ্ৰব্যৰ পৰা আহৰণ কৰা উপযোগিতা জুখিব পৰা আৰু ইয়াক সাংখ্যিক পৰিভাষাত প্ৰকাশ কৰিব পৰা অভিধাৰণাটো অতি অবাস্তৱ।
- উপাৰ্জন বঢ়াৰ লগে লগে মুদ্ৰাৰ প্ৰান্তিক উপযোগিতাৰো পৰিবৰ্ত্তন হয়। সেয়ে মুদ্ৰাৰ প্ৰান্তিক উপযোগিতা অপৰিবৰ্ত্তনীয় থকা অভিধাৰণাটো অবাস্তৱ।
- শেষত, ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধিটো এটা মনস্তাত্ত্বিক বিধি যাক বাস্তৱক্ষেত্ৰত (Empirically) প্ৰতিষ্ঠা কৰিব নোৱাৰি।
- এবাৰ আমি যদি ধৰি লওঁ যে মুদ্ৰাৰ প্ৰান্তীয় উপযোগিতা সলনি হয়, তেতিয়া গোটেই তত্ত্বটোৱেই ভাঙি পৰে কাৰণ জোখমাখৰ পৰিমাপ (Unit of Measurement)টো নিজেই সলনি হৈ যায়।

৪.৫ ভোক্তাৰ উদ্বৃত্ত (Consumer's Surplus)

উদ্বৃত্ত (Surplus) ধাৰণাটো অৰ্থবিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰ হয়। ভোক্তাৰ উদ্বৃত্ত হৈছে উপভোক্তা এজনে কোনো এটা বস্তু কিনোতে তেওঁ পৰিশোধ কৰিম বুলি ভবা ধন আৰু প্ৰকৃততে পৰিশোধ কৰা ধনৰ মাজৰ প্ৰাৰ্থক্য। অৰ্থাৎ পৰিশোধ কৰিম বুলি ভবা ধনতকৈ কম ধনেৰে সামগ্ৰী কিনি তেওঁৰ যি উপকাৰ (Benefit) হয় সেয়ে ভোক্তাৰ উদ্বৃত্ত। যদি কোনোবাই সামগ্ৰী বা সেৱাটোৰ আচল দামতকৈ বেছিকৈ পৰিশোধ কৰিবলৈ ইচ্ছা কৰে, তেতিয়া সেই লেনদেনটোত যিমান পৰিমানৰ ধন দিব নলগাৰ বাবে সঞ্চয় হ'ল সেয়ে তেওঁলোকৰ লাভ (ভোক্তাৰ উদ্বৃত্ত), উদাহৰণ স্বৰূপে এজন মানুহ এটা ভাৰাঘৰ বিচাৰি আছে। তেওঁ মাহৰ ভাড়া ২০০০ টকাকৈ দিবলৈ সাজু আছে। যদি বজাৰত থকা প্ৰতিযোগিতাৰ বাবে তেওঁ ১৫০০ টকা ভাড়াতে বিচৰা ঘৰটো পায়, তেতিয়া ৫০০ টকাটো হৈছে এই ক্ষেত্ৰত ভোক্তৰ উদ্বৃত্ত আৰু ই উপভোক্তাজনৰ সংৰক্ষণ দৰ (Reservation Price) আৰু তেওঁ দিয়া প্ৰকৃত দৰৰ পাৰ্থক্য।

চিত্ৰ ৪.২ ঃ ভোক্তাৰ উদ্বৃত্ত



ওপৰৰ চিত্ৰ ৪.২ত, ADয়ে চাহিদা ৰেখা সূচাইছে, CBয়ে যোগান ৰেখা সূচাইছে। ভাৰসাম্য দৰ হৈছে OB বা QE ও। পৰৰ চিত্ৰত ABE অংশটোয়ে ভোক্তাৰ উদ্বৃত্ত বুজাইছে, এইটো মন কৰিবলগীয়া যে ABE হৈছে ভোক্তাৰ উদ্বৃত্ত কাৰণ উপভোক্তাজনে OQ পৰিমানৰ বাবে OB দৰত OAEQ পৰিমাণ পৰিশোধ কৰিবলৈ প্ৰস্তুত আছিল; কিন্তু প্ৰকৃততে তেওঁ OBEQ পৰিশোধ কৰিলে, গতিকে OAEQ – OBEQ হৈছে ভোক্তাৰ উদ্বৃত্ত। অৰ্থাৎ ABE



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

ক) উপযোগিতাৰ সাংখ্যিক তত্ত্ব মতে, মুদ্ৰাৰ প্ৰান্তিক উপযোগিতা পৰিৱৰ্তনশীল। (শুদ্ধ/অশুদ্ধ)

খ) উপযোগিতাৰ সাংখ্যিক তত্ত্ব মতে, মুদ্ৰাৰ মাধ্যমত উপযোগিতা জুখিব পাৰি। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৬ ঃ খালী ঠাই পূৰ কৰক—

ক) উপযোগিতাৰ সাংখ্যিক তত্ত্বটোৰ সমালোচকসকলৰ মতে, উপযোগিতাৰ ..... পৰিমাপ কৰাটো সম্ভৱপৰ নহয়।

খ) সাংখ্যিক উপযোগিতা তত্ত্বৰ সমালোচকসকলে আঙুলিয়াই দিছে যে, ... বঢ়াৰ লগে লগে মুদ্ৰাৰ প্ৰান্তিক উপযোগিতাৰো পৰিৱৰ্তন হয়।

গ) ..... বিধি মতে, যেতিয়া এজন উপভোক্তাই কোনো এটা দ্ৰব্যৰ উপভোগৰ পৰিমাণ বঢ়াই গৈ থাকে, তেতিয়া অতিৰিক্ত গোটসমূহৰ পৰা আহৰণ কৰা উপযোগিতাৰ পৰিমাণ কমি গৈ থাকে।



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উপভোক্তাৰ আচৰণ বিধিতত্ত্বই উপভোক্তা এজনে সৰ্বোচ্চ সন্তুষ্টি বা উপযোগিতা আহৰণ কৰিবলৈ তেওঁৰ উপার্জন (আয়) কেনেদৰে ব্যয় কৰে তাকে অধ্যয়ন কৰে।
- উপযোগিতা হ'ল এক বিষয় নিষ্ঠ (Subjective) ধাৰণা আৰু ইয়াৰ ধাৰণা বিভিন্ন ব্যক্তি বিশেষে বেলেগ বেলেগ হয়।
- উপযোগিতাৰ সাংখ্যিক বিশ্লেষক (Cardinalist)সকলৰ মতে উপযোগিতাৰ জোখ ল'ব পাৰি আৰু হিচাপ কৰিব পাৰি; আনহাতে, উপযোগিতাৰ ক্ৰমিক বিশ্লেষক (Ordinalist) সকলৰ মতে উপযোগিতাৰ জোখ ল'ব নোৱাৰি আৰু ইয়াক সাংখ্যিক পৰিভাষাত প্ৰকাশ কৰিব নোৱাৰি।
- সমপ্ৰান্তিক উপযোগিতা বিধি (Law of Equi-Marginal Utility) মতে, যেতিয়া সকলোবোৰ দ্ৰব্যৰ প্ৰান্তিক উপযোগিতাৰ অনুপাতবোৰ সেইবিলাকৰ সংলগ্ন দৰৰ অনুপাতৰ সৈতে সমান হয়, তেতিয়াই উপভোক্তাজনে ভাৰসমতা লাভ কৰে।
- সমপ্ৰান্তিক উপযোগিতা বিধিটো এইদৰে সমালোচনা কৰা হৈছে যে, উপযোগিতা সাংখ্যিকভাৱে জুখিব নোৱাৰি আৰু মুদ্ৰাত প্ৰান্তিক উপযোগিতাও একে নাথাকে আকৌ বিধিটোৱে ধাৰণা কৰি লোৱা ক্ৰমহাসমান উপযোগিতা বিধিটোও এক মনঃস্তাত্ত্বিক ধাৰণাহে, যাক বাস্তৱত প্ৰতিষ্ঠা কৰিব নোৱাৰি।
- ভোক্তাৰ উদ্বৃত্ত হৈছে এজন উপভোক্তাই সেৱা বা সামগ্ৰী এটাৰ বাবে দিব বিচৰা দাম সংৰক্ষণ দৰ আৰু প্ৰকৃততে দিয়া দামৰ মাজৰ প্ৰাৰ্থক্য।

৪.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) আলম, খুৰছেদ আৰু অন্যান্য (২০০৪); *স্নাতক মহলাৰ অৰ্থতত্ত্ব (ব্যষ্টিবাদী অৰ্থবিজ্ঞান)*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ্ছ ।

২) গোস্বামী, অতুল (২০০৫); *স্নাতক মহলাৰ অৰ্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অৰ্থনৈতিক তত্ত্ব)*; ডিব্ৰুগড় ঃ ষ্টুডেণ্টছ এম্পৰিয়াম।

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics*; New Delhi: S. Chand & Co. Ltd.

2) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.

3) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.

4) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Co. Ltd.

৪.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ ক) প্ৰান্তিক উপযোগিতা হৈছে সামগ্ৰী এবিধৰ অতিৰিক্ত এক এককৰ পৰা লাভ কৰা উপযোগিতা।

খ) উপযোগিতাৰ সাংখ্যিক তত্ত্ব মতে, কোনো এটা সামগ্ৰীৰ প্ৰান্তিক উপযোগিতা সামগ্ৰীবিধ অধিক ভোগ কৰাৰ লগে লগে কমি যায়।

গ) মুঠ উপযোগিতা হ'ল সামগ্ৰী এবিধৰ প্ৰত্যেকটো অতিৰিক্ত এককৰ পৰা লাভ কৰা উপযোগিতাৰ যোগফল।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মুঠ উপযোগিতা (TU) হ'ল কোনো এটা দ্ৰব্যৰ সকলোবোৰ গোট উপভোগৰ পৰা আহৰণ কৰা সামগ্ৰিক (Aggregate) উপযোগিতা। এইদৰে মুঠ উপযোগিতা হ'ল কোনো এটা দ্ৰব্যৰ প্ৰতিটো ব্যক্তিগত গোটৰ উপভোগৰ পৰা আহৰণ কৰা উপযোগিতা-সমূহৰ যোগফল।

৪নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰান্তিক উপযোগিতা (MU) হ'ল— কোনো এটা দ্ৰব্যৰ অতিৰিক্ত এক একক দ্ৰব্য উপভোগৰ পৰা আহৰণ কৰা উপযোগিতা। অৰ্থাৎ প্ৰান্তিক উপযোগিতা হ'ল— ইতিমধ্যে উপভোগ কৰা দ্ৰব্যসমূহৰ উপৰিও অতিৰিক্তভাৱে এক একক দ্ৰব্য উপভোগৰ বাবে হোৱা মুঠ উপযোগিতাৰ বৃদ্ধিৰ পৰিমাণ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ

৬নং প্ৰশ্নৰ উত্তৰ ঃ ক) উপযোগিতাৰ সাংখ্যিক তত্ত্বটোৰ সমালোচকসকলৰ মতে, উপযোগিতাৰ সাংখ্যিক পৰিমাপ কৰাটো সম্ভৱপৰ নহয়।

খ) সাংখ্যিক উপযোগিতা তত্ত্বৰ সমালোচকসকলে আঙুলিয়াই দিছে যে, আয় বঢ়াৰ লগে লগে মুদ্ৰাৰ প্ৰান্তিক উপযোগিতাৰো পৰিৱৰ্তন হয়।

গ) সম-প্ৰান্তিক উপযোগিতা বিধি মতে, যেতিয়া এজন উপভোক্তাই কোনো এটা দ্ৰব্যৰ উপভোগৰ পৰিমাণ বঢ়াই গৈ থাকে, তেতিয়া অতিৰিক্ত গোটসমূহৰ পৰা আহৰণ কৰা উপযোগিতাৰ পৰিমাণ কমি গৈ থাকে।



৪.৯ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (৭৫টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক) ঃ

প্ৰশ্ন নং ১ ঃ উপযোগিতাৰ সাংখ্যিক বিশ্লেষণ আৰু ক্ৰমিক বিশ্লেষণৰ মাজৰ পাৰ্থক্য দেখুৱাওক। এই দুয়োটাৰ ভিতৰত কোনটো অধিক গ্ৰহণযোগ্য আৰু কিয়?

প্ৰশ্ন নং ২ ঃ সাংখ্যিক উপযোগিতা কি?

প্ৰশ্ন নং ৩ ঃ প্ৰান্তিক উপযোগিতাৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ৪ ঃ মুঠ উপযোগিতা বুলিলে কি বুজা যায়?

প্ৰশ্ন নং ৫ ঃ ক্ৰমহ্ৰাসমান উপযোগিতা বিধিটো ব্যৰ্থ হোৱা যিকোনো দুটা পৰিস্থিতি উল্লেখ কৰক।

খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধি ধাৰণাটোৰ ওপৰত এটি চমু টোকা যুগুতাওক। এই ধাৰণাটো কাৰ্যকৰী হোৱাৰ চৰ্তসমূহ কেনে ধৰণৰ?

প্ৰশ্ন নং ২ ঃ উপযোগিতাৰ সাংখ্যিক উপযোগিতাৰ অভিধাৰণাসমূহ আলোচনা কৰক। এই অভিধাৰণাসমূহ কেনেদৰে সমালোচনা কৰা হৈছে?

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ সমপ্ৰান্তিক উপযোগিতা বিধিটো ব্যাখ্যা কৰক। ই কেনেকৈ উপভোক্তাৰ ভাৰসমতা ব্যাখ্যা কৰে?

প্ৰশ্ন নং ২ ঃ উপযুক্ত চিত্ৰৰ সহায়ত ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধিটো ব্যাখ্যা কৰক। ইয়াৰ অভিধাৰণা আৰু ব্যতিক্ৰমসমূহৰ বিষয়ে লিখক।

অধ্যায় ৫ ঃ উপভোক্তাৰ আচৰণবিধি ঃ ক্ৰমিক চিন্তাধাৰা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ নিৰপেক্ষ ৰেখা কৌশল ঃ মৌলিক ধাৰণাসমূহ

- ৫.৩.১ নিৰপেক্ষ ৰেখা কৌশলৰ অভিধাৰণা
- ৫.৩.২ নিৰপেক্ষ অনুসূচী আৰু নিৰপেক্ষ ৰেখা
- ৫.৩.৩ নিৰপেক্ষ ৰেখা মানচিত্ৰ
- ৫.৩.৪ নিৰপেক্ষ ৰেখাৰ বৈশিষ্ট্য

৫.৪ উপভোক্তাৰ ভাৰসমতা ঃ নিৰপেক্ষ ৰেখা কৌশল

৫.৫ দৰ বিপাক, প্ৰতিকল্পন বিপাক আৰু আয় বিপাক

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্ৰগতিৰ খতিয়ান

৫.৯ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নিৰপেক্ষ ৰেখা আৰু বাজেট ৰেখাৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- উপৰোক্ত দুই ধাৰণা ব্যৱহাৰ কৰি উপভোক্তাৰ ভাৰসাম্য নিৰ্দ্ধাৰণ কৰিব পাৰিব আৰু
- দৰবিপাকক প্ৰতিকল্পন বিপাক আৰু আয় বিপাকৰূপে ভাগ কৰি দেখুৱাব পাৰিব।

৫.২ পৰিচয়

উপভোক্তাৰ আচৰণ বিধিতত্ত্বই উপভোক্তা এজনে সৰ্বোচ্চ সন্তুষ্টি বা উপযোগিতা আহৰণ কৰিবলৈ তেওঁৰ উপার্জন (আয়) কেনেদৰে ব্যয় কৰে তাকে অধ্যয়ন কৰে। উপভোক্তাৰ এই উপযোগিতা সৰ্বোচ্চকৰণৰ আচৰণ তেওঁৰ সীমিত উপার্জন আৰু তেওঁ উপভোগ কৰিব বিচৰা বিভিন্ন সামগ্ৰীৰ দৰৰ দ্বাৰা আৰোপিত সীমাবদ্ধতাৰ অধীন। প্ৰদত্ত উপার্জন আৰু দ্ৰব্য সমূহৰ দৰ অনুসৰি উপভোক্তাই তেওঁ উপভোগ কৰিব পৰা বিভিন্ন 'দ্ৰব্য সংগ্ৰহ' (Bundles of Goods) তুলনা কৰে আৰু এই প্ৰক্ৰিয়াটোত তেওঁ সেইটো দ্ৰব্য সংগ্ৰহ উপভোগ কৰিবলৈ চেষ্টা কৰে, যিটোৱে তেওঁক সৰ্বোচ্চ সন্তুষ্টি প্ৰদান কৰিব।

এই অধ্যায়টিত উপভোক্তাৰ আচৰণ বিধি সম্পৰ্কে আলোচনা কৰা হৈছে। উপভোক্তা এজনৰ আচৰণ বিধিৰ ক্ষেত্ৰত উপযোগিতা (Utility) ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই অধ্যায়টি উপযোগিতাৰ দুটা মাৰ্গ— বিশেষকৈ, সাংখ্যিক উপযোগিতা (Cardinal Utility) আৰু ক্ৰমিক উপযোগিতা (Ordinal Utility)ৰ ধাৰণাকেইটিৰ আলোচনাৰে আৰম্ভ কৰা হৈছে। আকৌ, এই দুয়োটি মাৰ্গৰ সহায়ত উপভোক্তা এজনে কেনেদৰে ভাৰসমতা লাভ কৰে সেয়াও আলোচনা কৰা হৈছে। তদুপৰি, নিৰপেক্ষ ৰেখা কৌশলৰ বিভিন্ন গুৰুত্বপূৰ্ণ ধাৰণা আলোচনা কৰাৰ লগতে দৰ বিপাক কি আৰু ইয়াক কেনেদৰে প্ৰতিকল্পন বিপাক আৰু আয় বিপাক ৰূপে বিভক্ত কৰি দেখুৱাব পাৰি সেই সম্পৰ্কেও অধ্যায়টিত আলোচনা কৰা হৈছে।

৫.৩ নিৰপেক্ষ ৰেখা কৌশল ঃ মৌলিক ধাৰণাসমূহ

উপভোক্তা আচৰণ তত্ত্বৰ উপযোগিতাৰ সাংখ্যিক বিশ্লেষণৰ বিকল্প হিচাপে নিৰপেক্ষ ৰেখা কৌশল উদ্ভাৱন কৰা হৈছিল। এই কৌশলৰ বিকাশত ভালে সংখ্যক অৰ্থবিজ্ঞানীয়ে অৱদান আগবঢ়াইছে। একেবাৰে শেহতীয়াভাৱে সংশোধন কৰিছে **স্লাট্স্কি** (Slutsky/1919), **জে. আৰ্, হিক্স্** (J. R. Hicks) আৰু **আৰ্. জি. ডি. এল্নে** (R. G. D. Allen/1934)এ।

নিৰপেক্ষ ৰেখা কৌশলে সাংখ্যিক উপযোগিতাৰ ধাৰণাটো নাকচ কৰিছে আৰু কৈছে যে উপযোগিতা সাংখ্যিক পৰিভাষাত প্ৰকাশ কৰিব বা জুখিব নোৱাৰি। ইয়াৰ পৰিবৰ্ত্তে এওঁলোকে ক্ৰমিক উপযোগিতাৰ নীতি গ্ৰহণ কৰিছে আৰু কৈছে যে উপভোক্তা এজনে কোনো এটা দ্ৰব্য বা দ্ৰব্যজোঁট (Combination of Commodities)ৰ উপভোগৰ পৰা আহৰণ কৰা উপযোগিতা সঠিক ভাবে ক'ব নোৱাৰিলেও তেওঁ লাভ কৰা সন্তুষ্টিৰ স্তৰ সঠিক ভাবেই তুলনা কৰিব পাৰে আৰু শ্ৰেণীভুক্ত কৰিব পাৰে। ধৰা হওক, বিভিন্ন প্ৰকাৰৰ চাউলৰ ভিতৰত (চাউলৰ ভোগৰ পৰা পোৱা সন্তুষ্টি অনুযায়ী) শ্ৰীমতী শইকীয়াই আইজং চাউলৰ তুলনাত জহা চাউল অধিক পছন্দ কৰে আৰু পৰিমল চাউলৰ তুলনাত আইজং চাউল অধিক পছন্দ কৰে। গুৰুত্বপূৰ্ণ কথাটো হ'ল শ্ৰীমতী শইকীয়াৰ চাউল নিৰ্বাচনৰ এইখিনি তথ্যৰ পৰাই আমি তেওঁৰ চাহিদা অনুসূচীখন লাভ কৰিব পাৰোঁ। আৰু তদ্পশ্চাৎ আমি তেওঁৰ চাহিদা ৰেখাডালো অংকন কৰিব পাৰোঁ। গতিকে, উপযোগিতাৰ সাংখ্যিক বিশ্লেষকসকলে কোৱাৰ দৰে, উপভোক্তাজনে তেওঁৰ পছন্দ বা সন্তুষ্টি সাংখ্যিক পৰিমাণত প্ৰকাশ কৰিব পাৰে— এই বিতৰ্কিত ধাৰণাটি অতি সহজে আমি এৰাই চলিব পাৰোঁ। এই অৰ্থতে, উপযোগিতাৰ বিশ্লেষণৰ সৈতে জড়িত গোট দুটাৰ মাজৰ মৌলিক পাৰ্থক্যটো স্পষ্ট হৈ পৰে। গতিকে এয়া স্পষ্ট যে, উপযোগিতাৰ সাংখ্যিক (Cardinal) বিশ্লেষকসকলে উপযোগিতা সাংখ্যিক পৰিমাপত প্ৰকাশ কৰিব পাৰি বুলি ধৰি লৈছিল। আনহাতে, উপযোগিতাৰ ক্ৰমিক (Ordinal) বিশ্লেষকসকলে এই ধাৰণাটো নাকচ কৰি কৈছে যে, দৰাচলতে উপভোক্তা এজনে লাভ কৰা সন্তুষ্টিৰ ওপৰত নিৰ্ভৰ কৰি তেওঁ সামগ্ৰীসমূহ (বা সামগ্ৰীৰ বিভিন্ন জোঁট) পছন্দৰ এক ক্ৰমতহে সজাব পাৰে, সেয়া সঠিককৈ জুখিব নোৱাৰে।

এতিয়া আমি নিৰপেক্ষ ৰেখা কৌশলৰ সৈতে জড়িত কেইটিমান মৌলিক ধাৰণা আলোচনা কৰোঁ আহক। এই ধাৰণাকেইটি হ'ল— নিৰপেক্ষ ৰেখা, নিৰপেক্ষ ৰেখা মানচিত্ৰ আৰু নিৰপেক্ষ ৰেখাৰ বৈশিষ্ট্যসমূহ। পোনতে আমি নিৰপেক্ষ ৰেখা কৌশলৰ অভিধাৰণাসমূহ মন কৰোঁ আহক।

৫.৩.১ নিৰপেক্ষ ৰেখা কৌশলৰ অভিধাৰণা

নিৰপেক্ষ ৰেখা কৌশল তলৰ অভিধাৰণাসমূহৰ ওপৰত প্ৰতিষ্ঠিত।

- **উপযোগিতা ক্ৰম অনুসাৰে শ্ৰেণীভুক্ত কৰিবপাৰি** (Utility can be measured cardinally) ঃ উপভোগ কৰা বিভিন্ন দ্ৰব্য বা দ্ৰব্যজোঁটৰ পৰা আহৰণ কৰা সন্তুষ্টি অনুসৰি উপভোক্তাই দ্ৰব্য বা দ্ৰব্যজোঁটসমূহ ক্ৰম অনুসাৰে শ্ৰেণীভুক্ত কৰিব পাৰে।
- **উপভোক্তাজন বিবেচক** (The consumer is rational) ঃ প্ৰদত্ত বজাৰ দৰ আৰু উপাৰ্জনেৰে তেওঁ উপভোগ কৰা দ্ৰব্য সামগ্ৰীৰপৰা উপভোক্তজনে সৰ্ৱোচ্চ সন্তুষ্টি আহৰণৰ চেষ্টা কৰে।
- **যোগাত্মক উপযোগিতা** (Additive utilities) ঃ উপভোক্তা এজনে উপভোগ কৰা দ্ৰব্যৰ পৰিমাণৰ পৰা উপভোক্তাজনৰ মুঠ উপযোগিতা নিৰ্দ্ধাৰণ কৰিব পাৰি।
- **পছন্দৰ স্থিৰতা** (Consistency of choices) ঃ উপভোক্তাৰ পছন্দৰ স্থিৰতাই এয়ে বুজায় যে, যদি কোনো এক সময়ত তেওঁ B জোঁটতকৈ A জোঁট পছন্দ কৰিছে, তেনেহ'লে অন্য সময়ত তেওঁ A জোঁটতকৈ B জোঁট পছন্দ নকৰে। সাঙ্কেতিক ভাবে, যদি A > B তেনেহ'লে B < A ।
- **উপভোক্তাৰ পছন্দৰ সংক্ৰমণশীলতা** (Transitivity of consumer choices) ঃ যদি এজন উপভোক্তাই B জোঁটতকৈ A জোঁট পছন্দ কৰে আৰু C জোঁটতকৈ B জোঁট পছন্দ কৰে তেনেহ'লে তেওঁ C জোঁটতকৈ A জোঁট পছন্দ কৰিব। ইয়াকে উপভোক্তাজনৰ পছন্দৰ সংক্ৰমণশীলতা (Transitivity of Choices) বোলা হয়। সাঙ্কেতিক ভাবে, যদি A > B আৰু B > C তেনেহ'লে A > C.

৫.৩.২ নিৰপেক্ষ অনুসূচী আৰু নিৰপেক্ষ ৰেখা

নিৰপেক্ষ ৰেখা (Indifference Curve) হ'ল দুটা দ্ৰব্যৰ বিভিন্ন জোঁট সংযোগী এডাল বক্ৰ ৰেখা, যিয়ে উপভোক্তাৰ বাবে সমপৰিমাণৰ সন্তুষ্টি প্ৰদান কৰে, যাতে যিকোনো জোঁট (Combination)ৰ ক্ষেত্ৰত তেওঁ নিৰপেক্ষ হৈ থাকে। আন কথাত, নিৰপেক্ষ ৰেখাৰ দুটা দ্ৰব্যৰ প্ৰতিটো জোঁট উপভোক্তাজনৰ বাবে সমানে গুৰুত্বপূৰ্ণ।

এডাল নিৰপেক্ষ ৰেখা এখন নিৰপেক্ষ ৰেখা অনুসূচী (Indifference Schedule)ৰ ওপৰত নিৰ্ভৰশীল, যিয়ে দুটা দ্ৰব্যৰ বিভিন্ন জোঁটসমূহ দেখুৱায় য'ৰ পৰা উপভোক্তাজনে একে পৰিমাণৰ সন্তুষ্টি লাভ কৰে। ৫.১নং তালিকাখনত x আৰু y


সামগ্ৰীদুটাৰ বিভিন্ন জোঁটসমূহ দেখুওৱা হৈছে যিবোৰৰ পৰা উপভোক্তাজনে একে পৰিমাণৰ সন্তুষ্টি লাভ কৰে।

তালিকা ৫.১ ঃ নিৰপেক্ষ ৰেখা অনুসূচী

জোঁট	x	y	MRS_{xy}
প্ৰথম	১	২০	–
দ্বিতীয়	২	১৫	৫
তৃতীয়	৩	১১	৪
চতুৰ্থ	৪	৮	৩
পঞ্চম	৫	৬	২
ষষ্ঠ	৬	৫	১

তালিকা ৫.১ৰ নিৰপেক্ষ ৰেখা সূচীৰ জোঁটসমূহ উপস্থাপন কৰি আমি চিত্ৰ ৫.১ত নিৰপেক্ষ ৰেখা IC_1 পাওঁ।

চিত্ৰ ৫.১ ঃ নিৰপেক্ষ ৰেখা



৫.১নং চিত্ৰত, নিৰপেক্ষ ৰেখাৰ ঢাল (Slope) প্ৰান্তিক প্ৰতিকল্পনৰ হাৰ (Marginal Rate of Substitution)ৰ দ্বাৰা দেখুওৱা হৈছে। Y ৰ বাবে Xৰ প্ৰান্তিক প্ৰতিকল্পনৰ হাৰ হ'ল অতিৰিক্ত এক একক X পাবৰ বাবে এৰি দিব লগা হোৱা Yৰ পৰিমাণ যাতে উপভোক্তাজন সন্তুষ্টিৰ পৰিমাণ একেই থাকে।

এইদৰে [নিৰপেক্ষ ৰেখাৰ ঢাল] = MRSxy


৫.১নং অনুসূচীৰ পৰা দেখা যায় যে যিমানেই উপভোক্তাই X দ্ৰব্য বেছিকৈ ভোগ কৰিবলৈ লয়, সিমানে অতিৰিক্ত এক একক X দ্ৰব্যৰ বাবে এৰি দিব লগা Y দ্ৰব্যৰ পৰিমাণ ক্ৰমান্বয়ে কমি গৈ থাকে।ইয়াকে ক্ৰমহ্ৰাসমান প্ৰান্তিক প্ৰতিকল্পন বিধি

(Principle of Diminishing Marginal Rate of Substitution) বুলি জনা যায়। এই বিধি মতে, যেতিয়া Yৰ বাবে X বেছি পৰিমাণে প্ৰতিকল্পন কৰা যায় তেতিয়া প্ৰান্তিক প্ৰতিকল্পনৰ হাৰ কমি গৈ থাকে। যাৰ অৰ্থ হ'ল যে নিৰপেক্ষ ৰেখা সদায় তলপিনে ঢালখোৱা আৰু মূল বিন্দু পিনে উত্তল।

৫.৩.৩ নিৰপেক্ষ ৰেখা মানচিত্ৰ

নিৰপেক্ষ ৰেখা মানচিত্ৰ (Indifference Map) এখনে উপভোক্তাজনে অগ্ৰাধিকাৰ শ্ৰেণীভুক্ত কৰা সকলোবোৰ নিৰপেক্ষ ৰেখা দেখুৱায়। একেডাল নিৰপেক্ষ ৰেখাত থকা দ্ৰব্যজোঁটসমূহে একে সন্তুষ্টিৰ সৃষ্টি কৰে; অৱশ্যে ওপৰৰ নিৰপেক্ষ ৰেখা দ্ৰব্যজোঁটসমূহে বেছি পৰিমাণৰ সন্তুষ্টিৰ সৃষ্টি কৰে আৰু তলৰ নিৰপেক্ষ ৰেখা দ্ৰব্যজোঁট-সমূহে কম পৰিমাণৰ সন্তুষ্টিৰ সৃষ্টি কৰে। ৫.২নং চিত্ৰত এখন নিৰপেক্ষ ৰেখা মানচিত্ৰ দেখুওৱা হৈছে—

চিত্ৰ ৫.২ ঃ নিৰপেক্ষ ৰেখা মানচিত্ৰ




৫.২নং চিত্ৰত আমি উপভোক্তাজন এখন নিৰপেক্ষ ৰেখাৰ মানচিত্ৰ দেখিবলৈ পাওঁ। কোৱা বাহুল্য যে, এজন বিবেচক উপভোক্তাই ওপৰৰ অৱস্থানত থকা নিৰপেক্ষ ৰেখাকেই অগ্ৰাধিকাৰ দিব (অৰ্থাৎ IC_1তকৈ IC_2ক অগ্ৰাধিকাৰ দিব আৰু IC_1আৰু IC_2তকৈ IC_3ক অগ্ৰাধিকাৰ দিব)।

৫.৩.৪ নিৰপেক্ষ ৰেখাৰ বৈশিষ্ট্য

আমি এতিয়া নিৰপেক্ষ ৰেখাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰোঁ আহক। নিৰপেক্ষ ৰেখাৰ মূল বৈশিষ্ট্যকেইটা তলত দিয়া ধৰণৰ—

- **নিৰপেক্ষ ৰেখাবোৰ সোঁফালৰ পৰা বাঁওফালে তললৈ ঢাল খোৱা ঃ** নিৰপেক্ষ ৰেখাসমূহৰ প্ৰথমটি গুৰুত্বপূৰ্ণ বিশেষত্ব হ'ল এই ৰেখাসমূহ সোঁফালৰ পৰা বাওঁফালে তললৈ ঢাল খোৱা (Indifference curves are downward sloping towards the right)। এই কথাষাৰক এনেদৰেও কোৱা হয়— নিৰপেক্ষ ৰেখাসমূহ বাওঁফালে ঋণাত্মক ঢালযুক্ত। এই ৰেখাসমূহ বাঁওফালে তললৈ ঢাল খোৱাৰ মূল কাৰণটি হৈছে, নিৰপেক্ষ ৰেখাডালৰ এটা বিন্দুৰ পৰা আন এটা বিন্দুলৈ গতি কৰাৰ লগে লগে উপভোক্তাজনে এটা সামগ্ৰী কিছু পৰিমাণে বেছিকৈ লাভ কৰাৰ বাবদ তেওঁ আনটো সামগ্ৰী কিছু পৰিমাণে কমাবলগীয়া হয়। তেওঁ এনে কৰাৰ মূল কাৰণটো হ'ল নতুন বিন্দুলৈ গতি কৰোতে যাতে উপভোক্তাজনে প্ৰতিটো বিন্দুৰ পৰা একেই সন্তুষ্টি লাভ কৰে। সেই হেতুকে ৫.১নং চিত্ৰত দেখুওৱাৰ দৰে নিৰপেক্ষ ৰেখা এডাল আমি পাওঁ।
- **নিৰপেক্ষ ৰেখাসমূহ মূল অক্ষৰ ফালে ঢাল খোৱা ঃ** নিৰপক্ষে ৰেখাসমূহৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল এই ৰেখাবোৰ মূল অক্ষৰ ফালে ঢাল খোৱা। এই ৰেখাসমূহ মূল অক্ষৰ ফালে ঢাল খোৱাৰ মূল কাৰণটি হৈছে ক্ৰমহ্ৰাসমান প্ৰান্তিক প্ৰতিকল্পন হাৰ নীতি (Law of Diminishing Margiual Rate of Substitution) বিধিটোৰ ক্ৰিয়াশীলতাৰ বাবে। নিৰপেক্ষ ৰেখা ধাৰণাটি আলোচনা কৰোতে আমি উল্লেখ কৰিছোঁ যে, যে যেতিয়া উপভোক্তা এজনে X সামগ্ৰীবিধ বেছিকৈ ভোগ কৰিবলৈ লয়, তেতিয়া প্ৰতি একক Xৰ বাবে প্ৰতিকল্পন (Substitute) কৰিব খোজা Yৰ পৰিমাণ ক্ৰমান্বয়ে কমি আহে। বহলাই জানিবৰ বাবে আমি ইতিমধ্যে আলোচনা কৰি অহা ৫.১নং তালিকাখনত এবাৰ চকু ফুৰাই চাব পাৰে। তালিকাখনৰ পৰা দেখা গৈছে যে, উপভোক্তাজনে যেতিয়া Xৰ ভোগৰ পৰিমাণ এক এককৈ বঢ়াবলৈ লৈছে, প্ৰতি একক Xৰ বাবদ প্ৰতিকল্পন কৰিব খোজা Yৰ পৰিমাণ কমি আহিছে। আৰু সেয়ে, নিৰপেক্ষ ৰেখা এডালৰ গঠন তলত দেখুওৱা চিত্ৰটিৰ দৰে হয় (আগতে উল্লেখ কৰা ৫.১নং চিত্ৰটি ইয়াত পুনৰ উপস্থাপন কৰা হৈছে)।


চিত্ৰ ৫.১ ঃ নিৰপেক্ষ ৰেখা



➢ **দুডাল নিৰপেক্ষ ৰেখাই পৰস্পৰে ছেদ কৰিব নোৱাৰে ঃ** নিৰপেক্ষ ৰেখাসমূহৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য হৈছে দুডাল নিৰপেক্ষ ৰেখাই কেতিয়াও পৰস্পৰে

অৰ্থ এয়ে যে নিৰপেক্ষ ৰেখা মানচিত্ৰ এখনৰ এটা নিৰপেক্ষ ৰেখাহে পাৰ হ'ব পাৰে। ৫.৩নং চিত্ৰটিৰ হৈছে।

ঃ ৰেখাই পৰস্পৰে ছেদ কৰিব নোৱাৰে




চিত্ৰটিৰ পৰা দেখা গৈছে যে, IC_2 নিৰপেক্ষ ৰেখাডালৰ ক্ষেত্ৰত উপভোক্তাজনে A জোঁটটো বাছি ল'ব পাৰে। আকৌ, IC_1 হৈছে নিৰপেক্ষ ৰেখা মানচিত্ৰৰ অন্তৰ্ভুক্ত আন এডাল ৰেখা। ধৰা হওক, IC_1 নিৰপেক্ষ ৰেখাডালৰ B জোঁটটো উপভোক্তাজনে পছন্দ

কৰিছে। চিত্ৰটিৰ পৰা এয়া সহজেই বোধগম্য যে, উপভোক্তাজনে A জোঁটটো অধিক পছন্দ কৰিব, কাৰণ B জোঁটটোৰ তুলনাত এই জোঁটটোত X আৰু Y দুয়োবিধ সামগ্ৰীয়েই তেওঁ অধিক পৰিমাণে লাভ কৰিছে। এতিয়া আমি C জোঁটটোলৈ মন কৰোঁচোন। এই C জোঁটটো IC_1 আৰু IC_2 দুয়োডাল নিৰপেক্ষ ৰেখাৰে উমৈহতীয়া এটা বিন্দু। এই অৰ্থত, A আৰু C দুয়োটা জোঁটেই সমপৰিমাণৰ সন্তুষ্টি প্ৰদান কৰিব, যিহেতু দুয়োটা জোঁটেই IC_2 নিৰপেক্ষ ৰেখাডালত উপলব্ধ। আকৌ, B আৰু C জোঁট দুটাইও সমপৰিমাণৰ সন্তুষ্টি প্ৰদান কৰিব, যিহেতু দুয়োটা জোঁটেই IC_1 নিৰপেক্ষ ৰেখাডালত উপলব্ধ। ইয়াৰ অৰ্থ এয়ে যে, A আৰু B দুয়োটা জোঁটেই সমপৰিমাণৰ সন্তুষ্টি প্ৰদান কৰে। কিন্তু এয়া একেবাৰে স্পষ্ট যে, এই কথাষাৰ কোনোপধ্যে গ্ৰহণযোগ্য নহয়। গতিকে নিৰপেক্ষ ৰেখা দুডালে কেতিয়াও পৰস্পৰে ছেদ কৰিব নোৱাৰে।

কোনো এখন নিৰপেক্ষ ৰেখা মানচিত্ৰৰএটা উমৈহতীয়া বিন্দুৰ মাজেৰেও দুডাল নিৰপেক্ষ ৰেখা পাৰ হৈ গ'লে একেই পৰিণাম হ'ব পাৰে। ৫.৪নং চিত্ৰটিলৈ মন কৰক।

চিত্ৰ নং ৫.৪ ঃ দুডাল নিৰপেক্ষ ৰেখাই এটা উমৈহতীয়া বিন্দু স্পৰ্শ কৰিব নোৱাৰে





অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

ক) নিৰপেক্ষ ৰেখা বিশ্লেষণৰ মতে, পছন্দৰ স্থিৰতা কথাষাৰে ইয়াকেই সূচায় যে, উপভোক্তা এজনে যদি A জোঁটৰ তুলনাত B জোঁট আৰু B জোঁটৰ তুলনাত C জোঁট অধিক পছন্দ কৰে, তেতিয়া ইয়াৰ অৰ্থ এয়ে যে, উপভোক্তাজনে A জোঁটৰ তুলনাত C জোঁটটো অধিক পছন্দ কৰিব। (শুদ্ধ/অশুদ্ধ)

খ) নিৰপেক্ষ ৰেখা বিশ্লেষণৰ মতে, উপযোগিতা সাংখ্যিকভাৰে জুখিব নোৱাৰি, ইয়াক এক পছন্দৰ ক্ৰম অনুযায়ী তালিকাভুক্তহে কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ খালী ঠাই পূৰ কৰক—

ক) নিৰপেক্ষ ৰেখা এডালৰ ঢাল .....ৰ দ্বাৰা সূচোৱা হয়।

খ) দুডাল ..... পৰস্পৰে ছেদ কৰিব নোৱাৰে।

গ) এডাল নিৰপেক্ষ ৰেখাক দুবিধ সামগ্ৰীৰ বিভিন্ন জোঁটৰ ..... বুলি সংজ্ঞায়িত কৰা হয়, যিবোৰ জোঁটে উপভোক্তাজনক ..... সন্তুষ্টি প্ৰদান কৰে।

প্ৰশ্ন নং ৩ ঃ নিৰপেক্ষ ৰেখা বিশ্লেষণত উপভোক্তাৰ পছন্দৰ স্থিৰতা আৰু পছন্দৰ সংক্ৰমণশীলতা বুলিলে কি বুজা যায়? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ নিৰপেক্ষ ৰেখা অনুসূচীয়ে কি প্ৰতিনিধিত্ব কৰে? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ নিৰপেক্ষ ৰেখা এডাল ওপৰলৈ গতি কৰা গঢ়ৰ হ'ব পাৰেনে? (৬০টা শব্দৰ ভিতৰত আপোনাৰ যুক্তি আগবঢ়াওক)

.....

.....

.....

.....

.....

৫.৪ উপভোক্তাৰ ভাৰসমতা ঃ নিৰপেক্ষ ৰেখা কৌশল

উপভোক্তাৰ ভাৰসমতা নিৰপেক্ষ ৰেখা আৰু বাজেট ৰেখা ব্যৱহাৰ কৰি নিৰ্দ্ধাৰণ কৰা হয়। উপভোক্তাৰ ভাৰসমতা আলোচনা কৰাৰ আগতে এতিয়া আমি বাজেট ৰেখা ধাৰণাটিৰ বিষয়ে প্ৰথমতে আলোচনা কৰিম।

বাজেট ৰেখাৰ ধাৰণা ঃ বাজেট ৰেখা (Budget line) হ'ল— নিৰপেক্ষ ৰেখা কৌশলৰ এটা গুৰুত্বপূৰ্ণ ধাৰণা। উপভোক্তাৰ প্ৰদত্ত মুদ্ৰা আয় (M) আৰু দ্ৰব্য দুটাৰ দৰ (Px আৰু Py) ত দ্ৰব্য দুটাৰ (X আৰু Y) তেওঁ উপভোগ কৰিব পৰা বিভিন্ন জোঁটসমূহেই হ'ল বাজেট ৰেখা।

বাজেট ৰেখা বীজগণিতীয় ৰূপত এনেদৰে প্ৰকাশ কৰিব পাৰি—

$$M = PxX + PyY$$

য'ত, M মানে হ'ল উপভোক্তাজনৰ প্ৰদত্ত আয় Px আৰু Py হ'ল ক্ৰমে X আৰু Y সামগ্ৰী দুবিধৰ দাম আৰু X আৰু Yএ ক্ৰমে X আৰু Y দ্ৰব্যৰ পৰিমাণ নিৰ্দেশ কৰিছে।

ধৰা হ'ল, M = 100, Px = 10 আৰু Py = 20। এতিয়া,

ক) যদি উপভোক্তাই সকলোখিনি আয় Xৰ বাবে ব্যয় কৰে তেনেহ'লে তেওঁ X দ্ৰব্যৰ উপভোগ কৰিব পৰা পৰিমাণ—


$$X = M/Px = 100/10 = 10$$

খ) আৰু যদি তেওঁ সকলোখিনি আয় Yৰ বাবে ব্যয় কৰে তেনেহ'লে তেওঁৰ Y দ্ৰব্যৰ উপভোগ কৰিব পৰা পৰিমাণ—

$$Y = M/Py = 100/20 = 5$$

এইদৰে 10x আৰু 5y হ'ল উপভোক্তাৰ ব্যয়ৰ দুই সৰ্বোচ্চ সীমা। কিন্তু সাধাৰণতে তেওঁ এই দুই সীমাৰ ভিতৰতে দ্ৰব্য দুটাৰ জোঁট পচন্দ কৰিব। প্ৰকৃততে বাজেট ৰেখাই উপভোগৰ দুই সৰ্বোচ্চ সীমা সংযোগ কৰে আৰু এই সীমাৰ ভিতৰৰ বিন্দুবোৰে প্ৰদত্ত আয় আৰু দ্ৰব্য দুটাৰ দৰত উপলব্ধ জোঁটসমূহ দেখুৱায়। বাজেট ৰেখাৰ ধাৰণাটো চিত্ৰ ৫.৫ৰ সহায়ত দেখুওৱা হ'ল।

চিত্ৰ ৫.৫ ঃ বাজেট ৰেখা




চিত্ৰ ৫.৫ত ABএ AB বাজেট ৰেখা দেখুৱাইছে। এই AB বাজেট ৰেখাত উপভোক্তাৰ উপভোগৰ দুটা বিকল্প 10x (OB) বা 5y (OA) বা দুয়োটাৰে কিছু জোঁট। বাজেট ৰেখাৰ ঢাল হ'ল দ্ৰব্য দুটাৰ দৰৰ অনুপাত। জ্যামিতিকভাৱে—

$$\text{বাজেট ৰেখাৰ ঢাল} = \frac{M/Py}{M/Px} = \frac{Px}{Py}$$

উপভোক্তাৰ ভাৰসমতা ঃ প্ৰদত্ত বাজেট ৰেখাৰে উপভোক্তা এজনে সৰ্বোচ্চ স্থানত থকা নিৰপেক্ষ ৰেখাত অৱস্থান কৰি সন্তুষ্টি সৰ্বোচ্চ কৰিবলৈ চেষ্টা কৰিব। ইয়াক ৫.৬নং চিত্ৰৰ সহায়ত দেখুওৱা হৈছে।

চিত্ৰ ৫.৬ ঃ উপভোক্তাৰ ভাৰসমতা



চিত্ৰ ৫.৬ত দেখা গৈছে যে উপভোক্তা জনে 'e' বিন্দুত ভাৰসমতা লাভ কৰিছে য'ত নিৰপেক্ষ ৰেখা IC_2এ বাজেট ৰেখাডালক স্পৰ্শ কৰিছে। উপভোক্তাজনে AB বাজেট ৰেখা স্পৰ্শকাৰী আন দুটা বিন্দু 'a' আৰু 'b'ও বাছনি কৰিব পাৰে। কিন্তু সেইবোৰ য'ত নাকচ কৰা হৈছে, কিয়নো সেই জোঁটবোৰে তেওঁক তলৰ নিৰপেক্ষ ৰেখা IC_1লৈ যাব। উপভোক্তাজনে নিৰপেক্ষ ৰেখা IC_3ত অৱস্থান কৰিবলৈ ভাল পাব (যিহেতু IC_2ৰ তুলনাত অধিক সন্তুষ্টি লাভ কৰিব); কিন্তু প্ৰদত্তবাজেট ৰেখাই তেওঁক তাৰ বাবে অনুমতি নিদিব। চিত্ৰ ৫.৬ত দেখা যায় যে ভাৰসমতাৰ সময়ত উপভোক্তাজনে OX পৰিমানৰ X দ্ৰব্য আৰু OY পৰিমানৰ Y দ্ৰব্য উপভোগ কৰে।

এইদৰে, ভাৰসমতাৰ সময়ত—

নিৰপেক্ষ ৰেখাৰ ঢাল = বাজেট ৰেখাৰ ঢাল।

জ্যামিতিকভাৱে, MRSxy = Px/Py

নিৰপেক্ষ ৰেখা কৌশল বনাম সাংখ্যিক উপযোগিতা বিশ্লেষণ ঃ সাংখ্যিক উপযোগিতা বিশ্লেষণতকৈ নিৰপেক্ষ ৰেখা কৌশল তলৰ কাৰণসমূহৰ বাবে অধিক উন্নত—

- ই সাংখ্যিক উপযোগিতাৰ দৰে অবাস্তৱ অভিধাৰণাসমূহ দূৰ কৰিছে আৰু ক্ৰমিক উপযোগিতাৰ ধাৰণা গ্ৰহণ কৰিছে।
- ইয়াৰ জৰিয়তে দৰ বিপাকক প্ৰতিকল্পন বিপাক আৰু আয় বিপাকৰূপে ভাগ কৰি দেখুৱাব পাৰি।

- ই মুদ্ৰাৰ স্থিৰ প্ৰান্তিক উপযোগিতাৰ নিচিনা অবাস্তৱ অভিধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত নহয়।

নিৰপেক্ষ ৰেখা কৌশলৰ সীমাবদ্ধতাসমূহ ঃ নিৰপেক্ষ ৰেখা কৌশলৰ মূল সীমাবদ্ধতা-সমূহ তলত উল্লেখ কৰা হ'ল—

- নিৰপেক্ষ ৰেখা কৌশলে আমাক নতুনকৈ একো নকয় আৰু ই হ'ল কেৱল 'নতুন বটলত পুৰণি মদ'ৰ লেখিয়াহে।
- ই পূৰ্বানুমান কৰি লয় যে উপভোক্তাই তেওঁৰ সম্পূৰ্ণ অগ্ৰাধিকাৰ সূচীৰ লগত পৰিচিত, যিটো বাস্তৱ জীৱনত সঁচা নহয়।
- এই কৌশলটো কেৱল মাত্ৰ দুটা দ্ৰব্যৰ ক্ষেত্ৰতহে প্ৰযোজ্য হয়, এবাৰ যদি দুটাতকৈ বেছি দ্ৰব্য অন্তৰ্ভুক্ত কৰা হয়, বিষয়টো বিশ্লেষণৰ বাবে জটিল হৈ পৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ শুদ্ধ নে অশুদ্ধ উল্লেক কৰক—

ক) নিৰপেক্ষ ৰেখা বিশ্লেষণে মুদ্ৰাৰ স্থিৰ প্ৰান্তিক উপযোগিতা অভিধাৰণাটি বাদ দিছে। (শুদ্ধ/অশুদ্ধ)

খ) উপভোক্তা এজনে ভাৰসমতা লাভ কৰাৰ সময়ত বাজেট ৰেখাডালৰ ঢাল আৰু নিৰপেক্ষ ৰেখাডালৰ ঢাল একেই হয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৭ ঃ উপযোগিতাৰ সাংখ্যিক বিশ্লেষণৰ তুলনাত ক্ৰমিক বিশ্লেষণৰ দুটা সুবিধা উল্লেখ কৰক। (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ বাজেট ৰেখাডালৰ গাণিতিক প্ৰকাশটো উল্লেখ কৰক। (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

৫.৫ দৰ বিপাক, প্ৰতিকল্পন বিপাক আৰু আয় বিপাক

চাহিদা বিধি আলোচনা কৰোঁতে আমি উল্লেখ কৰি আহিছোঁ যে, যেতিয়া সামগ্ৰী এবিধৰ দৰৰ পৰিবৰ্তন হয়, তেতিয়া সামগ্ৰীবিধৰ চাহিদাৰো পৰিৱৰ্তন ঘটে আৰু এই পৰিৱৰ্তনটো বিপৰীতমুখী। গতিকে সামগ্ৰী এবিধৰ দৰ বৃদ্ধি পালে ইয়াৰ চাহিদা হ্ৰাস পায় বা সামগ্ৰী এবিধৰ দৰ হ্ৰাস পালে ইয়াৰ চাহিদা বৃদ্ধি পায়।

স্বাভাৱিকতে প্ৰশ্ন এটি আহিব পাৰে, এনেকুৱা কিয় হয় ? দুটা কাৰণ ইয়াৰ বাবে প্ৰধানতঃ দায়ী। প্ৰথমতে, ধৰাহ'ল উপভোক্তা এজনে দুবিধ সামগ্ৰী ভোগ কৰে, যথা, চাহ আৰু কচোৰী। আকৌ ধৰা হ'ল যে কচোৰীৰ দৰ বৃদ্ধি পালে, কিন্তু চাহৰ দৰৰ কোনো পৰিবৰ্তন হোৱা নাই। গতিকে এনেকুৱা পৰিস্থিতিত উপভোক্তাজনৰ প্ৰকৃত আয় হ্ৰাস হ'ব। এই অৰ্থত উপভোক্তাজনৰ ক্ৰয় ক্ষমতাও হ্ৰাস পাব। অৰ্থাৎ উপভোক্তাজনৰ আয়ৰ কোনো পৰিৱৰ্তন নহ'লেও ভোগৰ নিমিত্তে খৰছ কৰিব পৰা তেওঁৰ বাজেট হ্ৰাস পালে। গতিকে ক'ব পাৰি যে এই পৰিস্থিতিটো উপভোক্তাজনৰ আয় হ্ৰাস হোৱাৰ দৰে একেই। গতিকে, দৰৰ পৰিৱৰ্তনৰ ফলস্বৰূপে উপভোক্তাজনে কেনেদৰে প্ৰতিক্ৰিয়া কৰে, বা আন কথাত ক'বলৈ হ'লে, ক্ৰয় ক্ষমতাৰ হ্ৰাস পোৱাত ফলত উপভোক্তাজনে কেনে প্ৰতিক্ৰিয়া কৰে, তাকেই আয় বিপাক (Income Effect) বুলি কোৱা হয়।

দ্বিতীয় কথাটো হ'ল যেতিয়াই কচোৰীৰ দৰ বৃদ্ধি পালে, উপভোক্তাজনৰ আয় একে থকা অৱস্থাত অতিৰিক্ত এটা কচোৰী লাভ কৰিবলৈ হ'লে তেওঁ অধিক পৰিমাণে চাহ ত্যাগ কৰিব লাগিব। এই উদাহৰণটোলৈ মন কৰক। ধৰা হ'ল, কচোৰী এটাৰ দাম ৪ টকা আৰু চাহ একাপৰ দাম ২ টকা। গতিকে, তুলনামূলকভাৱে কচোৰীৰ তুলনাত চাহ সস্তা। সেই হেতুকে উপভোক্তাজনে এটা কচোৰীৰ বাবদ দুকাপ চাহ ত্যাগ কৰিব লাগে; বা একাপ চাহৰ বাবদ উপভোক্তাজনে কচোৰী এটাৰ আধা ত্যাগ কৰিব লাগে। এই অৰ্থত সামগ্ৰী এপদৰ তুলনামূলক দৰে এবিধ সামগ্ৰীৰ তুলনাত আনবিধ সামগ্ৰীৰ ব্যয়ৰ কথাটো সূচায়।


এতিয়া ধৰাহ'ল, চাহ একাপৰ দাম ৪ টকালৈ বৃদ্ধি পালে। সেয়ে, একাপ চাহৰ বাবদ উপভোক্তাজনে কচোৰী এটাৰ সম্পূৰ্ণ গোট ত্যাগ কৰিব লাগিব। মন কৰিব যে, দাম বঢ়াৰ আগতে উপভোক্তাজনে কচোৰী এটাৰ আধা ত্যাগ কৰিব লাগিছিল; এতিয়া কিন্তু তেওঁ সম্পূৰ্ণ কচোৰী এটা ত্যাগ কৰিবলগীয়া হ'ল। আকৌ কচোৰী এটা পাবৰ বাবে মাত্ৰ একাপ চাহ ত্যাগ কৰিলেই হ'ল; আগতে কিন্তু দুকাপ চাহ ত্যাগ কৰিব লাগিছিল। এই অৰ্থত, আগৰ তুলনাত এতিয়া কচোৰী তুলনামূলকভাৱে সস্তা। গতিকে সামগ্ৰী দুবিধৰ তুলনামূলক দামৰ ভিত্তিত সামগ্ৰী দুবিধৰ মাজত পছন্দ কৰোঁতে উপভোক্তা এজনে কেনেধৰণে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে, তাকেই প্ৰতিকল্পন বিপাক (Substitution Effect) বোলা হয়।

আমি উল্লেখ কৰা এই দুয়োটা বিপাক—আয় বিপাক আৰু প্ৰতিকল্পন বিপাকক একেলগে লগ কৰি দেখুৱাব পাৰি আৰু ইয়াক দৰ বিপাক (Price Effect) বুলি কোৱা হয়। গতিকে, সামগ্ৰী দুবিধৰ ভিতৰত এবিধ সামগ্ৰীৰ দৰ বৃদ্ধি পালে উপভোক্তাজনে সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত কেনেদৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰে, তাকেই দৰ বিপাকে দেখুৱায়।

দৰ বিপাক আৰু ইয়াৰ দুয়োটা উপাদান যথা প্ৰতিকল্পন বিপাক আৰু আয় বিপাক নিৰপেক্ষ ৰেখা কৌশলৰ সহায়ত ব্যাখ্যা কৰিব পাৰি। প্ৰথমে দৰ বিপাক সম্পৰ্কে আলোচনা কৰো আহক। ইয়াৰ পাছত এই দৰ বিপাকক কেনেদৰে প্ৰতিকল্পন বিপাক আৰু আয় বিপাক ৰূপে ভাঙি দেখুৱাব পাৰি, সেয়া আলোচনা কৰিম।

দৰ বিপাক ঃ নিৰপেক্ষ ৰেখা আৰু বাজেট ৰেখাৰ ধাৰণা দুটি ইতিমধ্যে আমি আলোচনা কৰি আহিছোঁ। প্ৰদত্ত আয়েৰে (বাজেট ৰেখা এডালে উপভোক্তাজনৰ আয় দেখুৱায়) x আৰু y সামগ্ৰী দুবিধৰ বিভিন্ন জোঁটৰ পছন্দৰ জৰিয়তে কেনেদৰে ভাৰসমতাত উপনীত হয়, সেয়া উল্লেখ কৰি আহিছোঁ। গতিকে আমি দেখি আহিছোঁ যে, x সামগ্ৰীবিধৰ দৰ বঢ়াৰ লগে লগে (y সামগ্ৰীবিধ আৰু উপভোক্তাজনৰ আয় একে থকা অৱস্থাত) উপভোক্তাজনৰ বাজেট ৰেখাডাল y অক্ষকেন্দ্ৰিক ঘঁড়ীৰ কাঁটাৰ দিশত, অৰ্থাৎ x অক্ষডালৰ মূল বিন্দুৰ পিনে (বা, বাঁওফালে) গতি কৰে। ৫.৭নং চিত্ৰৰ সহায়ত এয়া দেখুওৱা হৈছে।

চিত্ৰ ৫.৭ ঃ দৰ বিপাক




৫.৭নং চিত্ৰত দেখা গৈছে যে, উপভোক্তাজনে পোনতে IC_1 নিৰপেক্ষ ৰেখাডালৰ সন্মুখীন হয়। এই IC নিৰপেক্ষ ৰেখাডালৰ e_1 বিন্দুত উপভোক্তাজনে ভাৰসমতা লাভ কৰিছে, কাৰণ IC_1 ৰেখাডালৰ এই বিন্দুটোতে উপভোক্তাজনৰ AB_1 বাজেট ৰেখাডালে স্পৰ্শ কৰিছে। এই ভাৰসমতাৰ সময়ছোৱাত উপভোক্তাজনে ox_1 পৰিমাণে x সামগ্ৰীবিধ আৰু oy_1 পৰিমাণে y সামগ্ৰীবিধ ভোগ কৰিছে। এতিয়া ধৰাহ'ল x সামগ্ৰীবিধৰ দৰ বৃদ্ধি পালে। ফলস্বৰূপে, উপভোক্তাজনৰ প্ৰকৃত আয় বিৰূপভাৱে প্ৰভাৱিত হ'ব। সেয়ে, উপভোক্তাজনৰ বাজেট ৰেখাডালে মূল অক্ষৰ পিনে (o বিন্দুৰ পিনে) বাঁওফালে গতি কৰিব। এতিয়া উপভোক্তাজনৰ নতুন বাজেট ৰেখাডাল হ'ল AB_2। এই পৰিৱৰ্তিত পৰিস্থিতিত উপভোক্তাজনে সেই একেই নিৰপেক্ষ ৰেখাডালত বৰ্তি নাথাকে। উপভোক্তাজনৰ নতুন নিৰপেক্ষ ৰেখাডাল হৈছে IC_2। এই পৰিৱৰ্তিত পৰিস্থিতিত উপভোক্তাজনে e_2 বিন্দুত ভাৰসমতা লাভ কৰে, য'ত IC_2 নিৰপেক্ষ ৰেখাডালে AB_2 বাজেট ৰেখাডালক স্পৰ্শ কৰিছে। ভাৰসাম্য বিন্দু e_1ৰ পৰা e_2 বিন্দুলৈ কৰা গতিকে দৰ বিপাক (Price Effect) বোলা হয়।

এতিয়া আমি এই দৰ বিপাকক কেনেদৰে প্ৰতিকল্পন বিপাক আৰু আয় বিপাকৰূপে ভাগ কৰিব পাৰি, সেয়া আলোচনা কৰিম। প্ৰথমে প্ৰতিকল্পন বিপাকৰ আলোচনা কৰোহঁক।

প্ৰতিকল্পন বিপাক ঃ প্ৰতিকল্পন বিপাকে এটি তত্ত্বগত প্ৰশ্ন কেন্দ্ৰীভূত, "যদি উপভোক্তাজনে নতুন পৰিৱৰ্তিত দৰ পৰিস্থিতিৰ সন্মুখীন হয়, অথচ তেওঁৰ উপযোগিতা আগৰ দৰে একেই থাকে, তেতিয়া কি হ'ব? সামগ্ৰী দুবিধৰ বিভিন্নজোঁট তেওঁ কেনেদৰে পছন্দ কৰিব?" ৫.৮নং চিত্ৰৰ সহায়ত প্ৰতিকল্পন বিপাকটো দেখুওৱা হৈছে।

চিত্ৰ ৫.৮ ঃ প্ৰতিকল্পন বিপাক




মন কৰিব যে, ইয়াতে আমি বিশ্লেষণ কৰি চাব খোজা কথাটো হ'ল পৰিৱৰ্তিত বাজেট পৰিস্থিতি (বা সামগ্ৰী দুবিধৰ তুলনামূলক দৰৰ পৰিৱৰ্তন)ত যদি উপভোক্তাজনে IC_1 নিৰপেক্ষ ৰেখাতে (আমি ধৰি লৈছোঁ যে, উপভোক্তাজনৰ উপযোগিতাৰ স্তৰ একেই আছে) সামগ্ৰী দুবিধৰ বিভিন্ন জোঁট পছন্দ কৰিবলগীয়া হয়, তেতিয়া তেওঁ কি কৰিব? অৰ্থাৎ আমি চাব খোজা কথাটো হ'ল, AB_2 নতুন বাজেট ৰেখাডালত উপনীত উপভোক্তাজনে প্ৰাৰম্ভিক নিৰপেক্ষ ৰেখা IC_1ৰ বিভিন্ন জোঁটসমূহ কেনেদৰে পছন্দ কৰিব? এনেকুৱা পৰিস্থিতিত উপভোক্তাজনৰ বাজেট ৰেখাডাল পৰিৱৰ্তিত বাজেট ৰেখা AB_2ৰ সমান্তৰাল হিচাপে গতি কৰিব। চিত্ৰটিত এই বাজেট ৰেখাডালক $A'B_3$ (মোটা ডট্ ডট্ ৰেখাডাল) হিচাপে অংকন কৰা হৈছে। এই $A'B_3$ বাজেট ৰেখাডাল IC_1 নিৰপেক্ষ ৰেখাৰ e_3 বিন্দুত স্পৰ্শ কৰিছে। গতিকে e_3 বিন্দুত উপভোক্তাজনে ভাৰসমতা লাভ কৰিছে। এই e_3 বিন্দুত দেখা গৈছে যে, উপভোক্তাজনে তুলনামূলকভাবে বেছি দৰৰ x সামগ্ৰীবিধৰ কম পৰিমাণে (ox_3ৰ সলনি ox_1) আৰু তুলনামূলকভাৱে কম দৰৰ y সামগ্ৰীবিধ বেছি পৰিমাণে (oy_1ৰ সলনি oy_3) ক্ৰয় কৰিছে। গতিকে দেখা গ'ল যে, সামগ্ৰী এবিধৰ দৰৰ পৰিৱৰ্তনৰ ফলত উপভোক্তাজনে

তুলনামূলকভাৱে বেছি দৰৰ সামগ্ৰীবিধৰ সলনি তুলনামূলকভাবে কম দৰৰ সামগ্ৰীবিধৰ সৈতে প্ৰতিকল্পন কৰিব বিচাৰিছে। এয়াই প্ৰতিকল্পন বিপাক (Subsititution Effect)।

আয় বিপাক (Income Effect) ঃ সামগ্ৰী দুবিধৰ তুলনামূলক দামৰ প্ৰেক্ষাপটত উপভোক্তাজনে কেনেধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে, তাকেই আয় বিপাকে দেখুৱায়। আয় বিপাক বিশ্লেষণ কৰাৰ আগতেই প্ৰতিকল্পন বিপাকটো ইতিমধ্যেই সংঘটিত হৈ যোৱা বুলি আমি ধৰি ল'ম। এই অৰ্থত, উপভোক্তাজনৰ সেই আচৰণ সম্পৰ্কে আমি অধ্যয়ন কৰিম, যেতিয়া তেওঁ পৰিৱৰ্তিত নতুন তুলনামূলক দৰৰ পৰিণতিত এক নিম্ন স্তৰৰ নিৰপেক্ষ ৰেখাত অৱস্থান কৰিছে (যিহেতু উপভোক্তাজনৰ প্ৰকৃত আয় হ্ৰাস পাইছে, সেয়ে তেওঁ একেডাল নিৰপেক্ষ ৰেখাতে নাথাকে)। প্ৰদত্ত নতুন বাজেট ৰেখা আৰু নিম্ন স্তৰৰ নিৰপেক্ষ ৰেখা—এই পৰিস্থিতিৰ বশীভূত উপভোক্তাজনে তুলনামূলকভাৱে দুয়োটা সামগ্ৰীৰে কম পৰিমাণে ভোগ কৰিছে। মন কৰিবলগীয়া কথাটো হ'ল পৰিৱৰ্তিত দামৰ পৰিস্থিতিটো গ্ৰাহ্য কৰিলেও উপভোক্তাজনে যদি আগৰ নিৰপেক্ষ ৰেখাতে অৱস্থান কৰিবলৈ সক্ষম হ'লহেঁতেন (প্ৰতিকল্পন বিপাকৰ কথা আলোচনা কৰোঁতে এই কথাষাৰ দেখুওৱা হৈছিল) তেতিয়াহ'লে তেওঁ যি পৰিমাণে সামগ্ৰী দুবিধৰ পৰিমাণ ক্ৰয় কৰিব পাৰিলেহেতেন, এতিয়া তাতকৈ কম পৰিমাণে দুয়োবিধ সামগ্ৰী লাভ কৰিব পাৰিছে। এই কথাখিনি ৫.৯নং চিত্ৰৰ সহায়ত দেখুওৱা হৈছে।


চিত্ৰ ৫.৯ ঃ আয় বিপাক



৫.৯নং চিত্ৰৰ পৰা দেখা গৈছে যে, প্ৰতিকল্পন বিপাক ইতিমধ্যে ঘটি যোৱা অৱস্থাত আয় বিপাকৰ ফলস্বৰূপে উপভোক্তাজনে x আৰু y সামগ্ৰী দুবিধৰে কম পৰিমাণে ক্ৰয় কৰে। এই আয় বিপাকটো উপভোক্তাজনৰ e_3ৰ পৰা e_2লৈ কৰা গতিৰ জৰিয়তে দেখুওৱা হৈছে।

এই গোটেই পৰিঘটনাটো এটা চিত্ৰৰ সহায়ত দেখুৱাব পাৰি। ৫.১০নং চিত্ৰৰ সহায়ত সেয়া দেখুওৱা হৈছে।

চিত্ৰ ৫.১০ ঃ প্ৰতিকল্পন বিপাক আৰু ইয়াৰ দুয়োটা উপাংশ



৫.১০ নং চিত্ৰৰ পৰা উপভোক্তা এজনে ভোগ কৰি থকা দুবিধ সামগ্ৰীৰ ভিতৰত এবিধ সামগ্ৰীৰ দৰ বৃদ্ধিৰ ফল স্বৰূপে তেওঁৰ সামগ্ৰিক প্ৰতিক্ৰিয়া লক্ষ্য কৰিব পাৰি। সামগ্ৰিক ভাৱে চাবলৈ গ'লে x সামগ্ৰী বিধৰ দৰ বৃদ্ধিৰ ফলস্বৰূপে উপভোক্তাজনে e_1 বিন্দুৰ পৰা e_2 বিন্দুলৈ গতি কৰিছে। এয়াই দৰ বিপাক। অৱশ্যে এই প্ৰক্ৰিয়াটো আমি দুটা উপাংশ ৰূপে দেখুৱাব পাৰোঁ—প্ৰতিকল্পন বিপাক আৰু আয় বিপাক। পোন প্ৰথমে প্ৰতিকল্পন বিপাকটো সংঘটিত হয়। উপভোক্তাজনে e_1 বিন্দুৰ পৰা e_3 বিন্দুলৈ কৰা গতিৰ জৰিয়তে প্ৰতিকল্পন বিপাকটো দেখুওৱা হৈছে। প্ৰতিকল্পন বিপাকটো ইতিমধ্যেই সংঘটিত হোৱা বুলি ধৰি লৈ আয় বিপাকৰ কথাটো আলোচনা কৰা হয়। ৫.১০নং চিত্ৰত উপভোক্তাজনৰ e_3ৰ পৰা e_2 লৈ কৰা গতিৰ জৰিয়তে আয় বিপাকটো দেখওৱা হৈছে।

গতিকে ওপৰৰ আলোচনাৰ পৰা সামগ্ৰিকভাৱে আমি ক'ব পাৰোঁ যে যেতিয়া এবিধ সামগ্ৰীৰ দৰ বৃদ্ধি হয়, উপভোক্তাজনৰ প্ৰকৃত আয় বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। বা আন কথাত ক'বলৈ গ'লে উপভোক্তাজনৰ বাজেট ৰেখাডাল বেয়াকৈ প্ৰভাৱিত হয়। ফলস্বৰূপে দৰ বিপাকটো সংঘটিত হয় আৰু নতুন বাজেট ৰেখা এডালৰ সহায়ত উপভোক্তাজনে নিম্ন স্তৰৰ নিৰপেক্ষ ৰেখা এডালত ভাৰসমতা লাভ কৰে। এই নতুন ভাৰসমতাৰ সময়ত উপভোক্তাজনে তুলনামূলকভাৱে অধিক দৰৰ সামগ্ৰীৰবিধ (x সামগ্ৰী) কমকৈ আৰু তুলনামূলকভাৱে সস্তা সামগ্ৰীবিধ (y সামগ্ৰী) বেছিকৈ ভোগ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ খালী ঠাই পূৰ কৰক—

ক) দৰ বিপাকৰ ..... উপাংশ আছে।

খ) কোনো এটা সামগ্ৰীৰ দৰৰ নিম্নগামিতাৰ ফলত উপভোগ বৃদ্ধি পোৱাটোক ..... বুলি কোৱা হয়।

গ) দৰ বিপাক অধ্যয়ন কৰিবৰ বাবে ..... ব্যৱহাৰ কৰা পদ্ধতিটো হ'ল ক্ষতিপূৰণ বিচলন পদ্ধতি আৰু ..... ব্যৱহাৰ কৰা পদ্ধতিটো আছিল ব্যয় পাৰ্থক্য পদ্ধতি।

প্ৰশ্ন নং ১০ ঃ দৰবিপাক বুলিলে কি বুজে? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

প্ৰশ্ন নং ১১ ঃ প্ৰতিকল্পন বিপাক কি? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উপভোক্তাৰ আচৰণ বিধি তত্ত্বই উপভোক্তা এজনে সৰ্বোচ্চ সন্তুষ্টি বা উপযোগিতা আহৰণ কৰিবলৈ তেওঁৰ উপাৰ্জন (আয়) কেনেদৰে ব্যয় কৰে তাকে অধ্যয়ন কৰে।
- উপযোগিতা হ'ল এক বিষয় নিষ্ঠ (Subjective) ধাৰণা আৰু ইয়াৰ ধাৰণা বিভিন্ন ব্যক্তি বিশেষে বেলেগ বেলেগ হয়।
- উপযোগিতাৰ সাংখ্যিক বিশ্লেষক (Cardinalist)সকলৰ মতে উপযোগিতাৰ জোখ ল'ব পাৰি আৰু হিচাপ কৰিব পাৰি; আনহাতে, উপযোগিতাৰ ক্ৰমিক বিশ্লেষক (Ordinalist) সকলৰ মতে উপযোগিতাৰ জোখ ল'ব নোৱাৰি আৰু ইয়াক সাংখ্যিক পৰিভাষাত প্ৰকাশ কৰিব নোৱাৰি।

- সমপ্ৰান্তিক উপযোগিতা বিধি (Law of Equi-Marginal Utility) মতে, যেতিয়া সকলোবোৰ দ্ৰব্যৰ প্ৰান্তিক উপযোগিতাৰ অনুপাতবোৰ সেইবিলাকৰ সংলগ্ন দৰৰ অনুপাতৰ সৈতে সমান হয়, তেতিয়াই উপভোক্তাজনে ভাৰসমতা লাভ কৰে।
- সমপ্ৰান্তিক উপযোগিতা বিধিটো এইদৰে সমালোচনা কৰা হৈছে যে, উপযোগিতা সাংখ্যিকভাৱে জুখিব নোৱাৰি আৰু মুদ্ৰাত প্ৰান্তিক উপযোগিতাও একে নাথাকে আকৌ বিধিটোৱে ধাৰণা কৰি লোৱা ক্ৰমহাসমান উপযোগিতা বিধিটোও এক মনঃস্তাত্বিক ধাৰণাহে, যাক বাস্তৱত প্ৰতিষ্ঠা কৰিব নোৱাৰি।
- নিৰপেক্ষ ৰেখা হ'ল দুটা দ্ৰব্যৰ বিভিন্ন জোঁট সংযোগী এডাল বক্ৰৰেখা, যিয়ে উপভোক্তাৰ বাবে সমপৰিমাণৰ সন্তুষ্টিৰ সৃষ্টি কৰে যাতে যিকোনো জোঁটৰ ক্ষেত্ৰত তেওঁ নিৰপেক্ষ হৈ থাকে।
- নিৰপেক্ষ ৰেখা মানচিত্ৰ এখনে উপভোক্তাজনে অগ্ৰাধিকাৰ শ্ৰেণীভুক্ত কৰা সকলোবোৰ নিৰপেক্ষ ৰেখা দেখুৱায়। একেডাল নিৰপেক্ষ ৰেখাত থকা দ্ৰব্যজোঁটসমূহে সম পৰিমাণৰ সন্তুষ্টি সৃষ্টি কৰে। অৱশ্যে ওপৰৰ নিৰপেক্ষ ৰেখাত থকা দ্ৰব্যজোঁটসমূহে বেছি পৰিমাণৰ সন্তুষ্টিৰ সৃষ্টি কৰে আৰু তলৰ নিৰপেক্ষ ৰেখাৰ দ্ৰব্যজোঁটসমূহে কম পৰিমাণৰ সন্তুষ্টিৰ সৃষ্টি কৰে।
- উপভোক্তা এজনে সেই বিন্দুত ভাৰসাম্যতা লাভ কৰে, য'ত বাজেট ৰেখাডালে নিৰপেক্ষ ৰেখাডালক স্পৰ্শ কৰে। সাঙ্কেতিকভাৱে, $MRS_{xy} = P_x / P_y$
- দৰ বিপাকৰ দুটা ভাগ আছে— প্ৰতিকল্পন বিপাক আৰু আয় বিপাক। এই ভাগ দুটা হিক্সৰ ক্ষতিপূৰণ বিচলন পদ্ধতি বা স্লাট্স্কিৰ ব্যয় পাৰ্থক্য পদ্ধতি ব্যৱহাৰ কৰি দেখুৱাব পাৰি।



৫.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) আলম, খুৰছেদ আৰু অন্যান্য (২০০৪); *স্নাতক মহলাৰ অৰ্থতত্ত্ব (ব্যষ্টিবাদী অৰ্থবিজ্ঞান)*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ্ছ ।

২) গোস্বামী, অতুল (২০০৫); *স্নাতক মহলাৰ অৰ্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অৰ্থনৈতিক তত্ত্ব)*; ডিব্ৰুগড় ঃ ষ্টুডেণ্টছ এম্পৰিয়াম।

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics*; New Delhi: S. Chand & Co. Ltd.

2) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.

3) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.

4) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Co. Ltd.

৫.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ ক) নিৰপেক্ষ ৰেখা এডালৰ ঢাল প্ৰান্তিক প্ৰতিকল্পতাৰ হাৰৰ দ্বাৰা সূচোৱা হয়।

খ) দুডাল নিৰপেক্ষ ৰেখা পৰস্পৰে ছেদ কৰিব নোৱাৰে।

গ) এডাল নিৰপেক্ষ ৰেখাক দুবিধ সামগ্ৰীৰ বিভিন্ন জোঁটৰ সংযোগীকাৰী বক্ৰৰেখা বুলি সংজ্ঞায়িত কৰা হয়, যিবোৰ জোঁটে উপভোক্তাজনক সম-পৰিমাণৰ সন্তুষ্টি প্ৰদান কৰে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যিক উপযোগিতা তত্ত্বৰ অভিধাৰণাৰ মতে, যদি এজন উপভোক্তাই B জোঁটতকৈ A জোঁট পছন্দ কৰে আৰু C জোঁটতকৈ B জোঁট পছন্দ কৰে তেনেহ'লে তেওঁ C জোঁটতকৈ A জোঁট পছন্দ কৰিব। ইয়াকে উপভোক্তাজনৰ পছন্দৰ সংক্ৰমণশীলতা বোলা হয়।

সাঙ্কেতিকভাৱে, যদি A>B আৰু B>C তেনেহ'লে A>C.

আকৌ, পছন্দৰ স্থিৰতা মানে হৈছে কোনে এজন উপভোক্তাই যদি কোনো এক পৰিস্থিতিত B জোঁটৰ তুলনাত A জোঁটে অধিক পছন্দ কৰে, তেন্তে তেওঁ আন পৰিস্থিতিত A জোঁটৰ তুলনাত B জোঁটটো অধিক পছন্দ নকৰিব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ নিৰপেক্ষ অনসূচী এখনে দুটা দ্ৰব্যৰ বিভিন্ন জোঁটসমূহ দেখুৱায়, যিবিলাকৰ পৰা উপভোক্তাজনে সমপৰিমাণৰ সন্তুষ্টি লাভ কৰে। এই নিৰপেক্ষ অনুসূচীৰ ওপৰত ভিত্তি কৰিয়েই নিৰপেক্ষ ৰেখা এডাল অঙ্কন কৰা হয়।

৫নং প্ৰশ্নৰ উত্তৰ ঃ নিৰপেক্ষ ৰেখা এডাল ঊৰ্ধ্বমুখী হ'ব নোৱাৰে। ইয়াৰ কাৰণ হ'ল এনে ৰেখা এডালত উপভোক্তা এজনে যেতিয়াই ওপৰলৈ গতি কৰে, তেওঁ দুয়োবিধ সামগ্ৰীৰে অধিক পৰিমাণ লাভ কৰে। গতিকে, ৰেখা ডালত উপলব্ধ বিভিন্ন জোঁটসমূহৰ মাজত উপভোক্তাজন নিৰপেক্ষ হৈ থকাৰ প্ৰশ্নই নুঠে। এই কথাযাৰ নিৰপেক্ষ ৰেখা এডালৰ ধাৰণাটোৰ বিপৰীত।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ

৭নং প্ৰশ্নৰ উত্তৰ ঃ উপযোগিতাৰ সাংখ্যিক বিশ্লেষণৰ তুলনাত উপযোগিতাৰ ক্ৰমিক বিশ্লেষণৰ দুটা উল্লেখযোগ্য সুবিধা হ'ল— এই তত্ত্বটোৱে উপযোগিতাৰ সাংখ্যিক পৰিমাণ ধাৰণাটোৰ বাদ দিছে; আৰু তাৰ সলনি ক্ৰমিক ধাৰণাটোহে ব্যৱহাৰ কৰিছে।

নিৰপেক্ষ ৰেখা কৌশলৰ জৰিয়তে দৰ বিপাকক আয় বিপাক আৰু প্ৰতিকল্পন বিপাক ৰূপে ভাগ কৰিব পাৰি।

৮নং প্ৰশ্নৰ উত্তৰ ঃ বাজেট ৰেখা হ'ল— নিৰপেক্ষ ৰেখা কৌশলৰ এটা গুৰুত্বপূৰ্ণ ধাৰণা। উপভোক্তাৰ প্ৰদত্ত মুদ্ৰা আয় (M) আৰু দ্ৰব্য দুটাৰ দৰ (Px আৰু Py)ত দ্ৰব্য দুটাৰ (X আৰু Y) তেওঁ উপভোগ কৰিব পৰা বিভিন্ন জোঁটসমূহেই হ'ল বাজেট ৰেখা।

বাজেট ৰেখা বীজগণিতীয় ৰূপত এনেদৰে প্ৰকাশ কৰিব পাৰি—

$M = PxX + PyY$

য'ত X আৰু Y এ ক্ৰমে X আৰু Y দ্ৰব্যৰ পৰিমাণ নিৰ্দেশ কৰিছে।

৯নং প্ৰশ্নৰ উত্তৰ ঃ ক) দৰ বিপাকৰ দুটা উপাংশ আছে ।

খ) কোনো এটা সামগ্ৰীৰ দৰৰ নিম্নগামিতাৰ ফলত উপভোগ বৃদ্ধি পোৱাটোক দৰ বিপাক বুলি কোৱা হয়।

গ) দৰ বিপাক অধ্যয়ন কৰিবৰ বাবে হিক্সে ব্যৱহাৰ কৰা পদ্ধতিটো হ'ল ক্ষতিপূৰণ বিচলন পদ্ধতি আৰু স্লাট্স্কিয়ে ব্যৱহাৰ কৰা পদ্ধতিটো আছিল ব্যয় পাৰ্থক্য পদ্ধতি।

১০নং প্ৰশ্নৰ উত্তৰ ঃ যদি এজন উপভোক্তাই x আৰু y দ্ৰব্য দুটা উপভোগ কৰে আৰু y দ্ৰব্যৰ দৰ একে থকা অৱস্থাত x দ্ৰব্যৰ দৰ কমি যায় তেতিয়া সেই উপভোক্তাজনৰ প্ৰকৃত আয় বাঢ়ি আহে। ইয়াৰ কাৰণ হ'ল তেতিয়া তেওঁ প্ৰদত্ত আয়েৰে বেছি পৰিমাণে x দ্ৰব্য উপভোগ কৰিব পাৰে। কোনো এটা দ্ৰব্যৰ দৰ কমি যোৱাৰ কাৰণে দ্ৰব্যটোৰ উপভোগ বৃদ্ধিকেই দৰ বিপাক (Price effect) বুলি কোৱা হয়।

১১নং প্ৰশ্নৰ উত্তৰ ঃ উপভোক্তা এজনে yৰ সলনি xৰ উপভোগৰ পৰিমাণ বৃদ্ধি কৰিব যেতিয়া তেওঁ দেখে যে, yৰ তুলনাত x অধিক সস্তা। ইয়াকে প্ৰতিকল্পন বিপাক বোলা হয়। অৰ্থাৎ আপেক্ষিক দামৰ পৰিবৰ্তনৰ ফলত গ্ৰাহক এজন তেওঁ উপভোগ কৰা সামগ্ৰী দুটাৰ পৰিমাণৰ সালসলনি কৰিব লগা হয়। ইয়াৰ ফলত তেওঁৰ অৱস্থাৰ কোনো সলনি নহয়; কেৱল সামগ্ৰী দুটাৰ ভোগকৰা পৰিমাণবহে সলনি হয়।



৫.৯ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (৭৫টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক) ঃ

প্ৰশ্ন নং ১ ঃ উপযোগিতাৰ সাংখ্যিক বিশ্লেষণ আৰু ক্ৰমিক বিশ্লেষণৰ মাজৰ পাৰ্থক্য দেখুৱাওক। এই দুয়োটাৰ ভিতৰত কোনটো অধিক গ্ৰহণযোগ্য আৰু কিয়?

প্ৰশ্ন নং ২ ঃ সাংখ্যিক উপযোগিতা কি?

খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ উপযোগিতাৰ সাংখ্যিক উপযোগিতাৰ অভিধাৰণাসমূহ আলোচনা কৰক। এই অভিধাৰণাসমূহ কেনেদৰে সমালোচনা কৰা হৈছে?

প্ৰশ্ন নং ২ ঃ নিৰপেক্ষ মানচিত্ৰ কি? নিৰপেক্ষ ৰেখা এডাল তললৈ নামি অহা বক্ৰ ৰেখা আকৃতিৰ কিয় হয়?

প্ৰশ্ন নং ৩ ঃ উপযুক্ত চিত্ৰৰ সহায়ত বাজেট ৰেখা ধাৰণাটো আলোচনা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ নিৰপেক্ষ ৰেখা কি? নিৰপেক্ষ ৰেখাৰ বিভিন্ন বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ নিৰপেক্ষ ৰেখা আৰু বাজেট ৰেখা ব্যৱহাৰ কৰি উপভোক্তাৰ ভাৰসাম্য নিৰ্দ্ধাৰণ কৰক।

প্ৰশ্ন নং ৩ ঃ দৰৰ হ্ৰাসৰ ফলস্বৰূপে 'দৰ বিপাক' দেখুৱাওক। দৰ বিপাকক প্ৰতিকল্পন বিপাক আৰু আয় বিপাকত ভাগ কৰি দেখুৱাওক।

*** ***** ***

অধ্যায় ৬ ঃ আয়ৰ ধাৰণা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ মুঠ আয়, গড় আয় আৰু প্ৰান্তিক আয়ৰ ধাৰণা
৬.৪ মুঠ আয়, গড় আয় আৰু প্ৰান্তিক আয় ৰেখাৰ মাজৰ সম্পৰ্ক
৬.৫ মুঠ আয়, গড় আয়, প্ৰান্তিক আয় আৰু চাহিদাৰ দৰ স্থিতিস্থাপকতাৰ মাজৰ সম্পৰ্ক
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্ৰগতিৰ খতিয়ান
৬.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মুঠ আয়, গড় আয় আৰু প্ৰান্তিক আয়ৰ ধাৰণা আলোচনা কৰিব পাৰিব
- গড় আয় আৰু প্ৰান্তিক আয় ৰেখাৰ মাজৰ সম্পৰ্ক লাভ কৰিব পাৰিব
- মুঠ আয়, গড় আয়, প্ৰান্তিক আয় আৰু চাহিদাৰ দৰ স্থিতিস্থাপকতাৰ মাজৰ সম্পৰ্ক দেখুৱাব পাৰিব।

৬.২ পৰিচয়

আগৰ অধ্যায়কেইটাত আমি ইতিমধ্যেই এজন ব্যক্তিৰ দৃষ্টিকোণৰ পৰা চাহিদাৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰি আহিছোঁ। সেই সন্দৰ্ভত আমি উল্লেখ কৰি আহিছোঁ যে উপভোক্তাই কোনো সামগ্ৰী বা সেৱা এইবাবেই ক্ৰয় কৰে কাৰণ সেইবোৰৰ পৰা উপভোক্তা এজনে কোনো উপযোগিতা লাভ কৰে। ইয়াৰ অৰ্থ এয়ে যে, বজাৰত উপলব্ধ কোনো এক সামগ্ৰী আৰু যদি সেই সামগ্ৰীবিধ গ্ৰাহকে ক্ৰয় কৰে তেন্তে তাৰ চাহিদা আছে। কথাষাৰ বিক্ৰেতা এজনৰ দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চাওঁ আহক। এজন বিক্ৰেতা তেওঁৰ সামগ্ৰীসমূহৰ চাহিদাৰ ধৰণ সম্পৰ্কে সততে সজাগ। ইয়াৰ কাৰণ হ'ল গ্ৰাহক এজনৰ চাহিদাই তেওঁৰ আয় নিৰূপণ কৰে। সামগ্ৰীবিধৰ চাহিদা যিমানে বেছি হ'ব বিক্ৰেতাজনে তাৰ পৰা সিমানেই বেছি আয় লাভ কৰিব। এজন বিক্ৰেতাৰ দৃষ্টিকোণৰ পৰা চালে আয়ৰ ধাৰণাটিৰ তিনিটা বিশেষ প্ৰকাৰ লাভ কৰোঁ ঃ গড় আয় (Average Revenue), প্ৰান্তিক আয় (Marginal Revenue) আৰু মুঠ আয় (Total Revenue)। এই অধ্যায়টিত আমি আয়ৰ এই ধাৰণা তিনিটা আৰু সিহঁতৰ মাজৰ সম্পৰ্ক আলোচনা কৰিম।

তদুপৰি ইতিপূৰ্বে প্ৰথম যান্মাসিকত আলোচনা কৰি অহা দৰে স্থিতিস্থাপকতাৰ লগত এই ধাৰণাসমূহৰ সম্পৰ্কটো কেনেধৰণৰ সেয়াও বিচাৰ কৰি চাম।

৬.৩ মুঠ আয়, গড় আয় আৰু প্ৰান্তিক আয়ৰ ধাৰণা

আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে কোনো এবিধ সামগ্ৰীৰ বাবদ উপভোক্তা এজনে আদায় দিয়া দৰে বিক্ৰেতা এজনৰ বাবে আয় সৃষ্টি কৰে। এই হেতুকে, বিক্ৰেতা এজনে যিমানেই বেছি পৰিমাণে বিক্ৰী কৰিব, সিমানেই তেওঁৰ আয়ৰ পৰিমাণো বেছি হ'ব। সামগ্ৰী এপদ বিক্ৰী কৰি বিক্ৰেতা এজনে লাভ কৰা মুঠ আয় (Total Revenue) দুটা প্ৰাথমিক কথাৰ ওপৰত নিৰ্ভৰ কৰে; প্ৰথমতে, সামগ্ৰীবিধৰ এক এককৰ দাম আৰু দ্বিতীয় কথাটো হ'ল সামগ্ৰীবিধৰ বিক্ৰীৰ পৰিমাণ। সামগ্ৰী বিধৰ প্ৰতি এককৰ বাবদ পোৱা আয় হ'ল গড় আয় (Average Revenue)। ঠিক সেইদৰে, সামগ্ৰীবিধৰ এক একক (Unit) বেছিকৈ বিক্ৰী কৰি লাভ কৰা অতিৰিক্ত আয়েই হৈছে প্ৰান্তিক আয় (Marginal Revenue)। এই ধাৰণাকেইটা অলপ বহলাই আলোচনা কৰোঁ আহক।

মুঠ আয় (Total Revenue) ঃ কোনো এপদ সামগ্ৰী বিক্ৰীৰ বাবদ বিক্ৰেতা এজনে লাভ কৰা সমস্ত আয়খিনিয়েই হৈছে মুঠ আয় (Total Revenue)। ধৰা হওঁক এজন বিক্ৰেতাই ১৫০টা কলম বিক্ৰী কৰিছে আৰু প্ৰতিটো কলমৰ দাম হৈছে ১৫ টকা। গতিকে, বিক্ৰেতাজনে লাভ কৰা মুঠ আয়ৰ পৰিমাণ হৈছে ১৮০০ টকা (১২ টকা × ১৫০)। গতিকে,

মুঠ আয় = বজাৰ দৰ × মুঠ বিক্ৰীৰ পৰিমাণ

সাঙ্কেতিকভাৱে TR = P x Q

ইয়াত, TR হৈছে মুঠ আয় (total revenue), P হৈছে বজাৰ দৰ আৰু Q হৈছে মুঠ বিক্ৰীৰ পৰিমাণ।

গড় আয় (Average Revenue) ঃ মুঠ আয়ক মুঠ বিক্ৰীৰ মুঠ পৰিমাণেৰে ভাগ কৰিলে গড় আয় পাব পাৰি। গতিকে,

$$\text{গড় আয়} = \frac{\text{মুঠ আয়}}{\text{মুঠ বিক্ৰীৰ পৰিমাণ}}$$

সাঙ্কেতিক ৰূপত, $AR = \frac{TR}{Q}$

ইয়াত, AR মানে হৈছে গড় আয় (Average Revenue) মানে হৈছে মুঠ আয় আৰু Q মানে হৈছে মুঠ বিক্ৰীৰ পৰিমাণ।

ইতিমধ্যে উল্লেখ কৰি অহা উদাহৰণটোৰ ক্ষেত্ৰত মুঠ আয় (১৮০০ টকা)ক মুঠ বিক্ৰীৰ পৰিমাণ (১৫০টা) একে ভাগ কৰিলে আমি গড় আয় ১২ টকা পাওঁ।

ওপৰৰ আলোচনাৰ পৰা এটা কথা প্ৰতীয়মান হৈছে যে, গড় আয় আৰু সামগ্ৰী এপদৰ দৰ দুয়োটাই একে কথা। এয়া হ'ব পাৰে; অৱশ্যে নহ'বও পাৰে। মন কৰিব, বিক্ৰেতাজনে যদি সামগ্ৰীবিধৰ প্ৰত্যেকটো একক একেটা দামতে বিক্ৰী কৰে, তেতিয়া গড় আয় আৰু দাম একে

হ'ব। ইয়াৰ বিপৰীতে যদি বিক্রেতাজনে সামগ্রীবিধৰ বিভিন্ন গোটসমূহ বেলেগে বেলেগ দামত বিক্রী কৰে, তেতিয়া গড় আয় আৰু দাম একে নহয়। এই উদাহৰণটোলৈ মন কৰক। ধৰা হ'ল, আমাৰ বিক্রেতাজনে দুজন বেলেগ বেলেগ গ্রাহকক দুটা কলম বেলেগ দামত বিক্রী কৰিলে, যথা— প্রথমজনক ১২ টকা দৰত আৰু আনজনক ১০ টকা দৰত। গতিকে, সামগ্রীবিধৰ গড় দাম হ'ল (১২ + ১০) = ১১ টকা। মন কৰিব যে, সামগ্রীবিধৰ দুটাৰ দাম আছিল ক্রমে ১২ টকা আৰু ১০ টকা।

দৰাচলতে দেখা যায় যে বিক্রেতা এজনে সামগ্রী এপদৰ বিভিন্ন গোট (Unit) একেটা দামতেই বিক্রী কৰে। ইয়াৰ কাৰণ হ'ল, বিক্রেতা এজনে যদি সামগ্রী এপদৰ বিভিন্ন গোটৰ বাবদ বজাৰ দৰতকৈ বেছি দৰ ল'ব বিচাৰে, তেতিয়া উপভোক্তাই সামগ্রীবিধ তেওঁৰ পৰা নিকিনি আন বিক্রেতাৰ পৰা কিনিব। ইয়াৰ বিপৰীতে কিন্তু বিক্রেতাজনে নিজৰ ইচ্ছা মতে সামগ্রীবিধৰ দাম কমাবও নোৱাৰে। কাৰণ বিক্রেতাজনে সামগ্রীবিধৰ দাম কমাবলৈ চেষ্টা কৰাৰ লগে লগে আন আন বিক্রেতাবোৰেও একেই কামকেই কৰিব। অর্থাৎ বজাৰখনৰ পৰা তেওঁ প্রতিযোগিতাৰ সন্মুখীন হ'ব আৰু অৱশেষত একেটা দৰেই বজাৰখনত প্রচলিত হ'ব। সেইবাবে, অর্থবিজ্ঞানত গড় আয় বুলিলে বজাৰ দৰকেই বুজোৱা হয়, অৱশ্যে দৰ বিভেদীকৰণ (Price Discrimination)ৰ ক্ষেত্রত কথাটো সুকীয়া। এই বিষয়ে আমি পৰৱর্তী কালত আলোচনা কৰিম।

আন এটা মন কৰিবলগীয়া দৰকাৰী কথা হ'ল আমি ইতিমধ্যে কৈ আহিছোঁ যে, উপভোক্তাৰ চাহিদাই বিক্রেতাৰ বাবে আয় সৃষ্টি কৰে। সেই হেতুকে, উপভোক্তা এজনৰ চাহিদা ৰেখা আৰু বিক্রেতা এজনৰ আয় ৰেখাডাল একেই।

প্রান্তিক আয় (Marginal Revenue) ঃ প্রান্তিক আয় হ'ল সামগ্রী এবিধৰ অতিৰিক্ত এক গোট বেছিকৈ বিক্রী কৰি লাভ কৰা শুদ্ধ (Net) আয়। গতিকে, এক একক অধিককৈ বিক্রী কৰাৰ ফলত মুঠ আয়ৰ কি পৰিৱর্তন হয়, সেয়া লক্ষ্য কৰিলে আমি প্রান্তিক আয় লাভ কৰিব পাৰোঁ।

গতিকে, প্রান্তিক আয় হৈছে—

$$\text{প্রান্তিক আয়} = \frac{\text{মুঠ আয়ৰ পৰিৱর্তন}}{\text{মুঠ বিক্রীৰ পৰিমাণৰ পৰিৱর্তন}}$$

সাঙ্কেতিকভাৱে, $MR = \frac{\Delta TR}{\Delta Q}$

ইয়াত, MR মানে হৈছে প্রান্তিক আয়, TR মানে হৈছে মুঠ আয়, Q হৈছে মুঠ বিক্রীৰ পৰিমাণ আৰু Δ হৈছে পৰিৱর্তনৰ পৰিমাণ।

এতিয়া আমি আগতেই উল্লেখ কৰি অহা কলমৰ বিক্রেতাজনলৈ মন কৰোঁচোন। ধৰা হওঁক ১২ টকাকৈ প্রতিটো গোট বিক্রী কৰা বিক্রেতাজনে ১৫১নং গোটটোও ১২ টকাতেই বিক্রী কৰিলে। এই ক্ষেত্রত বিক্রেতাজনৰ মুঠ আয় হ'ব ১৮১২ টকা (১৮০০+১২) টকা। গতিকে প্রান্তিক আয় হ'ব (১৮১২-১৮০০) = ১২ টকা। এয়া গড় আয়ৰ সৈতে একেই।

অৱশ্যে আগতেই বিক্রী কৰি অহা দামৰ সলনি যদি অতিৰিক্ত গোটটোৰ বাবদ এক বেলেগ দাম বিক্রেতাজনে লয়, তেতিয়া গড় আয় আৰু প্রান্তিক আয় একেটাই নহয়। ধৰা হওঁক বিক্রেতাজনে আগৰ ১৫০টা কলম ১২ টকাকৈ বিক্রী কৰিলে; কিন্তু তাৰ পৰৱর্তী ১৫১নং গোটটোৰ বাবদ ১১.৫০ টকা ল'লে। গতিকে মুঠ আয়ৰ পৰিমাণ হ'বগৈ ১৮১১.৫০ (১৮০০+১১.৫০) টকা আৰু প্রান্তিক আয়ৰ পৰিমাণ হ'বগৈ (১৮১১.৫০-১৮০০) = ১১.৫০ টকা।

৬.৪ মুঠ আয়, গড় আয় আৰু প্রান্তিক আয় ৰেখাৰ মাজৰ সম্পর্ক

ওপৰৰ আলোচনাৰ পৰা ইতিধ্যে আমি গড় আয়, প্রান্তিক আয় আৰু মুঠ আয় সম্পর্কে কিছু ধাৰণা লাভ কৰিলোঁ। এই অংশটিত আমি আয়ৰ এই ধাৰণাসমূহৰ আন্তঃসম্পর্ক সম্বন্ধে কিছু কথা বহলাই আলোচনা কৰিম। প্রথমতে আমি এই ধাৰণাকেইটাৰ ৰৈখিক উপস্থাপন কেনে ধৰণৰ হ'ব সেয়া আলোচনা কৰোঁ আহক।

আয়ৰ ধাৰণাসমূহৰ মাজৰ আন্তঃসম্পর্ক আলোচনা কৰাৰ আগতে এটা কথা জনাটো দৰকাৰ। কথাটো হৈছে আয়ৰ ধাৰণাসমূহৰ মাজৰ আন্তঃসম্পর্কৰ লগত বিক্রেতাজনে কেনে ধৰণৰ বজাৰ এখনত ব্যৱসায় কৰি আছে তাৰ সৈতে ওতঃপ্রোত সম্পর্ক আছে। এই অর্থত, আয়ৰ ৰেখাসমূহৰ ৰৈখিক গঠন কেনে ধৰণৰ হ'ব সেয়া বজাৰখনৰ ধাৰণাৰ ওপৰত নির্ভৰ কৰে। বজাৰ এখন কেনে ধৰণৰ হ'ব পাৰে সেয়া আমি পাছৰ অধ্যায়ত আলোচনা কৰিম। এতিয়া থূলমূলকৈ জানি থোৱা ভাল হ'ব যে, বজাৰ এখনক প্রধানকৈ দুটা ভাগত ভগাব পাৰি, বিশেষকৈ, পূর্ণ প্রতিযোগিতামূলক বজাৰ (Perfect Competition) আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰ (Imperfect Competition)। পূর্ণ প্রতিযোগিতামূলক বজাৰখন হৈছে এনে এক বজাৰ য'ত অসংখ্য গ্রাহক আৰু বিক্রেতাৰ উপস্থিতিৰ ফলস্বৰূপে কোনো এজন ব্যক্তিগত ক্রেতা বা বিক্রেতাই সমগুণসম্পন্ন সামগ্রী (Homogeneous Products) বিধৰ দৰৰ ওপৰত কোনো ধৰণৰ প্রভাৱ বিস্তাৰ কৰিব নোৱাৰে। গতিকে, বিক্রেতা এজনে প্রচলিত বজাৰ দৰত সামগ্রীবিধ যিকোনো পৰিমাণে যোগান ধৰিব পাৰে আৰু বিক্রেতা এজনেও প্রচলিত বজাৰ দৰত সামগ্রীবিধৰ যিকোনো পৰিমাণ কিনিব পাৰে। অৱশ্যে কোনো এজন ব্যক্তিগত বিক্রেতা বা ক্রেতাই বজাৰ দৰৰ ওপৰত কোনো প্রভাৱ বিস্তাৰ কৰিব নোৱাৰে। আকৌ, বিভিন্ন বিক্রেতাৰ সামগ্রীসমূহ সমগুণ বিশিষ্ট (Homegeneous) সেইবোৰৰ মাজত কোনো ধৰণৰ পার্থক্য নাই। পূর্ণ প্রতিযোগিতামূলক বজাৰৰ অনুপস্থিতিয়ে বজাৰখনত অপূর্ণ প্রতিযোগিতামূলক বজাৰৰ উপস্থিতি সূচায়। অপূর্ণ প্রতিযোগিতামূলক বজাৰত বিক্রেতা এজনৰ বজাৰ দৰ নির্দ্ধাৰণৰ ক্ষেত্রত ক্ষমতা থাকিবও পাৰে। গতিকে, অপূর্ণ প্রতিযোগিতামূলক বজাৰত দৰ নির্দ্ধাৰণৰ ক্ষেত্রত বিক্রেতা এজনৰ সম্পূর্ণ ক্ষমতা থাকিব পাৰে; আৰু কেতিয়াবা ই আংশিকো হ'ব পাৰে। অৱশ্যে অপূর্ণ প্রতিযোগিতামূলক বজাৰৰ বহুকেইটা প্রকাৰ আছে আৰু বিক্রেতা এজনৰ দৰ নির্দ্ধাৰণৰ ক্ষমতা বজাৰখনৰ প্রকাৰৰ ওপৰত নির্ভৰশীল।

এতিয়া আমি পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ (Perfect Competition) আৰু অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ (Imperfect Competition)ৰ ক্ষেত্ৰত মুঠ আয়, গড় আয় আৰু প্ৰান্তিক আয়ৰ প্ৰকৃতি আৰু গঠন কেনে ধৰণৰ হয় বিশ্লেষণ কৰি চাওঁ আহক।

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ বিক্ৰেতা এজনৰ মুঠ আয়, গড় আয় আৰু প্ৰান্তিক আয় ঃ আমি ইতিমধ্যে উল্লেখ কৰি আহিছো যে, পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত প্ৰতিষ্ঠান এখনে প্ৰচলিত বজাৰ দৰ মানি চলিবলগীয়া হয় আৰু সেই দৰত সামগ্ৰীবিদৰ যিকোনো পৰিমাণে বজাৰত যোগান ধৰিব পাৰে (পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ সম্পৰ্কে তৃতীয় ষান্মাসিকত বহলাই আলোচনা কৰিম)। পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্ভুক্ত বিক্ৰেতা প্ৰতিষ্ঠান এখনৰ গড় আয়, মুঠ আয় আৰু প্ৰান্তিক আয় তলৰ ৬.১নং তালিকাত দেখুওৱা হ'ল—


তালিকা নং ৬.১ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ প্ৰতিষ্ঠান এখনৰ গড় আয়, মুঠ আয় আৰু প্ৰান্তিক আয় অনুসূচী

বিক্ৰীৰ পৰিমাণ (Q)	দৰ বা গড় আয় (AR)	মুঠ আয় (TR)	প্ৰান্তিক আয় (MR)
১	১৪	১৪	১৪
২	১৪	২৮	১৪
৩	১৪	৪২	১৪
৪	১৪	৫৬	১৪
৫	১৪	৭০	১৪

উপৰ্যুক্ত ৬.১নং অনুসূচীত আধাৰত মুঠ আয়, গড় আয় আৰু প্ৰান্তিক আয় ৰেখাৰ ৰৈখিক গঠন তলত দেখুওৱা হ'ল।


মুঠ আয় ৰেখা ঃ তলৰ ৬.১নং চিত্ৰত পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ বিক্ৰেতা এজনৰ মুঠ আয় ৰেখাডাল দেখুওৱা হৈছে। চিত্ৰটিত দেখা গৈছে যে, মুঠ আয় ৰেখাডাল দেখুওৱা হৈছে। চিত্ৰটিত দেখা গৈছে যে, মুঠ আয় ৰেখাডাল ক্ৰমে ওপৰৰ পিনে উঠি যোৱা এক পোন ৰেখা। এই ৰেখাডাল বিক্ৰেতা প্ৰতিষ্ঠান এখনৰ যোগান ৰেখাও।

চিত্ৰ ৬.১ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ বিক্ৰেতা প্ৰতিষ্ঠান এখনৰ মুঠ আয় ৰেখা



গড় আয় আৰু প্ৰান্তিক আয় ৰেখা ঃ আমি ইতিমধ্যে উল্লেখ কৰি আহিছো যে পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত বজাৰ দৰ স্থিৰ আৰু বিক্ৰেতা প্ৰতিষ্ঠান এখনে বজাৰ দৰৰ ওপৰত কোনো প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। আকৌ, প্ৰচলিত বজাৰ দৰত প্ৰতিষ্ঠানখনে যিকোনো পৰিমাণৰ সামগ্ৰী বজাৰত যোগান ধৰিব পাৰে। সেইবাবে, প্ৰচলিত বজাৰ দৰেই হৈছে বিক্ৰেতা প্ৰতিষ্ঠান এখনৰ গড় আয় আৰু লগতে প্ৰান্তিক আয়ো। ওপৰৰ ১.১নং তালিকাৰ পৰা এয়া ওলাই পৰে। তালিকাখনৰ পৰা এয়া স্পষ্ট যে, প্ৰচলিত বজাৰ দৰ ১৪ টকাই হৈছে প্ৰতিষ্ঠান এখনৰ গড় আয় আৰু প্ৰান্তিক আয়। গতিকে, গড় আয় আৰু প্ৰান্তিক আয় ৰেখাও একেডালেই। ৬.২নং চিত্ৰৰ সহায়ত এয়া দেখুওৱা হৈছে—

চিত্ৰ নং ৬.২ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ বিক্ৰেতা প্ৰতিষ্ঠান এখনৰ গড় আয়, প্ৰান্তিক আয় আৰু মুঠ আয় ৰেখা



অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ বিক্ৰেতা প্ৰতিষ্ঠান এখনৰ গড় আয়, মুঠ আয় আৰু প্ৰান্তিক আয় ৰেখা ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ লেখিয়াকৈ অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ প্ৰতিষ্ঠান এখনে সামগ্ৰী এবিধ একেটা দৰতে বিক্ৰী কৰিব নালাগে। ইয়াৰ অৰ্থ এয়ে যে, দৰ কমিলে প্ৰতিষ্টান এখনে বেছি পৰিমাণৰ সামগ্ৰী বিক্ৰী কৰিব পাৰে। ৬.২নং তালিকাত গড় আয়, প্ৰান্তিক আৰু মুঠ আয়ৰ এখন কাল্পনিক অনুসূচী দেখুওৱা হৈছে।


তালিকা ৬.২ ঃ অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ বিক্ৰেতা প্ৰতিষ্ঠান এখনৰ গড় আয়, মুঠ আয় আৰু প্ৰান্তিক আয় অনুসূচী

বিক্ৰীৰ পৰিমাণ (Q)	দৰ বা গড় আয় (AR)	মুঠ আয় (TR)	প্ৰান্তিক আয় (MR)
১	২০	২০	২০
২	১৯	৩৮	১৮
৩	১৮	৫৪	১৬
৪	১৭	৬৮	১৪
৫	১৬	৮০	১২
৬	১৫	৯০	১০
৭	১৪	৯৮	৮

৮	১৩	১০৪	৬
৯	১২	১০৮	৪
১০	১১	১১০	২
১১	১০	১১০	০
১২	৯	১০৮	–২
১৩	৮	১০০	–৪

ওপৰৰ তালিকাৰ পৰা দেখা গৈছে যে, গড় আয় ১ টকা কমিলে বিক্ৰীৰ পৰিমাণ ১ এককৈ বৃদ্ধি পাইছে; কিন্তু ইয়াৰ বিপৰীতে প্ৰান্তিক আয় ২ টকাকৈ হ্ৰাস পাইছে। আকৌ যি সময়ত প্ৰান্তিক আয় ০, সেই সময়ত মুঠ আয় সৰ্বোচ্চ। পৰৱৰ্তী সময়ত প্ৰান্তিক আয় ঋণাত্মক হৈছে আৰু মুঠ আয় কমিবলৈ লৈছে। এই তালিকাখন ৬.৩নং চিত্ৰৰ সহায়ত দেখুওৱা হৈছে।

চিত্ৰ নং ৬.৩ ঃ অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ বিক্ৰেতা প্ৰতিষ্ঠান এখনৰ গড় আয়, প্ৰান্তিক আয় আৰু মুঠ আয় ৰেখা



৬.৩নং চিত্রটিৰ পৰা দেখা গৈছে যে, পূর্ণ প্রতিযোগিতামূলক বজাৰৰ লেখিয়াকৈ অপূর্ণ প্রতিযোগিতামূলক বজাৰৰ বিক্রেতা এজনৰ গড় আয় আৰু প্রান্তিক আয় ৰেখাডাল একে নহয়। অৱশ্যে দুয়োডাল ৰেখা তললৈ ঢাল খোৱা। আকৌ, গড় আয় ৰেখাডালৰ তুলনাত প্রান্তিক আয় ৰেখাডাল x-অক্ষৰ পিনে দুগুণ ঢাল খোৱা। ইয়াৰ কাৰণটো হ'ল— ৬.২নং তালিকাখনৰ পৰা দেখা গৈছে যে, যেতিয়া সামগ্রীবিধৰ বিক্রী ১ একক বৃদ্ধি কৰা হয়, গড় আয় ১ টকাকৈ কমে; কিন্তু ইয়াৰ বিপৰীতে প্রান্তিক আয় ২ টকাকৈ কমে। যদি আমি x-অক্ষ্যৰ সমান্তৰালকৈ AR ৰেখা স্পর্শকাৰী ৰেখা এডাল আঁকো, —চিত্রত দেখুওৱাৰ দৰে AB ৰেখাডাল আঁকো, আমি দেখিম যে MR ৰেখাডালে সেই ৰেখাডালৰ মধ্যবিন্দুত কটাকটি কৰে। গতিকে AC = ABৰ আধা।

আকৌ, দেখা গৈছে যে, যেতিয়ালৈকে প্রান্তিক আয় ক্রমান্বয়ে কমি শূন্যলৈ হ্রাস হোৱা নাই, মুঠ আয় বাঢ়িয়েই আছে। তাৰ পাছত, প্রান্তিক আয় যেতিয়া ঋণাত্মক হ'ব লৈছে, মুঠ আয় ক্রমান্বয়ে কমি আহিছে। গতিকে দেখা গৈছে যে অপূর্ণ প্রতিযোগিতামূলক বজাৰত মুঠ আয় ৰেখাডালৰো গঠন পূর্ণ প্রতিযোগিতামূলক বজাৰতকৈ পৃথক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰত গড় আয় আৰু প্রান্তিক আয় ৰেখা একেডালেই কিয় হয়?

(৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰ আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰৰ মুঠ আয় ৰেখাৰ গঠন একেই নে? (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ মুঠ আয়ৰ পৰা গড় আয় কেনেদৰে লাভ কৰিব? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

৬.৫ মুঠ আয়, গড় আয়, প্ৰান্তিক আয় আৰু চাহিদাৰ দৰ স্থিতিস্থাপকতাৰ মাজৰ সম্পৰ্ক

আমি উল্লেখ কৰি আহিছোঁ যে, এডাল আনুভূমিক (Horizontal) চাহিদা ৰেখাৰ (পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ ক্ষেত্ৰত প্ৰযোজ্য) চাহিদাৰ দৰ স্থিতিস্থাপকতা অসীম (Infinite)। আমি ইয়াকো আলোচনা কৰি আহিছোঁ যে, এডাল পোন (Linear) চাহিদা ৰেখাৰ বিভিন্ন বিন্দুত চাহিদাৰ দৰ স্থিতিস্থাপকতা বেলেগ বেলেগ হয়। পোন চাহিদা ৰেখা (Linear Demand Eurve) ডাল (অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত প্ৰযোজ্য) গড় আয়, প্ৰান্তিক আয়, মুঠ আয় ৰেখাৰ সৈতে চাহিদাৰ দৰ স্থিতিস্থাপকতাৰ সম্পৰ্ক দেখুৱাবলৈ আমি ব্যৱহাৰ কৰিব পাৰোঁ।

গড় আয়, প্ৰান্তিক আয় আৰু চাহিদাৰ দৰ স্থিতিস্থাপকতাৰ মাজৰ সম্পৰ্ক তলত দেখুওৱা ধৰণে প্ৰকাশ কৰিব পাৰি—

$$MR = AR\left[\frac{e-1}{e}\right]$$

ইয়াত MR হৈছে প্ৰান্তিক আয়, AR হৈছে গড় আয় আৰু e হৈছে চাহিদাৰ দৰ স্থিতিস্থাপকতা।

উপৰ্যুক্ত সম্পৰ্কটোৰ পৰা গড় আয় চাহিদাৰ দৰ স্থিতিস্থাপকতা দিয়া থাকিলে প্ৰান্তিক আয় আনি উলিয়াব পাৰিম।

উদাহৰণস্বৰূপে, ধৰা হওঁক, e = 1

গতিকে, $MR = AR\left[\frac{1-1}{1}\right]$

MR = AR x 0 = 0

আকৌ, এই সমীকৰণটোৰ পৰা আমি পাওঁ যে,

যদি e > 1, প্ৰান্তিক আয় যোগাত্মক, আৰু

যদি e < 1, প্ৰান্তিক আয় ঋণাত্মক।


গড় আয়, প্ৰান্তিক আয়, মুঠ আয় আৰু চাহিদাৰ দৰ স্থিতিস্থাপকতাৰ মাজৰ সম্পৰ্ক সিপিঠিৰ ৬.৪নং চিত্ৰৰ সহায়ত দেখুওৱা হৈছে।

৬.৪নং চিত্ৰটিৰ পৰা দেখা গৈছে যে, DD চাহিদা ৰেখাৰ মধ্যবিন্দু হৈছে C। এই মধ্যবিন্দু Cত চাহিদাৰ দৰ স্থিতিস্থাপকতা হৈছে ১। এই C বিন্দুৰ পৰা এডাল লম্ব আঁকিলে আমি দেখা পাওঁ যে, প্ৰান্তিক আয় শূন্য। মন কৰিব C বিন্দুৰ পৰা অংকন কৰা লম্ব ৰেখাডাল আৰু MR ৰেখাডালে x-অক্ষৰ বিন্দুত কটাকটি কৰিছে, য'ত প্ৰান্তিক আয় শূন্য। গতিকে ON পৰিমাণৰ সামগ্ৰীৰ ক্ষেত্ৰত চাহিদাৰ দৰ স্থিতিস্থাপকতা ১, কিন্তু প্ৰান্তিক আয় শূন্য। ONতকৈ কম পৰিমাণৰ সামগ্ৰীৰ ক্ষেত্ৰত চাহিদাৰ দৰ স্থিতিস্থাপকতা ১তকৈ বেছি (বা যোগাত্মক) আৰু ONতকৈ বেছি পৰিমাণৰ সামগ্ৰীৰ ক্ষেত্ৰত চাহিদাৰ দৰ স্থিতিস্থাপকতা ১তকৈ কম (বা ঋণাত্মক)।

আমি লগতে ক'ব পাৰোঁ যে, যেতিয়াই চাহিদাৰ দৰ স্থিতিস্থাপকতা ১তকৈ বেছি (বা যোগাত্মক), প্ৰান্তিক আয় যোগাত্মক আৰু যেতিয়া চাহিদাৰ দৰ স্থিতিস্থাপকতা ১তকৈ কম (বা ঋণাত্মক), প্ৰান্তিক আয় ঋণাত্মক।

আকৌ চিত্ৰটিৰ তলৰ অংশ মন কৰিলে দেখা যায় যে, যেতিয়া চাহিদাৰ দৰ স্থিতিস্থাপকতা ১, তেতিয়া মুঠ আয় সৰ্বোচ্চ। ঠিক সেইদৰে, যেতিয়া চাহিদাৰ দৰ স্থিতিস্থাপকতা ১তকৈ বেছি, মুঠ আয় বৃদ্ধি পাব ধৰে, আৰু যেতিয়া চাহিদাৰ দৰ স্থিতিস্থাপকতা ১তকৈ কম, মুঠ আয় কমিবলৈ লয়।

চিত্ৰ ৬.৪ ঃ গড় আয়, প্ৰান্তিক আয়, মুঠ আয় আৰু চাহিদাৰ দৰ স্থিতিস্থাপকতাৰ মাজৰ সম্পৰ্ক



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ এডাল আনুভূমিক চাহিদা ৰেখাৰ ক্ষেত্ৰত চাহিদাৰ দৰ স্থিতিস্থাপকতা কি?

.....

.....

প্ৰশ্ন নং ৫ ঃ চাহিদাৰ দৰ স্থিতিস্থাপকতা ১ হ'লে প্ৰান্তিক আয় কি হয়?

.....

প্ৰশ্ন নং ৬ ঃ চাহিদাৰ দৰ স্থিতিস্থাপকতা ১তকৈ কম হ'লে মুঠ আয়ৰ কি হয়?

.....

.....



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কোনো এপদ সামগ্ৰী বিক্ৰীৰ বাবদ বিক্ৰেতা এজনে লাভ কৰা সমস্ত আয়খিনিয়েই হৈছে মুঠ আয় ।
- মুঠ আয়ক মুঠ বিক্ৰীৰ মুঠ পৰিমাণেৰে ভাগ কৰিলে গড় আয় পাব পাৰি।
- প্ৰান্তিক আয় হ'ল সামগ্ৰী এবিধৰ অতিৰিক্ত এক গোট বেঠিকৈ বিক্ৰী কৰি লাভ কৰা শুদ্ধ আয়।
- পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত গড় আয় আৰু প্ৰান্তিক আয় ৰেখা একেডালেই।
- পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ লেখিয়াকৈ অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত গড় আয় আৰু প্ৰান্তিক আয় ৰেখা একেডাল নহয়।
- অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত গড় আয় ৰেখাডালৰ তুলনাত প্ৰান্তিক আয় ৰেখাডাল x-অক্ষৰ পিনে দুগুণ ঢাল খোৱা।
- গড় আয়, প্ৰান্তিক আয় আৰু চাহিদাৰ দৰ স্থিতিস্থাপকতাৰ মাজৰ সম্পৰ্ক তলত দেখুওৱা ধৰণে প্ৰকাশ কৰিব পাৰি—

$$MR = AR\left[\frac{e-1}{e}\right]$$

ইয়াত MR হৈছে প্ৰান্তিক আয়, AR হৈছে গড় আয় আৰু e হৈছে চাহিদাৰ দৰ স্থিতিস্থাপকতা।

- যদি $e = 1$, প্ৰান্তিক আয় শূন্য,
  যদি $e > 1$, প্ৰান্তিক আয় যোগাত্মক, আৰু
  যদি $e < 1$, প্ৰান্তিক আয় ঋণাত্মক।
- যেতিয়া চাহিদাৰ দৰ স্থিতিস্থাপকতা ১, তেতিয়া মুঠ আয় সৰ্বোচ্চ।
- যেতিয়া চাহিদাৰ দৰ স্থিতিস্থাপকতা ১তকৈ বেছি, মুঠ আয় বৃদ্ধি পাব ধৰে, আৰু যেতিয়া চাহিদাৰ দৰ স্থিতিস্থাপকতা ১তকৈ কম, মুঠ আয় কমিবলৈ লয়।



৬.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) আলম, ড° খুৰছেদ; হুদা, ড° মণিৰুল আৰু শর্মা, ড° অর্চনা (২০০৪); *স্নাতক মহলাৰ অর্থতত্ত্ব (ব্যষ্টিবাদী অর্থবিজ্ঞান)* ষষ্ঠ সংস্কৰণ; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ্ছ।

২) গোস্বামী, ড° অতুল (২০০৫); *স্নাতক মহলাৰ অর্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অর্থনৈতিক তত্ত্ব)* সপ্তম সংস্কৰণ; ডিব্রুগড় ঃ ষ্টুডেণ্টছ এম্পৰিয়াম।

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics;* New Delhi: S. Chand & Co. Ltd.

2) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.

3) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.

4) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Co. Ltd.



৬.৮ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰত বজাৰ দৰ স্থিৰ, বিক্রেতা এজনে বজাৰৰ দৰৰ ওপৰত কোনো প্রভাৰ বিস্তাৰ কৰিব নোৱাৰে। অৱশ্যে বিক্রেতাজনে প্রচলিত বজাৰ দৰত যিকোনো পৰিমাণৰ সামগ্রী যোগান ধৰিব পাৰে। ফলস্বৰূপে, প্রচলিত বজাৰ দৰেই হ'ল বিক্রেতাজনৰ গড় আয় আৰু প্রান্তিক আয়। সেয়ে দুয়োটা আয়কে এডাল ৰেখাৰেই দেখুওৱা হয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰ আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰৰ মুঠ আয় ৰেখাৰ গঠন একে নহয়। ইয়াৰ মূল কাৰণ হ'ল পূর্ণ প্রতিযোগিতামূলক বজাৰত বজাৰ দৰ স্থিৰ, কিন্তু অপূর্ণ প্রতিযোগিতামূলক বজাৰত বজাৰ দৰ স্থিৰ নহয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মুঠ আয়ক মুঠ বিক্রীৰ পৰিমাণেৰে হৰণ কৰিলে আমি গড় আয় পাব পাৰো। গতিকে গড় আয় = মুঠ আয়/মুঠ বিক্রীৰ পৰিমাণ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ এডাল আনুভূমিক চাহিদা ৰেখাৰ ক্ষেত্রত চাহিদাৰ দৰ স্থিতিস্থাপকতা অসীম।

৫নং প্ৰশ্নৰ উত্তৰ ঃ চাহিদাৰ দৰ স্থিতিস্থাপকতা ১ হ'লে প্রান্তিক আয় শূন্য হয়।

৬নং প্ৰশ্নৰ উত্তৰ ঃ চাহিদাৰ দৰ স্থিতিস্থাপকতা ১তকৈ কম হ'লে মুঠ আয় সৰ্বোচ্চ স্তৰৰ পৰা কমিবলৈ ধৰে।

৬.৯ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (৭৫টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক) ঃ

প্ৰশ্ন নং ১ ঃ তলৰ ধাৰণাকেইটাৰ সংজ্ঞা দিয়ক—

(ক) প্ৰান্তিক আয় (খ) গড় আয় (গ) মুঠ আয়

প্ৰশ্ন নং ২ ঃ মুঠ আয়ৰ পৰা প্ৰান্তিক আয় কেনেদৰে লাভ কৰিব?

প্ৰশ্ন নং ৩ ঃ অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত প্ৰান্তিক আয় ৰেখাডালৰ ঢাল গড় আয় ৰেখাডালৰ ঢালৰ দুগুণ গড়া কিয়া হয়?

খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ ব্যৱসায় প্ৰতিষ্ঠান এখনৰ মুঠ আয় ৰেখাডাল কেনেদৰে পাব পাৰি দেখুৱাওক।

প্ৰশ্ন নং ২ ঃ অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ গড় আয় আৰু প্ৰান্তিক আয়ৰ মাজৰ সম্পৰ্ক দেখুৱাওক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ ক্ষেত্ৰত মুঠ আয়, গড় আয় আৰু প্ৰান্তিক আয়ৰ মাজৰ সম্পৰ্ক দেখুৱাওক। সেই সম্পৰ্কৰ ভিত্তিত গড় আয়, প্ৰান্তিক আয় আৰু মুঠ আয় ৰেখাকেইডাল কেনেদৰে লাভ কৰিব দেখুৱাওক।

প্ৰশ্ন নং ২ ঃ অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত গড় আয়, প্ৰান্তিক আয়, মুঠ আয় আৰু চাহিদাৰ দৰ স্থিতিস্থাপকতাৰ মাজৰ সম্পৰ্ক দেখুৱাওক।

*** ***** ***

অধ্যায় ৭ ঃ উৎপাদনৰ তত্ত্ব

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ উৎপাদনৰ সিদ্ধান্ত
৭.৪ উৎপাদনৰ ধাৰণা
৭.৪.১ উৎপাদনৰ সম্পৰ্ক বা উৎপাদন ফলন
৭.৪.২ সম-উৎপাদন ৰেখা
৭.৪.৩ সম-উৎপাদনৰ ৰেখা মানচিত্ৰ
৭.৪.৪ কাৰিকৰী প্ৰান্তিক প্ৰতিকল্পতাৰ হাৰ
৭.৪.৫ সম-উৎপাদনৰ ৰেখাৰ বৈশিষ্ট্য
৭.৫ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধি
৭.৬ মাত্ৰাৰ প্ৰতিদান বিধি
৭.৭ উৎপাদন প্ৰতিষ্ঠানৰ ভাৰসমতা
৭.৮ বৃদ্ধিৰ পথ
৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.১০ অধিক জানিবলৈ
৭.১১ অগ্ৰগতিৰ খতিয়ান
৭.১২ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উৎপাদন আৰু উৎপাদনৰ লগত জড়িত সিদ্ধান্ত সম্পৰ্কে জানিব পাৰিব
- সম-উৎপাদন ৰেখা কি আৰু ইয়াক কিদৰে অংকন কৰা হয় সেই বিষয়ে জ্ঞাত হ'ব
- উৎপাদনৰ উপাদানৰ প্ৰতিকল্পৰ বিষয়ে জ্ঞান লাভ কৰিব
- উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিৰ লগত প্ৰতিদান বিধিৰ তুলনা কৰিব পাৰিব
- উৎপাদন প্ৰতিষ্ঠানৰ ভাৰসমতা নিৰ্দ্ধাৰণৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব আৰু উৎপাদন বৃদ্ধিৰ পথ নিৰ্ণয় কৰিব পাৰিব।

৭.২ পৰিচয়

উপভোক্তাৰ আচৰণ অধ্যয়নৰ পৰা আমি ইতিমধ্যে গম পাইছোঁ যে উপভোক্তা এজনে তেওঁৰ সীমিত উপাৰ্জনৰ জৰিয়তে সৰ্বাধিক সন্তুষ্টি লাভ কৰিব বিচাৰে। উপভোক্তা আৰু উৎপাদকৰ আচৰণৰ মাজত গুৰুত্বপূৰ্ণ সাদৃশ্য আছে। এই অধ্যায়ত আমি উৎপাদকৰ আচৰণৰ বিষয়ে অধ্যয়ন

কৰিম। এক নির্দিষ্ট উৎপাদন কার্য্যৰ জৰিয়তে উৎপাদক এজনে সর্বাধিক পৰিমাণৰ দ্রব্য উৎপাদন কৰিব বিচাৰে। উৎপাদক আৰু উৎপাদনৰ মাজৰ সম্পর্ককেই উৎপাদন কার্য্য বা উৎপাদন সম্পর্ক (Production Function) হিচাপে নামকৰণ কৰা হৈছে। উদ্যোগ এটাত ব্যৱহৃত কেঁচামালসমূহক উৎপাদিত দ্রব্যলৈ ৰূপান্তৰ কৰা কার্য্যকে উৎপাদন (Production) বোলে। উৎপাদকৰ বিভিন্ন অনুপাত সংযোগ ঘটাই এক নির্দিষ্ট পৰিমাণৰ দ্রব্য উৎপাদন কৰিব পাৰি। সম-উৎপাদন ৰেখা (Iso-quant) ই দুটা পৰিৱর্তনীয় উপাদানৰ বিভিন্ন সমষ্টিৰ জৰিয়তে কেনেকৈ এক নির্দিষ্ট পৰিমাণৰ উৎপাদন কৰিব পাৰি তাৰেই নির্দেশ দিয়ে। উৎপাদনৰ সকলোবোৰ উপাদান স্থিৰ ৰাখি এটা মাত্ৰ উপাদান পৰিৱর্তন কৰিলে উৎপাদন কার্য্যত যি প্রভাৱ পৰে সেই সম্পর্কে উৎপাদনৰ পৰিৱর্তনশীল অনুপাত বিধি (Law of Variable Proportions)ৰ জৰিয়তে ব্যাখ্যা কৰা হয়। দীর্ঘকালত উৎপাদন আৰু উৎপাদকৰ মাজৰ সম্পর্ক মাত্ৰাৰ প্রতিদান বিধিৰ মাধ্যমত অধ্যয়ন কৰা হয়। উৎপাদনকাৰী এজন ভাৰসাম্য অৱস্থা আৰু উৎপাদনৰ সঠিক (Optimum) পৰিমাণ কিদৰে লাভ কৰিব পাৰে, সেই সম্পর্কে আলোচনা কৰা হয়। প্রতিষ্ঠান এখন এটা ভাৰসাম্য অৱস্থাৰ পৰা অন্য এটা ভাৰসাম্য অৱস্থালৈ উৎপাদিত দ্রব্যৰ পৰিৱর্তন ঘটায় সেয়া উৎপাদন বৃদ্ধিৰ পথৰ জৰিয়তে আলোচনা কৰা হৈছে।

৭.৩ উৎপাদনৰ সিদ্ধান্ত

যেনেদৰে এজন উপভোক্তাই সামগ্রী বা সেৱা ভোগ কৰাৰ বেলিকা বিভিন্ন ধৰণৰ সিদ্ধান্ত, যেনে ভোগ্য সামগ্রীৰ বিভিন্ন জোঁট, সময়, সম্পদৰ ব্যৱহাৰ আদি ল'বলগীয়া হয়, ঠিক তেনেদৰে বিক্রেতা প্রতিষ্ঠান এখনেও সামগ্রী এবিধ উৎপাদন কৰোঁতে বিভিন্ন ধৰণৰ সিদ্ধান্ত গ্রহণ কৰিবলগীয়া হয়। তত্ত্বগতভাৱে ক'বলৈ হ'লে, উৎপাদনৰ সিদ্ধান্ত (Production Decision) বুলিলে উৎপাদনকাৰী এজনে গ্রহণ কৰিবলগীয়া বিশেষ চাৰিটা সিদ্ধান্তৰ কথা বুজোৱা হয়, যথা ঃ

কি উৎপাদন কৰা হ'ব, কেনেদৰে উৎপাদন কৰা হ'ব, কিমান উৎপাদন কৰা হ'ব আৰু কাৰ বাবে উৎপাদন কৰা হ'ব?

- **কি উৎপাদন কৰা হ'ব?** এখন বিক্রতা প্রতিষ্ঠানে ইয়াৰ নির্দিষ্ট উপভোক্তাৰ চাহিদাৰ প্রতি লক্ষ্য ৰাখি সেৱা বা সামগ্রী উৎপাদন কৰে। ই বিভিন্ন ধৰণৰ উপভোক্তাৰ সামগ্রী, যেনে— খাদ্য, পোছাক আদি প্রস্তুত কৰিব পাৰে বা মূলধনজাত সামগ্রী, যেনে— যন্ত্রপাতি আদি প্রস্তুত কৰিব পাৰে।
- **কেনেদৰে উৎপাদন কৰা হ'ব?** প্রতিষ্ঠান এখনে কি উৎপাদন কৰিব সেই সিদ্ধান্তত উপনীত হোৱাৰ পাছত সেয়া কেনেদৰে উৎপাদন কৰিব, সেই সিদ্ধান্ত ল'বলগীয়া হয়। আমি ইতিমধ্যে আলোচনা কৰি আহিছোঁ যে, উৎপাদনৰ চাৰিটা উপাদান আছে, যথা— ভূমি, শ্রম, মূলধন আৰু উদ্যোক্তা। এই চাৰিটা উপাদানৰ ভিতৰত ভূমিৰ যোগান আমি প্রায় স্থিৰ বুলি ধৰি ল'ব পাৰোঁ। আকৌ, উদ্যোক্তা এজনৰ প্রতিষ্ঠান এখনে নিজেই পালন কৰে। এই অর্থত উৎপাদনৰ চাৰিটা উপাদানৰ ভিতৰত শ্রম আৰু মূলধনৰ

গুৰুত্ব প্ৰতিষ্ঠান এখনৰ বাবে অধিক। গতিকে দেখা যায় যে, প্ৰতিষ্ঠান এখনে সামগ্ৰী এবিধ উৎপাদনৰ বাবে শ্ৰম ভিত্তিক বা মূলধন ভিত্তিক উৎপাদনৰ কৌশল হাতত ল'ব পাৰে। শ্ৰম ভিত্তিক উৎপাদনৰ কৌশল শ্ৰমিকৰ ওপৰত বিশেষভাৱে নিৰ্ভৰশীল। ঠিক তেনেদৰে, মূলধন ভিত্তিক উৎপাদনৰ কৌশল মূলধনৰ ওপৰত বিশেষভাৱে নিৰ্ভৰশীল।

- **কিমান উৎপাদন কৰা হ'ব ?** বিক্ৰেতা প্ৰতিষ্ঠান এখনে ল'বলগীয়া আন এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত হৈছে প্ৰতিষ্ঠানটোৰ উৎপাদন ক্ষমতা তথা ইয়াৰ উৎপাদনৰ পৰিমাণ।
- **কাৰ বাবে উৎপাদন কৰা হ'ব ?** উৎপাদনৰ ক্ষেত্ৰত প্ৰতিষ্ঠান এখনে ল'বলগীয়া আন এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত হৈছে উৎপাদন কৰিব খোজা সামগ্ৰীবিধ কাৰ বাবে উৎপাদন কৰা হ'ব ? উদাহৰণস্বৰূপে আমি ক'ব পাৰোঁ যে, দুখীয়া বা নিম্ন মধ্যবিত্ত লোকৰ বাবে অতি বিলাসী সামগ্ৰী উৎপাদন কৰিব খোজাটো বৰ লাভজনক সিদ্ধান্ত নহ'ব। ঠিক তেনেদৰে, অতি ধনী লোকৰ বাবে সাধাৰণ সামগ্ৰী প্ৰস্তুত কৰিব খোজাটোও বৰ এটা সুবিবেচক সিদ্ধান্ত নহ'ব। গতিকে ক'ব পাৰি যে, কাৰ বাবে সামগ্ৰী এবিধ উৎপাদন কাৰিব খোজা হৈছে, সেই সম্পৰ্কে প্ৰতিষ্ঠানখনে ভালদৰে চালি-জাৰি চোৱা উচিত।

৭.৪ উৎপাদনৰ ধাৰণা

আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে, সামগ্ৰী এবিধ উৎপাদন কৰাৰ ক্ষেত্ৰত এখন প্ৰতিষ্ঠানে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিবলগীয়া হয়। এবিধ দ্ৰব্য বিভিন্ন উৎপাদন পদ্ধতিৰ জৰিয়তে প্ৰস্তুত কৰিব পাৰি। উৎপাদনৰ বিভিন্ন প্ৰযুক্তি কৌশলৰ মাজৰ পৰা কোনো এটা বিশেষ কৌশল বাছি লোৱা বা নিৰ্বাচন কৰাটো এক সম্পূৰ্ণ অৰ্থনৈতিক সিদ্ধান্ত। এনে সিদ্ধান্ত গ্ৰহণত উপাদানসমূহৰ বজাৰ দৰে প্ৰভাৱ পেলায়। প্ৰতিষ্ঠানখনে ল'বলগীয়া আন এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত হ'ল উৎপাদনৰ সেইটো পৰিমাণ নিৰ্দ্ধাৰণ কৰা, যি পৰিমাণত উৎপাদনৰ প্ৰান্তিক উপাদানসমূহ ক্ৰমাৎ কমি আহে, কিন্তু যোগাত্মক।

৭.৪.১ উৎপাদনৰ সম্পৰ্ক বা উৎপাদন ফলন

উপাদান আৰু উৎপাদন (Output)ৰ মাজৰ সম্পৰ্ককেই উৎপাদনৰ সম্পৰ্ক বা উৎপাদন ফলন (Production Function) বোলে। উৎপাদকসমূহৰ ব্যৱহাৰৰ জৰিয়তে কেনেকৈ সৰ্বাধিক উৎপাদন লাভ কৰিব পাৰি, সেই বিষয়ে উৎপাদন কাৰ্য্যত ব্যাখ্যা প্ৰদান কৰা হয়। ধৰাহ'ল Q উৎপাদন বিধ প্ৰস্তুত কৰোঁতে শ্ৰমিক আৰু মূলধনৰ প্ৰয়োজন হয় তেতিয়া উৎপাদন কাৰ্য্যটো তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি—

$$Q = f(L, K)$$

এই উৎপাদন কাৰ্য্যটোত শ্ৰম (L: Labour) আৰু মূলধন (K: Capital) স্বতন্ত্ৰ চলক আৰু Q (Q: Quantity) অৰ্থাৎ মুঠ উৎপাদনৰ পৰিমাণ নিৰ্ভৰশীল চলক।

এই সম্পৰ্কটোৱে বুজায় যে মুঠ উৎপাদনৰ পৰিমাণ উৎপাদনৰ উপাদানৰ ওপৰত নিৰ্ভৰ কৰে। এটা নিৰ্দিষ্ট পৰিমাণৰ মুঠ উৎপাদন লাভ কৰিবলৈ উৎপাদনৰ উপাদানসমূহ বিভিন্ন অনুপাতত সংযোগ কৰা হয়। প্ৰযুক্তিবিদ্যাৰ উত্তৰণৰ লগে লগে কম পৰিমাণৰ উপাদানৰ জৰিয়তে নিম্নতম ব্যয়ত পূৰ্বতকৈ অধিক উৎপাদন লাভ কৰাটো সম্ভৱপৰ হয়। এই অধ্যায়টিত উৎপাদনৰ দুটা মাত্ৰ উপাদানৰ কথা আলোচনা কৰিম, কিন্তু উৎপাদন কাৰ্য্যত অন্যান্য কেবাটাও উপাদান থাকে।

৭.৪.২ সম-উৎপাদন ৰেখা

সম-উৎপাদন ৰেখাই এক নিৰ্দিষ্ট পৰিমাণৰ দ্ৰব্য পৰিৱৰ্তনীয় উপাদানৰ বিভিন্ন সমষ্টিৰ সহায়ত কেনেকৈ উৎপাদন কৰিব পৰা যায় সেই বিষয়ে ব্যাখ্যা কৰে। সম-উৎপাদন ৰেখাৰ লগত নিৰপেক্ষ ৰেখাৰ সামঞ্জস্য আছে। সেয়েহে, এই ৰেখাডালক উৎপাদকৰ নিৰপেক্ষ ৰেখা (Producer's Indifference Curve) বুলিও কোৱা হয়। শ্ৰমিক আৰু মূলধনৰ বিভিন্ন সমষ্টি ব্যৱহাৰ কৰি ৫০ গোট দ্ৰব্য উৎপাদন কৰা এটা উৎপাদন কাৰ্য্যৰ জৰিয়তে সম-উৎপাদন ৰেখাৰ ধাৰণাটো ব্যাখ্যা প্ৰদান কৰা হ'ল—


তালিকা ৭.১ ঃ শ্ৰম আৰু মূলধনৰ জোঁট

শ্ৰম আৰু মূলধন	শ্ৰমিকৰ পৰিমাণ	মূলধন	উৎপাদন
১	১	১৩	৫০
২	২	৯	৫০
৩	৩	৬	৫০
৪	৪	৪	৫০
৫	৫	৩	৫০

ওপৰৰ তালিকাত দেখুওৱা অনুসৰি ১ জন শ্ৰমিক আৰু ১৩টা মূলধনৰ সমন্বয়ত যি ৫০ গোট উৎপাদন হৈছে; ২ জন শ্ৰমিক আৰু ৯টা মূলধন, ৩ জন শ্ৰমিক আৰু ৬টা মূলধনৰ গোট, আৰু ৫ জন শ্ৰমিক আৰু ৩টা মূলধনৰ, জোঁটৰ ব্যৱহাৰৰ ফলতো সমান পৰিমাণৰ দ্ৰব্য উৎপাদিত হৈছে। অৰ্থাৎ মুঠ উৎপাদনৰ পৰিমাণৰ কোনো পৰিৱৰ্তন হোৱা নাই। এইদৰে, শ্ৰম আৰু মূলধনৰ জোঁটৰ বিভিন্ন বিন্দুসমূহ সংযোগ কৰি যি ৰেখা অঙ্কন কৰা হয় তাকে সম-উৎপাদন ৰেখা বোলে।

৭.১নং তালিকাখন ৭.১নং চিত্ৰৰ সহায়ত দেখুওৱা হৈছে। চিত্ৰটিত IQ_1 হৈছে সম-উৎপাদন ৰেখা। চিত্ৰটিৰ Y-অক্ষত মূলধন আৰু X-অক্ষত শ্ৰমিকৰ পৰিমাণ দেখুওৱা হৈছে। IQ_1 ৰেখাৰ 1 বিন্দুটোৱে শ্ৰমিক আৰু মূলধনৰ প্ৰথমটো জোঁট (১৩ জন শ্ৰমিক + ১ গোট মূলধন)ক প্ৰতিনিধিত্ব কৰিছে। সেইদৰে, 2, 3, 4, 5 বিন্দুকেইটাই ৭.১) তালিকাত দেখুওৱা শ্ৰমিক আৰু মূলধনৰ আন জোঁটসমূহক প্ৰতিনিধিত্ব কৰিছে।

চিত্ৰ নং ৭.১ ঃ সম-উৎপাদন ৰেখা




৭.৪.৩ সম-উৎপাদনৰ ৰেখা মানচিত্ৰ

নিৰপেক্ষ ৰেখাৰ মানচিত্ৰৰ দৰে সম-উৎপাদন ৰেখাৰ মানচিত্ৰয়ো কিছুমান সম-উৎপাদন ৰেখাৰ সমষ্টি দেখুৱায়।

উচ্চস্থানৰ সম-উৎপাদন ৰেখাই নিম্নস্থানত থকা সম-উৎপাদন ৰেখাতকৈ অধিক পৰিমাণৰ উৎপাদনৰ স্তৰ প্ৰতিনিধিত্ব কৰে। উদাহৰণ স্বৰূপে ৭.২নং চিত্ৰত IQ_2 নিৰপেক্ষ ৰেখা IQ_1 নিৰপেক্ষ ৰেখাৰ ওপৰত অৱস্থিত আৰু IQ_2 নিৰপেক্ষ ৰেখাই IQ_1 নিৰপেক্ষ ৰেখাতকৈ অধিক পৰিমাণৰ উৎপাদিত দ্ৰব্যৰ গোট প্ৰতিনিধিত্ব কৰে। একেদৰে IQ_3 নিৰপেক্ষ ৰেখাই IQ_2 নিৰপেক্ষ ৰেখাতকৈ অধিক পৰিমাণৰ উৎপাদনৰ পৰিমাণ প্ৰতিনিধিত্ব কৰে।

চিত্ৰ নং ৭.২ ঃ সম-উৎপাদন ৰেখাৰ গতি



৭.৪.৪ কাৰিকৰী প্ৰান্তিক প্ৰতিকল্পতাৰ হাৰ


শ্ৰমিক আৰু মূলধনৰ মাজৰ কাৰিকৰী প্ৰান্তিক প্ৰতিকল্পতাৰ হাৰ ধাৰণাটি ৭.২নং তালিকাৰ সহায়ত ব্যাখ্যা কৰিব পাৰি—

তালিকা ৭.২ ঃ শ্ৰমিক আৰু মূলধনৰ জোঁট

শ্ৰমিক আৰু মূলধনৰ জোঁট	শ্ৰমিকৰ পৰিমাণ (L)	মূলধনৰ পৰিমাণ (K)	উৎপাদন	$MRTS_{LK}$
A	১	১৫	৫০	–
B	২	১১	৫০	৪
C	৩	৮	৫০	৩
D	৪	৬	৫০	২
E	৫	৫	৫০	১

৭.২নং তালিকাত দেখা গৈছে যে, ১ একক শ্ৰমিক আৰু ১৫ একক মূলধন নিয়োগ কৰি ৫০ একক উৎপাদন লাভ কৰা হৈছে। সেই একে পৰিমাণৰ উৎপাদন B জোঁটটোৰ ২ একক শ্ৰমিক আৰু ১১ একক মূলধন নিয়োগ কৰিও পাব পাৰি। তালিকাত দেখা গৈছে যে, C, D আৰু Eৰ বিভিন্ন জোঁটৰ শ্ৰমিক আৰু মূলধন নিয়োগ কৰি একেখিনি উৎপাদন লাভ কৰিব পাৰি। মন কৰিব, এই জোঁটবোৰত আমি শ্ৰমিক অধিক আৰু মূলধন কম পৰিমাণে নিয়োগ হোৱা দেখা পাইছোঁ। অৰ্থাৎ, শ্ৰমিক আৰু মূলধনৰ বিভিন্ন জোঁটবোৰত আমি মূলধনৰ সলনি শ্ৰমিক নিয়োগ কৰিছোঁ, যদিও উৎপাদনৰ পৰিমাণ একেই আছে। যিটো হাৰত উৎপাদনৰ উপাদানৰ এটা অতিৰিক্ত গোট আমি আনটো উপাদানৰ সৈতে প্ৰতিকল্পন কৰিলেও একে পৰিমাণৰ উৎপাদন লাভ কৰোঁ, তাকে কাৰিকৰী প্ৰান্তিক প্ৰকিল্পতাৰ হাৰ বুলি কোৱা হয়। আন কথাত, $MRTS_{LK}$ বুলি ক'লে মূলধনৰ কিমান একক শ্ৰমিকৰ অতিৰিক্ত এক এককৰ বাবদ প্ৰতিকল্পন কৰিব পাৰি, যাতে উৎপাদনৰ পৰিমাণৰ কোনো পৰিৱৰ্তন নহয়, তাকে বুজোৱা হয়। গতিকে, MRTS ৰেখাডালৰ ঢালে এক একক অতিৰিক্ত শ্ৰমিক (L)ৰ বাবদ মূলদন (K)ৰ কিমান একক প্ৰতিকল্পন কৰিব লাগে, তাকে দেখুৱায়। $MRTS_{LK}$ ৰেখাৰ আন এটা বৈশিষ্ট্য হ'ল ইয়াৰ ক্ৰমহ্ৰাসমান প্ৰকৃতি। আন কথাত, যিমানে আমি এক একক হিচাপত শ্ৰমিকৰ নিয়োগ বঢ়াই গৈছোঁ, সিমানেই এক একক শ্ৰমিকৰ বাবদ ত্যাগ কৰিবলগীয়া মূলধনৰ একক ক্ৰমে কমি আহিছে। চিত্ৰ ৭.৩লৈ মন কৰক।

চিত্ৰ নং ৭.৩ ঃ প্ৰান্তিক কাৰিকৰী প্ৰতিকল্পতাৰ হাৰ



৭.৩নং চিত্ৰৰ সহায়ত এই বিধিটো ব্যাখ্যা কৰা হৈছে। চিত্ৰত IQ_1 সম-উৎপাদন ৰেখাই উৎপাদিত ৫০টা গোট প্ৰতিনিধিত্ব কৰিছে। চিত্ৰত দেখা গৈছে যে, যেতিয়া আমি ৰেখাডালৰ A বিন্দুৰ পৰা B বিন্দুলৈ গতি কৰিছোঁ, তেতিয়া AB_1 পৰিমাণৰ মূলধনৰ বাবদ BB_1 পৰিমাণৰ শ্ৰমিক প্ৰতিকল্পন কৰা হৈছে। ঠিক সেইদৰে, B বিন্দুৰ পৰা C বিন্দুলৈ ঢাল লওঁতে BC_1 পৰিমাণৰ মূলধনৰ প্ৰতিকল্প হিচাপে CC_1 পৰিমাণৰ শ্ৰমিক নিয়োগ কৰা হৈছে; আকৌ Cৰ পৰা D বিন্দুলৈ আহোঁতে CD_1 পৰিমাণৰ মূলধনৰ প্ৰতিকল্প হিচাপে DD_1 পৰিমাণৰ শ্ৰমিক নিয়োগ কৰা হৈছে। চিত্ৰৰ পৰা এইটো স্পষ্ট হৈছে যে সমান পৰিমাণৰ শ্ৰমিক নিয়োগ ($BB_1 = CC_1 = DD_1 = EE_1$)ৰ কাৰণে আমি ক্ৰমে কমকৈ মূলধন ত্যাগ কৰিছো $AB_1 > BC_1 > CD_1 > DE_1$ অৰ্থাৎ শ্ৰমিকৰ নিয়োগৰ বৃদ্ধিৰ হাৰৰ তুলনাত মূলধন গোটৰ প্ৰয়োগৰ হাৰ কম পৰিমাণে হ্ৰাস পাইছে। গতিকে ইয়াৰ পৰা এইটো বুজা যায় যে শ্ৰমিকৰ উৎপাদন ক্ষমতাৰ তুলনাত মূলধনৰ উৎপাদন ক্ষমতা অধিক। কাৰিকৰী প্ৰতিকল্পতাৰ ক্ৰমহ্ৰাসমান প্ৰান্তিক হাৰৰ বাবে ৰেখাডাল উত্তাল হয়।

প্ৰতিকল্পতাৰ হাৰ (Elasticity of Substitution)ঃ উৎপাদনৰ দুটা উপাদানৰ মাজত থকা প্ৰতিকল্পনৰ হাৰক প্ৰতিকল্পনৰ স্থিতিস্থাপকতা বোলা হয়। উৎপাদনৰ উপাদানৰ আনুপাতিক পৰিৱৰ্তনক কাৰিকৰী প্ৰতিকল্পতাৰ প্ৰান্তিক হাৰেৰে ভাগ কৰিলে প্ৰতিকল্পনৰ হাৰ পাব পাৰি। গতিকে,

$$\text{প্ৰতিকল্পতাৰ হাৰ } (E_S) = \frac{\text{উৎপাদনৰ উপাদানৰ নুপাতিক পৰিৱৰ্তন}}{\text{কাৰিকৰী প্ৰতিকল্পতাৰ আনুপাতিক পৰিৱৰ্তন}}$$


(E_S) প্ৰতিকল্পনৰ হাৰ শূন্য আৰু অসীমৰ মাজত অৱস্থান কৰে। যদিহে দুটা উপাদান ইটো সিটোৰ প্ৰতিকল্প নহয় তেনেহ'লে প্ৰতিকল্প হাৰ শূন্য হ'ব আৰু যদিহে দুয়োটা স্বাভাৰিক প্ৰতিকল্প হয় তেনেহ'লে অসীম বা পূৰ্ণ প্ৰতিকল্পন পোৱা যায়।

৭.৪.৫ সম-উৎপাদন ৰেখাৰ বৈশিষ্ট্য

সম-উৎপাদন ৰেখাৰ বৈশিষ্ট্যসমূহ তলত ব্যাখ্যা কৰা হ'ল—

- সম-উৎপাদন ৰেখাই বাঁওফালৰ ওপৰৰ পৰা সোঁফালৰ তললৈ ঢাল লয়। অর্থাৎ সমপৰিমাণৰ দ্রব্য উৎপাদন কৰিবলৈ হ'লে, অধিক পৰিমাণৰ শ্রমিক নিয়োগ কৰিলে মূলধনৰ পৰিমাণ হ্রাস কৰিব লাগিব।
- দুডাল সম-উৎপাদন ৰেখাই পৰস্পৰক ছেদ কৰিব নোৱাৰে। অর্থাৎ, যদি দুডাল সম-উৎপাদন ৰেখাই পৰস্পৰে পৰস্পৰক ছেদ কৰে, তেতিয়া ছেদ কৰা বিন্দুত দুয়োডাল ৰেখাই প্রতিনিধিত্ব কৰা উৎপাদনৰ পৰিমাণ সমান হ'ব। ৭.৪নং চিত্রৰ সহায়ত কথাষাৰ ব্যাখ্যা কৰা হৈছে।

চিত্র নং ৭.৪ ঃ দুডাল সম-উৎপাদন ৰেখাই পৰস্পৰ ছেদ কৰিব নোৱাৰে



৭.৪নং চিত্রত IQ_1 আৰু IQ_2 সম-উৎপাদন ৰেখা দুডালে C বিন্দুত ছেদ কৰিছে। ক'ব পাৰি যে ছেদবিন্দু C-ত সম-উৎপাদন ৰেখা IQ_1 অৱস্থান কৰিছে। গতিকে C আৰু A এই দুয়োটা বিন্দুত উৎপাদনৰ পৰিমাণ সমান। আনহাতে, C বিন্দুটো সম-উৎপাদন ৰেখা IQ_2ত অৱস্থান কৰিছে। গতিকে C আৰু B দুয়োটা বিন্দুত সমান পৰিমাণৰ উৎপাদন দেখুৱাব।

দেখা গ'ল যে,

A বিন্দুত উৎপাদিত দ্রব্য = C বিন্দুত উৎপাদিত দ্রব্য

B বিন্দুত উৎপাদিত দ্রব্য = C বিন্দুত উৎপাদিত দ্রব্য


গতিকে ক'ব পাৰি যে,

A বিন্দুত উৎপাদনৰ পৰিমাণ = B বিন্দুত উৎপাদনৰ পৰিমাণ

কিন্তু সম-উৎপাদন ৰেখাৰ বৈশিষ্ট্যৰ ফালৰ পৰা এইটো অসম্ভৱ।

- সম-উৎপাদন ৰেখাসমূহ কেন্দ্ৰৰ প্ৰতি উত্তাল (Convex to the Origin)। এই বিধি অনুসৰি, সম-উৎপাদন ৰেখা এডালত যেতিয়া আমি ক্ৰমান্বয়ে তলফালে গতি কৰোঁ, তেতিয়া প্ৰতি একক শ্ৰমৰ বিনিময়ত প্ৰতিকল্পন (Substitute) কৰিব লগা মূলধনৰ পৰিমাণ ক্ৰমাৎ কমাব লগা হয়, যাতে উৎপাদনৰ পৰিমাণ একে থাকে। সম-উৎপাদন ৰেখাৰ এনে বৈশিষ্ট্যৰ মূল কাৰণ হৈছে উৎপাদন কাৰ্য্যত প্ৰযোজ্য হোৱা ক্ৰম হ্ৰাসমান কাৰিকৰী প্ৰান্তিক প্ৰতিকল্পতাৰ হাৰ বিধি (Diminishing Marginal Rate of Technical Substitution)। উত্তালৰ মাত্ৰা কাৰিকৰী প্ৰান্তিক প্ৰতিকল্পনৰ হাৰৰ ওপৰত নিৰ্ভৰ কৰে।

চিত্ৰ নং ৭.৫ ঃ সম-উৎপাদন ৰেখাৰ গতি



- দুডাল সম-উৎপাদন ৰেখাৰ মাজত অসংখ্য সম-উৎপাদন ৰেখা অৱস্থান কৰিব পাৰে। এই ৰেখাবোৰে উপাদান দুটাৰ বিভিন্ন জোঁট ব্যৱহাৰ কৰি পোৱা বিভিন্ন উৎপাদনৰ পৰিমাণ দেখুৱায়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সম-উৎপাদন ৰেখা কাক বোলে?

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ প্ৰতিকল্পনৰ হাৰ কিদৰে পাব পাৰি?

.....

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ "সম-উৎপাদন ৰেখা সমূহ কেন্দ্ৰৰ প্ৰতি উত্তাল হয়" ব্যাখ্যা কৰক।

.....

.....

.....

.....

৭.৫ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধি

উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধি (Law of Variable Proportions) তত্ত্বটোৱে উৎপাদন কাৰ্য্যত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। উৎপাদনৰ আটাইবোৰ উপাদান স্থিৰ ৰাখি এটা মাত্ৰ উপাদানৰ পৰিৱৰ্তন কৰিলে মুঠ উৎপাদনৰ কি পৰিৱৰ্তন হয়, সেই বিষয়ে এই তত্ত্বটোত অধ্যয়ন কৰা হয়। অৰ্থাৎ, স্থায়ী উপাদানসমূহ অপৰিৱৰ্তিত থকা অৱস্থাত কোনো পৰিৱৰ্তনশীল উপাদানৰ পৰিমাণৰ পৰিৱৰ্তন ঘটালে মুঠ উৎপাদন কিদৰে পৰিৱৰ্তন হয়, সেই বিষয়ে তত্ত্বটোত অধ্যয়ন কৰা হয়। **সংস্থাপিত অৰ্থবিজ্ঞানীসকলে** আলোচনা কৰা "ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি" (Law of Diminishing Return) তত্ত্বটোৰ নতুন নামকৰণ হৈছে— উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধি।



জানি থোৱা ভাল

ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি ঃ এইটো সংস্থাপিত অৰ্থনীতিবিদসকলে আগবঢ়োৱা তত্ত্ব। উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিটোক ক্ৰম-হ্ৰাসমান প্ৰতিদান বিধি বুলিও জনা যায়। বাস্তবিকতে ক্ৰমহ্ৰাসমান প্ৰতিদান বিধিটোৱে প্ৰথম আৰু তৃতীয় স্তৰৰ মাজতহে উৎপাদন কাৰ্য্য যে সম্ভৱপৰ হয়, সেই বিষয়ে ব্যাখ্যা কৰে। এই দ্বিতীয় স্তৰতেই উৎপাদন কাৰ্য্য সম্ভৱপৰ হয়। এই স্তৰত মুঠ উৎপাদন বৃদ্ধি পায় কিন্তু গড় আৰু প্ৰান্তিক উৎপাদন হ্ৰাস হয়। এই স্তৰত প্ৰান্তিক উৎপাদন ৰেখা গড় উৎপাদন ৰেখাৰ তলত অৱস্থান কৰে।

উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিৰ অভিধাৰণা বা চৰ্তসমূহঃ উৎপাদনৰ পৰিৱৰ্তন-শীল অনুপাত বিধিৰ প্ৰয়োগৰ কাৰণে তলত উল্লিখিত অভিধাৰণাসমূহৰ উপস্থিতি অপৰিহাৰ্য্য ঃ

- উৎপাদন কাৰ্য্যত ব্যৱহাৰ কৰা প্ৰযুক্তিবিদ্যা অপৰিৱৰ্তিত থাকিব লাগিব।
- উৎপাদনৰ আটাইবোৰ উপাদান স্থিৰ, এটা মাত্ৰ উপাদান পৰিৱৰ্তনশীল।
- পৰিৱৰ্তনশীল উপাদানটোৰ আটাইবোৰ গোট সমগুণবিশিষ্ট।
- উৎপাদকৰ যি কোনো পৰিমাণৰ ব্যৱহাৰৰ জৰিয়তে উৎপাদন বৃদ্ধি কৰিব পৰা যায়।

উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিৰ ব্যাখ্যাঃ এটা উদাহৰণৰ সহায়ত এই বিধিটো ব্যাখ্যা কৰিব পৰা যায়। ধৰা হওঁক এজন উৎপাদকে তেওঁৰ উৎপাদন কাৰ্য্যত দুটা মাত্ৰ উপাদান


বিশেষকৈ, মূলধন আৰু শ্ৰমিক ব্যৱহাৰ কৰিছে। ধৰা হওঁক, মূলধনৰ অনুপাত স্থিৰ আৰু শ্ৰমিক একমাত্ৰ পৰিৱৰ্তনশীল উপাদান। ৭.৩নং তালিকাৰ পৰা এইটো স্পষ্ট হৈছে যে শ্ৰমিকৰ প্ৰয়োগৰ পৰিমাণ ১ম গোটৰ পৰা ২য় গোটলৈ বৃদ্ধি কৰোঁতে গড় আৰু প্ৰান্তিক উৎপাদন দুয়োটাই বৃদ্ধি পাইছে। এই স্তৰৰ পাছত অতিৰিক্ত শ্ৰমিকৰ প্ৰয়োগৰ ফলত উৎপাদন বৃদ্ধি পালেও গড় আৰু প্ৰান্তিক উৎপাদন দুয়োটাই হ্ৰাস পাইছে। এইদৰে, মুঠ উৎপাদন সৰ্বাধিক হ'ব যেতিয়া প্ৰান্তিক উৎপাদনৰ পৰিমাণ শূন্য হ'ব আৰু গড় উৎপাদনৰ হাৰ হ্ৰাস পাব।

তালিকা ৭.৩ ঃ পৰিৱৰ্তনশীল অনুপাত বিধি

শ্ৰমিকৰ গোট	মুঠ উৎপাদন	প্ৰান্তিক উৎপাদন	গড় উৎপাদন
১	৫০	৫০	৫০
২	১২০	৭০	৬০
২	১৯০	৮০	৬৩.৩
৪	২৭০	৭৫	৬৫
৫	৩৪৫	৫০	৬৯
৬	৩৯৫	২০	৬৫.৪
৭	৩৯৫	০	৫৬.৪
৮	৩৬০	-২৫	৪৫

তালিকা ৭.২ৰ পৰা দেখা গৈছে যে, শ্ৰমিকৰ প্ৰান্তিক উৎপাদন ক্ষমতা শূন্য হ'লে মুঠ উৎপাদন সৰ্বাধিক হয়। এনে অৱস্থাৰ পাছত মুঠ উৎপাদন হ্ৰাস পাব আৰু প্ৰান্তিক উৎপাদন নেতিবাচক বা ঋণাত্মক হ'ব। উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিৰ ব্যাখ্যা ৭.৬নং চিত্ৰৰ সহায়ত দেখুওৱা হৈছে।

চিত্ৰ নং ৭.৬ ঃ পৰিৱৰ্তনশীল অনুপাত বিধিৰ তিনিটা স্তৰ



৭.৬নং চিত্ৰত অতিৰিক্ত পৰিৱৰ্তনশীল উপাদান প্ৰয়োগৰ ফলত মুঠ গড় আৰু প্ৰান্তিক উৎপাদনৰ যি পৰিৱৰ্তন পৰিলক্ষিত হৈছে তাৰ ভিত্তিত উৎপাদন বৃদ্ধিৰ সমগ্ৰ প্ৰক্ৰিয়াটোক তিনিটা স্তৰত ভাগ কৰিব পৰা যায়।

প্ৰথম স্তৰ (First Stage) ঃ এই স্তৰত মুঠ উৎপাদন ক্ৰমবৰ্দ্ধমান হাৰত বৃদ্ধি পায়। মুঠ উৎপাদন বৃদ্ধি F বিন্দুলৈকে ক্ৰমবৰ্দ্ধমান হাৰত বৃদ্ধি পাইছে। এই বিন্দুটোক আমি তীর্য্যক গতিৰ বিন্দু (Point of Inflexion) বুলি ক'ব পাৰোঁ। F বিন্দুৰ পৰৱৰ্তী অৱস্থাত মুঠ উৎপাদন বৃদ্ধি পালেও এই বৃদ্ধিৰ হাৰ ক্ৰমান্বয়ে কমি আহিছে। সেয়ে, এই বিন্দুৰ পৰৱৰ্তী অৱস্থাত TP ৰেখা ডালৰ ঢাল (Slope) ক্ৰমান্বয়ে কমি আহিছে। গড় উৎপাদন সৰ্বাধিক হোৱা অৱস্থাত প্ৰথমটো স্তৰ শেষ হয়। এই স্তৰত স্থিৰ উৎপাদন মূলধনৰ পৰিমাণ পৰিৱৰ্তনীয় উপাদান শ্ৰমিকৰ তুলনাত আপেক্ষিকভাৱে অধিক হৈ থাকে। অধিক পৰিমাণৰ পৰিৱৰ্তনীয় উপাদানৰ প্ৰয়োগৰদ্বাৰা অবিভাজ্য স্থিৰ উপাদানৰ উৎপাদন ক্ষমতা পূৰ্ণ প্ৰয়োগ সম্ভৱপৰ হোৱাৰ কাৰণেই প্ৰথম স্তৰত উৎপাদন ক্ৰমবৰ্দ্ধমান হাৰত বৃদ্ধি হয়।

দ্বিতীয় স্তৰ (Second Stage) ঃ উৎপাদনৰ পৰিৱৰ্তনশীল বিধি প্ৰয়োগৰ দ্বিতীয় স্তৰত মুঠ উৎপাদন ক্ৰমহ্ৰাসমান গতিত বৃদ্ধি হৈ গৈ থাকে আৰু শীৰ্ষ বিন্দুত উপনীত হোৱা অৱস্থাত এই স্তৰ (H) শেষ হয়। এই স্তৰৰ শেষ বিন্দুত প্ৰান্তিক উৎপাদন শূন্য হয় আৰু মুঠ উৎপাদন সৰ্বোচ্চ হয়। দ্বিতীয় স্তৰৰ উৎপাদন বৃদ্ধিৰ হাৰৰ পৰা দেখা যায় যে এই স্তৰটো ক্ৰম হ্ৰাসমান প্ৰতিদান বিধিৰ অন্তৰ্ভুক্ত।

তৃতীয় স্তৰ (Third Stage) ঃ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিৰ তৃতীয় স্তৰটো হৈছে এক ঋণাত্মক প্ৰতিদান স্তৰ। এই স্তৰটো H বিন্দুৰ পৰৱৰ্তী স্তৰ। এই স্তৰত প্ৰান্তিক উৎপাদন ঋণাত্মক হোৱাৰ কাৰণে মুঠ উৎপাদন আৰু গড় উৎপাদন হ্ৰাস পাবলৈ আৰম্ভ কৰে। প্ৰান্তিক উৎপাদন ৰেখা এই স্তৰত OX-অক্ষৰ তললৈ গতি কৰে। গতিকে, এই স্তৰটো প্ৰথম স্তৰটোৰ বিপৰীত। এই স্তৰটোত পৰিৱৰ্তনশীল উপাদানৰ ব্যৱহাৰ স্থিৰ উপাদানৰ তুলনাত অত্যধিক পৰিমাণে বৃদ্ধি পোৱাৰ কাৰণে প্ৰান্তিক উৎপাদন নেতিবাচক হয়। সেয়ে ইয়াক ঋণাত্মক প্ৰতিদানৰ স্তৰ বোলা হয়।

এজনে বিবেচক উৎপাদনকাৰীয়ে উৎপাদনৰ দ্বিতীয় পৰ্য্যায়ত উৎপাদন কাৰ্য্য সম্পাদনৰ সিদ্ধান্ত গ্ৰহণ কৰিব। বিবেচক উৎপাদনকাৰীজনে প্ৰথম স্তৰটো নিৰ্বাচন নকৰে, কাৰণ এই স্তৰটোত স্থিৰ উপাদানৰ পূৰ্ণ ব্যৱহাৰ নোহোৱাৰ কাৰণে এই উপাদানবোৰৰ প্ৰান্তিক উৎপাদন ঋণাত্মক হৈ থাকে। যদি উৎপাদনকাৰীয়ে এই স্তৰত উৎপাদন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে তেনেহ'লে পৰিৱৰ্তনশীল উপাদানসমূহৰ পূৰ্ণ প্ৰয়োগৰ সুবিধা হেৰুৱাব। গতিকে কোনো বিবেচক উৎপাদনকাৰীয়ে এই স্তৰত উৎপাদনকাৰ্য্য চলোৱাৰ সিদ্ধান্ত গ্ৰহণ নকৰে, কিয়নো এই স্তৰত প্ৰান্তিক উৎপাদন ঋণাত্মক হয়।

উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিৰ গুৰুত্ব বা তাৎপৰ্য্য ঃ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিটোৱে অৰ্থবিজ্ঞানত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অৰ্থবিজ্ঞানী মাৰ্ছালৰ মতে, এই তত্ত্বটো একমাত্ৰ কৃষিৰ ক্ষেত্ৰতেই প্ৰযোজ্য হয়। আধুনিক অৰ্থবিজ্ঞানীসকলৰ মতে, এই বিধিটোৰ প্ৰয়োগ একমাত্ৰ কৃষিৰ ক্ষেত্ৰতেই সীমাবদ্ধ নহয়। উদ্যোগ আৰু অন্যান্য উৎপাদন কাৰ্য্যৰ ক্ষেত্ৰতো এই বিধি প্ৰয়োগ হয়। এই তত্ত্বটোৰ বাস্তৱ ভিত্তি নথকাহ'লে একেডৰা মাটিতে শ্ৰমিক আৰু মূলধনৰ পৰিমাণ বৃদ্ধি কৰি মুঠ উৎপাদন বৃদ্ধি কৰিব পৰা গ'লহেতেঁন। ভাৰতবৰ্ষৰ দৰে দ্ৰুত হাৰত জনসংখ্যা বৃদ্ধি পোৱা দেশ এখনে এই ক্ষেত্ৰত অৱশ্যে বিশেষ সঙ্কিত হোৱাৰ দৰকাৰ নাই, যিহেতু উন্নত প্ৰযুক্তি প্ৰয়োগেৰে কৃষিৰ উৎপাদনৰ পৰিমাণ বহু পৰিমাণে বৃদ্ধি কৰিব পৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ উৎপাদনৰ পৰিৱর্তনশীল অনুপাত বিধিটোৰ অভিধাৰণাসমূহ লিখক। (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

প্রশ্ন নং ৫ ঃ উৎপাদনৰ কোনটো স্তৰক ক্রমহ্রাসমান প্রতিদান বুলি কোৱা হয় আৰু কিয় কোৱা হয়? (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ৬ ঃ ক্রমহ্রাসমান প্রতিদান স্তৰ বুলিলে কি বুজে? (৩০টা শব্দৰ ভিতৰত লিখক)

.....


.....

৭.৬ মাত্রাৰ প্রতিদান বিধি (Returns to Scale)

উৎপাদনৰ অন্যান্য সকলো উপাদান স্থিৰ ৰাখি পৰিৱর্তনশীল উপাদানসমূহৰ আনুপাতিক পৰিৱর্তনৰ জৰিয়তে মুঠ উৎপাদন কিদৰে সলনি কৰিব পাৰি, সেই বিষয়ে উৎপাদনৰ পৰিৱর্তনশীল অনুপাত বিধিৰ অধ্যয়নৰ পৰা বুজিৰ পাৰি। যদিহে উৎপাদনৰ সকলোবোৰ উপাদানৰ আনুপাতিক পৰিৱর্তন ঘটোৱা যায়, উৎপাদনৰ মাত্রাৰ পৰিৱর্তন হয়। মাত্রাৰ পৰিৱর্তনৰ যোগেদি মুঠ উৎপাদন কিদৰে পৰিৱর্তন হয়, সেই বিষয়ে অধ্যয়নেই হৈছে মাত্রা প্রতিদানৰ বিষয়বস্তু। মাত্রাৰ প্রতিদান আৰু উৎপাদনৰ পৰিৱর্তনশীল অনুপাত বিধিৰ মাজত থকা পার্থক্য এটা উদাহৰণৰ জৰিয়তে ব্যাখ্যা কৰিব পাৰি। ধৰা হ'ল, এজন উৎপাদকে শ্রমিক আৰু মূলধনৰ ব্যৱহাৰৰ জৰিয়তে উৎপাদন কার্য্য সম্পাদন কৰিছে। উৎপাদকজনে যদি মূলধনৰ অনুপাত স্থিৰ ৰাখি কেৱল শ্রমিকৰ নিয়োগৰ পৰিমাণ বৃদ্ধিৰ যোগেদি মুঠ উৎপাদন পৰিৱর্তন কৰে, তেনেহ'লে উৎপাদনৰ পৰিৱর্তনশীল অনুপাত বিধিটো প্রযোজ্য হ'ব। আনহাতে উৎপাদকজনে যদি উৎপাদনৰ সকলোবোৰ উপাদান সমান অনুপাতত বৃদ্ধি কৰি মুঠ উৎপাদনৰ পৰিমান বৃদ্ধি কৰে, তেনেহ'লে এনে উৎপাদন কার্য্য মাত্রাৰ প্রতিদান বিধিৰ অন্তর্ভুক্ত হয়। মাত্রাৰ প্রতিদানৰ ধাৰণাটো সম-উৎপাদন ৰেখাৰ সহায়ত প্রকাশ কৰিব পাৰি। মাত্রাৰ প্রতিদান তিনি প্রকাৰৰ হ'ব পাৰে ক্রমবর্দ্ধমান, ক্রমহ্রাসমান আৰু সমানুপাতিক বা অপৰিৱর্তনীয়।

ক্রমবর্দ্ধমান প্রতিদান বিধি (Increasing Returns to Scale) ঃ যদি পৰিৱর্তনীয় উপাদানৰ প্রয়োগৰ হাৰ বৃদ্ধিৰ তুলনাত উৎপাদন অধিক হাৰত বৃদ্ধি হয়, তেতিয়া মাত্রাৰ ক্রম বর্ধমান প্রতিদান বিধি প্রযোজ্য হয়। উদাহৰণ স্বৰূপে, পৰিৱর্তনীয় উপাদান প্রয়োগৰ হাৰ ২ শতাংশ বৃদ্ধি কৰিলে যদি উৎপাদন ৩ শতাংশ বৃদ্ধি হয, তেতিয়া উৎপাদনৰ ক্ষেত্রত ক্রমবর্দ্ধমান প্রতিদান বিধি প্রযোজ্য হৈছে বুলি কোৱা হয়। প্রতিষ্ঠান এখনৰ ক্রমবর্দ্ধমান প্রতিদান বিধি ৭.৭নং চিত্রত দেখুওৱা হ'ল।

চিত্র নং ৭.৭ ঃ ক্রমবর্দ্ধমান প্রতিদান বিধি




OA অক্ষই দুটা মাত্র পৰিৱর্তনশীল উপাদানৰ শ্রমিক আৰু মূলধনৰ গোটৰ প্রতিনিধিত্ব কৰিছে। চিত্রত OA অক্ষই ক্রমবর্দ্ধমান প্রতিদান বিধি দেখুৱাইছে, কাৰণ অতিৰিক্ত ১০টা গোট উৎপাদন কৰোতে শ্রমিক আৰু মূলধনৰ অতিৰিক্ত গোটৰ প্রয়োজনৰ হাৰ কমি আহিছে।

প্রধানকৈ, কাৰিকৰী বা পৰিচালনাৰ দক্ষতাৰ বাবে ক্রমবর্দ্ধমান উৎপাদন বিধিটো ক্যর্য্যকৰী হ'ব পাৰে উপাদানৰ অবিভাজনীয়তাৰ ফলত উৎপাদনৰ পৰিমাণ কম হ'লে খৰচ বাঢ়ে, কিন্তু উৎপাদনৰ পৰিমাণ যিমানেই বাঢ়ি যায় খৰচ সিমানেই কমি যাব। এনে ধৰণৰ বৃহৎ উৎপাদনেৰে ব্যৱসায়ৰ পৰিচালক আৰু লগতে বনুৱা সকলকো তেওঁলোকৰ নিজ কাম-কাজ বিশেষ দক্ষতাৰে সম্পন্ন কৰাত বা আধুনিক যন্ত্র-পাতি নিপুণতাৰে ব্যৱহাৰ কৰাত সহায় কৰে।

সমোৎপন্ন প্রতিদান বিধি (Law of Constant Returns) ঃ যদিহে পৰিৱর্তনশীল উপাদানৰ প্রয়োগ বৃদ্ধিৰ সমান হাৰত মুঠ উৎপাদনৰ পৰিমাণ বৃদ্ধি পায়, তেনেহ'লে উৎপাদন কার্য্য মাত্রাৰ সমানুপাতিক বা অপৰিৱর্তনীয় প্রতিদান বিধিৰ অন্তর্ভুক্ত হয়। উৎপাদন প্রতিষ্ঠান এখনৰ আকাৰ আৰু ব্যৱহৃত উৎপাদন কৌশলে সম-উৎপাদন বিধিত প্রভাৱ নেপেলায়। উদাহৰণস্বৰূপে, বৃহৎ ভ্রমণ সংস্থা (Travel Agency) এটা সমান পৰিমাণৰ শ্রমিক আৰু মূলধন

বিনিয়োগ কৰি প্ৰতিজন ভ্ৰমণকাৰীক যি পৰিমাণৰ সুবিধা প্ৰদান কৰিব সৰু সংস্থা এটাইও সমান সা-সুবিধা প্ৰদান কৰিব পাৰে।

চিত্ৰ নং ৭.৮ ঃ সমোৎপন্ন প্ৰতিদান বিধি




৭.৮নং চিত্ৰৰ জৰিয়তে এই বিধিটো ব্যাখ্যা কৰা হ'ল— ১ জন শ্ৰমিক শ্ৰমিক আৰু ১ একক মূলধনৰ প্ৰয়োগৰ জৰিয়তে ১০ গোট দ্ৰব্য উৎপাদন কৰা হৈছে। শ্ৰমিক আৰু মূলধনৰ প্ৰয়োগ সমান অনুপাতত বৃদ্ধিৰ জৰিয়তে মুঠ উৎপাদনৰ পৰিমাণ দুগুণ বৃদ্ধি পাইছে। ঠিক সেইদৰে, শ্ৰমিক আৰু মূলধনৰ পৰিমাণ সমান অনুপাতত তিনিগুণ বৃদ্ধি কৰাত উৎপাদনৰ পৰিমানো তিনিগুণ বৃদ্ধি পাইছে।

ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি (Decreasing Returns to Scale) ঃ উৎ পাদনৰ উপাদানসমূহৰ বৃদ্ধিৰ অনুপাতৰ তুলনাত মুঠ উৎপাদনৰ পৰিমাণ কমকৈ বৃদ্ধি পালে ক্ৰমহ্ৰাসমান প্ৰতিদান বিধিটো প্ৰযোজ্য হয়।

৭.৯নং চিত্ৰত সমান পৰিমাণৰ দ্ৰব্য উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে দুগুণ হাৰত শ্ৰমিক আৰু মূলধনৰ পৰিমাণ বৃদ্ধি কৰিবলগা হৈছে। ক্ৰম হ্ৰাসমান প্ৰতিদান বিধিৰ উদ্ভৱ হোৱাৰ প্ৰধান কাৰণ হ'ল পৰিচালনাৰ ক্ষেত্ৰত দেখা দিয়া বিশৃঙ্খলতা আৰু অত্যধিক বোজা। উৎপাদিত দ্ৰব্যৰ পৰিমাণ বৃদ্ধিৰ লগে লগে পৰিচালকৰ দায়িত্ব বৃদ্ধি পায়, ফলস্বৰূপে দক্ষতাৰে কৰ্তব্য সম্পাদন কৰাত ব্যৰ্থ হয় আৰু পৰিচালনাৰ অমিতব্যয়িতাই দেখা দিয়ে। অন্যহাতেদি বৃহৎ উৎপাদন কাৰ্য্যত শ্ৰমিক আৰু মালিকৰ মাজৰ সম্পৰ্ক দ্ৰুত অৱনতিৰ ফলত ক্ৰমহ্ৰাসমান প্ৰতিদান বিধিৰ কাৰ্য্যকৰী হ'ব পাৰে।

উৎপাদনৰ প্ৰতিদান প্ৰতিষ্ঠানভেদে বেলেগ বেলেগ হয়। বৃহৎ প্ৰতিষ্ঠানত প্ৰতিদানৰ মাত্ৰা ক্ষুদ্ৰ প্ৰতিষ্ঠানতকৈ বেছি হয়।

চিত্র নং ৭.৯ ঃ ক্রমহ্রাসমান প্রতিদান বিধি





অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ মাত্রা পৰিৱর্তনৰ প্রতিদান বুলিলে কি বুজে ? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্রশ্ন নং ৮ ঃ মাত্রা পৰিৱর্তনৰ প্রতিদান আৰু পৰিৱর্তনশীল অনুপাত বিধিৰ মাজত পার্থক্য লিখক। (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....


৭.৭ উৎপাদন প্রতিষ্ঠানৰ ভাৰসমতা

প্রতিষ্ঠান এখনৰ ভাৰসমতা সম-উৎপাদন ৰেখা আৰু সমব্যয় ৰেখাৰ সহায়ত ব্যাখ্যা কৰিব পাৰি।

পোন প্রথমে সমব্যয় ৰেখাৰ ধাৰণাটি অলোচনা কৰোঁ আহক। সমব্যয় ৰেখাই উৎপাদনৰ উপাদানসমূহৰ দৰ প্রতিফলিত কৰে। প্রতিষ্ঠান এখনে উৎপাদনৰ উপাদানসমূহৰ কি জোঁট ব্যৱহাৰ কৰে, সেয়া সমব্যয় ৰেখাডালে নির্দেশ কৰে। অর্থাৎ কোনো এক নির্দিষ্ট ব্যয়ৰ স্তৰত উপাদান

দুটাৰ কি কি জোঁট প্ৰতিষ্ঠানখনে নিয়োগ কৰিব পাৰে, বা ক্ৰয় কৰিব পাৰে, তাকেই সমব্যয় ৰেখাই দেখুৱায়। চিত্ৰ ৭.১০ত এক সমব্যয় ৰেখা দেখুওৱা হৈছে, য'ত xঅক্ষত শ্ৰমিক আৰু y-অক্ষত মূলধনৰ পৰিমাণ দেখুওৱা হৈছে। আমি ধৰি লৈছোঁ যে প্ৰতিষ্ঠানখনৰ উৎপাদনৰ উপাদানসমূহৰ দৰৰ কোনো পৰিৱৰ্তন নহয়। ধৰা হ'ল, প্ৰতিষ্ঠানখনৰ উপাদান ব্যয় ৩০০ টকা আৰু প্ৰতি ঘণ্টাৰ শ্ৰমিকৰ ব্যয় ৪ টকা আৰু প্ৰতিঘণ্টাৰ যন্ত্ৰপাতি (মূলধন)ৰ ব্যয় ৫ টকা। গতিকে ক'ব পাৰোঁ যে প্ৰতিষ্ঠানখনে যদি কেৱল শ্ৰমিক নিয়োগ কৰে, তেতিয়া ই ৭৫ গোট শ্ৰমিক ক্ৰয় কৰিব পাৰে বা প্ৰতিষ্ঠানখনে যদি কেৱল যন্ত্ৰপাতি নিয়োগ কৰে, তেতিয়া ই ৬০ গোট যন্ত্ৰপাতি নিয়োগ কৰিব পাৰে। ধৰা হ'ল, OLএ ৭৫ গোট শ্ৰমিক আৰু OKএ ৬০ গোট যন্ত্ৰপাতিৰ পৰিমাণ দেখুৱাইছে। এই L আৰু K বিন্দু স্পৰ্শ কৰাকৈ আমি যি KL ৰেখা লাভ কৰোঁ, সেই ৰেখাডালেই হৈছে সমব্যয় ৰেখা। এই KL ৰেখাত অৱস্থিত শ্ৰমিক আৰু যন্ত্ৰপাতিৰ বিভিন্ন জোঁট প্ৰতিষ্ঠান খনে ৩০০ টকা ব্যয়ত ক্ৰয় কৰিব পাৰে। গতিকে, সমব্যয় ৰেখা এডালক প্ৰতিষ্ঠান এখনে নিৰ্দিষ্ট ব্যয়ত কিনিব পৰা উৎপাদনৰ উপাদানৰ বিভিন্ন জোঁট হিচাপে সংজ্ঞায়িত কৰিব পাৰি। সমব্যয় ৰেখাডালক দৰ ৰেখা (Price Line) বা ব্যয় ৰেখা (Outlay Line) বুলিও কোৱা হয়।

চিত্ৰ ৭.১০ ঃ সমব্যয় ৰেখা



প্ৰতিষ্ঠানখনে উপাদানৰ বাবদ কৰা ব্যয়ৰ তাৰতম্য ঘটালে সমব্যয় ৰেখাডাল সলনি হয়। যদি উপাদানৰ বাবদ অধিক ব্যয় কৰা হয়, তেতিয়া সমব্যয় ৰেখাডাল সোঁফালে স্থানান্তৰিত হ'ব।

প্ৰতিষ্ঠানখনৰ ভাৰসমতা লাভৰ চর্ত ইয়াৰ উদ্যেশ্যৰ ভিত্তিত নির্ভৰ কৰে। আগতেই উল্লেখ কৰা হৈছে যে, সম-উৎপাদন ৰেখাৰ মানচিত্ৰ এখনে উপাদানৰ বিভিন্ন জোঁটসাপেক্ষে উৎপাদনৰ বিভিন্ন মাত্ৰা দেখুৱায়। মন কৰিব, এডাল সম-উৎপাদন ৰেখাৰ উপাদানৰ বিভিন্ন জোঁটবোৰে উৎপাদনৰ একে মাত্ৰাকে দেখুৱায়। গতিকে, উৎপাদনৰ উপাদান-দুটাৰ দৰ দিয়া থাকিলে সমব্যয় ৰেখাসমূহে বিভিন্ন মাত্ৰাৰ ব্যয় দেখুৱায়।


প্ৰতিষ্ঠান এখনৰ দুই ধৰণৰ লক্ষ্য বা উদ্দেশ্য থাকিব পাৰে— ১) সর্বাধিক লাভ অর্জনৰ লগত নিম্নতম ব্যয়। আৰু ২) নির্দিষ্ট দৰত সর্বাধিক পৰিমাণৰ দ্ৰব্য উৎপাদনৰ লক্ষ্য।

ধৰা হ'ল, প্ৰতিষ্ঠানখনে কিমান পৰিমাণৰ দ্ৰব্য উৎপাদন কৰিব সেই কথা স্থিৰ কৰা হ'ল। এতিয়া প্ৰশ্ন হ'ল বিভিন্ন উপাদানৰ সমষ্টিৰ মাজৰ পৰা প্ৰতিষ্ঠানখনে কোনটো সমষ্টিৰ উপাদানেৰে উৎপাদন কাৰ্য্য চলাই নিব। কোনো এটা দ্ৰব্যৰ এক নিৰ্দিষ্ট পৰিমাণ উৎপাদন কৰিবলৈ উৎপাদনকাৰীজনে নিম্নতম ব্যয় যুক্ত উপাদানৰ সমষ্টিটো নিৰ্বাচন কৰিব। এনেদৰে উৎপাদক এজনে নিম্নতম ব্যয় যুক্ত সমষ্টিৰ সহায়ত কোনো দ্ৰব্য উৎপাদন কৰে।

আমি আগতেই উল্লেখ কৰিছোঁ যে, কোনো এক নিৰ্দিষ্ট পৰিমাণৰ উপাদানৰ নিম্নতম ব্যয় সমষ্টিটো সেইটো বিন্দুত অৱস্থিত য'ত সম-উৎপাদন ৰেখাডাল সমব্যয় ৰেখাডালৰ ***স্পৰ্শক***। অৰ্থাৎ, স্পৰ্শক বিন্দুটোত সম-উৎপাদন ৰেখা ডালে সমব্যয় ৰেখাৰ সৈতে স্পৰ্শ কৰে। ইয়াক তলৰ ৭.১১নং চিত্ৰৰ সহায়ত দেখুওৱা হৈছে।

স্পৰ্শক ঃ এডাল সৰল ৰেখা, যিয়ে এডাল বক্ৰক মাত্ৰ এটা বিন্দুতহে চুই যায় আৰু এই বিন্দুক স্পৰ্শ বিন্দু বুলি কোৱা হয়।

চিত্ৰ নং ৭.১১ ঃ উৎপাদন প্ৰতিষ্ঠানৰ ভাৰসমতা



য চিত্ৰত AA, BB, CC আৰু DD নৰ পৰিমাণত বেলেগ বেলেগ ব্যয়ৰ সমান্তৰাল। ব্যয়ৰ বিভিন্ন পৰিমাণৰ গোট দ্ৰব্য উৎপাদন কৰিব বিচাৰিব, যাতে তেওঁ সৰ্বাধিক মুনাফা অৰ্জন কৰিব পাৰে।


সম-উৎপাদন ৰেখাই (IQ) সমব্যয় ৰেখা BBক E বিন্দুত স্পৰ্শ কৰিছে আৰু সেই বিন্দুত লাভ সৰ্বাধিক হৈছে। এই বিন্দুত উৎপাদকজনে OL পৰিমাণৰ শ্ৰম আৰু OK পৰিমাণৰ মূলধন ব্যৱহাৰ কৰিছে। E বিন্দুৰ বাহিৰে উৎপাদকজনে আন কোনো বিন্দুত ভাৰসমতা লাভ কৰিব নোৱাৰে, যিহেতু আন কোনো বিন্দুত সমব্যয় ৰেখাক সম-উৎপাদন ৰেখাই স্পৰ্শ কৰা নাই। উদাহৰণস্বৰূপে, যদি আমি K বিন্দুৰ কথা ধৰি লওঁ এই বিন্দুত উৎপাদন ব্যয়ৰ পৰিমাণ

অত্যধিক হৈছে। সেয়েহে, উৎপাদকজনে P জোঁটৰ বাহিৰে আন কোনো জোঁট নিৰ্বাচন নকৰে, যিহেতু P হৈছে নিম্নতম ব্যয়ৰ উৎপাদন জোঁট।

এইটো মনত ৰখা উচিত যে সম-উৎপাদন ৰেখাই সমব্যয় ৰেখাক স্পৰ্শ কৰাটোৱেই প্ৰতিষ্ঠান এখনৰ ভাৰসমতাৰ একমাত্ৰ প্ৰয়োজনীয় চৰ্ত নহয়। স্পৰ্শ কৰা বিন্দুত সম ব্যয় ৰেখাডাল সদায় কেন্দ্ৰলৈ উত্তাল হয়। আন কথাত ক'বলৈ গ'লে, শ্ৰমিকৰ বাবদ মূলধনৰ প্ৰান্তিক প্ৰতিকল্পনৰ হাৰ ঋণাত্মক হ'ব লাগিব।

এতিয়া আমি কোনো এক প্ৰদত্ত ব্যয় সপেক্ষে সৰ্বাধিক উৎপাদনৰ মাত্ৰাত উপনীত হোৱা দ্বিতীয় এটা পন্থা তলৰ ৭.১২নং চিত্ৰৰ সহায়ত দেখুওৱা হৈছে।

চিত্ৰ ৭.১২ ঃ প্ৰদত্ত ব্যয় সাপেক্ষে সৰ্বাধিক উৎপাদন



প্ৰদত্ত ব্যয় এডাল সমব্যয় ৰেখাৰ জৰিয়তে দেখুৱাব পাৰি। এই ক্ষেত্ৰত, প্ৰতিষ্ঠানখনে সেই প্ৰদত্ত সমব্যয় ৰেখাডালত অৱস্থিত উপাদানৰ কোনো এক জোঁট নিৰ্বাচন কৰিব লাগিব। চিত্ৰত দেখুওৱাৰ দৰে, উৎপাদনকাৰীজনে E বিন্দুত ভাৰসমতা লাভ কৰিছে, য'ত সমব্যয় ৰেখা KLত সম-উৎপাদন ৰেখা IQ3য়ে স্পৰ্শ কৰিছে। এই E বিন্দুত প্ৰতিষ্ঠানখনে ON পৰিমাণৰ শ্ৰমিক আৰু OH পৰিমাণৰ মূলধন ব্যৱহাৰ কৰিছে। সমব্যয় ৰেখাৰ R,S,T আৰু J বিন্দুতো প্ৰতিষ্ঠানখনে উৎপাদন কৰিব পাৰে, কিন্তু কেৱল E বিন্দুটো সৰ্বোত্তম সম-উৎপাদন ৰেখা IQ3ৰ স্পৰ্শক, য'ত 300 একক উৎপাদনৰ পৰিমাণ দেখা গৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ বিক্রেতা প্রতিষ্ঠান এখনৰ মূল লক্ষ্য কেনে ধৰণৰ হ'ব পাৰে?

.....

.....

.....

প্রশ্ন নং ১০ ঃ উৎপাদন প্রতিষ্ঠান এখনৰ ভাৰসাম্য অৱস্থাৰ চৰ্তকেইটা কি কি ? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....


৭.৮ **বৃদ্ধিৰ পথ** (Expansion Path)



উৎপাদক এজনে কেনেদৰে ভাৰসমতা লাভ কৰে সেই বিষয়ে আলোচনাৰ অন্তত ক্রমাৰ দৰত উপাদানসমূহৰ প্রয়োগৰ হাৰৰ পৰিৱর্তনৰ ফলত মুঠ উৎপাদনৰ পৰিমাণ কৰিব পাৰি সেই বিষয়ে আলোচনা কৰিম। উৎপাদনকাৰীয়ে উৎপাদন প্রসাৰৰ আগুৱাই যাব, সেই কথা সমব্যয় আৰু সম-উৎপাদন ৰেখাৰ পৰিৱর্তনৰ জৰিয়তে আলোচনা কৰা হ'ব।

ধৰা হ'ল, উৎপাদকজনে উৎপাদন কার্য্যত শ্রমিক আৰু মূলধন ব্যৱহাৰ কৰিছে। ৭.১৩নং চিত্রত সিহঁতৰ দৰ AA ৰেখাই নির্দেশ কৰিছে। AA ব্যয় ৰেখাৰ সমান্তৰালকৈ অঙ্কণ কৰা BB, CC আৰু DD ব্যয় ৰেখাই বিভিন্ন পৰিমাণৰ মুঠ ব্যয় নির্দেশ কৰিছে। ধৰা হ'ল, উৎপাদকজনে ১০০ গোট দ্রব্য উৎপাদন কৰাৰ সিদ্ধান্ত লৈছে। তেনেহ'লে, উৎপাদকজনে E_1 বিন্দুত উৎপাদন কার্য্য সম্পাদন কৰিব। যদিহে উৎপাদকজনে ২০০ গোট দ্রব্য উৎপাদন কৰাৰ সিদ্ধান্ত গ্রহণ কৰে, তেওঁ E_2 বিন্দুত উৎপাদন কৰিব বিচাৰিব, যিহেতু এই বিন্দুত সম-উৎপাদন ৰেখাই সমব্যয় ৰেখাই স্পর্শ কৰিছে। এনেদৰে, উচ্চ পৰিমাণৰ দ্রব্য উৎপাদন কৰিব বিচাৰিলে যেনে ৩০০, ৪০০ ইত্যাদি প্রতিষ্ঠান খনে E_3 আৰু E_4 বিন্দুত উৎপাদন কৰিব লাগিব। আমি এই আটাইবোৰ নিম্নতম বিন্দু E_1 E_2 E_3 আৰু E_4 বিন্দু সংযোগ কৰি এডাল ৰেখা অঙ্কন কৰিলে প্রতিষ্ঠান এখনৰ বৃদ্ধিৰ পথটো পাব পাৰোঁ। গতিকে ক'ব পাৰি যে সমব্যয় আৰু সম-উৎপাদন ৰেখাসমূহে স্পর্শ কৰা বিন্দুবোৰক সংযোগ কৰা ৰেখাডাল হৈছে বৃদ্ধিৰ পথ।

চিত্ৰ নং ৭.১৩ ঃ বৃদ্ধিৰ পথ



বৃদ্ধিৰ পথ বিভিন্ন আকৃতিৰ আৰু বিভিন্ন দিশত হ'ব পাৰে। উৎপাদনৰ উপাদান সমূহৰ দৰৰ পৰিমাণৰ ওপৰত বৃদ্ধি পথৰ আকৃতি নিৰ্ভৰ কৰে। বৃদ্ধি পথৰ বিন্দুসমূহে বিভিন্ন পৰিমাণৰ মুঠ উৎপাদিত দ্ৰব্যৰ পৰিমাণ আৰু নিম্নতম ব্যয়ৰ সংযোগ সূচায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ উৎপাদন বৃদ্ধিৰ পথে কি সূচায় ?

.....

.....

.....



৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উৎপাদক (বা উপাদান) (Input) আৰু উৎপাদন (Output)ৰ মাজৰ সম্পৰ্ককেই উৎপাদন কাৰ্য্য বা উৎপাদন সম্পৰ্ক হিচাপে নামকৰণ কৰা হৈছে।
- এডাল সম-উৎপাদন ৰেখাই কেনেকৈ এক নিৰ্দিষ্ট পৰিমাণৰ দ্ৰব্য দুটা পৰিৱৰ্তনীয় উপাদানৰ বিভিন্ন সমষ্টিৰ সহায়ত উৎপাদন কৰিব পৰা যায় সেই বিষয়ে নিৰ্দেশ দিয়ে। এই ৰেখাডালক উৎপাদকৰ নিৰপেক্ষ ৰেখা বুলিও জনা যায়।

- মুঠ উৎপাদনৰ বিকল্প হিচাপে অন্য এটা উপাদান যি হাৰত ব্যৱহাৰ কৰা হয় সেয়ে হৈছে কাৰিকৰী প্ৰতিকল্পনৰ প্ৰান্তিক হাৰ (MRTS)।
- উৎপাদকৰ পৰিৱৰ্তনশীল অনুপাত বিধিৰ জৰিয়তে উৎপাদনৰ অন্যান্য সকলোবোৰ উপাদান স্থিৰ ৰাখি এটা উপাদানৰ পৰিৱৰ্তন কৰাৰ ফলত মুঠ উৎপাদন কিদৰে পৰিৱৰ্তন ঘটে, সেই বিষয়ে আলোচনা কৰে। এই তত্ত্বটোত তিনিটা স্তৰ আছে। উৎপাদনৰ সকলোবোৰ উপাদানৰ প্ৰয়োগৰ পৰিৱৰ্তনৰ ফলত মুঠ উৎপাদন কিদৰে পৰিৱৰ্তন ঘটে, সেই বিষয়ে অধ্যয়ন কৰাটোৱেই মাত্ৰাৰ প্ৰতিদান বিধিৰ মূল বিষয়বস্তু। মাত্ৰাৰ প্ৰতিদান ক্ৰমহ্ৰাসমান, ক্ৰমবৰ্দ্ধমান নাইবা অপৰিৱৰ্তনীয় বা সমানুপাতিক হ'ব পাৰে।
- উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিটোৱে উৎপাদনৰ এটা উপাদানৰ পৰিৱৰ্তনৰ ফলত মুঠ উৎপাদন কিদৰে পৰিৱৰ্তন হয়, সেই বিষয়ে আলোচনা কৰে। অন্যহাতেদি মাত্ৰাৰ প্ৰতিদান বিধিয়ে উৎপাদনৰ সকলোবোৰ উপাদানৰ স্থিৰ অনুপাতত পৰিৱৰ্তনৰ ফলত মুঠ উৎপাদন কিদৰে পৰিৱৰ্তন ঘটে, সেই বিষয়ে আলোচনা কৰে।
- সমব্যয় ৰেখাই সম-উৎপাদন ৰেখাক স্পৰ্শ কৰা বিন্দুতেই প্ৰতিষ্ঠান এখনৰ ভাৰসমতা নিৰ্দ্ধাৰণ কৰা হয়। সমব্যয় ৰেখাসমূহ সৰল ৰৈখিক, এই ৰেখাসমূহে বিভিন্ন দুটা উৎপাদনৰ উপাদান বজাৰ দৰত ক্ৰয় কৰাকে বুজায়।
- মন কৰিবলগীয় কথাটো হৈছে, সমব্যয় ৰেখা আৰু সম-উৎপাদন ৰেখা দুডালে কেৱল পৰস্পৰে স্পৰ্শ কৰিলেই উৎপাদকজনে ভাৰসমতা লাভ নকৰে। ভাৰসমতা লাভ কৰিবলৈ হ'লে, সেই স্পৰ্শক বিন্দুটিত সম-উৎপাদন ৰেখাডাল X-অক্ষৰ প্ৰতি উত্তাল হ'ব লাগিব। আন কথাত, শ্ৰমিকৰ বাবদ মূলধনৰ কাৰিকৰী প্ৰান্তিক প্ৰতিকল্পনৰ হাৰ (Marginal Rate of Technical Substitution) ঋণাত্মক হ'ব লাগিব।
- প্ৰতিষ্ঠান এখনৰ মুঠ উৎপাদিত দ্ৰব্যৰ পৰিমাণ বৃদ্ধি পোৱাৰ লগে লগে এটা ভাৰসাম্য অৱস্থাৰ পৰা অন্য এটা অৱস্থালৈ গতি কৰে। এনেদৰে, ভাৰসাম্য অৱস্থাৰ এটা বিন্দুৰ পৰা অন্য এটা বিন্দুলৈ পৰিৱৰ্তন হোৱা কাৰ্য্যক বৃদ্ধিৰ পথ (Expansion Path) বুলি কোৱা হয়।
- উৎপাদন বৃদ্ধিৰ লগে লগে সমব্যয়ৰেখা আৰু সম-উৎপাদন ৰেখাসমূহে স্পৰ্শ কৰা বিন্দু সংযোগী ৰেখাডালেই হৈছে প্ৰতিষ্ঠান এখনৰ বৃদ্ধিৰ পথ। এক কথাত ক'বলৈ হ'লে নিম্নতম ব্যয় সংযোগী বিন্দুসমূহৰ সমষ্টিয়েই হৈছে উৎপাদন বৃদ্ধিৰ পথ।



৭.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) আলম, ড° খুৰছেদ; হুদা, ড° মণিৰুল আৰু শৰ্মা, ড° অৰ্চনা (২০০৪); *স্নাতক মহলাৰ অৰ্থতত্ত্ব (ব্যষ্টিবাদী অৰ্থবিজ্ঞান)* ষষ্ঠ সংস্কৰণ; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ্ছ।

২) গোস্বামী, ড° অতুল (২০০৫); *স্নাতক মহলাৰ অৰ্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অৰ্থনৈতিক তত্ত্ব)* সপ্তম সংস্কৰণ; ডিব্ৰুগড় ঃ ষ্টুডেণ্টছ এম্পৰিয়াম।

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics;* New Delhi: S. Chand & Co. Ltd.

2) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.

3) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.

4) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Co. Ltd.



৭.১১ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ সম-উৎপাদন ৰেখাই উৎপাদনৰ বিভিন্ন উপাদানৰ বিভিন্ন সমষ্টিৰ সংযোগৰ জৰিয়তে সমান পৰিমানৰ উৎপাদনক দেখুৱাই। উপভোক্তাৰ নিৰপেক্ষ ৰেখা ধাৰণাটোৰ লগত এই ধাৰণাৰ সাদৃশ্য আছে। সেযেহে সম-উৎপাদন ৰেখাক উৎপাদকৰ নিৰপেক্ষ ৰেখা বুলিও কোৱা হয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিকল্পনৰ স্থিতিস্থাপকতাৰ জৰিয়তে উৎপাদনৰ উপাদানৰ প্ৰতিকল্পনৰ মাত্ৰা নিৰ্ণয় কৰা হয়। উৎপাদকৰ অনুপাতক কাৰিকৰী প্ৰতিকল্পনৰ প্ৰান্তিক হাৰৰ পৰিৱৰ্তনেৰে কৰিব পাৰি।

উৎপাদকৰ অনুপাতৰ সমানুপাতিক পৰিৱৰ্তন
কাৰিকৰী প্ৰতিকল্পনৰ সমানুপাতিক পৰিৱৰ্তন

৩নং প্ৰশ্নৰ উত্তৰ ঃ সম-উৎপাদন ৰেখাসমূহ কেন্দ্ৰৰ প্ৰতি উত্তাল হোৱাৰ প্ৰধান কাৰণ হৈছে ক্ৰমহ্ৰাসমান কাৰিকৰী প্ৰান্তিক প্ৰতিকল্পন বিধিৰ প্ৰয়োগ। কেন্দ্ৰৰ প্ৰতি উত্তাল ৰেখাডালে সমান পৰিমানৰ দ্ৰব্য উৎপাদন কৰিবলৈ ক্ৰমান্বয়ে কম পৰিমাণৰ মূলধন ত্যাগ কৰি অতিৰিক্ত শ্ৰমিক নিয়োগ কৰাক বুজাই।

৪নং প্ৰশ্নৰ উত্তৰ ঃ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিটো তলত দিয়া অভিধাৰণা সমূহৰ ওপৰত প্ৰতিস্থিত—

- প্ৰযুক্তিবিদ্যাৰ কোনো পৰিৱৰ্তন নহয় বুলি ধৰা হয়।
- অন্যান্য সকলোবোৰ উপাদান একে ৰাখি মাত্ৰ এটা উপাদানৰ পৰিৱৰ্তনৰ ঘটোৱা হয়।
- পৰিৱৰ্তনশীল উপাদান সমূহ সমগুণ সম্পন্ন।

৫নং প্ৰশ্নৰ উত্তৰ ঃ উৎপাদনৰ প্ৰথম স্তৰত মুঠ উৎপাদন ক্ৰমবৰ্দ্ধমান হাৰত এক নিৰ্দিষ্ট বিন্দুলৈকে বৃদ্ধি পায়। সেই বিন্দুটোক তীৰ্থক গতিৰ বিন্দু বোলে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ উৎপাদনৰ তৃতীয় স্তৰক ক্ৰমহ্ৰাসমান প্ৰতিদান স্তৰ বোলে। এই স্তৰত পৰিৱৰ্তনশীল উপাদানৰ গড় আৰু প্ৰান্তিক হাৰ দুয়োটাই হ্ৰাস পায়।

৭নং প্ৰশ্নৰ উত্তৰ ঃ উৎপাদক এজনে শ্ৰম আৰু মূলধনৰ পৰিমাণ সমান অনুপাতত সলনি কৰি মুঠ উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰে, তাকে মাত্ৰা প্ৰতিদান বিধি বুলি কোৱা হয়। এই বিধিত উৎপাদনৰ মাত্ৰাৰ পৰিৱৰ্তন ঘটোৱা হয়।

৮নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱৰ্তনশীল অনুপাত বিধিটোৱে দেখুৱাই যে উৎপাদনৰ এটা মাত্ৰা উপাদানৰ পৰিৱৰ্তনৰ জৰিয়তে মুঠ উৎপাদনৰ কিদৰে পৰিৱৰ্তন ঘটে। মাত্ৰা পৰিৱৰ্তনৰ প্ৰতিদান বিধিত উৎপাদনৰ সকলোবোৰ উপাদান সমান অনুপাতত পৰিৱৰ্তন ঘটে।



৯নং প্ৰশ্নৰ উত্তৰ ঃ উৎপাদন প্ৰতিষ্ঠান এখনৰ মূল লক্ষ্য দুই ধৰণৰ হ'ব পাৰে—

- এক নিৰ্দিষ্ট দৰত উৎপাদনৰ পৰিমাণ সৰ্বাধিক কৰা, বা
- এক নিৰ্দিষ্ট উৎপাদনত ব্যয়ৰ পৰিমাণ সৰ্বনিম্ন কৰা।

১০নং প্ৰশ্নৰ উত্তৰ ঃ উৎপাদন প্ৰতিষ্ঠান এখনৰ ভাৰসাম্য অৱস্থাৰ অন্যতম প্ৰধান চৰ্ত চৰ্ত দুটা হ'ল—

- সমব্যয় ৰেখাই সম-উৎপাদন ৰেখাক স্পৰ্শ কৰিব লাগিব।
- স্পৰ্শক বিন্দুত সমব্যয় ৰেখাডাল কেন্দ্ৰৰ পিনে উত্তাল হ'ব লাগিব।

১১নং প্ৰশ্নৰ উত্তৰ ঃ বৃদ্ধি ৰপথ ৰেখাই নিম্নতম ব্যয়ৰ সংযোগ বিভিন্ন পৰিমাণৰ উৎপাদিত দ্ৰব্যৰ পৰিমাণ দেখুৱায়। উৎপাদনৰ উপাদানসমূহৰ নিৰ্দিষ্ট দৰত, নিম্নতম ব্যয়ৰ জৰিয়তে কিদৰে এক নিৰ্দিষ্ট পৰিমাণৰ দ্ৰব্য উৎপাদন কৰিব পাৰি, সেই কথা দেখুৱায়।

৭.১২ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (৭৫টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক) ঃ

প্ৰশ্ন নং ১ ঃ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিটোৰ তাৎপৰ্য্য ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ বৃদ্ধিৰ পথ ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৩ ঃ চমুটোকা লিখক—

ক) সমোৎপন্ন প্ৰতিদান বিধি।

খ) ক্ৰমহাসমান প্ৰতিদান বিধি।

গ) ক্ৰমবৰ্দ্ধমান প্ৰতিদান বিধি।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিটো চিত্ৰৰ সহায়ত প্ৰকাশ কৰক।

প্ৰশ্ন নং ২ ঃ মাত্ৰা প্ৰতিদান বিধি বুলিলে কি বুজে? মাত্ৰা প্ৰতিদানৰ বিভিন্ন প্ৰকাৰসমূহ চিত্ৰৰ সহায়ত ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৩ ঃ সমব্যয় আৰু সম-উৎপাদন ৰেখাৰ সহায়ত প্ৰতিষ্ঠান এখনৰ ভাৰসমতা লাভ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ উৎপাদন ব্যয় আৰু ব্যয় ৰেখা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ব্যয় সম্পৰ্কীয় বিভিন্ন ধাৰণাসমূহ
৮.৪ হ্ৰস্বকালীন ব্যয় ৰেখাসমূহৰ প্ৰকৃতি
৮.৪.১ মুঠ স্থিৰ ব্যয় আৰু মুঠ পৰিৱৰ্তনশীল ব্যয়
৮.৪.২ গড় ব্যয় ৰেখাসমূহ
৮.৪.৩ প্ৰান্তিক ব্যয় ৰেখা
৮.৫ উৎপাদন প্ৰতিষ্ঠানৰ দীৰ্ঘকালীন ব্যয় ৰেখা
৮.৫.১ দীৰ্ঘকালীন গড় ব্যয় ৰেখা
৮.৫.২ দীৰ্ঘকালীন প্ৰান্তিক ব্যয় ৰেখা
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবলৈ
৮.৮ অগ্ৰগতিৰ খতিয়ান
৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সঘনে ব্যৱহাৰ হোৱা বিভিন্ন ব্যয়সমূহৰ ধাৰণাৰ বিষয়ে জানিব পাৰিব
- হ্ৰস্বকালত মুঠ পৰিৱৰ্তনশীল আৰু মুঠ স্থিৰ ব্যয়ৰ মাজত থকা পাৰ্থক্য নিৰূপণ কৰিব পাৰিব
- হ্ৰস্বকালীন গড় ব্যয় আৰু প্ৰান্তিক ব্যয়ৰ মাজৰ পাৰ্থক্য জানিব পাৰিব
- দীৰ্ঘকালীন গড় ব্যয় ৰেখা আৰু প্ৰান্তিক ব্যয় ৰেখা অঙ্কন কৰিব পাৰিব।

৮.২ পৰিচয়

প্ৰতিষ্ঠান এখনৰ উৎপাদন সম্পৰ্কে সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াত ব্যয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। লাভ অৰ্জন কৰাটো প্ৰতিখন উৎপাদন প্ৰতিষ্ঠানৰ প্ৰধান আৰু অন্যতম উদ্দেশ্য। লাভ অৰ্জনৰ বাহিৰেও নতুন দ্ৰব্য এবিধক অন্তৰ্ভুক্ত কৰা হ'ব নে নহয় অথবা উৎপাদনৰ পৰিমাণ হ্ৰাস বৃদ্ধি কৰাৰ ক্ষেত্ৰতো ব্যয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

চমুকৈ ক'বলৈ গ'লে, এটা দ্রব্য উৎপাদন কৰি বজাৰত যোগান ধৰালৈকে উৎপাদনকাৰীৰ যিখিনি ব্যয় হয়, সেই সকলোবোৰ খৰচেই উৎপাদন ব্যয়ৰ অন্তর্ভুক্ত।উৎপাদন ব্যয় বিভিন্ন উদ্দেশ্যে ব্যৱহাৰ কৰা হয়। আমি এই অধ্যায়তসেই সকলোবোৰ ব্যয়ৰ বিষয়ে আলোচনা কৰিম।

উৎপাদন ব্যয় হ্রস্বকালীন আৰু দীর্ঘকালীন— এই দুই ভাগত ভগাব পাৰি। হ্রস্বকালত স্থিৰ উৎপাদন ব্যয়সমূহৰ পৰিৱর্তন সম্ভৱ নহয়। হ্রস্বকালত মুঠ উৎপাদনৰ পৰিমাণ পৰিৱর্তনশীল উপাদানসমূহৰ পৰিৱর্তনৰ জৰিয়তে কম-বেছি কৰা হয়। হ্রস্বকালীন গড় ব্যয় ৰেখা আৰু হ্রস্বকালীন প্রান্তিক ব্যয় ৰেখাৰ মাজত প্রত্যক্ষ সম্পর্ক আছে। কিন্তু দীর্ঘ সময়ত সকলোবোৰ ব্যয়ক পৰিৱর্তনশীল ব্যয়ৰ অন্তর্ভুক্ত কৰা হয়। উৎপাদন কার্য্যৰ সকলোবোৰ উপাদান পৰিৱর্তন কৰি মুঠ উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰিব পৰা যায়। এনে উৎপাদন ব্যয়ক দীর্ঘকালীন উৎপাদন ব্যয় বোলা হয়। এই অধ্যায়ত আমি কেনেদৰে দীর্ঘকালীন গড় ব্যয় আৰু প্রান্তিক ব্যয় ৰেখা অঙ্কন কৰা হয় সেই বিষয়ে আলোচনা কৰিম। ব্যয় সম্পর্কীয় এই সকলোবোৰ ধাৰণা সংস্থাপিত অর্থবিজ্ঞানীসকলে আগবঢ়াইছিল।

৮.৩ ব্যয় সম্পর্কীয় বিভিন্ন ধাৰণাসমূহ

উৎপাদন কার্য্যৰ প্রয়োজনীয় সিদ্ধান্তসমূহ গ্রহণ কৰোতে উৎপাদন ব্যয়ে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সামগ্রী এবিধৰ দৰ নির্দ্ধাৰণ আৰু যোগান ব্যৱস্থাত উৎপাদন ব্যয়ৰ ভূমিকা গুৰুত্বপূর্ণ। ব্যয় ফলন (Cost Function) হৈছে এক উদ্ভৱ হোৱা ফলন। ব্যয় ফলন উৎপাদন ফলনৰ পৰা উদ্ভৱ হয়। উৎপাদন আৰু ইয়াৰ ব্যয়ৰ মাজত যি সম্পর্ক তাকেই ব্যয় ফলন বা ব্যয় সম্পর্ক বুলি কোৱা হয়। উৎপাদন প্রতিষ্ঠান এখনৰ দৰ নির্দ্ধাৰণ আৰু উৎপাদিত দ্রব্যৰ পৰিমাণ নিৰূপণ কৰা ইত্যাদি বিষয়ৰ ওপৰত প্রয়োজনীয় জ্ঞান আহৰণ কৰিবলৈ হ'লে দৰ সম্পর্কীয় সকলোবোৰ ধাৰণাৰ জ্ঞান থকাটো বাঞ্ছনীয়।

আর্থিক ব্যয় (Money Cost) ঃ এটা দ্রব্য উৎপাদন কৰোঁতে উৎপাদনৰ উপাদানসমূহৰ বাবদ যি ব্যয় হয়, সেয়েই হৈছে আর্থিক বা মৌদ্রিক ব্যয়। প্রতিষ্ঠানৰ মুঠ আর্থিক ব্যয়ত কেঁচামালৰ ব্যয়, শ্রমিকৰ মজুৰি শক্তি আহৰণত হোৱা ব্যয়, উৎপাদনৰ ঘৰ, অৱক্ষয় ব্যয় (Depreciation Cost), মাটিৰ খাজনা, মূলধনৰ সুত , বীমাৰ প্রিমিয়াম, আবকাৰী কৰ, পৰিবহন আৰু উৎপাদিত দ্রব্যৰ বিক্রীৰ অর্থে কৰিবলগীয়া হোৱা ব্যয় ইত্যাদিসমূহ অন্তর্ভুক্ত।

প্রকৃত ব্যয় (Real Cost) ঃ আর্থিক ব্যয়ত এনে কিছুমান উপাদান অন্তর্নিহিত হৈ থাকে যিবিলাকৰ বিষয়ে স্পষ্টকৈ হিচাপ কৰা নহয়। পুঁজিপতিয়ে মূলধন জমা আৰু বিনিয়োগ কৰাৰ বাবে যি পৰিমাণৰ প্রচেষ্টা আৰু ত্যাগ স্বীকাৰ কৰিবলগীয়া হয়, শ্রমিকে জিৰণিৰ সময়খিনি হেৰুওৱা ইত্যাদি ব্যয় প্রকৃত ব্যয়ৰ উদাহৰণ। মার্ছালৰ মতে, এটা দ্রব্য উৎপাদন কৰিবলৈ উৎপাদনৰ উপাদানবোৰে যিখিনি শ্রম, ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিবলগীয়া হয়, সেইখিনিয়ে হৈছে প্রকৃত ব্যয়। এটা বিৰক্তিদায়ক শ্রমে সদায় অত্যাধিক মজুৰি প্রদান কৰিব নোৱাৰে বা এটা আনন্দদায়ক

কামৰ পৰাও কম মজুৰি আদায় কৰিব নোৱাৰি। সেয়েহে কোৱা হয়, আৰ্থিক ব্যয় আৰু প্ৰকৃত ব্যয়ৰ মাজত যোগাযোগ বা আদান প্ৰদান নহয়।

হিচাপ ব্যয় আৰু অৰ্থনৈতিক ব্যয় (Accounting Cost and Economic Cost) ঃ ব্যয় সম্পৰ্কীয় ধাৰণাসমূহৰ ক্ষেত্ৰত অৰ্থবিজ্ঞানী আৰু হিচাপৰক্ষকৰ ধাৰণাৰ মাজত পাৰ্থক্য আছে। হিচাপৰক্ষকে বহন কৰা ব্যয় সম্পৰ্কীয় ধাৰণাসমূহ অৰ্থবিজ্ঞানীসকলে বহন কৰা ধাৰণাৰ পৰা পৃথক। হিচাপৰক্ষকসকলৰ বাৰ্ষিক প্ৰতিবেদনত উদ্যোগ প্ৰতিষ্ঠানখনৰ অতীতৰ অগ্ৰগতিৰ বিষয়ে উল্লেখ থাকে। বিত্তীয় হিচাপৰক্ষক বা গাণনিক সকলে উদ্যোগ প্ৰতিষ্ঠান এখনৰ অতীতত হৈ যোৱা বিত্তীয় কাম কাজসমূহৰ ওপৰত বিচাৰ বিবেচনা কৰে কাৰণ তেওঁলোকে সম্পত্তি আৰু দেনা-পাওনাৰ হিচাপৰ লগতে আগৰ কাম কাজসমূহ পৰ্যালোচনা কৰে। গাণনিকসকল এনেধৰণৰ ব্যয়ৰ লগত জড়িত থাকে। অন্যহাতেদি অৰ্থবিজ্ঞানী এজনৰ ধাৰণা গাণনিকৰ ধাৰণাৰ পৰা সম্পূৰ্ণ পৃথক। অৰ্থবিজ্ঞানীয়ে উদ্যোগ প্ৰতিষ্ঠান এখনৰ ভৱিষ্যতে হ'ব লগা অগ্ৰগতিৰ খৰচৰ বিষয়ে অধ্যয়ন কৰে আৰু দুৰ্লভ সম্পদসমূহৰ বিতৰণ কেনে কৰা উচিত সেই সম্পৰ্কে আলোচনা কৰে।

গতিকে ক'ব পাৰি যে, অৰ্থবিজ্ঞানীসকলে প্ৰতিষ্ঠান এখনৰ ভৱিষ্যতে হ'ব লগা ব্যয় সম্পৰ্কে আলোচনা কৰে। সেয়েহে সম্পদৰ পুনৰ বিতৰণৰ জৰিয়তে ব্যয় হ্ৰাস কৰি লাভ সৰ্বাধিক কৰিব পৰা যাব সেই বিষয়ে অধ্যয়ন কৰে। ই সুযোগ ব্যয়ৰ সৈতে জড়িত। অৰ্থনৈতিক ব্যয়ে নিয়ন্ত্ৰিত আৰু অনিয়ন্ত্ৰিত ব্যয়ৰ মাজত থকা পাৰ্থক্য বুজায়।

সুযোগ ব্যয় বা বিকল্প ব্যয় (Opportunity Cost or Alternative Cost) ঃ সম্পদসমূহ দুষ্প্ৰাপ্য আৰু বিকল্প ব্যৱহাৰযোগ্য। সম্পদসমূহ একেলগে একেসময়তে সকলোবোৰ কামত ব্যৱহাৰ কৰিব নোৱাৰি। বিকল্প ব্যৱহাৰ থকা এই উপাদানবোৰ কোনো এটা নিৰ্দিষ্ট উদ্দেশ্যত ব্যৱহাৰৰ কাৰণে নিৰ্বাচন কৰা হয় তেতিয়া উপাদানটো আনটো বিকল্প উদ্দেশ্যত ব্যৱহাৰ কৰিব নোৱাৰি। যেতিয়া উপাদানটো এটা উদ্দেশ্যত ব্যৱহাৰ কৰিবলৈ যাওঁতে আনটো বিকল্প উদ্দেশ্যত ব্যৱহাৰৰ সুযোগ হেৰুৱাবলগীয়া হয় তাকেই সুযোগ ব্যয় বোলে। উদাহৰণ স্বৰূপে ধৰা হওক, এডোখৰ ভূমিত ধানখেতি কৰিব পাৰি, ঘেঁহু খেতিও কৰিব পাৰি। খেতিয়কজনে ভূমিডোখৰ ধানখেতিৰ কাৰণে ব্যৱহাৰ কৰিলে, স্বাভাৱিকতেই খেতিয়কজনে ঘেঁহু খেতিৰ পৰা আহিব পৰা সুযোগৰ আয়ৰ পৰা বঞ্চিত হ'ল। মাটিডোখৰ ঘেঁহু খেতিৰ পৰিৱৰ্তে ধান উৎপাদন কাৰ্য্যত ব্যৱহাৰ কৰাৰ বাবদ হোৱা ব্যয়কে সুযোগ ব্যয় বুলি কোৱা হয়।

নিমজ্জিত ব্যয় (Sunk Cost) ঃ নিমজ্জিত ব্যয় উৎপাদন কাৰ্য্যত এবাৰ ভৰাৰ পাছত পুনৰুদ্ধাৰ কৰিব পৰা নাযায়। উদাহৰণস্বৰূপে, উৎপাদক এজনে কোনো এক বিশেষ কামত ব্যৱহাৰ কৰিবৰ কাৰণে এক বিশেষ সৰঞ্জাম ক্ৰয় কৰিলে। তেনে ধৰণৰ উপাদানসমূহ নিৰ্দিষ্ট কৰি ৰখা ব্যৱহাৰৰ বাহিৰে অন্য কোনো কামত ব্যৱহাৰ নহয়। গতিকে সুযোগ ব্যয়ৰ উদ্ভৱ নহয়। এনেধৰণৰ উৎপাদনৰ আহিলাসমূহৰ বাবদ হোৱা ব্যয়ক নিমজ্জিত ব্যয় বোলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আর্থিক ব্যয়সমূহ কি কি? (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ সুযোগ ব্যয় বুলিলে কি বুজে? (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

৮.৪ হ্রস্বকালৰ ব্যয় ৰেখাসমূহৰ প্রকৃতি

হ্রস্বকাল হৈছে এনে এটা সময় য'ত উদ্যোগ প্রতিষ্ঠান এখনে যন্ত্রপাতি, উৎপাদন কৌশল ইত্যাদিৰ পৰিৱর্তন সাধন কৰিব নোৱাৰে। উৎপাদনৰ স্থিৰ উপাদানসমূহ একে হাৰত ৰাখি বা অপৰিৱর্তিত ৰাখি পৰিৱর্তনশীল উপাদানসমূহৰ পৰিমাণৰ পৰিৱর্তন কৰি মুঠ উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰিব পাৰি।

৮.৪.১ মুঠ স্থিৰ ব্যয় আৰু মুঠ পৰিৱর্তনশীল ব্যয়

হ্রস্বকালীন মুঠ ব্যয়সমূহক পুনৰ দুটা ভাগত ভাগ কৰা হৈছে— মুঠ স্থিৰ ব্যয় আৰু মুঠ পৰিৱর্তনশীল ব্যয়। উৎপাদনৰ পৰিমাণৰ পৰিৱর্তন অনুসৰি যিবিলাক উপাদান বা উৎপাদনৰ ব্যয়ৰ পৰিৱর্তন হয় সেইবিলাকক পৰিৱর্তনশীল ব্যয় বোলে। এনেধৰণৰ ব্যয়সমূহ উৎপাদনৰ পৰিৱর্তনৰ লগত সংযুক্ত হৈ থাকে। উদাহৰণ স্বৰূপে, এজন পাওৰুটি উৎপাদকে তেওঁৰ পাওৰুটি উৎপাদনৰ পৰিমাণ ২০০ গোটৰ পৰা ৩৫০ গোটলৈ বৃদ্ধি কৰিব বিচাৰিছে। ফলস্বৰূপে উৎপাদকজনক আগতকৈ বেছিকৈ ময়দা আৰু শ্রমিকৰ প্রয়োজন হ'ব। এনেধৰণৰ পৰিৱর্তনশীল উপাদানসমূহৰ বাবদ হোৱা ব্যয়ক পৰিৱর্তনশীল ব্যয় বোলে। পৰিৱর্তনশীল ব্যয়ক প্রাথমিক বা প্রত্যক্ষ ব্যয় বুলিও কোৱা হয়। পৰিৱর্তনশীল ব্যয়ৰ উদাহৰণ যেনে শ্রমিকৰ ব্যয়, কেচাঁমালৰ বাবদ হোৱা খৰচ, শক্তি, ইন্ধন ইত্যাদি।

অন্যহাতেদি উৎপাদনৰ এনে কিছুমান উপাদান আছে যি বিলাকৰ পৰিৱর্তন হ্রস্বকালত সম্ভৱ নহয়। যেনে— পাওৰুটি উৎপাদকজনে হ্রস্বকালত যন্ত্রপাতিৰ ক্ষমতা

সম্প্রসাৰণ কৰিব নোৱাৰে। নতুন যন্ত্রপাতি ক্রয় কৰিবৰ কাৰণে তেওঁ মূলধন সংগ্রহ কৰিব লাগিব। এনে ধৰণৰ ব্যয়সমূহ যেনে মূলধনজাত সামগ্রী (যন্ত্রপাতি)ৰ বাবদ হোৱা ব্যয়, মাটিৰ খাজনা, স্থায়ী কর্মচাৰীৰ মজুৰী, কৰ ইত্যাদি স্থিৰ ব্যয়ৰ উদাহৰণ। এনেধৰণৰ ব্যয়সমূহ হ্রস্বকালত সালসলনি কৰিব পৰা নাযায়। সেয়েহে এনে ব্যয়ক স্থিৰ ব্যয় বোলে। উৎপাদনৰ পৰিমাণৰ পৰিৱর্তনৰ সৈতে এনে ব্যযৱ পৰিৱর্তন নহয়। মুঠ ব্যয় হৈছে মুঠ স্থিৰ ব্যয় আৰু মুঠ পৰিৱর্তনশীল ব্যয়ৰ সমষ্টি।

মুঠ ব্যয় = মুঠ পৰিৱর্তনশীল ব্যয় + মুঠ স্থিৰ ব্যয়

$$TC = TVC + TFC$$

তালিকাৰ জৰিয়তে মুঠ স্থিৰ, পৰিৱর্তনশীল ব্যয়ৰ ধাৰণাসমূহ ব্যাখ্যা কৰিব পাৰি। তলৰ ৮.১নং তালিকাত দেখা গৈছে যে, শূন্য পৰিমাণৰ উৎপাদনত মুঠ স্থিৰ ব্যয় ১৫০। হ্রস্বকলত উৎপাদনৰ হ্রাস বৃদ্ধি স্বত্বেও মুঠ স্থিৰ ব্যয় অপৰিৱর্তিত হৈ থাকে। শূন্য পৰিমাণৰ উৎপাদনত মুঠ পৰিৱর্তনশীল ব্যয়ৰ পৰিমাণ শূন্য হয়।

তালিকা ৮.১ঃ হ্রস্বকালীন মুঠ স্থিৰ পৰিৱর্তনশীল আৰু ব্যয়

মুঠ উৎপাদন	মুঠ স্থিৰ ব্যয় (TFC)	মুঠ পৰিৱর্তশীল ব্যয় (TVC)	মুঠ ব্যয় (TC)	প্রান্তিক ব্যয় (MC)	গড় স্থিৰ ব্যয় (AFC)	গড় পৰিৱর্তনশীল ব্যয় (AVC)	মুঠ গড় ব্যয় (ATC)
(১)	(২)	(৩)	(৪)	(৫)	(৬)	(৭)	(৮)
০	১৫০	০	১৫০	—	—	—	—
১	১৫০	৫০	২০০	৫০	১৫০.০	৫০.০	২০০
২	১৫০	৮০	২৩০	৩০	৭৫.০	৪০.০	১৬৫.০
৩	১৫০	১০০	২৫০	২০	৫০.০	৩৩.৩	৮৩.৩
৪	১৫০	১১০	২৬০	১০	৩৭.৫	২৭.৫	৬৫.০
৫	১৫০	১১৫	২৬৫	৫	৩০.০	২৩.০	৫৩.০
৬	১৫০	১৩০	২৮০	১৫	২৫.০	২১.৬	৪৬.৬
৭	১৫০	১৫৫	৩০৫	২৫	২১.৪	২২.১	৪৩.৫
৮	১৫০	১৯০	৩৪০	৩৫	১৮.৭	২৩.৭	৪২.৫

মুঠ স্থিৰ ব্যয় আৰু পৰিৱর্তশীল ব্যয়ৰ মাজত থকা পার্থক্য চিত্রৰ সহায়ত ব্যাখ্যা কৰা হৈছে। ৮.১নং চিত্রত স্থিৰ ব্যয় ৰেখা (Total Fixed Cost–TFC) ডাল OX অক্ষৰ সমান্তৰাল কাৰণ হ্রস্বকালত স্থিৰ ব্যয় অপৰিৱর্তিত থাকে, মুঠ উৎপাদনৰ পৰিমাণ বৃদ্ধি (কৰিলেও) পালেও স্থিৰ ব্যয় (TFC) স্থিৰ হৈ থাকে অথবা উৎপাদনৰ পৰিমাণ শূন্য হৈ গ'লেও স্থিৰ ব্যয় ৰেখা একে থাকে।

মন কৰিবলগীয়া ঃ

৮৯ নং তালিকাত মুঠ স্থিৰ ব্যয় = সকলো উৎপাদনৰ পৰিমাণত স্থিৰ হৈ থাকে।

মুঠ পৰিৱর্তনশীল ব্যয় = nতম উৎপাদিত গোট উৎপাদনৰ প্রান্তিক ব্যয় + (n-1)তম উৎপাদিত গোটৰ পৰিৱর্তনশীল ব্যয় অর্থাৎ $TVC_n = MC_n + TVC_{n-1}$।

উদাহৰণস্বৰূপে, তৃতীয় স্তৰত মুঠ পৰিৱর্তনশীল ব্যয় হ'ব ঃ তৃতীয় স্তৰৰ প্রান্তিক ব্যয় + দ্বিতীয় স্তৰৰ মুঠ পৰিৱর্তনশীল ব্যয়।

মুঠ উৎপাদন ব্যয় (TC) = মুঠ স্থিৰ ব্যয় (TFC) + মুঠ পৰিৱর্তনশীল ব্যয় (TVC) = স্তম্ভ (২+৩)


$(MC) = (TVC_n) — (TVC_{n-1})$

$$\text{গড় স্থিৰ ব্যয়} = \frac{\text{মুঠ স্থিৰ ব্যয়}}{\text{মুঠ উৎপাদন}} = \frac{\text{স্তম্ভ (২)}}{\text{স্তম্ভ (১)}}$$

$$\text{গড় পৰিৱর্তনশীল ব্যয়} = \frac{\text{মুঠ পৰিৱর্তনশীল ব্যয়}}{\text{মুঠ উৎপাদন}} = \frac{\text{স্তম্ভ (৩)}}{\text{স্তম্ভ (১)}}$$

$$\text{মুঠ গড় ব্যয়} = \frac{\text{মুঠ ব্যয়}}{\text{মুঠ উৎপাদন}} = \frac{\text{স্তম্ভ (৪)}}{\text{স্তম্ভ (১)}}$$

চিত্র ৮.১ ঃ স্থিৰ ব্যয়, পৰিৱর্তনশীল ব্যয় আৰু মুঠ ব্যয় ৰেখাৰ গঠন



আনহাতেদি মুঠ পৰিৱর্তনশীল ব্যয় (Total Variable Cost– TVC) ৰেখা OY অক্ষৰ এটা বিন্দুৰ পৰা উৎপত্তি হৈছে আৰু শূন্য পৰিমাণৰ উৎপাদনত মুঠ পৰিৱর্তনশীল উৎপাদনৰ পৰিমাণ শূন্য হৈছে। উৎপাদনৰ পৰিমাণ যিমানে বৃদ্ধি পাইছে মুঠ পৰিৱর্তনশীল ব্যয়ৰ পৰিমাণ সিমানে বৃদ্ধি পাইছে।

মুঠ ব্যয় হৈছে মুঠ পৰিৱর্তনশীল ব্যয় আৰু মুঠ স্থিৰ ব্যয়ৰ যোগফল।

৮.৪.২ গড় ব্যয় ৰেখাসমূহ

আমি মুঠ পৰিৱর্তনশীল ব্যয় আৰু স্থিৰ ব্যয় সম্পর্কে আলোচনা কৰিলোঁ। আমি এতিয়া হ্ৰস্বকালীন গড় ব্যয় ৰেখাসমূহৰ বিষয়ে আলোচনা কৰিম। অর্থবিজ্ঞানত মুঠ ব্যয়ৰ অধ্যয়নতকৈ গড় ব্যয় অধ্যয়নৰ প্রয়োজনীয়তা অধিক, কাৰণ ই লাভ-লোকচানৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰাত সহায় কৰে।

মুঠ গড় ব্যয় ৰেখা (Average Total Cost) ঃ মুঠ গড় ব্যয়ক গড় ব্যয় বুলিও কোৱা হয়। মুঠ ব্যয়ক (TC) উৎপাদিত দ্রব্যৰ পৰিমাণেৰে ভাগ কৰিলে গড় ব্যয় ৰেখা পোৱা যায়। আমি ইতিমধ্যে মুঠ ব্যয়ৰ বিষয়ে আলোচনা কৰিলোঁ, মুঠ ব্যয় হৈছে মুঠ স্থিৰ আৰু পৰিৱর্তনশীল ব্যয়ৰযোগফল।

$$\text{মুঠ গড় ব্যয়} = \frac{\text{মুঠ ব্যয়}}{\text{উৎপাদিত দ্রব্যৰ পৰিমাণ}}$$

$$\text{বা মুঠ গড় ব্যয়} = \frac{\text{মুঠ পৰিৱর্তনশীল ব্যয় + মুঠ স্থিৰ ব্যয়}}{\text{উৎপাদিত দ্রব্যৰ পৰিমাণ}}$$

$$\text{বা মুঠ গড় ব্যয়} = \frac{\text{মুঠ পৰিৱর্তনশীল ব্যয়}}{\text{উৎপাদিত দ্রব্যৰ পৰিমাণ}} + \frac{\text{মুঠ স্থিৰ ব্যয়}}{\text{উৎপাদিত দ্রব্যৰ পৰিমাণ}}$$

$$= \text{গড় পৰিৱর্তনশীল ব্যয় + গড় স্থিৰ ব্যয়}$$

গতিকে দেখা গ'ল যে, গড় ব্যয় হৈছে গড় পৰিৱর্তনশীল ব্যয় আৰু গড় স্থিৰ ব্যয়ৰ যোগফল। গড় ব্যয় ৰেখাডালৰ আকৃতি ইংৰাজী U আখৰটোৰ দৰে তলৰ ৮.২নং চিত্রত দেখুওৱা হ'ল।

গড় স্থিৰ ব্যয় (Average Fixed Cost)ঃ মুঠ স্থিৰ ব্যয়ৰ পৰিমাণক উৎপাদিত দ্রব্যৰ পৰিমানেৰে ভাগ কৰিলে গড় স্থিৰ ব্যয় পাব পাৰি।


$$\text{গড় স্থিৰ ব্যয়} = \frac{\text{মুঠ স্থিৰ ব্যয়}}{\text{দ্রব্যৰ পৰিমাণ}}$$

$$AFC = \frac{TFC}{Q}$$

য'ত Q হৈছে মুঠ উৎপাদনৰ পৰিমাণ।

চিত্র নং ৮.২ত গড় স্থিৰ ব্যয় ৰেখা অঙ্কন কৰা হ'ল।

চিত্র নং ৮.২ ঃ বিভিন্ন ব্যয়ৰেখাৰ গঠন



চিত্রত AFC ৰেখাই এখন উৎপাদন প্রতিষ্ঠানৰ হ্রস্বকালীন গড় স্থিৰ ব্যয়ৰ প্রতিনিধিত্ব কৰিছে। গড় স্থিৰ ব্যয় উৎপাদন বৃদ্ধিৰ লগে লগে হ্রাস হোৱাৰ কাৰণে এই ৰেখাডাল তীব্র গতিত নিম্নগামী হৈ OX অক্ষৰ কাষ চাপিছে তালিকাৰ ৬নং স্তম্ভত দেখুওৱা হৈছে যে উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ লগে লগে স্থিৰ ব্যয় নিম্নগামী হৈছে।

গড় পৰিৱর্তনশীল ব্যয় (Average Variable Cost) ঃ মুঠ পৰিৱর্তনশীল ব্যয়ক স্থিৰ ব্যয়েৰে ভাগ কৰিলে গড় পৰিৱর্তনশীল ব্যয় লাভ কৰিব পাৰি। গড় পৰিৱর্তনশীল ব্যয় নিম্ন উল্লেখিত ধৰণে গণনা কৰা হয়।

$$\text{গড় পৰিৱর্তনশীল ব্যয়} = \frac{\text{মুঠ পৰিৱর্তনশীল ব্যয়}}{\text{উৎপাদিত দ্রব্যৰ পৰিমাণ}}$$

$$AVC = \frac{TVC}{Q}$$


য'ত Q হৈছে মুঠ উৎপাদনৰ পৰিমাণ

চিত্ৰ নং ৮.২ত AVC ৰেখাই গড় পৰিৱৰ্তনশীল ব্যয়ক প্ৰতিনিধিত্ব কৰিছে। উৎপাদন প্ৰতিষ্ঠানটোৱে হ্ৰস্বকালীন স্বাভাৱিক উৎপাদন ক্ষমতা অতিক্ৰম নকৰালৈকে উৎপাদন ব্যৱস্থাত ক্ৰমবৰ্ধমান প্ৰতিদান বিধি প্ৰযোজ্য হোৱাৰ কাৰণে গড় পৰিৱৰ্তনশীল ব্যয় প্ৰথম অৱস্থাত নিম্নগামী হৈছে। স্বাভাৱিক উৎপাদন ক্ষমতা অতিক্ৰম কৰাৰ পিছত অধিক পৰিৱৰ্তনশীল উপাদান প্ৰয়োগৰ ফলত ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি প্ৰয়োজ্য হৈছে আৰু সেই কাৰণে পৰৱৰ্তী অৱস্থাত গড় পৰিৱৰ্তনশীল ব্যয় ৰেখা ঊৰ্ধগামী হৈছে।

৮.৪.৩ প্ৰান্তিক ব্যয় ৰেখা

প্ৰান্তিক ব্যয় (Marginal Cost) ধাৰণাটো স্পষ্টকৈ বুজিবলৈ আমি প্ৰান্তিক উৎপাদনৰ ধাৰণাটোলৈ উভতি যাব লাগিব। এটা দ্ৰব্যৰ এটা অতিৰিক্ত গোট উৎপাদন কৰাকে প্ৰান্তিক উৎপাদন বোলে। উদাহৰণ স্বৰূপে, উৎপাদক এজনে ১০০ গোট দ্ৰব্য উৎপাদন কৰিছে। যদিহে উৎপাদকজনে ১০০ গোটৰ পৰা উৎপাদন ১০১ গোটলৈ বৃদ্ধি কৰে সেই অতিৰিক্ত ১ গোটটোক প্ৰান্তিক উৎপাদন বুলি কোৱা হয়। দ্ৰব্য এটাৰ এক অতিৰিক্ত গোট উৎপাদন কৰোঁতে যি ব্যয় হয় তাকে প্ৰান্তিক ব্যয় বোলে। হ্ৰস্বকালত মুঠ স্থিৰ ব্যয়ৰ কোনো পৰিৱৰ্তন নঘটে। গতিকে প্ৰান্তিক ব্যয় মুঠ পৰিৱৰ্তনশীল উৎপাদন ব্যয়ৰ লগত হোৱা এক অতিৰিক্ত সংযোগ। গড় ব্যয় (AC) আৰু প্ৰান্তিক ব্যয় (MC) ৰেখাৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক আছে। গড় ব্যয় ৰেখা নিম্নগামী হ'লে প্ৰান্তিক ব্যয় ৰেখাডালো নিম্নগামী হয় কিন্তু গড় ব্যয় ৰেখাতকৈ তলত অৱস্থান কৰে। গড় ব্যয় ৰেখা ঊৰ্ধগামী হ'লে প্ৰান্তিক ব্যয় গড় ব্যয়ৰ ওপৰত থাকে। গড় ব্যয়ৰ সৰ্বনিম্ন বিন্দুও প্ৰান্তিক ব্যয় আৰু গড় ব্যয় ৰেখা সমান হয়। তলৰ চিত্ৰ নং ৮.৩ত গড় ব্যয় আৰু প্ৰান্তিক ব্যয় ৰেখা দেখুওৱা হৈছে।

চিত্র নং ৮.৩ ঃ গড় ব্যয় আৰু প্রান্তিক ব্যয় ৰেখা



৮.৩নং চিত্রৰ পৰা এইটো স্পষ্ট হৈছে যে, উৎপাদিত OQ দ্রব্য সোঁপিনে প্রান্তিক ব্যয় গড় ব্যয়তকৈ অধিক হয় আৰু OQ ৰ বাঁওপিনে প্রান্তিক ব্যয় গড় ব্যয়তকৈ কম হয়। OQ উৎপাদন বিন্দুত প্রান্তিক ব্যয় আৰু গড় ব্যয় ৰেখা সমান হয়।

ইয়াৰ পৰা আমি বুজিলো যে—

- যদি প্রান্তিক ব্যয় < গড় ব্যয় হয় উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ লগে লগে গড় ব্যয় ৰেখা হ্রাস পাব।
- যদি প্রান্তিক ব্যয় > গড় ব্যয়, গড় ব্যয় উৎপাদন বৃদ্ধিৰ লগে লগে বৃদ্ধি পাব।
- Q উৎপাদন বিন্দুও গড় ব্যয় নিম্নতম হয় গড় ব্যয় প্রান্তিক ব্যয়ৰ লগত সমান হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ স্থিৰ ব্যয় আৰু পৰিৱর্তনশীল ব্যয়ৰ মাজত পার্থক্য দেখুৱাওক। (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

প্রশ্ন নং ৪ ঃ প্রান্তিক ব্যয় কাক বোলে? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ উৎপাদনৰ পৰিমাণ শূন্য হ'লে পৰিৱৰ্তনশীল ব্যয় কিমান হ'ব? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

৮.৫ উৎপাদন প্ৰতিষ্ঠানৰ দীৰ্ঘকালীন ব্যয় ৰেখা

উৎপাদনৰ অধিকাংশ উপাদান দীৰ্ঘকালত পৰিৱৰ্তনশীল। দীৰ্ঘকালত উৎপাদন প্ৰতিষ্ঠান এখনে যন্ত্ৰপাতিৰ দৰে মূলধনী দ্ৰব্য, উচ্চ স্থানত থকা পৰিচালক ইত্যাদি প্ৰয়োগৰ পৰিমাণ হ্ৰাস বৃদ্ধি কৰিব পাৰে। প্ৰশ্ন হ'ব পাৰে হ্ৰস্বকাল বুলিলে কিমান হ্ৰস্ব আৰু দীৰ্ঘ কাল বুলিলে কিমান দীঘলীয়া সময়ক বুজোৱা হয়? এইটো নিৰ্ভৰ কৰিব উদ্যোগটোত ব্যৱহৃত উৎপাদন কৌশলৰ ওপৰত। উদ্যোগ প্ৰতিষ্ঠান ভেদে সময়ৰ দীৰ্ঘতা বেলেগ বেলেগ হ'ব।

৮.৫.১ দীৰ্ঘকালীন গড় ব্যয় ৰেখা

আমি এতিয়া দীৰ্ঘকালীন গড় ব্যয় ৰেখা কিদৰে অঙ্কন কৰে সেই বিষয়ে আলোচনা কৰিম। আমি সকলোৱে জানোঁ যে দীৰ্ঘসময়ত কোনো এখন ব্যৱসায় প্ৰতিষ্ঠানে এক নিৰ্দিষ্ট পৰিমাণৰ দ্ৰব্য উৎপাদন কৰিব পাৰে।

উৎপাদন কাৰ্য্যত প্ৰথম অৱস্থাত ক্ৰমবৰ্দ্ধমান আৰু পাছত ক্ৰমহ্ৰাসমান বিধিৰ প্ৰয়োগ হয়। গড় ব্যয় ৰেখাৰ নিম্নতম বিন্দুৰ পাছত বিভিন্ন কাৰণত ক্ৰমহ্ৰাসমান বিধিৰ প্ৰয়োগ হয়, গতিকে নিম্নতম বিন্দুৰ পাছত উৎপাদন কাৰ্য্য চলাই নিয়াতো ব্যৱসায় প্ৰতিষ্ঠান এখনৰ বাবে মিতব্যয়ী নহয়। ধৰা হ'ল, উদ্যোগ প্ৰতিষ্ঠান এখনৰ উৎপাদিত দ্ৰব্যৰ চাহিদা বৃদ্ধি পাইছে, গতিকে উৎপাদক গৰাকীয়ে চাহিদাৰ সৈতে সঙ্গতি ৰাখি নতুন যন্ত্ৰপাতি বহুৱাব। প্ৰতিষ্ঠানখনে নতুনকৈ স্থাপন কৰা যন্ত্ৰপাতিৰ গড় উৎপাদন ব্যয় নিম্নতম বিন্দু অতিক্ৰম নকৰা পৰ্য্যন্ত উৎপাদন কাৰ্য্যত প্ৰয়োগ কৰিব। এনেধৰণে উৎপাদিত দ্ৰব্যৰ চাহিদা বৃদ্ধিৰ লগে লগে উদ্যোগ প্ৰতিষ্ঠান এখনে নতুন নতুন যন্ত্ৰপাতিৰ স্থাপন কৰে বা প্ৰতিষ্ঠা কৰে।


আমি এতিয়া হ্ৰস্বকালীন ব্যয় ৰেখাৰ সহায়ত কেনেকৈ দীৰ্ঘকালীন ব্যয় ৰেখা অঙ্কন কৰা হয়, সেইকথা আলোচনা কৰিম। হ্ৰস্বকালীন ব্যয়ৰেখাৰ নিম্নতম বিন্দুসমূহ হৈছে উৎপাদন প্ৰতিষ্ঠানখনৰ কাম্য উৎপাদন বিন্দু। কাৰণ এই বিন্দুত গড় ব্যয় নিম্নতম হয়। হ্ৰস্বকালীন ব্যয় ৰেখাসমূহৰ নিম্নতম বিন্দু স্পৰ্শ কৰি যিডাল ৰেখা অঙ্কন কৰা হয় সেইডালেই হৈছে দীৰ্ঘকালীন ব্যয় ৰেখা।

৮.৪নং চিত্ৰত LAC (Long-run Average Cost) হৈছে দীৰ্ঘকালীন গড় ব্যয় ৰেখা। দীৰ্ঘকালীন গড় ব্যয়ৰেখাই হ্ৰস্বকালীন গড় ব্যয় ৰেখাবোৰক সামৰি লয়।

সেইকাৰণে ইয়াক আগুৰা ৰেখা (Enveloping Curve)বা পৰিকল্পনা ৰেখা (Planning Curve) বুলি কোৱা হয়।

৮.৪নং চিত্ৰৰ পৰা এইটো স্পষ্ট হৈছে যে প্ৰতিষ্ঠানখনে (OM পৰিমাণৰ দ্ৰব্য) দীৰ্ঘকালীন গড় ব্যয়ৰ নিম্নতম E বিন্দু OM পৰিমাণৰ দ্ৰব্য উৎপাদন কৰিব। প্ৰতিষ্ঠানটোৱে OMতকৈ কম পৰিমাণৰ দ্ৰব্য উৎপাদন কৰে তেনেহ'লে প্ৰতিষ্ঠানটোৱে আৰ্থিক মিতব্যয়িতা সম্পূৰ্ণ উপভোগ কৰিব নোৱাৰে, আকৌ OM পৰিমাণতকৈ বেছি দ্ৰব্য উৎপাদন কৰিলে প্ৰতিষ্ঠানখনৰ লাভৰ পৰিমাণ হ্ৰাস হ'ব।

চিত্ৰ নং ৮.৪ ঃ হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন গড় ব্যয় ৰেখা



মাত্ৰা প্ৰতিদান বিধি (Law of Returns to Scale)ৰ প্ৰয়োগৰ কাৰণে দীৰ্ঘকালীন উৎপাদন ব্যয় ৰেখাডাল ইংৰাজী U আকৃতিৰ হয়। এই তত্ত্ব অনুসৰি, উৎপাদন প্ৰতিষ্ঠানৰ আকৃতি আৰু যন্ত্ৰপাতিৰ পৰিমাণ বৃদ্ধি কৰাৰ লগে লগে প্ৰতিটো গোটৰ উৎপাদন ব্যয় হ্ৰাস পাব, যিহেতু প্ৰতিষ্ঠানখনে উৎপাদনৰ মাত্ৰা অৰ্জন কৰে মন কৰিব, এইটোধৰি লোৱা হয় যে অতিৰিক্ত যন্ত্ৰপাতিসমূহৰ সংৰক্ষিত ক্ষমতা নাই। স্বাভাৱিক উৎপাদন ক্ষমতা অতিক্ৰম কৰাৰ পাছত উদ্যোগ প্ৰতিষ্ঠানটোৱে বিভিন্ন ধৰণৰ অভ্যন্তৰীণ পৰিমিত ব্যয় অসুবিধা (Internal Diseconomies of Scale)ই দেখা দিয়ে। ফলস্বৰূপে দীৰ্ঘকালীন ব্যয় ৰেখাডাল ঊৰ্ধ্বগামী হয়।



জানি থোৱা ভাল

মাত্ৰা প্ৰতিদান বিধি (Law of Returns to Scale) ঃ উৎপাদনৰ সকলোবোৰ উপাদানৰ পৰিমাণৰ পৰিৱৰ্তন ঘটালে মুঠ উৎপাদন কি মাত্ৰাত পৰিৱৰ্তন হ'ব, সেই বিষয়ে এই বিধিটোৱে ব্যাখ্যা কৰে। প্ৰতিদান বিধি তিনি প্ৰকাৰৰ। ধৰা হ'ল, উৎপাদানৰ সকলোবোৰ উপাদানৰ পৰিমাণ দুগুণ বৃদ্ধি কৰা হ'ল।


এতিয়া যদি (১) মুঠ উৎপাদনৰ পৰিমাণো দুগুণ হাৰত বৃদ্ধি পায়, তেন্তে আমি ক'ব পাৰোঁ যে, উৎপাদন প্রক্রিয়াটোত সমহাৰ প্রতিদান বিধি ক্রিয়াশীল। (২) যদি মুঠ উৎপাদন দুগুণতকৈ কম হাৰত বৃদ্ধি পায়, তেন্তে ক্রমহ্রাসমান প্রতিদান বিধি আৰু (৩) দুগুণতকৈ অধিক হাৰত বৃদ্ধি পালে, ক্রমবর্দ্ধমান প্রতিদান প্রতিদান বিধি ক্রিয়াশীল বুলি কোৱা হয়।

বৃহৎমাত্রা উৎপাদনৰ মিতব্যয়িতা (Economies of scale) ঃ উৎপাদন পৰিসৰৰ মিতব্যয়িতা দীর্ঘসময়ত উৎপাদিত দ্রব্যৰ আনুপাতিক পৰিৱর্তনৰ লগে লগে উৎপাদনৰ উপাদানসমূহৰ পৰিমাণ সলনি কৰিব পাৰি। উৎপাদনৰ উপাদানসমূহৰ আনুপাতিক পৰিৱর্তন ঘটাৰ লগে লগে উৎপাদন প্রতিষ্ঠানখনে উৎপাদনৰ মিতব্যয়িতা লাভ কৰিবলৈ সক্ষম হয়। এনে সুবিধাসমূহ বৃহৎ উদ্যোগসমূহে লাভ কৰে। ফলস্বৰূপে কম উৎপাদন ব্যয়ত প্রতিষ্ঠানখনে দুগুণ পৰিমাণৰ দ্রব্য উৎপাদন কৰিবলৈ সক্ষম হয়। এক নির্দিষ্ট বিন্দুলৈ উৎপাদন বৃদ্ধি কৰাৰ পাছত উৎপাদন ব্যয় হ্রাস পাবলৈ আৰম্ভ কৰে, অভ্যন্তৰীণ মিতব্যয়িতাই দেখা দিয়ে।

৮.৫.২ দীর্ঘকালীন প্রান্তিক ব্যয় ৰেখা

দীর্ঘকালীন প্রান্তিক ব্যয় ৰেখা হ্রস্বকালীন প্রান্তিক ব্যয় ৰেখাসমূহৰ পৰা অঙ্কন কৰা হয়। কিন্তু গড় ব্যয় ৰেখাৰ দৰে প্রান্তিক ব্যয় ৰেখাডাল আগুৰা আকৃতিৰ নহয়। হ্রস্বকালীন গড় ব্যয় ৰেখাৰ ছেদ কৰা বিন্দুসমূহৰ লগত সংযুক্ত OX অক্ষৰ ওপৰত OY লম্বৰ সমান্তৰালকৈ অঙ্কন কৰা ৰেখাসমূহৰপৰা দীর্ঘকালীন প্রান্তিক ব্যয় ৰেখা পাব পাৰি। দীর্ঘকালীন প্রান্তিক আৰু গড় ব্যয় ৰেখা হ্রস্বকালীন প্রান্তিক আৰু গড় ব্যয় ৰেখা সেই পৰিমাণৰ দ্রব্য উৎপাদনত সমান্তৰাল হয়।

চিত্র নং ৮.৫ ঃ দীর্ঘকালীন প্রান্তিক ব্যয় ৰেখা



চিত্ৰ ৮.৫ৰ a বিন্দুত SAC_1 হ্ৰস্বকালীন গড় ব্যয় আৰু দীৰ্ঘকালীন গড় ব্যয় (LAC) ৰেখাই ছেদ কৰিছে। OX অক্ষৰ ওপৰত aA উলম্ব আঁকা হ'ল। ইয়ে হ্ৰস্বকালীন প্ৰান্তিক ব্যয় ৰেখাক P বিন্দুত ছেদ কৰিছে। ঠিক একেদৰে b আৰু c বিন্দুৰ পৰা অঙ্কন কৰা bB আৰু cC লম্ব দুডালে LAC ৰেখাৰ q আৰু c বিন্দুত ছেদ কৰিছে। এইদৰে, এই বিন্দু তিনিটা (p, q আৰু c) লগ লগাই দীৰ্ঘকালীন প্ৰান্তিক ব্যয় ৰেখা (LMC) অঙ্কন কৰা হ'ল। LAC ৰেখাৰ নিম্নতম বিন্দুত LMC ৰেখাই ছেদ কৰিছে। LAC আৰু LMC ৰেখাৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক আছে। LAC আৰু LMC নিম্নগামী হ'লে প্ৰান্তিক ব্যয় গড় ব্যয়ৰ তলত অৱস্থান কৰে। আকৌ LAC বৃদ্ধি পালে LMC ৰেখা LACৰ ওপৰত অৱস্থান কৰে। LMC ৰেখাই LAC ৰেখাৰ নিম্নতম বিন্দুত ছেদ কৰে। হ্ৰস্বকালীন গড় ব্যয় আৰু প্ৰান্তিক ব্যয় ৰেখাৰ দৰে একেধৰণৰ সম্পৰ্ক দীৰ্ঘকালতো দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ দীৰ্ঘকাল আৰু হ্ৰস্বকালৰ মাজত পাৰ্থক্য দেখুৱাওক। (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ দীৰ্ঘকালীন গড় ব্যয়ৰেখা (LAC) ইংৰাজী U আকৃতিৰ কিয় হয় উল্লেখ কৰক। (২০টা শব্দৰ ভিতৰত লিখক)

.....

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিভিন্ন পটভূমিত ব্যয় ৰেখাসমূহৰ আকৃতি আৰু প্ৰকাৰ বেলেগ বেলেগ হয়।
- প্ৰকৃত ব্যয় প্ৰত্যক্ষভাৱে হিচাপ কৰিব নোৱাৰি। মুদ্ৰাগত ব্যয় হৈছে দ্ৰব্য এবিধ উৎপাদন কৰোঁতে হোৱা মুঠ মুদ্ৰাগত খৰচ। অন্যহাতে দ্ৰব্য এবিধ উৎপাদন কৰোঁতে উৎপাদকজনৰ ত্যাগ, শ্ৰমিকৰ শাৰীৰিক প্ৰচেষ্টা এই সকলোবোৰৰ হিচাপ কৰিব নোৱাৰি, এনেধৰণৰ (ব্যয়) প্ৰকৃত ব্যয় বোলে।

- হিচাপ ৰহিত ব্যয় প্ৰতিষ্ঠান এখনৰ আৰ্থিক প্ৰস্তাৱনাৰ লগত জড়িত; অন্যহাতে আৰ্থিক ব্যয় অতীতৰ লগত জড়িত।
- সুযোগ ব্যয় হৈছে উপাদানটো এটা উদ্যোগত ব্যৱহাৰ কৰিবলৈ যাওঁতে আনটো বিকল্প উদ্যোগত ব্যৱহাৰৰ সুযোগ হেৰুৱাবলগীয়া হয় তাকেই সুযোগ ব্যয় বোলে।
- নিমজ্জিত ব্যয় হৈছে পুনৰ উদ্ধাৰ কৰিব নোৱাৰা ব্যয়।
- হ্ৰস্বকাল আৰু দীৰ্ঘকালৰ পটভূমিত আমি ব্যয় ৰেখাসমূহ আলোচনা কৰিছো। হ্ৰস্বকালত মুঠ ব্যয় মুঠ স্থিৰ আৰু পৰিৱৰ্তনশীল ব্যয়ৰ সমষ্টি।
- উৎপাদন প্ৰতিষ্ঠান এখনত উৎপাদন বৃদ্ধিৰ লগে লগে যি ব্যয় বৃদ্ধি পায় তেনে ব্যয়ক পৰিৱৰ্তনশীল ব্যয় বোলা হয়। আকৌ উৎপাদনৰ পৰিমাণ বৃদ্ধি হ'লেও যি ব্যয় পৰিৱৰ্তন নহয় তাকে স্থিৰ ব্যয় বোলে।
- মুঠ উৎপাদিত দ্ৰব্যৰ পৰিমাণেৰে মুঠ ব্যয়ক ভাগ কৰিলে গড় ব্যয় লাভ কৰিব পাৰি। উৎপাদনৰ এটা অতিৰিক্ত গোট বৃদ্ধি কৰিলে ব্যয়ৰ যি পৰিৱৰ্তন হয় তাকে প্ৰান্তিক ব্যয় বোলে।
- গড় ব্যয় আৰু প্ৰান্তিক ব্যয়ৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক আছে। গড় ব্যয় হ্ৰাস পালে প্ৰান্তিক ব্যয় গড় ব্যয়তকৈ কম হয়। গড় ব্যয় ঊৰ্ধ্বমুখী হ'লে প্ৰান্তিক ব্যয় গড় ব্যয়ৰ ওপৰত থাকে। গড় ব্যয়ৰ নিম্নতম বিন্দুত গড় আৰু প্ৰান্তিক ব্যয় সমান হয়।
- দীৰ্ঘকালত গড় ব্যয় ৰেখা U আকৃতিৰ হয়। মাত্ৰাৰ প্ৰতিদান বিধি (Law of Returns to Scale)ৰ প্ৰয়োগৰ কাৰণে দীৰ্ঘকালত গড় ব্যয় ৰেখা ডাল U আকৃতিৰ হয়।
- দীৰ্ঘকালীন গড় ব্যয় ৰেখাই হ্ৰস্বকালীন গড় ব্যয় ৰেখাসমূহক সামৰি লয়। সেইকাৰণে ইয়াক আগুৰা ৰেখা বোলে।
- দীৰ্ঘকালীন প্ৰান্তিক ব্যয় ৰেখাই গড় ব্যয় ৰেখাৰ দৰে আগুৰা আকৃতিৰ নহয়।
- হ্ৰস্বকালৰ প্ৰান্তিক ব্যয় ৰেখাসমূহৰ পৰা দীৰ্ঘকালীন প্ৰান্তিক ব্যয় ৰেখাডাল পাব পাৰো।
- হ্ৰস্বকাল আৰু দীৰ্ঘকাল দুয়োটা সময়তে গড় আৰু প্ৰান্তিক ব্যয় ৰেখাৰ মাজত একেধৰণৰ সম্পৰ্ক স্থাপন হয়।



৮.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) আলম, ড° খুৰছেদ; হুদা, ড° মণিৰুল আৰু শৰ্মা, ড° অৰ্চনা (২০০৪); *স্নাতক মহলাৰ অৰ্থতত্ত্ব (ব্যষ্টিবাদী অৰ্থবিজ্ঞান)* ষষ্ঠ সংস্কৰণ; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'ৰ্ছ।

২) গোস্বামী, ড° অতুল (২০০৫); *স্নাতক মহলাৰ অৰ্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অৰ্থনৈতিক তত্ত্ব)* সপ্তম সংস্কৰণ; ডিব্ৰুগড় ঃ ষ্টুডেণ্টছ এম্প'ৰিয়াম।

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics;* New Delhi: S. Chand & Co. Ltd.
2) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.
3) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.
4) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Co. Ltd.

৮.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ এটা দ্ৰব্য উৎপাদন কৰোঁতে উৎপাদনৰ উপাদানসমূহৰ বাবদ যি ব্যয় হয়, সেয়েই হৈছে আৰ্থিক বা মৌদ্ৰিক ব্যয়। প্ৰতিষ্ঠানৰ মুঠ আৰ্থিক ব্যয়ত কেঁচামালৰ ব্যয়, শ্ৰমিকৰ মজুৰি শক্তি আহৰণত হোৱা ব্যয়, উৎপাদনৰ ঘৰ, অৱক্ষয় ব্যয়, মাটিৰ খাজনা, মূলধনৰ সুত, বীমাৰ প্ৰিমিয়াম, আবকাৰী কৰ, পৰিবহন আৰু উৎপাদিত দ্ৰব্যৰ বিক্ৰীৰ অৰ্থে কৰিবলগীয়া হোৱা ব্যয় ইত্যাদিসমূহ অন্তৰ্ভুক্ত।

২নং প্ৰশ্নৰ উত্তৰ ঃ সম্পদসমূহ দুষ্প্ৰাপ্য আৰু বিকল্প ব্যৱহাৰযোগ্য। সম্পদসমূহ একেলগে একেসময়তে সকলোবোৰ কামত ব্যৱহাৰ কৰিব নোৱাৰি। বিকল্প ব্যৱহাৰ থকা এই উপাদানবোৰ কোনো এটা নিৰ্দিষ্ট উদ্দেশ্যত ব্যৱহাৰৰ কাৰণে নিৰ্বাচন কৰা হয় তেতিয়া উপাদানটো আনটো বিকল্প উদ্দেশ্যত ব্যৱহাৰ কৰিব নোৱাৰি। যেতিয়া উপাদানটো এটা উদ্দেশ্যত ব্যৱহাৰ কৰিবলৈ যাওঁতে আনটো বিকল্প উদ্দেশ্যত ব্যৱহাৰৰ সুযোগ হেৰুৱাবলগীয়া হয় তাকেই সুযোগ ব্যয় বোলে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ উৎপাদনৰ পৰিমাণৰ পৰিৱৰ্তন অনুসৰি, যিবিলাক উপাদান বা উৎপাদনৰ ব্যয়ৰ পৰিৱৰ্তন হয় সেইবিলাকক পৰিৱৰ্তনশীল ব্যয় বোলে। এনেধৰণৰ ব্যয়সমূহ উৎপাদনৰ পৰিৱৰ্তনৰ লগত সংযুক্ত হৈ থাকে। অন্যহাতেদি উৎপাদনৰ এনে কিছুমান উপাদান আছে যি বিলাকৰ পৰিৱৰ্তন হ্ৰস্বকালত সম্ভৱ নহয়। যেনে, পাওৰুটি উৎপাদকজনে হ্ৰস্বকালত যন্ত্ৰপাতিৰ ক্ষমতা সম্প্ৰসাৰণ কৰিব নোৱাৰে। নতুন যন্ত্ৰপাতি ক্ৰয় কৰিবৰ কাৰণে তেওঁ মূলধন সংগ্ৰহ কৰিব লাগিব। এনেধৰণৰ ব্যয়সমূহ, যেনে— মূলধনজাত সামগ্ৰী (যন্ত্ৰপাতি)ৰ বাবদ হোৱা ব্যয়, মাটিৰ খাজনা, স্থায়ী কৰ্মচাৰীৰ মজুৰি, কৰ ইত্যাদি স্থিৰ ব্যয়ৰ উদাহৰণ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ উৎপাদনৰ এটা অতিৰিক্ত গোট বৃদ্ধি কৰিলে ব্যয়ৰ যি পৰিৱৰ্তন হয় তাকে প্ৰান্তিক ব্যয় বোলে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ উৎপাদনৰ পৰিমাণৰ শূন্য হ'লে পৰিৱৰ্তনশীল ব্যয় পৰিমাণো শূন্য হ'ব।

৬নং প্ৰশ্নৰ উত্তৰ ঃ হ্ৰস্বকাল হৈছে এনে এটা সময় য'ত উদ্যোগ প্ৰতিষ্ঠান এখনে যন্ত্ৰপাতি, উৎপাদন কৌশল ইত্যাদিৰ পৰিৱৰ্তন সাধন কৰিব নোৱাৰে। উৎপাদনৰ স্থিৰ উপাদানসমূহ একে হাৰত ৰাখি বা অপৰিৱৰ্তিত ৰাখি পৰিৱৰ্তনশীল উপাদানসমূহৰ পৰিমাণৰ পৰিৱৰ্তন কৰি মুঠ উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰিব পাৰি। আনহাতে, দীৰ্ঘকালত সকলোবোৰ উপাদান(স্থিৰ আৰু পৰিৱৰ্তনশীল)ৰ পৰিৱৰ্তন কৰিব পাৰি।

৭নং প্ৰশ্নৰ উত্তৰ ঃ দীৰ্ঘকালত গড় ব্যয় ৰেখা U আকৃতিৰ হয়। মাত্ৰাৰ প্ৰতিদান বিধিৰ প্ৰয়োগৰ কাৰণে দীৰ্ঘকালত গড় ব্যয় ৰেখা ডাল U আকৃতিৰ হয়।



৮.৯ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (৭৫টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক) ঃ

প্ৰশ্ন নং ১ ঃ হিচাপ ব্যয় আৰু অৰ্থনৈতিক ব্যয়ৰ মাজৰ পাৰ্থক্য দেখুৱাওক।

প্ৰশ্ন নং ২ ঃ আৰ্থিক ব্যয় আৰু প্ৰকৃত ব্যয়ৰ মাজৰ পাৰ্থক্য দেখুৱাওক।

প্ৰশ্ন নং ৩ ঃ তলৰ ধাৰণাসমূহৰ সংজ্ঞা দাঙি ধৰক—

ক) নিমজ্জিত ব্যয় খ) সুযোগ ব্যয় গ) প্ৰকৃত ব্যয়

খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ ব্যয়ৰ বিভিন্ন ধাৰণাসমূহ আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ মুঠ স্থিৰ ব্যয় (TFC), মুঠ পৰিৱৰ্তশীল ব্যয় (TVC) আৰু মুঠ ব্যয় (TC)ৰ মাজৰ সম্পৰ্ক দেখুৱাওঁক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ গড়ব্যয় আৰু মুঠ ব্যয়ৰ লগত প্ৰান্তিক ব্যয়ৰ কি সম্পৰ্ক? বহলাই আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ বিভিন্ন ব্যয়ৰেখাসমূহৰ মাজৰ সম্পৰ্ক দেখুৱাওঁক।

*** ***** ***

অধ্যায় ৯ ঃ ব্যৱসায়িক প্ৰতিষ্ঠান আৰু উদ্যোগৰ ভাৰসমতা লাভ ঃ সাধাৰণ আলোচনা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ব্যৱসায়িক প্ৰতিষ্ঠানৰ ভাৰসমতা লাভৰ চর্ত

৯.৩.১ মুঠ আয়-মুঠ ব্যয় পদ্ধতি

৯.৩.২ প্ৰান্তিক আয়-প্ৰান্তিক ব্যয় পদ্ধতি

৯.৪ আয়-ব্যয় সমতাৰ বিন্দু

৯.৫ উদ্যোগৰ ভাৰসমতা

৯.৬ গড় ব্যয় মূল্যত স্বাভাৱিক লাভৰ সংযোজন

৯.৭ লাভৰ সর্বোচ্চ সীমা মতবাদৰ বৈধতা

৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৯ অধিক জানিবলৈ

৯.১০ অগ্রগতিৰ খতিয়ান

৯.১১ আর্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- বজাৰত কোনো ব্যৱসায় প্ৰতিষ্ঠান আৰু উদ্যোগে কেনেদৰে ভাৰসমতা আহৰণ কৰে সেই বিষয়ে আলোচনা কৰিব পাৰিব
- আয়-ব্যয় সমতাৰ বিন্দু ধাৰণাটো বাখ্যা কৰিব পাৰিব
- স্বাভাৱিক লাভক কিয় গড় ব্যয়ৰ অংশ হিচাপে গণ্য কৰা হয়, সেই বিষয়ে অৱগত হ'ব
- লাভৰ সর্বোচ্চ সীমা আহৰণ মতবাদ বাস্তৱ সন্মতনে সেই বিষয়ে মূল্যায়ন কৰিব পাৰিব।

৯.২ পৰিচয়

অর্থবিজ্ঞানত ভাৰসমতাৰ সংজ্ঞা এনে ধৰণৰ—ই এনে এক অৱস্থা য'ত পৰিৱর্তনৰ বাবে কোনো ধৰণৰ প্ৰৱণতা নাথাকে। ই এক জড় বা নিৰুদ্যম অৱস্থাও নহয়। বিভিন্ন ধৰণৰ শক্তিয়ে ইয়াত ক্রিয়া কৰি থাকে যদিও বিপৰীতমুখী শক্তিবোৰে এটাই আনটোক সম্পূর্ণকৈ সন্তুলিত কৰি ৰাখে। ফলস্বৰূপে, অর্থনীতিৰ সক্রিয় অংশীদাৰসকলে তেওঁলোকৰ আঁচনি সলোৱাৰ কোনো যুক্তি নাথাকে; অর্থাৎ বর্তমান অৱস্থাত প্রত্যেকেই সন্তুষ্ট। ব্যক্তিগত স্তৰত


ভাৰসমতা বুলিলে যুক্তিপূৰ্ণ বা যুক্তিবাদী অভিধাৰণা পালন কৰা এক অৱস্থাক বুজোৱা হয়। এজন উপভোক্তাক যুক্তিবাদী বুলি তেতিয়া ক'ব পাৰি যেতিয়া তেওঁ নিজৰ প্ৰয়োজন আৰু পৰিতৃপ্তিক সৰ্বাধিক কৰিব বিচাৰে। ঠিক তেনেদৰে, এটা প্ৰতিষ্ঠান বা এটা উৎপাদনকাৰী গোট যুক্তিবাদী বুলি কোৱা হয় যেতিয়া প্ৰতিষ্ঠানটোৱ নিজৰ লাভ সৰ্বাধিক কৰিব খোজে। এই অধ্যায়ৰ প্ৰথম অংশত কেনেকৈ আৰু কেতিয়া এটা প্ৰতিষ্ঠানে তাৰ ভাৰসমতা অৰ্জন কৰে সেয়া আলোচনা। তাৰপিছতে আয়-ব্যয় সমতাৰ বিন্দু ধাৰণাটো— (ব্যৱসায়ত আগবঢ়াৰ বাবে এক প্ৰতিষ্ঠানৰ ই অতি গুৰুত্বপূৰ্ণ সন্ধিক্ষণ) ব্যাখ্যা কৰিম। তৃতীয় অংশত সামগ্ৰিকভাৱে উদ্যোগৰ ভাৰসমতাৰ বিষয়ে আলোচনা কৰিম। যৌক্তিক অনুমানৰ খুটিনাটিবোৰ, সৰ্বাধিক লাভ আহৰণ লক্ষ্যৰ সৈতে জড়িত খুটিনাটিবোৰ সম্পৰ্কে আমি আলচ কৰিম অধ্যায়টোৰ শেষ অংশত।

৯.৩ ব্যৱসায়িক প্ৰতিষ্ঠানৰ ভাৰসমতা লাভৰ চৰ্ত

৯.৩.১ মুঠ আয় - মুঠ ব্যয় পদ্ধতি

ব্যৱসায়িক প্ৰতিষ্ঠান এটাই যেতিয়া সৰ্বাধিক লাভ আহৰণ কৰে, তেতিয়া ই ভাৰসমতা লাভ কৰা বুলি কয়। ভাৰসাম্য বিন্দুত প্ৰতিষ্ঠানটোৱে উৎপাদনৰ পৰিমাণ বা দাম সাল-সলনি কৰাৰ কোনো কাৰণ নাথাকে। সৰ্বাধিক লাভ অৰ্জনৰ কাৰণে ই আয় আৰু উৎপাদনৰ ব্যয় দুয়োটা দিশ বিবেচনা কৰিব লাগে। উৎপাদিত সামগ্ৰী বিক্ৰী কৰি পোৱা ধনৰ পৰা উৎপাদনৰ খৰছ বিয়োগ কৰিলে যি ধনৰাশি হাতত ৰয়, সেয়াই লাভ। গতিকে লাভ সৰ্বাধিক কৰিবলৈ হ'লে আয় আৰু ব্যয়ৰ এই ব্যৱধান সৰ্বাধিক কৰিব লাগিব। তলৰ ৯.১নং চিত্ৰৰ সহায়ত সেয়া দেখুওৱা হৈছে।

চিত্ৰ নং ৯.১ ঃ প্ৰতিষ্ঠান এটাৰ সৰ্বাধিক লাভ অৰ্জন (TR আৰু TC ৰেখাৰ সহায়ত)



ওপৰৰ ৯.১নং চিত্রত মুঠ আয় (TR) আৰু মুঠ ব্যয় (TC) ৰেখা দুডাল দেখুওৱা হৈছে। চিত্রটিৰ X-অক্ষত উৎপাদনৰ পৰিমাণ (Output) আৰু Y-অক্ষত আয় আৰু ব্যয় (Revenue & Cost) দেখুওৱা হৈছে। (মন কৰিব যে, এই ৰেখা কেইডাল অপূর্ণ প্রতিযোগিতামূলক বজাৰৰ অন্তর্গত এখন প্রতিষ্ঠানৰ আয় আৰু ব্যয় ৰেখা। পূর্ণ প্রতিযোগিতামূলক বজাৰৰ ক্ষেত্রত আমি পৰৱর্তী অধ্যায়ত এই আলোচনা কৰিম।)

উল্লিখিত চিত্রটিত দেখা গৈছে যে, OQ উৎপাদনৰ পৰিমাণত প্রতিষ্ঠানটোৱে সর্বাধিক লাভ আহৰণ কৰিছে। এই উৎপাদনৰ স্তৰত মুঠ আয় আৰু মুঠ ব্যয় ৰেখাৰ মাজৰ ব্যৱধান সর্বাধিক, যিহেতু মুঠ আয় আৰু মুঠ ব্যয় ৰেখাৰ স্পর্শক দুডাল সমান্তৰাল।




বিভিন্ন ধৰণৰ বজাৰ সম্পর্কে নৱম অধ্যায়ৰ পৰা ত্রয়োদশ অধ্যায়লৈকে বহলাই আলোচনা কৰা হৈছে।

৯.৩.২ প্রান্তিক আয় -প্রান্তিক ব্যয় পদ্ধতি

ব্যয় আৰু আয়ৰ ভিত্তিত সর্বাধিক লাভ আহৰণ আলোচনা কৰাৰ আন এটি সঁজুলি হৈছে প্রান্তিক আয় আৰু প্রান্তিক ব্যয় ৰেখা। সর্বোচ্চ লাভ আহৰণ লক্ষ্য হিচাপে লোৱা প্রতিষ্ঠান এটাই উৎপাদনৰ প্রান্তিক খৰছ (MC) প্রান্তিক আয় (MR)ৰ লগত তুলনা কৰে। আমি জানোঁ যে উৎপাদনৰ প্রান্তিক ব্যয় হৈছে সামগ্রীৰ এটা একক বা গোট অতিৰিক্ত উৎপাদন কৰি মুঠ ব্যয়ৰ লগত সংযোজন কৰাটোৱে উৎপাদনৰ প্রান্তিক ব্যয়। অর্থাৎ প্রান্তিক ব্যয় হৈছে উৎপাদিত সামগ্রীৰ সর্বশেষ গোটটোৰ বাবদ হোৱা ব্যয়। একেদৰে, প্রান্তিক আয় হৈছে অতিৰিক্ত উৎপাদিত পণ্য গোট বিক্রী কৰি পোৱা আয়ক মুঠ আয়ৰ লগত কৰা সংযোজন। গতিকে ই হৈছে উৎপাদিত সামগ্রীৰ অন্তিম গোটটোৰ পৰা পোৱা আয়। প্রান্তিক আয়ৰ তুলনাত প্রান্তিক ব্যয় কম হৈ থকা পর্যন্ত উৎপাদকে উৎপাদন কৰি থাকিব, কাৰণ দুয়োটাৰ মাজৰ ব্যৱধানখিনিয়ে তেওঁৰ মুনাফা। সর্বাধিক লাভ আহৰণ কৰিব খোজা প্রতিষ্ঠানখনে উৎপাদন বন্ধ কৰি দিব লাগিব, যেতিয়া প্রান্তিক আয় (MR) আৰু প্রান্তিক ব্যয় (MC) সমান হৈ পৰে আৰু অধিক উৎপাদনৰপৰা কোনো লাভ নাপায়। পূর্ণ প্রতিযোগিতামূলক বজাৰ আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰ উভয় ক্ষেত্রতে এক প্রতিষ্ঠানৰ MC আৰু MR ৰেখা অঙ্কন কৰিলে এয়া দেখা যায়। প্রথমে পূর্ণ প্রতিযোগিতামূলক বজাৰৰ পৰা আলোচনা কৰোঁ আহক।

পূর্ণ প্রতিযোগিতামূলক বজাৰত উৎপাদিত সামগ্রীৰ অক্ষৰেখাৰ সৈতে MR ৰেখা আনুভূমিক হৈ থাকে আৰু MC ৰেখা U আকৃতিৰ। (চিত্র ৯.২)

চিত্ৰ নং ৯.২ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ প্ৰতিষ্ঠান এখনৰ সৰ্বাধিক লাভ অৰ্জন



পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত MC ৰেখা U আকৃতিৰ কিন্তু MR ৰেখা আনুভূমিক। চিত্ৰ ৯.২ত দেখা গৈছে যে MC ৰেখাই MR ৰেখাক a আৰু b বিন্দুত ছেদ কৰিছে a আৰু b বিন্দুত MC আৰু MR সমান। কিন্তু উৎপাদকে দেখিছে যে অধিক উৎপাদন কৰি তেওঁ MCক MR ৰ তললৈ আনিব পাৰে। ইয়াৰ ফলত তেওঁৰ অধিক লাভ হ'ব। চিত্ৰ ১.২ত দেখা গৈছে যে, প্ৰতিষ্ঠানখনে যদি উৎপাদনৰ পৰিমাণ OX পৰা OX_1 লৈ বঢ়ায়, তেনেহ'লে তেওঁ MC ৰেখাৰ সৰ্বনিম্ন বিন্দু পৰ্য্যন্ত উৎপাদন কৰিবলৈ সক্ষম হ'ব আৰু MC আৰু MR ৰ ব্যৱধান সৰ্বাধিক হ'ব। কিন্তু উৎপাদনৰ এটা বিশেষ এককৰ বাবে লাভ সৰ্বাধিক কৰাটো তেওঁৰ লক্ষ্য নহয়; তেওঁৰ লক্ষ্য মুঠ লাভ সৰ্বাধিক কৰাটোহে। সেয়ে তেওঁ উৎপাদন বঢ়াই যাব যিহেতু OX_1 পৰিমাণতকৈ অধিক উৎপাদন কৰিলেও MRতকৈ MC তলতে থাকিব। গতিকে MC আৰু MR সমান নোহোৱা পৰ্য্যন্ত তেওঁ উৎপাদন বঢ়াই যাব। চিত্ৰত এই পৰ্য্যায়টো উৎপাদনৰ OX_2 বিন্দুত আমি পাওঁ। চিত্ৰ ১.২ত দেখা গৈছে যে, OX_2 পৰিমাণত MC য়ে MR ৰেখাৰ b বিন্দুত ছেদ কৰিছে। এই সীমা লংঘন কৰি উৎপাদন অব্যাহত ৰাখিলে উৎপাদকৰ লোকচান হ'ব। কাৰণ, তাৰ পিছত MC ৰেখা MR ৰেখাৰ ঊৰ্ধ্বত হ'ব। গতিকে তেওঁ OX_2 পৰ্য্যায়লৈকে উৎপাদন কৰিব। এতিয়া আমি অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ বিষয়ে আলোচনা কৰিম। তলৰ ৯.৩নং চিত্ৰৰ সহায়ত সেয়া দেখুওৱা হৈছে।

চিত্ৰ নং ৯.৩ ঃ অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ প্ৰতিষ্ঠান এখনৰ ভাৰসমতা লাভ



ওপৰৰ ৯.৩নং চিত্ৰত দেখা গৈছে যে MC ৰেখাই MR ৰেখাক a' আৰু b' বিন্দুত ছেদ কৰিছে আৰু চিত্ৰটিৰ a' বিন্দুত MC আৰু MR সমান। কিন্তু উৎপাদকে দেখিছে যে অধিক উৎপাদন কৰি তেওঁ MC ক MRৰ তললৈ আনিব পাৰে। ইয়াৰ ফলত তেওঁৰ অধিক লাভ হ'ব। চিত্ৰটিত দেখা গৈছে যে উৎপাদকজনে যদি উৎপাদনৰ পৰিমাণ OX' ৰ পৰা OX'_1লৈ বঢ়ায়, তেনেহ'লে তেওঁ MC ৰেখাৰ সৰ্বনিম্ন বিন্দু পৰ্যন্ত উৎপাদন কৰিবলৈ সক্ষম হ'ব আৰু MC আৰু MR ৰ ব্যৱধান সৰ্বাধিক হ'ব। কিন্তু, উৎপাদনৰ এটা বিশেষ এককৰ বাবে লাভ সৰ্বাধিক কৰাটো তেওঁৰ লক্ষ্য নহয়। তেওঁৰ লক্ষ্য মুঠ লাভ সৰ্বাধিক কৰাটোহে। সেয়ে তেওঁ উৎপাদন বঢ়াই যাব যিহেতু OX'_1 পৰিমাণতকৈ অধিক উৎপাদন কৰিলেও MRতকৈ MC তলতে থাকিব। MC আৰু MR সমান নোহোৱা পৰ্যন্ত তেওঁ উৎপাদন বঢ়াই যাব। চিত্ৰত এই পৰ্যায়টো উৎপাদনৰ OX'_2 বিন্দুত আমি দেখা পাওঁ। এই OX'_2 পৰিমাণত MC য়ে MR ৰেখাৰ b' বিন্দুত ছেদ কৰিছে। এই সীমা লংঘন কৰি উৎপাদন অব্যাহত ৰাখিলে উৎপাদকৰ লোকচান হ'ব। কাৰণ তাৰপিছত MC ৰেখা MR ৰেখাৰ ঊৰ্দ্ধত হ'ব।

গতিকে ওপৰৰ আলোচনাৰ পৰা আমি দেখিলোঁ যে পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ আৰু অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ প্ৰতিষ্ঠানকেইখনে ক্ৰমে OX_2আৰু OX'_2 পৰিমাণৰ সামগ্ৰী উৎপাদন কৰি ভাৰসমতা লাভ কৰিছে। OX_2 আৰু



$'_2$ এই দুটা পৰ্যায় হৈছে ভাৰসমতা লাভৰ পৰ্যায় য'ত লাভৰ পৰিমাণ সৰ্বাধিক। ৰ পৰা দেখা গ'ল যে ভাৰসমতা লাভ কৰোঁতে MC য়ে তলৰ ফালৰ পৰা ক্ৰমাৎ মুখী হৈ গৈ MR ৰেখাক ছেদ কৰে।

এতিয়া আমি স্পষ্টভাৱে ক'ব পাৰোঁ যে সৰ্বোচ্চ লাভ আহৰণকাৰী প্ৰতিষ্ঠানৰ ভাৰসমতাৰ চর্ত দুটা হ'ল—

- MC আৰু MR সমান হ'ব লাগিব।
- MC ৰেখাই MR ৰেখাক তলৰ পৰা ছেদ কৰিব লাগিব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ বাছি উলিয়াওক—

ক) এটা প্ৰতিষ্ঠানে ভাৰসমতা লাভ কৰা মানে লাভৰ পৰিমাণ সৰ্বাধিক হোৱাটো বুজোৱা হয়। (শুদ্ধ/অশুদ্ধ)

খ) ভাৰসমতাৰ সময়ত প্ৰতিষ্ঠানখনৰ প্ৰান্তিক আয় প্ৰান্তিক ব্যয়তকৈ অধিক। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ খালী ঠাই পূৰ কৰক—

ক) ভাৰসমতাৰ সময়ত ভাৰসমতা পৰিৱৰ্তন কৰাৰ বাবে ..... প্ৰৱণতা নাথাকে।

খ) ভাৰসমতাৰ সময়ত উৎপাদনৰ প্ৰান্তিক ব্যয় .....ৰ সমান।

প্ৰশ্ন নং ৩ ঃ এটা প্ৰতিষ্ঠানৰ ভাৰসমতা লাভৰ চৰ্ত দুটা কি কি? (৩০টা শব্দত উত্তৰ দিয়ক লিখক)

.....

.....

.....

৯.৪ আয়-ব্যয় সমতাৰ বিন্দু (Break-Even Point)

সামগ্ৰী এটা উৎপাদন কৰোঁতে হোৱা ব্যয়ক দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি— স্থিৰ ব্যয় আৰু পৰিৱৰ্তনশীল ব্যয়। স্থিৰ ব্যয় উৎপাদনৰ পৰিমাণৰ ওপৰত নিৰ্ভৰশীল নহয়; উৎপাদনৰ পৰিমাণ যিমানে নহওক, ই স্থিৰ হৈ থাকে। স্থিৰ মূলধনৰ সুত, ঘৰভাড়া, প্ৰশাসনিক, নিয়মীয়া কৰ্মচাৰীৰ দা-দৰমহা আদি ইয়াৰ ভিতৰত পৰে। পৰিৱৰ্তনীয় ব্যয় উৎপাদনৰ পৰিমাণ অনুযায়ী বঢ়া-টুটা হয়। উৎপাদন বন্ধ হৈ থাকিলে পৰিৱৰ্তনীয় ব্যয় শূন্য হয়। মজুৰী, কেঁচামাল, ইন্ধন, বিজুলী আদি ইয়াৰ ভিতৰত পৰে। এক বিশেষ পৰিমাণৰ উৎপাদনৰ পৰা হোৱা আয়েৰে উৎপাদনৰ স্থিৰ আৰু পৰিৱৰ্তনীয় ব্যয়ৰ কোনোমতে জোৰা মাৰিব পৰা অৱস্থাকে আয়-ব্যয় সমতাৰ উৎপাদন বোলা হয় আৰু উৎপাদনৰ এই পৰিমাণকে প্ৰতিষ্ঠানটোৰ আয়-ব্যয় সমতাৰ বিন্দু বোলে। অৰ্থাৎ, আয়-ব্যয় সমতাৰ বিন্দুত প্ৰতিষ্ঠানটোৰ লাভ শূন্য হৈ থাকে। উৎপাদনৰ আয়-ব্যয় সমতাৰ পৰ্য্যায়ক এনেদৰে প্ৰকাশ কৰিব পাৰি—

$$\pi = PQ - (QAVC + TFC)$$

ইয়াত π লাভ, P দাম, Q পৰিমাণ, AVC গড় পৰিৱৰ্তনশীল ব্যয়, TFC মুঠ স্থিৰ ব্যয়।

এই সমীকৰণ সমাধান কৰি আমি পাওঁ—

$$\pi = P.Q - Q.AVC - TFC$$

$$P.Q - Q.AVC = \pi + TFC$$

$$Q(P - AVC) = \pi + TFC$$

$$Q = (\pi + TFC)/(P - AVC)$$

এতেকে, উৎপাদনৰ আয়-ব্যয় সমতাৰ পৰ্যায়ত—


$$Q - TFC/(P - AVC), \text{ য'ত } \pi = 0$$

উদাহৰণ ঃ ধৰা হ'ল TFC ১০,০০০/- টকা, P ২০/- টকা আৰু AVC ১৫/- টকা। তেনেহ'লে—

আয়-ব্যয় সমতাৰ পৰ্য্যায় হ'ব = ১০,০০০/(২০-১৫) = ১০,০০০/৫ = ২,০০০ টকা।

আয়-ব্যয় সমতাৰ বিন্দু ধাৰণাটি তলৰ ৯.৪নং চিত্ৰৰ সহায়ত ব্যাখ্যা কৰিব পাৰি।

চিত্ৰ নং ৯.৪ ঃ আয়-ব্যয় সমতাৰ বিন্দু



ওপৰৰ ৯.৪নং চিত্ৰৰ পৰা দেখা গৈছে যে, TFC হৈ মুঠ স্থিৰ ব্যয় ৰেখা, TC(TFC + TVC) ৰেখা ডাল হৈছে মুঠ ব্যয় ৰেখা। TR ৰেখা ডালে মুঠ আয় (বিক্ৰী দৰ X বিক্ৰীৰ পৰিমাণ) দেখুৱাইছে। TR ৰেখাডালে TC ৰেখাৰ সৈতে E বিন্দুত আয়-ব্যয় সমতাৰ বিন্দু আৰু OQ হৈছে আয়-ব্যয় সমতাৰ উৎপাদনৰ পৰিমাণ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ নিম্নোক্ত বাক্যবোৰ শুদ্ধ নে অশুদ্ধ বাছি উলিয়াওক—

ক) উৎপাদনৰ পৰিমাণ অনুযায়ী প্ৰতিষ্ঠান এটাৰ স্থিৰ মূলধন পৰিৱৰ্তিত হয় (শুদ্ধ/অশুদ্ধ)

খ) মজুৰী, কেঁচামালৰ ব্যয়, যন্ত্ৰপাতি, ইন্ধন, বিজুলী আদিৰ বাবদ কৰা ব্যয় পৰিৱৰ্তনশীল ব্যয়ৰ অংশ। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৫ ঃ খালী ঠাই পূৰ কৰক—

ক) লাভ = মুঠ আয় – .....

খ) মুঠ ব্যয় = স্থিৰ ব্যয় + ...

প্ৰশ্ন নং ৬ ঃ এটা প্ৰতিষ্ঠানৰ আয়-ব্যয় সমতাৰ বিন্দু কাক বোলা হয়? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

৯.৫ উদ্যোগৰ ভাৰসমতা

উৎপাদিত পণ্যৰ যোগান আৰু বজাৰৰ চাহিদা সম্পূৰ্ণ মিলি যোৱা অৱস্থাকে উদ্যোগ এটাৰ ভাৰসমতা বুলি কোৱা হয়। যোগান-চাহিদাৰ সমতাই বুজায় যে বজাৰলৈ উলিয়াই দিয়া সমস্ত সামগ্ৰী বিক্ৰী হৈ গৈছে আৰু বজাৰত এনে এজনো গ্ৰাহক নাই যাৰ বাবে বজাৰত সামগ্ৰীৰ অভাৱ। গতিকে, উদ্যোগ এটাৰ ভাৰসমতা এনে এক অৱস্থা য'ত ক্ৰেতা আৰু বিক্ৰেতাৰ আঁচনিৰ সম্পূৰ্ণ ৰাহি-জোৰা থাকে। ভাৰসমতা লাভৰ সময়ত যি পৰিমাণৰ সামগ্ৰীৰ লেনদেন হয় তাক ভাৰসাম্য পৰিমাণ আৰু যি দামত লেনদেন হয়, তাক ভাৰসাম্য দাম বোলা হয়। এই দামত ক্ৰেতা বা বিক্ৰেতা কাৰো আঁচনি সলনি কৰাৰ আৱশ্যকতা নেথাকে বা পৰিৱৰ্তনৰ কৰাৰ বাবেও কোনো প্ৰৱণতাৰ উদ্ভৱ নহয়। তলৰ ৯.১নং তালিকাত উদ্যোগৰ ভাৰসমতা দেখুওৱা হৈছে।


তালিকা ৯.১ : উদ্যোগ এটাৰ ভাৰসমতা

দাম (টকাত)	চাহিদাৰ পৰিমাণ ('০০০ কিঃ গ্ৰাঃ)	যোগানৰ পৰিমাণ ('০০০ কিঃ গ্ৰাঃ)
৩	১০	৬
৪	৯	৭
৫	**৮**	**৮**
৬	৭	৯
৭	৬	১০

ওপৰৰ ৯.১নং তালিকাত চাহিদা-যোগান বিধি অনুসৰি চাহিদা-যোগানৰ অনুক্ৰমটো দেখুওৱা হৈছে। গতিকে, দাম বঢ়াৰ লগে লগে চাহিদা কমিছে, কিন্তু যোগান বাঢ়িছে। ৫ টকা দৰত চাহিদা আৰু যোগান দুয়োটা ৮,০০০ কিঃ গ্ৰাঃ। গতিকে ৫ টকা ভাৰসাম্য দাম আৰু ৮,০০০ কিঃ গ্ৰাঃ ভাৰসাম্য উৎপাদন। এই দামত যিহেতু চাহিদা-যোগান একে, গতিকে বজাৰত কোনো ৰাহিও নাই; ইয়াকে কয় বজাৰৰ ভাৰসমতা। ৫ টকাৰ বাদে অন্য কোনো দামত বজাৰখনত ভাৰসমতা নাথাকে। ৫ টকাতকৈ দাম কমিলে যোগানতকৈ চাহিদা বাঢ়িব। অতিৰিক্ত চাহিদাৰ বাবে বিক্ৰেতাই দাম বঢ়াব আৰু যোগানো বাঢ়িব। কিন্তু, বঢ়াৰ লগে লগে চাহিদা হ্ৰাস পাব। ৫ টকা দামত চাহিদা আৰু যোগান পৰিৱৰ্তনৰ কোনো হেতু নাথাকে। একেদৰে ৫ টকাতকৈ দাম বাঢ়িলে যোগানে চাহিদাক চেৰ পেলাব। বজাৰত যোগান বঢ়াৰ বাবে বিক্ৰেতাই দাম কমাব— ফলত চাহিদা বাঢ়িব আৰু যোগান হ্ৰাস পাব। পুনৰ ৫ টকা দামত চাহিদা-যোগানৰ সমতা স্থাপন হ'ব যিয়ে বজাৰৰ ভাৰসমতাক সূচায়।

বজাৰ ভাৰসমতা তলৰ ৯.৫ চিত্ৰৰ সহায়ত দেখুৱাব পাৰি—

চিত্ৰ নং ৯.৫ ঃ উদ্যোগ এটাৰ ভাৰসমতা



চিত্ৰটিত DD হৈছে x সামগ্ৰীবিধৰ চাহিদা ৰেখা আৰু SS হৈছে যোগান ৰেখা। পৰিমাণ জোখা হৈছে x অক্ষত আৰু দাম জোখা হৈছে y অক্ষত । চাহিদা-যোগানৰ বিধি অনুসৰি, DD ৰেখা নিম্নমুখী আৰু SS ৰেখা উৰ্ধমুখী। E বিন্দুত দুয়োটা ৰেখাই পৰস্পৰক ছেদ কৰিছে। ই চাহিদা-যোগানৰ সমতাক সূচাইছে। সেয়ে E বিন্দু হ'ল উদ্যোগটোৰ ভাৰসাম্য বিন্দু। গতিকে, ৫ টকা হৈছে ভাৰসাম্য দাম আৰু ৮,০০০ কিঃ গ্ৰাম ভাৰসাম্য পৰিমাণ। ৫ টকাৰ তলৰ যিকোনো দামত DD ৰেখা ডাল SS ৰেখাৰ সোফাঁলে থাকিব, যিয়ে অতিৰিক্ত চাহিদাক সূচায়। সেইদৰে, ৫ টকাতকৈ অধিক যিকোনো দামৰ বেলিকা SSৰেখা ডাল, DD ৰেখাৰ সোঁফালে থাকিব, যিয়ে সূচায় অতিৰিক্ত চাহিদা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ তলৰ বাক্যবোৰ শুদ্ধ নে অশুদ্ধ বাছি উলিয়াওক—

ক) চাহিদা > যোগান মানে অতিৰিক্ত চাহিদা। (শুদ্ধ/অশুদ্ধ)

খ) বজাৰ দৰ ভাৰসাম্য দৰৰ তলত থাকিলে বজাৰত অতিৰিক্ত চাহিদা দেখা যায়। (শুদ্ধ/অশুদ্ধ)

গ) এখন প্ৰতিষ্ঠানে ভাৰসমতা লাভ কৰা মানে উদ্যোগটোৰ আটাইবোৰ প্ৰতিষ্ঠানে ভাৰসমতা লাভ কৰাটো বুজায়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৮ ঃ খালী ঠাই পূৰ কৰক—

ক) যি দামত চাহিদা আৰু যোগান সমান তাক ..... দাম বোলে।

খ) ভাৰসাম্য দৰৰ বিপৰীতে বিক্ৰীৰ পৰিমাণখিনিক ..... পৰিমাণ বোলা হয়।

প্রশ্ন নং ৯ ঃ এটা উদ্যোগক কেতিয়া ভাৰসমতা লাভ কৰা বুলি কোৱা হয়? (২০টা শব্দৰ ভিতৰত লিখক)

.....

.....

৯.৬ গড় ব্যয়-মূল্যত স্বাভাৱিক লাভৰ সংযোজন

এটা প্রতিষ্ঠানৰ স্বাভাৱিক লাভক মুঠ স্থিৰ ব্যয়ৰ অংশ হিচাপে গণ্য কৰিব পাৰি। ই হ'ল সামগ্রী এটা উৎপাদনৰ উদ্যোগীজনে দক্ষতা ব্যৱহাৰৰ বাবে লাভ কৰা সুযোগ ব্যয় বা অন্য ব্যৱসায়ৰ পৰা উদ্যোগীয়ে পাব পৰা লাভ। অন্যান্য সম্পদৰ ক্ষেত্রত যেনেদৰে সুযোগ ব্যয়ৰ কথাষাৰ কোৱা হয়, ঠিক তেনেদৰে স্বাভাৱিক লাভ হিচাপ কৰোঁতে আয়ৰ পৰা কাটি ৰখা হয়, আৰু ইয়েই হৈছে অর্থনৈতিক লাভ। ইয়াক অৱশ্যে গাণনিক ব্যয়ৰ ভিতৰত ধৰা নহয়।

স্বাভাৱিক লাভ হৈছে উৎপাদনৰ উদ্যোগীজনে দক্ষতা ব্যৱহাৰৰ বাবে লাভ কৰা সুযোগ ব্যয়। উৎপাদনৰ ক্ষেত্রত উদ্যোগীজনৰ যে এটা সুযোগ ব্যয় আছে, এই ধাৰণাটো প্রায়ে হিচাপত ধৰা নহয়— কাৰণ ইয়াত কোনো প্রত্যক্ষ পৰিশোধৰ প্রথা নাই, যিটো গণনাযোগ্য ব্যয় কৰাৰ ক্ষেত্রত প্রযোজ্য। প্রায়বিলাক ব্যৱসায়িক প্রতিষ্ঠানে স্বাভাৱিক লাভক অর্থনৈতিক লাভৰ সৈতে একত্রিত কৰে আৰু সাধাৰণভাৱে ইয়াক গাণনিক লাভ হিচাপে দেখুওৱা হয়।

উদাহৰণ স্বৰূপে, শ্রমিক এজনক প্রতিষ্ঠান এটাই দৈনিক এশ টকা মজুৰী দিয়ে শ্রমিকজনে অন্য ঠাইত উপার্জন কৰিব পৰা এশ টকাৰ ক্ষতিপূৰণ হিচাপে। একেদৰে, এজন উদ্যোগীয়ে কাপোৰ ধোৱা পাউদাৰৰ উৎপাদন কার্য্য সংগঠিত কৰোঁতে অন্য এক উৎপাদন কার্য্য (ধৰা হওক, কাপোৰ ধোৱা চাবোন) সংগঠিত কৰি পাব লগা লাভখিনি হেৰুৱায়। এই স্বতঃসিদ্ধ লাভখিনি উদ্যোগীজনৰ বাবে সুযোগ ব্যয়। ই স্বাভাৱিক লাভ, আৰু অর্থনৈতিক লাভৰ হিচাপ কৰোঁতে আয়ৰ পৰা ইয়াক বাদ দিয়া হয়। গতিকে, ই উৎপাদন ব্যয়ৰ এটা অংশ। সেই কাৰণেই কোৱা হয় যে এটা প্রতিষ্ঠানে স্বাভাৱিক লাভ আহৰণ কৰে, যেতিয়া ইয়াৰ মুঠ আয় আৰু মুঠ ব্যয় সমান হয়। সেইবাবে, গড় ব্যয়ত স্বাভাৱিক লাভ অন্তর্ভুক্ত কৰা হয়। এটা প্রতিষ্ঠানৰ দীর্ঘম্যাদী উৎপাদন সিদ্ধান্তত স্বাভাৱিক লাভে এক গুৰুত্বপূর্ণ ভূমিকা লয়— অর্থাৎ ব্যৱসায়টো চলাই যোৱা হ'ব নে নহয়, বিশেষকৈ, সেই ক্ষেত্রত। সাধাৰণতে স্বাভাৱিক লাভখিনিও অর্জন কৰিবলৈ সক্ষম নহ'লে প্রতিষ্ঠান এটাই সেয়ে উৎপাদন বন্ধ কৰিবলৈ বাধ্য হয়— কাৰণ তাৰ পৰা উদ্যোগীজনে কোনো সুফল নাপায়।

৯.৭ লাভৰ সর্বোচ্চ সীমা মতবাদৰ বৈধতা

১৯৩০ৰ দশকৰ শেষভাগত প্রতিষ্ঠান এটাৰ অধ্যয়নৰ বাবে প্রচলিত তত্ত্বক লৈ অসন্তোষ গা কৰি উঠিছিল। প্রতিষ্ঠান সম্পর্কে প্রচলিত ধ্যান-ধাৰণাবোৰ আৰু প্রান্তীয় আচৰণমূলক বিধি (Marginalistic Behavioural Rule)বোৰৰ বিষয়ে প্রশ্ন উত্থাপিত হ'বলৈ ধৰে। প্রতিষ্ঠান

এটাৰ অধ্যয়নৰ প্ৰচলিত তত্ত্বক প্ৰত্যাহ্বান জনাই ইংলণ্ড-আমেৰিকাত বহুসংখ্যক তথ্যভিত্তিক গ্ৰন্থ প্ৰকাশিত হয়। প্ৰচলিত তত্ত্ববোৰৰ আটাইতকৈ গুৰুতৰ দুৰ্বলতা হিচাপে চিহ্নিত হ'ল প্ৰতিষ্ঠানৰ সৰ্বোচ্চ লাভ আহৰণ লক্ষ্যৰ ধাৰণাটো। এই মতবাদৰ সমালোচনা সংক্ষেপে এনেদৰে প্ৰকাশ কৰিব পাৰি—

প্ৰথম যুক্তিটো হ'ল, ব্যৱসায় প্ৰতিষ্ঠানবোৰ সৰ্বোচ্চ লাভ আহৰণৰ লক্ষ্যত উপনীত হ'ব নোৱাৰে, কাৰণ তাত উপনীত হ'বলৈ প্ৰয়োজনীয় জ্ঞান, তথ্য আৰু সক্ষমতাৰ অভাৱ। দৰাচলতে, প্ৰতিষ্ঠানবোৰে তেওঁলোকৰ গড় আয় আৰু ব্যয়ৰ উঠা-নমা কেনেদৰে হৈ আছে নিশ্চিতকৈ জানিব নোৱাৰে আৰু সেইবাবে MC = MR নীতি প্ৰয়োগ কৰিব নোৱাৰে। *দ্বিতীয়তে*, প্ৰতিষ্ঠানবোৰৰ কোনো একক লক্ষ্য নাথাকে, তেওঁলোকে এক বহুমুখী লক্ষ্য অনুসৰণ কৰে। লাভ সৰ্বাধিক কৰাটো তাৰে এটা লক্ষ্য মাত্ৰ। বিকল্প লক্ষ্যবোৰ এনেদৰে শ্ৰেণীবদ্ধ কৰা হৈছে ঃ

- **ব্যৱস্থাপনাবাদ ঃ** প্ৰবন্ধকসকলে নিজৰ উপযোগিতামূলক ভূমিকা সৰ্বাধিক কৰিবলৈ চেষ্টা কৰে। গতিকে, দৰ্মহা, পদমৰ্যাদা, বজাৰৰ অংশ, চাকৰিৰ নিশ্চয়তা আদিও গুৰুত্বপূৰ্ণ লক্ষ্য হিচাপে পৰিগণিত হ'ব পাৰে।
- **আচৰণবাদ ঃ** বাস্তৱক্ষেত্ৰত বিৰাজিত অনিশ্চয়তা হেতু প্ৰৱন্ধকসকলে চূড়ান্ত পৰ্যায়লৈ একোকে নিব নিবিচাৰে। তেওঁলোকে সন্তোষজনক লক্ষ্য, সন্তোষজনক বৃদ্ধি আদি আৰ্জন কৰিবলৈহে চেষ্টা কৰে।
- **দীৰ্ঘম্যাদীত্ব আৰু বজাৰৰ ভাগ দখলৰ লক্ষ্য ঃ** বহুতো উদ্যোগীয়ে বজাৰত তেওঁলোকৰ অৱস্থান অদূৰ ভৱিষ্যতলৈ সুৰক্ষিত কৰি ৰখাটো আটাইতকৈ গুৰুত্বপূৰ্ণ লক্ষ্য হিচাপে লয়। বহুতে বজাৰৰ এক নিৰ্দিষ্ট ভাগ দখল আৰু বাহাল ৰাখিবলৈ লক্ষ্য স্থিৰ কৰে।
- **প্ৰৱেশ নিবাৰণ আৰু বিপদ পৰিহাৰ ঃ** কিছুমান অধ্যয়নে দেখুৱাইছে যে প্ৰতিষ্ঠানৰ অন্যতম এক লক্ষ্য হ'ল বজাৰত নবাগতৰ প্ৰৱেশ ৰোধ কৰা। অচিন নৱাগতৰ পৰা আহিব পৰা সম্ভাব্য বিপদ প্ৰতিহত কৰিবলৈ এনে কৰা হয়।

এই যুক্তিবোৰৰ প্ৰত্যুত্তৰত লাভৰ সৰ্বোচ্চ সীমা আহৰণ সমৰ্থন কৰা মতবাদৰ প্ৰবক্তাসকলে 'কেৱল যোগ্যজনহে টিকি থাকে' —এই মতবাদৰ গাত ভেজা দি কৈছে যে, যিসকলে লাভৰ চৰমসীমাত উপনীত হয়, কেৱল তেওঁলোকহে সৰ্বাধিক লাভ আহৰণৰ দ্বাৰা সম্পদৰ সঞ্চয় দ্ৰুত গতিত ঘটায় আৰু সেয়ে, কেৱল তেওঁলোকেহে বজাৰত দীৰ্ঘকাললৈ বৰ্তি থাকিব পাৰে। মূৰকত তেওঁলোক যোগ্যতম হিচাপে পৰিণত হয় আৰু বাকীবোৰ নিৰ্মূল হৈ যায়।

এই দুয়োটা মতবাদৰ যুক্তিধাৰাত ইতিবাচক আৰু নেতিবাচক দুয়োবিধ উপাদান আছে। এই ক্ষেত্ৰত অভিজ্ঞতালব্ধ তথ্যকো বহুক্ষেত্ৰতে শেষ কথা হিচাপে গ্ৰহণ কৰিব নোৱাৰি। মুঠৰ ওপৰত, প্ৰতিষ্ঠান এটাৰ ব্যৱসায়িক লক্ষ্য সম্বন্ধে আমি থোৰতে ক'ব পাৰোঁ—

- আধুনিক প্ৰতিষ্ঠান এটাৰ বহুমুখী লক্ষ্য থাকে।
- প্ৰতিষ্ঠানটোৰ মূল লক্ষ্য যিয়েই নহওক, এটা কথা অনস্বীকাৰ্য্য যে এক ন্যূনতম লাভৰ সীমাৰ দ্বাৰা অন্যান্য লক্ষ্যবোৰ নিৰ্দ্ধাৰিত হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ ঃ নিম্নোক্ত বাক্যবোৰ শুদ্ধ নে অশুদ্ধ বাছি উলিয়াওক—

ক) এটা প্ৰতিষ্ঠানৰ মুঠ আয়ৰ পৰা স্বাভাৱিক লাভ বাদ দিলে অৰ্থনৈতিক লাভ পাব পাৰি। (শুদ্ধ/অশুদ্ধ)

খ) স্বাভাৱিক লাভ উৎপাদন ব্যয়ৰ এটা অংশ। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ১১ ঃ খালী ঠাই পূৰ কৰক—

ক) এটা প্ৰতিষ্ঠানে উৎপাদন ..... কৰিব আৰু ব্যৱসায় ত্যাগ কৰিব যদি দীৰ্ঘকালতো ই ..... অৰ্জন কৰিব নোৱাৰে।

খ) ..... অভাৱৰ বাবে প্ৰতিষ্ঠান এখনে সৰ্বোচ্চ লাভ অৰ্জনৰ লক্ষ্যত উপনীত হ'ব নোৱাৰে।

প্ৰশ্ন নং ১২ ঃ এটা প্ৰতিষ্ঠানৰ যিকোনো দুটা বিকল্প লক্ষ্যৰ বিষয়ে আলোচনা আগবঢ়াওক যি লাভৰ চৰম লক্ষ্যৰ অনুগামী নহয়। (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....



৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এটা প্ৰতিষ্ঠানে ভাৰসমতা অৰ্জন কৰে যেতিয়া ই লাভৰ চৰমসীমাত উপনীত হয়। তেনে অৱস্থাত প্ৰতিষ্ঠানটোৱে নিজৰ উৎপাদিত সামগ্ৰীৰ দাম আৰু পৰিমাণৰ পৰিৱৰ্তনৰ কোনো সিদ্ধান্ত লোৱাৰ যুক্তি নাথাকে।
- উৎপাদিত পণ্য বিক্ৰীৰ পৰা হোৱা আয়ৰ পৰা উৎপাদনী ব্যয় বাদ দি যি থাকে সেয়াই লাভ। গতিকে, সৰ্বোচ্চ লাভ আহৰণে স্বাভাৱিক ভাৱেই এটা কথাকেই সূচায় যে আয় আৰু ব্যয়ৰ ব্যৱধানো সৰ্বোচ্চ।
- এটা প্ৰতিষ্ঠানৰ ভাৰসমতা লাভৰ চর্ত দুটা হৈছে ঃ
  - MC আৰু MR সমান হ'ব লাগিব।
  - MC ৰেখাই MR ৰেখাক তলৰ পৰা ছেদ কৰিব লাগিব।

- এক বিশেষ পৰিমাণৰ সামগ্ৰীৰ পৰা হোৱা আয়ৰ পৰা সেই সামগ্ৰী উৎপাদনৰ সমস্ত স্থিৰ আৰু পৰিৱৰ্তনীয় ব্যয়ৰ কোনোমতে জোৰা মাৰিব পৰা অৱস্থাক উৎপাদনৰ আয়-ব্যয় সমতাৰ পৰ্যায় বুলি কোৱা হয়। অৰ্থাৎ আয়-ব্যয় সমতাৰ বিন্দুত লাভ শূন্য।
- উৎপাদিত সামগ্ৰী Q পৰিমাণত আয়-ব্যয় সমতাৰ পৰ্যায় হ'ল Q – TFC/(P – AVC), য'ত Q পৰিমাণ, TFC মুঠ স্থিৰ ব্যয়, P মূল্য আৰু AVC গড় পৰিৱৰ্তিত ব্যয়।
- বজাৰত বিক্ৰীৰ বাবে যোগান ধৰা সামগ্ৰী আৰু সেই সামগ্ৰীৰ চাহিদা সম্পূৰ্ণ সমান হ'লে উদ্যোগটোৱে ভাৰসমতা লাভ কৰা বুলি কোৱা হয়।
- চাহিদা-যোগান সমান হোৱা অৱস্থাত ক্ৰয়-বিক্ৰয় কৰা সামগ্ৰীৰ পৰিমাণক ভাৰসাম্য পৰিমাণ আৰু ক্ৰয়-বিক্ৰয় হোৱা দামক ভাৰসাম্য দাম বোলা হয়।
- এটা প্ৰতিষ্ঠানৰ স্বাভাৱিক আয়ক মুঠ স্থিৰ ব্যয়ৰ এটা অংশ হিচাপে ধৰিব পাৰি। ই হ'ল উদ্যোগীজনৰ উৎপাদনী সামৰ্থ ব্যৱহাৰৰ সুযোগ ব্যয় বা তেওঁ অন্য ব্যৱসায়ৰ পৰা পাব পৰা লাভ।
- ১৯৩০ৰ দশকত ব্যৱসায়িক প্ৰতিষ্ঠান সম্পৰ্কে প্ৰচলিত পৰম্পৰাগত তত্ত্ব বিৰুদ্ধে অসন্তোষ গা কৰি উঠিবলৈ ধৰে। ইংলেণ্ড-আমেৰিকাত তথ্যভিত্তিক ভালেমান অধ্যয়ন প্ৰকাশ পায়, যিবোৰে প্ৰচলিত তত্ত্বটোৰ মাৰাত্মক দুৰ্বলতা কিছুমান স্পষ্ট কৰি দেখুৱায়। তথাকথিত চৰম লাভৰ লক্ষ্যও তেনে এক গুৰুতৰ দুৰ্বলতা বুলি চিহ্নিত হয়।
- সৰ্বোচ্চ লাভ আহৰণ মতবাদৰ পক্ষ-প্ৰতিপক্ষ উভয়ৰে ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশেই বিদ্যমান। এইক্ষেত্ৰত অভিজ্ঞতালব্ধ তথ্যও সকলো ক্ষেত্ৰত নিৰ্ণায়ক হ'ব নোৱাৰে।



৯.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) আলম, ড° খুৰছেদ; হুদা, ড° মণিৰুল আৰু শৰ্মা, ড° অৰ্চনা (২০০৪); *স্নাতক মহলাৰ অৰ্থতত্ত্ব (ব্যষ্টিবাদী অৰ্থবিজ্ঞান)* ষষ্ঠ সংস্কৰণ; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ্ছ।

২) গোস্বামী, ড° অতুল (২০০৫); *স্নাতক মহলাৰ অৰ্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অৰ্থনৈতিক তত্ত্ব)* সপ্তম সংস্কৰণ; ডিব্ৰুগড় ঃ ষ্টুডেণ্টছ এম্পৰিয়াম।

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics;* New Delhi: S. Chand & Co. Ltd.

2) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.

3) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.

4) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Co. Ltd.

৯.১০ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ ক) ভাৰসমতাৰ সময়ত ভাৰসমতা পৰিৱৰ্তন কৰাৰ বাবে কোনোধৰণৰ প্ৰৱণতা নাথাকে।

খ) উৎপাদনৰ ভাৰসমতাৰ সময়ত প্ৰান্তিক ব্যয় প্ৰান্তিক আয়ৰ সমান।

৩নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিষ্ঠান এটাৰ ভাৰসমতা লাভৰ দুটা চৰ্ত হ'ল—

১) MR = MC আৰু

২) MC ৰেখাই MR ৰেখাক তল ফালৰ পৰা ছেদ কৰিব লাগিব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ

৫নং প্ৰশ্নৰ উত্তৰ ঃ ক) লাভ = মুঠ আয় – মুঠ ব্যয়

খ) মুঠ ব্যয় = স্থিৰ ব্যয় + পৰিৱৰ্তনীয় ব্যয়

৬নং প্ৰশ্নৰ উত্তৰ ঃ আয়-ব্যয় সমতাৰ বিন্দু হৈছে সেই অৱস্থা, য'ত এক প্ৰতিষ্ঠানৰ মুঠ আয় মুঠ ব্যয়ৰ বিন্দুৰ সমান।

৭নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) অশুদ্ধ

৮নং প্ৰশ্নৰ উত্তৰ ঃ ক) যি দামত চাহিদা আৰু দাম সমান তাক ভাৰসাম্য দাম বোলে।

খ) ভাৰসাম্য দৰৰ বিপৰীতে বিক্ৰীৰ পৰিমাণখিনিক ভাৰসাম্য পৰিমাণ বোলা হয়।

৯নং প্ৰশ্নৰ উত্তৰ ঃ যেতিয়া বজাৰত বিক্ৰীৰ বাবে উলিয়াই দিয়া পণ্যৰ যোগান পণ্যটোৰ চাহিদাৰ সৈতে সম্পূৰ্ণ সমান হয়, তেতিয়া উদ্যোগটোৱে ভাৰসমতা লাভ কৰা বুলি কোৱা হয়।

১০নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ

১১নং প্ৰশ্নৰ উত্তৰ ঃ ক) এটা প্ৰতিষ্ঠানে উৎপাদন বন্ধ কৰিব আৰু ব্যৱসায় ত্যাগ কৰিব যদি দীৰ্ঘকালতো ই স্বাভাৱিক লাভ অৰ্জন কৰিব নোৱাৰে।

খ) প্ৰয়োজনীয় জ্ঞান, তথ্য আৰু সক্ষমতাৰ অভাৱৰ বাবে প্ৰতিষ্ঠান এখনে সৰ্বোচ্চ লাভ আহৰণৰ লক্ষ্যত উপনীত হ'ব নোৱাৰে।

১২নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিষ্ঠান এটাৰ দুটা বিকল্প লক্ষ্য হ'ল—

- ব্যৱস্থাপনাবাদ বা প্ৰৱন্ধকবাদ ঃ প্ৰবন্ধকসকলে তেওঁলোকৰ উপযোগিতা সৰ্বাধিক কৰিব খোজে। গতিকে, দৰ্মহা, পদমৰ্যাদা, বজাৰৰ অংশ, কৰ্মনিৰাপত্তা আদি গুৰুত্বপূৰ্ণ লক্ষ্য হিচাপে পৰিগণিত হ'ব পাৰে।

- আচৰণবাদ ঃ বাস্তৱ-জগতৰ অনিশ্চয়তাৰ হেতু প্ৰৱন্ধক সকলে একোকে চৰম সীমালৈ নিব নোখোজে। তাৰ পৰিৱৰ্তে, তেওঁলোকে প্ৰয়াস কৰে সন্তোষজনক লাভ, বৃদ্ধি আদি আহৰণ কৰিবলৈ।



৯.১১ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (৭৫টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক) ঃ

প্ৰশ্ন নং ১ ঃ 'মুঠ আয় মুঠ ব্যয়ৰ সৈতে সমান হ'লে প্ৰতিষ্ঠান এখনে সৰ্বাধিক লাভ আহৰণ কৰে'। কথাষাৰ সঁচানে? বিচাৰ কৰক।

প্ৰশ্ন নং ২ ঃ 'ভাৰসমতা এক জড় বা নিৰুদ্যম অৱস্থা নহয়' — কথাষাৰৰ সৈতে আপুনি এক মত নে? যুক্তি দৰ্শাওক। (৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ৩ ঃ আয়-ব্যয় সমতাৰ বিন্দু কি? এই ধাৰণাটোৰ আৱশ্যকতা কি?

খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং১ ঃ উপযুক্ত চিত্ৰৰ সহায়ত আয়-ব্যয় সমতাৰ বিন্দু ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ 'প্ৰতিষ্ঠান এখনে অৰ্জন কৰা স্বাভাৱিক লাভ সামগ্ৰীবিধৰ দৰত অন্তৰ্ভুক্ত হৈ থাকে'। —আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ সৰ্বাধিক লাভ আহৰণ মতবাদটোৰ বৈধতা আলোচনা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ উপযুক্ত উদাহৰণ আৰু চিত্ৰৰ সহায়ত প্ৰতিষ্ঠান এখনে কেনেদৰে ভাৰসমতা লাভ কৰে, আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ উপযুক্ত উদাহৰণ আৰু চিত্ৰৰ সহায়ত উদ্যোগ এটাই কেনেদৰে ভাৰসমতা লাভ কৰে, দেখুৱাওক।

*** ***** ***

অধ্যায় ১০ ঃ বজাৰ গাঁথনি ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ বজাৰ আৰু আয় ৰেখাসমূহৰ ধাৰণা
১০.৩.১ বিভিন্ন ধৰণৰ বজাৰৰ গঠন
১০.৩.২ গড় আয়, মুঠ আয় আৰু প্ৰান্তিক আয়ৰ ধাৰণা
১০.৪ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ
১০.৪.১ হ্ৰস্বকালত ব্যৱসায় প্ৰতিষ্ঠানৰ ভাৰসমতা লাভ
১০.৪.২ হ্ৰস্বকালত উদ্যোগৰ ভাৰসমতা লাভ
১০.৫ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ ঃ দীৰ্ঘকালীন বিশ্লেষণ
১০.৫.১ দীৰ্ঘকালত ব্যৱসায় প্ৰতিষ্ঠানৰ ভাৰসমতা লাভ
১০.৫.২ দীৰ্ঘকালত উদ্যোগৰ ভাৰসমতা লাভ
১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্ৰগতিৰ খতিয়ান
১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়নৰ অন্তত আপুনি—

- বজাৰৰ সংজ্ঞা দিব পাৰিব
- বজাৰৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে জানিব পাৰিব
- পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ বিষয়ে আলোচনা কৰিব পাৰিব। লগতে, হ্ৰস্বকাল আৰু দীৰ্ঘকাল এই সময় দুছোৱাত এটা ব্যৱসায় প্ৰতিস্থান আৰু এটা উদ্যোগে কেনেদৰে ভাৰসমতা লাভ কৰে, তাৰ ব্যাখ্যা দিব পাৰিব।

১০.২ পৰিচয়

আমি আটায়ে বজাৰৰ পৰা সেৱা আৰু সামগ্ৰী ক্ৰয় কৰোঁ। বজাৰ বুলিলে আমাৰ মনলৈ এনে এখন ঠাইৰ ধাৰণা আহে, য'ত সামগ্ৰী আৰু সেৱাৰ ক্ৰয়-বিক্ৰয়ৰ বাবে ক্ৰেতা আৰু বিক্ৰেতা মিলিত হয়। এই অধ্যায়টিত আমি বজাৰৰ ধাৰণাটোৰ বিষয়ে বহলাই আলোচনা কৰিম। অধ্যায়টিত বাণিজ্যিক তথা অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা বজাৰৰ ধাৰণাটো আলোচনা কৰাৰ লগতে ইয়াৰ

শ্ৰেণী বিভাজন সম্পৰ্কেও জ্ঞাত হ'ব পাৰিম। হ্ৰস্বকাল আৰু দীৰ্ঘকাল —এই দুছোৱা সময়ত ব্যৱসায় প্ৰতিষ্ঠান তথা উদ্যোগ এটাই কিদৰে ভাৰসমতা লাভ কৰে, সেই বিষয়েও অধ্যায়টিত আলোচনা কৰা হ'ব। এই পাঠটিৰ অধ্যয়নে বজাৰৰ অৰ্থবিজ্ঞানৰ তাত্ত্বিক নীতিসমূহ আমাৰ দৈনন্দিন বজাৰখনৰ কাম-কাজৰ সৈতে কিদৰে জড়িত, সেয়া বিশ্লেষণ কৰাত সহায়ক হ'ব।

১০.৩ বজাৰ আৰু আয় ৰেখাসমূহৰ ধাৰণা

আমি ইতিমধ্যে আলোচনা কৰিছোঁ যে, বজাৰ বুলিলে আমাৰ মনলৈ এনে এখন ঠাইৰ ধাৰণা আহে, য'ত সামগ্ৰী আৰু সেৱাৰ ক্ৰয়-বিক্ৰয়ৰ বাবে ক্ৰেতা আৰু বিক্ৰেতা মিলিত হয়। অৱশ্যে বজাৰ বুলোঁতে অৰ্থবিজ্ঞানত এক নিৰ্দিষ্ট ঠাই বুজোৱা নাযায়। গতিকে অৰ্থবিজ্ঞানত বজাৰৰ সংজ্ঞা দিওঁতে এখন নিৰ্দিষ্ট ঠাইৰ ধাৰণাটো সিমান দৰকাৰী নহয়। দৰকাৰী কথাটো হৈছে— ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত সংযোগ স্থাপন, যাতে এক সন্মতিসূচক দামত সামগ্ৰীৰ ক্ৰয়-বিক্ৰয় হ'ব পাৰে।

গতিকে বজাৰ এখনৰ গঠনৰ বাবে দৰকাৰী কথাকেইটা হ'ল—

- এটা সামগ্ৰী/সেৱা, যাৰ ক্ৰয়-বিক্ৰয় হ'ব;
- ক্ৰেতা আৰু বিক্ৰেতাৰ উপস্থিতি;
- এখন ঠাই, সেয়া এটা অঞ্চল, এখন দেশ বা সমগ্ৰ বিশ্ব-যিয়েই নহওঁক; আৰু
- ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত যোগাযোগৰ এক ব্যৱস্থা, যিয়ে এক নিৰ্দিষ্ট সময়ত সামগ্ৰী /সেৱা বিধৰ এক নিৰ্দিষ্ট দাম সুনিশ্চিত কৰে।

বজাৰৰ বিৱৰ্তন ঃ ***বিনিময় প্ৰথা***ত— য'ত সামগ্ৰীৰ প্ৰত্যক্ষ বিনিময় কৰা হৈছিল, বজাৰৰ ধাৰণাটো যথেষ্ট সৰল আছিল। কিন্তু সময়ৰ লগে লগে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যথেষ্ট উন্নতি হ'ল আৰু তাৰ সৈতে আমাৰ অভাৱসমূহো বৃদ্ধি পাবলৈ ধৰিলে। এই সকলোবোৰে বজাৰৰ উজু ধাৰণাটো ক্ৰমান্বয়ে জটিল কৰি আনিলে। বিনিময়ৰ মাধ্যমটোৰো যথেষ্ট সলনি হ'ল। সামগ্ৰীৰ ঠাই ল'লে মুদ্ৰা (ধাতৰ আৰু কাগজী)ই; আৰু বৰ্তমানে কাগজী মুদ্ৰাৰ ঠাই ল'বলৈ লৈছে অত্যাধুনিক ***প্লাষ্টিক বা বৈদ্যুতিক মুদ্ৰা***ই। সেইদৰে বজাৰৰ ভৌগোলিক পৰিসীমাটোও স্থানীয় বজাৰখনৰ পৰা বিস্তৃত হৈ বিশ্ব বজাৰলৈ গতি কৰিলে। দূৰসংযোগ ব্যৱস্থাটোৰ প্ৰভূত অগ্ৰগতিয়ে আজি 'ই-কমার্চ' বা বৈদ্যুতিক বজাৰখনৰ ধাৰণাটোৰ জন্ম দিছে ; যাৰ দ্বাৰা সমগ্ৰ বিশ্বতে ব্যৱসায় বাণিজ্য প্ৰসাৰ কৰাটো সহজসাধ্য হৈছে।



বিনিময় প্ৰথা ঃ প্ৰত্যক্ষভাৱে সামগ্ৰীৰ বিনিময়ত সামগ্ৰী লেন দেন কৰা ব্যৱস্থা।

প্লাষ্টিক বা বৈদ্যুতিক মুদ্ৰা ঃ ক্ৰেডিট কার্ড, ডেবিট কার্ড ইত্যাদিক বুজোৱা হয়। এই বিলাকৰ দ্বাৰা নগদ মুদ্ৰা অবিহনেও লেন দেন কৰিব পাৰি।

১০.৩.১ বিভিন্ন ধৰণৰ বজাৰৰ গঠন

'বজাৰৰ গঠন' কথাযাৰেৰে এটা বাণিজ্যিক প্ৰতিষ্ঠানে কি ধৰণৰ বজাৰত ক্ৰিয়া কৰে, তাকে বুজোৱা হয়। বজাৰৰ গঠন তলৰ কাৰকবোৰৰ ওপৰত ভিত্তি কৰি শ্ৰেণী-বিভাজন কৰিব পাৰি—


- স্থানৰ ওপৰত ভিত্তি কৰি বজাৰ এখনক আমি স্থানীয়, ৰাষ্ট্ৰীয় বা বিশ্ববজাৰ ৰূপে শ্ৰেণীবিভাজন কৰিব পাৰোঁ;
- সময়ৰ ওপৰত ভিত্তি কৰি বজাৰৰ সৈতে জড়িত দৰক আমি হ্ৰস্বকালীন, দীৰ্ঘকালীন দৰ ৰূপে ভাগ কৰিব পাৰোঁ;
- আকৌ, প্ৰতিযোগিতাৰ ধৰণৰ ওপৰত ভিত্তি কৰি বজাৰ এখনক আমি পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ আৰু অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ ৰূপে বিভাজন কৰিব পাৰোঁ।

এই অধ্যায়ত মূলত প্ৰতিযোগিতাৰ ধৰণৰ ভিত্তিত বিভিন্ন বজাৰৰ বিষয়ে আমি আলোচনা কৰিম। বজাৰ এখনৰ প্ৰতিযোগিতাৰ ধৰণ কেনে ধৰণৰ হ'ব, সেয়া প্ৰধানকৈ তিনিটা কথাৰ ওপৰত নিৰ্ভৰ কৰে—

- উদ্যোগটোৰ বিক্ৰেতা প্ৰতিষ্ঠানৰ সংখ্যা,
- বজাৰত যোগদান কৰোঁতে এটা প্ৰতিষ্ঠানে কেনে ধৰণৰ বাধাৰ সন্মুখীন হয়, আৰু
- সামগ্ৰীটোৰ বৈশিষ্ট্য।

গতিকে, ওপৰত আলোচনা কৰা উক্ত তিনিটা নীতি (Criteria)ৰ ওপৰত ভিত্তি কৰি বজাৰৰ শ্ৰেণীবিভাজন তলৰ ১০.১নং চিত্ৰৰ সহায়ত দেখুওৱা হ'ল—

চিত্ৰ নং ১০.১ ঃ বিভিন্ন ধৰণৰ বজাৰৰ গঠন



গতিকে, ওপৰত আমি আলোচনা কৰিলোঁ যে প্ৰতিযোগিতাৰ ধৰণৰ ভিত্তিত বজাৰৰ মূলতঃ দুটা ভাগ পাওঁ— পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ আৰু অপূৰ্ণ প্ৰতিযোগিতা-মূলক বজাৰ। আকৌ, অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ গঠনসমূহক আমি একচেটিয়া (Monopoly), একাধিকাৰ প্ৰতিযোগিতামূলক (Monopolistic Competition), আৰু স্বল্পাধিকাৰ প্ৰতিযোগিতামূলক (Oligopoly) বজাৰ ৰূপে ভাগ কৰিব পাৰো। তলৰ ১০.১নং তালিকাখনত উক্ত তিনিটা নীতিৰ ভিত্তিত এই বিভিন্ন বজাৰৰ গঠণসমূহৰ নিজস্ব বৈশিষ্ট্যসমূহ লক্ষ্য কৰোঁ আহক—

তালিকা ১০.১ ঃ বিভিন্ন ধৰণৰ বজাৰৰ নিজস্ব বৈশিষ্ট্যসমূহ

বজাৰৰ ধৰণ	বিক্রেতাৰ সংখ্যা	প্রৱেশত বাধা	সামগ্রীটোৰ বৈশিষ্ট্য
পূর্ণ প্রতিযোগিতা মূলক	অসংখ্য	নাই	সমগুণ সম্পন্ন
একচেটিয়া বজাৰ	এখন	প্রৱেশ বন্ধ	নিকটৱর্তী বিকল্প সামগ্রী নাই
একাধিকাৰ প্রতিযোগিতামূলক	বহুতো	কম প্রতিবন্ধকতা	পৃথকীকৃত সামগ্রী
স্বল্পাধিকাৰ	কম; সীমিত	আপেক্ষিকভাৱে বেছি	সমগুণ সম্পন্ন পৃথকীকৃত

১০.৩.২ গড় আয়, মুঠ আয় আৰু প্রান্তিক আয়ৰ ধাৰণা

বিভিন্ন ধৰণৰ বজাৰৰ বিষয়ে বিশদ আলোচনা কৰাৰ আগতে চাহিদাৰ বিভিন্ন ধাৰণা, যথা— গড় আয় (Average Revenue–AR), মুঠ আয় (Total Revenue–TR) আৰু প্রান্তিক আয় (Marginal Revenue–MR)ৰ বিষয়ে আলোচনা কৰিম। আয়ৰ এই বিভিন্ন ধাৰণাসমূহৰ ৰৈখিক গঠন (Graphical Shapes)ৰ বিষয়েও আলোচনা কৰিম। পূর্ণ প্রতিযোগিতামূলক বজাৰ আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰ— এই দুয়োখন বজাৰৰ ক্ষেত্রত আমি উক্ত আলোচনা আগবঢ়াম।

গড় আয় (Average Revenue) ঃ উপভোক্তাসমূহে (Consumers) সেৱা (Serveces) আৰু সামগ্রী (Goods) ক্রয়ৰ বাবদ মূল্য পৰিশোধ কৰে। এয়াই বিক্রেতা সকলৰ আয় গঠন কৰে। গতিকে, নির্দিষ্ট পৰিমাণৰ সামগ্রী আৰু সেৱাৰ বাবদ লাভ কৰা আয়সমূহৰ যোগফলেই হ'ল বিক্রেতা এজনৰ সর্বমুঠ আয় (Total Revenue–TR)। বিক্রেতা এজনৰ মুঠ আয় (TR)ৰ পৰিমাণক মুঠ বিক্রীৰ পৰিমাণ Q (Quantity Sold)ৰে ভাগ কৰি আমি বিক্রেতাজনৰ গড় আয় (Average Revenue–AR) লাভ কৰিব পাৰোঁ। বা বিপৰীতার্থত, গড় আয়ক মুঠ বিক্রীৰ পৰিমাণ (Sales Volume)ৰে পূৰণ কৰি আমি মুঠ আয় (TR)ত উপনীত হ'ব পাৰোঁ।

অর্থাৎ, গড় আয় = $\frac{\text{মুঠ আয়}}{\text{মুঠ বিক্রী}}$ বা $AR = \frac{TR}{Q}$ $=> TR = AR \times Q$

প্রান্তিক আয় (Marginal Revenue) ঃ পণ্য এবিধৰ এক একক অধিক বিক্রীৰ ফলত লাভ কৰা ওপৰঞ্চি আয়েই হ'ল প্রান্তিক আয় (MR)। গতিকে,

প্রান্তিক আয় (MR) = $\frac{\text{মুঠ আয়ত হোৱা পৰিৱর্তন}}{\text{মুঠ বিক্রীৰ পৰিমাণৰ পৰিৱর্তন}}$ $MR = \frac{\Delta TR}{\Delta Q}$

য'ত, MR = প্রান্তিক আয়, TR = মুঠ আয়, Q = মুঠ বিক্রীৰ পৰিমাণ, = Ä পৰিৱর্তন

এতিয়া আমি পূর্ণ প্রতিযোগিতামূলক বজাৰ আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰত দুখনত গড় আয় আৰু প্রান্তিক আয় ৰেখাৰ ৰৈখিক গঠন (Graphical Shape)ৰ বিষয়ে আলোচনা কৰিম।


পূর্ণ প্রতিযোগিতামূলক বজাৰত AR আৰু MR ৰেখাৰ গঠন ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰ এখনত ব্যৱসায় প্রতিষ্ঠানে বজাৰৰ প্রচলিত দৰটো গ্রহণ কৰিবলগীয়া হয়। (পূর্ণ প্রতিযোগিতামূলক বজাৰৰ অভিধাৰণাসমূহ (Assumptions)ৰ আলোচনা কৰোঁতে এই বিষয়ে আমি বহলাই আলোচনা কৰিম।) সেই প্রচলিত দৰত প্রতিষ্ঠানটোৱে নিজৰ ইচ্ছানুযায়ী যিকোনো পৰিমাণৰ সামগ্রী বিক্রী কৰিব পাৰে। গতিকে, পূর্ণ প্রতিযোগিতা-মূলক বজাৰ এখনত ব্যৱসায় প্রতিষ্ঠান এখনে তলৰ কাল্পনিক ১০.২ত দেখুওৱাৰ দৰে গড় আয়, মুঠ আয় আৰু প্রান্তিক আয় উপার্জন কৰিব।

তালিকা ১০.২ ঃ মুঠ আয়, গড় আয় আৰু প্রান্তিক আয় অনুসূচী
(পূর্ণ-প্রতিযোগিতামূলক বজাৰ)

মুঠ বিক্রীৰ পৰিমাণ (Q)	দৰ বা গড় আয় (AR)	মুঠ আয় (AR x Q)	প্রান্তিক আয় (MR)
(১)	*(২)*	*(৩)*	*(৪)*
১	১৪	১৪	১৪
২	১৪	২৮	১৪
৩	১৪	৪২	১৪
৪	১৪	৫৬	১৪
৫	১৪	৭০	১৪

তালিকা ১০.২ৰ ওপৰত ভিত্তি কৰি পূর্ণ প্রতিযোগিতামূলক বজাৰৰ গড় আয় আৰু প্রান্তিক আয় ৰেখাৰ গঠন তলৰ ১০.২নং চিত্রৰ সহায়ত দেখুওৱা হৈছে—

চিত্র নং ১০.২ ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰ এখনৰ AR আৰু MR ৰেখা



১০.২নং চিত্রত দেখা গৈছে যে, পূর্ণ প্রতিযোগিতামূলক বজাৰ এখনত ব্যৱসায় প্রতিষ্ঠান এখনৰ AR আৰু MR ৰেখা দুয়োডাল একে। ৰেখা ডাল OX-অক্ষৰ সমান্তৰাল।

অপূর্ণ প্রতিযোগিতামূলক বজাৰত AR আৰু MR ৰেখাৰ গঠন ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰৰ নিচিনাকৈ অপূর্ণ প্রতিযোগিতামূলক বজাৰত ব্যৱসায় প্রতিষ্ঠান এখনে এক নির্দিষ্ট বজাৰ দৰ (Market Price)তেই সম্পূর্ণ সামগ্রী বিক্রী নকৰিবও পাৰে। অর্থাৎ, প্রতিষ্ঠানটোৱে কম দৰত অধিক সামগ্রী বিক্রী কৰিব পাৰে। তলৰ ১০.৩নং তালিকাত আমি অপূর্ণ প্রতিযোগিতামূলক বজাৰৰ প্রতিষ্ঠান এখনৰ কাল্পনিক চাহিদা (AR,TR আৰু MR) অনুসূচী এখন দেখুৱাইছোঁ।


তালিকা নং ১০.৩ ঃ মুঠ আয়, গড় আয় আৰু প্রান্তিক আয় অনুসূচী

(অপূর্ণ প্রতিযোগিতামূলক বজাৰ)

মুঠ বিক্রীৰ পৰিমাণ (Q)	দৰ বা গড় আয় (AR)	মুঠ আয় (AR x Q)	প্রান্তিক আয় (MR)
(১)	*(২)*	*(৩)*	*(৪)*
১	২০	২০	২০
২	১৯	৩৮	১৮
৩	১৮	৫৪	১৬
৪	১৭	৬৮	১৪
৫	১৬	৮০	১২

ওপৰৰ তালিকাৰ ভিত্তিত তলৰ চিত্র ১০.৩ত অপূর্ণ প্রতিযোগিতামূলক বজাৰৰ গড় আয় আৰু প্রান্তিক আয় ৰেখাৰ গঠন দেখওৱা হৈছে—

চিত্র নং ১০.৩ ঃ অপূর্ণ প্রতিযোগিতামূলক বজাৰৰ গড় আয় আৰু প্রান্তিক আয় ৰেখা



ওপৰৰ ১০.৩নং চিত্রত দেখা গৈছে যে, পূর্ণ প্রতিযোগিতামূলক বজাৰৰ নিচিনাকৈ অপূর্ণ প্রতিযোগিতামূলক বজাৰত গড় আৰু প্রান্তিক আয় ৰেখা দুডাল একেডাল ৰেখা নহয়। মন কৰিব যে, দুয়োডাল ৰেখাই তললৈ (সোঁফালৰ পৰা বাঁওফাললৈ) ঢাল খোৱা। আকৌ, গড় আয় ৰেখাৰ তুলনাত প্রান্তিক আয় ৰেখাডালৰ ঢাল (Slope) দুগুণ গড়া (Steep)। কাৰণ, ওপৰৰ (গ) তালকাত লক্ষ্য কৰিব যে, এক একক পৰিমাণৰ সামগ্রীৰ বিক্রীৰ বৃদ্ধিৰ লগে লগে গড় আয় এটকাকৈ কমিছে, কিন্তু প্রান্তিক আয় দুটকাকৈ কমিছে। গতিকে, OX -অক্ষৰ সমান্তৰাল কৈ AR ৰেখা স্পর্শ হোৱাকৈ OY-অক্ষৰ B বিন্দুত



লম্ব ঃ এডাল সৰল ৰেখা যিয়ে আন এডাল সৰল ৰেখাৰ লগত ৯০° কোণ কৰে। যদি x অক্ষৰ ওপৰত লম্ব টনা হয়, ই y অক্ষৰ সমান্তৰাল হ'ব।

যেতিয়া আমি AB *লম্ব* অঙ্কন কৰিছোঁ, তেতিয়া দেখা গৈছে যে, MR ৰেখাডালে এই AR ৰেখাডালক সমানে দ্বিখণ্ডিত কৰিছে। চিত্ৰত, AC = CB বা AC = ABৰ 1/2 অংশ।

জানি থোৱা ভাল

প্ৰকৃতাৰ্থত পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ এখন আমি দেখিবলৈ নাপাওঁ। সেয়েহে, বহুতো অৰ্থবিজ্ঞানীয়ে এই বজাৰখনৰ বিষয়ে অধ্যয়ন কৰাৰ সাৰ্থকতা সম্পৰ্কে প্ৰশ্ন তুলিছে। যদিও প্ৰকৃতাৰ্থত এই বজাৰ খনৰ অস্তিত্ব নাই; তথাপি এই বজাৰখনৰ ধাৰণাটোৰ অধ্যয়নে তেনে এটা পৰিস্থিতিৰ উদ্ভৱ হ'লে আমি কেনে পৰিস্থিতিৰ সন্মুখীন হ'ম সেই বিষয়ে জনাত সহায় কৰে। দ্বিতীয়তে, এই বজাৰখনৰ অধ্যয়নে প্ৰকৃতাৰ্থত বজাৰ এখন পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ আদৰ্শ বজাৰখনৰ পৰা কিমানখিনি পৃথক, সেয়া বুজি পোৱাতো আমাক প্ৰভূতৰূপে সহায় কৰে। বহু উন্নত দেশৰ ঘৰ আৰু গাড়ীৰ বীমা তথা 'ইণ্টাৰনেট' সেৱা যোগানধাৰী প্ৰতিস্থানসমূহে গঢ় দিয়া বজাৰকেইখন খুব প্ৰতিযোগিতামূলক হোৱা দেখা যায়, যদিও পূৰ্ণ প্ৰতিযোগিতামূলক নহয়। আকৌ, কাপোৰ ধোৱা গুৰি (Detergent) আৰু দন্তমঞ্জন (Tooth Paste)ৰ বজাৰ কেইখন আমি একাধিকাৰ প্ৰতিযোগিতামূলক (Monopolistic Competition) বজাৰৰ উদাহৰণ হিচাপে দেখুওৱাব পাৰোঁ।

ভাৰতবৰ্ষৰ অৰ্থনীতিৰ ক্ষেত্ৰত মন কৰিলে আমি দেখিম যে, ভাৰতীয় ৰেল (Indian Railway) যাত্ৰী পৰিবহনৰ ক্ষেত্ৰত একচেটিয়া (Monopoly) বজাৰ এখনৰ এক সুন্দৰ উদাহৰণ। আনহাতে, পেচেঞ্জাৰ গাড়ী (লঘু গাড়ী)ৰ বজাৰখন আকৌ স্বল্পাধিকাৰ (Oligopoly) বজাৰৰ এক উৎকৃষ্ট উদাহৰণ।



অনুশীলনী ১০.১

একচেটিয়া, একাধিকাৰ আৰু স্বল্পাধিকাৰ বজাৰৰ কেইটিমান উদাহৰণ দাঙি ধৰক। অধ্যায়টিত আলোচনা কৰা তালিকা ১০.১ৰ সহায়ত আপোনাৰ পছন্দৰ উদাহৰণকেইটাৰ ক্ষেত্ৰত যুক্তি আগবঢ়াওঁক।

.....

.....

.....

.....

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বজাৰৰ সংজ্ঞা দিয়ক (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ দ্ৰব্যৰ (Product)ৰ বিভিন্ন প্ৰকাৰবোৰ কি কি? প্ৰত্যেকৰে উদাহৰণ দিয়ক। (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

১০.৩ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ



প্ৰতিযোগিতামূলক বজাৰ (Perfectly Competitive Market) এখনক আমি এনে এখন বজাৰ বুলি বৰ্ণনা কৰিব পাৰোঁ য'ত ব্যক্তিগত ব্যৱসায় প্ৰতিষ্ঠানসমূহৰ মাজত কোনো প্ৰতিদ্বন্দিতা (Rivalry) নাথাকে। গতিকে, দেখাত পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ ধাৰণাটো এই বজাৰখন সম্পৰ্কে আমাৰ সাধাৰণ ভাৱনাটোৰ সম্পূৰ্ণ বিপৰীত। পৰৱৰ্ত্তী আলোচনাত আমি এই বজাৰখনৰ অন্তৰ্গত এটা ব্যৱসায় প্ৰতিষ্ঠান আৰু এটা উদ্যোগে কেনেদৰে হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন ভাৰসাম্যতা (Equilibrium) লাভ কৰে, সেই বিষয়ে জানিব পাৰিম।

আকৌ, এটা কথা মন কৰিব যে, পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ এখনৰ ক্ষেত্ৰত ব্যৱসায় প্ৰতিষ্ঠানসমূহে দুই ধৰণৰ উৎপাদন ব্যয় (Cost) পৰিস্থিতিৰ সন্মুখীন হয় ঃ অভিন্ন (Identical) উৎপাদন ব্যয় আৰু ভিন্ন (Differential) উৎপাদন ব্যয়। অধ্যায়টিত আমি অভিন্ন উৎপাদন ব্যয়ৰ ধাৰণাটোতহে গুৰত্ব আৰোপ কৰিম। অভিন্ন উৎপাদন ব্যয়ৰ ধাৰণাটোৰ ব্যৱহাৰে এখন ব্যৱসায় প্ৰতিষ্ঠানৰ বিষয়ে কৰা আলোচনাটিক সমগ্ৰ উদ্যোগটোৰ ক্ষেত্ৰতে সাধাৰণভাৱে সৰলীকৃত কৰাত সহায় কৰে। এতিয়া আমি পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰখনৰ অভিধাৰণা (Assumption) সমূহৰ বিষয়ে আলোচনা কৰিম।

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অভিধাৰণাসমূহ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ গাঁথনিৰ অভিধাৰণাসমূহ এনে ধৰণৰ—

- **অসংখ্য ক্ৰেতা আৰু বিক্ৰেতাৰ উপস্থিতি ঃ** অসংখ্য ক্ৰেতা আৰু বিক্ৰেতাৰ উপস্থিতিৰ কথাটোৱে এই কথাটো সূচায় যে এখন ব্যৱসায় প্ৰতিস্থানে বজাৰ দৰ বা বজাৰৰ দ্ৰব্যৰ পৰিমাণ যোগানৰ ওপৰত কোনো প্ৰভাৱ পেলাব নোৱাৰে। ইয়াৰ দ্বাৰা এটা কথাকেই বুজা যায় যে এই বজাৰত ব্যৱসায় প্ৰতিস্থান এটাৰ বজাৰ ক্ষমতা (Market Power) একেবাৰে শূন্য। গতিকে, পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ এখনত ব্যৱসায় প্ৰতিষ্ঠানসমূহে দৰ গ্ৰহণকাৰী (Price Taker)ৰ ভুমিকাহে পালন কৰে।
- **সমগুণসম্পন্ন** (Homogeneous) **সামগ্ৰী ঃ** সমগুণসম্পন্ন সামগ্ৰীৰ ধাৰণাটোৱে এই কথাটো নিশ্চিত কৰে যে, পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ এখনত ক্ৰেতা বা বিক্ৰেতা কোনো পক্ষয়েই সামগ্ৰী এবিধৰ ক্ষেত্ৰত ভিন্নতা আনি এক পৃথক দৰ (Price) দাবী কৰিব নোৱাৰে। (সমগুণ সম্পন্ন সামগ্ৰীৰ ধাৰণাটো তলত জনা উচিত যোগে কিছু বহলাই আলোচনা কৰা হৈছে)।
- **বাধাহীন প্ৰৱেশ আৰু প্ৰস্থান ঃ** এই ধাৰণাটো অসংখ্য ক্ৰেতা আৰু বিক্ৰেতাৰ উপস্থিতিৰ ধাৰণাটোৰ পৰিপূৰক।
- **সৰ্বাধিক লাভ অৰ্জন ঃ** সৰ্বাধিক লাভ অৰ্জন কৰাটোৱেই হৈছে ব্যৱসায় প্ৰতিষ্ঠান এখনৰ একমাত্ৰ লক্ষ্য।
- **চৰকাৰী বাধাৰ পৰা মুক্ত ঃ** পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ এখনত কোনো ধৰণৰ চৰকাৰী বাধা নুই কৰা হয়। অৰ্থাৎ, বজাৰখনৰ ক্ৰিয়াকলাপৰ ক্ষেত্ৰত শুল্ক (Tariff), ৰাজসাহায্য (Subsidies) তথা চাহিদা আৰু উৎপাদনৰ ক্ষেত্ৰত কোনো ধৰণৰ চৰকাৰী যুক্তিযুক্ততা-মূলক (Rationing) প্ৰয়াসৰ প্ৰভাৱ নথকাটো ধৰি লোৱা হয়।

উপৰ্যুক্ত পাঁচটা অভিধাৰণাৰ ভিত্তিত গঠিত বজাৰৰ ধাৰণাটোক বিশুদ্ধ প্ৰতিযোগিতামূলক (Pure Competition) বুলি জনা যায়। পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ ধাৰণাটো এই বজাৰৰ ধাৰণাটোৰ পৰা পৃথক আৰু ই অধিক বৈশিষ্ট্য সাঙুৰি লয়। পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰখনৰ ক্ৰিয়াশীলতাৰ বাবে তলত উল্লেখ কৰা উপৰঞ্চি অভিধাৰণা দুটাৰ প্ৰয়োজন হয়। যথা—

- **বস্তু আৰু সেৱাৰ মুকলি সৰবৰাহ ঃ** শ্ৰমকে আদি কৰি উৎপাদনৰ সমূহ উপাদানেই সম্পূৰ্ণ মুকলি সৰবৰাহৰ সক্ষম বুলি ধৰি লোৱা হয়। অৰ্থাৎ, বিভিন্ন ধৰণৰ কামত নিয়োজিত হ'বৰ বাবে শ্ৰমিক এজন সক্ষম বুলি ধৰি লোৱা হয়। এই বজাৰ ব্যৱস্থাটোত কোনো ধৰণৰ শ্ৰমিক সংঘ (Labour Union) নাথাকে। ঠিক সেইদৰে, পৰিবহণ ব্যয়ো শূন্য বুলি ধৰি লোৱা হয়।
- **বজাৰ সম্পৰ্কে পূৰ্ণ জ্ঞান ঃ** সকলো ক্ৰেতা আৰু বিক্ৰেতাৰেই বজাৰ সম্পৰ্কে পূৰ্ণজ্ঞান থকা বুলি ধৰি লোৱা হয়। তথ্য লাভ সম্পূৰ্ণ ৰূপে মুক্ত (Free) আৰু ব্যয় শূন্য (Costless)।



জানি থোৱা ভাল

সমগুণসম্পন্ন সামগ্রী ঃ সামগ্রীসমূহ সমগুণসম্পন্ন বোলা কথাটোৱে সামগ্রীসমূহৰ ক্ষেত্রত ক্রেতা বা বিক্রেতা কোনো পক্ষই পার্থক্য দাবী কৰিব পৰা কথাটোক নুই কৰে। অর্থাৎ সমগুণ সম্পন্ন সামগ্রীসমূহ এটা আনটোৰ বিকল্প (Substitute) স্বৰূপ হয়। এনে সামগ্রী বস্তুগত (Physical)ভাৱে পৃথক হ'লেও অর্থবৈজ্ঞানিক (Economically)ভাৱে সমগুণসম্পন্ন হয়। আৰু সামগ্রী কেইবিধ যিমানেই বেছি সমগুণ সম্পন্ন হয়, সিমানেই বেছি পাৰস্পৰিক বিকল্প ৰূপে ব্যৱহৃত হয়।

হ্রস্ব-কাল (Short-Run) ঃ হ্রস্বকাল বুলিলে আমি সেইছোৱা সময় বুজোঁ, যিছোৱা সময়ত অর্থনৈতিক অভিকর্তা (Agents) (যথা ব্যৱসায় প্রতিষ্ঠান, উদ্যোগ বা এজন (ক্রেতা)) এজনে বজাৰৰ পৰিবর্তনৰ সৈতে নিজকে খাপ-খুৱাবলৈ যথেষ্ট সময় নাপায়। বজাৰৰ আলোচনাৰ ক্ষেত্রত, হ্রস্বকাল বুলিলে সেইছোৱা সময়ক বুজোৱা হয়, যেতিয়া (ক) উদ্যোগটোত নতুন ব্যৱসায় প্রতিষ্ঠান এখন অন্তর্ভুক্ত হ'ব নোৱাৰে বা উদ্যোগটোৰ পৰা প্রস্থান কৰিব নোৱাৰে, আৰু (খ) ব্যৱসায় প্রতিষ্ঠানবোৰে উৎপাদনৰ স্থায়ী উপাদান (Fixed Factors)বোৰৰ কোনো সালসলনি কৰিব নোৱাৰে।

দীর্ঘকাল (Long-Run) ঃ এইছোৱা সময়ত অর্থনৈতিক অভিকর্ত্তা এজনে বজাৰৰ পৰিৱর্তনৰ সৈতে নিজকে খাপ খুৱাই ল'ব পাৰে। এইছোৱা সময়ত ব্যৱসায় প্রতিষ্ঠানসমূহ বা উদ্যোগটোৱে ইয়াৰ উৎপাদনৰ সকলোবোৰ উপাদান স্থায়ী (Fixed) আৰু পৰিৱর্তনশীন (Variable)ৰ পৰিৱর্তন কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ তলৰ বাক্যকেইটি শুদ্ধ নে অশুদ্ধ বাছি উলিয়াওক—

ক) পূর্ণ প্রতিযোগিতামূলক বজাৰত চৰকাৰী হস্তক্ষেপ নথকা কথাটোৱো এইটোৱে সূচায় যে বজাৰখন নিয়ন্ত্রণ কৰিবৰ বাবে বিভিন্ন ধৰণৰ বিত্তীয় আহিলা, যথা— ৰাজসাহার্য্য, কৰ আদি এই বজাৰখনত প্রয়োগ কৰা নহয়। (শুদ্ধ/অশুদ্ধ)

খ) বস্তু আৰু সেৱাৰ মুকলি সৰবৰাহ বিশুদ্ধ প্রতিযোগিতামূলক বজাৰৰ এক বৈশিষ্ট্য। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৪ ঃ হ্ৰস্ব-কাল (Short-Run) আৰু দীৰ্ঘ-কাল (Long-Run) এই দুইছোৱা সময়ৰ মাজৰ মৌলিক পাৰ্থক্য কি? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

১০.৪.১ হ্ৰস্বকালত ব্যৱসায় প্ৰতিষ্ঠানৰ ভাৰসমতা লাভ


এতিয়া আমি এখন প্ৰতিষ্ঠান আৰু এটা উদ্যোগে কেনেদৰে হ্ৰস্ব কাল আৰু দীৰ্ঘকালত ভাৰসমতা লাভ কৰে, সেয়া আলোচনা কৰিম। সেয়া কৰিবলৈ যাওঁতে ইতিমধ্যে আলোচনা কৰি অহা ব্যয় ৰেখাৰ বিভিন্ন ধাৰণাসমূহ প্ৰয়োগ কৰিম। সেয়ে, কিবা খোকোজা লাগিলে, আগৰ পাঠ্যক্ৰমলৈ উভতি চাব পাৰে।

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অভিধাৰণাসমূহ আলোচনা কৰোঁতে আমি উল্লেখ কৰি আহিছোঁ যে, মুনাফা বা লাভ (Profit) অৰ্জন কৰাটোৱে ব্যৱসায় প্ৰতিষ্ঠান এখনৰ মুখ্য উদ্দেশ্য। মুনাফা (Profit) মানে আমি বুজোঁ, Profit = TR – TC (য'ত ঃ TR = (Total Revenue) মুঠ আয়, TC = (Total Cost) মুঠ ব্যয়)। গতিকে, স্বাভাৱিকতেই ব্যৱসায় প্ৰতিষ্ঠান এখনে সিমানখিনিহে দ্ৰব্য (Output) উৎপাদন কৰিব, যাৰ পৰা তেওঁ সৰ্বাধিক লাভ অৰ্জন কৰিব পাৰে। আকৌ যিহেতু এই বজাৰ ব্যৱস্থাত দৰ অপৰিৱৰ্তনশীল (Constant), গতিকে গড় আয় (Average Revenue–AR) আৰু প্ৰান্তিক আয় (Marginal Revenue–MR)ও অপৰিৱৰ্তনশীল আৰু দৰৰ সৈতে একেই। চিত্ৰৰ সহায়ত ব্যৱসায় প্ৰতিষ্ঠান এখনৰ ভাৰসমতা (Equilibrium) অৰ্জন দুই প্ৰকাৰে দেখুৱাব পাৰোঁ— TR আৰু TC ৰেখাৰ সহায়ত আৰু MR আৰু MC ৰেখাৰ সহায়ত।

TR আৰু TC ৰেখাৰ সহায়ত ঃ ১০.৪নং চিত্ৰত TR আৰু TC ৰেখাৰ সহায়ত কেনেদৰে ব্যৱসায় প্ৰতিষ্ঠান এখনে ভাৰসমতা লাভ কৰে, সেয়া দেখুওৱা হৈছে। চিত্ৰত দেখা গৈছে যে, TR ৰেখাডাল— বিন্দুৰ পৰা আৰম্ভ হোৱা এডাল পোন ৰেখা। ৰেখাডালৰ উক্ত গঠনটোৱে বুজায় যে, দাম স্থিৰ আৰু মুঠ আয় [TR = দৰ (Price) x পৰিমাণ (Quantity)] মুঠ বিক্ৰীৰ পৰিমাণৰ সমানুপাতিক। অৰ্থাৎ বিক্ৰী বঢ়াৰ লগে লগে মুঠ আয়ো সমহাৰত বৃদ্ধি পাইছে। আকৌ, TC ৰেখাডালৰ গঠন গড় ব্যয় (AC) ৰেখাডালৰ ইংৰাজী বৰ্ণমালাৰ 'U' আখৰটোৰ দৰে (আমি ইতিমধ্যে পঞ্চম অধ্যায়ত এই বিষয়ে আলোচনা কৰিছোঁ)।

চিত্র নং ১০.৪ ঃ হ্রস্বকালত ব্যৱসায় প্রতিষ্ঠান এটাৰ ভাৰসমতা লাভ ঃ

TC আৰু TR ৰেখাৰ সহায়ত




যিহেতু সর্বাধিক লাভ অর্জনেই ব্যৱসায় প্রতিষ্ঠান এখনৰ মুখ্য উদ্দেশ্য, গতিকে যেতিয়াই সর্বাধিক লাভ (মুঠ আয় আৰু মুঠ ব্যয়ৰ পার্থক্য) অর্জন কৰিব পৰা বিক্রীৰ পৰিমাণত উপনীত হ'ব, তেতিয়াই ই ভাৰসমতা (Equilibrium) লাভ কৰিব। চিত্রত দেখা গৈছে যে, X_e তেনে এটা পৰিমাণ আৰু সেয়ে উক্ত পৰিমাণতে ব্যৱসায় প্রতিষ্ঠানখনে ভাৰসমতা লাভ কৰিছে। X_1 পৰিমাণতকৈ কম বিক্রী বা X_2 পৰিমাণতকৈ বেছি বিক্রী কৰিলে প্রতিষ্ঠানটোৱে লোকচানৰ সন্মুখীন হ'ব। কাৰণ এই দুয়োক্ষেত্রতে মুঠ ব্যয় মুঠ আয়তকৈ অধিক। অর্থাৎ চিত্রত দেখুওৱাৰ দৰে, 'a' ৰ বাঁওফালে আৰু 'b'ৰ সোঁফালে গড় ব্যয় (TC) ৰেখাডাল গড় আয় (TR) ৰখাডালৰ ওপৰত বিদ্যামান, আৰু সেয়ে প্রতিষ্ঠানটোৱে লোকচানৰ সন্মুখীন হয়।

প্রান্তিক আয় (MR) আৰু প্রান্তিক ব্যয় (MC) ৰেখাৰ সহায়ত ঃ এই পদ্ধতিটো আগৰ পদ্ধতিটোৰ তুলনাক অধিক ফলপ্রসূ। কাৰণ, এই পদ্ধতিটোৱে দৰ (Price)ক ব্যাখ্যাকাৰী (Explicit) চলক (Variable) ৰূপে ব্যৱহাৰ কৰে যিটোৱে আকৌ মুঠ লাভ অর্জনৰ ক্ষেত্রত প্রতিষ্ঠানটোৰ আচৰণ বিধি (Behavioural Rule) সম্পর্কে ব্যাখ্যা কৰাত সহায় কৰে। ১০.৫নং চিত্রৰ সহায়ত প্রতিষ্ঠানটোৰ ভাৰসমতা অর্জন দেখুওৱা হৈছে।

ব্যৱসায় প্রতিষ্ঠানটোৱে সেই পৰিমাণৰ সামগ্রী বিক্রী কৰি ভাৰসমতা লাভ কৰিব, হ্রস্বকালৰ গড় ব্যয় (SAC) ৰেখাৰ ওপৰত যিটো পৰিমাণত দৰ হ্রস্বকালীন প্রান্তিক ব্যয় (SMC)ৰ সমান হ'ব। চিত্র ১০.৫ত e তেনে এটা বিন্দু। এই ভাৰসমতা বিন্দু অনুযায়ী X_o হৈছে ভাৰসমতা পৰিমাণ। X_o পৰিমাণৰ বাঁওফালৰ যিকোনো পৰিমাণত যথা, X_1 পৰিমাণত দেখা গৈছে যে, প্রান্তিক আয় প্রান্তিক ব্যয়তকৈ অধিক ($X_1e_1 > X_1h$) ; আৰু সেয়ে প্রতিষ্ঠানটোৱে X_o পৰিমাণলৈ নিজৰ বিক্রী বৃদ্ধি কৰিব। ঠিক সেইদৰে, X_o পৰিমাণৰ সোঁফালে যিকোনো পৰিমাণত, যথা, X_2, প্রান্তিক ব্যয়


প্ৰান্তিক আয়তকৈ অধিক ($X_2e_2 > X_2g$); আৰু ইয়ে ব্যৱসায় প্ৰতিষ্ঠানটোক ইয়াৰ বিক্ৰীৰ পৰিমাণ X_0 পৰিমাণলৈ কমাবৰ বাবে বাধ্য কৰাব।

চিত্ৰ নং ১০.৫ ঃ হ্ৰস্বকালত ব্যৱসায় প্ৰতিষ্ঠান এটাৰ ভাৰসমতা লাভ



এটা কথা মন কৰিব যে, চিত্ৰ ১০.৫ৰ e বিন্দুত MR = MC। অৰ্থাৎ, e বিন্দুৰ সমান্তৰালকৈ X_0 পৰিমাণৰ সামগ্ৰী বিক্ৰী কৰি প্ৰতিষ্ঠানটোৱে হ্ৰস্বকালত সৰ্বাধিক লাভ অৰ্জন কৰিব পাৰিছে। দৰাচলতে, এয়াই হৈছে হ্ৰস্বকালত ব্যৱসায় প্ৰতিষ্ঠানটোৱে ভাৰসমতা অৰ্জন কৰাৰ প্ৰথম চৰ্ত। অৱশ্যে কেৱল মাত্ৰ এই চৰ্তটোৰ পূৰণ কৰিলেই প্ৰতিষ্ঠান এটাই ভাৰসমতা অৰ্জন নকৰে। অৰ্থাৎ, এনেকুৱা পৰিস্থিতিৰো উদ্ভৱ হ'ব পাৰে য'ত MR = MC এই চৰ্তটোৰ পালন হ'লেও প্ৰতিষ্ঠান এটাই ভাৰসমতা অৰ্জন নকৰিবও পাৰে। চিত্ৰ ১০.৬ৰ সহায়ত এই কথাষাৰ ব্যাখ্যা কৰা হৈছে।

চিত্ৰ নং ১০.৬ ঃ MR = MC চৰ্তটো ভাৰসমতা লাভৰ বাবে যথেষ্ট নহয়




চিত্র ১০.৬ত দেখা গৈছে যে, MR = MC চর্তটো দুটা বিন্দুত পালন হৈছে— e_1 আৰু e_0ত। প্রতিষ্ঠানটোৱে কিন্তু e_1 বিন্দুত ভাৰসমতা অর্জন কৰিব নোৱাৰে, যিহেতু, প্রতিষ্ঠানটোৱে এই ক্ষেত্রত সর্বাধিক লাভ অর্জন কৰিব পৰা নাই। গতিকে, e_0 বিন্দুহে ভাৰসমতা বিন্দু, য'ত প্রতিষ্ঠানটোৱে সর্বাধিক লাভ অর্জন কৰা দেখা গৈছে ($X_0 > X_1$)।

গতিকে, ওপৰৰ চিত্রৰ পৰা আমি দেখিলোঁ যে, ভাৰসমতা লাভৰ বাবে দ্বিতীয় এটা চর্ত পৰিপূৰণ কৰাটো অত্যন্তই আৱশ্যক। চর্তটো আমি এনেদৰে ব্যাখ্যা কৰিব পাৰো; প্রান্তিক ব্যয় ৰেখাই প্রান্তিক আয় ৰেখাক তলত ছেদ কৰিব লাগে। গতিকে, ভাৰসমতা অর্জনৰ বাবে প্রতিষ্ঠান এটাই দুটা চর্ত পূৰণ কৰিব লাগে, যথা—

- MR = MC; আৰু
- MC ৰেখাই MR ৰেখাক তলৰ পৰা ছেদ কৰে।

আকৌ, ১০.৫নং চিত্রত দেখা গৈছে যে, প্রতিষ্ঠানটোৱে প্রতি একক সামগ্রীৰ বিক্রীৰ বাবদ eB (দৰ X_0e হ্রস্বকালীন গড় ব্যয় X_0B) পৰিমাণৰ লাভ অর্জন কৰে। গতিকে, OX_0 পৰিমাণৰ সামগ্রী বিক্রী কৰি প্রতিষ্ঠানটোৱে মুঠ CABe (চিত্রত ঘন ছাঁ অংশ) পৰিমাণৰ অতিৰিক্ত লাভ (excess profit) অর্জন কৰিছে। অৱশ্যে এটা কথা মনত ৰখা দৰকাৰ যে, হ্রস্বকালীন ভাৰসমতা লাভ কৰোঁতে সদায়েই অতিৰিক্ত লাভ অর্জন নকৰিবও পাৰে। ইয়াৰ বিপৰীতে, প্রতিষ্ঠানটোৱে লোকচানৰো সম্মুখীন হ'ব পাৰে। এই কথাষাৰ চিত্র ১০.৭ৰ সহায়ত দেখুওৱা হৈছে।

চিত্র ১০.৭ ঃ লোকচানৰ সম্মুখীন প্রতিষ্ঠান এখনৰ হ্রস্বকালীন ভাৰসমতা লাভ



চিত্র ১০.৭ত দেখা গৈছে যে, প্রতিষ্ঠানটোৱে ভাৰসমতা লাভ কৰিলেও লোকচানৰ সম্মুখীন হৈছে। কাৰণ, ভাৰসমতা বিন্দু eত (য'ত MR = MC; আৰু MC ৰেখাই MR ৰেখাক তলৰ পৰা ছেদ কৰিছে) প্রতিষ্ঠানটোৰ ব্যয় (X_0C) ইয়াৰ আয়

(X_0e)তকৈ অধিক। অৰ্থাৎ প্ৰতি একক সামগ্ৰীৰ বিক্ৰীৰ বাবদ প্ৰতিষ্ঠানটোৱে eC পৰিমাণৰ লোকচান ভৰিবলগীয়া হৈছে। প্ৰতিষ্ঠানটোৰ মুঠ লোকচানৰ পৰিমাণ হৈছে AeCB [(eC x OX_0 বা eA]।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ MR = MC। কেৱলমাত্ৰ এই চৰ্তটো পূৰণ কৰিয়েই প্ৰতিষ্ঠান এটাই হ্ৰস্বকালত ভাৰসমতা লাভ কৰিব পাৰে নেকি? যদি নোৱাৰে, কিয়? (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ প্ৰতিষ্ঠান এখনে কেতিয়া অস্বাভাৱিক লাভ অৰ্জন কৰে? প্ৰতিষ্ঠান এখনে দীৰ্ঘকালতো অস্বাভাৱিক লাভ অৰ্জন কৰিব পাৰেনে? (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....


.....

এতিয়া আমি উদ্যোগ (Industry) এটাই কিদৰে ভাৰসমতা লাভ কৰে, সেই বিষয়ে আলোচনা কৰিম। মন কৰিব যে, ভাৰসমতা অৰ্জনৰ আলোচনাত এতিয়ালৈকে আমি প্ৰতিষ্ঠানটোৰ হ্ৰস্বকালীন প্ৰান্তি ব্যয় (SMC) ৰেখা ডালহে ব্যৱহাৰ কৰিছোঁ। প্ৰতিষ্ঠানটোৰ যোগান ৰেখাডাল এতিয়ালৈকে আমি লাভ কৰা নাই। ইয়াৰ কাৰণটো হ'ল এয়ে যে, পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ খনত বিক্ৰী প্ৰতিষ্ঠান এখনৰ ক্ষেত্ৰত দৰটো পূৰ্ব নিৰ্দ্ধাৰিত হৈ থাকে। কাৰণ, যিহেতু বজাৰত অসংখ্য প্ৰতিষ্ঠান থাকে, সেয়ে অকল এখন প্ৰতিষ্ঠানে বজাৰৰ যোগান বা চাহিদাৰ ওপৰত কোনো ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। কিন্তু, উদ্যোগ এটাৰ ক্ষেত্ৰত সেই কথাষাৰ প্ৰযোজ্য নহয়, যিহেতু উদ্যোগ এটাৰ ক্ষেত্ৰত বজাৰৰ চাহিদা আৰু যোগানৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰাটো পূৰামাত্ৰাই সম্ভৱ। গতিকে, উদ্যোগ এটাৰ ভাৰসমতা আলোচনা কৰোঁতে যোগান ৰেখাডালৰ বিষয়ে জনাটো নিতান্তই গুৰত্বপূৰ্ণ।

ইমানপৰে ওপৰৰ আলোচনাত যিহেতু আমি অভিন্ন (Identical) উৎপাদন ব্যয়ৰ পদ্ধতিটো ব্যৱহাৰ কৰি আহিছোঁ, সেয়ে প্ৰতিষ্ঠান এখনৰ যোগান ৰেখাডালৰ পৰাই উদ্যোগটোৰ যোগান ৰেখাডালো লাভ কৰিবলৈ সক্ষম হ'ম।

প্ৰতিষ্ঠান এখনৰ যোগানৰেখাৰ নিৰ্ণয় ঃ তলৰ ১০.৮নং চিত্ৰত কোনো এক নিৰ্দিষ্ট দৰত পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ এখনত ব্যৱসায় প্ৰতিষ্ঠান এখনে কিমান পৰিমাণৰ সামগ্ৰী উৎপন্ন কৰে, সেয়া দেখা গৈছে। দৰৰ তাৰতম্য ঘটিলে প্ৰতিষ্ঠানটোৱে কিদৰে বিভিন্ন দৰত বিভিন্ন পৰিমাণৰ সামগ্ৰী উৎপন্ন কৰে, সেয়া চিত্ৰটিত দেখুওৱা হৈছে। আৰু চিত্ৰটিৰ (খ) অংশত দেখুওৱাৰ দৰে, ইয়াৰ দ্বাৰাই আমি প্ৰতিষ্ঠানটোৰ যোগান ৰেখাডাল নিৰ্ণয় কৰিব পাৰোঁ।

চিত্ৰ নং ১০.৮ ঃ প্ৰতিষ্ঠান এটাৰ হ্ৰস্বকালীন যোগান ৰেখা




চিত্ৰ ১০.৮ত দেখা গৈছে যে, প্ৰতিষ্ঠানটোৱে নূন্যতম OX_o পৰিমাণৰ সামগ্ৰী উৎপাদন কৰিছে। এই উৎপাদনৰ সংশ্লিষ্ট দামটো হৈছে P_o, গড় পৰিবৰ্তনশীল ব্যয় AVC ৰেখাৰ ন্যূনতম বিন্দুৰ সমান। গতিকে P_o দামৰ তলৰ যিকোনো দামতেই প্ৰতিষ্ঠানটোৱে আনকি পৰিৱৰ্তনশীন ব্যয় (Variable Cost)ও অৰ্জন কৰিব নোৱাৰিব। আৰু তেনেক্ষেত্ৰত প্ৰতিষ্ঠানটোৱে কোনো ধৰণৰ উৎপাদন কৰিব নোৱাৰিব। দামক যেতিয়া প্ৰান্তিক ব্যয়ৰ সমান হিচাপে ধৰিছোঁ, তেতিয়া বিভিন্ন দামৰ স্তৰত প্ৰতিষ্ঠানটোৱে কি পৰিমাণৰ সামগ্ৰী উৎপাদন কৰে, সেয়া চিত্ৰটিৰ (ক) অংশত দেখিবলৈ পাইছোঁ। আকৌ, চিত্ৰটিৰ (খ) অংশত দামৰ বিভিন্ন স্তৰত সংশ্লিষ্ট উৎপাদনৰ পৰিমাণ সমূহ অঙ্কন কৰি আমি প্ৰতিষ্ঠানটোৰ যোগান ৰেখা (SS) ডাল লাভ কৰিছোঁ।

ওপৰৰ আলোচনাত প্ৰতিষ্ঠানটোৰ হ্ৰস্ব-কালীন যোগান ৰেখাডাল নিৰ্ণয় কৰোঁতে আমি ধৰি লৈছোঁ যে, ইয়াৰ নূন্যতম দাম গড় পৰিৱৰ্তনশীল ব্যয়ৰ ন্যূনতম পৰিমাণৰ সৈতে একে। অৰ্থাৎ, আমি ধৰি লৈছোঁ যে, প্ৰতিষ্ঠানটোৱে পৰিৱৰ্তনশীল ব্যয় অৰ্জন কৰিবই লাগিব। দীৰ্ঘ-কালত অৱশ্যে উৎপাদন কাৰ্য্য চলাই যাবৰ বাবে প্ৰতিষ্ঠানটোৱে স্থিৰ ব্যয় (Fixed Cost)ও লগতে অৰ্জন কৰিব লাগিব।

উদ্যোগটোৰ যোগান ৰেখাডাল নির্ণয় (Derivation of the Industry Supply Curve) ঃ যিহেতু ওপৰৰ আলোচনাত আমি অভিন্ন ব্যয় (Identical Cost)ৰ ধাৰণা মানি লৈছোঁ, সেয়া প্রতিষ্ঠানসমূহৰ ব্যক্তিগত যোগান ৰেখা (অর্থাৎ হ্রস্বকালীন প্রান্তিক ব্যয় ৰেখা) সমূহৰ যোগফলৰ দ্বাৰা বজাৰখনৰ বা উদ্যোগটোৰ যোগানৰেখাডাল নির্ণয় কৰিব পাৰোঁ। চিত্র ১০.৯ৰ সহায়ত এয়া দেখুওৱা হৈছে।


চিত্র ১০.৯ ঃ উদ্যোগটোৰ যোগান ৰেখাডালৰ




চিত্র ১০.৮ৰ (ক) অংশ, য'ত আমি এখন প্রতিষ্ঠানৰ যোগান ৰেখা (প্রান্তিক ব্যয় ৰেখা) দেখুৱাইছিলোঁ, চিত্র ১০.৯ (ক) তাক পুনঃ উপস্থাপন কৰা হৈছে। এতিয়া আমি যদি ধৰি লওঁ যে, উদ্যোগটোত তেনেকুৱা ৫০০ খন প্রতিষ্ঠান আছে, তেন্তে প্রতিষ্ঠানটোৰ সামগ্রীৰ পৰিমাণক ৫০০ ৰে পূৰণ কৰি আমি বজাৰখনৰ (বা উদ্যোগটোৰ) মুঠ পৰিমাণ পাব পাৰোঁ। গতিকে, চিত্র ১০.৯ৰ (খ) অংশত ঃ $OQ_o = 500 \times OX_o$; $OQ_1 = 500 \times OX_1$, ইত্যাদি। এইদৰে, OQ_o,OQ_1,OQ_2 আৰু OQ_3 পৰিমাণৰ সৈতে সংশ্লিষ্ট দাম Po, P_1, P_2 আৰু P_3 অঙ্কন কৰি উদ্যোগটোৰ হ্রস্বকালীন যোগান ৰেখা (SRS) ডাল চিত্র ১০.৯ৰ (খ) অংশত দেখুওৱা হৈছে।


উদ্যোগটোৰ চাহিদা ৰেখাডালৰ নির্ণয় (Derivation of the Industry Demand Curve) ঃ আমি জানোঁ যে, ভাৰসমতাৰ ব্যাখ্যা কৰোঁতে যোগান আৰু চাহিদা ৰেখা দুয়োডালৰ ব্যৱহাৰ অনিবার্য্য। আৰু ইতিমধ্যে যোগান ৰেখাডাল আমি নির্ণয় কৰিছোঁ। এতিয়া আমি চাওঁ উদ্যোগটোৰ চাহিদা ৰেখাডালনো কেনেকুৱা? আকৌ, আমি ইতিমধ্যে দেখি আহিছোঁ যে, প্রতিষ্ঠান এটাৰ ক্ষেত্রত চাহিদা ৰেখাডাল OX-অক্ষৰ সমান্তৰাল। কিন্তু, ইয়াৰ বিপৰীতে উদ্যোগটোৰ চাহিদা ৰেখাডাল তললৈ ঢাল খোৱা এডাল সাধাৰণ চাহিদা ৰেখাৰ দৰে। তলৰ চিত্র ১০.১০ত দুয়োডাল চাহিদা ৰেখা দেখুওৱা হৈছে।

চিত্র নং ১০.১০ ঃ প্রতিষ্ঠান আৰু উদ্যোগৰ হ্রস্বকালীন চাহিদা ৰেখা



চিত্র ১০.১০ (ক) অংশত উদ্যোগটোৰ চাহিদা ৰেখা আৰু (খ) অংশত প্রতিষ্ঠান এখনৰ চাহিদা ৰেখা দেখুওৱা হৈছে। উদ্যোগটোৰ চাহিদা ৰেখাডাল ক্রমান্বয়ে তললৈ ঢাল খোৱা ইয়ে সূচাইছে যে, উদ্যোগ এটাই বজাৰৰ দাম পৰিৱর্তন কৰিব পাৰে, যিয়ে আকৌ উপভোক্তাৰ চাহিদাৰ ওপৰত প্রভাৱ বিস্তাৰ কৰিব পাৰে। আৰু সেয়ে, উদ্যোগ এটাৰ চাহিদা ৰেখা (DD)ডাল এডাল সাধাৰণ চাহিদা ৰেখাৰ দৰে ক্রমান্বয়ে তললৈ ঢাল খোৱা।





এটা কথা মন কৰিব যে, যদিও ব্যৱসায় প্ৰতিষ্ঠান এটাই বজাৰৰ দৰৰ ওপৰত নিজাববীয়াকৈ কোনো প্ৰভাৱ পেলাব নোৱাৰে, ঐক্যবদ্ধ প্ৰচেষ্টাৰে ব্যৱসায় প্ৰতিষ্ঠান সমূহে বা উপভোক্তাসমূহে বজাৰ দৰৰ ওপৰত বিস্তাৰ কৰিব পাৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ শুদ্ধ/অশুদ্ধ নিৰ্ণয় কৰক—

ক) অভিন্ন ব্যয় ধাৰণাৰ ক্ষেত্ৰত ব্যৱসায় প্ৰতিষ্ঠানসমূহৰ যোগান ৰেখাবোৰ যোগ কৰি আমি উদ্যোগটোৰ যোগান ৰেখাডাল পাব পাৰোঁ। (শুদ্ধ/অশুদ্ধ)

খ) দীৰ্ঘ-কালত স্থায়ী ব্যয় (Fixed Cost)ৰ খৰছ আহৰণ কৰিব নোৱাৰিলেও ব্যৱসায় প্ৰতিষ্ঠান এটাই উৎপাদন প্ৰক্ৰিয়া অব্যাহত ৰাখিব, যদিহে ই পৰিৱৰ্তনশীন ব্যয় (Variable Cost)ৰ খৰছ আহৰণ কৰিবলৈ সক্ষ্যম হয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৮ ঃ ব্যৱসায় প্ৰতিষ্ঠান এখনৰ চাহিদা ৰেখা ডাল উদ্যোগ এটাৰ তললৈ ঢাল খোৱা চাহিদা ৰেখাডালৰ দৰে নহয়। কিয়? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

১০.৫ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ ঃ দীৰ্ঘকালীন বিশ্লেষণ

ইমানপৰে আমি হ্ৰস্ব-কালত ব্যৱসায় প্ৰতিষ্ঠান এখনে আৰু উদ্যোগ এটাই কিদৰে ভাৰসমতা অৰ্জন কৰে, সেয়া আলোচনা কৰিলোঁ। এতিয়া আমি দীৰ্ঘ-কালত প্ৰতিষ্ঠান এখনে আৰু উদ্যোগটোৱে কিদৰে ভাৰসমতা লাভ কৰে, সেয়া আলোচনা কৰিম।

১০.৫.১ দীৰ্ঘকালত ব্যৱসায় প্ৰতিষ্ঠান এখনৰ ভাৰসমতা লাভ

দীৰ্ঘকালত নতুন প্ৰতিষ্ঠানে উদ্যোগটোত প্ৰৱেশ কৰিব পাৰে, বা উদ্যোগটোৰ পৰা প্ৰস্থানো কৰিব পাৰে। আকৌ, বৰ্তমানে উদ্যোগটোত থকা প্ৰতিষ্ঠানবোৰে দীৰ্ঘ-কালত তেওঁলোকৰ স্থায়ী ব্যয় (Fixed Cost)ৰ উপাদানসমূহৰ সাল-সলনি কৰিব পাৰে, যাতে সৰ্বাধিক লাভ অৰ্জন কৰিব পাৰে। গতিকে, দীৰ্ঘ-কালত আমি দুটা কথা লক্ষ্য কৰিব পাৰো— (১) বৰ্তমানে উদ্যোগটোত থকা প্ৰতিষ্ঠানবোৰে তেওঁলোকৰ

উৎপাদনৰ পৰিমাণ আৰু স্থায়ী ব্যয় (Fixed Cost)ৰ উপাদানসমূহৰ সাল-সলনি কৰিব (২) এই সাল-সলনি কৰাৰ পাছতো যদি প্রতিষ্ঠান এখনে মুঠ ব্যয় (Total Cost)ৰ পৰিমাণ আহৰণ কৰিব নোৱাৰে, তেন্তে ই উদ্যোগটোৰ পৰা প্রস্থান কৰিব। আকৌ যদি বর্তমানে উদ্যোটোত থকা প্রতিষ্ঠানবোৰে অত্যাধিক লাভ (Super-Normal Prifit) অর্জন কৰে, তেন্তে আন প্রতিষ্ঠানক উদ্যোগটোত প্রৱেশ কৰিবৰ বাবে উৎসাহ যোগাব।

দীর্ঘ-কালত প্রতিষ্ঠান এখনৰ ভাৰসমতা লাভ তলৰ তিনিটা চর্তৰ ওপৰত নির্ভৰ কৰে—

- দৰ = প্রান্তিক ব্যয়
- দৰ = গড় ব্যয়
- দীর্ঘ-কালৰ প্রান্তিক ব্যয় ৰেখা (LMC)ই দীর্ঘ-কালৰ গড় ব্যয় ৰেখা (LAC)ক তলৰ পৰা ছেদ কৰে।

আকৌ, যিহেতু প্রান্তিক ব্যয় আৰু গড় ব্যয় দুয়োটাই দৰৰ সমান, সেয়ে আমি দুয়োটাকে একেলগ কৰি লিখিব পাৰো; যথা—

দৰ = প্রান্তিক ব্যয় = গড় ব্যয়।

ইতিমধ্যে আগৰ পাঠ্যবিষয়ত আমি বিভিন্ন ব্যয় ৰেখাৰ গঠন সম্পর্কে আলোচনা কৰিছোঁ। গতিকে আপোনালোকে গম পাইছে যে, প্রান্তিক ব্যয় ৰেখাই গড় ব্যয় ৰেখাৰ সৈতে সেই বিন্দুত কটাকটি কৰে, যি বিন্দুত গড় ব্যয় ৰেখাডাল তলৰ পৰাও নানামে বা ওপৰলৈও গতি নকৰে। অর্থাৎ গড় ব্যয় ৰেখাৰ নিম্নতম বিন্দুত প্রান্তিক ব্যয় ৰেখাডালে ইয়াৰ সৈতে কটাকটি কৰে।


গতিকে, দীর্ঘ-কালীন ভাৰসমতা লাভৰ বাবে প্রতিষ্ঠান এখনে দুটা স্বর্ত্ত পূৰণ কৰিব লাগে।

- দৰ = প্রান্তিক ব্যয় = গড় ব্যয়
- দীর্ঘ-কালীন প্রান্তিক ব্যয় ৰেখা (LMC)ই দীর্ঘ-কালীন গড় ব্যয় ৰেখা (LAC)ক তলৰ পৰা ছেদ কৰে।

চিত্র ১০.১২ৰ সহায়ত সেয়া দেখুওৱা হৈছে—

১০.১২নং চিত্রত LAC হৈছে দীর্ঘকালীন গড় ব্যয় ৰেখা আৰু LMC হৈছে দীর্ঘকালীন প্রান্তিক ব্যয় ৰেখা। চিত্রটিত প্রতিষ্ঠানখনে e বিন্দুত ভাৰসমতা লাভ কৰিছে, কাৰণ এই বিন্দুত LMC আৰু LAC ৰেখা দুডালে কটাকটি কৰিছে। গতিকে, OP* হৈছে ভাৰসাম্য দৰ আৰু OQ* হৈছে ভাৰসাম্য পৰিমাণ। ভাৰসমতা লাভৰ এই অৱস্থাত প্রতিষ্ঠানখনে কেৱল স্বাভাৱিক লাভ (Normal Profit) অর্জন কৰিছে।

চিত্ৰ নং ১০.১২ ঃ পূৰ্ণ-প্ৰতিযোগিতামূলক বজাৰ এখনত দীৰ্ঘকালত প্ৰতিষ্ঠান এখনৰ ভাৰসমতা লাভ



আন কোনো দৰ বা পৰিমাণতেই প্ৰতিষ্ঠান এখনে ভাৰসমতা লাভ নকৰে। OP* ভাৰসাম্য দৰৰ ওপৰৰ যিকোনো দৰ, যেনে— OP_1ৰ কথাকেই লোৱা হওঁক। OP_1 দৰৰ ক্ষেত্ৰত, প্ৰতিষ্ঠানখনৰ প্ৰান্তিক ব্যয় গড় ব্যয়তকৈ অধিক। গতিকে, প্ৰতিষ্ঠানটোৱে অত্যাধিক লাভ (Super-Normal Profit) অৰ্জন কৰিছে। আকৌ যিহেতু আমি অভিন্ন ব্যয় (Identical Cost)ৰ ধাৰণাটো লৈছোঁ, গতিকে আটাইবোৰ প্ৰতিষ্ঠানে অত্যাধিক লাভ অৰ্জন কৰিব। আৰু এয়ে উদ্যোগটোলৈ নতুন প্ৰতিষ্ঠানৰ প্ৰৱেশ উৎসাহিত কৰিব। গতিকে, নতুন প্ৰতিষ্ঠানৰ প্ৰৱেশে অৱশেষত উদ্যোগটোৰ দৰ OP* লৈ নমাই আনিব।

সেইদৰে, OP'ৰ দৰৰ তলৰ দৰতো প্ৰতিষ্ঠানটোৱে ভাৰসমতা লাভ নকৰে। উদাহৰণস্বৰূপে OP_2 দৰৰ ক্ষেত্ৰত প্ৰতিষ্ঠানটোৰ প্ৰান্তিক ব্যয় (বা দৰ) গড় ব্যয়তকৈ কম। গতিকে, প্ৰতিষ্ঠানটোৱে লোকচানৰ সন্মুখীন হৈছে। অৰ্থাৎ, আটাইবোৰ প্ৰতিষ্ঠানেই লোকচানৰ সন্মুখীন হ'ব। সেয়ে, এই পৰিস্থিতিত উদ্যোগটোৰ পৰা কিছুমান প্ৰতিষ্ঠানৰ প্ৰস্থান কৰাটো নিশ্চিত। আৰু ইয়ে অৱশেষত উদ্যোগটোৰ দৰ OP* লৈ উন্নীত কৰাব।

গতিকে, ওপৰৰ আলোচনাৰ পৰা প্ৰতিষ্ঠান এখনৰ দীৰ্ঘকালীন ভাৰসমতা লাভৰ চৰ্ত্তটো নিৰূপন কৰিব পাৰোঁ এইদৰে—

দৰ = প্ৰান্তিক ব্যয় = ন্যূনতম গড় ব্যয়

১০.৫.২ দীর্ঘকালত উদ্যোগৰ ভাৰসমতা লাভ

এটা ব্যৱসায় প্রতিষ্ঠানে দীর্ঘ-কালত কেনেদৰে ভাৰসমতা লাভ কৰে, সেয়া আমি ওপৰত আলোচনা কৰিলোঁ। উদ্যোগ এটাৰ ক্ষেত্রত দীর্ঘ-কালত ভাৰসমতা লাভ কৰাটো তিনিটা চর্তৰ ওপৰত নির্ভৰ কৰে; যথা—


১) পণ্য (Product) বিধৰ দীর্ঘকালীন চাহিদা (Demand) তাৰ যোগান (Supply)ৰ সমান;

২) উদ্যোগটোৰ আটাইবোৰ প্রতিষ্ঠানেই ভাৰসমতা (Equilibrium) লাভ কৰিছে; আৰু

৩) উদ্যোগটোলৈ নতুন প্রতিষ্ঠান প্রৱেশৰ বাবে আগ্রহী নহয়। সেইদৰে, উদ্যোগটোৰ পৰা কোনো প্রতিষ্ঠানেই প্রস্থানৰ বাবে আগ্রহী নহয়।

তলৰ চিত্র ১০.১৩ৰ সহায়ত সেয়া দেখুওৱা হৈছে।

চিত্র নং ১০.১৩ ঃ পূর্ণ-প্রতিযোগিতামূলক বজাৰ এখনত দীর্ঘকালত উদ্যোগৰ ভাৰসমতা লাভ



ভাৰসাম্য পৰিমাণ, আৰু OP* হৈছে ভাৰসাম্য দৰ। এই ভাৰসাম্য বিন্দু Eৰ সমান্তৰালভাৱে ব্যৱসায় প্রতিষ্ঠান এখনৰ ভাৰসমতা লাভ চিত্রটিৰ (ক) অংশত দেখুওৱা হৈছে। প্রতিষ্ঠান এটাই e বিন্দুত ভাৰসমতা লাভ কৰিছে, য'ত LAC ৰেখাই LMC ৰেখাৰ সৈতে কটাকটি কৰিছে। গতিকে, OP* হৈছে ভাৰসাম্য দৰ আৰু OQ* হৈছে ভাৰসাম্য পৰিমাণ। যিহেতু প্রতিষ্ঠানটোৱে দীর্ঘকালীন গড় ব্যয় ৰেখা (LAC)ৰ নিম্নবিন্দুত ভাৰসমতা লাভ কৰিছে, সেয়ে প্রতিষ্ঠানটোৱে কেৱল স্বাভাৱিক লাভ (normal profit)হে অর্জন কৰিছে। আকৌ, যিহেতু আমি অভিন্ন ব্যয় (Identical Cost)ৰ ধাৰণাটো ধৰি লৈছোঁ, সেয়ে আমি ক'ব পাৰোঁ যে, উদ্যোগটোৰ আটাইবোৰ

প্ৰতিষ্ঠানেই স্বাভাৱিক লাভৰ সৈতে দীৰ্ঘকালীন ভাৰসমতা লাভ কৰিছে। এই কথাটোৱে সূচায় যে, উদ্যোগটোলৈ প্ৰৱেশৰ বাবে নতুন প্ৰতিষ্ঠান আগ্ৰহী নহয় বা উদ্যোগটোত বৰ্তমানে থকা প্ৰতিষ্ঠান এখনেও উদ্যোগটোৰ পৰা প্ৰস্থানৰ বাবে আগ্ৰহী নহয়।

গতিকে, ওপৰৰ আলোচনাৰ পৰা আমি দেখিলোঁ যে, পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ এখনত দীৰ্ঘকালীন ভাৰসমতা লাভৰ বাবে উদ্যোগটোৱে তিনিটা চৰ্ত পূৰণ কৰিব লাগে। যথা—

- পণ্য (Product) বিধৰ দীৰ্ঘকালীন চাহিদা (Demand) তাৰ যোগান (Supply)ৰ সমান;
- উদ্যোগটোৰ আটাইবোৰ প্ৰতিষ্ঠানেই ভাৰসমতা (Equilibrium) লাভ কৰিছে; আৰু
- উদ্যোগটোলৈ নতুন প্ৰতিষ্ঠান প্ৰৱেশৰ বাবে আগ্ৰহী নহয়। সেইদৰে, উদ্যোগটোৰ পৰা কোনো প্ৰতিষ্ঠানেই প্ৰস্থানৰ বাবে আগ্ৰহী নহয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ দীৰ্ঘকালত ব্যৱসায় প্ৰতিষ্ঠান এখনৰ ভাৰসমতা লাভৰ চৰ্ত কি? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বজাৰ এখন গঠনৰ বাবে আৱশ্যকীয় চৰ্তকেইটা হ'ল—
  - ব্যৱসায়যোগ্য এবিধ পণ্য (Commodity)
  - ক্ৰেতা আৰু বিক্ৰেতাৰ উপস্থিতি
  - এক নিৰ্দিষ্ট ঠাই-সেয়া লাগিলে কোনো এক অঞ্চল, দেশ বা সমগ্ৰ বিশ্ব— যিয়েই নহওঁক।
  - ক্ৰেতা আৰু বিক্ৰেতাৰ মাজৰ এক যোগসূত্ৰ, যিয়ে কোনো এক নিৰ্দিষ্ট সময়ত পণ্যবিধৰ এক নিৰ্দিষ্ট দাম নিৰ্দ্ধাৰণ নিশ্চিত কৰে।
- বজাৰ এখনক ঘাইকৈ দুটা ভাগত ভগাব পাৰি— পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ আৰু অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ।

- অপূর্ণ প্রতিযোগিতামূলক বজাৰক— একচেটিয়া (Monopoly) একাধিকাৰ (Monopolistic Competition) আৰু স্বল্পধিকাৰ (Oligopoly) বজাৰ ৰূপে ভাগ কৰিব পাৰি।
- তিনিটা নীতিৰ ওপৰত ভিত্তি কৰি বজাৰ এখন গঠন নির্ণয় কৰিব পাৰি—
  - ➢ উদ্যোগটোত থকা ব্যৱসায় প্রতিষ্ঠানৰ সংখ্যা;
  - ➢ উদ্যোগটোত প্রৱেশৰ ক্ষেত্রত প্রতিষ্ঠান এখন কেনেধৰণৰ বাধাৰ সন্মুখীন হয়, আৰু
  - ➢ ব্যৱসায়যোগ্য পণ্যবিধৰ প্রকৃতি।
- হ্রস্বকালত ভাৰসমতা লাভ কৰিবৰ বাবে প্রতিষ্ঠান এখনে দুটা চর্ত পূৰণ কৰিব লাগে; যথা—
  - ➢ প্রান্তিক ব্যয় (MC) = প্রান্তিক আয় (MR); আৰু
  - ➢ MC ৰেখাই MR ৰেখাক তলৰ পৰা ছেদ কৰে।
- পূর্ণ প্রতিযোগিতামূলক বজাৰ এখনত হ্রস্বকালীন ভাৰসমতাত উপনীত হৈও প্রতিষ্ঠান এখনে লোকচানৰ সন্মুখীন হ'ব পাৰে।
- দীর্ঘ-কালীন ভাৰসমতা লাভৰ বাবে ব্যৱসায় প্রতিষ্ঠান এখনে পূৰণ কৰিব লগা চর্তকেইটা হ'ল—
  - ➢ দৰ = প্রান্তিক ব্যয় = ন্যূনতম গড় ব্যয়
  - ➢ LMC ৰেখাই LAC ৰেখাক তলৰ পৰা ছেদ কৰে।
- দীর্ঘ-কালত ভাৰসমতা লাভৰ বাবে উদ্যোগ এটাই পূৰণ কৰিব লগা চর্ত তিনিটা হ'ল—
  - ➢ উদ্যোগটোৰ দীর্ঘকালীন যোগান আৰু চাহিদা দুয়োটা সমান;
  - ➢ উদ্যোগটোৰ প্রতিখন প্রতিষ্ঠানেই ভাৰসমতা লাভ কৰিছে; আৰু
  - ➢ উদ্যোগটোলৈ নতুন প্রতিষ্ঠান প্রৱেশৰ বাবে আগ্রহী নহয়। সেইদৰে, উদ্যোগটোৰ পৰা কোনো প্রতিষ্ঠানেই প্রস্থানৰ বাবেও আগ্রহী নহয়।



১০.৭ অধিক জনিবলৈ

অসমীয়া গ্রন্থ ঃ

১) আলম, ড° খুৰছেদ; হুদা, ড° মণিৰুল আৰু শর্মা, ড° অর্চনা (২০০৪); *স্নাতক মহলাৰ অর্থতত্ত্ব (ব্যষ্টিবাদী অর্থবিজ্ঞান)* ষষ্ঠ সংস্কৰণ; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'র্ছ।

২) গোস্বামী, ড° অতুল (২০০৫); *স্নাতক মহলাৰ অর্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অর্থনৈতিক তত্ত্ব)* সপ্তম সংস্কৰণ; ডিব্রুগড় ঃ ষ্টুডেণ্টছ এম্পো'ৰিয়াম।

ইংৰাজী গ্রন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics;* New Delhi: S. Chand & Co. Ltd.

2) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.
3) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.
4) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Co. Ltd.

১০.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ বজাৰ হৈছে কোনো এক নিৰ্দিষ্ট ঠাই বা এখন উমৈহতীয়া মঞ্চ, য'ত ক্ৰেতা আৰু বিক্ৰেতাই কোনো নিৰ্দিষ্ট দৰত সামগ্ৰী আৰু সেৱাৰ ক্ৰয়-বিক্ৰয়ৰ বাবে মিলিত হয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ পণ্যৰ বিভিন্ন প্ৰকাৰসমূহ হ'ল—

দ্ৰব্য (Goods) ঃ যিবোৰ আমি হাতেৰে চুই অনুভৱ কৰিব পাৰোঁ, যেনে— কিতাপ, খাদ্য, চুঙা-চাকি (Torch Light), বেটাৰি আদি।

সেৱা (Services) ঃ যিবোৰ আমি হাতেৰে চুই অনুভৱ কৰিব নোৱাৰোঁ, কিন্তু যিবোৰ কাৰ্য্যই আমাৰ অভাৱ পূৰণ কৰে, যেনে— নাপিত, মুচী, উকীল, ধাত্ৰী (Nurse) আদিৰ সেৱা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ

৪নং প্ৰশ্নৰ উত্তৰ ঃ হ্ৰস্ব-কাল (Short-Run) আৰু দীৰ্ঘ-কাল (Long-Run)ৰ মাজৰ মূল পাৰ্থক্যটো এয়ে যে, হ্ৰস্ব-কালত অৰ্থনৈতিক কৰ্ত্তা (Economic Agent, যেনে— প্ৰতিষ্ঠান, উদ্যোগ) এজনে উৎপাদন প্ৰক্ৰিয়াটোৰ কেৱল পৰিৱৰ্তনশীল উপাদান (variable factor)ৰহে সাল-সলনি কৰিব পাৰে। কিন্তু দীৰ্ঘ-কালত অৰ্থনৈতিক কৰ্তা এজনে উৎপাদনৰ দুয়োটা উপাদান (পৰিৱৰ্তনশীল আৰু স্থায়ী)ৰ সাল-সলনি ঘটাব পাৰে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ নোৱাৰে। কাৰণ, প্ৰান্তিক ব্যয় প্ৰান্তিক আয়ৰ সমান (MR = MC) হ'লেও এটা ব্যৱসায় প্ৰতিষ্ঠানে সৰ্বাধিক লাভ অৰ্জন কৰিব নোৱাৰিবও পাৰে। এয়া তেতিয়া ঘটিব পাৰে, যেতিয়া MC ৰেখাই তললৈ নামি থকা অৱস্থাত MR ৰেখাক ছেদ কৰে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ প্ৰতিষ্ঠান এখনে কেৱল হ্ৰস্বকালতহে অস্বাভাৱিক লাভ অৰ্জন কৰিব পাৰে। কাৰণ, এখন প্ৰতিষ্ঠানে অস্বাভাৱিক লাভ অৰ্জন কৰিলে অন্য প্ৰতিষ্ঠানেও উদ্যোগটোত প্ৰৱেশ কৰিব। ফলস্বৰূপে, দীৰ্ঘকালত প্ৰতিষ্ঠানখনে কেৱল স্বাভাৱিক লাভহে অৰ্জন কৰিব।

৭নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ

৮নং প্ৰশ্নৰ উত্তৰ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত উদ্যোগটোৰ চাহিদা ৰেখাডাল প্ৰতিষ্ঠান এখনৰ OX-অক্ষৰ সমান্তৰাল চাহিদা ৰেখাৰ দৰে নহয়; বৰং ওপৰৰ সোঁফালৰ পৰা তলৰ বাঁওফাললৈ ঢাল খোৱা। কাৰণ, উদ্যোগ এটাই বজাৰৰ দৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে; যিয়ে আকৌ উপভোক্তাৰ চাহিদাৰ তাৰতম্য ঘটাব পাৰে। উদ্যোগটোৰ চাহিদা ৰেখাডালে সেয়ে চাহিদাৰ সাধাৰণ বিধি প্ৰতিফলিত কৰে।

৯নং প্ৰশ্নৰ উত্তৰ ঃ দীৰ্ঘ-কালত ব্যৱসায় প্ৰতিষ্ঠান এখনৰ ভাৰসমতা লাভৰ চর্ত দুটা হ'ল—

ক) দৰ = প্ৰান্তিক ব্যয় = ন্যূনতম গড় ব্যয়

খ) LMC ৰেখাই LAC ৰেখাক তলৰ পৰা ছেদ কৰে।



১০.৯ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ বজাৰৰ শ্ৰেণী বিভাজনৰ তিনিটা প্ৰধান নীতি কি?

প্ৰশ্ন নং ২ ঃ বিশুদ্ধ প্ৰতিযোগিতামূলক বজাৰ (Pure Competition) আৰু পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ (Perfect Competition)ৰ মাজত পাৰ্থক্য কি?

প্ৰশ্ন নং ৩ ঃ সামগ্ৰীৰ সমগুণ সম্পন্ন (Product Homogenity) কথাটোৱে কি বুজায়?

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত হ্ৰস্ব-কালত ব্যৱসায় প্ৰতিষ্ঠান এখনৰ ভাৰসমতা লাভৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত হ্ৰস্ব-কালত উদ্যোগ এটাই কিদৰে ভাৰসমতা লাভ কৰে, ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৩ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত দীৰ্ঘ-কালত ব্যৱসায় প্ৰতিষ্ঠান এখনে কেনেদৰে ভাৰসমতা লাভ কৰে, আলোচনা কৰক।

প্ৰশ্ন নং ৪ ঃ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত দীৰ্ঘ-কালত উদ্যোগ এটাই কেনেদৰে ভাৰসমতা লাভ কৰে, বিশদভাৱে বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ বজাৰ গাঁথনি ঃ একচেটিয়া বজাৰ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ একচেটিয়া বজাৰ ঃ প্ৰাথমিক ধাৰণা

১১.৩.১ একচেটিয়া বজাৰৰ চাহিদা আৰু প্ৰান্তিক বিক্ৰী ৰেখা

১১.৩.২ একচেটিয়া প্ৰতিষ্ঠানৰ ভাৰসমতা লাভ ঃ হ্ৰস্ব কাল আৰু দীৰ্ঘ কাল

১১.৩.৩ দৰ বিভেদীকৰণ ঃ মাত্ৰা আৰু সম্ভাৱনীয়তা

১১.৪ একচেটিয়া ক্ষমতা ঃ ধাৰণা আৰু পৰিমাপ

১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৬ অধিক জানিবলৈ

১১.৭ অগ্ৰগতিৰ খতিয়ান

১১.৮ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- একচেটিয়া বজাৰৰ সংজ্ঞা আগবঢ়াব পাৰিব
- একচেটিয়া বজাৰৰ লগত জড়িত বিভিন্ন বিষয় আলোচনা কৰিব পাৰিব
- দৰ বিভেদীকৰণ আৰু ইয়াৰ বিভিন্ন মাত্ৰা, সম্ভাৱনীয়তা আৰু লাভজনক দিশসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- একচেটিয়া ক্ষমতা ধৰাৰণাটি আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

ইতিমধ্যে ইয়াৰ আগৰ দ্বিতীয় অধ্যায়ত আমি 'বজাৰ' আৰু 'বজাৰৰ ভাৰসমতা' শব্দ কেইটা পাই আহিছোঁ। আমি গম পালোঁ যে কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি বজাৰ গাঁথনিক বহলভাৱে দুটা শ্ৰেণীত ভাগ কৰা হয়— পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ আৰু অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ। আকৌ, অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ গাঁথনিক একচেটিয়া, একাধিকাৰ প্ৰতিযোগিতামূলক আৰু অল্পাধিকাৰ বজাৰ— এইদৰে ভাগ কৰা হয়। এই বজাৰ গাঁথনিসমূহক আকৌ বিভিন্ন প্ৰকাৰত ভাগ কৰিব পাৰি।এই অধ্যায়টিত আমি মূলতঃ একচেটিয়া বজাৰৰ বিষয়ে আলোচনা কৰিম। লগতে, এই বজাৰ গাঁথনিৰ সংজ্ঞা আগবঢ়াবলৈ চেষ্টা কৰিম, তাৰ লগত জড়িত প্ৰাসঙ্গিক বিষয়সমূহৰ আলোচনা আগবঢ়াম আৰু ইয়াৰ অন্তৰ্গত প্ৰতিষ্ঠান/উদ্যোগসমূহে কিদৰে ভাৰসমতা লাভ কৰে তাক চিত্ৰ সহকাৰে ব্যাখ্যা কৰিম।

১১.৩ একচেটিয়া বজাৰ ঃ প্ৰাথমিক ধাৰণা

ইয়াৰ আগৰ অধ্যায়টিত আমি পূৰ্ণ প্ৰতিযোগিতাৰ বিষয়ে আলোচনা কৰিলোঁ। তাৰ পৰা আমি এইটো গম পালোঁ যে পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত বহুত সংখ্যক ক্ৰেতা আৰু বিক্ৰেতা থাকে। কিন্তু ইয়াত প্ৰত্যেকজন বিক্ৰেতাৰ ব্যক্তিগত ক্ষমতা শূন্য। একচেটিয়া বজাৰ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ বিপৰীত। 'মোনোপলি' (Monopoly) শব্দটো গ্ৰীক শব্দ মোনোচ্ পোলেইন্ (Monos Polein)অৰ পৰা উদ্ভৱ হৈছে, যাৰ অৰ্থ হ'ল 'বিক্ৰী কৰিবলৈ অকলশৰীয়া' (Alone to Sell)। এই একমাত্ৰ বিক্ৰেতাজনক একক বিক্ৰেতা (Monopolist) বোলে। এই শব্দটো কেতিয়াবা বিক্ৰেতাৰ সেইটো থূপৰ ক্ষেত্ৰতো প্ৰযোজ্য হয় যিসকলে দৰ নিৰ্ধাৰণ কৰে। সাধাৰণতে এনে এটা থূপক ***কাৰটেল*** (Cartel) হিচাপে জনা যায়। গতিকে সাধাৰণ ভাষাত ক'বলৈ গ'লে, একচেটিয়া বজাৰ এখনক সেইটো বজাৰ গাঁথনি হিচাপে বৰ্ণনা কৰিব পাৰি য'ত উৎপাদিত দ্ৰব্যৰ মাত্ৰ এজন যোগান কাৰী থাকে আৰু বজাৰত যিটো উৎপাদিত দ্ৰব্যৰ কোনো নিকট বিকল্প নাথাকে।



কাৰটেল ঃ প্ৰতিষ্ঠানৰ এটা থূপ যিয়ে উৎপাদন আৰু দৰ নিয়ন্ত্ৰণ কৰে।

উৎপাদিত দ্ৰব্যটোৰ যিহেতু মাত্ৰ এজন বিক্ৰেতা থাকে, সেই হেতুকে একচেটিয়া বজাৰত প্ৰতিষ্ঠান আৰু উদ্যোগৰ ধাৰণা একেটাই। বাস্তৱিকতে পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ নিচিনাকৈ একাধিকাৰ বজাৰ প্ৰতিযোগিতাৰ প্ৰতিষ্ঠানৰ অৱস্থিতিও দুৰ্লভ। অৱশ্যে, আমাৰ কিছুমান ভিতৰুৱা গাঁৱত, য'ত কেৱল মাত্ৰ এজন চিকিৎসক থাকে, তেওঁকেই গোটেই অঞ্চলটোত চিকিৎসা সেৱা আগবঢ়োৱা একাধিকাৰ যোগানকাৰী হিচাপে বিবেচনা কৰা হয়।



অনুশীলনী ১১.১

আপুনি বাৰু লক্ষ্য কৰিছে নে যে আপোনাৰ অঞ্চলত প্ৰাপ্ত কিছুমান সেৱা আৰু উৎপাদিত দ্ৰব্যৰ যোগানকাৰী এজনেই? এই সেৱাসমূহৰ কথা মন কৰক— বন্ধন গেছ (এল. পি. জি. চিলিণ্ডাৰ), বিদ্যুৎ সেৱা, টেলিফোন সেৱা, অগ্নি নিৰ্বাপক বাহিনীৰ সেৱা, ডাক বিভাগৰ সেৱা ইত্যাদি। আপুনি এইটো দেখিব যে কিছুদিনৰ আগলৈকে ওপৰত উল্লেখ কৰি অহা সেৱাসমূহৰ কিছুমানৰ মাত্ৰ এজনেই সেৱা যোগানকাৰী আছিল। ইয়াৰে কিছুমানৰ এতিয়াও মাত্ৰ এজন যোগানকাৰী আছে। আপোনালোকৰ অঞ্চলত থকা এনে ধৰণৰ সেৱা বা উৎপাদিত দ্ৰব্যৰ তালিকা এখন প্ৰস্তুত কৰক। এইবিলাক আপোনালোকৰ অঞ্চলত লক্ষ্য কৰিবলৈ পোৱা একাধিকাৰ বজাৰৰ উদাহৰণ হ'ব পাৰে।

.....

.....

.....



মার্কা (Brand Name) ঃ এইটো এই উৎপাদিত পণ্যৰ নাম বা পৰিচয় চিহ্ন যিটোৱে পণ্যবিধক নিজৰ প্রতিযোগীসমূহৰ পৰা পৃথক পৰিচয় প্রদান কৰে।

জানি থোৱা ভাল

একচেটিয়া বজাৰ সৃষ্টিৰ আঁৰত কিছুমান কাৰণ থাকিব পাৰে। এই কাৰণসমূহে উদ্যোগখণ্ডত নতুন প্ররেশকাৰীৰ প্ররেশত বাধা আৰোপ কৰি একচেটিয়া উদ্যোগটোক সুবিধা প্রদান কৰিব পাৰে। অধ্যাপক ই. এ. জি. ৰবিনচন (E.A.G. Robinson)ৰ মতে এনে ধৰণৰ চাৰিটা কাৰক আছে। সেই কেইটাৰ হৈছে ক্রমে ঃ (ক) বিহিত নিষিদ্ধকৰণ (উদাহৰণ স্বৰূপে পেটেণ্ট আৰু অনুজ্ঞাপত্র প্রদান), (খ) উৎপাদনৰ এটা আৱশ্যকীয় কাৰকৰ ওপৰত নিয়ন্ত্রণ, (গ) বৃহৎ পৰিমাণৰ উৎপাদনৰ সুবিধা আৰু (ঘ) সদিচ্ছাৰ অৱস্থিতি (কোনো পণ্য এবিধে বজাৰত *মার্কা* ৰূপে প্রতিষ্ঠা লাভ কৰা)।

পেটেণ্ট (Patent) ঃ পেটেণ্ট হ'ল কোনো ৰাষ্ট্রই এগৰাকী আৱিষ্কাৰক বা তেওঁৰ মনোনীত (Assignee)ক আৱিষ্কাৰ এটাৰ তথ্য সদৰি কৰাৰ বিনিময়ত এটা নির্দিষ্ট সময়ৰ বাবে আগবঢ়োৱা কিছুমান বিশেষ অধিকাৰ। সৰহ সংখ্যক দেশত 'পেটেণ্টী' (Patentee)ক আগবঢ়োৱা বিশেষ অধিকাৰে তেওঁৰ সেই আৱিষ্কাৰ নির্মাণ কৰা, ব্যৱহাৰ কৰা, বিক্রী কৰা বা আৱিষ্কাৰটো আমদানি কৰাৰ ক্ষেত্রত অন্যক বিৰত কৰে বা নিলগাই (Exclude) ৰাখে।


সমাজমূলক একচেটিয়া (Social Monopolies) ঃ এক প্রকাৰৰ একাধিকাৰ বজাৰ আছে যাক সামাজিক একাধিকাৰ বজাৰ বা ৰাজহুৱা সেৱা বোলে। এই একচেটিয়া প্রতিষ্ঠানসমূহ সামাজিক সমর্থন প্রাপ্ত একচেটিয়া প্রতিষ্ঠান আৰু ইয়াৰ একক আৰু ব্যাপক পৰিসৰৰ কর্ম পদ্ধতি সমাজৰ উপকাৰত আহে। ইয়াৰ কেইটামান উদাহৰণ হ'ল ঃ প্রতিৰক্ষা সেৱা (অসামৰিক আৰু সামৰিক), গড়কাপ্তানি বিভাগৰ সেৱা, পানী যোগান আদি সেৱাসমূহ।

১১.৩.১ একচেটিয়া বজাৰৰ চাহিদা আৰু প্রান্তিক বিক্রী ৰেখা


ভাৰসমতা বিশ্লেষণৰ বাবে চাহিদা (বা গড় বিক্রী আয়) আৰু প্রান্তিক বিক্রী ৰেখাৰ আলোচনাৰ প্রয়োজনীয়তা আছে। পূর্ণ প্রতিযোগিতামূলক বজাৰৰ বিপৰীতে, একচেটিয়া বজাৰত একচেটিয়া প্রতিষ্ঠানটোৱে বজাৰৰ দৰ নতুবা উৎপাদন নিয়ন্ত্রণ কৰিব পাৰে (একচেটিয়া প্রতিষ্ঠানটোৱে কিন্তু উৎপাদন আৰু দৰ উভয়কে নিয়ন্ত্রণ কৰিব নোৱাৰে)। একচেটিয়া প্রতিষ্ঠানটোৱে উৎপাদনৰ এটা বৃহৎ অংশ কম মূল্যত বা অধিক মূল্যত বজাৰত বিক্রী কৰিব পাৰে। একক বিক্রেতাগৰাকীৰ এই বৈশিষ্ট্যটোৱে এডাল নিম্নমুখী চাহিদা ৰেখা সূচায়, যিয়ে চাহিদাৰ সাধাৰণ বিধি প্রদর্শন কৰে (আগৰ অধ্যায়ত ইতিমধ্যে চাহিদা বিধিটোৰ কথা আলোচনা কৰা হৈছে)। একচেটিয়া প্রতিষ্ঠান

এটাৰ চাহিদা ৰেখা আৰু প্ৰান্তিক আয় ৰেখাৰ আকৃতি তলত দিয়া চিত্ৰৰ সহায়ত দেখুওৱা হৈছে (চিত্ৰ নং ১১.১)।

চিত্ৰ নং ১১.১ ঃ একচেটিয়া প্ৰতিষ্ঠানৰ গড় (AR) আৰু প্ৰান্তিক আয়ৰেখা



ওপৰৰ চিত্ৰ ১১.১ ত দেখা পোৱা গৈছে যে একক বিক্ৰেতাৰ চাহিদা ৰেখা AR তললৈ নামি আহিছে। MR ৰেখা ডালো তললৈ নামি আহিছে আৰু ই AR ৰেখাডালৰ তলত অৱস্থান কৰিছে। ইতিমধ্যে আমি আলোচনা কৰি আহিছোঁ যে অপূৰ্ণ প্ৰতিযোগিতাত, MR ৰেখাৰ হেলনীয়া অংশটো চাহিদা ৰেখাৰ হেলনীয়া অংশতকৈ দুগুণ থিয় (আৰু সেয়েহে Pa = ab)।




জানি থোৱা ভাল

উৎপাদন ব্যয় ৰেখাৰ আকৃতি ঃ একচেটিয়া বজাৰৰ অন্তৰ্গত উৎপাদন ব্যয় ৰেখাৰ আকৃতি পূৰ্ণ প্ৰতিযোগিতাৰ অন্তৰ্গত ৰেখাৰ আকৃতিতকৈ বৰ বেছি ভিন্ন নহয়, যাৰ কথা আমি ইয়াৰ আগৰ অধ্যায়টোত আলোচনা কৰিছোঁ। পাৰ্থক্য মাত্ৰ এটাই আৰু সেইটো হৈছে যে পূৰ্ণ প্ৰতিযোগিতাৰ অন্তৰ্গত প্ৰতিষ্ঠানে অপৰিবৰ্তনীয় দৰত উৎপাদনৰ যিকোনো পৰিমাণৰ উপাদান ক্ৰয় কৰিব পাৰে, কিন্তু একচেটিয়া প্ৰতিষ্ঠান এটাই উৎপাদনৰ এনে উপাদানসমূহ অধিক উচ্চ দৰত ক্ৰয় কৰিব লগীয়া হয়। এইটোৱে পূৰ্ণ প্ৰতিযোগিতাৰ প্ৰতিষ্ঠানৰ তুলনাত একচেটিয়া ব্যসায়ীজনৰ MC ৰেখাডাল অধিক হাৰত ঊৰ্দ্ধগামী হোৱাত প্ৰভাৱিত কৰে। আকৌ এই পাৰ্থক্যটোৰ বাবে দীৰ্ঘকালত একক বিক্ৰেতাজনৰ কোনো নিৰ্দিষ্ট উৎপাদন ব্যয় ৰেখা নাথাকে। অৱশ্যে, পূৰ্ণ প্ৰতিযোগিতামূলক প্ৰতিষ্ঠানৰ নিচিনাকৈ হ্ৰস্বকালত একচেটিয়া প্ৰতিষ্ঠানটোৰো পৰিবৰ্তনশীন উৎপাদন ব্যয় ৰেখা আৰু স্থিৰ উৎপাদন ব্যয় ৰেখা দুয়োটাই থাকিব।

১১.৩.২ একচেটিয়া প্রতিষ্ঠানৰ ভাৰসমতা লাভ ঃ হ্রস্ব কাল আৰু দীর্ঘ কাল

একচেটিয়া প্রতিষ্ঠানৰ দৰ-উৎপাদনৰ ভাৰসমতা তলত বর্ণনা কৰা চিত্রৰ সহায়ত সুন্দৰ ভাৱে ব্যাখ্যা কৰিব পাৰি। চিত্র নং ১১.২ত AR হ'ল গড় বিক্রী আয় বা চাহিদা ৰেখা, MR হ'ল প্রান্তিক বিক্রী আয় ৰেখা, MC হ'ল প্রান্তিক উৎপাদন ব্যয় ৰেখা আৰু AC হ'ল গড় উৎপাদন ব্যয় ৰেখা।

চিত্র নং ১১.২ ঃ একচেটিয়া প্রতিষ্ঠানৰ হ্রস্ব-কালৰ ভাৰসমতা



চিত্রত দেখা গৈছে যে OQ উৎপাদনলৈ, প্রান্তিক বিক্রী আয় প্রান্তিক উৎপাদন ব্যয়তকৈ বেছি। কিন্তু OQ উৎপাদনৰ পাছত, প্রান্তিক বিক্রী আয় প্রান্তিক উৎপাদন ব্যয়তকৈ কম। এইটোৱে একচেটিয়া প্রতিষ্ঠানটোৰ লোকচান হোৱাটো সূচায়। গতিকে একচেটিয়া বিক্রেতা গৰাকীয়ে OQ উৎপাদনত ভাৰসমতা লাভ কৰিব, য'ত প্রান্তিক বিক্রী আয় প্রান্তিক উৎপাদন ব্যয়ৰ সমান।

গতিকে, হ্রস্ব কালৰ ভাৰসমতাত ঃ MR = MC

আকৌ, চিত্রটোৰ পৰা এইটো দেখা পোৱা গৈছে যে OQ উৎপাদনৰ লগত সামঞ্জস্য ৰক্ষা কৰি ভাৰসাম্য দৰ হ'ব QB (=OA)। এতিয়া এই ভাৰসাম্যযুক্ত দৰ-উৎপাদন অৱস্থাৰ পৰা আমি একাধিকাৰ বজাৰত প্রতিষ্ঠানটোৱে লাভ কৰা সর্বমূঠ লাভ নির্ণয় কৰিব পাৰো। ওপৰৰ চিত্রত আমি এইটো দেখিবলৈ পাইছোঁ যে প্রতি একক উৎপাদনৰ বাবে একচেটিয়া প্রতিষ্ঠানটোৱে QB দৰ লাভ কৰিছে (গতিকে গড় বিক্রী আয়)। কিন্তু QC হ'ল প্রতি একক গড় উৎপাদন ব্যয় (যিহেতু C বিন্দুৱে AC ৰেখা ডাল স্পর্শ কৰে আৰু উৎপাদন ব্যয়টো দৰৰ সৈতে অনুভূমিক অক্ষত হিচাপ কৰা হৈছে। গতিকে প্রতিষ্ঠানটোৱে প্রতি একক উৎপাদনত BC (গড় আয়-গড় ব্যয়) পৰিমাণৰ লাভ অর্জন কৰে। সেই হেতুকে একচেটিয়া প্রতিষ্ঠানটোৱে অর্জন কৰা মুঠ লাভ হ'ব—

= OQ x BC

= BC x CD

= ABCD (চিত্রটোৰ ঘন ডাঠ আয়তক্ষেত্র)



জানি থোৱা ভাল

সকলো সময়তে একচেটিয়া প্রতিষ্ঠানটোৱে লাভ অর্জন কৰে নে? কাচিৎহে একচেটিয়া প্রতিষ্ঠান এটাই লোকচান ভৰিব লগীয়া হয়। এইটো তেতিয়া ঘটে যেতিয়া নতুন উৎপাদিত পণ্যটো বজাৰত মুকলি কৰি দিয়া হয় আৰু উপভোক্তাই সেই পণ্যটোৰ বিষয়ে একো নাজানে। গতিকে, এনে প্রাৰম্ভিক স্তৰত উৎপাদিত পণ্যটোৰ উৎপাদন ব্যয় ই অর্জন কৰা ৰাজহৰ তুলনাত অধিক হয় (যিহেতু বজাৰত চাহিদা কম হয়)।

একচেটিয়া প্রতিষ্ঠানৰ দীর্ঘকালৰ ভাৰসমতা ঃ ইয়াৰ আগৰ অধ্যায়টোত পূর্ণ প্রতিযোগিতাৰ অন্তর্গত প্রতিষ্ঠানে কি দৰে দীর্ঘকালীন ভাৰসমতা লাভ কৰে সেই বিষয়ে আলোচনা কৰিছোঁ। আমি পাই আহিছো যে পূর্ণ প্রতিযোগিতামূলক বজাৰত নতুন প্রতিষ্ঠান প্রৱেশৰ দ্বাৰা অথবা উদ্যোগখণ্ডটোত বাহাল থকা প্রতিষ্ঠানৰ প্রস্থানৰ দ্বাৰা ভাৰসমতা নির্ণয় হয়। বজাৰৰ আকাৰৰ তুলনাত যদি একচেটিয়া প্রতিষ্ঠানটোৰ হ্রস্বকালৰ গড় উৎপাদন ব্যয় সন্তুষ্টিজনক (Optimal) নহয়, তেতিয়াহ'লে দীর্ঘকালত ইয়াৰ লাভ বৃদ্ধি কৰিবলৈ প্রতিষ্ঠানটোৱে ইয়াৰ কার্যক্ষেত্রৰ পৰিসৰৰ ক্ষেত্রত কিছু পৰিৱর্তন আনিব পাৰে। গতিকে, একচেটিয়া প্রতিষ্ঠানটোৱে ইয়াৰ বজাৰ চাহিদাৰ স্তৰ সর্বোচ্চ কৰিব পৰা কার্য্য পদ্ধতি/উৎপাদনৰ পৰিমাণ বাছি ল'ব।




জানি থোৱা ভাল

একচেটিয়া প্রতিষ্ঠান এটাই দীর্ঘকালত উৎপাদনৰ মাত্রা কিদৰে সালসলনি কৰিব পাৰে? এটা একচেটিয়া প্রতিষ্ঠানে তিনি প্রকাৰে উক্ত ধৰণৰ সালসলনি ঘটাব পাৰে; (ক) সর্বোচ্চ মাত্রাতকৈ কম, (খ) সর্বোচ্চ মাত্রাৰ বা (গ) সর্বোচ্চ মাত্রাতকৈ অধিক জোখৰ উদ্যোগ স্থাপন কৰি।

হ্রস্ব কালৰ ভাৰসমতাৰ বিশ্লেষণৰ পৰা আমি এইটো লক্ষ্য কৰিছোঁ যে একচেটিয়া প্রতিষ্ঠান এটাই সেইটো উৎপাদন স্তৰত ভাৰসমতা লাভ কৰিব য'ত MR = MC। সেইদৰে, দীর্ঘকালত ইয়াৰ কার্য পদ্ধতিৰ সাল-সলনিৰ পিছত একচেটিয়া প্রতিষ্ঠানটোৱে ভাৰসমতা তেতিয়া লাভ কৰিব যেতিয়া দীর্ঘকালৰ প্রান্তিক উৎপাদন ব্যয় প্রান্তিক বিক্রী আয়ৰ স্তৰৰ সমান হয়, অর্থাৎ, দীর্ঘ কালৰ MC ৰেখাই MR ৰেখাডাল ছেদ কৰে (এইটো মন কৰিবলগীয়া যে দীর্ঘ কালত একচেটিয়া প্রতিষ্ঠান এটাৰ কেৱল

উৎপাদন ব্যয়ৰ পৰিস্থিতিটোহে সলনি হ'ব পাৰে, বিক্রী আয়ৰ পৰিস্থিতি একেই থাকে। গতিকে দীর্ঘ কালতো একচেটিয়া প্রতিষ্ঠানটোৰ বিক্রী আয়ৰ ৰেখাসমূহ একেই থাকিব)। ১১.৩নং চিত্রৰ সহায়ত ইয়াক প্রদর্শন কৰা হৈছে ।

চিত্র নং ১১.৩ ঃ একচেটিয়া প্রতিষ্ঠানৰ দীর্ঘ-কালৰ ভাৰসমতা



১১.৩নং চিত্রত এইটো দেখা গৈছে যে দীর্ঘ কালৰ প্রান্তিক উৎপাদন ব্যয় ৰেখা (LMC) আৰু প্রান্তিক বিক্রী আয় ৰেখা (MR), E বিন্দুত কটাকটি হৈছে। গতিকে E বিন্দু হ'ল দীর্ঘকালৰ ভাৰসমতাৰ বিন্দু। এই ভাৰসমতাৰ আনুসঙ্গিক ভাৰসাম্য উৎপাদন হ'ব OQ আৰু ভাৰসাম্যযুক্ত দৰ বা হ'ব OA বা QC। দীর্ঘকালত প্রতিষ্ঠানখনে LAC ৰেখাৰ সেই বিন্দুত নিজৰ ব্যৱসায় চলাই যাব, যি বিন্দুত ইয়াৰ হ্রস্বকালৰ গড় ব্যয় (SAC) ৰেখায়ো ইয়াক স্পর্শ কৰিছে। ইয়াৰ কাৰণ হ'ল কেৱল সেই বিন্দুটোতহে প্রতিষ্ঠানখনৰ হ্রস্বকালীন প্রান্তিক ব্যয় (SMC) দীর্ঘকালীন প্রান্তিক ব্যয় (LMC)ৰ সমান হয়।



অনুশীলনী ১১.২

দীর্ঘকালত এচেটিয়া প্রতিষ্ঠানে কি পৰিমাণ লাভ অর্জন কৰে? হ্রস্ব কালৰ ভাৰসমতা লাভ কৰোঁতে একচেটিয়া প্রতিষ্ঠানে অর্জন কৰা মুঠ লাভৰ পৰিমাণৰ বিষয়ে আমি ১১.৩.২ শাখাত পাই আহিছোঁ। এতিয়া ওপৰত অঙ্কন কৰা চিত্র ১১.৩ আৰু একচেটিয়া প্রতিষ্ঠানৰ হ্রস্বকালৰ ভাৰসমতাৰ বিষয়ে কৰি অহা আলোচনাৰ আধাৰত দীর্ঘকালত সেই প্রতিষ্ঠানটোৱে অর্জন কৰিব পৰা মুঠ লাভৰ পৰিমাণ নিৰূপণ কৰক।

.....

.....

১১.৩.৩ দৰ বিভেদীকৰণ ঃ মাত্রা আৰু সম্ভাৱনীয়তা

একচেটিয়া বজাৰৰ এটা মন কৰিব লগীয়া বৈশিষ্ট্য এয়ে যে উৎপাদন ব্যয়ৰ পার্থক্যৰ লগত সম্বন্ধ নথকা নানা কাৰণত একচেটিয়া ব্যৱসায়ীজনে একে সময়তে একেটা পণ্যৰ বাবে বিভিন্ন জন ক্রেতাৰ পৰা বেলেগ বেলেগ মূল্য আদায় কৰিব পাৰে। ইয়াকে দৰ বিভেদীকৰণ বোলে। তলত উল্লেখ কৰা উদাহৰণটো মন কৰক। ডিব্রুগড়ত এজন চাহ উৎপাদকৰ এটা উৎপাদন গোট আছে। ডিব্রুগড়ত তেওঁ প্রতি কিলোগ্রাম চাহপাত ১২০ টকাত বিক্রী কৰে। একেখিনি চাহপাত গুৱাহাটীৰ বজাৰত তেওঁ বিক্রী কৰে ১৫০ টকাত। প্রতি কিলোগ্রাম উৎপাদিত পণ্যৰ পৰিবহন ব্যয় ৩০ টকা হোৱাত সেই ব্যয় পূৰ কৰিবলৈ তেওঁ গুৱাহাটীৰ বজাৰত পণ্যটোৰ বাবে আৰু ৩০ টকা বেছিকৈ লয়। যিহেতু এই দুখন বজাৰৰ দৰৰ পার্থক্য পৰিবহন ব্যয়ৰ পার্থক্যৰ সমান, গতিকে আমি ইয়াক দৰ বিভেদীকৰণ বুলিব নোৱাৰোঁ। কিন্তু, উদাহৰণ স্বৰূপে, যদি উৎপাদকজনে গুৱাহাটীৰ বজাৰত প্রতি একক চাহপাতৰ মূল্য ১৫০ টকাতকৈ বেছি দৰ বিক্রী কৰে (ধৰি লওঁক ১৭০ টকা), তেতিয়াহ'লে আমি ক'ব পাৰোঁ যে উৎপাদক জনে দৰ বিভেদীকৰণ (Price Discrimination) কৰিছে।

গতিকে ক'ব পাৰি যে, যেতিয়া এটা প্রতিষ্ঠানে কোনো এক সামগ্রীৰ বাবদ বেলেগ বেলেগ উপভোক্তাৰ পৰা বেলেগ বেলেগ দৰ আদায় কৰে (দৰৰ পার্থক্য যেতিয়া ব্যয়ৰ পার্থক্যৰ বাবে উদ্ভূত নহয়), তাকে দৰ বিভেদীকৰণ বোলা হয়। দৰ বিভেদীকৰণক প্রাপ্তিৰ ব্যৱস্থাপনা (Yield Management) বুলিও জনা যায়।



জানি থোৱা ভাল

দৰ বিভেদীকৰণ আৰু সামগ্রী পৃথকীকৰণৰ মাজৰ পার্থক্য ভালদৰে মন কৰিব। সামগ্রীৰ পৃথকীকৰণে সামগ্রীবিধৰ যোগানকাৰীজনক দৰৰ ওপৰত অধিক নিয়ন্ত্রণৰ সুবিধা আগবঢ়ায়, অর্থাৎ ইয়াৰ ফলত সামগ্রীবিধৰ ওপৰত অধিক দাম আদায় কৰিব পৰাৰ সম্ভাৱনীয়তাও অধিক। কাৰণ, সামগ্রী পৃথকীকৰণৰ ফলত উপভোক্তাই সামগ্রীবিধৰ গুণাগুণৰ পার্থক্য অতি সহজে বুজিব পাৰে।

দৰ বিভেদীকৰণৰ মাত্রা (Degree of Price Discrimination) ঃ বৃটিছ অর্থবিজ্ঞানী এ.চি. পিগু (A. C. Pigou)ৰে তেওঁৰ গ্রন্থ *The Economics of Welfare* (1920)ত এজন একচেটিয়া ব্যৱসায়ীৰ ক্ষেত্রত তিনিটা মাত্রা চিহ্নিত কৰিছে, যিটোৰে তিনি প্রকাৰৰ দৰ বিভেদীকৰণৰ ৰূপ নির্ণয় কৰে।

- **প্রথম মাত্রাৰ দৰ বিভেদীকৰণ ঃ** প্রথম মাত্রাৰ দৰ বিভেদীকৰণ তেতিয়া উদ্ভৱ হয় যেতিয়া উৎপাদিত পণ্যটোৰ প্রত্যেকটো এককৰ বাবে, একেজন উপভোক্তাৰ

পৰা এচেটিয়া প্ৰতিষ্ঠানটোৱে বেলেগ বেলেগ মূল্য বিচাৰে। এগৰাকী উপভোক্তাই উৎপাদিত পণ্যৰ এটা এককৰ বাবদ দিবলৈ ইচ্ছুক হোৱা সৰ্বোচ্চ মূল্যকে আৰক্ষিত দৰ (Reservation Price) বোলে। পূৰ্ণ বিভেদকাৰী একচেটিয়া প্ৰতিষ্ঠান এটাই উৎপাদিত পণ্যৰ প্ৰত্যেকটো এককৰ বাবদে আৰক্ষিত দৰ লয়। (প্ৰথম মাত্ৰাটোক পূৰ্ণ দৰ বিভেদীকৰণ বুলিও কোৱা হয়)। এই প্ৰকাৰৰ দৰ বিভেদীকৰণ কাৰ্যকৰী কৰা বৰ অসুবিধাজনক।

- **দ্বিতীয় মাত্ৰাৰ দৰ বিভেদীকৰণ ঃ** দৰ বিভেদীকৰণৰ দ্বিতীয় মাত্ৰা তেতিয়া উদ্ভৱ হয়, যেতিয়া উৎপাদিত পণ্যৰ বিভিন্ন বৰ্গ বা গোটৰ বাবে একচেটিয়া বিক্ৰেতাজনে বিভিন্ন দৰ নিৰ্ধাৰণ কৰিব পাৰে। উদাহৰণ স্বৰূপে বিভিন্ন দৰৰ ওপৰত ভিত্তি কৰি আমি মাহেকীয়া বৈদ্যুতিক বিল (Electricity Bills) পৰিশোধ কৰিব লগীয়া হয়। উপভোক্তাই খৰচ কৰা বিদ্যুতৰ অনুপাতে সেই পৰিমাণৰ দৰ পৰিশোধ কৰিব লগীয়া হয়। ধৰি লওঁক প্ৰথম ১০০ একক বিদ্যুতৰ বাবে আমি এমাহত ২ টকাকৈ ভৰিব লগীয়া হয়। আকৌ, এটা উচ্চ দৰ, ধৰি লওঁক ২.৫০ টকা ইয়াৰ পৰৱৰ্তী একক সমূহৰ বাবে দিবলগীয়া হ'ব পাৰে (১০১ এককৰ পৰা এটা নিৰ্দিষ্ট সীমালৈকে)। টেলিফোন বিলৰ বিভিন্ন এককৰ কল (Call) ৰ ক্ষেত্ৰতো এই প্ৰকাৰৰ দৰ বিভেদীকৰণ পৰিলক্ষিত হয়। আলোচনীসমূহৰ বৰঙণি (Subscription Order)ৰ ক্ষেত্ৰতো বিভিন্ন সময় সীমাৰ বাবে বিভিন্ন দৰ নিৰ্দ্ধাৰণ কৰা হয়।
- **তৃতীয় মাত্ৰাৰ দৰ বিভেদীকৰণ ঃ** তৃতীয় মাত্ৰাৰ দৰ বিভেদীকৰণ তেতিয়া উদ্ভৱ হয় যেতিয়া একক বিক্ৰেতাজনে বজাৰখনক দুটা বা ততোধিক উপভোক্তাৰ গোটত ভাগ কৰি বিভিন্ন গোটৰ পৰা বেলেগ বেলেগ দৰ লয় (একেটা গোটৰ অন্তৰ্গত সকলো সদস্যই একেই দৰ দিব লাগে)। উদাহৰণ স্বৰূপে, কাৰ্য্যালয়ৰ আচবাব-পত্ৰ যোগান ধৰোঁতা এজন ব্যক্তিয়ে বিভিন্ন কাৰ্যালয়ৰ পৰা তেওঁ যোগান ধৰা আচবাব-পত্ৰৰ বাবদ বেলেগ বেলেগ দৰ ল'ব পাৰে।



অনুশীলনী ১১.৩

ইতিমধ্যে আপুনি দৰ বিভেদীকৰণ আৰু ইয়াৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে ধাৰণা লাভ কৰিলে। এতিয়া, আপোনাৰ কেতবোৰ নিজস্ব পৰ্য্যবেক্ষণৰ আধাৰত দৰ বিভেদীকৰণৰ কেইটামান উদাহৰণ দাঙি ধৰক। আকৌ, আপুনি আগবঢ়োৱা উদাহৰণটোৱে কোন বিধ দৰ বিভেদীকৰণৰ মাত্ৰা প্ৰদৰ্শন কৰিছে তাক যুক্তি সহকাৰে দেখুৱাওঁক।

.....

.....

.....

দৰ বিভেদীকৰণৰ সম্ভাৱনীয়তা ঃ তলত উল্লেখ কৰা চর্তসমূহ পূৰণ হ'লেহে দৰ বিভেদীকৰণ কার্য্যকৰী হয়—

- বজাৰখন বিভিন্ন দৰ স্থিতিস্থাপকতা থকা উপ-বজাৰত বিভক্ত হ'ব লাগিব (দৰ স্থিতিস্থাপকতাৰ ধাৰণাৰ বিষয়ে অধ্যায়-৩ত ইতিমধ্যে আলোচনা কৰা হৈছে)।
- এটা উৎপাদিত পণ্যৰ ক্রেতাই উৎপাদিত পণ্যটো অন্য এজন ক্রেতাক পুনৰ বিক্রী কৰি দিব নোৱাৰে, বা উপ-বজাৰসমূহ এখন আনখনৰ পৰা পৃথক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত দিয়া বাক্যবোৰ শুদ্ধ নে অশুদ্ধ লিখক—

ক) দৰ বিভেদীকৰণ চাৰি প্রকাৰৰ। (শুদ্ধ/অশুদ্ধ)

খ) যাতায়াত ব্যয়ৰ পার্থক্যৰ বাবে দুখন পৃথক বজাৰত একেটা উৎপাদিত পণ্যৰ দৰ বেলেগ বেলেগ হোৱাটোকে দৰ বিভেদীকৰণ বোলে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ খালী ঠাই পূৰ কৰক—

ক) 'মোনোপলি' (Monopoly) শব্দটো দুটা গ্রীক শব্দ মোনোচ পোলেন (Monos Polein)ৰ পৰা আহিছে যাৰ অর্থ হ'ল .....।

খ) 'ডি ইকোনমিক্স অৱ ৱেলফেৰ'ৰ লেখক .....।

গ) দৰ বিভেদীকৰণৰ প্রথম মাত্রাটোৰ অন্য নাম হ'ল .....।

প্রশ্ন নং ৩ ঃ দ্বিতীয় মাত্রাৰ দৰ বিভেদীকৰণ কেতিয়া উদ্ভৱ হয়? কেইটামান উদাহৰণ উল্লেখ কৰক (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

১১.৪ একচেটিয়া ক্ষমতা ঃ ধাৰণা আৰু পৰিমাপ

ওপৰৰ আলোচনাৰ ভিত্তিত আমি ক'ব পাৰোঁ যে, যদি কোনো এক প্রতিষ্ঠানে বজাৰলৈ বিক্রীৰ বাবে উলিয়াই দিয়া কোনো এক সামগ্রীৰ পৰিমাণ নিয়ন্ত্রণ কৰি সামগ্রীবিধৰ বজাৰ দৰৰ তাৰতম্য কৰিব পাৰে, তেতিয়া হ'লে সেই প্রতিষ্ঠানটোৰ একচেটিয়া ক্ষমতা আছে। গতিকে, একচেটিয়া ক্ষমতা (Monopoly Power) ধাৰণাটো প্রতিষ্ঠান এখনৰ কোনো এবিধ সামগ্রীৰ বজাৰলৈ বিক্রীৰ বাবে উলিয়াই দিয়া পৰিমাণ আৰু সামগ্রীবিধৰ দৰ নির্দ্ধাৰণৰ ক্ষেত্রত থকা

সক্ষমতাৰ সৈতে জড়িত। এই অর্থত, একচেটিয়া ক্ষমতাৰ মাত্রাটো একচেটিয়া প্রতিষ্ঠানখনে বজাৰলৈ বিক্রীৰ বাবে উলিয়াই দিয়া যোগান আৰু দৰ নির্দ্ধাৰণৰ ক্ষেত্রত কিমান পৰিমাণে নিজৰ কর্তৃত্ব সাব্যস্ত কৰিব পাৰে, তাৰ ওপৰত নির্ভৰশীল।

একচেটিয়া ক্ষমতা পৰিমাপ কৰাৰ কেইবাটিও কৌশল আছে। তাৰ ভিতৰত লার্ণাৰ সূচক (Lerner Index), দৰ বিভেদীকৰণৰ ভিত্তিত একচেটিয়া ক্ষমতাৰ পৰিমাপ, মুনাফাৰ হাৰৰ ভিত্তিত একচেটিয়া ক্ষমতাৰ পৰিমাপ, কেন্দ্রীকৰণ অনুপাত (Concentration Ratio)ৰ ভিত্তিত একচেটিয়া ক্ষমতাৰ পৰিমাপ, হার্ফফিণ্ডাহ্‌ল সূচক (Herfindahl Index) আদি উল্লেখযোগ্য। এইসমূহৰ ভিতৰত আমি দুটা কৌশলৰ কথা বহলাই আলোচনা কৰিম — লার্ণাৰ সূচক আৰু মুনাফাৰ হাৰৰ ভিত্তিত একচেটিয়া ক্ষমাতাৰ পৰিমাপ।

লার্ণাৰ সূচক (Lerner Index)ঃ আমি আটায়ে জানোঁ যে, একচেটিয়া প্রতিষ্ঠান এখনৰ মৌলিক বৈশিষ্ট্যটো হৈছে সামগ্রীবিধৰ উৎপাদনৰ প্রন্তিক ব্যয় (Marginal Cost)তকৈ অধিক হাৰত বিক্রী দৰ (Price) নির্দ্ধাৰণ কৰাৰ ক্ষমতা। এই কথাটোৰ ওপৰত ভিত্তি কৰি আব্বা লার্ণাৰ (Abba Lerner) নামৰ অর্থবিজ্ঞানীজনে এই কৌশলটো আগবঢ়াইছিল— যাক লার্ণাৰ সূচক বোলা হয়।

লার্ণাৰ সূচকটি এনেদৰে সংজ্ঞায়িত কৰা হয় ঃ (দৰ – প্রান্তিক ব্যয়)/দৰ, কথাষাৰ ভালদৰে মন কৰক। কোনো এক প্রতিষ্ঠানৰ সর্বাধিক লাভ অর্জন মানে হ'ল MC (প্রান্তিক ব্যয়) = MR। আকৌ, দৰ আৰু গড় আয় (AR) একেই। গতিকে, লার্ণাৰ সূচকটি এনেদৰেও লিখিব পাৰি—

(AR – MR)/AR

অর্থাৎ, লার্ণাৰ এই সূচকটি দৰাচলতে একচেটিয়া ক্ষমতাৰ এক পৰিমাপহে, আন একো নহয়।

মন কৰিব, পূর্ণ প্রতিযোগিতামূলক বজাৰত MC = MR = AR সেয়ে, একচেটিয়া ক্ষমতা শূন্য।

কিন্তু, একচেটিয়া বজাৰত প্রান্তিক আয় (MR) গড় আয় (AR)তকৈ কম। গতিকে, প্রান্তিক ব্যয় (MC) গড় আয় (AR)তকৈ কম; অর্থাৎ, MC < AR। গতিকে, একচেটিয়া বজাৰত লার্ণাৰ সূচকৰ মান শূন্য নহয়। দৰাচলতে, একচেটিয়া বজাৰত লার্ণাৰ সূচকৰ মান যিমানেই বেছি হ'ব, একচেটিয়া ক্ষমতাত সিমানেই আধিক হ'ব।

উল্লিখিত লার্ণাৰ সূচক ধাৰণাটিৰ পৰা সামগ্রীবিধৰ চাহিদাৰ স্থিতিস্থাপকতা আৰু প্রতিষ্ঠানটোৰ একচেটিয়া ক্ষমতাৰ মাজত সম্পর্ক দেখুৱাব পাৰি। আমি ক'ব পাৰো যে, সামগ্রীবিধৰ চাহিদাৰ স্থিতিস্থাপকতা যিমানেই বেছি হ'ব, প্রতিষ্ঠাটোৰ একচেটিয়া ক্ষমতা সিমানেই কম হ'ব; বিপৰীতার্থত ওলোটাটো হ'ব। তাত্ত্বিক ফালৰ পৰা চাবলৈ গ'লে, লার্ণাৰ সূচক ধাৰণাটি খুব উজু, কিন্তু দৰাচলতে প্রয়োগিক ক্ষেত্রত জটিল। লার্ণাৰ সূচকটিক প্রান্তিক ব্যয়তকৈ অতিৰিক্ত দৰ আদায় কৰিব পৰা একচেটিয়া ক্ষমতা হিচাপেও জনা যায়।

মুনাফাৰ হাৰৰ ভিত্তিত একচেটিয়া ক্ষমতাৰ পৰিমাপ ঃ আমি আটায়ে জানোঁ যে, পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ তুলনাত একচেটিয়া প্ৰতিষ্ঠান এটাই অধিক মুনাফা আদায় কৰিব পাৰে। একচেটিয়া বজাৰৰ বৈশিষ্ট্যসমূহ জুকিয়াই চালেই এটা কথা ওলাই পৰে— একচেটিয়া প্ৰতিষ্ঠান এটাই অস্বাভাৱিক লাভ (Super-Normal Profit) আদায় কৰিব পাৰে, যিটো পূৰ্ণ প্ৰতিযোগিতা-মূলক বজাৰত সম্ভৱপৰ নহয়। প্ৰতিষ্ঠানটোৰ একচেটিয়া ক্ষমতা যিমানেই বেছি হ'ব মুনাফাৰ হাৰো তেনেদৰে বৃদ্ধি পাব। আপাততঃ ধাৰণাটি অতি সৰল যেন লাগিলেও প্ৰয়োগৰ ক্ষেত্ৰত কিন্তু বৰ জটিল। ইয়াৰ মূল ধাৰণাটো হ'ব অস্বাভাৱিক লাভ (Super-Normal Profit)ৰ পৰিমাণটি জানিবলৈ হ'লে আমি প্ৰথমে স্বাভাৱিক লাভ (Normal Profit)ৰ পৰিমাণটি জানিব লাগিব। অৰ্থবিজ্ঞানত স্বাভাৱিক লাভৰ হাৰ কি হোৱা উচিত, সেই সম্পৰ্কে সদায়েই এক বিতৰ্ক বিদ্যমান।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

ক) লাৰ্ণাৰ সূচক সামগ্ৰী এবিধৰ চাহিদাৰ স্থিতিস্থাপকতাৰ ওপৰত নিৰ্ভৰ কৰি প্ৰতিষ্ঠাটোৰ একচেটিয়া ক্ষমতা পৰিমাপ কৰে। (শুদ্ধ/অশুদ্ধ)

খ) একচেটিয়া বজাৰত গড় আয়তকৈ প্ৰান্তিক আয় অধিক। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৫ ঃ লাৰ্ণাৰ সূচক কি? এই ধাৰণাটি কোনে অৱতাৰণা কৰিছিল? (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- একচেটিয়া বজাৰ খনক আমি এনেকুৱা এখন বজাৰ ৰূপে বৰ্ণনা কৰিব পাৰোঁ য'ত সামগ্ৰীবিধৰ কেৱল মাত্ৰ এজনেই যোগানকাৰী থাকে, আৰু য'ত সামগ্ৰীবিধৰ কোনো নিকট বিকল্প সামগ্ৰী নাই।
- একচেটিয়া বজাৰৰ এক বিশেষ বৈশিষ্ট্য হৈছে দৰ বিভেদীকৰণ। যেতিয়া এটা প্ৰতিষ্ঠানে কোনো এক সামগ্ৰীৰ বাবদ বেলেগ বেলেগ উপভোক্তাৰ পৰা বেলেগ বেলেগ দৰ আদায় কৰে (দৰৰ পাৰ্থক্য যেতিয়া ব্যয়ৰ পাৰ্থক্যৰ বাবে উদ্ভূত নহয়), তাকে দৰ বিভেদীকৰণ বোলা হয়।

- একচেটিয়া ক্ষমতা ধাৰণাটি প্ৰতিষ্ঠান এখনৰ কোনো এবিধ সামগ্ৰীৰ বজাৰলৈ বিক্ৰীৰ বাবে উলিয়াই দিয়া পৰিমাণ আৰু সামগ্ৰীবিধৰ দৰ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত থকা সক্ষমতাৰ সৈতে জড়িত।
- একচেটিয়া ক্ষমতা পৰিমাপ কৰাৰ কেইবাটাও কৌশল আছে। লাৰ্ণাৰ সূচক তাৰ ভিতৰত অন্যতম। (AR – MC) / AR লাৰ্ণাৰ সূচকটি এনেদৰে সংজ্ঞায়িত কৰা হয়। একচেটিয়া বজাৰত প্ৰান্তিক আয় = প্ৰান্তিক ব্যয়। সেয়ে, লাৰ্ণাৰ সূচকটি এনেদৰে প্ৰকাশ কৰিব পাৰি— (AR – MR) / AR
- মুনাফা আদায়ৰ হাৰৰ ভিত্তিতো একচেটিয়া ক্ষমতা পৰিমাপ কৰিব পাৰি। প্ৰতিষ্ঠাটোৰ একচেটিয়া ক্ষমতা যিমানেই বেছি হ'ব, মুনাফা হাৰৰ আদায়ো তেনেদৰে অধিক হ'ব।



১১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) আলম, ড° খুৰছেদ; হুদা, ড° মণিৰুল আৰু শৰ্মা, ড° অৰ্চনা (২০০৪); *স্নাতক মহলাৰ অৰ্থতত্ত্ব (ব্যষ্টিবাদী অৰ্থবিজ্ঞান)* ষষ্ঠ সংস্কৰণ; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'ৰছ্।

২) গোস্বামী, ড° অতুল (২০০৫); *স্নাতক মহলাৰ অৰ্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অৰ্থনৈতিক তত্ত্ব)* সপ্তম সংস্কৰণ; ডিব্ৰুগড় ঃ ষ্টুডেণ্টছ এম্প'ৰিয়াম।

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics;* New Delhi: S. Chand & Co. Ltd.

2) Chopra, P.N. (2008); *Micro Economics*; Ludhiana: Kalyani Publishers.

3) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.

4) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.

5) Maddala, G.S. and Miller, E. (2004); *Microeconomic – Theory and Applications*; New Delhi: Tata Mc-Graw Hill.

6) Pindyck, R.S. and Rubinfeld, D. L. (2006); *Microeconomics*; New Delhi: Prentice-Hall India.

7) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Co. Ltd.

১১.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) অশুদ্ধ

২নং প্রশ্নৰ উত্তৰ ঃ ক) বিক্রী কৰিবলৈ অকলশৰীয়া, খ) এ. চি. পিগু, গ) পূর্ণ দৰ বিভেদীকৰণ

৩নং প্রশ্নৰ উত্তৰ ঃ দৰ বিভেদীকৰণৰ দ্বিতীয় মাত্রা তেতিয়া উদ্ভৱ হয়, যেতিয়া উৎপাদিত পণ্যৰ বিভিন্ন বর্গ বা গোটৰ বাবে একচেটিয়া বিক্রেতাজনে বিভিন্ন দৰ নির্ধাৰণ কৰিব পাৰে। উদাহৰণ স্বৰূপে বিভিন্ন দৰৰ ওপৰত ভিত্তি কৰি আমি মাহেকীয়া বৈদ্যুতিক বিল (Electricity Bills) পৰিশোধ কৰিব লগীয়া হয়। উপভোক্তাই খৰচ কৰা বিদ্যুতৰ অনুপাতে সেই পৰিমাণৰ দৰ পৰিশোধ কৰিব লগীয়া হয়। ধৰি লওঁক প্রথম ১০০ একক বিদ্যুতৰ বাবে আমি এমাহত ২ টকাকৈ ভৰিব লগীয়া হয়। আকৌ, এটা উচ্চ দৰ, ধৰি লওঁক ২.৫০ টকা ইয়াৰ পৰৱর্তী একক সমূহৰ বাবে দিবলগীয়া হ'ব পাৰে (১০১ এককৰ পৰা এটা নির্দিষ্ট সীমালৈকে)।

৪নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) অশুদ্ধ

৫নং প্রশ্নৰ উত্তৰ ঃ একচেটিয়া ক্ষমতা পৰিমাপ কৰাৰ কেইবাটাও কৌশল আছে। লার্ণাৰ সূচক তাৰ ভিতৰত অন্যতম। (AR – MC) / AR লার্ণাৰ সূচকটি এনেদৰে সংজ্ঞায়িত কৰা হয়। একচেটিয়া বজাৰত প্রান্তিক আয় = প্রান্তিক ব্যয়। সেয়ে, লার্ণাৰ সূচকটি এনেদৰেও প্রকাশ কৰিব পাৰি। আব্বা লার্ণাৰে এই সূচকটি পোন প্রথমে ব্যৱহাৰ কৰিছিলে।



১১.৮ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন (৭৫টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক) ঃ

প্রশ্ন নং ১ ঃ দৰ বিভেদীকৰণৰ ধাৰণা আলোচনা কৰক।

প্রশ্ন নং ২ ঃ দৰ বিভেদীকৰণৰ বিভিন্ন মাত্রা কি কি?

প্রশ্ন নং ৩ ঃ অতিৰিক্ত উৎপাদন ক্ষমতা বুলিলে কি বুজে? কি কাৰণে এই অতিৰিক্ত উৎপাদন ক্ষমতা উদ্ভৱ হয়?

খ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্রশ্ন নং ১ ঃ দীর্ঘ কালত একচেটিয়া বজাৰৰ অন্তর্গত প্রতিষ্ঠানে কি দৰে ভাৰসমতা লাভ কৰে বর্ণনা কৰক।

প্রশ্ন নং ২ ঃ একচেটিয়া ক্ষমতা ধাৰণাটি আলোচনা কৰক। লার্ণাৰ সূচকৰ সহায়ত একচেটিয়া ক্ষমতা কেনেদৰে পৰিমাপ কৰিব পাৰি দেখুৱাওক।

*** ***** ***

অধ্যায় ১২ ঃ বজাৰ গাঁথনি ঃ অপূর্ণ প্রতিযোগিতামূলক বজাৰ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ একাধিকাৰ প্রতিযোগিতামূলক বজাৰ ঃ সংজ্ঞা আৰু অভিধাৰণা
১২.৪ সামগ্রী পৃথকীকৰণ আৰু বিক্রী ব্যয়
১২.৫ অল্পাধিকাৰ আৰু দ্বয়াধিকাৰ বজাৰৰ ধাৰণা
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্রগতিৰ খতিয়ান
১২.৯ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ সংজ্ঞা আগবঢ়াব পাৰিব আৰু ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- এই বজাৰৰ দৰ আৰু উৎপাদন নির্দ্ধাৰণৰ প্রক্রিয়া বর্ণনা কৰিব পাৰিব আৰু লগতে থূপ এটাই কেনেদৰে ভাৰসমতা অর্জন কৰে, সেয়া ব্যাখ্যা কৰিব পাৰিব
- সামগ্রী পৃথকীকৰণ আৰু বিক্রী ব্যয় ধাৰণাকেইটা আলোচনা কৰিব পাৰিব
- অল্পাধিকাৰ বজাৰ আৰু দ্বয়াধিকাৰ বজাৰৰ অর্থ আৰু বৈশিষ্ট্যসমূহ উল্লেখ কৰিব পাৰিব।

১২.২ পৰিচয়

ইতিপূর্বে আমি দ্বিতীয় আৰু তৃতীয় অধ্যায়ত পূর্ণ প্রতিযোগিতামূলক বজাৰ আৰু একচেতিয়া বজাৰ সম্পর্কে আলোচনা কৰি আহিছো। এই অধ্যায়টিত প্রধানতঃ একাধিকাৰ প্রতিযোগিতামূলক বজাৰ (Monopolistic Competition) সম্পর্কে আলোচনা কৰা হৈছে। তদুপৰি, অল্পাধিকাৰ বজাৰ (Oligopoly) আৰু দ্বয়াধিকাৰ বজাৰ (Duopoly) সম্পর্কেও এক চমু পৰিচয় দাঙি ধৰা হৈছে। এই অধ্যায়টিত আমি একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ অন্তর্গত এটা ব্যৱসায় প্রতিষ্ঠানে বা এটা থূপে (Group of Individual Firms) কেনেদৰে ভাৰসমতা লাভ কৰে সেয়া আলোচনা কৰিম। সামগ্রী পৃথকীকৰণৰ ধাৰণাটিৰ লগতে বিক্রী ব্যয়ৰ ভূমিকা সম্পর্কেও আলোচনা কৰিম। তদুপৰি, অল্পাধিকাৰ বজাৰ আৰু দ্বয়াধিকাৰ বজাৰ সম্পর্কেও থোৰতে আলোচনা কৰা হৈছে।

১২.৩ একাধিকাৰ প্রতিযোগিতামূলক বজাৰ ঃ সংজ্ঞা আৰু অভিধাৰণা

ইতিমধ্যে আমি আলোচনা কৰি অহা দুই ধৰণৰ চৰম বজাৰ অর্থাৎ পূর্ণ প্রতিযোগিতামূলক বজাৰ আৰু একচেটিয়া বজাৰৰ মধ্যৱর্তী স্তৰটো হ'ল একাধিকাৰ প্রতিযোগিতামূলক বজাৰ (Monopolistic Competition)। পোন প্রথমবাৰৰ বাবে ই. এইচ. চেম্বাৰলিন্ (E. H. Chamberlin)এ তেওঁৰ গ্রন্থ "ডি থিঅ'ৰি অব মোনোপলিষ্টিক্ কম্পিটিশ্যন্" (The Theory of Monopolistic Competition)ত একাধিকাৰ প্রতিযোগিতামূলক বজাৰ শব্দটো ব্যৱহাৰ কৰিছিল। একাধিকাৰ প্রতিযোগিতামূলক বজাৰ বুলিলে সেইটো বজাৰ গাঁথনিৰ কথা বুজোৱা হয় য'ত বহুত প্রতিষ্ঠানে এনে উৎপাদিত পণ্য বিক্রী কৰে যিবিলাক খুব নিকট বিকল্প, কিন্তু পণ্যসমূহ সম্পূর্ণ একে নহয়। আমি ইতিমধ্যে আলোচনা কৰি অহা অন্য দুবিধ বজাৰ গাঁথনিৰ তুলনাত এই বিধ বজাৰ গাঁথনি অধিক বাস্তৱ। এইবিধ বজাৰ গাঁথনিৰ অভিধাৰণা সমূহ হ'ল ঃ

- **যথেষ্ট সংখ্যক বিক্রেতা আৰু ক্রেতা ঃ** এইটো একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ প্রথম অভিধাৰণা। যথেষ্ট সংখ্যক প্রতিষ্ঠান/বিক্রেতাৰ উপস্থিতিয়ে এইটো সূচায় যে প্রত্যেক গৰাকী বিক্রেতাই বজাৰ চাহিদাৰ এটা ক্ষুদ্র অংশৰহে যোগান ধৰিব পাৰে। তদুপৰি বজাৰত বিক্রেতাসকল তীব্র প্রতিযোগিতাৰ সন্মুখীন হয়।
- **পৃথকীকৃত কিন্তু নিকট বিকল্প সামগ্রী ঃ** একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ অন্তর্গত উৎপাদনকাৰীয়ে পৃথকীকৃত পণ্য উৎপাদন কৰে। এগৰাকী বিশেষ উৎপাদনকাৰীৰ উৎপাদিত পণ্য অন্যান্য উৎপাদনকাৰীৰ উৎপাদিত পণ্যৰ নিকট বিকল্প হয়, যদিও কোনো বিশেষ উৎপাদনকাৰী এজনৰ পণ্যবিধি আন উৎপাদনকাৰীৰ পণ্যৰ পৰা পৃথক।
- **বজাৰত ইচ্ছা অনুযায়ী প্রৱেশ আৰু প্রস্থান কৰিব পাৰি ঃ** বজাৰত ইচ্ছানুযায়ী প্রবেশ আৰু প্রস্থান কৰিব পৰাটো একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ অন্য এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য। যদিওবা এই বৈশিষ্ট্যটো পূর্ণ প্রতিযোগিতামূলক বজাৰৰ বৈশিষ্ট্যৰ লগত সাদৃশ্যপূর্ণ, প্রায়োগিক দিশৰ পৰা কিন্তু বেলেগ; কাৰণ, পূর্ণ প্রতিযোগিতাত উদ্যোগখণ্ডত নতুনকৈ প্রবেশ কৰা প্রতিষ্ঠান এটাই উদ্যোগখণ্ডত আগৰ পৰাই অৱস্থিতি থকা উৎপাদিত পণ্যৰ সম্পূর্ণ সদৃশ (Homogeneous) পণ্য উৎপাদন কৰিব লাগিব। কিন্তু একাধিকাৰ প্রতিযোগিতামূলক বজাৰত, নতুন প্রতিষ্ঠানসমূহে বজাৰত নতুন পণ্য মুকলি কৰি দিব পাৰে। প্রতিষ্ঠিত ***মার্কা***ৰ পণ্যৰ লগত এনে ধৰণৰ পণ্যই প্রতিযোগিতাৰ সন্মুখীন হ'বলগীয়া হ'ব পাৰে।
- **বিক্রী ব্যয় ঃ** একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ অন্তর্গত প্রত্যেকটো প্রতিষ্ঠানে ইয়াৰ উৎপাদিত পণ্যৰ প্রচলন আৰু প্রসাৰৰ ক্ষেত্রত ব্যক্তিগত বিক্রী ব্যয় (প্রচাৰৰ ব্যয়, ইত্যাদি) বহন কৰি নিজৰ সামগ্রীবিধৰ প্রতি গ্রাহকক আকর্ষণ কৰিব পাৰে।
- **অপূর্ণ জ্ঞান ঃ** বিভিন্ন বিক্রেতাৰ উৎপাদিত পণ্যৰ বিষয়ে উপভোক্তাসকলৰ যথেষ্ট জ্ঞান নথকাটো এই বজাৰ গাঁথনিৰ অন্য এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য। এইটো গুৰুত্বপূর্ণ,



মার্কা (Brand Name) ঃ এইটো এই উৎপাদিত পণ্যৰ নাম বা পৰিচয় চিহ্ন যিটোৱে পণ্যবিধক নিজৰ প্রতিযোগীসমূহৰ পৰা পৃথক পৰিচয় প্রদান কৰে।

কাৰণ, দুজন পৃথক বিক্রেতাৰ দ্বাৰা উৎপাদিত পণ্য গুণৰ আধাৰত সদৃশ হ'লেও উপভোক্তাক উৎপাদিত পণ্যৰ প্রতি আকৃষ্ট কৰিবলৈ একাধিকাৰ প্রতিযোগিতাৰ প্রতিষ্ঠানসমূহে সেই সমূহৰ মাজতে কিছুমান কাল্পনিক পার্থক্য (Variablity) দেখুৱাবলৈ চেষ্টা কৰে। এইটো তেতিয়া সম্ভৱ হয় যেতিয়া বিভিন্ন বিক্রেতাৰ উৎপাদিত পণ্যৰ বিষয়ে উপভোক্তাৰ পূর্ণ জ্ঞান নাথাকে।

একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ বৈশিষ্ট্যসমূহ ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰখন কাল্পনিক বুলি কোৱাৰ বিপৰীতে একাধিকাৰ প্রতিযোগিতামূলক বজাৰখন বাস্তৱিক বুলি কোৱা হয়। একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ গুৰুত্বপূর্ণ বৈশিষ্ট্যসমূহ এনেধৰণৰ—

- **বৃহৎ সংখ্যক প্রতিষ্ঠান ঃ** একাধিকাৰ প্রতিযোগিতামূলক বজাৰত বৃহৎ সংখ্যক ব্যৱসায় প্রতিষ্ঠান থাকে। বৃহৎ সংখ্যক বুলি কওঁতে বজাৰখনত ১০০০ বা ২০০০ ব্যৱসায় প্রতিষ্ঠান থকাটো বুজোৱা হোৱা নাই। আনকি ২৫, ৪০, ৫০ বা ৬০ খন ব্যক্তিগত প্রতিষ্ঠান থাকিলেও উদ্যোগটোত বৃহৎ সংখ্যক ব্যৱসায় প্রতিষ্টান থকা বুলি ধৰি লোৱা হ'ব।

  উদ্যোগটোত বৃহৎ সংখ্যক প্রতিষ্ঠানৰ উপস্থিতি বিশেষ কাৰণত গুৰুত্বপূর্ণ। *প্রথম* কথাটো হ'ল—উদ্যোগটোত বৃহৎ সংখ্যক প্রতিষ্ঠান থকাৰ ফলত কোনো এক ব্যক্তিগত প্রতিষ্ঠানে তাৰ সামগ্রীৰ দৰ নির্দ্ধাৰণ কৰোতে সীমিত ক্ষমতাহে লাভ কৰে। *দ্বিতীয়* কথাটো হ'ল—উদ্যোগটোত প্রতিষ্ঠিত প্রতিষ্ঠানসমূহে নিজৰ মাজতে কোনো থূপ বা গোট (Group) গঠন কৰি সামগ্রীবিধৰ দৰ নির্দ্ধাৰণৰ ক্ষেত্রত বা বজাৰলৈ উলিয়াই দিয়া যোগানৰ পৰিমাণ নিয়ন্ত্রণৰ ক্ষেত্রত কোনো ধৰণৰ প্রভাৱ বিস্তাৰ কৰিব পৰা কথাটো নুই কৰিব পাৰি।
- **সামগ্রী পৃথকীকৰণ** (Product Differentiation) ঃ আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে, একাধিকাৰ প্রতিযোগিতামূলক বজাৰত ব্যৱসায় প্রতিষ্ঠানসমূহে একেধৰণৰ (Identical) কিন্তু পৃথকীকৃত (Differentiated) উৎপাদন কৰে, যিবোৰ এটা আনটোৰ নিকট বিকল্প (close substitutes)। ১২.১নং চিত্রটিলৈ মন কৰক।
- **নিকট বিকল্প সামগ্রী** (Close Substitutes) ঃ আগতে কৈ আহিছোঁ যে, একাধিকাৰ প্রতিযোগিতামূলক বজাৰত উপলব্ধ সামগ্রীসমূহ একেধৰণৰ, যদিও পৃথকীকৃত। গতিকে, তেনে সামগ্রীসমূহৰ এটা আনটোৰ নিকট বিকল্প। ১২.১নং চিত্রটিৰ পৰা এয়া স্পষ্ট। দৰাচলতে, এই কথাটোৰ বাবে আমি বেছিভাগেই নতুন মার্কা (brand)ৰ সামগ্রী ব্যৱহাৰ কৰিবলৈ ভাল পাওঁ। ধৰা হ'ল, গ্রাহক এজনে কিছুদিন ধৰি Dabur Herbal Toothpasteটো ব্যৱহাৰ কৰি আহিছে; পিছৰবাৰ তেওঁ আন মার্কাৰ কোনো টুথপেষ্ট ব্যৱহাৰ কৰি চাব পাৰে।
- **বিক্রী ব্যয়** (Selling Cost) ঃ একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ আন এটা বৈশিষ্ট্য হৈছে বিক্রী ব্যয়। ইয়াৰ অর্থ এয়ে যে, অধিক সংখ্যক উপভোক্তাক আকর্ষণ কৰাৰ বাবে কোনো এক প্রতিষ্ঠানে বিশেষ প্রচাৰমূলক আঁচনি (Promotional Scheme) হাতত

ল'ব পাৰে। ওপৰত উল্লেখ কৰা ৪.১নং চিত্রটিত দেখা গৈছে যে, Neem Active মার্কাৰ টুথপেষ্টত ২৫% অধিক (১০০ গ্রামৰ ঠাইত ১২৫ গ্রাম) আগবঢ়োৱা হৈছে।

চিত্র নং ১২.১ ঃ কেইটামান নির্বাচিত নিমযুক্ত টুথপেষ্ট ব্রেণ্ড



অনুশীলনী ১২.১

আপুনি দৈনন্দিন প্রায়েই বাতৰিকাকত, টেলিভিছন বা আন প্রচাৰ মাধ্যমত বিজ্ঞাপন দেখিবলৈ পায়। যিকোনো এবিধ সামগ্রীৰ বিজ্ঞাপনসমূহ সংগ্রহ কৰক। এই বিজ্ঞাপনবোৰৰ ক্ষেত্রত আপোনাৰ মতামত কেনেধৰণৰ? বিজ্ঞাপনসমূহ গ্রহণযোগ্য হয় নে, নে গ্রাহকসকলক কেৱল আকর্ষণ কৰাৰ বা মূর্খ বনোৱাৰ কৌশলহে নেকি? আকৌ, মন কৰক— আন বিকল্প মার্কাবোৰেও কোনো প্রতিদ্বন্দ্বিতামূলক বিজ্ঞাপন আৰম্ভ কৰিছে নেকি? যদি কৰিছে, কিয়, ব্যাখ্যা কৰক।

.....

.....

.....

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

ক) একাধিকাৰ প্রতিযোগিতামূলক বজাৰত বৃহৎ সংখ্যক প্রতিষ্ঠান থাকে আৰু প্রতিষ্ঠানবোৰ এখন আনখনৰ ওপৰত নির্ভৰশীল।

(শুদ্ধ/অশুদ্ধ)

খ) একাধিকাৰ প্রতিযোগিতামূলক বজাৰত প্রতিষ্ঠান এখনে দৰ নির্দ্ধাৰণ কৰোঁতে আনৰ ওপৰত নির্ভৰশীল নহয়। (শুদ্ধ/অশুদ্ধ)

গ) বিক্রী ব্যয় হৈছে বিজ্ঞাপন ব্যয় বা আন কোনো প্রচাৰমূলক কার্যৰ সৈতে জড়িত ব্যয়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ উপভোক্তাসকলৰ অপূর্ণ জ্ঞানৰ ফলত একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ অধীনস্থ প্রতিষ্ঠান এখন কেনেদৰে লাভান্বিত হয়? (৪০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

১২.৪ সামগ্রী পৃথকীকৰণ আৰু বিক্রী ব্যয়

সামগ্রী পৃথকীকৰণ ঃ একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰোঁতে আমি উল্লেখ কৰি আহিছোঁ যে, সামগ্রীৰ পৃথকীকৰণ হৈছে এই বজাৰৰ এক মুখ্য বৈশিষ্ট্য। দৰাচলতে, এই বৈশিষ্ট্যটোৰ বাবেই এই বজাৰ ব্যৱস্থাটো পূর্ণ প্রতিযোগিতামূলক বজাৰৰ তুলনাত পৃথক। অন্যথা, পূর্ণ প্রতিযোগিতামূলক বজাৰৰ সৈতে এই বজাৰ ব্যৱস্থাটোৰ বিশেষ প্রভেদ নাই। গতিকে, এই দুই বজাৰ ব্যৱস্থাৰ মাজৰ প্রধান পার্থক্যটো হৈছে— একাধিকাৰ প্রতিযোগিতামূলক বজাৰত বিভিন্ন প্রতিষ্ঠানৰ সামগ্রীসমূহ ভিন্ ভিন্; কিন্তু পূর্ণ প্রতিযোগিতামূলক বজাৰত বিভিন্ন প্রতিষ্ঠানৰ সামগ্রীসমূহ সমগুণসম্পন্ন।


আমি এয়াও উল্লেখ কৰি আহিছোঁ যে, একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ বিভিন্ন প্রতিষ্ঠানৰ সামগ্রীসমূহ সমগুণসম্পন্ন (Homogeneous) নহয় যদিও সামগ্রীসমূহ কিন্তু এটা আনটোৰ নিকট বিকল্প (Close Substitutes)। সেই হেতুকে এই বজাৰৰ অধীনস্থ প্রতিষ্ঠানবোৰে নিজৰ সামগ্রীবিধ আন প্রতিষ্ঠানৰ সামগ্রীৰ তুলনাত পৃথক প্রতিপন্ন কৰিবলৈ পূৰামাত্রাই প্রয়াস কৰে। এখন প্রতিষ্ঠানৰ সামগ্রীসমূহ আন প্রতিষ্ঠানৰ সামগ্রীতকৈ পৃথক বুলি কওঁতে এযাৰ কথা মন কৰিব লাগিব যে, যদিওবা প্রতিষ্ঠান এখনে ইয়াৰ সামগ্রীবিধ আন প্রতিষ্ঠানৰ সামগ্রীৰ তুলনাত পৃথক বা উন্নতৰূপে উপস্থাপন কৰিব বিচাৰে, দৰাচলতে কিন্তু সেই পার্থক্যখিনি প্রকৃত বা প্রতীয়মান পার্থক্য হ'ব পাৰে। *প্রকৃত পৃথকীকৰণ* (Real Differentiation)ৰ অর্থ হৈছে প্রতিষ্ঠানৰ সামগ্রীবিধ আন প্রতিষ্ঠানৰ সামগ্রীৰ তুলনাত গঠন (Physical) বা উপাদান (Composition)ৰ ক্ষেত্রত নাইবা দেখাতো বেলেগ হ'ব পাৰে। আনহাতে, প্রতিষ্ঠানটোৰ সামগ্রীবিধ আন প্রতিষ্ঠানৰ সামগ্রীৰ তুলনাত বিশেষভাৱে বেলেগ নহ'লেও প্রতিষ্ঠানটোৱে আকর্ষণীয় আচ্ছাদন (Packaging)ৰ সহায়ত, বা আন কোনো বিপণন (Marketing)ৰ কৌশলৰ

সহায়ত সামগ্রীবিধ আন প্রতিষ্ঠানৰ সামগ্রীৰ তুলনাত পৃথক বা উন্নত বুলি প্রতিপন্ন কৰিব খোজাকেই *প্রতীয়মান পৃথকীকৰণ* (Apparent Differentiation) বোলা হয়।

সামগ্রী এবিধ আন সামগ্রীৰ তুলনাত পৃথক বুলি দেখুৱাব পাৰিলে গ্রাহকসকল ইয়াৰ প্রতি বেছিকৈ আগ্রহী হয়। ইয়াৰ ফলস্বৰূপে, প্রতিষ্ঠানটোৱে বজাৰৰ ওপৰত বা সামগ্রীবিধৰ চাহিদাৰ ক্ষেত্রত অধিক নিয়ন্ত্রণ লাভ কৰে। সামগ্রীবিধৰ চাহিদা ৰেখাডালে প্রতিষ্ঠানটোৰ অনুকূলে গতি কৰে, আৰু সেয়ে ই অধিক নমনীয় হয় তথা ঊর্ধ্বমুখী গতি লাভ কৰে। প্রতিষ্ঠান এটাই ইয়াৰ নিজৰ চাহিদা ৰেখাডাল নিজেই সলনি কৰিব পৰাটোৱেই হৈছে একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ আটাইতকৈ গুৰুত্বপূর্ণ বৈশিষ্ট্য। আন কোনো বজাৰ গঠন (Market Structure)ৰ ক্ষেত্রত প্রতিষ্ঠান এখনে কেৱল উপভোক্তাৰ আচৰণৰ ওপৰত ভিত্তি কৰি সামগ্রী এবিধৰ চাহিদা প্রভাৱান্বিত কৰাটো দেখা নাযায়।

সামগ্রী পৃথকীকৰণৰ ফলস্বৰূপে প্রতিষ্ঠান এখনৰ চাহিদা ৰেখাডাল কেনে ধৰণে সলনি হয় সেয়া ১২.২নং চিত্রৰ সহায়ত দেখুওৱা হৈছে।

চিত্র নং ১২.২ ঃ ব্যৱসায় প্রতিষ্ঠান এখনৰ চাহিদা ৰেখা



১২.২নং চিত্রত দেখা গৈছে যে, প্রতিষ্ঠানটোৰ মূল চাহিদা ৰেখাডাল হৈছে dd। ধৰাহ'ল, এই চাহিদা ৰেখাডালৰ P_o দৰত প্রতিষ্ঠানটোৱে OQ_o পৰিমাণৰ সামগ্রী বিক্রী কৰিছে। সামগ্রী পৃথকীকৰণৰ ফলস্বৰূপে, প্রতিষ্ঠানটোৰ চাহিদা ৰেখাডাল ঊর্দ্ধমুখী গতি লাভ কৰাৰ লগতে অধিক নমনীয় (Flexible) হৈ পৰে। প্রতিষ্ঠানটোৰ নতুন চাহিদা ৰেখাডাল হৈছে dd_1। দেখা গৈছে যে, প্রতিষ্ঠানখনে গ্রাহকৰ পৰা পূর্বৰ P_o দৰ ল'ব বিচাৰিলে OQ_1 পৰিমাণৰ সামগ্রী বিক্রী কৰিব পাৰে। ইয়াৰ পৰিৱর্তে প্রতিষ্ঠানখনে যদি পূর্বৰ OQ_o পৰিমাণৰ সামগ্রী বিক্রী কৰিব বিচাৰে, তেতিয়া প্রতিষ্ঠানখনে পূর্বৰ তুলনাত অধিক দৰ P_1ত সামগ্রীখিনি বিক্রী কৰিব পাৰে। ঠিক তেনেদৰে প্রতিষ্ঠানটোৱে P_2 দৰত (P_0 তকৈ বেছি কিন্তু P_1তকৈ কম) OQ_2 পৰিমাণৰ (OQ_oতকৈ বেছি কিন্তু OQ_1তকৈ কম) সামগ্রী বিক্রী কৰিব পাৰে।

বিক্রী ব্যয় বা বিজ্ঞাপন ব্যয় ঃ একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ আন এটা বৈশিষ্ট্য হৈছে বিক্রী ব্যয় (Selling Cost) বা বিজ্ঞাপন ব্যয় (Advertising Cost)। দৰাচলতে ক'বলৈ গ'লে, সামগ্রীৰ পৃথকীকৰণ আৰু বিক্রী ব্যয় এই দুয়োটাৰ সহায়ত প্রতিষ্ঠান এখনে বজাৰৰ

চাহিদাৰ ওপৰত কিছু পৰিমাণে নিয়ন্ত্রণ সাব্যস্ত কৰিব পাৰে, বা চাহিদা ৰেখাডালৰ গঠনৰ ওপৰত প্রভাৱ বিস্তাৰ কৰিব পাৰে। এই দুয়োটাই পৰস্পৰৰ ওপৰত নির্ভৰশীল। যেতিয়াই বজাৰলৈ কোনো এবিধ বেলেগ সামগ্রী অনা হয়, তেতিয়া গ্রাহকক সেই সামগ্রীবিধনো আন সামগ্রীৰ তুলনাত কেনেদৰে পৃথক, সেই কথা জনাব লগীয়া হয়; আৰু তেতিয়াই বিজ্ঞাপনৰ সহায় লোৱা হয়। দৰাচলতে বিজ্ঞাপন হৈছে প্রতীয়মান পৃথকীকৰণৰ এক আহিলা। বজাৰত উপলব্ধ বিভিন্ন প্রতিষ্ঠানৰ সামগ্রীসমূহৰ পৰা নির্দিষ্ট প্রতিষ্ঠান এটাৰ সামগ্রীবিধ প্রকৃতার্থত পৃথক নহ'লেও কেৱল বিজ্ঞাপনৰ যোগেদিয়েই প্রতিষ্ঠানটোৱে তাৰ সামগ্রীবিধ আন সামগ্রীতকৈ পৃথক বুলি গ্রাহকক পতিয়ন নিয়াব পাৰে। গতিকে ক'ব পাৰি যে, সামগ্রীৰ পৃথিকীকৰণ আৰু বিজ্ঞাপনৰ অৱস্থিতি য'তেই দেখা যায়, সেয়াই হৈছে একাধিকাৰ প্রতিযোগিতামূলক বজাৰ। বিক্রী ব্যয়ৰ ফলত প্রতিষ্ঠানটোৰ সামগ্রীৰ উৎপাদন ব্যয় বৃদ্ধি পায়। আৰু সেই অতিৰিক্ত ব্যয়খিনি আদায় কৰিবৰ বাবে প্রতিষ্ঠানটোৱে সামগ্রীবিধৰ দৰ উচ্চহাৰত নির্ধাৰণ কৰে। গতিকে দেখা যায় যে, একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ শেষ ফলাফলটো হৈছে সামগ্রীসমূহৰ মাত্রাধিক দৰ আৰু সেই অতিৰিক্ত বোজাটো বহন কৰে উপভোক্তাসকলে।

১২.৫ অল্পাধিকাৰ আৰু দ্বয়াধিকাৰ বজাৰৰ ধাৰণা

আগৰ দ্বিতীয় আৰু তৃতীয় অধ্যায়ত আৰু এই অধ্যায়টিৰ প্রাৰম্ভিক আলোচনাত বজাৰৰ মূল গঠন (Structure), বিশেষকৈ, পূর্ণ প্রতিযোগিতামূলক বজাৰ, একচেটিয়া বজাৰ আৰু একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ বিষয়ে আলোচনা কৰি আহিছোঁ। আমি উল্লেখ কৰি আহিছোঁ— পূর্ণ প্রতিযোগিতামূলক বজাৰ হৈছে দৰাচলতে এক আদর্শ বজাৰ; বাস্তৱিকতে ইয়াৰ অস্তিত্ব নাযেই। এই বজাৰৰ বিপৰীত বজাৰ গাঁথনিটো হৈছে একচেটিয়া বজাৰ, য'ত কেৱল মাত্র এজনেই বিক্রেতা থাকে। আচলতে, একচেটিয়া বজাৰ কাচিৎহে দেখা পোৱা যায়; আমি সচৰাচৰ দেখা পোৱা বজাৰখন একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ লেখিয়া।

উল্লিখিত তিনিটা বজাৰ গঠনেই অর্থবিজ্ঞানত বহুলভাৱে আলোচিত। অৱশ্যে এই তিনি ধৰণৰ বজাৰৰ উপৰিও আন ধৰণৰ বজাৰো আছে। অল্পাধিকাৰ প্রতিযোগিতামূলক বজাৰ (Oligopoly) আৰু দ্বয়াধিকাৰ প্রতিযোগিতামূলক বজাৰ (Duopoly) তাৰ ভিতৰত অন্যতম। প্রথমতে অল্পাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ কথা আলোচনা কৰোঁ আহক। অল্পাধিকাৰ প্রতিযোগিতামূলক বজাৰখন খুব কম সংখ্যক বিক্রেতা/কোম্পানীৰ থূপে নিয়ন্ত্রণ কৰে। এনে ব্যৱসায়ী/কোম্পানীবোৰক অল্পাধিকাৰ প্রতিযোগী প্রতিষ্ঠান (Oligopolist) বুলি কোৱা হয়। গতিকে আমি ক'ব পাৰোঁ যে, অল্পাধিকাৰ প্রতিযোগিতামূলক বজাৰত এখনতকৈ অধিক ব্যৱসায়ী প্রতিষ্ঠান থাকে; অৱশ্যে এটা কথা ঠিক যে ব্যৱসায় প্রতিষ্ঠানৰ সংখ্যা পূর্ণ প্রতিযোগিতামূলক বজাৰৰ লেখিয়া অসংখ্য বা বৃহৎ সংখ্যক নহয়। এই বজাৰখন প্রায় একচেটিয়া বজাৰৰ লেখিয়া; এই বজাৰখনত প্রতিষ্ঠানসমূহৰ সৰু থূপটোৱে একত্রিতে বজাৰখনৰ সামগ্রীৰ যোগান নিয়ন্ত্রণ কৰে। বজাৰখনৰ প্রতিষ্ঠানৰ সংখ্যা সীমিত হোৱা হেতুকে এটা প্রতিষ্ঠানে আন এটা প্রতিষ্ঠানৰ

কাম-কাজ সম্পর্কে জ্ঞাত হোৱাটোৱেই স্বাভাৱিক; আৰু সেয়ে এটা প্রতিষ্ঠানৰ সিদ্ধান্তই আন প্রতিষ্ঠানসমূহৰ সিদ্ধান্তৰ ওপৰত যথেষ্ট প্রভাৱ বিস্তাৰ কৰে, বা প্রতিষ্ঠানটোৱে নিজে সিদ্ধান্ত গ্রহণ কৰিবৰ বেলাও আন প্রতিষ্ঠানৰ সিদ্ধান্তৰ ওপৰত নির্ভৰশীল হ'বলগীয়া হয়। সেয়ে, অল্পাধিকাৰ উদ্যোগীয়ে গুৰুত্বপূর্ণ সিদ্ধান্ত গ্রহণ কৰাৰ বেলিকা আন প্রতিষ্ঠানসমূহৰ প্রতিক্রিয়াকো লক্ষ্য কৰিবলগীয়া হয়।

অল্পাধিকাৰ বজাৰৰ অভিধাৰণাসমূহ ঃ অল্পাধিকাৰ প্রতিযোগিতামূলক বজাৰখন তলৰ অভিধাৰণাসমূহৰ ওপৰত প্রতিষ্ঠিত।

- **অল্প সংখ্যক প্রতিষ্ঠান ঃ** অল্পাধিকাৰ প্রতিযোগিতামূলক বজাৰত অতি কম সংখ্যক প্রতিষ্ঠান থাকে।
- **দৰ আৰু যোগানৰ ওপৰত নিয়ন্ত্রণ ঃ** প্রত্যেকটো প্রতিষ্ঠানেই বজাৰৰ এটা বুজন অংশ উৎপাদন কৰে; সেয়েহে এটা প্রতিষ্ঠানে তাৰ নিজৰ কাম-কাজৰ দ্বাৰা বজাৰখন নিয়ন্ত্রণ কৰিব পাৰে।
- **নতুন প্রতিষ্ঠানৰ প্রৱেশ ঃ** অল্পাধিকাৰ প্রতিযোগিতামূলক বজাৰত নতুন প্রতিষ্ঠানৰ প্রৱেশ সম্পূর্ণৰূপে বন্ধ নহ'লেও অত্যন্ত কঠিন। কেৱল বিত্তীয়ভাৱে স্বচ্ছল প্রতিষ্ঠানেহে বজাৰত প্রৱেশ কৰিব পাৰে।
- **আন্তঃনির্ভৰশীলতা ঃ** অল্পাধিকাৰ বজাৰত এখন প্রতিষ্ঠান আন এখন প্রতিষ্ঠানৰ ওপৰত নির্ভৰশীল। ইয়াৰ মূল কাৰণ হ'ল—এখন প্রতিষ্ঠানৰ ব্যৱসায়িক সিদ্ধান্তই আন এখন প্রতিষ্ঠানৰ দৰ আৰু যোগানৰ পৰিমাণৰ সিদ্ধান্তক প্রভাৱান্বিত কৰে।
- **গুণগত মানদণ্ডৰ প্রতিযোগিতা ঃ** সামগ্রীৰ গুণগত মানদণ্ড উন্নত কৰাৰ বাবে প্রতিষ্ঠান-সমূহৰ মাজত হোৱা প্রতিদ্বন্দ্বিতা ইয়াৰ আন এক উল্লেখযোগ্য অভিধাৰণা। গুণগত মান উন্নত কৰাৰ বাবে প্রতিষ্ঠানসমূহে ইয়াৰ বুজন পৰিমাণৰ ধন গৱেষণা আৰু উন্নয়ন (Research and Development)ৰ বাবে ব্যয় কৰে।
- **বিজ্ঞাপন ঃ** উপভোক্তাক আকর্ষণ কৰাৰ বাবে অল্পাধিকাৰ ব্যৱসায়িয়ে এক বুজন পৰিমাণৰ ধন বিজ্ঞাপনত ব্যয় কৰে।



জানি থোৱা ভাল

অল্পাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ এক উৎকৃষ্ট উদাহৰণ হৈছে গাড়ীৰ বজাৰখন। সৰু যাত্রীবাহী গাড়ীৰ কথাকে লোৱা যাওক। এই বজাৰখনত প্রতিষ্ঠিত উল্লেখযোগ্য প্রতিষ্ঠান কেইটামান হৈছে—মৰুতি ছুজুকী, টাটা, হোণ্ডাই, হোণ্ডা, ফিয়েট, হিন্দুস্তান মটর্চ, টয়টা, চেভ্র'লেট, ফর্ড, ফ'ক্স ওয়াগান আদি। গতিকে এই বজাৰখনত প্রৱেশ কৰাৰ বাবে যি বৃহৎ পৰিমাণৰ ধনৰশিৰ প্রয়োজন, সেয়া নিশ্চয় সহজেই অনুমেয়। সেই হেতুকে, এনে ধৰণৰ বজাৰত প্রৱেশৰ বাধা বহুত। আকৌ, যদিও বজাৰখনত প্রতিষ্ঠিত প্রতিষ্ঠানসমূহে নিজৰ সামগ্রীৰ দৰ

নিজেই ঠিৰাং কৰে, তথাপিও আন প্রতিষ্ঠানৰ সামগ্রীৰ দৰেও নির্দিষ্ট প্রতিষ্ঠানটোৰ সামগ্রীৰ দৰ নির্ণয়কালত প্রভাৱ বিস্তাৰ কৰে।

অল্পাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ আন এটা উদাহৰণ হৈছে (Cartel) উৎপাদক সংঘ। উৎপাদক সংঘ অল্পাধিকাৰ বজাৰ লেখিয়া। উৎপাদক সংঘটোৰ অন্তর্গত প্রতিষ্ঠানসমূহে কিছুমান প্রতিবন্ধকতাক (Restrictive) কৌশল, যেনে গোপন বুজাবুজি (Collusion) বা বজাৰৰ অংশৰ ভাগ বতৰাৰ জৰিয়তে দৰৰ গতি ঊর্ধ্বগামী কৰিব পাৰে বা উৎপাদন নিয়ন্ত্রণ কৰিব পাৰে—ঠিক একচেটিয়া ব্যৱসায়ীৰ নিচিনা। অ'পেক (OPEC: Organisation of the Petrolium Exporting Countries)ৰ সিদ্ধান্তই সমগ্র বিশ্বৰে খাৰুৱা তেলৰ বজাৰখনৰ দৰ দাম নিয়ন্ত্রণত যথেষ্ট প্রভাৱ বিস্তাৰ কৰে।

দ্বয়াধিকাৰ বজাৰ (Duopoly) ঃ বজাৰৰ সম্পূর্ণ যোগান যেতিয়া কেৱল মাত্র দুজন ব্যৱসায়ীয়ে নিয়ন্ত্রণ কৰে, তাকেই দ্বয়াধিকাৰ বজাৰ বোলা হয়। তেনে দুজন ব্যৱসায়ীৰ প্রত্যেকেই বজাৰৰ বুজন অংশ উৎপাদন কৰাৰ লগতে সামগ্রীবিধৰ বজাৰ দৰৰ ওপৰতো প্রভাৱ বিস্তাৰ কৰে। যদি দুয়োজন উৎপাদনকাৰীয়ে একেধৰণৰ সামগ্রী উৎপাদন কৰে, তেতিয়া তাক শুদ্ধ দ্বয়াধিকাৰ বজাৰ (Pure Duopoly) বোলে; আনহাতে, যদি দুয়োজন উৎপাদনকাৰীয়ে উৎপাদন কৰা সামগ্রীৰ মাজত তফাৎ থাকে, তেতিয়া তাক পৃথকীকৃত দ্বয়াধিকাৰ বজাৰ (Differential Dupoly) বোলা হয়। দ্বয়াধিকাৰ বজাৰক অল্পাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ আটাইতকৈ সৰল প্রকাৰ বুলিও কোৱা হয়।



জানি থোৱা ভাল

দ্বয়াধিকাৰ প্রতিযোগিতামূলক বজাৰৰ উদাহৰণ অলেখ নহয়। দ্বয়াধিকাৰ বজাৰৰ এক অতি সহজ উদাহৰণ হৈছে ভিছা আৰু মাষ্টাৰকার্ড। এই দুয়োটা প্রতিষ্ঠানে বৈদ্যুতিন মাধ্যমেৰে ধন পৰিশোধ কৰা বিশ্বৰ গোটেই বজাৰখনৰে বুজন অংশ দখল কৰি আছে। আপুনি যদি ক্রেডিট / ডেৰিট কার্ড ব্যৱহাৰ কৰাত অভ্যস্ত তেন্তে কাষত দেখুওৱা প্রতীক (Logo) কেইটা আপোনাৰ নিশ্চয় পৰিচিত হ'ব।

পেপছি আৰু কোকো-কোলা লঘু পানীয়ৰ বজাৰখনৰ মূল প্রতিদ্বন্দী। বজাৰখনত লঘু পানীয় (Soft Drinks)ৰ বহু কেইটা মার্কা (Brand) উপলব্ধ, যেনে— লিমকা (Limca), মিৰিণ্ডা (Mirinda), স্পৰাইট (Sprite), ফাণ্টা (Fanta), লেহেৰ (Lehar) ইত্যাদি হয়তো দেখিছে। ভালকৈ মন কৰক—ইয়াৰে বেছিভাগেই হয়তো পেপছি বা কোকো কোলাৰ হ'ব। অৱশ্যে এই দুটা কোম্পানীৰ বাদেও আন কোম্পানীৰ লঘু পানীয় আপুনি হয়তো বজাৰত পাব। কিন্তু সমগ্র বিশ্বৰ লঘু পানীয়ৰ বজাৰখনৰ হিচাপত তেনে আন কোম্পানীৰ বজাৰ অথবা নিশ্চয় নগন্য।

ঠিক তেনেদৰে, বাণিজ্যিক জেট ইঞ্জিনযুক্ত উৰাজাহাজৰ বজাৰখনত এয়াৰবাছ (Air Bus) আৰু ব'য়িং (Boeing) হৈছে প্রধান দুই প্রতিদ্বন্দী। গতিকে বাণিজ্যিক জেট উৰাজাহাজৰ বজাৰখনতো দ্বয়াধিকাৰ বজাৰৰ উদাহৰণ দেখিবলৈ পাওঁ।

দ্বয়াধিকাৰ প্রতিযোগিতামূলক বজাৰখন অধ্যয়ন কৰাৰ দুটা বহল ভিত্তি আছে— (ক) দুয়োটা প্রতিষ্ঠানৰ মাজৰ নির্ভৰশীলতা আওকাণ কৰি আৰু (খ) দুয়োটা প্রতিষ্ঠানৰ মাজৰ নির্ভৰশীলতা স্বীকাৰ কৰি। কৌর্ণট এজৱর্থ (Cournot Edgeworth)ৰ আলোচনাত দ্বয়াধিকাৰ বজাৰখনত প্রতিষ্ঠান দুটাৰ মাজৰ নির্ভৰশীলতা অস্বীকাৰ কৰা হৈছে। আনহাতে, চেম্বাৰলিনে আগবঢ়োৱা দ্বয়াধিকাৰ বজাৰৰ আলোচনাত দুয়োটা প্রতিষ্ঠানৰ মাজৰ নির্ভৰশীলতা স্বীকাৰ কৰি লোৱা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

ক) দ্বয়াধিকাৰ বজাৰ হৈছে অল্পাধিকাৰ বজাৰখনৰ এটা প্রকাৰ য'ত দুটাতকৈ অধিক প্রতিষ্ঠান থাকে। (শুদ্ধ/অশুদ্ধ)

খ) সামগ্রীৰ পৃথকীকৰণ আৰু বিক্রী ব্যয় একচেটিয়া বজাৰৰ মূল বৈশিষ্ট্য। (শুদ্ধ/অশুদ্ধ)

গ) অল্পাধিকাৰ বজাৰত প্রৱেশৰ যথেষ্ট বাধা আছে। (শুদ্ধ/অশুদ্ধ)

ঘ) অল্পাধিকাৰ বজাৰত সামগ্রীৰ থূপ দেখিবলৈ পোৱা যায়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৪ ঃ অল্পাধিকাৰ বজাৰত কেনে ধৰণৰ প্রৱেশৰ বাধা দেখিবলৈ পোৱা যায়? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্রশ্ন নং ৫ ঃ একাধিকাৰ প্রতিযোগিতামূলক বজাৰত উপভোক্তা কেনেদৰে লাভান্বিত হয়, আৰু কেনেদৰে লোকচানৰ সন্মুখীন হয়? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ সংজ্ঞা দিয়ক। (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পূর্ণ প্রতিযোগিতা মূলক বজাৰ আৰু একচেটিয়া বজাৰৰ মধ্যৱর্তী স্তৰটো হ'ল একাধিকাৰ প্রতিযোগিতামূলক বজাৰ (Monopolistic Competition)। পোন প্রথম বাৰৰ বাবে ই. এইচ. চেম্বাৰলিনে একাধিকাৰ প্রতিযোগিতামূলক বজাৰ শব্দটো ব্যৱহাৰ কৰিছিল।
- পূর্ণ প্রতিযোগিতামূলক বজাৰখন কাল্পনিক বুলি কোৱাৰ বিপৰীতে একাধিকাৰ প্রতিযোগিতামূলক বজাৰখন বাস্তৱিক বুলি বুলি কোৱা হয়।
- বৃহৎ সংখ্যক প্রতিষ্ঠানৰ উপস্থিতি, বজাৰত উপলব্ধ সামগ্রীসমূহ পৃথকীকৃত যদিও এটা আনটোৰ নিকট বিকল্প, বিক্রী ব্যয় আদি একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য।
- সামগ্রী পৃথকীকৰণ আৰু বিক্রী ব্যয়ৰ ফলস্বৰূপে উপভোক্তা এজনে সুবিধা আৰু অসুবিধা দুয়োটা পায়।
- একাধিকাৰ প্রতিযোগিতা মূলক বজাৰৰ, অধীনস্থ প্রতিস্থানবোৰে নিজৰ সামগ্রীবিধ আন প্রতিষ্ঠানৰ সামগ্রীৰ তুলনাত পৃথক প্রতি পন্ন কৰিবলৈ পূৰামাত্রাই প্রসাস কৰে। যাক সামগ্রী পৃথকীকৰণ বুলি কোৱা হয়।
- সামগ্রী পৃথকীকৰণ প্রকৃত বা প্রতীয়মান হ'ব পাৰে। প্রকৃত পৃথকীৰণ (Real Differentiation)ৰ অর্থ হৈছে প্রতিস্থানৰ সামগ্রী বিধ আন প্রতিস্থানৰ সামগ্রীৰ তুলনাত গঠন (Physical) বা উপাদান (Composition)ৰ ক্ষেত্রত নাইবা সোৱাদ বা দেখাতো বেলেগ হ'ব পাৰে।

  আনহাতে, প্রতীয়মান পৃথকীকৰণৰ ক্ষেত্রত প্রতিস্থানটোৰ সামগ্রীবিধ আন প্রতিষ্ঠানৰ সামগ্রীৰ তুলনাত বিশেষভাবে বেলেগ নহ'লেও প্রতিস্থানটোৰে আকর্ষণীয় আচ্ছাদন (Packaging)ৰ সহায়ত, বা আন কোনো বিপণন (Marketing)ৰ কৌশলৰ সহায়ত সামগ্রী বিধ আন প্রতিষ্ঠানৰ সামগ্রীৰ তুলনাত পৃথক বা উন্নত বুলি প্রতিপন্ন কৰিব চেষ্টা কৰে।
- অল্পাধিকাৰ প্রতিযোগিতামূলক বজাৰখন খুব কম সংখ্যক বিক্রেতা/কোম্পানীৰ থুপে নিয়ন্ত্রণ কৰে। এনে ব্যৱসায়ী/কোম্পানীবোৰক অল্পাধিকাৰ প্রতিযোগী প্রতিষ্ঠান (Oligopolist) বুলি কোৱা হয়।

- বজাৰৰ সম্পর্ণ যোগান যেতিয়া কেৱল মাত্র দুজন ব্যৱসায়ীয়ে নিয়ন্ত্রণ কৰে তাত দ্বয়াধিকাৰ বজাৰ বোলে।

  যদি দুয়োজন উৎপাদনকাৰীয়ে একেধৰণৰ সামগ্রী উৎপাদন কৰে তাক শুদ্ধ দ্বয়ধিকাৰ বজাৰ (Pure Dupoly) আৰু যদি দুয়োজন উৎপাদনকাৰীয়ে উৎপাদন কৰ সামগ্রীৰ তফাৎ থাকে তাক পৃথকীকৃত দ্বয়াধিকাৰ বজাৰ (Differential Dupoly) বুলি কোৱা হয়।



১২.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) আলম, ড° খুৰছেদ; হুদা, ড° মণিৰুল আৰু শর্মা, ড° অর্চনা (২০০৪); *স্নাতক মহলাৰ অর্থতত্ব (ব্যষ্টিবাদী অর্থবিজ্ঞান)* ষষ্ঠ সংস্কৰণ; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'ৰছ্।

২) গোস্বামী, ড° অতুল (২০০৫); *স্নাতক মহলাৰ অর্থবিজ্ঞানৰ মূল তত্ব (ব্যষ্টিগত অর্থনৈতিক তত্ব)* সপ্তম সংস্কৰণ; ডিব্রুগড় ঃ ষ্টুডেণ্টছ এম্পো'ৰিয়াম।

ইংৰাজী গ্রন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics;* New Delhi: S. Chand & Co. Ltd.
2) Chopra, P.N. (2008); *Micro Economics*; Ludhiana: Kalyani Publishers.
3) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.
4) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.
5) Maddala, G.S. and Miller, E. (2004); *Microeconomic – Theory and Applications*; New Delhi: Tata Mc-Graw Hill.
6) Pindyck, R.S. and Rubinfeld, D. L. (2006); *Microeconomics*; New Delhi: Prentice-Hall India.
7) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Co. Ltd.

১২.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ গ) শুদ্ধ

২নং প্রশ্নৰ উত্তৰ ঃ একাধিকাৰ প্রতিযোগিতামূলক বজাৰত ক্রেতাসকলৰ বজাৰ সম্পর্কে সম্পূর্ণ জ্ঞান নথকাৰ ফলত বিভিন্ন প্রতিষ্ঠানৰ সামগ্রীৰ মাজত কোনো পার্থক্য নাথাকিলেও নিজৰ সামগ্রীবিধ আন সামগ্রীতকৈ উৎকৃষ্ট বুলি ক্রেতা সকলক পতিয়ন নিয়াব খোজে।

৩নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ ঘ) অশুদ্ধ

৪নং প্রশ্নৰ উত্তৰ ঃ তাত্ত্বিক অর্থত অল্পাধিকাৰ প্রতিযোগিতামূলক বজাৰ প্রৱেশৰ কোনো বাধা নাই। অৱশ্যে এই বজাৰত প্রৱেশ এই কাৰণেই যথেষ্ট কঠিন, কাৰণ কেৱল বিত্তীয় ভাৱে স্বচ্ছল প্রতিষ্ঠানেহে এই বজাৰত প্রৱেশ কৰিব পাৰে।

৫নং প্রশ্নৰ উত্তৰ ঃ একাধিকাৰ প্রতিযোগিতামূলক বজাৰত ক্রেতাই বিভিন্ন বিকল্পৰ মাজৰ পৰা নিজৰ পছন্দৰ সামগ্রীবিধ কিনিবলৈ সুযোগ পায়। সেয়াই ক্রেতাৰ লাভ। আনহাতে ক্রেতাই লোকচানৰ সন্মুখীন হোৱা মূল কাৰণটো হ'ল এই বজাৰত ক্রেতাই সামগ্রীৰ বাবদ অধিক দৰ আদায় দিব লগীয়াত পৰে, যাৰ মূল কাৰণ হ'ল প্রতিষ্ঠানটোৰ ব্রিক্রী ব্যয়।

৬নং প্রশ্নৰ উত্তৰ ঃ অল্পাধিকাৰ প্রতিযোগিতামূলক বজাৰখন হৈছে মাত্র কেইখন প্রতিষ্ঠানৰ সৰু গোট বা কেইটামান প্রতিষ্ঠানে নিয়ন্ত্রণ কৰা এখন বজাৰ। এই প্রতিষ্ঠানবোৰ অল্পাধিকাৰ ব্যৱসায়ী/প্রতিষ্ঠান বোলা হয়।



১২.৯ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখিক) ঃ

প্রশ্ন নং ১ ঃ সামগ্রীৰ পৃথকীকৰণে একাধিকাৰ প্রতিযোগিতামূলক বজাৰত প্রতিষ্ঠান এটাৰ চাহিদা ৰেখাডাল কেনেদৰে প্রভাৱান্বিত কৰে, দেখুৱাওক।

প্রশ্ন নং ২ ঃ অল্পধিকাৰ বজাৰ সম্পর্কে এটি চমুটোকা প্রস্তুত কৰক।

খ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্রশ্ন নং ১ ঃ একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক। সামগ্রীৰ পৃথকীকৰণ আৰু বিক্রী ব্যয়ে উপভোক্তা এজনক কেনেদৰে প্রভাৱিত কৰে দেখুৱাওক।

*** ***** ***

অধ্যায় ১৩ ঃ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ ভাৰসমতা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ ভাৰসমতা

১৩.৩.১ এটা প্ৰতিষ্ঠানৰ ভাৰসমতা ঃ হ্ৰস্ব কাল

১৩.৩.২ এটা প্ৰতিষ্ঠানৰ ভাৰসমতা ঃ দীৰ্ঘ কাল

১৩.৩.৩ থূপৰ ভাৰসমতা ঃ হ্ৰস্ব কাল আৰু দীৰ্ঘ কাল

১৩.৪ অতিৰিক্ত ক্ষমতা

১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৬ অধিক জানিবলৈ

১৩.৭ অগ্ৰগতিৰ খতিয়ান

১৩.৮ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ সংজ্ঞা আগবঢ়াব পাৰিব আৰু ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- এই বজাৰৰ দৰ আৰু উৎপাদন নিৰ্দ্ধাৰণৰ প্ৰক্ৰিয়া বৰ্ণনা কৰিব পাৰিব আৰু লগতে থূপ এটাই কেনেদৰে ভাৰসমতা অৰ্জন কৰে, সেয়া ব্যাখ্যা কৰিব পাৰিব
- সামগ্ৰী পৃথকীকৰণ আৰু বিক্ৰী ব্যয় ধাৰণাকেইটা আলোচনা কৰিব পাৰিব
- অল্পাধিকাৰ বজাৰ আৰু দ্বয়াধিকাৰ বজাৰৰ অৰ্থ আৰু বৈশিষ্ট্যসমূহ উল্লেখ কৰিব পাৰিব।

১৩.২ পৰিচয়

ইতিপূৰ্বে আগৰ অধ্যায়ত আমি প্ৰকাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ (অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ এটা ভাগ)ৰ গাঁথনি সম্পৰ্কে আলোচনা কৰি আহিছোঁ। আৰু এনেকৈ আমি একাধিকাৰ প্ৰতিযোগিতা মূলক বজাৰৰ অৰ্থ, প্ৰকৃতি আৰু গুৰুত্বৰ লগতে ইয়াৰ চৰিত্ৰৰ ওপৰতো আভাষ লাভ কৰি আহিছোঁ। ইয়াৰ উপৰি অল্পাধিকাৰ আৰু দ্বয়াধিকাৰ বজাৰ সম্বন্ধেও অৱগত হৈ আহিছোঁ। এই অধ্যায়টিত প্ৰধানতঃ একাধিকাৰ প্ৰতিযোগিতা মূলক বজাৰৰ ভাৰসমতা সম্পৰ্কে আলোচনা কৰা হৈছে। এই অধ্যায়টিত আমি একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত এটা ব্যৱসায় প্ৰতিষ্ঠান বা এটা থূপে কেনেদৰে ভাৰসমতা লাভ কৰে সেয়া আলোচনা কৰিম। তদুপৰি অতিৰিক্ত ক্ষমতাৰ ধাৰণা আৰু গুৰুত্ব সম্পৰ্কেও আলোচনা কৰা হ'ব।

১৩.৩ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ ভাৰসমতা

আমি ইতিমধ্যে একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অভিধাৰণাসমূহ আলোচনা কৰিছোঁ। এতিয়া, এই বজাৰৰ অধীনস্থ এখন ব্যক্তিগত প্ৰতিষ্ঠানে কেনেদৰে ভাৰসমতা লাভ কৰে, সেয়া আলোচনা কৰিম। প্ৰথমতে হ্ৰস্ব কালৰ কথা আলোচনা কৰিম।


১৩.৩.১ এটা প্ৰতিষ্ঠানৰ ভাৰসমতা ঃ হ্ৰস্ব কাল

একচেটিয়া বজাৰৰ দৰে, একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত প্ৰতিষ্ঠানসমূহৰ নিম্নমুখী চাহিদা ৰেখা পৰিলক্ষিত হয়। কিন্তু ইয়ে এইটো নুবুজায় যে একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ প্ৰতিষ্ঠানসমূহে অধিক লাভ অৰ্জন কৰে। একাধিকাৰ প্ৰতিযোগিতা পূৰ্ণ প্ৰতিযোগিতাৰ লগত একেই— যিহেতু মুক্তভাৱে প্ৰবেশ কৰাৰ সুবিধা আছে লাভ অৰ্জনৰ সম্ভাৱনীয়তাই প্ৰতিযোগিতামূলক নতুন প্ৰতিষ্ঠানসমূহক ইয়াৰ প্ৰতি আকৰ্ষিত কৰে। এইদৰে, অৰ্থনৈতিক লাভালাভ প্ৰায় শূন্যৰ কাষ চাপে। একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ প্ৰতিষ্ঠানৰ হ্ৰস্ব কালৰ ভাৰসমতা লাভৰ চৰ্ত একচেটিয়া প্ৰতিষ্ঠান এটাৰ লগত একেই, অৰ্থাৎ,

প্ৰান্তিক বিক্ৰী আয় = প্ৰান্তিক উৎপাদন ব্যয়

এই কথাখিনি তলত দিয়া চিত্ৰ ১৩.১ৰ সহায়ত ব্যাখ্যা কৰা হৈছে।

চিত্ৰ ১৩.১ ঃ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰত প্ৰতিষ্ঠানৰ হ্ৰস্ব-কালৰ ভাৰসমতা




চিত্ৰত AR হ'ল গড় বিক্ৰী আয় আৰু MR প্ৰান্তিক বিক্ৰী আয় ৰেখা। সেইদৰে SAC আৰু SMC হ্ৰস্ব কালৰ গড় উৎপাদন ব্যয় আৰু হ্ৰস্ব কালৰ প্ৰান্তিক উৎপাদন ব্যয় ৰেখা। যি বিন্দুত SMC ৰেখাই MR ৰেখাৰ লগত কটা কটি কৰে, সেইটো বিন্দুতেই

(E) প্ৰতিষ্ঠানটোৱে ভাৰসমতা লাভ কৰে। এই ভাৰসাম্য বিন্দু Eৰ আনুসাঙ্গিক OQ হ'ল ভাৰসাম্য পৰিমাণ আৰু QC (বা OA) হ'ল ভাৰসাম্য দৰ। চিত্ৰত দেখা গৈছে যে উৎপাদনৰ প্ৰতি এককৰ উৎপাদন ব্যয় হ'ল QD, য'ত উৎপাদনৰ প্ৰতি এককে লাভ কৰা বিক্ৰী আয় হ'ল QC। গতিকে প্ৰতিষ্ঠানটোৱে উৎপাদনৰ প্ৰতি এককত CD(CQ – DQ) পৰিমাণৰ লাভ অৰ্জন কৰে। এইদৰে অৰ্জন কৰা সৰ্বমুঠ লাভ হ'ব ABDC (DC x OQ বা BD)। একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত ব্যক্তিগত প্ৰতিষ্ঠানে লাভ কৰা এনে ধৰণৰ হ্ৰস্ব কালৰ লাভক অতিৰিক্ত লাভ বা অতিৰিক্ত মুনাফা বা অস্বাভাৱিক লাভ (Excess Profits/Super Normal Profit) বোলা হয়।

অৱশ্যে এইটোও সম্ভৱ হ'ব পাৰে যে একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত প্ৰতিষ্ঠানে হ্ৰস্ব কালৰ ভাৰসমতাত (ক) স্বাভাৱিক লাভ অৰ্জন কৰিব পাৰে বা (খ) লোকচানৰ সন্মুখীন হ'ব পাৰে। ইয়াক তলৰ চিত্ৰ ১৩.২ আৰু ১৩.৩ৰ আধাৰত দেখুওৱা হৈছে।


চিত্ৰ ১৩.২ ঃ হ্ৰস্বকালত ব্যৱসায় প্ৰতিষ্ঠান এখনৰ ভাৰসমতা
(স্বাভাৱিক লাভ অৰ্জনৰ সৈতে)



প্ৰতিষ্ঠানখনে E বিন্দুত ভাৰসমতা লাভ কাৰছে, য'ত হ্ৰস্বকালৰ প্ৰান্তক ব্যয় ৰেখা SMC য়ে প্ৰান্তিক আয় ৰেখা MRক স্পৰ্শ কৰিছে। এই ভাৰসমতা সংশ্লিষ্ট ভাৰসাম্য পৰিমাণ হৈছে OQত আকৌ ভাৰসাম্য দৰ হৈছে OA। আকৌ, দেখা গৈছে যে, এই ভাৰসমতা অৰ্জন কালত প্ৰতিষ্ঠানখনে স্বাভাৱিক লাভ অৰ্জন কৰিছে; কাৰণ প্ৰতি একক সামগ্ৰীৰ বাবদ লাভ কৰা OA দৰ প্ৰতি একক সামগ্ৰীৰ বাবদ কৰা QC ব্যয়ৰ সমান।

১৩.৩নং চিত্ৰৰ সহায়ত প্ৰতিষ্ঠান এখনে লোকচানৰ সন্মুখীন হৈ হ্ৰস্বকালৰ ভাৰসমতা অৰ্জন কৰা দেখুওৱা হৈছে।

চিত্ৰ ১৩.৩ ঃ হ্ৰস্ব কালৰ ভাৰসমতা (লোকচান ভৰিব লগীয়া হোৱা)




১৩.৩নং চিত্ৰত দেখা গৈছে যে, প্ৰতিষ্ঠানখনে E বিন্দুত ভাৰসমতা লাভ কৰিছে, য'ত প্ৰান্তিক ব্যয় ৰেখা SMCএ প্ৰন্তিক আয় ৰেখা MRক স্পৰ্শ কৰিছে। দেখা গৈছে যে, এই ভাৰসমতা অৰ্জন কৰোতে প্ৰতিষ্ঠানখনে OB পৰিমাণৰ গড় আয় লাভ কৰাৰ বিপৰীতে QC পৰিমাণৰ গড় ব্যয় ভৰিবলগীয়া হৈছে। প্ৰতি একক সামগ্ৰীৰ বাবদ প্ৰতিষ্ঠানখনে AB পৰিমাণৰ লোকচান ভৰিবলগীয়া হৈছে। অৰ্থাৎ, এই ভাৰসমতাৰ কালছোৱাত প্ৰতিষ্ঠানখন মুঠতে ABDC পৰিমাণৰ লোকচান ভৰিবলগীয়া হৈছে।

১৩.৩.২ এটা প্ৰতিষ্ঠানৰ ভাৰসমতা ঃ দীৰ্ঘ কাল

ওপৰৰ আলোচনাৰ পৰা এইটো দেখা গ'ল যে হ্ৰস্ব কালত এটা প্ৰতিষ্ঠানে লাভ অৰ্জন কৰিব পাৰে। এনে লাভ অৰ্জন কৰা দেখি উদ্যোগখণ্ডটোলৈ অন্যান্য প্ৰতিষ্ঠানে প্ৰৱেশ কৰিবলৈ উৎসাহিত হ'ব পাৰে। উদ্যোগটোত নতুন প্ৰতিষ্ঠানৰ প্ৰৱেশৰ ফলত বজাৰত প্ৰতিযোগিতামূলক মাৰ্কাৰ উপস্থিতি বৃদ্ধি পাব। ফলস্বৰূপে, উদ্যোগটোত আগৰে পৰা থকা প্ৰতিষ্ঠান এটাই ইয়াৰ বজাৰৰ অংশ আৰু বিক্ৰী হেৰুৱাব, ফলত ইয়াৰ চাহিদা ৰেখা নিম্নমুখী হ'ব। গতিকে কালক্ৰমত নতুন প্ৰতিষ্ঠানৰ প্ৰৱেশে অস্বাভাৱিক মুনাফা (Super-Normal Profit) নোহোৱা কৰি দিয়ে। সেয়েহে, দীৰ্ঘকালত প্ৰতিষ্ঠানসমূহে কেৱল স্বাভাৱিক লাভ অৰ্জন কৰিব। এইটো তলত উল্লেখ কৰা চিত্ৰ নং ১৩.৪ৰ সহায়ত প্ৰদৰ্শন কৰা হৈছে।

চিত্ৰ ১৩.৪ ঃ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ এটা প্ৰতিষ্ঠানৰ দীৰ্ঘকালৰ ভাৰসমতা



চিত্ৰ নং ১৩.৪ৰ পৰা এইটো দেখা গৈছে যে প্ৰতিষ্ঠানটো E বিন্দুত ভাৰসমতা লাভ কৰিছে, য'ত প্ৰান্তিক বিক্ৰী আয় প্ৰান্তিক উৎপাদন ব্যয়ৰ সমান। গতিকে OQ হৈছে আনুসঙ্গিক পৰিমাণ আৰু OA হৈছে আনুসঙ্গিক দৰ। স্বৰূপার্থত এইটোৱে দীৰ্ঘ কালৰ ভাৰসমতা কাৰণ ভাৰসাম্যতাৰ দৰ (OA)ত, দীৰ্ঘ কালৰ গড় উৎপাদন ব্যয় ৰেখা (LAC)ই গড় বিক্ৰী আয় (AR)ক স্পৰ্শ কৰিছে। ইয়াৰ অৰ্থ হ'ল যে প্ৰতিষ্ঠানটোৱে কেৱল স্বাভাৱিক লাভ অৰ্জন কৰিছে।

গতিকে, ওপৰৰ আলোচনাৰ পৰা আমি এইটো দেখা পালোঁ যে একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ গাঁথনিৰ অন্তৰ্গত প্ৰতিষ্ঠান এটাই ভাৰসমতা লাভ কৰে, যেতিয়া—

হ্ৰস্ব কালত ঃ প্ৰান্তিক বিক্ৰী আয় = প্ৰান্তিক উৎপাদন ব্যয়

দীৰ্ঘ কালত ঃ প্ৰান্তিক বিক্ৰী আয় = প্ৰান্তিক উৎপাদন ব্যয়; আৰু
দীৰ্ঘকালৰ গড় উৎপাদন ব্যয় = গড় বিক্ৰী আয়



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

ক) একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত প্ৰতিষ্ঠানৰ চাহিদা ৰেখা নিম্নমুখী হয়। (শুদ্ধ/অশুদ্ধ)

খ) দীৰ্ঘ কালতো একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত প্ৰতিষ্ঠান এটাই অতি মুনাফা লাভ কৰি থাকিব পাৰে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ খালী ঠাই পূৰ কৰক—

ক) একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ লগত একে, যিহেতু তাত ..... আৰু ..... আছে।

খ) একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত প্ৰতিখন ব্যৱসায় প্ৰতিষ্ঠানে নিজৰ সামগ্ৰীৰ প্ৰচাৰৰ বাবে ..... ব্যয় বহন কৰিব পাৰে।

প্ৰশ্ন নং ৩ ঃ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অধীন প্ৰতিষ্ঠানৰ দীৰ্ঘকালৰ ভাৰসমতাৰ চৰ্তসমূহ উল্লেখ কৰক। (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

১৩.৩.৩ থূপৰ ভাৰসমতা ঃ হ্ৰস্ব কাল আৰু দীৰ্ঘ কাল

ইমান পৰে আমি হ্ৰস্ব কাল আৰু দীৰ্ঘ কালত একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত এটা প্ৰতিষ্ঠানে কেনেকৈ ভাৰসমতা লাভ কৰে সেয়া আলোচনা কৰিলোঁ। এতিয়া আমি 'থূপৰ ভাৰসমতা'ৰ বিষয়ে আলোচনা কৰিম। থূপৰ ভাৰসমতা মানে হ'ল একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত একাধিক প্ৰতিষ্ঠানৰ দৰ আৰু উৎপাদনৰ পৰিমাণ নিৰ্দ্ধাৰণ। আপোনালোকে মন কৰিব— একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰত সামগ্ৰীৰ পৃথকীকৰণৰ বৈশিষ্ট্যটোৰ ফলত ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ চাহিদাৰ ভিত্তিত বজাৰ চাহিদা (অৰ্থাৎ উদ্যোগটোৰ সৰ্বমুঠ চাহিদা)ত উপনীত হোৱাটো যথেষ্ট অসুবিধা-জনক। এই অসুবিধাটোৰ বাবে ই. এইচ. চেম্বাৰলিনে 'উদ্যোগ'ৰ পৰিৱৰ্তে 'সামগ্ৰীৰ থূপ' ধাৰণাটো ব্যৱহাৰ কৰিছে আৰু তাৰ ভিত্তিত একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ ভাৰসমতা আলোচনা কৰিছে।

'সামগ্ৰীৰ থূপ' ধাৰণাটিৰ মূল কথা হ'ল— বিভিন্ন প্ৰতিষ্ঠানসমূহে যিবোৰ সামগ্ৰী বজাৰত বিক্ৰী কৰে, সেইবোৰ এটা আনটোৰ নিকট বিকল্প। বজাৰত উপলব্ধ বিভিন্ন মাৰ্কা (Brand)ৰ নিকট বিকল্প (Close Substitutes) সামগ্ৰীসমূহৰ মাজত বিকল্পতা (Substitutability) আলোচনা কৰোঁতে চেম্বাৰলিনে সামগ্ৰীসমূহৰ দুটা মূল দিশ উনুকিয়াই দিছে— প্ৰযুক্তিগত বিকল্পতা (Technological Substitutability) আৰু অৰ্থনৈতিক বিকল্পতা (Economical Substitutability)। প্ৰযুক্তিগত বিকল্পতাৰ অৰ্থ হ'ল— বিভিন্ন মাৰ্কাৰ সামগ্ৰীসমূহ প্ৰযুক্তিগত দিশৰ পৰা সমগুণসম্পন্ন (Homogeneous) আৰু সেই সামগ্ৰীবোৰে উপভোক্তাৰ একে অভাৱ পূৰণ কৰে। অৰ্থনৈতিক বিকল্পতাৰ অৰ্থ হ'ল—বিভিন্ন মাৰ্কাৰ সামগ্ৰীসমূহে উপভোক্তাৰ একে অভাৱ পূৰণ কৰে আৰু সেইবোৰৰ দৰো একে। এই দুটা দিশৰ ওপৰত ভিত্তি কৰি আমি ক'ব পাৰোঁ

যে, সামগ্ৰীৰ থূপ (Product Group) মানে হ'ল ব্যক্তিগত প্ৰতিষ্ঠানসমূহে আগবঢ়োৱা সামগ্ৰীৰ এক সমষ্টি। যিবোৰ প্ৰযুক্তিৰ ফালৰ পৰা বা দৰৰ ফালৰ পৰা একে ধৰণৰ। এনে ধৰণৰ কোনো এক নিৰ্দিষ্ট সামগ্ৰীৰ চাহিদাৰ স্থিতিস্থাপকতাও অধিক আৰু অন্য প্ৰতিষ্ঠানৰ দৰৰ পৰিৱৰ্তন সাপেক্ষে অত্যন্ত সংবেদনশীল। ইয়াৰ অৰ্থ এয়ে যে, এনে ধৰণৰ সামগ্ৰীসমূহৰ ক্ষেত্ৰত তীৰ্য্যক স্থিতিস্থাপকতা (Cross Elasticity) আৰু দৰ স্থিতিস্থাপকতা (Price Elasticity) —দুয়োটাই বিদ্যমান।



জানি থোৱা ভাল

থূপ আৰু উদ্যোগৰ মাজত পাৰ্থক্য আছে। থূপ মানে প্ৰায় একে জাতীয় সামগ্ৰী উৎপাদন কৰা প্ৰতিষ্ঠান বিলাকক একেলগে বুজোৱা হয়। এনে সামগ্ৰীসমূহ পৰস্পৰৰ নিকট বিকল্প আনহাতে, উদ্যোগ মানে সমগুণ সম্পন্ন সামগ্ৰী উৎপাদন কৰা প্ৰতিষ্ঠান সমূহক একে লগে বুজোৱা হয়। থূপৰ ধাৰণাটো একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয় কিন্তু উদ্যোগৰ ধাৰণাটো পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ ক্ষেত্ৰতহে ব্যৱহাৰ হয়।

থূপৰ ভাৰসমতা বিশ্লেষণ কৰোঁতে চেম্বাৰলিনে দুটা অভিধাৰণা উল্লেখ কৰিছে। সেই দুটা হ'ল—

- থূপটোৰ সামগ্ৰীসমূহৰ চাহিদা ৰেখা আৰু ব্যয় ৰেখা একেধৰণৰ। অৱশ্যে ইয়াৰ অৰ্থ এয়া নহয় যে, সামগ্ৰীসমূহৰ মাজত কোনো পাৰ্থক্য নাই। এই অভিধাৰণাটোক 'সামঞ্জস্যৰ অভিধাৰণা' (Uniformity Assumption) বোলা হয়।
- থূপটোৰ অন্তৰ্গত প্ৰতিষ্ঠানৰ সংখ্যা যথেষ্ট হোৱাৰ কাৰণে কোনো ব্যক্তিগত প্ৰতিষ্ঠানে গ্ৰহণ কৰা দৰ বা উৎপাদনৰ সিদ্ধান্তই আন প্ৰতিদ্বন্দী প্ৰতিষ্ঠানক প্ৰভাৱিত নকৰাটোৱেই স্বাভাৱিক। ষ্টিগলাৰে এই অভিধাৰণাটিক 'একেৰূপ অভিধাৰণা' (Symmetry Assumption) নাম দিছে।

এই দুটা অভিধাৰণাৰ ভিত্তিত একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ থূপৰ ভাৰসমতা আলোচনা কৰাৰ বাবে চেম্বাৰলিনে তিনিটা আৰ্হি আগবঢ়াইছে। এই আৰ্হি (Model) তিনিটা হ'ল—


- *প্ৰথম আৰ্হি* (First Model) ঃ প্ৰথম আৰ্হিটোত চেম্বাৰলিনে দেখুৱাইছে—থূপ এটাৰ অন্তৰ্গত প্ৰতিষ্ঠানসমূহে কেনেদৰে হ্ৰস্বকালত অস্বাভাৱিক লাভসহ ভাৰসমতা লাভ কৰে। এনে লাভৰ ফলত নতুন প্ৰতিষ্ঠানৰ আগমনে কেনেদৰে অস্বাভাৱিক লাভ নাইকিয়া কৰে, অৰ্থাৎ নতুন প্ৰতিষ্ঠানৰ প্ৰৱেশৰ ফলত দীৰ্ঘকালত প্ৰতিষ্ঠানসমূহে কেৱল স্বাভাৱিক লাভহে অৰ্জন কৰি কেনেদৰে ভাৰসমতা লাভ কৰে, সেই কথাও দেখুওৱা হৈছে।

- *দ্বিতীয় আৰ্হি* (Second Model) ঃ দীৰ্ঘকালত থূপটোলৈ নতুন প্ৰতিষ্ঠানৰ প্ৰৱেশৰ পৰিৱৰ্তে সামগ্ৰীবিধৰ বজাৰ দৰৰ সাল-সলনি (Adjustment) কৰি থূপটোৱে কেনেদৰে ভাৰসমতা লাভ কৰিব পাৰে সেই কথাটো দ্বিতীয় আৰ্হিটোত দেখুওৱা হৈছে। এয়া ব্যাখ্যা কৰিবলৈ যাওঁতে চেম্বাৰলিনে থূপটোৰ চাহিদা ৰেখা ডালৰ সৈতে আন এডাল চাহিদা ৰেখাৰ অৱতাৰণা কৰিছে। এনে ধৰণৰ চাহিদা ৰেখাক প্ৰকৃত বিক্ৰী ৰেখা (Actual Sales Curve) বা বজাৰৰ অংশ (Share of the Market) বোলা হয়। প্ৰকৃত বিক্ৰী ৰেখাডালে থূপটোৰ অন্তৰ্গত আন প্ৰতিষ্ঠানৰ দৰৰ সালসলনি সাপেক্ষে প্ৰতিটো দৰত প্ৰতিষ্ঠানটোৰ প্ৰকৃত বিক্ৰীৰ পৰিমাণ দেখুৱায়।
- *তৃতীয় আৰ্হি* (Third Model) ঃ উল্লিখিত দুয়োটা আৰ্হিৰ সমন্বয় ঘটাই তৃতীয় আৰ্হিটো আগবঢ়োৱা হৈছে। এই আৰ্হিটোত থূপটোৰ দীৰ্ঘ কালৰ ভাৰসমতা দৰৰ সাল-সলনি তথা নতুন প্ৰতিষ্ঠানৰ প্ৰৱেশ — এই দুয়োটা কাৰকৰ ভিত্তিত ব্যাখ্যা কৰা হয়। দীৰ্ঘকালৰ ভাৰসমতা অৰ্জন কৰোঁতে প্ৰতিখন প্ৰতিষ্ঠানে কেৱল স্বাভাৱিক লাভহে অৰ্জন কৰিব পাৰে।

এই তিনিটা আৰ্হিৰ ভিতৰত অমি এতিয়া প্ৰথম আৰ্হিটোৰ সহায়ত থূপ এটাই কেনেদৰে হ্ৰস্বকাল আৰু দীৰ্ঘকালত ভাৰসমতা লাভ কৰে সেয়া আলোচনা কৰিম।

থূপৰ হ্ৰস্বকালৰ ভাৰসমতা ঃ এইটো মন কৰিব লগীয়া যে থূপৰ অন্তৰ্গত প্ৰতিষ্ঠান এটাই যদি বজাৰত এটা সফল মাৰ্কা মুকলি কৰি দিয়ে আৰু যদি এই মাৰ্কাটোৱে হ্ৰস্ব কালত অতি মুনাফা বা অস্বাভাৱিক লাভ (Super-Normal Profit) অৰ্জন কৰে, তেতিয়া অন্যান্য প্ৰতিষ্ঠানসমূহেও এই নমুনাটো অনুকৰণ কৰিবলৈ চেষ্টা চলাব। ফলস্বৰূপে, দীৰ্ঘকালত এনে ধৰণৰ অতি মুনাফা নাইকীয়া হ'ব। আকৌ, যদিহে হ্ৰস্ব কালত গোটেই থূপটোৱে অতি মুনাফা অৰ্জন কৰিছে, তেতিয়া হ'লে উদ্যোগ খণ্ডটোৰ প্ৰতি নতুন নতুন প্ৰতিষ্ঠান আকৃষ্ট হ'ব। নতুন প্ৰতিষ্ঠানসমূহেও এনে ধৰণৰ সফল মাৰ্কাৰ নমুনা অনুকৰণ কৰিবলৈ আৰম্ভ কৰিব আৰু ফলস্বৰূপে দীৰ্ঘ-কালত অতি মুনাফা লুপ্ত হ'ব, যদিহে অৰ্থনৈতিক ভাৱে বা বিহিত ভাৱে থূপটোত নতুন প্ৰতিষ্ঠান সমূহৰ প্ৰৱেশক বাধা দিয়া নহয়। চিত্ৰ নং ১৩.৫ৰ সহায়ত থূপ এটাৰ হ্ৰস্বকালৰ ভাৰসমতা অৰ্জন প্ৰদৰ্শন কৰা হৈছে।

চিত্ৰ নং ১৩.৫ ঃ থূপৰ হ্ৰস্ব কালৰ ভাৰসমতা




চিত্ৰ ১৩.৫ত দেখা গৈছে যে থূপৰ হ্ৰস্বকালৰ চাহিদা ৰেখা AR আৰু প্ৰান্তিক বিক্ৰী আয় ৰেখা হ'ল MR। থূপটোৰ গড় উৎপাদন ব্যয় ৰেখা হ'ল SAC আৰু প্ৰান্তিক উৎপাদন ব্যয় ৰেখা SMC। থূপটোৱে E বিন্দুত ভাৰসমতা লাভ কৰিছে য'ত প্ৰান্তিক উৎপাদন ব্যয় ৰেখাই প্ৰান্তিক বিক্ৰী আয় ৰেখাৰ লগত কটাকটি কৰিছে। এই ভাৰসমতাৰ বিন্দু Eত, থূপটোৱে অতি মুনাফা লাভ কৰিছে, যিহেতু প্ৰতি একক উৎপাদিত পণ্য ৰ গড় বিক্ৰী আয় (বা দৰ) (QC), প্ৰতি একক গড় উৎপাদন ব্যয় (QD)তকৈ বেছি। গতিকে, থূপটোৱে ABDC ক্ষেত্ৰটোৰ সমান মুঠ অস্বাভাবিক লাভ কৰিছে (চিত্ৰটোত দাগ দিয়া ক্ষেত্ৰটো)।

থূপৰ দীৰ্ঘ কালৰ ভাৰসমতা ঃ থূপটোৰ অতি মুনাফা লাভ দেখি নতুন প্ৰতিষ্ঠানসমূহ সেই থূপটোত প্ৰৱেশ কৰিবলৈ উৎসাহিত হ'ব। ফলস্বৰূপে, দীৰ্ঘকালত থূপটোৱে কেৱল স্বাভাৱিক লাভ অৰ্জন কৰিব। এয়া চিত্ৰ ১৩.৬ৰ মাধ্যমেদি দেখুওৱা হৈছে।

চিত্ৰ ১৩.৬ৰ পৰা দেখা গৈছে যে থূপৰ দীৰ্ঘকালৰ চাহিদা ৰেখা LAR আৰু প্ৰান্তিক বিক্ৰী আয় ৰেখা LMR। থূপটোৰ দীৰ্ঘ কালৰ গড় উৎপাদন ব্যয় ৰেখাডাল হ'ল LAC আৰু দীৰ্ঘ কালৰ প্ৰান্তিক উৎপাদন ব্যয় ৰেখাডাল হ'ল LAC। থূপটোৱে E বিন্দুত দীৰ্ঘকালৰ ভাৰসমতা লাভ কৰিছে, য'ত দীৰ্ঘ কালৰ প্ৰান্তিক উৎপাদন ব্যয় ৰেখা (LMC)-ই দীৰ্ঘকালৰ প্ৰান্তিক বিক্ৰী আয় ৰেখা (LMR)ৰ সৈতে কটাকটি কৰিছে; আৰু য'ত দীৰ্ঘকালৰ গড় উৎপাদন ব্যয় ৰেখা (LAC)-ই দীৰ্ঘকালৰ গড় বিক্ৰী আয় ৰেখা (LAR)-ডাল স্পৰ্শ কৰিছে। ভাৰসমতাৰ বিন্দু Eত, থূপটোৱে কেৱল স্বাভাৱিক লাভ অৰ্জন কৰিছে, যিহেতু এই বিন্দুত দীৰ্ঘকালৰ গড় উৎপাদন ব্যয় দীৰ্ঘকালৰ গড় বিক্ৰী আয়ৰ সমান।

চিত্ৰ নং ১৩.৬ ঃ থূপৰ দীৰ্ঘ কালৰ ভাৰসমতা



গতিকে, ওপৰৰ আলোচনাৰ পৰা আমি এইটো দেখা পালো যে থূপটোৱে ভাৰসমতা লাভ কৰে, যেতিয়া—

হ্ৰস্ব কালত ঃ প্ৰান্তিক বিক্ৰী আয় = প্ৰান্তিক উৎপাদন ব্যয়

দীৰ্ঘ কালত ঃ দীৰ্ঘ কালৰ প্ৰান্তিক বিক্ৰী আয় = দীৰ্ঘ কালৰ প্ৰান্তিক উৎপাদন ব্যয়; আৰু দীৰ্ঘ কালৰ গড় উৎপাদন ব্যয় = দীৰ্ঘ কালৰ গড় বিক্ৰী আয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ খালী ঠাই পূৰ কৰক

ক) .....ৰ অৰ্থ হ'ল একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত বিভিন্ন বিক্ৰেতাৰ দ্ৰব্যসমূহ প্ৰযুক্তিগত দিশৰ পৰা সমগুণসম্পন্ন আৰু সেইবোৰে উপভোক্তাৰ একে ভাব পূৰণ কৰে।

খ) চেম্বাৰলিনে একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ ভাৰসমতা আলোচনা কৰিবৰ বাবে .....ৰ পৰিৱৰ্তে ..... ধাৰণাটো ব্যৱহাৰ কৰিছিল।

প্ৰশ্ন নং ৫ ঃ 'থূপ' আৰু 'উদ্যোগ'ৰ মাজৰ পাৰ্থক্য কি? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ প্ৰতিষ্ঠান এখনৰ চাহিদা ৰেখাই ইয়াৰ দীৰ্ঘকালীন গড় ব্যয় ৰেখাৰ নিম্নতম বিন্দুত স্পৰ্শ নকৰে। কিয়? (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

১৩.৪ অতিৰিক্ত ক্ষমতা


চেম্বাৰলিনৰ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ আৰু জোৱান ৰবিনচনৰ অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ তত্ত্বত প্ৰথমে অতিৰিক্ত ক্ষমতাৰ ধাৰণাটো ব্যৱহৃত হৈছিল। তেওঁলোকে দেখুৱাই দিলে যে এখন উৎপাদন প্ৰতিষ্ঠানে একাধিকাৰ প্ৰতিযোগিতামূলক বা অপূৰ্ণ প্ৰতিযোগিতা মূলক বজাৰত দীৰ্ঘকালীন ভাৰসাম্য অৱস্থাত কৰা উৎপাদন সামাজিক ভাৱে অনুকূলতম (Optimum) বা আদৰ্শ (Ideal) উৎপাদনকৈ কম; সেয়ে, উৎপাদন প্ৰক্ৰিয়াত অতিৰিক্ত ক্ষমতা ৰৈ যায়। ইয়াৰ অৰ্থ এয়ে যে, এখন উৎপাদন প্ৰতিস্থানে দীৰ্ঘকালীন গড় ব্যয় ৰেখাৰ নামি থকা অংশত উৎপাদন কাৰ্য্য চলাই যায় অৰ্থাৎ তেওঁলোকে দীৰ্ঘকালীন গড় ব্যয় ৰেখাৰ একেবাৰে তলৰ অংশত উৎপাদন প্ৰক্ৰিয়া নচলায়। সেয়ে, এনে বজাৰ ব্যৱস্থাত এখন উৎপাদন প্ৰতিস্থানে যিখিনি উৎপাদন কৰে, সেই খিনি সামাজিকভাবে অনুকূলতম বা আদৰ্শ উৎপাদনতীক কম হোৱা দেখা যায়। (সামাজিকভাৱে অনুকূলতম বা আদৰ্শ উৎপাদন দীৰ্ঘকালীন গড় ব্যয় ৰেখাৰ একেবাৰে তলৰ অংশত হোৱা উৎপাদনক বুজায়।) ইয়াৰ বিপৰীতে কিন্তু পূৰ্ণ প্ৰতিযোগিতা মূলক বজাৰ ব্যৱস্থাত দীৰ্ঘকালীন ভাৰসাম্য অৱস্থাত উৎপাদন প্ৰতিস্থান একোখনে দীৰ্ঘকালীন গড় ব্যয় ৰেখাৰ একেবাৰে তলৰ অংশত উৎপাদন কাৰ্য্য চলায়।

একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰত উৎপাদিত সামগ্ৰীখিনি সামাজিকভাৱে অনুকূলতম বা আদৰ্শ উৎপাদনতকৈ যিমান কম সেইখিনিয়ে হৈছে অতিৰিক্ত ক্ষমতা আৰু ইয়ে অব্যৱহৃত ক্ষমতা (Unutilised Capacity)ক বুজায়। তলৰ চিত্ৰ ১৩.৭ত আমি একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰত কেনেকৈ অতিৰিক্ত ক্ষমতা থাকি যায়, তাকে দেখুওৱা হৈছে। চিত্ৰত এখন উৎপাদন প্ৰতিষ্ঠানে একাধিকাৰ প্ৰতিযোগিতা মূলক বজাৰত দীৰ্ঘকালত OM উৎপাদনত ভাৰসমতা লাভ কৰিছে য'ত দীৰ্ঘকালীন প্ৰান্তীয় আয় (LAR) দীৰ্ঘকালীন প্ৰান্তীয় ব্যয়ৰ (LMC) সমান আৰু দৰ (AR) হৈছে দীৰ্ঘকালীন গড় উৎপাদন ব্যয় (LAC)ৰ সমান (OM) উৎপাদনত গড় আয় ৰেখাই গড় ব্যয় ৰেখাক F বিন্দুত তপৰ্শ কৰিছে)।

আপুনি লক্ষ্য কৰিব যে OM উৎপাদনত দীৰ্ঘকালীন গড় ব্যয় ৰেখা (LAC) ডালৰ ঢাল

নিম্নগামী হৈ আছে আৰু ই ON উৎপাদনলৈকে নিম্নগামী হৈয়ে থাকিব। ইয়াৰ অৰ্থ এয়ে যে উৎপাদন প্ৰতিষ্ঠান একোখনে নিজৰ উৎপাদন ON লৈ বঢ়াই নিজৰ দীৰ্ঘকালীন গড় ব্যয় ন্যূনতম কৰিব পাৰে। আৰু এনেকৈ দীৰ্ঘকালীন গড় ব্যয় ৰেখাৰ একেবাৰে ন্যূনতম অংশত কৰা উৎপাদনকে আদৰ্শ উৎপাদন বুলি কোৱা হয়।

চিত্ৰ ১৩.৭ ঃ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অতিৰিক্ত ক্ষমতা



এনে বজাৰ ব্যৱস্থাত উৎপাদন প্ৰতিষ্ঠানখনে সামাজিকভাৱে আদৰ্শ উৎপাদনতকৈ MN পৰিমানে কমকৈ উৎপাদন কৰে। গতিকে, একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থাত উদ্ৰৱ হোবা অতিৰিক্ত ক্ষমতাক MN উৎপাদনৰে দৰ্শোৱা হৈছে। এইটো মন কৰিবলগীয়া যে অতিৰিক্ত ক্ষমতা কেৱলমাত্ৰ দীৰ্ঘকালীন সময়তে উদ্ভৱ হয়।

অতিৰিক্ত ক্ষমতা উদ্ভৱৰ কাৰণ ঃ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থাত অতিৰিক্ত ক্ষমতা উদ্ভৱ হোৱাৰ কাৰণ দুটা। আমি তলত ক্ৰমান্বয়ে এটাৰ পিছত আনটোক আলোচনা কৰিম।

প্ৰথম আৰু গুৰুত্বপূৰ্ণ কাৰণটো হ'ল একাধিকাৰ প্ৰতিযোগিতমূলক বজাৰত উৎপাদন প্ৰতিষ্ঠানে এখনৰ চাহিদা ৰেখা (ARৰেখা) ডালৰ ঢাল নিম্নগামী আৰু সেয়ে এডাল নিম্নগামী চাহিদা ৰেখাই U আকৃতিৰ গড় ব্যয় (AC) ৰেখাক অকলমাত্ৰ নামি থকা অংশতহে স্পৰ্শ কৰিব পাৰে।

দ্বিতীয়তে, চেম্বাৰলিনৰ ধাৰণাত, একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থাত দীৰ্ঘকালত এক বৃহৎ সংখ্যক উৎপাদন প্ৰতিস্থানে উদ্যোগত প্ৰৱেশ কৰিব পাৰে। ইয়াৰ কাৰণ হ'ল একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থাত থকা উদ্যোগ প্ৰতিষ্ঠানে হ্ৰস্বকালত অস্বাবাৰিক লাভ অৰ্জন কৰাৰ প্ৰতি আকৰ্ষিত হৈ নতুন নতুন প্ৰতিষ্ঠান উদ্যোগত প্ৰৱেশ কৰে। ইয়াৰ ফলত মুঠ বজাৰ চাহিদাৰ অংশ বিভিন্ন উৎপাদন প্ৰতিষ্ঠানৰ মাজত ভাগ হ'ব আৰু প্ৰতিখন উৎপাদন প্ৰতিষ্ঠানে বজাৰৰ এটা সৰু অংশহে উৎপাদন কৰিবলৈ সুযোগ পায়। সেয়ে, নিজৰ ক্ষমতাৰ অনুকূলতমকৈ উৎপাদন কৰিব নোৱাৰে বা নিজৰ সম্পূৰ্ণ ক্ষমতা ব্যৱহাৰত ব্যৰ্থ হয়।

অতিৰিক্ত ক্ষমতাৰ লাভ ঃ যদিও অতিৰিক্ত ক্ষমতাই সমাজৰ কাৰণে অতিৰিক্ত ব্যয়ৰ সৃষ্টি কৰে তথাপিও বহুটো আধুনিক অৰ্থনীতিবীদে একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰত উদ্ভৱ হোৱা অতিৰিক্ত ক্ষমতাক কিছুমান অৱস্থা সাপেক্ষে বাঞ্ছনীয় বুলি উল্লেখ কৰিছে। তেওঁলোকৰ মতে, অতিৰিক্ত ক্ষমতাই কিছুমান সুবিধাৰ সৃষ্টি কৰে যাৰ ফলত উপভোক্তাৰ কল্যাণ বৃদ্ধি হয়।

একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থাত থকা সামগ্ৰী পৃথকীকৰণ ধাৰণাটোৰ ফলতেই অতিৰিক্ত ক্ষমতাৰ উদ্ভৱ হয়। আৰু এনে সামগ্ৰী পৃথকীকৰণে ভিন্ন সামগ্ৰীৰ উৎপাদন সম্ভৱপৰ কৰি তোলে যি উপভোক্তাৰ বাবে অত্যন্ত লাভদায়ক।

ভিন্ন উৎপাদিত সামগ্ৰীৰ মাজৰ পৰা নিজৰ মন পছন্দৰ সামগ্ৰী বাছি লোৱাৰ ক্ষমতা ভোক্তা থাকে কাৰণে এনে বজাৰ ব্যৱস্থাত ভোক্তাৰ সন্তুষ্টি বা কল্যাণৰ যথেষ্ঠ প্ৰসাৰ ঘটে। উদাহৰণ স্বৰূপে আমি ল'ব পাৰো কাপোৰ, আচবাচ পত্ৰ; হোটেলৰ খাদ্য সামগ্ৰী ইত্যাদি। এই মত পোষণ কৰাসকলৰ মতে, অতিৰিক্ত ক্ষমতাই সৃষ্টি কৰা সামাজিক ক্ষতিতকৈ ই সৃষ্টি কৰা সামাজিক উপকাৰ অধিক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ অতিৰিক্ত ক্ষমতাৰ সংজ্ঞা লিখক।

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰত উদ্ভৱ হোৱা অতিৰিক্ত ক্ষমতাৰ কাৰণ কি?

.....

.....

.....

.....

প্ৰশ্ন নং ৯ ঃ অতিৰিক্ত ক্ষমতাৰ কিবা উপকাৰ আছেনে?

.....

.....

.....

.....

.....



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ গাঁথনিৰ অন্তৰ্গত প্ৰতিষ্ঠান এটাই ভাৰসমতা লাভ কৰে, যেতিয়া—
  হ্ৰস্ব কালত ঃ প্ৰান্তিক বিক্ৰী আয় = প্ৰান্তিক উৎপাদন ব্যয়
  দীৰ্ঘ কালত ঃ প্ৰান্তিক বিক্ৰী আয় = প্ৰান্তিক উৎপাদন ব্যয়; আৰু
  দীৰ্ঘকালৰ গড় উৎপাদন ব্যয় = গড় বিক্ৰী আয় ।
- ই. এইচ. চেম্বাৰলিনে 'উদ্যোগ'ৰ পৰিৱৰ্তে 'সামগ্ৰীৰ থূপ' ধাৰণাটো ব্যৱহাৰ কৰিছে আৰু তাৰ ভিত্তিত একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ ভাৰসমতা আলোচনা কৰিছে। থূপৰ ভাৰসমতা আলোচনা কৰাৰ বাবে চেম্বাৰলিনে তিনিটা আৰ্হি আগবঢ়াইছে।
- 'সামগ্ৰীৰ থূপ' ধাৰণাটিৰ মূল কথা হ'ল— বিভিন্ন প্ৰতিষ্ঠানসমূহে যিবোৰ সামগ্ৰী বজাৰত বিক্ৰী কৰে, সেইবোৰ এটা আনটোৰ নিকট বিকল্প।
- একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰত থূপটোৱে ভাৰসমতা লাভ কৰে, যেতিয়া—
  হ্ৰস্ব কালত ঃ প্ৰান্তিক বিক্ৰী আয় = প্ৰান্তিক উৎপাদন ব্যয়
  দীৰ্ঘ কালত ঃ দীৰ্ঘ কালৰ প্ৰান্তিক বিক্ৰী আয় = দীৰ্ঘ কালৰ প্ৰান্তিক উৎপাদন ব্যয়; আৰু
  দীৰ্ঘ কালৰ গড় উৎপাদন ব্যয় = দীৰ্ঘ কালৰ গড় বিক্ৰী আয়।
- চেম্বাৰলিনৰ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ আৰু জোৱান ৰবিনচনৰ অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ ধাৰণাই দৰ্শাইছে যে এখন উৎপাদন প্ৰতিষ্ঠানে এটাধিকাৰ প্ৰতিযোগিতামূলক বা অপূৰ্ণ প্ৰতি যোগিতামূলক বজাৰত দীৰ্ঘকালীন ভাৰসাম্য অৱস্থাত কৰা উৎপাদন সামাজিকভাৱে অনুকূলতম বা আদৰ্শ উৎপাদনকৈ কম। সেয়ে, অতিৰিক্ত ক্ষমতা ৰৈ যায়।
- অতিৰিক্ত ক্ষমতা উদ্ভৱৰ প্ৰধান দুটা কাৰণ আছে— প্ৰথমটো হৈছে এনে বজাৰ ব্যৱস্থাত চাহিদা ৰেখা (বা গড় আয় ৰেখাৰ) নিম্নগামী ঢাল। দ্বিতীয়তে, এনে বজাৰ ব্যৱস্থাত দীৰ্ঘকালত এক বৃহৎ সংখ্যক উৎপাদন প্ৰতিস্থানে উদ্যোগত প্ৰৱেশ কৰে।



১৩.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) আলম, ড° খুৰছেদ; হুদা, ড° মণিৰুল আৰু শৰ্মা, ড° অৰ্চনা (২০০৪); *স্নাতক মহলাৰ অৰ্থতত্ত্ব (ব্যষ্টিবাদী অৰ্থবিজ্ঞান)* ষষ্ঠ সংস্কৰণ; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ্ছ্।

২) গোস্বামী, ড° অতুল (২০০৫); *স্নাতক মহলাৰ অৰ্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অৰ্থনৈতিক তত্ত্ব)* সপ্তম সংস্কৰণ; ডিব্ৰুগড় ঃ ষ্টুডেণ্টছ এম্প'ৰিয়াম।

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics;* New Delhi: S. Chand & Co. Ltd.
2) Chopra, P.N. (2008); *Micro Economics*; Ludhiana: Kalyani Publishers.
3) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.
4) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.
5) Maddala, G.S. and Miller, E. (2004); *Microeconomic – Theory and Applications*; New Delhi: Tata Mc-Graw Hill.
6) Pindyck, R.S. and Rubinfeld, D. L. (2006); *Microeconomics*; New Delhi: Prentice-Hall India.
7) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Co. Ltd.

১৩.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ ক) একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ নিচিনা কাৰণ এই বজাৰত মুক্ত প্ৰৱেশ আৰু বহুত সংখ্যক প্ৰতিষ্ঠানৰ উপস্থিতি আছে।

খ) একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত প্ৰতিখন ব্যৱসায় প্ৰতিষ্ঠানে নিজৰ সামগ্ৰীৰ প্ৰচাৰৰ বাবে বিক্ৰী ব্যয় বহন কৰিব পাৰে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত প্ৰতিষ্ঠানে তলত উল্লেখ কৰা চৰ্ত দুটা পূৰণ কৰিলেহে দীৰ্ঘ কালৰ ভাৰসমতা লাভ কৰে—

প্ৰান্তিক বিক্ৰী আয় = প্ৰান্তিক উৎপাদন ব্যয়; আৰু

দীৰ্ঘ কালৰ গড় উৎপাদন ব্যয় = গড় বিক্ৰী আয় ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ক) প্ৰযুক্তিগত বিকল্পতাৰ অৰ্থ হ'ল একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত বিভিন্ন বিক্ৰেতাৰ দ্ৰব্যসমূহ প্ৰযুক্তিগত দিশৰ পৰা সমগুণসম্পন্ন আৰু সেইবোৰে উপভোক্তাৰ একে অভাৱ পূৰণ কৰে।

খ) চেম্বাৰলিনে একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ ভাৰসমতা আলোচনা কৰিবৰ বাবে উদ্যোগৰ পৰিৱৰ্তে সামগ্ৰীৰ থুপ ধাৰণাটো ব্যৱহাৰ কৰিছিল।

৫নং প্ৰশ্নৰ উত্তৰ ঃ 'থূপ' আৰু 'উদ্যোগ'ৰ মাজৰ পাৰ্থক্যটো হ'ল— 'থূপে' কেইটামান প্ৰতিষ্ঠানক বুজায়, যি কেইটা প্ৰতিষ্ঠানে উৎপাদন কৰা পণ্য পৰস্পৰৰ নিকট বিকল্প। আনহাতে, উদ্যোগে সেই প্ৰতিষ্ঠানসমূহৰ কথা বুজায় যি সমূহ প্ৰতিষ্ঠানে সাদৃশ্যমূলক পণ্য উৎপাদন কৰে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অধীনস্থ প্ৰতিষ্ঠান এখনৰ চাহিদা ৰেখাডালে ইয়াৰ দীৰ্ঘকালীন গড় ব্যয় ৰেখা (LAC)ৰ নিম্নতম বিন্দুত স্পৰ্শ নকৰে। কাৰণ, প্ৰতিষ্ঠানখনৰ চাহিদা ৰেখাডাল নিম্নমুখী হোৱা হেতুকে ইয়াৰ চাহিদা ৰেখাডালে U আকৃতিৰ দীৰ্ঘকালীন গড় ব্যয় ৰেখাৰ নিম্নতম বিন্দুত স্পৰ্শ কৰিব নোৱাৰে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ অতিৰিক্ত ক্ষমতাৰ ধাৰণাটো চেম্বাৰলিনৰ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ আৰু জোৱান ৰবিনচনৰ অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ তত্ত্বত প্ৰথমে দেখা গৈছিল।

তেওঁলোকে দেখুৱাইছিল যে একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ বা অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থাত এটা উদ্যোগ প্ৰতিষ্ঠানে দীৰ্ঘকালীন ভাৰসাম্য অৱস্থাত যিখিনি উৎপাদন কৰে, সেইখিনি সামাজিকভাৱে অনুকূলতম বা আদৰ্শ উৎপাদনতকৈ কম আৰু ইয়াৰ ফলত অতিৰিক্ত ক্ষমতাৰ সৃষ্টি হয়।

৮নং প্ৰশ্নৰ উত্তৰ ঃ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰত অতিৰিক্ত ক্ষমতাৰ উদ্ভৱ হোৱাৰ মূখ্য কাৰণ দুটা— ইয়াৰ প্ৰথমটো হ'ল; এনে বজাৰ ব্যৱস্থাত চাহিদা ৰেখাৰ ঢাল নিম্নগামী। দ্বিতীয়তে, এনে বজাৰ ব্যৱস্থাত দীৰ্ঘকালত এক বৃহৎ সংখ্যক উৎপাদন প্ৰতিষ্ঠানে উদ্যোগত প্ৰৱেশ কৰিব পাৰে।

৯নং প্ৰশ্নৰ উত্তৰ ঃ বহুকেইজন আধুনিক অৰ্থনীতিবীদে একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰত উদ্ভৱ হোৱা অতিৰিক্ত ক্ষমতাক কিছুমান অৱস্থা সাপেক্ষে বাঞ্ছনীয় বুলি উল্লেখ কৰিছে। একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰত থকা সামগ্ৰী পৃথকীকৰণ ধাৰণাৰ ফলতেই অতিৰিক্ত ক্ষমতাৰ সৃষ্টি হয় আৰু এই সামগ্ৰী পৃথকীকৰণে ভিন্ন সামগ্ৰী উৎপাদন সম্ভৱপৰ কৰি তোলে যি ভোক্তাৰ বাবে অত্যন্ত লাভদায়ক। ভিন্ন উৎপাদিত সামগ্ৰীৰ মাজৰ পৰা নিজৰ মন পছন্দৰ সামগ্ৰী বাছি লোৱাৰ ক্ষমতা উপভোক্তাক দিয়াৰ বাবে এনে বজাৰ ব্যৱস্থাত ভোক্তাৰ সন্তুষ্টি বা কল্যাণৰ যথেষ্ঠ প্ৰসাৰ হয়।



১৩.৮ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ থূপ আৰু উদ্যোগৰ মাজৰ পাৰ্থক্য দেখুৱাওক।

প্ৰশ্ন নং ২ ঃ অতিৰিক্ত ক্ষমতা কি? একাধিকাৰ প্ৰতিযোগিতা মূলক বজাৰ ব্যৱস্থাত ইয়াৰ উদ্ভৱৰ কাৰণ দুটা উল্লেখ কৰক।

প্ৰশ্ন নং ৩ ঃ অতিৰিক্ত ক্ষমতা সম্পৰ্কে এটি চমুটোকা লিখক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত প্ৰতিষ্ঠান এটাই কি দৰে হ্ৰস্ব কাল আৰু দীৰ্ঘ কালত ভাৰসমতা লাভ কৰে?

প্ৰশ্ন নং ২ ঃ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ অন্তৰ্গত থূপ এটাই কি দৰে দীৰ্ঘ কালত ভাৰসমতা লাভ কৰে?

*** ***** ***

অধ্যায় ১৪ ঃ ৰাষ্ট্ৰীয় আয়ৰ মৌলিক ধাৰণা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ ৰাষ্ট্ৰীয় আয়ৰ মৌলিক ধাৰণা
১৪.৪ সৰ্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন, শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন, জনমুৰি আয়, হস্তান্তৰসাধ্য আয়
১৪.৫ ৰাষ্ট্ৰীয় আয়ৰ গুৰুত্ব
১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪.৮ অগ্ৰগতিৰ খতিয়ান
১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাষ্ট্ৰীয় আয়ৰ মৌলিক ধাৰণাবোৰ ব্যাখ্যা কৰিব পাৰিব
- সৰ্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন, শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন, জনমুৰি আয় আৰু হস্তান্তৰযোগ্য আয়ৰ ধাৰণাবোৰ বৰ্ণনা কৰিব পাৰিব
- ৰাষ্ট্ৰীয় আয়ৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব।

১৪.২ পৰিচয়

এই অধ্যায়টিত আমি ৰাষ্ট্ৰীয় আয়ৰ মৌলিক ধাৰণাবোৰৰ বিষয়ে আলোচনা কৰিম। লগতে সৰ্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন (GNP), শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন (NNP), জনমূৰি আয় (PCI) আৰু হস্তান্তৰযোগ্য আয়ৰ (Disposable Income) ধাৰণাকেইটাও অধ্যায়টিত আলোচনা কৰা হ'ব। অধ্যায়টিৰ আন এক আলোচ্য বিষয় হ'ল ৰাষ্ট্ৰীয় আয়ৰ গুৰুত্ব।

১৪.৩ ৰাষ্ট্ৰীয় আয়ৰ মৌলিক ধাৰণা

ৰাষ্ট্ৰীয় আয়ক বিভিন্ন দৃষ্টিকোণেৰে চালি জাৰি চাব পাৰি। অধ্যয়নৰ উদ্দেশ্য অনুসৰি ৰাষ্ট্ৰীয় আয়ৰ বিভিন্ন ধাৰণা প্ৰয়োগ কৰি চোৱা হয়। এই আটাইবোৰ ধাৰণাই সাধাৰণতে একেটা সত্বাৰে (Entity) প্ৰতিনিধিত্ব কৰে। তদুপৰি, ৰাষ্ট্ৰীয় আয়ৰ বহল ধাৰণাটোৰ পৰা আন বহুতো যৌথ ধাৰণা বাহিৰ হৈছে। এখন ৰাষ্ট্ৰীৰ অৰ্থনৈতিক স্থিতি সূচাবলৈ ব্যৱহাৰ কৰা আৰু আন

কেইবাটাও আনুষঙ্গিক যৌথ ধাৰণাৰ বিষয়ে এই শিতানটিৰ জৰিয়তে সহজ-সৰলকৈ বুজোৱাৰ প্ৰয়াস কৰা হৈছে।

ৰাষ্ট্ৰীয় আয় (National Income) হ'ল সমষ্টিবাদী অৰ্থনীতিৰ (Macroeconomics) এটা মৌলিক ধাৰণা। ৰাষ্ট্ৰীয় আয় মানে হ'ল দেশ এখনৰ সৰ্বমুঠ আয় (Total Income)। ৰাষ্ট্ৰীয় আয় তথ্যৰ সহায়ত দেশ এখনৰ সমগ্ৰ অৰ্থনীতিৰ যৌথ অৰ্থনৈতিক পাৰদৰ্শিতা (Aggregate Economic Performance) নিৰূপণ কৰা হয়। কোনো এক বিত্তীয় বৰ্ষত কোনো এখন দেশৰ ঘৰুৱা চাৰিসীমাৰ বাহিৰ তথা ভিতৰ উভয়তে কৰ্মৰত সাধাৰণ নাগৰিক অথবা বাসিন্দাই উৎপাদন কৰা সকলোবোৰ চূড়ান্ত সামগ্ৰী আৰু আগবঢ়োৱা সেৱাসমূহৰ আৰ্থিক মূল্য (Money Value)কে ৰাষ্ট্ৰীয় আয় বোলে। ৰাষ্ট্ৰীয় আয়ত বিদেশৰ পৰা প্ৰাপ্ত শুদ্ধ উৎপাদনৰ উৎপাদকৰ আয় (Net Factor Income)কো সামৰি লোৱা হয়।

ৰাষ্ট্ৰীয় আয়ৰ প্ৰতীক উপস্থাপনটো হ'ল—

$$Y = PG + PS$$

ইয়াত, Y = ৰাষ্ট্ৰীয় আয়, P = মূল্য, G = সামগ্ৰী, S = সেৱা

ৰাষ্ট্ৰীয় আয়ৰ পৰম্পৰাগত সংজ্ঞা ঃ

- **মাৰ্ছাল** (Marshall) ঃ "কোনো এখন দেশৰ প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰি থকা শ্ৰমিক আৰু মূলধনে দেশখনৰ বাবে প্ৰতি বছৰে বিভিন্ন পণ্যদ্ৰব্য, মূৰ্ত সামগ্ৰী তথা সকলো প্ৰকাৰৰ সেৱাৰে সৈতে নিৰৱয়ব (Immaterial) সামগ্ৰীৰ এক নিৰ্দিষ্ট মুঠ যৌথ (Net Aggretage) উৎপাদন কৰে... ...ইয়েই হ'ল দেশ এখনৰ প্ৰকৃত মুঠ বাৰ্ষিক আয় (True Net Annual Income) অথবা ৰাজহ অথবা ৰাষ্ট্ৰীয় লভ্যাংশ (National Dividend)।"
- **পিগু** (Pigou) ঃ "ৰাষ্ট্ৰীয় আয় হ'ল সম্প্ৰদায় এটাৰ বস্তুনিষ্ঠ আয়ৰ (Objective Income) সেইটো অংশ য'ত বিদেশৰ পৰা প্ৰাপ্ত উপাৰ্জনো সামৰি লোৱা হয় আৰু যি আয়ক মুদ্ৰাৰে জুখিব পাৰি।"
- **ফিশ্বাৰ** (Fisher) ঃ "সৰ্বশেষ উপভোক্তাই (Ultimate Consumers) তেওঁলোকৰ পাৰ্থিৱ (Material) অথবা মানৱীয় (Human) পৰিৱেশৰ পৰা লাভ কৰা সেৱাবোৰকেই ৰাষ্ট্ৰীয় লভ্যাংশ অথবা আয় বুলি কোৱা হয়। সেই দিশৰ পৰা এই বছৰ মোৰ বাবে তৈয়াৰ কৰা পিয়ানো নাইবা ওভাৰকোট এটা এই বছৰৰ আয় হ'ব নোৱাৰে, কিন্তু ই মূলধনৰ সৈতে অতিৰিক্ত সংযোজন হ'ব পাৰে। এই বছৰ এই সামগ্ৰী কেইপদে মৌলৈ আগবঢ়োৱা সেৱাবোৰহে কেৱল আয় হ'ব পাৰে।"

ৰাষ্ট্ৰীয় আয় সম্পৰ্কীয় কেইন্সীয় চিন্তাধাৰা ঃ কেইন্সে (Keynes) ৰাষ্ট্ৰীয় আয় সম্পৰ্কীয় তিনিটা চিন্তাধাৰা আগবঢ়াইছে—

১) **আয়-ব্যয় পন্থা** (Income Expenditure Approach) ঃ এই চিন্তা অনুসৰি ৰাষ্ট্ৰীয় আয় উপভোগ (Consumption) আৰু বিনিয়োগ সামগ্ৰীত (Investment Goods) হোৱা সৰ্বমুঠ ব্যয়ৰ (Total Expenditure) সমান।

২) **কাৰক-আয় পন্থা** (Factor-Income Approach) ঃ এই চিন্তা অনুসৰি ৰাষ্ট্ৰীয় আয়ক উৎপাদনৰ সকলোবোৰ কাৰকে লাভ কৰা আয়ৰ যৌথৰূপ হিচাপে জুখিব পাৰি।

৩) **খৰচ বাদ দি আহৰণ কৰা বিক্ৰী সমুৎপন্ন ধন পন্থা** (Sales Proceeds Minus Cost Approach) ঃ এই চিন্তা অনুসৰি ৰাষ্ট্ৰীয় আয় হ'ল খৰচ (Cost) বাদ দি আহৰণ কৰা যৌথ বিক্ৰী সমুৎপন্ন ধনৰাশি।

ৰাষ্ট্ৰীয় আয় সম্পৰ্কীয় আধুনিক চিন্তাধাৰা ঃ আধুনিক অৰ্থনীতিবিদসকলে ৰাষ্ট্ৰীয় আয় সম্পৰ্কীয় তিনিটা দিশ বিবেচনাৰ পোষকতা কৰে। তেওঁলোকে এই তিনিওটা দিশৰ মৌলিক ত্ৰি-পৰিচয় বুজাত জোৰ দিয়ে। দিশ তিনিটা হ'ল— (ক) উৎপাদনৰ দিশ (Product Aspect), (খ) আয়ৰ দিশ (Income Aspect) আৰু (গ) ব্যয়ৰ দিশ (Expenditure Aspect)। ৰাষ্ট্ৰ সংঘৰ দ্বাৰা প্ৰকাশিত এক নথিত ৰাষ্ট্ৰীয় আয়ৰ তিনি ধৰণৰ সংজ্ঞা দাঙি ধৰা হৈছে।

i) ৰাষ্ট্ৰীয় আয় হ'ল 'শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন' (Net National Product)। কাৰণ, কোনো এক নিৰ্দিষ্ট বিত্তীয় কালত বিদেশৰ পৰা প্ৰাপ্ত শুদ্ধ আয়ৰ সৈতে দেশখনৰ অৰ্থনৈতিক কাৰ্য্যকলাপ জড়িত থকা সকলোবোৰ শাখাতে একত্ৰীকৃত শুদ্ধ মূল্য (Aggregate of the Net Value) যোগ কৰা হয়।

ii) ৰাষ্ট্ৰীয় আয় হ'ল 'বণ্টনাত্মক শ্বেয়াৰৰ যোগফল' (Sum of the Distributive Shares)। কাৰণ, উৎপাদনৰ কাৰকবোৰৰ যোগেদি (মজুৰি,লাভ, সুত,ভাৰা ইত্যাদি ৰূপত) এক নিৰ্দিষ্ট বিত্তীয় কালৰ ভিতৰত একত্ৰীকৃত ৰাষ্ট্ৰীয় আয় লাভ কৰা হয়।

iii) ৰাষ্ট্ৰীয় আয় হ'ল 'শুদ্ধ ৰাষ্ট্ৰীয় ব্যয়' (Net National Expenditure)। কাৰণ, সামগ্ৰী তথা সেৱাৰ সৰ্বশেষ উপভোগৰ লগতে ঘৰুৱা তথা বৈদেশিক বিনিয়োগ ব্যয় যোগ কৰি ৰাষ্ট্ৰীয় আয় উলিয়াব পাৰি।

আধুনিক অৰ্থনীতিবিদসকলে ৰাষ্ট্ৰীয় আয়ক উৎপাদিত দ্ৰব্য (Output), আয় (Income) আৰু ব্যয়ৰ (Expenditure) এক প্ৰবাহ বুলি গণ্য কৰে। যেতিয়া ফাৰ্মবোৰে সামগ্ৰী উৎপাদন কৰে তেতিয়া উৎপাদনৰ কাৰকবোৰক (Factors of Production) মজুৰি (Wages), লাভ (Profit), সুত (Interest), ভাৰা (Rent) আদিৰ ৰূপত আয় আদায় দিয়া হয়। এনেদৰে আহৰণ কৰা আয় সামগ্ৰী উপভোগৰ বাবে ঘৰুৱা খণ্ডত খৰচ কৰা হয়। সঞ্চিত ধন (Savings) উৎপাদক-সকলো বিনিয়োগ খৰচৰ (Investment Spending) বাবে পুনৰ সংগ্ৰহ কৰে। অৰ্থাৎ, উৎপাদন, আয় আৰু ব্যয়ৰ মাজত এটা চক্ৰীয় প্ৰবাহ আছে। লগতে, প্ৰতি একক সময়ত আয়, উৎপাদিত দ্ৰব্য আৰু ব্যয়ৰ প্ৰবাহ সদায় সমান হয়। অৰ্থাৎ, তিনিওটা দিশৰে ত্ৰি-পৰিচয় (Tripple Identity) হ'ল—

উৎপাদিত দ্ৰব্য = আয় = ব্যয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰাষ্ট্ৰীয় আয় মানে কি?

.....

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ ৰাষ্ট্ৰীয় আয়ৰ এটা পৰম্পৰাগত সংজ্ঞা লিখক।

.....

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ ৰাষ্ট্ৰীয় আয় সম্পৰ্কীয় কেইন্সীয় চিন্তাধাৰাবোৰ কি কি?

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ ৰাষ্ট্ৰীয় আয় সম্পৰ্কীয় আধুনিক চিন্তাধাৰাই সামৰি লোৱা দিশকেইটা কি কি?

.....

.....

.....

.....

১৪.৪ সৰ্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন (GNP), শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন (NNP), জনমুৰি আয় (PCI), হস্তান্তৰসাধ্য আয় (Disposable Income)

মুঠ ৰাষ্ট্ৰীয় উৎপাদন (Gross National Product–G.N.P.) ঃ এখন দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ লগত বিদেশৰ পৰা সংগ্ৰহ কৰা শুদ্ধ বা নিগুট (Net) উপাৰ্জনবোৰ যোগ কৰিলে দেশখনৰ মুঠ ৰাষ্ট্ৰীয় উৎপাদন পোৱা যায়। বিদেশৰ পৰা সংগৃহীত শুদ্ধ উপাৰ্জন বুলিলে নিজ দেশৰ বাসিন্দা বা নাগৰিকে বিদেশত কৰা উপাৰ্জনৰপৰা বিদেশী নাগৰিকে দেশখনৰ ঘৰুৱা

পৰিসীমাৰ ভিতৰত কৰা উৎপাদন বাদ দিলে যি পৰিমাণৰ ৰাহি হ'ব তাকে বুজাই। এই ৰাহিৰ পৰিমাণ ধনাত্মক বা ঋণাত্মক দুয়োটা হ'ব পাৰে। অৰ্থাৎ,

> মুঠ ৰাষ্ট্ৰীয় উৎপাদন (G.N.P.) = মুঠ ঘৰুৱা উৎপাদন (G.D.P) + শুদ্ধ বৈদেশিক উপাৰ্জন (Net Earning from Abroad).

শুদ্ধ বা নিগুট ৰাষ্ট্ৰীয় উৎপাদন (Net National Product–N.N.P.) ঃ উৎপাদন প্ৰক্ৰিয়া চলি থকা সময়ছোৱাত মূলধনজাত সম্পদসমূহ বাৰে বাৰে ব্যৱহাৰৰ ফলত কিছু পৰিমাণে ক্ষয় হয়। ইয়াকে মূলধনৰ ক্ষয়-ক্ষতি বা মূলধনৰ উপভোগ বা সহজ ভাষাত মূলধনৰ অবক্ষয় বুলি কোৱা হয়। ৰাষ্ট্ৰীয় উৎপাদনৰ প্ৰকৃত বৃদ্ধিৰ পৰিমাণ নিৰূপণ কৰিবলৈ হ'লে আমি মুঠ ৰাষ্ট্ৰীয় উৎপাদনৰ পৰা এই অবক্ষয়ৰ পৰিমাণ বাদ দিব লাগিব। সেয়েহে, এখন দেশৰ শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন (NNP) তাৰ মুঠ, ৰাষ্ট্ৰীয় উৎপাদনতকৈ (GNP) কিছু কম হয়, এই কমখিনি মুঠ অৱক্ষয়ৰ সমান হয়।

> শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন (NNP) = মুঠ ৰাষ্ট্ৰীয় উৎপাদন (GNP) – অবক্ষয় (Depreciation).


এখন দেশৰ শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন দুটা বিকল্প ধৰণে পৰীক্ষা কৰিব পাৰি। ইয়াক ৰাষ্ট্ৰৰ উৎপাদন ব্যৱস্থাত নিয়োজিত উপাদানসমূহৰ উপাৰ্জনবোৰৰ বা মুঠ ৰাষ্ট্ৰীয় উৎপাদনৰ বজাৰ মূল্যৰ পৰিমাণৰ পৰাও পাব পাৰি। পূৰ্বৰ পদ্ধতিটোৱে উৎপাদনৰ উপাদান ব্যয়ত শুদ্ধ ৰাষ্ট্ৰীয় আয় আৰু পিছৰটোৱে বজাৰ মূল্যত শুদ্ধ ৰাষ্ট্ৰীয় আয়ক বুজায়। যিবিলাক দেশত বজাৰ ব্যৱস্থাৰ ওপৰত চৰকাৰৰ কোনো ভূমিকা নাথাকে সেইবোৰ দেশত এই দুয়োটা পদ্ধতিৰ মাজত কোনো পাৰ্থক্য নাথাকে। কিন্তু যিবিলাক দেশত চৰকাৰী হস্তক্ষেপ থাকে তেনেবোৰ দেশৰ ক্ষেত্ৰত দুয়োটাৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। বিশেষকৈ বজাৰ মূল্যত শুদ্ধ ৰাষ্ট্ৰীয় আয় গণনা কৰিবলৈ দ্ৰব্য মূল্য নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত পৰোক্ষ কৰক ইয়াত অন্তৰ্ভুক্ত কৰা হয়, কিন্তু ৰাজসাহায্যক বাদ দিয়া হয়। সেয়েহে পৰোক্ষ কৰ আৰু ৰাজসাহায্যই দুয়োটা পদ্ধতিৰ মাজত পাৰ্থক্য আনি দিয়ে। আমি বজাৰ মূল্যত শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদনৰ পৰা পৰোক্ষ কৰ বাদ দি আনহাতে তাৰ লগত ৰাজসাহায্য যোগ কৰি উৎপাদনৰ উপাদান ব্যয়ত ৰাষ্ট্ৰীয় আয় পাব পাৰো।

> শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন (উৎপাদনৰ উপাদান ব্যয়ত) = শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন (বজাৰ মূল্যত) – পৰোক্ষ কৰ + ৰাজসাহায্য

এইখিনিতে আমি উল্লেখ কৰিব পাৰোঁ যে উৎপাদনৰ উপাদান ব্যয়ত গণনা কৰা ৰাষ্ট্ৰীয় আয়ক একোখন দেশৰ ৰাষ্ট্ৰীয় আয় হিচাপে জনাজাত।

ওপৰত উল্লেখ কৰা ৰাষ্ট্ৰীয় আয়ৰ বিভিন্ন ধাৰণাসমূহৰ মাজৰ সম্পৰ্ক চিত্ৰ ১৪.১ৰ সহায়ত দেখুৱাব পাৰি।

চিত্ৰ ১৪.১ ঃ ৰাষ্ট্ৰীয় আয়ৰ বিভিন্ন ধাৰণাসমূহৰ মাজৰ সম্পৰ্ক





অনুশীলনী ১৪.১

ওপৰৰ চিত্ৰ ১৪.১ৰ পৰা ৰাষ্ট্ৰীয় আয়ৰ বিভিন্ন ধাৰণাসমূহৰ মাজত সম্পৰ্ক স্থাপন কৰক।

.....

.....

.....

জনমুৰি আয় (Per-Capita Income) ঃ কোনো এক নিৰ্দিষ্ট এলেকাত প্ৰতিগৰাকী ব্যক্তিয়ে উপাৰ্জন কৰা ধনৰ জোখেই হ'ল জনমুৰি আয়। জনমুৰি আয় কোনো এখন চহৰ, এটা অঞ্চল অথবা এখন দেশৰ গড় প্ৰতি-ব্যক্তি (Average Per-Person) হিচাপত প্ৰযোজ্য হ'ব পাৰে। বিভিন্ন এলেকাৰ বাসিন্দাৰ জীৱন যাপনৰ অৱস্থা আৰু জীৱনৰ মান মূল্যায়ন কৰাৰ এক উপায় হিচাপে জনমুৰি আয় বাহিৰ কৰা হয়। দেশ এখনৰ ক্ষেত্ৰত মুঠ জনসংখ্যাৰে দেশৰ ৰাষ্ট্ৰীয় আয়ক হৰণ কৰি জনমুৰি আয় নিৰ্ণয় কৰা হয়।

কিন্তু জনমুৰি আয়ে সদায় জীৱনৰ মান সম্পৰ্কীয় নিৰ্ভুল তথ্য উপস্থাপন কৰিব নোৱাৰে। ইয়াৰ কাৰণ হ'ল, জনমুৰি আয়ৰ দ্বাৰা বিকৃত তথ্য (skewed data) গণনা কৰিব পৰা নাযায়। যেনে- ধৰা হ'ল, কোনো এক অঞ্চলৰ ৫০ জন লোকে প্ৰতি বছৰে ১ নিযুত আমেৰিকান ডলাৰকৈ উপাৰ্জন কৰে আৰু ১০০০ জন লোকে প্ৰতি বছৰে ১০০ আমেৰিকান ডলাৰকৈ উপাৰ্জন কৰে। অঞ্চলটোৰ জনমূৰি আয় হ'ব ৪৭,৭১৪ আমেৰিকান ডলাৰ। কিন্তু এই তথ্যৰ পৰা সমগ্ৰ জনসংখ্যাৰ জীৱন যাপনৰ মান বুজিব পৰা নিৰ্ভুল ছবি এখন পাব নোৱাৰি।

ব্যক্তিগত আয় (Personal Income) ঃ এখন দেশৰ সমূদায় ৰাষ্ট্ৰীয় আয় উৎপাদনৰ উপাদানসমূহৰ মাজত বিতৰণ কৰা নহয়। একে সময়তে দেশৰ বাসিন্দাসকলে লাভ কৰা আন কিছুমান উপাৰ্জন আছে যিবোৰ ৰাষ্ট্ৰীয় আয়ৰ অন্তৰ্ভুক্ত নহয়। ফলস্বৰূপে, ৰাষ্ট্ৰীয় আয়ৰ পৰা

ব্যক্তিগত আয় উলিয়াবলৈ হ'লে কিছুমান যোগ -বিয়োগৰ দৰকাৰ হয়। ইয়াক তলত দিয়া ধৰণে দেখুৱাব পাৰি

> ব্যক্তিগত আয় (Personal Income) = ৰাষ্ট্রীয় আয় ((National Income) – বিতৰণ নোহোৱাকৈ থকা উপার্জন Undistributed Income) + হস্তান্তৰিত আয় Transfer Payments)।



জানি থোৱা ভাল

বিতৰণ নোহোৱাকৈ থকা উপার্জনে বিতৰণ নোহোৱাকৈ থকা কোম্পানী মুনাফা, কোম্পানীৰ দিবলগীয়া কৰ আৰু উৎপাদনৰ উপাদানসমূহে আদায় দিয়া সামাজিক সুৰক্ষাৰ বৰঙণি আদিক অন্তর্ভূক্ত কৰে।

হস্তান্তৰিত আয়সমূহ কোনো উৎপাদন কার্য্যৰ লগত জড়িত নহয়। নাগৰিকৰ এই ধৰণৰ আয় কোনো উৎপাদন কার্য্যৰ উপার্জন নহয় কিন্তু ইয়াক এটা উৎসৰ পৰা আন এটা উৎসলৈ হস্তান্তৰিত কৰা হয়। সাধাৰণতে এই আয়বোৰ হ'ল— বৃদ্ধ পেন্‌চন, ছাত্র বৃত্তি, নিবনুৱা ভাট্টা, ৰাজসাহার্য্য ইত্যাদি।

ব্যক্তিগত ব্যয়যোগ্য আয় (Personal Disposable Income) ঃ দেশ একোখনৰ জনসাধাৰণৰ ব্যক্তিগত আয়ৰ এই অংশটোৱে সেইখিনি আয়ক বুজাই যাৰ ওপৰত ব্যক্তিজনৰ সম্পূর্ণ অধিকাৰ বা হস্তক্ষেপ অটুত থাকে, অর্থাৎ তেওঁ নিজৰ ইচ্ছামতে ব্যৱহাৰ কৰিব পাৰে। গতিকে ব্যক্তিগত উপার্জনৰ পৰা আইন অনুসৰি চৰকাৰক পৰিশোধ কৰিবলগীয়া প্রত্যক্ষ ব্যক্তিগত কৰ, যেনে— আয় কৰ আৰু অন্য বিবিধ কৰ (অনাময় কৰ) বাদ দি যি পোৱা যাব সিয়ে ব্যক্তিগত ব্যয়যোগ্য আয় হ'ব।

> **ব্যক্তিগত ব্যয়যোগ্য আয়** = ব্যক্তিগত আয় (Personal Income) – ব্যক্তিগত উপভোক্তাই আদায় দিয়া আয়কৰ (Direct Taxes Paid by the Households) – চৰকাৰে সংগ্রহ কৰা বিবিধ উপার্জন (Miscellaneous receipts of the Goverment).

নিজস্ব আয় (Private Income) ঃ ব্যক্তিগত ব্যৱসায়িক প্রতিষ্ঠান বা শ্রমিকৰ নিজা উপাদানবোৰে নিজৰ দেশত বা বিদেশত উৎপাদন কৰি কৰা উপার্জন চলিত চৰকাৰী হস্তান্তৰিত আয় আৰু বহিৰাগত শুদ্ধ হস্তান্তৰিত আয় আদিৰ দ্বাৰা এখন দেশৰ বাসিন্দাৰ নিজস্ব আয় গঠিত হয়।

> নিজস্ব আয় = ব্যক্তিগত খণ্ডৰ উপাদানসমূহৰ শুদ্ধ ঘৰুৱা উৎপাদন (Factor Income from net domestic product earned by the private sector) + বহিৰাগত শুদ্ধ আয় (Net factor Income from abroad) + চলিত চৰকাৰী হস্তান্তৰ (Current transfers from the goverment) + অন্য শুদ্ধ বহিৰাগত দেশৰ হস্তান্তৰ (Net other transfers from foreign countries).



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ এখন দেশৰ "ঘৰুৱা পৰিসীমা" (Domestic Territory)ৰ ধাৰণাটো তাৰ "ভৌগোলিক পৰিসীমা" (Geographical territory)ৰ ধাৰণাতকৈ কি দৰে পৃথক? (৬০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ এখন দেশৰ মুঠ ঘৰুৱা উৎপাদন আৰু মুঠ ৰাষ্ট্ৰীয় উৎপাদন একে হ'ব পাৰে নে?

.....

.....

প্ৰশ্ন নং ৭ ঃ উৎপাদনৰ উপাদানত শুদ্ধ ৰাষ্ট্ৰীয় আয় আৰু বজাৰ মূল্যত শুদ্ধ ৰাষ্ট্ৰীয় আয়ৰ মাজত পাৰ্থক্য উল্লেখ কৰক। (২০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ ব্যক্তিগত আয় ৰাষ্ট্ৰীয় আয়তকৈ কিয় বেলেগ হয়? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

১৪.৫ ৰাষ্ট্ৰীয় আয়ৰ গুৰুত্ব

ৰাষ্ট্ৰীয় আয় পৰিসংখ্যা অধ্যয়ন এক অতি গুৰুত্বপূৰ্ণ বিষয়। ই এখন দেশৰ অৰ্থনীতিৰ প্ৰকৃত পাৰদৰ্শিতা বিশ্লেষণ তথা ভৱিষ্যৎ নীতি প্ৰস্তুত কৰাত সহায় কৰে। তলত ৰাষ্ট্ৰীয় আয় অধ্যয়নৰ গুৰুত্ব ক্ৰমে বৃদ্ধি পোৱাৰ প্ৰধান কাৰণবোৰ উল্লেখ কৰা হ'ল—

- **অৰ্থনৈতিক সংৰচনাৰ সূচী ঃ** এখন দেশৰ অৰ্থনীতিৰ অৰ্থনৈতিক সংৰচনাটোৰ এখন গুৰুত্বপূৰ্ণ সূচী হ'ল ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলন। ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনে আমাৰ দেশে

কেনেকৈ আয় আৰু ব্যয় কৰে সেই কথা জনাত সহায় কৰে। এই প্ৰাক্‌কলনৰ পৰাই অৰ্থনীতিৰ বিভিন্ন খণ্ডৰ আপেক্ষিক গুৰুত্ব আৰু ৰাষ্ট্ৰীয় আয়লৈ এই খণ্ডবোৰে আগবঢ়োৱা অৱদানৰ কথা গম পাব পাৰি।

- **অৰ্থনৈতিক কল্যাণৰ সূচক ঃ** ৰাষ্ট্ৰীয় আয় বুজোৱা ৰাশিবোৰ হ'ল এখন দেশৰ নাগৰিকৰ অৰ্থনৈতিক কল্যাণৰ সূচক। এই ৰাশিৰ সহায়ত আমি অন্য দেশৰ নাগৰিকৰ জীৱন যাপনৰ মানৰ সৈতে নিজৰ তুলনা কৰিব পাৰো। ইয়াৰ উপৰি আমি দেশৰ নাগৰিকসকলৰ জীৱন যাপনৰ মানো এই তথ্যৰ আধাৰত বিভিন্ন সময়ত তুলনা কৰি চাব পাৰো।
- **যৌথ উৎপাদনৰ বাস্তৱ উৎপন্ন ভাগ জুখিব পাৰে ঃ** ৰাষ্ট্ৰীয় আয় পৰিসংখ্যাই উন্নয়নৰ বাবে গ্ৰহণ কৰা অৰ্থনৈতিক নীতিবোৰৰ যৌথ উৎপাদনৰ বাস্তৱ উৎপন্ন ভাগ (Aggregate Yield) জুখিব পাৰে।
- **অৰ্থনৈতিক পৰিকল্পনাৰ আহিলা** ঃ ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলন হ'ল অৰ্থনৈতিক পৰিকল্পনাৰ এক আহিলা। কাৰণ, অৰ্থনৈতিক পৰিকল্পনা যুগুত কৰাৰ সময়ত ৰাষ্ট্ৰীয় আয়ৰ ধাৰাবোৰ সম্পৰ্কে আগতীয়া জ্ঞানৰ প্ৰয়োজন হয়।
- **মুদ্ৰাস্ফিতীমুখী আৰু মুদ্ৰাসংকোচনমুখী** (Inflationary and Deflationary) ঃ ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনে অৰ্থনীতিত হোৱা মুদ্ৰাস্ফিতীমুখী আৰু মুদ্ৰাসংকোচমুখী ব্যৱধান সম্পৰ্কীয় তথ্যৰ যোগান ধৰে। এই প্ৰাক্‌কলনে মুদ্ৰাস্ফিতীবিৰোধী আৰু মুদ্ৰাসঙ্কোচন-বিৰোধী নীতি প্ৰস্তুত কৰা কাৰ্যতো সহায় কৰে।
- **আন্তঃৰাষ্ট্ৰীয়ভাৱে পৰিশোধ কৰিবলগীয়া ধনৰ বোজা আবণ্টনত সহায় কৰে ঃ** ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনে বিভিন্ন দেশক পৰিশোধ কৰিবলগীয়া ধনৰ উপযুক্ত আবণ্টনত সহায় কৰে।
- **সদস্যপদৰ বৰঙণি আৰু আনুপাতিক অংশ নিৰ্দ্ধাৰণত সহায় কৰে ঃ** ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনে বিভিন্ন দেশক IMF, IBRD আদিৰ দৰে আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান প্ৰতিষ্ঠানৰ সদস্য হৈ ৰ'বলৈ প্ৰয়োজন হোৱা নিয়মীয়া বৰঙণি (Subscriptions) আৰু এনে অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা লাভ কৰিব পৰা আনুপাতিক অংশ (Quotas) নিৰ্দ্ধাৰণত সহায় কৰে।
- **সাহায্য অনুদানৰ পৰিমাণ নিৰ্দ্ধাৰণত সহায় কৰে ঃ** ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনে ৰাজ্য চৰকাৰসমূহলৈ কিমান পৰিমাণৰ সাহায্য অনুদান (Grants-in-Aid) আগবঢ়োৱা হ'ব সেয়া নিৰ্দ্ধাৰণ কৰাত সংঘ চৰকাৰক (Federal Government) সহায় কৰে।
- **বাজেট সম্পৰ্কীয় নীতিবোৰৰ আধাৰ** ঃ ৰাষ্ট্ৰীয় আয় পৰিসংখ্যাৰ আধাৰত চৰকাৰে বাজেট প্ৰস্তুত কৰে আৰু কৰ আৰোপ তথা ঋণ গ্ৰহণ নীতিবোৰত প্ৰয়োজনীয় সাল-সলনি ঘটায়।
- **প্ৰতিৰক্ষা আৰু উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ ঃ** ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনে দেশৰ প্ৰতিৰক্ষা আৰু অৰ্থনীতিৰ উন্নয়নৰ মাজত ৰাষ্ট্ৰীয় উৎপাদনৰ উপযুক্ত আবণ্টনৰ পৰিমাণ নিৰ্ণয় কৰাত সহায় কৰে।

- **মুদ্রা ক্ষয় ৰোধৰ উপায় আগবঢ়ায় ঃ** ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনে দেশৰ মূলধন ভাণ্ডাৰটো বৰ্তাই ৰাখিবলৈ যুক্তিসঙ্গতভাৱে মুদ্রা ব্যয় কৰাৰ উপায় যুগুত কৰাত আমাক দিক্‌নিৰ্দেশনা দিয়ে।
- **চৰকাৰৰ বাবে সহায়কাৰী ঃ** ৰাজহুৱা খণ্ডৰ সম্প্ৰসাৰণৰ বাবে ভৱিষ্যত পৰিকল্পনা কৰাত ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনে চৰকাৰক সহায় কৰে।
- **কম উন্নত অথবা উন্নয়নশীল দেশৰ বাবে গুৰুত্বপূৰ্ণ ঃ** ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনে কম উন্নত (Less Developed) অথবা উন্নয়নশীল (Developing) অৰ্থনীতিৰ দেশবোৰৰ বিভিন্ন খণ্ডৰ গুৰুত্ব তথা অনগ্ৰসৰতাৰ ওপৰত আলোকপাত কৰে। ই তেনে দেশবোৰক উপযুক্ত অৰ্থনৈতিক নীতি প্ৰস্তুত কৰাত সহায় কৰে।
- **অৰ্থনৈতিক বিশ্লেষণত সহায় কৰে ঃ** ৰাষ্ট্ৰীয় আয় প্ৰাককলনে অৰ্থনীতিৰ কাৰ্য্য সম্পাদন নীতি, বিকাশ আৰু গাঁথনি বিশ্লেষণ কৰাত সহায় কৰে।
- **সামাজিক গণনাৰ আধাৰ ঃ** সামাজিক গণনা অথবা ৰাষ্ট্ৰীয় আয় গণনাৰ আধাৰেই হ'ল ৰাষ্ট্ৰীয় আয় ৰাশি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ ৰাষ্ট্ৰীয় আয়ৰ ৰাশিবোৰে কেনেকৈ অৰ্থনৈতিক কল্যাণৰ সূচক হিচাপে কাম কৰে? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

প্ৰশ্ন নং ১০ ঃ চৰকাৰক ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনে কেনে সহায় আগবঢ়ায় লিখক। (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্ৰশ্ন নং ১১ ঃ উপযুক্ত অৰ্থনৈতিক নীতি প্ৰস্তুত কৰাত ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনে কেনেকৈ সহায় কৰে? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰীয় আয় মানে হ'ল দেশ এখনৰ সৰ্বমুঠ আয়। ৰাষ্ট্ৰীয় আয় তথ্যৰ সহায়ত দেশ এখনৰ সমগ্ৰ অৰ্থনীতিৰ যৌথ অৰ্থনৈতিক পাৰদৰ্শিতা নিৰূপণ কৰা হয়।
- কোনো এক বিত্তীয় বৰ্ষত কোনো এখন দেশৰ ঘৰুৱা চাৰিসীমাৰ বাহিৰ তথা ভিতৰ উভয়তে কৰ্মৰত সাধাৰণ নাগৰিক অথবা বাসিন্দাই উৎপাদন কৰা সকলোবোৰ চূড়ান্ত সামগ্ৰী আৰু আগবঢ়োৱা সেৱাসমূহৰ আৰ্থিক মূল্যকে ৰাষ্ট্ৰীয় আয় বোলে।
- ৰাষ্ট্ৰীয় আয়ত বিদেশৰ পৰা প্ৰাপ্ত শুদ্ধ উৎপাদনৰ উৎপাদকৰ আয়কো সামৰি লোৱা হয়।
- কেইন্সে ৰাষ্ট্ৰীয় আয় সম্পৰ্কীয় তিনিটা চিন্তাধাৰা আগবঢ়াইছে—
  ১) **আয়-ব্যয় পন্থা ঃ** এই চিন্তা অনুসৰি ৰাষ্ট্ৰীয় আয় উপভোগ (Consumption) আৰু বিনিয়োগ সামগ্ৰীত হোৱা সৰ্বমুঠ ব্যয়ৰ সমান।
  ২) **কাৰক-আয় পন্থা ঃ** এই চিন্তা অনুসৰি ৰাষ্ট্ৰীয় আয়ক উৎপাদনৰ সকলোবোৰ কাৰকে লাভ কৰা আয়ৰ যৌথৰূপ হিচাপে জুখিব পাৰি।
  ৩) **খৰচ বাদ দি আহৰণ কৰা বিক্ৰী সমুৎপন্ন ধন পন্থা ঃ** এই চিন্তা অনুসৰি ৰাষ্ট্ৰীয় আয় হ'ল খৰচ বাদ দি আহৰণ কৰা যৌথ বিক্ৰী সমুৎপন্ন ধনৰাশি।
- আধুনিক অৰ্থনীতিবিদসকলে ৰাষ্ট্ৰীয় আয় সম্পৰ্কীয় তিনিটা দিশ বিবেচনাৰ পোষকতা কৰে। তেওঁলোকে এই তিনিওটা দিশৰ মৌলিক ত্ৰি-পৰিচয় বুজাত জোৰ দিয়ে। দিশ তিনিটা হ'ল— (ক) উৎপাদনৰ দিশ, (খ) আয়ৰ দিশ আৰু (গ) ব্যয়ৰ দিশ।
- যেতিয়া সৰ্বমুঠ ঘৰুৱা উৎপাদনৰ সৈতে বিদেশৰ পৰা প্ৰাপ্ত শুদ্ধ উৎপাদনৰ উৎপাদকৰ আয় যোগ কৰা হয়, তেতিয়া দেশ এখনৰ সৰ্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন গম পোৱা যায়।
- এখন দেশৰ শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন হ'ল ইয়াৰ মূলধনৰ হৰণ ভগন বিয়োগ কৰাৰ অন্তত বাকী ৰোৱা সৰ্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন।
- কোনো এক নিৰ্দিষ্ট এলেকাত প্ৰতিগৰাকী ব্যক্তিয়ে উপাৰ্জন কৰা ধনৰ জোখেই হ'ল জনমূৰি আয়।
- হস্তান্তৰিত ধন মানে হ'ল সেই ধনৰাশি যিটোৰ কোনো উৎপাদনশীল কামৰ সৈতে সম্পৰ্ক নাই।
- ব্যক্তিগত হস্তান্তৰসাধ্য আয় মানে হ'ল কোনো এখন দেশৰ নাগৰিক এজনে নিজ নিৰ্দেশ মতে ব্যয় কৰিব পৰা অথবা তেওঁৰ হস্তান্তৰ ক্ষমতাৰ অধীনস্থ ব্যক্তিগত আয়ৰ এক অংশ।
- ব্যক্তিগত উদ্যোগ, দেশৰ চাৰিসীমাৰ ভিতৰত কৰ্মৰত লোক আৰু বিদেশত কৰ্মৰত লোকৰ দ্বাৰা উপাৰ্জিত উৎপাদনৰ উপাৰ্জকৰ আয়ৰ সৈতে চৰকাৰে কৰা শেষতীয়া

হস্তান্তৰ আৰু দেশৰ বাহিৰৰ পৰা কৰা শুদ্ধ হস্তান্তৰ মিলাই কোনো এখন দেশৰ নাগৰিকৰ ব্যক্তিগত আয় সৃষ্টি হয়।

- ৰাষ্ট্ৰীয় আয় পৰিসংখ্যা অধ্যয়ন এক অতি গুৰুত্বপূৰ্ণ বিষয়। ই এখন দেশৰ অৰ্থনীতিৰ প্ৰকৃত পাৰদৰ্শিতা বিশ্লেষণ তথা ভৱিষ্যৎ নীতি প্ৰস্তুত কৰাত সহায় কৰে।



১৪.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) আলম, ড° খুৰছেদ; হুদা, ড° মণিৰুল আৰু শৰ্মা, ড° অৰ্চনা (২০০৪); *স্নাতক মহলাৰ অৰ্থতত্ত্ব (ব্যষ্টিবাদী অৰ্থবিজ্ঞান)* ষষ্ঠ সংস্কৰণ; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'ৰছ্।

২) গোস্বামী, ড° অতুল (২০০৫); *স্নাতক মহলাৰ অৰ্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অৰ্থনৈতিক তত্ত্ব)* সপ্তম সংস্কৰণ; ডিব্ৰুগড় ঃ ষ্টুডেণ্টছ এম্পা'ৰিয়াম।

ইংৰাজী গ্ৰন্থ ঃ

1) Bakerman, W. (1993); *An Introduction to National Income Analysis*; 3rd Ed., New Delhi: Universal Book Stall.

2) NCERT (2007); *Introductory Macroeconomics* (Textbook in Economics for Class XII); New Delhi.

3) Rana, K.C. & Verma, K.N. (2009); *Macroeconomic Analysis*; Jalandhar: Vishal Publications.

১৪.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ কোনো এক বিত্তীয় বৰ্ষত কোনো এখন দেশৰ ঘৰুৱা চাৰিসীমাৰ বাহিৰ তথা ভিতৰ উভয়তে কৰ্মৰত সাধাৰণ নাগৰিক অথবা বাসিন্দাই উৎপাদন কৰা সকলোবোৰ চূড়ান্ত সামগ্ৰী আৰু আগবঢ়োৱা সেৱাসমূহৰ আৰ্থিক মূল্যকে ৰাষ্ট্ৰীয় আয় বোলে। ৰাষ্ট্ৰীয় আয়ত বিদেশৰ পৰা প্ৰাপ্ত শুদ্ধ উৎপাদনৰ উৎপাদকৰ আয়কো সামৰি লোৱা হয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ কোনো এখন দেশৰ প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰি থকা শ্ৰমিক আৰু মূলধনে দেশখনৰ বাবে প্ৰতি বছৰে বিভিন্ন পণ্যদ্ৰব্য, মূৰ্ত সামগ্ৰী তথা সকলো প্ৰকাৰৰ সেৱাৰে সৈতে নিৰৱয়ব সামগ্ৰীৰ এক নিৰ্দিষ্ট মুঠ যৌথ উৎপাদন কৰে... ...ইয়েই হ'ল দেশ এখনৰ প্ৰকৃত মুঠ বাৰ্ষিক আয় অথবা ৰাজহ অথবা ৰাষ্ট্ৰীয় লভ্যাংশ ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ কেইন্সে ৰাষ্ট্ৰীয় আয় সম্পৰ্কীয় তিনিটা চিন্তাধাৰা আগবঢ়াইছে—

১) **আয়-ব্যয় পন্থা ঃ** এই চিন্তা অনুসৰি ৰাষ্ট্ৰীয় আয় উপভোগ (Consumption) আৰু বিনিয়োগ সামগ্ৰীত হোৱা সৰ্বমুঠ ব্যয়ৰ সমান।

২) **কাৰক-আয় পন্থা ঃ** এই চিন্তা অনুসৰি ৰাষ্ট্ৰীয় আয়ক উৎপাদনৰ সকলোবোৰ কাৰকে লাভ কৰা আয়ৰ যৌথৰূপ হিচাপে জুখিব পাৰি।

৩) **খৰচ বাদ দি আহৰণ কৰা বিক্ৰী সমূৎপন্ন ধন পন্থা ঃ** এই চিন্তা অনুসৰি ৰাষ্ট্ৰীয় আয় হ'ল খৰচ বাদ দি আহৰণ কৰা যৌথ বিক্ৰী সমুৎপন্ন ধনৰাশি।

৪নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিক অৰ্থনীতিবিদসকলে ৰাষ্ট্ৰীয় আয় সম্পৰ্কীয় তিনিটা দিশ বিবেচনাৰ পোষকতা কৰে। তেওঁলোকে এই তিনিওটা দিশৰ মৌলিক ত্ৰি-পৰিচয় বুজাত জোৰ দিয়ে। দিশ তিনিটা হ'ল— (ক) উৎপাদনৰ দিশ, (খ) আয়ৰ দিশ আৰু (গ) ব্যয়ৰ দিশ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ এখন দেশৰ 'ঘৰুৱা চাৰিসীমাৰ ভিতৰত পৰা বিভিন্ন উপাদান হ'ল—

ক) আঞ্চলিক জলৰেষ্টিত অংশ সামৰি ৰাজনৈতিক চাৰিসীমাৰে নিৰ্ধাৰিত সমগ্ৰ ভূ-ভাগ

খ) কোনো দেশৰ নাগৰিকে পৃথিৱীৰ যিকোনো স্থানতে চলোৱা নাইবা উৰুওৱা জলযান আৰু আকাশীযান

গ) সাগৰত মাছ ধৰা নাও, তেল আৰু গেছৰ ৰিগ, আন্তঃ ৰাষ্ট্ৰীয় সীমাৰ অন্তৰ্গত জলভাগত দেশৰ নাগৰিকে চলোৱা ভাসমান মঞ্চ অথবা খনন কাৰ্যত ব্যৱহৃত ওপঙা মঞ্চ ইত্যাদি

ঘ) বিদেশত থকা বাণিজ্যিক দূতাবাস, ৰাষ্ট্ৰদূতাবাস আৰু প্ৰতিৰক্ষা ভৱনবোৰ।

৬নং প্ৰশ্নৰ উত্তৰ ঃ হয়, হ'ব পাৰে। যেতিয়া বিদেশৰ পৰা প্ৰাপ্ত শুদ্ধ উৎপাদনৰ উৎপাদকৰ আয় শূন্য হয়, তেতিয়া এখন দেশৰ GDP আৰু GNP একে সমান হ'ব পাৰে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ আমি বজাৰ মূল্যৰ আধাৰত লব্ধ NNP ৰ পৰা পৰোক্ষ কৰ বিয়োগ আৰু তাত পৰিপোষক সাহায্যৰ পৰিমাণ যোগ কৰি উৎপাদন কাৰকৰ বাবদহোৱা খৰছ ভিত্তিক NNP নিৰ্ণয় কৰিব পাৰো।

৮নং প্ৰশ্নৰ উত্তৰ ঃ ব্যক্তিগত আয় আৰু ৰাষ্ট্ৰীয় আয়ৰ মাজত থকা পাৰ্থক্য দুটা হ'ল—

i) ব্যক্তিগত আয়ৰ আটাইবোৰ অংশ উৎপাদনৰ কাৰকবোৰৰ মাজত বিতৰণ কৰা নহয় আৰু

ii) ব্যক্তিয়ে ৰাষ্ট্ৰীয় আয়ে সামৰি নোলোৱা হস্তান্তৰিত ধনৰ গৰাকী হ'ব পাৰে।

৯নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰীয় আয় বুজোৱা ৰাশি বোৰ হ'ল এখন দেশৰ নাগৰিকৰ অৰ্থনৈতিক কল্যাণৰ সূচক। এই ৰাশিৰ সহায়ত আমি অন্য দেশৰ নাগৰিকৰ জীৱন যাপনৰ মানৰ সৈতে নিজৰ তুলনা কৰিব পাৰোঁ। ইয়াৰ উপৰি আমি দেশৰ নাগৰিকসকলৰ জীৱন যাপনৰ মানো এই তথ্যৰ আধাৰত বিভিন্ন সময়ত তুলনা কৰি চাব পাৰো।

১০নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজহুৱা খণ্ডৰ সম্প্ৰসাৰণৰ বাবে ভৱিষ্যত পৰিকল্পনা কৰাত ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনে চৰকাৰক সহায় কৰে।

১১নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনে কম উন্নত অথবা উন্নয়নশীল অৰ্থনীতিৰ দেশবোৰৰ বিভিন্ন খণ্ডৰ গুৰুত্ব তথা অনগ্ৰসৰতাৰ ওপৰত আলোকপাত কৰে। ই তেনে দেশবোৰক উপযুক্ত অৰ্থনৈতিক নীতি প্ৰস্তুত কৰাত সহায় কৰে।



১৪.৯ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ ৰাষ্ট্ৰীয় আয় মানে কি? ৰাষ্ট্ৰীয় আয় সম্পৰ্কীয় কেইনেচিয়ান চিন্তাধাৰাটো চমুকৈ লিখক।

প্ৰশ্ন নং ২ ঃ পাৰ্থক্য নিৰ্ণয় কৰক—

ক) বজাৰ মূল্যভিত্তিক ৰাষ্ট্ৰীয় আয় আৰু কাৰকৰ বাবদ হোৱা খৰচভিত্তিক ৰাষ্ট্ৰীয় আয়

খ) ব্যক্তিগত আয় আৰু ব্যক্তিগত হস্তান্তৰসাধ্য আয়

গ) ৰাষ্ট্ৰীয় আয়ৰ পৰম্পৰাগত আৰু আধুনিক চিন্তাধাৰা

প্ৰশ্ন নং ৩ ঃ তলৰ ধাৰণাবোৰ ব্যাখ্যা কৰক—

ক) ৰাষ্ট্ৰীয় আয়

খ) ব্যক্তিগত আয়

গ) হস্তান্তৰসাধ্য আয়

ঘ) মূল্য সংযোজিত সংযোজন পদ্ধতি

খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ ৰাষ্ট্ৰীয় আয় সম্পৰ্কীয় আধুনিক চিন্তাধাৰাটো আলোচনা কৰক। ইয়াক পৰম্পৰাগত চিন্তাধাৰাতকৈ উন্নত বুলি ক'ব পৰা যায়নে? কাৰণ দৰ্শাওক।

প্ৰশ্ন নং ২ ঃ ৰাষ্ট্ৰীয় আয়ৰ গুৰুত্ব আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ ৰাষ্ট্ৰীয় আয়ৰ হিচাপ-নিকাচ আৰু আয়ৰ চক্ৰীয় প্ৰবাহ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ ৰাষ্ট্ৰীয় আয়ৰ পৰিমাপ বা নিৰূপণৰ পদ্ধতি
১৫.৪ ৰাষ্ট্ৰীয় আয় পৰিমাপৰ অসুবিধা
১৫.৫ ৰাষ্ট্ৰীয় আয়ৰ চক্ৰীয় প্ৰবাহ
১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৭ অধিক জানিবলৈ
১৫.৮ অগ্ৰগতিৰ খতিয়ান
১৫.৯ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাষ্ট্ৰীয় আয় জোখাৰ বিভিন্ন পদ্ধতি ব্যাখ্যা কৰিব পাৰিব
- ৰাষ্ট্ৰীয় আয় জোখাৰ সময়ত হোৱা অসুবিধাবোৰ বৰ্ণনা কৰিব পাৰিব
- ৰাষ্ট্ৰীয় আয়ৰ চক্ৰীয় প্ৰবাহৰ ধাৰণাটো স্পষ্টকৈ বুজাব পাৰিব।

১৫.২ পৰিচয়

এই অধ্যায়টিত আমি ৰাষ্ট্ৰীয় আয় জোখাৰ বিভিন্ন পদ্ধতি সম্পৰ্কে আলোচনা কৰিম। আমি বিভিন্ন ধৰণে ৰাষ্ট্ৰীয় আয় জুখিব পাৰোঁ। সেই পদ্ধতিকেইটা হ'ল— উৎপাদিত সামগ্ৰী জোখা পদ্ধতি (Output Approach), আয় জোখা পদ্ধতি (Income Approach) আৰু ব্যয় জোখা পদ্ধতি (Expenditure Approach)। আমি এই অধ্যায়টিত ওপৰত কোৱা পদ্ধতি তিনিটাৰ বিষয়ে প্ৰধানকৈ আলোচনা কৰিম। ৰাষ্ট্ৰীয় আয় হিচাপ কৰাটো সহজ প্ৰক্ৰিয়া নহয়। প্ৰক্ৰিয়াটোৰ সৈতে বহুতো অসুবিধা জড়িত হৈ থাকে। অধ্যায়টিত সেই অসুবিধাবোৰৰ লগতে ৰাষ্ট্ৰীয় আয়ৰ চক্ৰীয় প্ৰবাহনো কি সেয়াও আলোচনা কৰা হ'ব।

১৫.৩ ৰাষ্ট্ৰীয় আয়ৰ পৰিমাপ বা নিৰূপণৰ পদ্ধতি

আমি আগতে উল্লেখ কৰি আহিছোঁ যে এখন দেশৰ ৰাষ্ট্ৰীয় আয়ক তিনিটা সুকীয়া দৃষ্টিভঙ্গীৰে চাব পাৰি। ইয়াক উৎপাদন, বিতৰণ বা বণ্টন আৰু উপভোগৰ ফালৰ পৰা বিচাৰ কৰিব পাৰি। ইয়াৰ বাবে ৰাষ্ট্ৰীয় আয় পৰিমাপৰ তিনিটা বিভিন্ন পদ্ধতিৰ প্ৰয়োজন হয়। এই পদ্ধতিসমূহৰ মৌলিক ধাৰণা এই খণ্ডটিত আগবঢ়োৱা হ'ল—

ৰাষ্ট্ৰীয় আয় পৰিমাপৰ তিনিটা পদ্ধতি বা মাৰ্গ আছে। সেইবোৰ হ'ল—

ক) উৎপাদন মাৰ্গ (Output Approach)

খ) আয় মাৰ্গ (Income Approach)

গ) ব্যায় মাৰ্গ (Expenditure Approach)

ক) উৎপাদন মাৰ্গ (Output Approach) ঃ এই মাৰ্গত অৰ্থনীতিৰ বিভিন্ন স্তৰত সংযোজিত মূল্য (Value Added)সমূহক একত্ৰিত কৰা হয়। ইয়াত এটা অৰ্থনীতিৰ এক নিৰ্দ্দিষ্ট সময়ছোৱাৰ (Accounting Period) ভিতৰত উৎপাদিত দ্ৰব্যসমূহৰ মুঠ মূল্যক (Value) গণনা কৰা হয়। এনে কৰোতে দ্ৰব্যবোৰ উৎপাদন প্ৰক্ৰিয়াৰ বিভিন্ন স্তৰত সংযোজিত মূল্যসমূহকো হিচাপ কৰা হয়। এনে ধৰণৰ পদ্ধতিক মূল্য সংযোজিত পদ্ধতি বোলা হয়। এই পদ্ধতিত তলৰ স্তৰকেইটা জড়িত হৈ থাকে।

১) উৎপাদন প্ৰতিষ্ঠানসমূহক চিনাক্তকৰণ কৰি সেইবোৰৰ কাৰ্য্যপ্ৰণালীৰ আধাৰত বিভিন্ন উদ্যোগিক স্তৰত শ্ৰেণীকৰণ কৰা।

২) প্ৰত্যেক উৎপাদন প্ৰতিষ্ঠানৰ বিভিন্ন উদ্যোগিক স্তৰত সংযোজিত শুদ্ধ মূল্যসমূহক নিৰূপণ কৰা আৰু এইদৰে গোটেই অৰ্থনীতিটোৰ সকলো স্তৰত সংযোজিত মূল্যসমূহক যোগ কৰি উলিওৱা।

মূল্য সংযোজিত পদ্ধিতিটো এটা উদাহৰণৰ সহায়ত ব্যাখ্যা কৰিব পাৰি। আমি ইয়াত পাউৰুটি (Bread)ক চূড়ান্ত সামগ্ৰী বুলি ধৰোহক আৰু ই শেষ পৰ্য্যায়ৰ গ্ৰাহকৰ হাতলৈ অহালৈ কেনেকৈ উৎপাদনৰ বিভিন্ন স্তৰত ইয়াৰ মূল্য সংযোজিত কৰা হৈছে চাওঁহক। ইয়াক ১৫.১নং তালিকাত দেখুওৱা হৈছে।

তালিকা ১৫.১ ঃ পাউৰুটিৰ উৎপাদন (মূল্য, কোটি টকা হিচাপত)

সামগ্ৰী	কিনোতা	বেচোতা	মূল্য	সংযোজিত মূল্য
ঘেঁহু/গম	আটা মিল	কৃষক	১০০	১০০
আটা/ময়দা	বেকাৰী	আটা মিল	১৫০	৫০
পাউৰুটি	পাইকাৰী বিক্ৰেতা	বেকাৰী	১৭৫	২৫
পাউৰুটি	খুচুৰা বিক্ৰেতা	পাইকাৰী বিক্ৰেতা	২০০	২৫
পাউৰুটি	গ্ৰাহক	খুচুৰা বিক্ৰেতা	২২০	২০
	মুঠ সংযোজিত মূল্য			২২০

খ) আয় মাৰ্গ (Income Approach) ঃ ইয়াক আয় পদ্ধতি বুলিও জনা যায়। এই মাৰ্গত বিভিন্ন আৰ্থিক কাৰ্য্যৰ পৰা আহৰণ কৰা উপাৰ্জনসমূহক একেলগ কৰি হিচাপ কৰা হয়। এই মাৰ্গৰ লগত জড়িত বিভিন্ন স্তৰসমূহ হ'ল—

১) উৎপাদনৰ বিভিন্ন খণ্ডত উৎপাদনৰ আহিলাসমূহ নিয়োগ কাৰিকৰী প্ৰতিষ্ঠানসমূহ চিনাক্তকৰণ আৰু শ্ৰেণীকৰণ কৰা।

২) উৎপাদনৰ আহিলাসমূহৰ উপাৰ্জন, যেনে— মজুৰি, লাভ, সুদ আদিৰ শ্ৰেণীবিভাজন কৰা।

৩) উৎপাদনৰ আহিলাসমূহৰ উপাৰ্জনৰ তথ্যসমূহ সংগ্ৰহ কৰি গোটেই অৰ্থনীতিৰ বাবে সমূহীয়াকৈ যোগফল উলিওৱা।

যেতিয়া আমি সকলো উৎপাদন প্ৰতিষ্ঠানৰ উৎপাদনৰ আহিলাবোৰৰ উপাৰ্জনসমূহৰ যোগফল উলিয়াও তেতিয়া আমি ঘৰুৱা উৎপাদনৰ উপাদানৰ আয় পাওঁ। ইয়াৰ লগত বিদেশৰ পৰা লাভ কৰা শুদ্ধ উৎপাদনৰ উপাদানৰ আয় যোগ কৰিলে আমি এখন দেশৰ ৰাষ্ট্ৰীয় আয় পাওঁ। অৰ্থাৎ,

ৰাষ্ট্ৰীয় আয় (National Income) ঃ নিয়োজিত ব্যক্তিসকলক আদায় দিয়া ক্ষতিপূৰণ বা পৰিশ্ৰমিক + স্বনিয়োজিত ব্যক্তিসকলৰ মিশ্ৰিত আয় + আৰোপিত খাজনাকে ধৰি সকলো খাজনা + সকলো প্ৰকাৰৰ সুত + সকলো লাভ + বিদেশৰ পৰা লাভ কৰা শুদ্ধ উৎপাদনৰ উপাদানৰ উপাৰ্জন।

গ) **ব্যয় মাৰ্গ** (Expenditure Approach) ঃ এই মাৰ্গৰ অধীনত কোনো দেশৰ এক নিৰ্দিষ্ট সময়ছোৱাত চলিত দামৰ হিচাপত ঘৰুৱা ব্যয়ৰ জোখ-মাখ লবলৈ দেশখনৰ সেই সময়ৰ বিনিয়োগ ব্যয় আৰু উপভোগ ব্যয়সমূহৰ যোগফল উলিওৱা হয়। ইয়াত চূড়ান্তভাৱে ক্ৰয় কৰা সামগ্ৰীসমূহকহে হিচাপত ধৰা হয়। মুঠ ঘৰুৱা উৎপাদনত চূড়ান্ত ব্যয়ৰ ভিতৰত চূড়ান্ত ব্যক্তিগত ভোগ ব্যয়, চূড়ান্ত চৰকাৰী ব্যয়, মুঠ স্থায়ী মূলধন গঠন, মজুত (নিৰ্দিষ্ট সময়ছোৱাৰ ভিতৰত কেচা সামগ্ৰীকে ধৰি বিক্ৰি নোহোৱা মজুত কৃত সামগ্ৰী, অৰ্ধনিৰ্মিত আৰু চূড়ান্ত সামগ্ৰী) আৰু শুদ্ধ ৰপ্তানিকৃত সামগ্ৰী আৰু সেৱাসমূহ অন্তৰ্ভুক্ত হয়।

বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদন (GDP at Market Price) ঃ ব্যক্তিগত ভোগ ব্যয় + ব্যক্তিগত বিনিয়োগ ব্যয় + চৰকাৰী ব্যয় + ৰপ্তানি – আমদানি।

বজাৰ মূল্যত মুঠ ৰাষ্ট্ৰীয় উৎপাদন (GNP at Market Price) = বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদন + বিদেশৰপৰা লাভ কৰা শুদ্ধ উৎপাদনৰ উপাদানৰ আয়।

ৰাষ্ট্ৰীয় আয় (National Income) ঃ মুঠ ৰাষ্ট্ৰীয় উৎপাদন (বজাৰ মূল্যত) – অবক্ষয়ৰ পৰিমাণ - পৰোক্ষ কৰ + ৰাজগামী বা ৰাজসাহায্যবোৰ (Subsidies)।

ওপৰৰ আলোচনাৰ পৰা আমি এইটো লক্ষ্য কৰিব পাৰোঁ যে—

- ৰাষ্ট্ৰীয় আয় পৰিমাপৰ তিনিওটা মাৰ্গে ৰাষ্ট্ৰীয় আয়ৰ চক্ৰীয় প্ৰবাহৰ তিনিটা স্তৰক সূচায়। এই তিনিটা স্তৰ হ'ল উৎপাদন, বিতৰণ আৰু উপভোগ।
- যদিও প্ৰত্যেকটো মাৰ্গৰ বাবে পৃথক তথ্য আৰু পদ্ধতিৰ প্ৰয়োজন হয় তথাপিও তিনিওটাই একে ধৰণৰ ফলফল দেখুৱাই যিহেতু প্ৰত্যেকেই প্ৰকৃততে একেই ধৰণৰে

নিৰূপিত হয়। এটা নিৰ্দিষ্ট পদ্ধতি বাচনি কৰাটো আয় গণনাৰ ক্ষেত্ৰখনৰ প্ৰকৃতি আৰু তথ্যপাতিৰ পৰ্য্যাপ্ততাৰ ওপৰত নিৰ্ভৰ কৰে।

দৰ্কাৰী অন্তৰ্ভুক্তি আৰু বৰ্জিতসমূহ (Important Inclusions and Exclusions) ঃ ৰাষ্ট্ৰীয় আয় গণনা কৰাৰ ক্ষেত্ৰত আমি কিছুমান আয় আৰু কাৰ্য্যকলাপ অন্তৰ্ভুক্ত আৰু কিছুমান বৰ্জন কৰাৰ ক্ষেত্ৰত সাৱধান হোৱা উচিত। তেনে কিছুমান দৰ্কাৰী অন্তৰ্ভুক্তি (Inclusions) আৰু বৰ্জিতসমূহ (Exclusions) তলত উল্লেখ কৰা হ'ল—

অন্তৰ্ভুক্তিসমূহ (Inclusions) ঃ

ক) ব্যক্তিগত উপভোগ্য সামগ্ৰীৰ মূল্য।

খ) চৰকাৰী, ব্যৱসায়ী প্ৰতিষ্ঠান আৰু সাধাৰণ নাগৰিকৰ নিজা স্থায়ী সম্পত্তিৰ হিচাপ।

গ) গৰাকীৰ দ্বাৰা ব্যৱহৃত বাসস্থানৰ আৰোপিত খাজনা।

ঘ) বসবাস কৰা বাসিন্দাই নতুন গৃহ ক্ৰয় কৰা।

ঙ) উৎপাদন স্থলীৰ কামৰ অগ্ৰগতিৰ।

চ) পুৰণি গৃহৰ গুৰুতৰ পৰিৱৰ্তন বা নতুন কোঠা সংযোজন আদিৰ দৰে মূলধনী মেৰামতি-সমূহ।

বৰ্জিতসমূহ (Exclusions) ঃ

ক) হস্তান্তৰযোগ্য আয়।

খ) সঘনে পৰিৱৰ্তন হোৱা লাভ লোকচান।

গ) কোম্পানী কৰ আৰু আয় কৰ পৃথককৈ অন্তৰ্ভুক্ত কৰিব নালাগে।

ঘ) সম্পত্তি বা অতীতৰ সঞ্চয়ৰ পৰা আদায় দিয়া শুল্ক বা কৰ।

ঙ) পুৰণি অংশ-পত্ৰ (Share) আৰু দলিল (Bond) আনৰ পৰা ক্ৰয় কৰা আৰু নতুন অংশ- পত্ৰ আৰু দলিল উৎপাদনকাৰী প্ৰতিষ্ঠানৰপৰা ক্ৰয় কৰোঁতে হোৱা ব্যায়।

চ) সকলো ধৰণৰ মধ্যৱৰ্তীকালীন (Intermediate) সামগ্ৰী আৰু সেৱা সমূহৰ ব্যয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ব্যয় মাৰ্গৰ অধীনত ৰাষ্ট্ৰীয় আয়ৰ উপাদানসমূহ উল্লেখ কৰক। (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্ৰশ্ন নং ২ ঃ ৰাষ্ট্ৰীয় আয় গণনা কৰোঁতে বৰ্জ্জন কৰিবলগীয়া চাৰিটা বিষয় উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ এখন দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ পৰা ৰাষ্ট্ৰীয় আয় নিৰূপণৰ বাবে দৰ্কাৰী স্তৰকেইটা উল্লেখ কৰক।

.....

.....

.....

.....



অনুশীলনী ১৫.১

আপোনাৰ নিজৰ উদাহৰণ এটাৰে সৈতে মূল্য সংযোজিত পদ্ধতিটো প্ৰয়োগ কৰি দেখুৱাওক।

.....

.....

.....

১৫.৪ ৰাষ্ট্ৰীয় আয় পৰিমাপৰ অসুবিধা

এখন দেশৰ ৰাষ্ট্ৰীয় আয় জোখাৰ সময়ত বিভিন্ন অসুবিধাৰ মুখামুখি হ'বলগীয়া হয়। এনে দুটামান প্ৰধান অসুবিধা তলত আলোচনা কৰা হ'ল—

- **মুদ্ৰা অবিহনে হোৱা লেন-দেন** (Non-Monetary Transcations) ঃ ৰাষ্ট্ৰীয় আয়ৰ হিচাপ-নিকাচ কৰাৰ সময়ত দেখা দিয়া প্ৰথম সমস্যাটো হ'ল মুদ্ৰা অবিহনে হোৱা লেন-দেন গণনা কৰা। যেনে— পৰিয়ালৰ সদস্যসকললৈ গৃহিণীয়ে আগবঢ়োৱা সেৱা। যদি পৰিয়াল এটাই ঘৰুৱা কাম-বন কৰিবলৈ কোনো মহিলাক নিযুক্তি দিয়ে তেন্তে তেওঁক দিয়া দৰমহাখিনি ৰাষ্ট্ৰীয় আয়ত এক ধনাত্মক উৎপাদন (Positive Item) হিচাপে ধৰা পৰিব। কিন্তু যদি পৰিয়ালৰ মুৰব্বীয়ে সেই কামকৰা মহিলাগৰাকীক বিয়া কৰায়, তেন্তে তেওঁ একেখিনি কামকে কৰি থাকিব কিন্তু তাৰ বাবদ কোনো অতিৰিক্ত দৰমহা নাপায়। এনে ক্ষেত্ৰত ৰাষ্ট্ৰীয় আয়ৰ পৰিমাণ হ্ৰাস পাব। কাৰণ, মহিলাগৰাকীৰ সেৱা মুদ্ৰাৰ লেন-দেন অবিহনে আগৰ দৰেই চলি থাকিব।
- **দুবাৰ গণনাৰ সম্ভাৱনা** (Problem of Double Counting) ঃ ৰাষ্ট্ৰীয আয়ৰ হিচাপ-নিকাচত কেৱল চূড়ান্ত (সৰ্বশেষ) সামগ্ৰী আৰু সেৱাবোৰহে সামৰি ল'ব লাগে। কিন্তু চূড়ান্ত সামগ্ৰী আৰু মধ্যৱৰ্তী সামগ্ৰী-সেৱাৰ মাজৰ পাৰ্থক্য বাহিৰ কৰাটো এটা অতি জটিল কাম। এনে সামগ্ৰী আৰু সেৱাৰ ব্যৱহাৰৰ ভিত্তিতহে এইবোৰক চূড়ান্ত অথবা মধ্যৱৰ্তী বুলি গণ্য কৰা হয়। যদি কোনো সামগ্ৰী অথবা সেৱাৰ মধ্যৱৰ্তী অৱস্থাটোক ৰাষ্ট্ৰীয় আয় প্ৰাক্কলনত গণনা কৰা হয় আৰু পৰৱৰ্তী সময়ত ইয়াৰ চূড়ান্ত পৰ্যায়টো পুনৰবাৰ গণনাত

সামৰি লোৱা হয়, তেন্তে তাক দ্বি-গণনা (Double Counting) বুলি কোৱা হয়। ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনত এনেকৈ সেৱা সামগ্ৰীৰ দুবাৰ গণনা কৰাৰ সম্ভাৱনা ৰৈ যায়।

- **গোপন অৰ্থনীতি** (The Underground Economy) ঃ অনৈতিক আৰু শুল্ক পৰিশোধ নকৰা লেন-দেনকে গোপন অৰ্থনীতি বোলে। এনে অৰ্থনীতিৰ সামগ্ৰী আৰু সেৱাসমূহ আইন বিৰুদ্ধ। যেনে— নিচাযুক্ত দ্ৰব্য, জুৱা,চোৰাং ব্যৱসায় আৰু গণিকাবৃত্তি। এনে কাৰ্যৰ পৰা হোৱা আয় ৰাষ্ট্ৰীয় আয়ত যোগ কৰা নহয়। হিচাপ-নিকাচৰ বাহিৰত ৰৈ যোৱা এই আয়বোৰৰ বাবে প্ৰকৃত পৰিমাণতকৈ ৰাষ্ট্ৰীয় আয় কম যেন লাগে।
- **ক্ষুদ্ৰ উৎপাদন** (Petty Production) ঃ দেশত বৃহৎ সংখ্যক ক্ষুদ্ৰ উৎপাদক আছে। তেওঁলোকৰ উৎপাদনবোৰ ৰাষ্ট্ৰীয় আয়ৰ ভিতৰুৱা কৰাটো এটা জটিল কাম। কাৰণ তেওঁলোকে নিজাকৈ এনে উৎপাদনৰ হিচাপ নাৰাখে।
- **ৰাজহুৱা সেৱা** (Public Services) ঃ সাধাৰণ প্ৰশাসন, আৰক্ষী, সৈন্যবাহিনীৰ সেৱা আদিক ৰাষ্ট্ৰীয় আয়ৰ ভিতৰুৱা কৰা যাবনে নাই সেই কথায়ো সমস্যাৰ সৃষ্টি কৰে। কাৰণ এই সেৱাবোৰৰ মূল্যায়ন কৰাটো অতি কঠিন কাম।
- **হস্তান্তৰিত ধন** (Transfer Payments) ঃ অৰ্থনীতিত হস্তান্তৰিত ধন (অথবা চৰকাৰী হস্তান্তৰ অথবা একেবাৰে সহজ ভাষাত হস্তান্তৰ) হ'ল বজাৰ পদ্ধতিত আয়ৰ পুনৰ বিতৰণ কাৰ্য্য। এনে ধনক অ-নিঃশেষিত (Non-Exhaustive) ধন বুলি গণ্য কৰা হয়। কাৰণ, এনে পৰিশোধৰ দ্বাৰা সম্পদৰ প্ৰত্যক্ষ শোষণ নহয় আৰু এনে পৰিশোধে কোনো সেৱা-সামগ্ৰীও সৃষ্টি নকৰে। আন কথাত, কোনো সামগ্ৰী অথবা সেৱাৰ আদান-প্ৰদান অবিহনে এই পদ্ধতিত ধনৰ হস্তান্তৰ কৰা হয়। অৱসৰকালীন ভাট্টা, নিবনুৱা ভাট্টা, ৰাজহুৱা ঋণৰ সুত আদি হ'ল হস্তান্তৰিত ধনৰ উদাহৰণ। কিন্তু এই পৰিশোধবোৰে ৰাষ্ট্ৰীয় আয়ৰ হিচাপ-নিকাচত অসুবিধাৰ সৃষ্টি কৰে। কাৰণ, চলিত বিত্তীয় কালত (Present Period) এই ধনে কোনো উৎপাদন অথবা সেৱা আগ নবঢ়ায়। এই আয় হ'ল ব্যক্তিগত আয়ৰ এক অংশ আৰু একে সময়তে চৰকাৰী ব্যয়বো এটা অংশ।
- **মূলধনী লাভ অথবা লোকচান** (Capital Gains or Loss) ঃ যেতিয়া মূলধনী সম্পদৰ বজাৰ মূল্য সলনি হয় তেতিয়া মালিকৰ মূলধনী লাভ অথবা লোকচান হয়। এনে লাভ অথবা লোকচান ৰাষ্ট্ৰীয় আয়ত অন্তৰ্ভুক্ত কৰা নহয়।
- **মূল্য পৰিৱৰ্তন** (Price Changes) ঃ ৰাষ্ট্ৰীয় আয় হ'ল সামগ্ৰী আৰু সেৱাৰ আৰ্থিক মূল্য (Money Value)। আৰ্থিক মূল্য বজাৰ মূল্যৰ ওপৰত নিৰ্ভৰশীল। বজাৰ মূল্য প্ৰায়েই সলনি হয়। ৰাষ্ট্ৰীয় আয়ৰ হিচাপ-নিকাচ কৰাৰ সময়ত এই পৰিৱৰ্তিত মূল্যই এটা প্ৰধান সমস্যাৰ সৃষ্টি কৰে। মূল্য বৃদ্ধিৰ ফলত কোনো এক নিৰ্দিষ্ট বছৰত উৎপাদনৰ পৰিমান হ্ৰাস হোৱা স্বত্বেও ৰাষ্ট্ৰীয় আয়ৰ মূল্য বাঢ়ি যোৱা যেন লাগে।
- **পণ্য দ্ৰব্য হিচাপে পৰিশোধ কৰা মজুৰি আৰু দৰমহা** (Wages and Salaries Paid in Kind) ঃ পণ্য দ্ৰব্য হিচাপে পৰিশোধ কৰা অতিৰিক্ত ধন ৰাষ্ট্ৰীয় আয়ত হিচাপ

কৰা নহ'বও পাৰে। কিন্তু পণ্য দ্রব্য হিচাপে আগবঢ়োৱা সা-সুবিধাবোৰ আয় শিতানত মজুৰি আৰু দৰমহাৰ পৰিপূৰক হিচাপে গণনা কৰা হয়।

- **নিৰক্ষৰতা আৰু অজ্ঞতা** (Illiteracy and Ignorance) ঃ সমাজৰ বিভিন্ন শ্রেণীৰ লোকৰ নিৰক্ষৰতা আৰু অজ্ঞতাৰ বাবেও পৰিয়াল আৰু ব্যক্তিগত আয় সম্পৰ্কীয় তথ্য বহুতে গম নাপায়। ক্ষুদ্র পৰিসৰৰ কৃষি আৰু অন্য কুটীৰ শিল্প অথবা ব্যৱসায়ৰ ক্ষেত্রত এই কথা বিশেষভাৱে পৰিলক্ষিত হয়। ইয়াৰ ফলত ৰাষ্ট্রীয় আয়ৰ হিচাপ-নিকাচত যথেষ্ট অসুবিধাৰ সৃষ্টি হয়।

ওপৰত উল্লেখ কৰা অসুবিধাবোৰৰ উপৰি ৰাষ্ট্রীয় আয়ৰ হিচাপ-নিকাচত আন কিছুমান দিশৰ পৰাও বিভিন্ন অসুবিধাই দেখা দিয়ে। এনে দুটামান দিশ হ'ল—

- পৰোক্ষ/হাত-বাগৰা লেন-দেন (Second Hand Transactions)
- পাৰিপার্শ্বিকতাৰ ক্ষতি (Environment Damages)
- অবক্ষয় ব্যয় গণনা (Calculation of Depreciation)
- প্রয়োজনতকৈ কম আৰু অবিশ্বাসযোগ্য পৰিসংখ্যা (Inadequate and Unrealiable Statistics) ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ দ্বি-গণনা বোলা সমস্যাটো কি?

.....

.....

.....

.....

প্রশ্ন নং ৫ ঃ হস্তান্তৰিত ধন মানে কি?

.....

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ মূল্যৰ পৰিৱর্তনে কেনেকৈ ৰাষ্ট্রীয় আয়ৰ হিচাপ-নিকাচক প্রভাৱিত কৰে?

.....

.....

.....

.....


১৫.৫ ৰাষ্ট্ৰীয় আয়ৰ চক্ৰীয় প্ৰবাহ

আয়ৰ চক্ৰীয় প্ৰবাহ অথবা চক্ৰীয় প্ৰবাহ হ'ল অৰ্থনীতিৰ এটা আৰ্হি। এই আৰ্হি মতে অৰ্থনৈতিক প্ৰতিভূবোৰৰ মাজত হোৱা প্ৰধান অৰ্থনৈতিক লেন-দেনবোৰক মুদ্ৰা, সামগ্ৰী আৰু সেৱাৰ প্ৰবাহৰ দ্বাৰা উপস্থাপন কৰা হয়। মুদ্ৰা আৰু সামগ্ৰী এক সীমিত চক্ৰত প্ৰবাহিত হয় আৰু ইয়াৰ মূল্য পৰস্পৰ সঙ্গত হয়। কিন্তু দুয়োবিধ উপাদানৰ গতি পৰস্পৰ বিপৰীতমুখী। চক্ৰীয় প্ৰবাহ বিশ্লেষণ হ'ল ৰাষ্ট্ৰীয় আয়ৰ হিচাপ-নিকাচৰ আধাৰ আৰু সেয়েহে ই সমষ্টিবাদী অৰ্থনীতিৰ অংশ।

আধুনিক অৰ্থনীতি হ'ল মুদ্ৰাভিত্তিক অৰ্থনীতি। আধুনিক অৰ্থনীতিত মুদ্ৰাক বিনিময়ৰ প্ৰক্ৰিয়া হিচাপে ব্যৱহাৰ কৰা হয়। মুদ্ৰাই বিনিময় প্ৰক্ৰিয়াটো সূচল কৰি তুলি পণ্যদ্ৰব্যৰ বিনিময় পদ্ধতিটোৰ (Barter System) অসুবিধাবোৰ নাইকিয়া কৰিছে। সেয়েহে বৰ্তমান মুদ্ৰা বিনিময়ৰ এক গুৰুত্বপূৰ্ণ মাধ্যমত পৰিণত হৈছে। পৰিয়ালবোৰে উৎপাদনশীল ফাৰ্মবোৰক অৰ্থনৈতিক সম্পদ অথবা কাৰকৰ যোগান ধৰে। তাৰ বিনিময়ত মুদ্ৰা হিচাপে ইয়াৰ মূল্য লাভ কৰে। ইয়াৰ পৰা স্পষ্টকৈ বুজিব পাৰি যে মুদ্ৰাভিত্তিক অৰ্থনীতিত অৰ্থনৈতিক সম্পদৰ প্ৰবাহ আৰু সামগ্ৰী-সেৱা প্ৰবাহৰ সৈতে সংগতি থকা মুদ্ৰা প্ৰবাহো উপস্থিত থাকে। কিন্তু প্ৰতিটো উপাদানৰ সৈতে জড়িত মুদ্ৰা প্ৰবাহৰ সোঁত প্ৰকৃত প্ৰবাহৰ বিপৰীতমুখী।

এটা দ্বি-খণ্ড যুক্ত অৰ্থনীতিত চক্ৰীয় আয় প্ৰবাহ ঃ চিত্ৰ নং ১৫.১ত সম্পদ, সামগ্ৰী আৰু সেৱাৰ এটা প্ৰকৃত প্ৰবাহ দেখুওৱা হৈছে। চিত্ৰখনৰ ওপৰ অংশত কাঁড় চিহ্নৰে মাটি, মূলধন আৰু কাৰ্য্যসম্পাদন দক্ষতাৰ ৰূপত পৰিয়ালবোৰৰ পৰা ব্যৱসায়িক ফাৰ্মলৈ গতি কৰা সম্পদবোৰ দেখুওৱা হৈছে।

চিত্ৰ ১৫.১ঃ এটা সৰল দ্বি-খণ্ডযুক্তত অৰ্থনীতিত আয়ৰ চক্ৰীয় প্ৰবাহ



ওপৰৰ চিত্ৰখন ভালদৰে চালে আমি দেখিম যে ব্যৱসায়িক ফাৰ্মবোৰৰ পৰা মজুৰি, ভাৰা, সুত আৰু লাভৰূপে মুদ্ৰা পৰিয়ালবোৰলৈ প্ৰবাহিত হৈছে। চিত্ৰখনৰ তলৰ অংশটোত দেখিম পৰিয়ালবোৰৰ পৰা উপভোগ ব্যয় হিচাপে সামগ্ৰী আৰু সেৱা কিনাৰ নামত মুদ্ৰা পুনৰ ব্যৱসায়িক ফাৰ্মলৈ প্ৰবাহিত হৈছে। ইয়াৰ সলনি সেৱা আৰু সামগ্ৰী ব্যৱসায়িক ফাৰ্মৰ পৰা বিপৰীতমুখী গতিৰে পৰিয়ালবোৰলৈ প্ৰবাহিত হৈছে।

অৰ্থাৎ, আমি গম পালোঁ যে উৎপাদনৰ উৎপাদকক পৰিশোধ কৰিবলগীয়া ধন হিচাপে ব্যৱসায়িক ফাৰ্মৰ পৰা মুদ্ৰা পৰিয়ালবোৰলৈ প্ৰবাহিত হয়। তাৰপাছত ই পুনৰ পৰিয়ালৰ পৰা ফাৰ্মলৈ প্ৰবাহিত হয়। অৰ্থাৎ মুদ্ৰা অথবা আয়ৰ এক চক্ৰীয় প্ৰবাহ আছে।

এই প্ৰবাহটো সপ্তাহৰ পাছত সপ্তাহ, বছৰৰ পাছত বছৰ অনিৰ্দিষ্ট কাল অব্যাহত থাকিব। এনেকৈয়ে অৰ্থনীতিয়ে কাম কৰে। অৱশ্যে এটা কথা মনত ৰাখি থোৱা ভাল যে মুদ্ৰা আয়ৰ প্ৰবাহৰ পৰিমাণ সদায় একে হৈ নাথাকে।

অৰ্থাৎ, মুদ্ৰা আয়ৰ প্ৰবাহ এক সুস্থিৰ গতিত অব্যাহত নাথাকে। বজাৰ মন্দা হোৱা বছৰত (Year of Depression) মুদ্ৰাৰ চক্ৰীয় প্ৰবাহ সংকুচিত হ'ব; অৰ্থাৎ প্ৰবাহৰ পৰিমাণ কমি যাব। আনহাতে বজাৰ বৰ্ধনমুখী হৈ থকা বছৰত (Year of Prosperity) মুদ্ৰাৰ চক্ৰীয় প্ৰবাহ প্ৰসাৰিত হ'ব; অৰ্থাৎ, প্ৰবাহিত মুদ্ৰাৰ পৰিমাণ অধিক হ'ব।

ইয়াৰ কাৰণ হ'ল মুদ্ৰাৰ প্ৰবাহক ৰাষ্ট্ৰীয় আয়ৰ এক জোখ বুলি ধৰা হয়। সেয়েহে মুদ্ৰাৰ পৰিৱৰ্তনে ৰাষ্ট্ৰীয় আয়লৈও পৰিৱৰ্তন কঢ়িয়াই আনে। বজাৰ মন্দা হোৱা বছৰত ৰাষ্ট্ৰীয় আয় কম হয়। সেয়েহে এই সময়ছোৱাত মুদ্ৰাৰ প্ৰবাহো কমি যাব। আনহাতে বজাৰৰ শ্ৰীবৃদ্ধি হৈ থকা বৰ্ষবোৰত ৰাষ্ট্ৰীয় আয় যথেষ্ট উন্নত হ'ব। তেতিয়া মুদ্ৰাৰ প্ৰবাহো অধিক হ'ব।

আমাৰ বিশ্লেষণটো সৰল কৰি তুলিবলৈ বিষয়টোৰ সৈতে জড়িত কেন্দ্ৰীয় দিশবোৰ ব্যাখ্যা কৰাৰ সময়ত আমি বহু কথা কল্পনা কৰি লৈছোঁ। প্ৰথমেই আমি কল্পনা কৰি লৈছোঁ যে পৰিয়ালবোৰেও নিজৰ আয় সঞ্চয় নকৰে আৰু ব্যৱসায়িক ফাৰ্মবোৰেও নিজৰ লাভ সঞ্চয় নকৰে। আমি ইয়াকো ধৰি লৈছোঁ যে চৰকাৰে ৰাষ্ট্ৰীয় আয়ৰ কোনো কথাতে কোনো ভূমিকা নলয়। অৰ্থাৎ, আমাৰ সৰল বিশ্লেষণ মতে চৰকাৰে নাগৰিকৰ পৰা ৰাজহ হিচাপে কোনো ধন লাভ নকৰে, ব্যৱসায়িক ফাৰ্মবোৰে উৎপাদন কৰা সামগ্ৰী আৰু সেৱাৰ বাবে কোনো খৰছ নকৰে অথবা পৰিয়ালবোৰে যোগান ধৰা সম্পদ আৰু সেৱাৰ বাবেও কোনো ধন ব্যয় নকৰে। লগতে আমি ইয়াকো ধৰি লৈছোঁ যে অৰ্থনীতিয়ে কোনো সামগ্ৰী আৰু সেৱা আমদানি-ৰপ্তানি নকৰে।

অৰ্থাৎ, ওপৰৰ বিশ্লেষণত আমি বৈদেশিক বাণিজ্যৰ ভূমিকাক সামৰি লোৱা নাই। 'সঞ্চয়হীন' (No Savings) আৰু 'চৰকাৰৰ ভূমিকাহীন' (No Role of Government) এক সীমিত অৰ্থনীতিত মুদ্ৰাৰ প্ৰবাহ কেনেদৰে সক্ৰিয় হৈ থাকে ওপৰত সেয়াহে ব্যাখ্যা কৰা হৈছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ আয়ৰ চক্ৰীয় প্ৰবাহ কি?

.....

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ বজাৰ মন্দা হোৱা বছৰ এটাত আয়ৰ চক্ৰীয় প্ৰবাহত কি ঘটিব?

.....

.....

.....



১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰীয় আয় জোখাৰ তিনিটা প্ৰধান পদ্ধতি আছে— উৎপাদিত সামগ্ৰী জোখা পদ্ধতি, আয় জোখা আৰু ব্যয় জোখা পদ্ধতি।



উৎপাদিত সামগ্ৰী জোখা পদ্ধতিৰে ৰাষ্ট্ৰীয় আয় গণনা কৰাৰ সময়ত ৰাষ্ট্ৰীয় আয় আকাৰী প্ৰাধিকৰণে কোনো এক গণনা কালত অৰ্থনীতিত উৎপাদিত সামগ্ৰীবোৰৰ সৰ্বমুঠ মূল্য গণনা কৰে। এই গণনাকালত অৰ্থনীতিৰ বিভিন্ন খণ্ডত উৎপাদনৰ প্ৰতিটো পৰ্য্যায়তে সংযোজিত হৈ গৈ থকা মূল্যবোৰো হিচাপ কৰা হয়। এই পদ্ধতিটোক সেয়েহে মূল্য সংযোজিত পদ্ধতি বুলিও কোৱা হয়।

- আয় জোখা পদ্ধতিটোত বিভিন্ন অৰ্থনৈতিক কাম-কাজৰ পৰা আহৰণ কৰা আয়ৰ যোগফল প্ৰাক্‌কলন কৰা হয়।
- শেহতীয়া দৰ অনুসৰি ঘৰুৱা ব্যয় হিচাপ কৰি উলিয়াবলৈ কোনো এক নিৰ্দিষ্ট গণনা কালত দেশত হোৱা উপভোগ আৰু বিনিয়োগ ব্যয়ৰ যৌথৰূপটো জানিবলৈ ব্যয় জোখা পদ্ধতি ব্যৱহাৰ কৰা হয়। এই পদ্ধতিত কেৱল সৰ্বশেষ ক্ৰয়বোৰহে হিচাপ কৰা হয়।
- ৰাষ্ট্ৰীয় আয় গণনা কৰাৰ সময়ত আমি কিছুমান আয়/অৰ্থনৈতিক কাৰ্য্যকলাপৰ সংযোজন আৰু বিযোজন কৰোঁতে সাৱধানতা আৱলম্বন কৰিব লাগে।
- এখন দেশৰ ৰাষ্ট্ৰীয় আয় জোখাৰ সময়ত বিভিন্ন অসুবিধাৰ মুখামুখি হ'বলগীয়া হয়।
- আয়ৰ চক্ৰীয় প্ৰবাহ অথবা চক্ৰীয় প্ৰবাহ হ'ল অৰ্থনীতিৰ এটা আৰ্হি। এই আৰ্হি মতে অৰ্থনৈতিক প্ৰতিভূবোৰৰ মাজত হোৱা প্ৰধান অৰ্থনৈতিক লেন-দেনবোৰক মুদ্ৰা, সামগ্ৰী আৰু সেৱাৰ প্ৰবাহৰ দ্বাৰা উপস্থাপন কৰা হয়।



১৫.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) আলম, ড° খুৰছেদ; হুদা, ড° মণিৰুল আৰু শর্মা, ড° অর্চনা (২০০৪); *স্নাতক মহলাৰ অর্থতত্ত্ব (ব্যষ্টিবাদী অর্থবিজ্ঞান)* ষষ্ঠ সংস্কৰণ; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ্ছ্।

২) গোস্বামী, ড° অতুল (২০০৫); *স্নাতক মহলাৰ অর্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অর্থনৈতিক তত্ত্ব)* সপ্তম সংস্কৰণ; ডিব্রুগড় ঃ ষ্টুডেণ্টছ এম্পৰিয়াম।

ইংৰাজী গ্রন্থ ঃ

1) Bakerman, W. (1993); *An Introduction to National Income Analysis*; 3rd Ed., New Delhi: Universal Book Stall.

2) NCERT (2007); *Introductory Macroeconomics* (Textbook in Economics for Class XII); New Delhi.

3) Rana, K.C. & Verma, K.N. (2009); *Macroeconomic Analysis*; Jalandhar: Vishal Publications.

১৫.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ সর্বমুঠ ঘৰুৱা উৎপাদনৰ (GDP) সর্বশেষ ব্যয় তালিকাত থাকে সর্বশেষ ব্যক্তিগত উপভোগ ব্যয়, সর্বশেষ চৰকাৰী ব্যয়, সর্বমুঠ স্থিৰ মূলধন সৃষ্টি, সঞ্চিত দ্রব্য উদ্ভাৱনবোৰৰ পৰিমাণত হোৱা পৰিৱর্তন (কেঁচামালৰে সৈতে বিক্রী নোহোৱাকৈ ৰৈ যোৱা সামগ্রী, অর্ধ-নির্মিত সামগ্রী আৰু গণনাকালৰ ভিতৰত নির্মাণ সমাপ্ত হোৱা সামগ্রী) আৰু সামগ্রী তথা সেৱাৰ শুদ্ধ ৰপ্তানিৰ হিচাপ।

২নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রীয় আয় গণনা কৰোঁতে বাদ দিবলগীয়া চাৰিটা গুৰুত্বপূর্ণ বিষয় হ'ল—

- হস্তান্তৰযোগ্য আয়।
- সঘনে পৰিৱর্তন হোৱা লাভ লোকচান।
- সম্পত্তি বা অতীতৰ সঞ্চয়ৰ পৰা আদায় দিয়া শুল্ক বা কৰ।
- সকলো ধৰণৰ মধ্যৱর্তীকালীন (Intermediate) সামগ্রী আৰু সেৱা সমূহৰ ব্যয়।

৩নং প্রশ্নৰ উত্তৰ ঃ এখন দেশৰ সর্বমুঠ ঘৰুৱা উৎপাদনৰ পৰা ৰাষ্ট্রীয় আয় বাহিৰ কৰাৰ কার্য্য-পর্য্যায়বোৰ তলত দিয়া ধৰণৰ—

- বজাৰ দৰত সর্বমুঠ ঘৰুৱা উৎপাদন = ব্যক্তিগত উপভোগ ব্যয় + ব্যক্তিগত বিনিয়োগ ব্যয় + চৰকাৰী ব্যয় + ৰপ্তানি-আমদানি

- বজাৰ দৰত সৰ্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন = বজাৰ দৰত সৰ্বমুঠ ঘৰুৱা উৎপাদন + বিদেশৰ পৰা প্ৰাপ্ত শুদ্ধ উৎপাদনৰ উৎপাদকৰ আয়
- ৰাষ্ট্ৰীয় আয় = বজাৰ দৰত সৰ্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন-অবক্ষয়বয়-পৰোক্ষ কৰা + পৰিপোষক সাহায্য।

৪নং প্ৰশ্নৰ উত্তৰ ঃ যদি কোনো সামগ্ৰী অথবা সেৱাৰ মধ্যৱৰ্তী অৱস্থাটোক ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনত গণনা কৰা হয় আৰু পৰৱৰ্তী সময়ত ইয়াৰ চূড়ান্ত পৰ্য্যায়টো পুনৰবাৰ গণনাত সামৰি লোৱা হয়, তেন্তে তাক দ্বি-গণনা (Double Counting) বুলি কোৱা হয়।

৫নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থনীতিত হস্তান্তৰিত ধন (অথবা চৰকাৰী হস্তান্তৰ অথবা একেবাৰে সহজ ভাষাত হস্তান্তৰ) হ'ল বজাৰ পদ্ধতিত আয়ৰ পুনৰ বিতৰণ কাৰ্য্য। এনে ধনক অ-নিঃশেষিত (Non-Exhaustive) ধন বুলি গণ্য কৰা হয়। কাৰণ, এনে পৰিশোধৰ দ্বাৰা সম্পদৰ প্ৰত্যক্ষ শোষণ নহয় আৰু এনে পৰিশোধে কোনো সেৱা-সামগ্ৰীও সৃষ্টি নকৰে। আন কথাত, কোনো সামগ্ৰী অথবা সেৱাৰ আদান-প্ৰদান অবিহনে এই পদ্ধতিত ধনৰ হস্তান্তৰ কৰা হয়। অৱসৰকালীন ভাট্টা, নিবনুৱা ভাট্টা, ৰাজহুৱা ঋণৰ সুত আদি হ'ল হস্তান্তৰিত ধনৰ উদাহৰণ।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰীয় আয় হ'ল সামগ্ৰী আৰু সেৱাৰ আৰ্থিক মূল্য (Money Value)। আৰ্থিক মূল্য বজাৰ মূল্যৰ ওপৰত নিৰ্ভৰশীল। বজাৰ মূল্য প্ৰায়েই সলনি হয়। ৰাষ্ট্ৰীয় আয়ৰ হিচাপ-নিকাচ কৰাৰ সময়ত এই পৰিৱৰ্তিত মূল্যই এটা প্ৰধান সমস্যাৰ সৃষ্টি কৰে। মূল্য বৃদ্ধিৰ ফলত কোনো এক নিৰ্দিষ্ট বছৰত উৎপাদনৰ পৰিমাণ হ্ৰাস হোৱা স্বত্বেও ৰাষ্ট্ৰীয় আয়ৰ মূল্য বাঢ়ি যোৱা যেন লাগে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ আয়ৰ চক্ৰীয় প্ৰবাহ অথবা চক্ৰীয় প্ৰবাহ হ'ল অৰ্থনীতিৰ এটা আৰ্হি। এই আৰ্হি মতে অৰ্থনৈতিক প্ৰতিভূবোৰৰ মাজত হোৱা প্ৰধান অৰ্থনৈতিক লেন-দেনবোৰক মুদ্ৰা, সামগ্ৰী আৰু সেৱাৰ প্ৰবাহৰ দ্বাৰা উপস্থাপন কৰা হয়। মুদ্ৰা আৰু সামগ্ৰী এক সীমিত চক্ৰত প্ৰবহিত হয় আৰু ইয়াৰ মূল্য পৰস্পৰ সঙ্গত হয়। কিন্তু দুয়োবিধ উপাদানৰ গতি পৰস্পৰ বিপৰীতমুখী। ক্ৰীয় প্ৰবাহ বিশ্লেষণ হ'ল ৰাষ্ট্ৰীয় আয়ৰ হিচাপ-নিকাচৰ আধাৰ আৰু সেয়েহে ই সমষ্টিবাদী অৰ্থনীতিৰ অংশ।

৮নং প্ৰশ্নৰ উত্তৰ ঃ মুদ্ৰা আয়ৰ প্ৰবাহ এক সুস্থিৰ গতিত অব্যাহত নাথাকে। বজাৰ মন্দা হোৱা বছৰত (Year of Depression) মুদ্ৰাৰ চক্ৰীয় প্ৰবাহ সঙ্কুচিত হ'ব; অৰ্থাৎ প্ৰবাহৰ পৰিমাণ কমি যাব।



১৫.৯ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনৰ উৎপাদিত সামগ্ৰী জোখা পদ্ধতিটো চমুকৈ আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনৰ গুৰুত্বপূৰ্ণ সংযোজন আৰু বিযোজনবোৰ উল্লেখ কৰক।

প্ৰশ্ন নং ৩ ঃ ৰাষ্ট্ৰীয় আয় প্ৰাক্‌কলনৰ আয় জোখা পদ্ধতি আৰু ব্যয় জোখা পদ্ধতি দুটাৰ মাজৰ প্ৰভেদ নিৰ্ণয় কৰক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক) ঃ

প্ৰশ্ন নং ১ ঃ ৰাষ্ট্ৰীয় আয় জোখা তিনিওটা পদ্ধতিৰে অসুবিধাবোৰৰ সৈতে এক আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ২ ঃ ৰাষ্ট্ৰীয় আয় জোখাৰ সময়ত দেখা দিব পৰা অসুবিধাবোৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ উপযুক্ত চিত্ৰৰে সৈতে ৰাষ্ট্ৰীয় আয়ৰ চক্ৰীয় প্ৰবাহ আলোচনা কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি (পাঠ্যবিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে প্ৰযোজ্য)

অসমীয়া গ্ৰন্থ ঃ

১) আলম, ড° খুৰছেদ; হুদা, ড° মণিৰুল আৰু শৰ্মা, ড° অৰ্চনা (২০০৪); *স্নাতক মহলাৰ অৰ্থতত্ত্ব (ব্যষ্টিবাদী অৰ্থবিজ্ঞান)* ষষ্ঠ সংস্কৰণ; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ্ছ।

২) গোস্বামী, ড° অতুল (২০০৫); *স্নাতক মহলাৰ অৰ্থবিজ্ঞানৰ মূল তত্ত্ব (ব্যষ্টিগত অৰ্থনৈতিক তত্ত্ব)* সপ্তম সংস্কৰণ; ডিব্ৰুগড় ঃ ষ্টুডেণ্টছ এম্পৰিয়াম।

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2006); *Modern Economics*; New Delhi: S. Chand & Co. Ltd.

2) Ahuja, H.L. (2003). *Advanced Economic Theory*; New Delhi: S. Chand & Company Ltd.

3) Baumol, W.J. & Binder, A.S. (2007); *Microeconomics– Principles and Policy*; New Delhi: Thomson South-Western.

4) Chopra, P.N. (2008); *Micro Economics*; Ludhiana: Kalyani Publishers.

5) Dewett, K.K. (2005); *Modern Economic Theory*; New Delhi: S. Chand & Co. Ltd.

6) Jhingan, M.L. (1986); *Micro Economic Theory*; Jalandhar: Konark Publications.

7) Koutsoyiannis, A. (1979); *Modern Microeconomics*; New Delhi: Macmillan.

8) Maddala, G.S. & Miller, E. (2004); *Microeconomics: Theory and Applications*; New Delhi: Tata McGraw-Hill.

9) Pindyck, R.S. & Rubinfeld, D.L. (2006); *Micoreconomics*; New Delhi: Prentice-Hall India.


10) Sundharam, K.P.M & Vaish, M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Co. Ltd.

পৰিশিষ্ট - ক (Appendix - A)
(অর্থবিজ্ঞানত লেখচৈত্রিক উপস্থাপন)
(GRAPHICAL REPRESENTATION IN ECONOMICS)

আমি ইতিমধ্যে পাই আহিছোঁ যে অর্থবিজ্ঞানৰ ভালেসংখ্যক ধাৰণা তালিকা আৰু চিত্ৰ ব্যৱহাৰ কৰি উপস্থাপন কৰা হয়। চিত্ৰ আৰু তালিকাৰ ব্যৱহাৰে অর্থবিজ্ঞানৰ ধাৰণাবোৰৰ ব্যাখ্যা সহজ কৰি তোলে। ইয়াৰ বাবে তালিকা তথা চিত্ৰসমূহ শুদ্ধভাৱে ব্যাখ্যা কৰাটো অতি জৰুৰী। অন্যথা আমাৰ ব্যাখ্যাসমূহ ভুলকৈ বুজা হ'ব পাৰে আৰু ইয়ে আমাক জটিলতাৰ মাজলৈ ঠেলি দিব পাৰে। তালিকাতকৈ চিত্ৰসমূহ দ্ব্যর্থবোধক (Confusing) আৰু জটিল হ'ব পাৰে। তথাপিও তালিকাতকৈ বহুক্ষেত্ৰত চিত্ৰবোৰেই উপযোগী হোৱা দেখা যায়। সেইবাবেই আমি ইয়াৰ শুদ্ধ ব্যাখ্যা কৰাটো উচিত। ই অর্থবিজ্ঞানৰ তত্ত্বসমূহৰ ব্যাখ্যা উন্নত আৰু ফলপ্ৰসূ কৰি তোলে। এই কাৰণেই অর্থবিজ্ঞানত ব্যৱহৃত চিত্ৰসমূহৰ মৌলিক কথাবোৰ জনাবৰ বাবে এই পৰিশিষ্টটো অন্তর্ভুক্ত কৰা হৈছে।

লেখ কাগজ (The Graph Paper) ঃ লেখচৈত্রিক বিশ্লেষণৰ বিভিন্ন ধাৰণাবোৰৰ বিষয়ে আলোচনা কৰাৰ আগেয়ে লেখ কাগজৰ সাধাৰণ গঠনৰ বিষয়ে জনাটো সুবিধাজনক হ'ব। লেখচৈত্রিক উপস্থাপনৰ সাধাৰণ নীতিসমূহৰ ওপৰত ভিত্তি কৰি অর্থবিজ্ঞানৰ চিত্ৰসমূহ অঙ্কন কৰা হয়। লেখ কাগজ এখন তলৰ চিত্ৰৰ দৰে দেখা যায়—

চিত্ৰ ঃ ক (১) ঃ এখন লেখ কাগজ





মন কৰিবলগীয়াঃ '0' বিন্দুটোত দুয়ো অক্ষ (X আৰু Y) ই ছেদ কৰিছে। ইয়াক '0' মূলবিন্দু বুলি কোৱা হয়। মূলবিন্দুত দুয়োটা চলকৰ মান শূন্যৰ সমান।

ওপৰৰ চিত্ৰ ক(১)ত, xx আনুভূমিক আৰু yy উলম্ব দুডাল ৰেখা দেখা গেছে। আনুভূমিক ৰেখাক x অক্ষ আৰু উলম্ব ৰেখাক y অক্ষ বুলি কোৱা হয়। এই ৰেখা দুডালে '0' বিন্দুত কটাকটি কৰিছে। ইয়াক মূলবিন্দু বুলি কোৱা হয়। মূল বিন্দুত ৰেখাবোৰে ৯০° কোণ কৰে আৰু গোটেই লেখ কাগজ খনকে চাৰিটা ভাগত ভাগ কৰে যাক পদ (Quadrant) বুলি কোৱা হয়। এই দৰে প্ৰথম পদ (Q_1)ত x আৰু y দুয়োটাৰে মান ধনাত্মক। দ্বিতীয় পদ (Q_2)ত x ৰ মান ঋণাত্মক আৰু yৰ মান ধনাত্মক হয়। তৃতীয় পদ (Q_3)ত x আৰু y দুয়োটাৰে মান ঋণাত্মক। চতুর্থ পদ (Q_4)ত xৰ মান ধনাত্মক আৰু yৰ মান ঋণাত্মক হয়। সাধাৰণতে, অর্থবিজ্ঞানৰ প্ৰায়বোৰ চিত্ৰই দ্বি-মাত্ৰিক আৰু সেয়ে লেখকাগজৰ প্ৰথম পদ (Q_1) ব্যৱহাৰ কৰা হয় য'ত x আৰু y দুয়োটাৰে মান ধনাত্মক।

চিত্রত আমি কি দেখুৱাওঁ (What do we show in a figure)? চিত্র এটাত আমি ***চলক***সমূহৰ মাজত থকা ফলন সম্পৰ্ক (Functional Relationship) দেখুৱাওঁ। মন কৰিবলগীয়া যে, ফলন সম্পৰ্ক এটা শাব্দিক, সাংখ্যিক অনুসূচী, সমীকৰণ নাইবা ৰেখাচিত্রৰ সহায়ত প্ৰকাশ কৰিব পাৰি। ধৰাহওঁক দৰ আৰু চাহিদা এই দুটা চলকৰ মাজৰ ফলন সম্পৰ্কক গাণিতিক সমীকৰণৰ সহায়ত প্ৰকাশৰ কথাটো আমি বিবেচনা কৰোঁ ঃ

D = f(P) য'ত, Dয়ে চাহিদা, Pয়ে দৰ আৰু Fয়ে দুয়োটাৰে মাজৰ এক ফলন সম্পৰ্ক বুজাইছে।

(ওপৰৰ সম্পৰ্কটো 'চাহিদা হ'ল দৰৰ ফলন' বুলি পঢ়িব।)

এই পৰিশিষ্টত আমি চলকৰ মাজত থকা গাণিতিক সম্পৰ্কৰ বিভিন্ন দিশসমূহৰ গভীৰতালৈ নাযাওঁ।




মন কৰিবলগীয়া ঃ চলক হ'ল এনে এটা বস্তু যাক সংখ্যাৰ মাধ্যমত জোখ লোৱা হয় আৰু যাৰ মান পৰিবৰ্ত্তনীয়। ইয়াৰ মানৰ পৰিবৰ্ত্তন হ'লে আন বস্তুবোৰৰ কি হয় তাকে বিশ্লেষণ কৰিবলৈ ইয়াক ব্যৱহাৰ কৰা হয়।

এটা ফলনৰ মূল ধাৰণাটো হ'ল এই যে ই দুটা চলকৰ মাজত থকা সম্পৰ্ক নিৰ্দেশ কৰে। আগৰ তিনিটা অধ্যায়ত আমি দেখিছোঁ যে চাহিদা দৰৰ ওপৰত নিৰ্ভৰ কৰে। দৰ বেছি হ'লে চাহিদা কমে; অথবা এটা আনটোৰ ওলোটা। এইদৰে দৰ আৰু চাহিদাৰ মাজত এক সুনিৰ্দ্দিষ্ট সম্পৰ্ক বিৰাজ কৰে, যেতিয়া এটা বাঢ়ে আনটো কমে। আনহাতে, যেতিয়া কোনো সামগ্ৰীৰ দৰ বাঢ়ে; ইয়াৰ যোগানো বাঢ়ে। এইদৰে দৰ আৰু যোগান একেদিশতে গতি কৰে। চাহিদা আৰু দৰ, যোগান আৰু দৰ আদি এনে সম্পৰ্কবোৰ গাণিতিক পৰিভাষাত প্ৰকাশ কৰিব পাৰি। ফলন সম্পৰ্কৰ এটা সুবিধা



মন কৰিবলগীয়া ঃ নিৰ্ভৰশীল চলকৰ মান স্বতন্ত্ৰ চলকৰ মানৰ ওপৰত নিৰ্ভৰ কৰে। সাধাৰণতে অৰ্থবিজ্ঞানৰ লেখচিত্ৰত নিৰ্ভৰশীল চলক X অক্ষত আৰু স্বতন্ত্ৰ চলক Y অক্ষত দেখুওৱা হয়।



চিত্র ক (২) ঃ দৰ আৰু যোগানৰ মাজৰ ধনাত্মক সম্পৰ্ক

কোনটো চলক স্বতন্ত্ৰ তাক নিৰ্দেশ কৰে। চাহিদা আৰু যোগানৰ ক্ষেত্ৰত আমি দেখোঁ যে সিহঁতৰ ৰ চাহিদা আৰু যোগান হ'ল ***নিৰ্ভৰশীল চলক*** আৰু দৰ হ'ল ***স্বতন্ত্ৰ চলক।***

অৰ্থবিজ্ঞানৰ বিভিন্ন চলকসমূহৰ মাজৰ সম্পৰ্কৰ পাৰ্থক্য আছে। দৰ আৰু চাহিদা বিপৰীত ৱ যোগান একে দিশত গতি কৰে। প্ৰকৃততে চলকসমূহৰ মাজৰ এই সম্পৰ্কই ৰেখাসমূহৰ চনাত আমি চলক সমূহৰ মাজৰ গুৰুত্বপূৰ্ণ সম্পৰ্কসমূহৰ বিষয়ে আলোচনা কৰিম।

ive and Negative Relation-ship) ঃ দুটা চলকৰ মাজৰ সম্পৰ্কক ধনাত্মক বুলি কোৱা গতি কৰে। এইদৰে দৰ আৰু যোগানে এক ধনাত্মক সম্পৰ্ক দেখুৱায়। চিত্র ক(২)ত y অক্ষত ছে। চিত্রৰ পৰা দেখা যায় যে দৰ P_1ৰ পৰিমাণো Q_1ৰ পৰা Q_2 লৈ বাঢ়িছে। এইদৰে SS যোগান ৰেখাই দৰ আৰু যোগানৰ মাজত এক ধনাত্মক সম্পৰ্ক চিত্রায়িত কৰিছে।


আকৌ আমি জানোঁ যে দৰ আৰু চাহিদা বিপৰীত দিশত গতি কৰে। ই চাহিদা ৰেখাৰ ঢাল তললৈ নামি যোৱাটো নিশ্চিত কৰে আৰু ইয়াক চিত্র ক(৩)ত দেখুওৱা হৈছে। চিত্রৰ পৰা দেখা গৈছে যে দৰ P_1ৰ পৰা P_2 লৈ বঢ়াৰ লগে লগে চাহিদাৰ পৰিমাণ Q_1ৰ পৰা Q_2 লৈ কমিছে। এইদৰে চাহিদাৰেখাই তললৈ গতি কৰি দৰ আৰু চাহিদাৰ মাজৰ ঋণাত্মক সম্পৰ্ক চিত্রায়িত কৰিছে —

ৰৈখিক আৰু অৰৈখিক বক্ৰ (Linear and Nonlinear Curves) ঃ এতিয়ালৈকে আমি দেখিছোঁ যে চাহিদা আৰু যোগান ৰেখা একোডাল সৰলৰেখা। এনেকুৱা ৰেখাবোৰক ৰৈখিক ৰেখা বোলা হয়। ৰৈখিক ৰেখাই ধাৰণা কৰি লয় যে দুয়োটা চলক (ধৰাহওঁক দৰ আৰু যোগান) ৰেখা ডালত সমানুপাতিক ভাৱে পৰিৱৰ্তন হয়। উদাহৰণ স্বৰূপে ৰৈখিক চাহিদাৰেখা এডালত এক টকাৰ পৰিৱৰ্তনে যদি চাহিদাৰ পৰিমান ৫০ একক পৰিৱৰ্তন কৰে, তেনেহ'লে দুটকাৰ পৰিৱৰ্তনে চাহিদাৰ পৰিমাণ ১০০ একক পৰিৱৰ্তন কৰিব। কিন্তু অ-ৰৈখিক চাহিদা ৰেখাত এই পৰিৱৰ্তন সমানুপাতিক নহয়। আৰু ই হ'ল অধিক প্ৰায়োগিক আৰু বাস্তৱ সন্মত। তথাপিও প্ৰথম বৰ্ষৰ পাঠ্যক্ৰমৰ প্ৰায়বোৰ আলোচনাতে আমি ৰৈখিক চাহিদা ৰেখাকেই ব্যৱহাৰ কৰিম।


চিত্ৰ ক (৩) দৰ আৰু চাহিদাৰ মাজৰ ঋণাত্মক সম্পৰ্ক

ৰেখাসমূহৰ আকৃতি (Shapes of Curves) ঃ বেলেগ বেলেগ গাণিতিক ফলনে বেলেগ বেলেগ আকৃতিৰ ৰেখাৰ সৃষ্টি কৰে। গাণিতিক ফলনসমূহৰ গভীৰতালৈ নগৈ আহক আমি বেলেগ বেলেগ আকৃতিৰ ৰেখা আৰু সিহঁতৰ নাম জানি লওঁ—


চিত্ৰ ক (৪)




চিত্ৰ ক (৫)



চিত্ৰ ক (৬)




চিত্ৰ ক (৭)






মন কৰিবলগীয়া ঃ যদিও আমি গণিতিক ফলনসমূহ, সিহঁতৰ নাম আৰু ৰেখাসমূহ দিছোঁ তথাপিও গভীৰতালৈ যোৱাৰ প্ৰয়োজন নাই, যিহেতু ইয়াৰ বাবে উচ্চ পৰ্য্যায়ৰ গাণিতিক দক্ষতাৰ প্ৰয়োজন হ'ব। তথাপিও ৰেখাবোৰৰ নাম জানি থোৱাটোৱে শিকাৰু সকলক সহায় কৰিব।


চিত্ৰ ক (৮)



চিত্ৰ ক (৯)



চিত্ৰ ক (১০) ঊৰ্দ্ধমুখী ৰেখা এডালৰ ঢালৰ জোখ



ঢালৰ ধাৰণা (Concept of Slope) ঃ আমি ওপৰত দেখিছোঁ যে বিভিন্ন ৰেখাবোৰে বিভিন্ন আকাৰ লৈছে আৰু বিভিন্ন দিশত গতি কৰিছে ৰেখাৰ এই গতিক 'ঢাল' বুলি কোৱা হয় এইদৰে ঢাল মানে হ'ল ৰেখা এডালৰ গড়া (Steep-ness)। ৰৈখিক ৰেখাৰ ক্ষেত্ৰত এই ঢালৰ জোখলোৱা হয় উলম্বিক পৰিৱৰ্তন (Rise) আৰু আনুভূমিক পৰিৱৰ্তন (Run)ৰ সমানুপাতৰ দ্বাৰা। ইয়াৰ উলম্বিক পৰিৱৰ্তনে উলম্ব ৰেখাত জোখ লোৱা পৰিমাণৰ পৰিৱৰ্তন আৰু আনুভূমিক পৰিৱৰ্তনে আনুভূমিক ৰেখাৰ পৰিমাণৰ পৰিৱৰ্তন প্ৰতিনিধিত্ব কৰিছে। এই পৰিৱৰ্তন বৃদ্ধি নাইবা হ্ৰাস হ'ব পাৰে। এই ধাৰণাটো বুজিবলৈ আমি তলৰ চিত্ৰ ক(১০)ৰ সহায় লওঁ আহক—

মন কৰিব লগীয়া যে ধনাত্মক ৰৈখিক ৰেখাৰ ক্ষেত্ৰত, যিমানেই উলম্বিক পৰিৱৰ্তন বেছি হ'ব ৰেখাডালৰ ঢাল সিমানেই বেছি হ'ব। উদাহৰণ স্বৰূপে, চিত্ৰ ক(১০)ৰ ক্ষেত্ৰত আমি দেখোঁ যে যদি উলম্বিক পৰিৱৰ্তন ৫ৰ পৰিৱৰ্তে ১০ হয়, ৰেখাডালৰ ঢাল হ'ব ১। এইদৰে আমি ক'ব পাৰোঁ যে ধনাত্মক ৰৈখিক ৰেখা এডাল যিমানেই বহল (Flat) হ'ব (অৰ্থাৎ x অক্ষৰ পৰা যিমানেই দূৰলৈ যাব) সিমানেই ইয়াৰ ঢাল বেছি হ'ব।

ঋণাত্মক ৰৈখিক ৰেখা এডালৰ ক্ষেত্ৰত ইয়াৰ ঠিক ওলোটাটো হয়। ৰেখাডাল যিমানেই গড়া (যিমানেই y অক্ষৰ ওচৰলৈ আহে) হয়, সিমানেই ইয়াৰ ঢাল বেছি হ'ব। কাষৰ 'ক (১১)' চিত্ৰত এয়া দেখুওৱা হৈছে।

এতিয়া আহক আমি তলৰ ৰৈখিক ৰেখা দুডালৰ ঢাল বিবেচনা কৰোঁ— চিত্ৰটিৰ পৰা এয়া স্পষ্ট যে, আনু ভূমিক ৰেখা এডালৰ ঢাল শূন্য, কিন্তু উলম্ব ৰেখা এডালৰ ঢাল অসীম।




মন কৰিবলগীয়া ঃ এডাল ওপৰলৈ উঠি যোৱা ৰেখাৰ ধনাত্মক ঢাল থকা বুলি কোৱা হয়। একেদৰে তললৈ নামি যোৱা ৰেখা এডালৰ ঋণাত্মক ঢাল থকা বুলি কোৱা হয়।

বক্ৰ ৰেখা এডালৰ ঢাল ঃ আমি দেখা পালোঁ যে সৰল ৰেখা এডালৰ ঢাল গোটেই ৰেখা ডালতে একেই থাকে। কিন্তু বক্ৰ ৰেখাৰ ক্ষেত্ৰত ই প্ৰযোজ্য নহয়। এইদৰে বক্ৰ ৰেখা এডালৰ ঢাল বিভিন্ন বিন্দুত বেলেগ বেলেগ হয়। বক্ৰ ৰেখা এডালৰ কোনো এটা বিশেষ বিন্দুত ঢালৰ জোখ ল'বলৈ হ'লে সেই বিন্দুত আমি এডাল স্পৰ্শক আঁকিব লাগিব আৰু তাৰ পিছত সেই ***স্পৰ্শক*** ডালৰ ঢাল জুখিব লাগিব। এইদৰে স্পৰ্শক ডালৰ ঢালেই হৈছে সেই বিন্দুত বক্ৰ ৰেখাডালৰ ঢাল। মনত ৰখা উচিত হ'ব যে বক্ৰৰেখাৰ যি বিন্দুত আমি ঢাল জুখিব বিচাৰোঁ সেই নিৰ্দিষ্ট বিন্দুতহে স্পৰ্শক আঁকিব লাগিব।

চিত্ৰ ক (১১) নিম্নমুখী ৰেখা এডালৰ ঢাল (গডা)ৰ জোখ

বক্ৰৰেখাৰ ঢালৰ জোখ কাষৰ চিত্ৰ ক(১৩)ৰ সহায়ত দেখুওৱা হৈছে। দেখা যায় যে বিশেষ বিন্দুত স্পৰ্শক আঁকাৰ পিছত (যি বিন্দুত আমি ঢাল জুখিব খোজোঁ), বাকীখিনি সৰল ৰেখাৰ ঢাল উলিওৱা পদ্ধতিৰ লগত একেই হয়।

চিত্ৰ ক(১৩) বক্ৰৰেখাৰ ঢালৰ জোখ



কাষৰ চিত্ৰত 'n' বিন্দুত dd ৰেখাৰ ঢাল 'n' বিন্দুত ab স্পৰ্শক আঁকি লৈ জোখা হৈছে। ইয়াত ab স্পৰ্শকৰ ঢাল হ'ল—

$$\text{ঢাল} = \frac{\text{উলম্বিক পৰিৱৰ্তন}}{\text{আনুভূমিক পৰিৱৰ্তন}} = \frac{nm}{am}$$

অৰৈখিক ৰেখাৰ এটা পৰিসৰৰ ঢালৰ জোখ (Measurement of Slope of a Nonlinear Curve over a Range) ঃ ওপৰৰ চিত্ৰত আমি বক্ৰৰেখাৰ এটা বিশেষ বিন্দু 'n'ত ইয়াৰ ঢালৰ জোখ লৈছোঁ। কেতিয়াবা অৰৈখিক ৰেখাৰ এটা পৰিসৰৰ অৰৈখিক ৰেখাৰ এটা পৰিসৰৰ ঢাল উলিওৱাৰ প্ৰয়োজন হয়। ইয়াক কাষৰ চিত্ৰ ক(১৪)ত দেখুওৱা হৈছে।


কাষৰ চিত্ৰ ক(১৪)ত bb ৰেখাৰ ঢাল পৰিসৰৰ (বৃত্তাংশ বুলিও কোৱা হয়) ওপৰত জোখ লোৱা হৈছে। ইয়াৰ বাবে আমি পৰিসৰৰ দুটা প্ৰান্তবিন্দু অৰ্থাৎ m আৰু n সংযোগী সৰল ৰেখা এডাল

আঁকিব লাগিব আৰু mn ৰেখাৰ ঢাল জুখিবলৈ আমি চিত্ৰ ক(১৩)ৰ দৰে একেই প্ৰক্ৰিয়া অনুসৰণ কৰিব পাৰোঁ। এইদৰে,

$$\text{mn ৰেখাৰ ঢাল} = \frac{\text{উলম্বিক পৰিৱৰ্তন}}{\text{আনুভূমিক পৰিৱৰ্তন}} \quad \frac{\Ax}{\Ay} \quad \frac{np}{mp}$$

$$\text{সেয়ে msn বৃত্তাংশৰ ঢাল} = \frac{\Ax}{\Ay} \quad \frac{np}{mp}$$


চিত্ৰ ক (১৪) বক্ৰ ৰেখাৰ এটা পৰিসৰৰ ঢালৰ জোখ



মূলবিন্দুৰ মাজেৰে যোৱা ৰশ্মিবোৰ আৰু ৪৫° ৰেখাবোৰ (Rays Throngh the origin and 45^0 Lines) ঃ আন্তঃমানৰ ধাৰণা (Concept of Intercept) ঃ যি বিন্দুত কোনো এডাল ৰৈখিক ৰেখাই কোনো এডাল অক্ষক কাটে সেই বিন্দুক সেই অক্ষৰ আন্তঃমান (Intercept) বুলি কোৱা হয়। এইদৰে, ৰৈখিক ৰেখাই যি বিন্দুত উলম্ব (y) অক্ষক কাটে তাকে y আন্তঃমান (Intercept) আৰু যি বিন্দুত আনুভূমিক (x) অক্ষক কাটে তাকে x আন্তঃমান (Intercept) বোলে। এতিয়া, যিবোৰ ৰেখাৰ আন্তঃমান (Intercept) শূন্য তেনেবোৰ ৰেখাক মূলবিন্দুৰ মাজেৰে যোৱা ৰশ্মি বুলি কোৱা হয়।

কাষৰ চিত্ৰ ক(১৫)ত মূলবিন্দুৰ মাজেৰে যোৱা ৰশ্মি সমূহৰ ঢাল দেখুওৱা হৈছে। যি ডাল ৰেখাৰ ঢাল 1 ই আনুভূমিক অক্ষৰ লগত 45^0 কোণ সৃষ্টি কৰে। ইহঁতক 45^0 ৰেখা বুলিও কোৱা হয়। 45^0 ৰেখাৰ ওপৰৰ ৰেখাৰ ঢাল 1তকৈ বেছি আৰু তলৰ ৰেখাৰ ঢাল 1তকৈ কম বুলি সহজতে চিনাক্ত কৰিব পাৰি।

চিত্ৰ ক (১৫) মূল বিন্দুৰ মাজেৰে যোৱা ৰশ্মি আৰু ৪৫° ৰেখা



REFERENCES (পাঠ্যবিষয়ৰ বাবে প্ৰযোজ্য)


1) Baruah, S. (2001); *Basic Mathematics and its Applications in Economics*; New Delhi: Macmillan.
2) Baumol & Blinder (2004); *Microeconomics : Principles and Policy*; New Delhi: Thomson South-Western.
3) Chiang, A.C. & K. Wainwright (2005); *Fundamental Methods of Mathematical Economics*; New Delhi: McGraw Hill
4) Roy, U (2008); *Managerial Economics*; New Delhi: Asian Books Pvt. Ltd.

পৰিশিষ্ট - খ (Appendix - B)
(মহান অর্থবিজ্ঞানীসকলৰ বিষয়ে জানোঁ আহক)


এই পৰিশিষ্টত এই মহান অর্থবিজ্ঞানীসকলৰ জীৱন আৰু কর্মৰ ওপৰত এক চমু আলোকপাত কৰা হৈছে। অর্থবিজ্ঞানীসকলক তেওঁলোকৰ ইংৰাজী নামবিলাকৰ প্রথম নামৰ আভিধানিক ক্রম অনুসৰি উপস্থাপন কৰা হৈছে।



আদাম্ স্মিথ্ (Adam Smith) (১৭২৩ - ১৭৯০) ঃ 'অর্থবিজ্ঞানৰ পিতৃ' হিচাপে পৰিচিত এই অর্থবিজ্ঞানী গৰাকীৰ জন্ম হৈছিল স্কটলেণ্ডত। গ্লাছগ' আৰু অক্সফর্ড বিশ্ববিদ্যালয়ৰ পৰা তেওঁ শিক্ষা আহৰণ কৰিছিল। পিছলৈ তেওঁ গ্লাছগ' বিশ্ববিদ্যালয়ৰ নৈতিক দর্শনৰ অধ্যাপক হিচাপে কাম কৰিছিল। স্মিথে এক বিস্তৃত পৰিসৰৰ বিষয়ৰ ওপৰত লিখিছিল; অর্থবিজ্ঞান আছিল ইয়াৰ এটা অংশ মাত্র। তেওঁৰ প্রথম প্রকাশিত গ্রন্থ হ'ল ১৭৫৯ চনত প্রকাশিত *"The Theory of Moral Sentiment"* নামৰ গ্রন্থখন। ১৭৭৬ চনৰ ৯ মার্চত তেওঁ প্রকাশ কৰিছিল— *"An Enquiry Into the Nature and Causes of the Wealth of Nations".* এই গ্রন্থখনকেই অর্থবিজ্ঞানৰ ক্ষেত্রত প্রথম আধুনিক গ্রন্থ বুলি বিবেচনা কৰা হয়। এই গ্রন্থখনক তেওঁৰ "সর্বশ্রেষ্ঠ কৃতি" (Magnum Opus) বুলি কোৱা হয় আৰু অর্থবিজ্ঞানৰ ক্ষেত্রত এখন আটাইতকৈ প্রভাৱশালী গ্রন্থসমূহৰ অন্যতম হিচাপে বিবেচনা কৰা হয়।




আলফ্রেদ্ মার্ছাল্ (Alfred Marshall) (১৮৪২-১৯২৪) ঃ ব্রিটিছ অর্থনীবিজ্ঞানী মার্ছালে তেওঁৰ শৈক্ষিক জীৱনৰ সৰহভাগ সময় কেম্ব্রিজ বিশ্ববিদ্যালয়ৰ অর্থবিজ্ঞানৰ অধ্যাপক হিচাপে কটাইছে। তেওঁৰ মুখ্য অৱদান আছিল ব্যষ্টিবাদী অর্থবিজ্ঞানৰ ক্ষেত্রত -- বিশেষকৈ, ব্যক্তিগত বজাৰ আৰু উদ্যোগৰ অধ্যয়নৰ ওপৰত। তেওঁৰ আটাইতকৈ গুৰুত্বপূর্ণ গ্রন্থ হ'ল— ১৮৯০ চনত প্রকাশিত *"Principles of Economics"*। এই গ্রন্থখনত মার্ছালে সামগ্রী এটাৰ দৰ আৰু উৎপাদন যে ইয়াৰ চাহিদা আৰু যোগানৰদ্বাৰা নির্দ্ধাৰিত হয় তাৰ ওপৰত গুৰুত্ব দিছে। চাহিদা আৰু যোগান ৰেখা হ'ল কেঁচি এখনৰ ব্লেডৰ দৰে যি ভাৰসাম্যৰ সময়ত কটাকটি কৰে। 'চাহিদাৰ স্থিতিস্থাপকতা' (Elasticity of demand); 'উপভোক্তাৰ উদ্বৃত্ত' (Consumer's Surplus) আৰু 'উৎপাদনকাৰীৰ উদ্বৃত্ত' (Producer's surplus) আদি ধাৰণাৰ অৱদানো মার্ছালে আগবঢ়াইছিল। তেওঁৰ প্রকাশিত প্রধান গ্রন্থসমূহ হ'ল— *"The Pure Theory of Foreign Trade"* (1879), *"Industry and Trade"* (1919) আৰু *"Money, Credit and Commerce"* (1923)।




এ. চি. পিগো (A. C. Pigou) (১৮৭৭ - ১৯৫৯) ঃ আর্থাৰ চেচিল পিগো আছিল এগৰাকী ইংৰাজ অর্থবিজ্ঞানী। কেম্ব্রিজৰ ৰাজনৈতিক অর্থবিজ্ঞান বিভাগত মার্ছেলৰ পিছতেই পিগোৱে স্থান পাইছিল। অর্থবিজ্ঞানৰ পৰিসৰলৈ সমাজকল্যাণৰ ধাৰণাটো তেখেতেই আনিছিল। পিগো বিশেষকৈ ব্যক্তিগত আৰু সামাজিক প্রান্তিক দ্রব্য আৰু ব্যয়ৰ পার্থক্যৰ ধাৰণাৰ বাবে বিখ্যাত। পিগোৱে কল্যাণ অর্থনীতি, মুদ্রা অর্থনীতি আৰু জাতীয় আয়ৰ ক্ষেত্রলৈ প্রভূত বৰঙণি আগবঢ়াইছে। তেখেতৰ প্রধান গ্রন্থসম্ভাৰ হ'ল— *"Wealth and Welfare"* (1912); *"Economics of Welfare"* (1920); *"Essays in Applied Economics"* (1923); *"Theory of Employment"* (1933); *"Employment and Equilibrium"* (1941) ইত্যাদি।



ই. এইছ. চেম্বাৰলিন (E. H. Chamberlin) (১৮৬৬ - ১৯৬৭) ঃ এডৱার্ড হেষ্টিং চেম্বাৰলিন এগৰাকী আমেৰিকান অর্থবিজ্ঞানী। তেখেত একাধিকাৰ প্রতিযোগিতামূলক বজাৰৰ তত্ত্বৰ বাবে প্রখ্যাত (১৯৩৩)। ইয়াত তেওঁ প্রথম বাৰৰ বাবে আলোচনা কৰিছে যে প্রকৃত বজাৰ ব্যৱস্থা আচলতে পূর্ণপ্রতিযোগিতা আৰু একচেটিয়া ব্যৱসায়ৰ মাজত অৱস্থান কৰে। তেওঁ দেখুৱাইছিল যে, অপূর্ণ প্রতিযোগিতামূলক বজাৰত প্রতিষ্ঠানবোৰে প্রতিযোগিতাত অৱতীর্ণ হয়, যদিও স্বকীয় বৈশিষ্ট্যৰ সামগ্রীৰ অৱস্থিতিৰ বাবে প্রতিষ্ঠানবোৰে কিছু পৰিমাণে একচেটিয়া ক্ষমতাও ভোগ কৰে। এনেধৰণৰ বজাৰত প্রতিযোগিতাই দ্রব্য-সামগ্রীৰ প্রতিযোগিতাৰ ৰূপ লয়, য'ত বিজ্ঞাপনে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তেখেতে একাধিকাৰ প্রতিযোগিতা বজাৰৰ 'বাহি ক্ষমতা' (Excess Capacity)ৰ দৰে গুৰত্বপূর্ণ ধাৰণাৰো উদ্ভাৱন কৰিছিল।



আর্নষ্ট এঞ্জেল (Ernst Engel) (১৮২১ - ১৮৯৬) ঃ আর্নষ্ট এঞ্জেল এগৰাকী জার্মান ৰাজনৈতিক অর্থবিজ্ঞানী তথা পৰিসংখ্যাবিদ। ১৯৪৮ চনৰ বিপ্লৱৰ পিছতে তেওঁ চেক্সনীৰ ৰাজকীয় আয়োগত বাণিজ্য আৰু শ্রমিকৰ সম্পর্ক নির্দ্ধাৰণৰ বাবে নিযুক্ত হয়। ১৮৫০ চনত চৰকাৰে তেওঁক লেইপজিগৰ জার্মান উদ্যোগিক প্রদর্শনীত সহায় আগবঢ়াবলৈ নির্দেশ দিয়ে। তেওঁৰ সুদক্ষ সেৱাৰ বাবে ১৮৫৪ চনত পৰিসংখ্যা বিভাগৰ প্রধান হিচাপে চৰকাৰে তেওঁক নিযুক্তি দিছিল য'ৰ পৰা তেওঁ ১৮৫৮ চনত অৱসৰ গ্রহণ কৰে। দক্ষতাৰ বাবে পুনৰ তেওঁক পৰিসংখ্যা বিভাগৰ সঞ্চালক হিচাপে নিযুক্ত কৰা হৈছিল। অর্থবিজ্ঞানলৈ তেওঁৰ যুগমীয়া অৱদান হ'ল "এঞ্জেলৰ বিধি" —যাৰ বক্তব্য হ'ল যে নিম্ন আয়ৰ উপভোক্তাই তেওঁলোকৰ উপার্জনৰ বুজন অংশ খাদ্য সামগ্রীৰ নামত ব্যয় কৰে। ভোগ কৰে। এনেধৰণৰ বজাৰত প্রতিযোগিতাই দ্রব্য-সামগ্রীৰ প্রতিযোগিতাৰ ৰূপ লয়, য'ত বিজ্ঞাপনে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তেখেতে একাধিকাৰ প্রতিযোগিতা বজাৰৰ 'বাহি ক্ষমতা' (Excess Capacity)ৰ দৰে গুৰত্বপূর্ণ ধাৰণাৰো উদ্ভাৱন কৰিছিল।



ইউগেন স্লাট্স্কি (Eugen Slutsky) (১৮৮০ - ১৯৪৮) ঃ ইউগেন স্লাট্স্কি এগৰাকী ৰাচিয়ান অর্থনৈতিক পৰিমাপ বিজ্ঞানী (Econometrician)। তেওঁ কেইভ বিশ্ববিদ্যালয় আৰু USSR একাডেমী অব চায়েন্সৰ গণিত প্রতিষ্ঠানত অধ্যাপনা কৰিছিল। চাহিদা তত্বলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁ সুপৰিচিত। ১৯১৫ চনত তেওঁ প্রতিপন্ন কৰিছিল যে চাহিদা তত্বটো প্রান্তিক উপযোগিতাৰ ধাৰণাৰ পৰা ব্যাখ্যা কৰিব পাৰি। পিছলৈ এই ধাৰণাটো হিক্স আৰু এলেনে উন্নত কৰিছিল আৰু দৰবিপাকক গাণিতিকভাবে আয়বিপাক আৰু প্রতিক্লপন বিপাকত ভাগ কৰি দেখুৱাইছে। এই গাণিতিক প্রকাশক "স্লাট্স্কি সমীকৰণ" বুলি জনা যায়।

জি. জে. ষ্টিগলাৰ (G. J. Stigler) (১৯১১ - ১৯৯১) ঃ জর্জ যোচেফ ষ্টিগলাৰ এগৰাকী আমেৰিকান অর্থবিজ্ঞানী। আইঅ'ৱা ৰাষ্ট্রীয় কলেজ, মিন্নেচোটা বিশ্ববিদ্যালয়, ব্রাউন বিশ্ববিদ্যালয়, কলম্বিয়া বিশ্ববিদ্যালয়, আদিকে ধৰি বহুতো প্রতিষ্ঠানত তেওঁ অধ্যাপনা আৰু সেৱা আগবঢ়াইছিল। 'অর্থনৈতিক তত্ত্বৰ নিয়ন্ত্রণ' উদ্ভাৱন কৰা বাবে তেওঁ সুপৰিচিত। এই তত্বটোৰে কয় যে স্বার্থান্বেষী গোষ্ঠী আৰু অন্যান্য অংশগ্রহণকাৰীসকলে তেওঁলোকৰ অনুকূলে আইন প্রণয়ন কৰিবলৈ চৰকাৰক নিয়ন্ত্রণ কৰে। তেখেতৰ উল্লেখযোগ্য গ্রন্থসম্ভাৰ হ'ল— *"The Theory of Price"* (1966); *"The Organisation of an Industry"* (1983); *"Chicago Studies in Political Economy"* (1988). ১৯৮২ চনত ষ্টিগলাৰে অর্থনীতিৰ ন'বেল বঁটা লাভ কৰিছিল।



এইছ. এইছ. গ'ছেন (H. H. Gossen) (১৮১০ - ১৮৫৮) ঃ হেৰমান হেইনৰিখ গ'ছেন এগৰাকী জার্মান অর্থবিজ্ঞানী যিয়ে ক্রমহ্রাসমান প্রান্তিক উপযোগিতা বিধি উদ্ভাৱন কৰিছিল। পিছলৈ ই 'গ'ছেনৰ প্রথম বিধি' হিচাপে জনাজাত হয়। গ'ছেনৰ দ্বিতীয় বিধি অনুসৰি সামগ্রীৰ বিনিময়ৰ অনুপাত ব্যৱসায়ীৰ প্রান্তিক উপযোগিতাৰ সমান হয়। গ'ছেনৰ কর্মৰাজি প্রকাশ নোপোৱাকৈয়ে তেওঁৰ মৃত্যু হয়। ১৮৭৮ চনত জেভন্‌চে তেওঁৰ কর্মৰাজি পোহৰলৈ আনে আৰু সন্মান সহকাৰে গ্রহণ কৰে। তেওঁৰ প্রধান কর্ম হ'ল— *"The Development of the Law of Exchange among Men and of the Consequent Rules of Human Action"* (1854).

জে. আৰ. হিক্স (J. R. Hicks) (১৯০৪ - ১৯৮৯) ঃ জে. আৰ. হিক্স হ'ল বিংশ শতিকাৰ এগৰাকী আটাইতকৈ প্রভাৱশালী ব্রিটিছ অর্থবিজ্ঞানী। তেওঁ অক্সফ'র্ড বিশ্ববিদ্যালয়ৰ পৰা শিক্ষা গ্রহণ কৰিছিল আৰু 'লণ্ডন স্কুল অৱ ইক'ন'মিক্স,' কেম্ব্রিজ, মানচেষ্টাৰ আৰু অক্সফ'র্ড বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল। ১৯৭২ চনত তেওঁ কেনেথ এৰ'(Kenneth Arrow)ৰ সৈতে অর্থবিজ্ঞানৰ ন'বেল বঁটা লাভ কৰিছিল। তেওঁ ব্যষ্টিবাদী আৰু সমষ্টিবাদী অর্থবিজ্ঞান দুয়োটা ক্ষেত্রতেই অৱদান আগবঢ়াইছে। ১৯৩২ চনত তেওঁ 'প্রতিকল্পন স্থিতিস্থাপকতা (Elasticity of Substitution)' আৰু ১৯৩৭ চনত 'IS-LM' আর্হিৰ ধাৰণা উদ্ভাৱন কৰিছিল। তেওঁৰ মুখ্যকর্মৰাজি হ'ল— *"Theory of Wage"* (1932); *"Value and Capital"* (1939); *"The Social Framework : An Introduction to Economics"* (1942); *"A Revision of Demand Theory"* (1956); *"Essays in World Economic"* (1959); আৰু *"The Crisis of Keynesian Economics"* (1974) ইত্যাদি।



লিঅ'ন ৱালৰাছ (Leon Walras) (১৮৩৪ - ১৯১০) ঃ ফ্রান্সত জন্ম গ্রহণ কৰা অর্থবিজ্ঞানী লিঅ'ন



যোছেফ শ্যুমপিটাৰে 'সকলো অর্থবিজ্ঞানীৰ ভিতৰত শ্রেষ্ঠ' আখ্যা দিছে। তেওঁ চুইজাৰলেণ্ডৰ বিদ্যালয়ত অধ্যাপনা কৰিছিল। অর্থবিজ্ঞানলৈ তেওঁ দুটা প্রধান অৱদান আগবঢ়াইছে। প্রথমটো ত্বলৈ প্রান্তিক উপযোগিতাৰ অৱদান আৰু দ্বিতীয়টো হ'ল সাধাৰণ ভাৰসাম্য বিশ্লেষণত গাণিতিক ই বিশ্লেষণত অর্থনীতিৰ সকলোবোৰ দ্রব্য আৰু সেৱাকার্যৰ দৰ একে লগে নির্দ্ধাৰণ কৰা হয়। া তেওঁক 'সাধাৰণ ভাৰসাম্যৰ পিতৃ' বুলি কোৱা হয়। তেওঁৰ মুখ্য প্রকাশ সমূহৰ ভিতৰত— *"Elements of Pure Economics"* (1874); *"Studies in Social Economics"* (1896) আৰু *"Studies in Applied Economics"* (1898) উল্লেখযোগ্য।



লায়'নেল ৰবিন্স (Lionel Robbins) (১৮৯৮ - ১৯৮৪) ঃ ব্রিটিছ অর্থবিজ্ঞানী ৰবিন্স ১৯২৯ চনৰ পৰা ১৯৬১ চনলৈ 'লণ্ডল স্কুল অৱ ইকন'মিক্স'ৰ অধ্যাপক আছিল। ৰবিন্সে আদর্শাত্মক অর্থবিজ্ঞান (Normative Economics) আৰু যোগাত্মক অর্থবিজ্ঞান (Positive Economics)ৰ ধাৰণাৰ পার্থক্যৰ ওপৰত গুৰুত্ব দিছিল। ১৯৩৫ চনত প্রকাশিত *"An Essay on the Nature and Significance of Economic Science"* —হ'ল তেওঁৰ আটাইতকৈ প্রভাবশালী গ্রন্থ। ৰবিন্সে অর্থনৈতিক সম্পদৰ দুষ্প্রাপ্যতাৰ ওপৰত গুৰুত্ব দিছিল। অর্থবিজ্ঞানৰ ওপৰত তেওঁৰ দর্শন আছিল— "যি বিজ্ঞানে লক্ষ্য আৰু সীমিত উপায়সমূহৰ মাজৰ সম্পর্ক হিচাপে মানৱ আচৰণ অধ্যয়ন কৰে সেয়ে অর্থবিজ্ঞা।" ৰবিন্সৰ কেতবোৰ উল্লেখযোগ্য গ্রন্থ হ'ল— *"The Economic Basis of Class Conflict and Other Essays in Political Economy"* (1939); *"The Economic Cause of War"* (1939); *"The Theory of Economic Development in the History of Economic Thought"* (1968); *"The Evolution of Modern Economic Theory"* (1970).

পি. এ. ছেমুৱেলচন (P. A. Samuelson) (১৯১৫ -) ঃ পল এণ্ঠনি চেমুৱলচন এগৰাকী আমেৰিকান অর্থবিজ্ঞানী। তেওঁ স্নাতকোত্তৰ আৰু ডক্টৰেট ডিগ্ৰী হার্ভাড বিশ্ববিদ্যালয়ৰ পৰা গ্ৰহণ কৰিছিল। ১৯৪০ চনৰ পৰা তেওঁ *MIT (Massachusetts Institute of Technology)*ত অধ্যাপনা কৰিছিল। তেওঁৰ *"Foundations of Economic Analysis"* (1947)এ উপভোক্তাৰ আচৰণৰ সার্বজনীন প্ৰকৃতিৰ বিষয়ে ব্যাখ্যা কৰিছে। অর্থবিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰলৈ তেওঁৰ অৱদান সমূহৰ ভিতৰত আছে — অর্থনৈতিক ব্যৱস্থাৰ গতিশীলতা, ৰাজহুৱা সামগ্ৰীৰ বিশ্লেষণ, কল্যাণ অর্থনীতি, ৰাজহুৱা ব্যয় ইত্যাদি। তেওঁৰ আটাইতকৈ প্ৰভাৱশালী অৱদান হ'ল 'গুণনীয়ক আৰু ত্বৰকৰ' তত্ত্বৰ *(Theory of Multiplier and Acclerator)* গাণিতিক প্ৰকাশ আৰু উপভোক্তাৰ বিশ্লেষণত নির্বাচিত অগ্ৰাধিকাৰ *(Revealed Preference)* তত্ত্বৰ সংযোগ। তেওঁৰ সুপ্ৰণীত গ্ৰন্থ *"Economics"* (1948)খন অর্থবিজ্ঞানৰ এখন সর্বাধিক বিক্ৰী হোৱা সর্ব্বজন গ্ৰাহ্য গ্ৰন্থ। ১৯৭০ চনত তেওঁ অর্থবিজ্ঞানৰ তৃতীয়জন ন'বেলবঁটা বিজয়ী হিচাপে বিবেচিত হৈছিল। তেওঁৰ অন্যান্য গ্ৰন্থসমূহ হ'ল— *"Economics from the Heart : the Samuelson Sampler"* (1983).



ৰাগনাৰ ফ্ৰিস্ক (Ragnar Frisch) (১৮৯৫-১৯৭৩) ঃ নৰৱেত জন্ম গ্ৰহণ কৰা অর্থবিজ্ঞানী ৰাগনাৰ এণ্টন কিট্টি ফ্ৰিস্কে জ্যাঁ টিনবার্গেৰ সৈতে ১৯৬৯ চনত অর্থনীতিৰ প্ৰথম ন'বেল বঁটা লাভ কৰিছিল। অর্থনৈতিক পৰিমাপ বিজ্ঞান (Economietrics)ৰ ক্ষেত্ৰত তেওঁ ভালেমান উল্লেখযোগ্য, অৱদান আগবঢ়াইছে যাৰ বাবে তেওঁক এই বঁটা প্ৰদান কৰা হৈছিল। তেওঁ ১৯৩০ চনৰ বিৰাট অর্থনৈতিক মন্দাৱস্থাৰ সময়ত অর্থনৈতিক নীতি প্ৰস্তুত কৰণৰ ক্ষেত্ৰত এগৰাকী আগশাৰীৰ অর্থবিজ্ঞানী আছিল। তেওঁ চৰকাৰী কার্যকলাপ আৰু ৰাজহুৱা ব্যয়বৃদ্ধি কৰি চাহিদা বৃদ্ধি কৰাৰ পোষকতা কৰিছিল।পিছৰ সময়ছোৱাত তেওঁ অর্থনৈতিক পৰিকল্পনাৰ আৰ্হি, গাণিতিক আঁচনি আদিৰ বিকাশ সাধন কৰিছিল। তেওঁৰ মুখ্য কর্মৰাজি হ'ল— *"Statistical Confluence Analysis by Means of Complete Regression System"* (1943); *"Maxima and Minima"* (1966) আৰু *"The Theory of Production"* (1965) ইত্যাদি।



ৰৰ্বাট গিফেন (Robert Giffen) (১৮৩৭ - ১৯১০) ঃ ৰৰ্বাট গিফেন এগৰাকী ব্ৰিটিছ পৰিসংখ্যাবিদ আৰু অর্থবিজ্ঞানী। মুখ্যতঃ তেওঁ এগৰাকী বিত্তীয় সাংবাদিক আৰু পৰিসংখ্যাবিদ হিচাপে সুপ্ৰতিষ্ঠিত, যাৰ বাবে তেওঁ ১৮৭৬ চনত 'Board of Trade' ৰ পৰিসংখ্যা বিভাগৰ মুৰব্বী হিচাপে নিয়োগ কৰা হৈছিল। পিছলৈ ১৮৮২ চনত সহকাৰী সচিব আৰু শেষত ১৮৯২ চনত মহানিয়ন্ত্ৰক হিচাপে নিযুক্ত হৈছিল। তেখেতৰ মুখ্য কর্মৰাজি হ'ল— *"American Railways as Investments"* (1873); *"Essays on Finance"* (1879 and 1884); *"The Progress of Working Classes"* (1884); *"The Growth of Capital"* (1890); *"The Case Against Bimetalism"* (1892) ইত্যাদি। গিফেন দ্ৰব্যৰ ধাৰণাটো তেখেতৰ নামৰ লগত জড়িত।



আৰ. জি. ডি. এলেন (R. G. D. Allen) (১৯০৬ - ১৯৮৩) ঃ ছাৰ ৰয় জর্জ ডুগলাচ এলেনে লণ্ডন স্কুল অৱ ইকন'মিক্স আৰু লণ্ডন বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল। ১৯৩৪ চনত তেওঁ উপভোক্তাৰ তত্ত্বলৈ গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছিল, জে. আৰ. হিক্সৰ লগত যৌথভাবে ইকনমিকা পত্ৰিকাত প্ৰকাশিত এটা প্ৰৱন্ধৰ জড়িয়তে। প্ৰৱন্ধটোত নির্দেশ কৰা হৈছিল যে তললৈ নামি যোৱা চাহিদা ৰেখা ব্যাখ্যা কৰিবলৈ নিৰপেক্ষৰেখাৰ ধাৰণা সহায়ক আৰু যথেষ্ট। পুনৰ প্ৰৱন্ধটোত দৰ বিপাকক গাণিতিকভাবে আয় বিপাক আৰু প্ৰতিকল্পন বিপাকত ভাগ কৰি দেখুওৱা হৈছিল। তেখেতৰ প্ৰধান কর্মৰাজি হ'ল— *"Mathematical*

Analysis for Economists" (1938); *"Macroeconomic Theory"* (1967); *"Index Numbers in Theory and Practice"* (1975); *"Intrduction to National Accounts Statistics"* (1980) ইত্যাদি।



থাৰ্ষ্টেইন, বি. ভেবলেন (Thorstein B. Veblen) (১৮৫৭-১৯২৯) ঃ থৰ্ষ্টেইন, বি. ভেবলেন এগৰাকী আমেৰিকান অৰ্থবিজ্ঞানী তথা সমাজ বিজ্ঞানী। তেখেতে চিকাগো বিশ্ববিদ্যালয়ত অৰ্থবিজ্ঞানৰ অধ্যাপক হিচাপে কাম কৰিছিল। ভেবলেন আছিল প্ৰতিষ্ঠানিক অৰ্থবিজ্ঞানৰ জনক (Founder of Institutional Economics)। ভেব্‌লেনৰ মতে অৰ্থনৈতিক প্ৰতিষ্ঠানবোৰ অৰ্থবিজ্ঞানীসকলে পোষণ কৰা দৃষ্টিভঙ্গীৰ প্ৰতিফলনৰ বাহিৰে আন একো নহয়। ভেব্‌লেনৰ আটাইতকৈ গুৰত্বপূৰ্ণ অৱদান হ'ল— *"The Theory of Leisure Class"* (1899) আৰু *"The Theory of Business Enterprise"* (1904). তেখেতৰ অন্যান্য কৰ্মৰাজিৰ ভিতৰত আছে— *"The Place of Science in Modern Civilization"* (1991); *"Absentee Owenership"* (1923); *"Essays in Our Changing Order"* (1934) ইত্যাদি।



ডব্লিউ. ডি. নৰ্চাছ (W. D. Nordhaus) (১৯৪১ -) ঃ ডব্লিউ. ডি. নৰ্চাছ হ'ল আমেৰিকাৰ প্ৰখ্যাত অৰ্থবিজ্ঞানী-সকলৰ এজন। তেওঁ য়েল বিশ্ববিদ্যালয়ৰ স্নাতক আৰু MIT ৰ পৰা ডক্টৰেট। তেওঁ য়েল বিশ্ববিদ্যালয়ৰ অৰ্থবিজ্ঞানৰ এগৰাকী অধ্যাপক। তেওঁ 'নেশ্যনেল একাডেমী অৱ চায়েন্স'ৰ এগৰাকী সদস্য আৰু 'একাডেমী অৱ্ আৰ্টছ এণ্ড চায়েন্স'ৰ এগৰাকী সভ্য। যুক্তৰাষ্ট্ৰীয় পৰিসংখ্যাৰ ওপৰত নব্য প্ৰতিষ্ঠিত 'আমেৰিকান ইকন'মিক এছোছিয়েছন'ৰ তেওঁ প্ৰথম গৰাকী সভাপতি আছিল।

তেওঁৰ মুখ্য কৰ্মৰাজি হ'ল— *"Invention, Growth and Welfare"*; *"Is Growth Obsolete?"*; *"Efficient Use of Energy Respirces"*; *"Reforming Federal Regulation"; "Managing the Global Commons"*; *"Warming the World"* ইত্যাদি।



ডব্লিউ. এছ. জেভনচ্ (W. S. Jevon) (১৮৩৫ - ১৮৮২) ঃ ব্ৰিটিছ অৰ্থবিজ্ঞানী উইলিয়াম ষ্টেন্‌লি জেভনচ্ লণ্ডন বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল। ১৮৬৬ চনত তেওঁ অ'ৱেনচ্ কলেজত তৰ্কশাস্ত্ৰ আৰু অৰ্থবিজ্ঞানৰ অধ্যাপক হিচাপে যোগ দিয়ে ১৮৭৬ চনত তেওঁ লণ্ডনৰ ইউনিভাৰ্ছিটি কলেজত ৰাজনৈতিক অৰ্থবিজ্ঞানৰ অধ্যাপক হিচাপে যোগ দিয়ে; কিন্তু ১৮৮০ চনত তাৰ পৰা অব্যাহতি লয়। মূল্যতত্ত্বলৈ প্ৰান্তিক উপযোগিতাৰ অৱদান আগবঢ়োৱা তিনি গৰাকী অৰ্থবিজ্ঞানীৰ (আন দুজন ৰালৰাছ আৰু মেংগাৰ) এগৰাকী হ'ল জেভনছ। তেওঁ উৎপাদন প্ৰক্ৰিয়া আৰু মূলধন তত্ত্বলৈ সময়ৰ ধাৰণাৰ উদ্ভাৱন কৰিছিল। তেওঁ সূচক সংখ্যা আৰু বাণিজ্য চক্ৰ তত্ত্বলৈও গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। জেভনছে *'Sunspot'* তত্ত্ব আগবঢ়াইছিল। তেওঁৰ মুখ্য কৰ্মৰাজি হ'ল— *"Mathematical Theory of Political Economy"* (1862) আৰু *"A Serions Fall in the Value of Gold"* (1863).

*** ***** ***

REFERENCES (পাঠ্যবিষয়ৰ বাবে প্ৰযোজ্য)

1) Pearce, D.W. (Ed.) (1992); *Macmillan Dictionary of Modern Economics*; New Delhi: Macmillan.
2) Jain, G.J. (2008); *Nobel Prize Winners in Economics*; Three Ess Publications.

The New Encyclopedia Britannica (2005), 15th Ed.